# স্মৃতিগ্ৰন্থ

দুধনৈ মহাবিদ্যালয় ৰূপালী জয়ন্তী উৎসৱ, ২৩ আৰু ২৪ জানুৱাৰী, ২০০৮



# স্মৃতিগ্ৰন্থ

ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন

## দুধনৈ মহাবিদ্যালয়

গোৱালপাৰা, অসম

২৩ আৰু ২৪ জানুৱাৰী, ২০০৮

ক্ষীৰোদ খাখলাৰী
সভাপতি

হৰকুমাৰ নাথ
কল্যাণ দৈমাৰী
সম্পাদকদ্বয়

# স্মৃতিগ্ৰন্থ

দুধনৈ মহাবিদ্যালয় ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন ২৩ আৰু ২৪ জানুৱাৰী, ২০০৮

*(২০০৭-২০০৮ বৰ্ষৰ মহাবিদ্যালয় আলোচনীখন সংলগ্ন)*

**স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি :**

**সভাপতি :**
শ্ৰী ক্ষীৰোদ খাখলাৰী

**উপঃ সভাপতি :**
শ্ৰী দশৰথ কাকতি
শ্ৰী গোপাল ৰয়
শ্ৰী অশোক ৰঞ্জন ভট্টাচাৰ্য্য

**সম্পাদকদ্বয় :**
শ্ৰী হৰকুমাৰ নাথ
শ্ৰী কল্যাণ দৈমাৰী

**যুটীয়া সম্পাদক :**
ড° ৰজত ৰাভা
শ্ৰী দিপালী ডেকা
শ্ৰী বাবুল কলিতা
শ্ৰী পাৰুল নাথ

**সদস্যবৃন্দ :**
শ্ৰী চন্দ্ৰ বাহাদুৰ ছেত্ৰী
শ্ৰী অমিয় বসুমতাৰী
শ্ৰী পূৰ্ণ খাখলাৰী
শ্ৰী ছফিকুল হুচেইন
শ্ৰী শেৱালী কলিতা
শ্ৰী ৰূপজ্যোতি মজুমদাৰ
শ্ৰী ফণী ভূষন দাস

**বেটুপাতৰ শিল্পী :**
সূৰ্য্য স্বৰ্গীয়াৰী

**অঙ্গসজ্জা :**
হৰকুমাৰ নাথ, দিপালী ডেকা


**ছপা শাল :**
*চিটি অফছেট, আনন্দ নগৰ, আদাবাৰী তিনি আলি, গুৱাহাটী-১২*
*ফোন : ০৩৬১-২৫৭১২৬৯, মো: ৯৪৩৫৫-৪০৪৪৬*

**বৰঙণি :**

GOVERNOR
ASSAM

**RAJ BHAVAN**
**GUWAHATI**



**January 2, 2008**

# MESSAGE

I am glad to learn that the Dudhnoi College, Goalpara is celebrating silver Jubilee and publishing a souvenir on this occasion.

The institution has contributed very significantly towards the development of the overall personalities and individual talents of its students, who are the future citizens of our country.

I send my greetings and best wishes to all students and faculty members of this illustrious institution and exhort them to continue to work for the upliftment and progress of the nation.

**(Lt Gen (Retd) Ajai Singh, PVSM, AVSM)**
**Governor of Assam**

# অসম সাহিত্য সভা

কনক সেন ডেকা
সভাপতি

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১☐☎(০৩৭৬) ২৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১☐☎(০৩৬১) ২৫২১৮৩০
ডিফু কাৰ্যালয় ঃ ৰাংছিনা ভৱন, ডিফু-৭৮২৪৬০☐☎(০৩৬৭১)২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয়। ধুবুৰী-৭৮৩৩০১☐☎(০৩৬৬২)২৩২৫২৮



## শুভ-কামনা

ঐতিহ্যমণ্ডিত দুধনৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী মহোৎসৱ পালন কৰিবলৈ লোৱাটো অঞ্চলটোৰ বাবে এক তাৎপৰ্যপূৰ্ণ ঘটনা। এই মহাবিদ্যালয়ে আৰম্ভণিৰে পৰাই অঞ্চলটোৰ জনসাধাৰণৰ মাজত শিক্ষা প্ৰদীপ জ্বলাই আহিছে, যাৰ ফলস্বৰূপে এই মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা অসংখ্যজনে ৰাজ্যখনৰ প্ৰশাসনকে ধৰি বিভিন্ন দিশত দক্ষতাৰে সেৱা আগবঢ়াই আহিছে। তেওঁলোকৰ মাজৰে কিছুসংখ্যকে অসমীয়া সাহিত্য-সংস্কৃতিলৈ অৰিহণা আগবঢ়াই অঞ্চলটোৰ বাবে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ৰূপালী জয়ন্তী উৎসৱৰ আলোকে ছাত্ৰ-ছাত্ৰীসকলক অধিক উৎসাহিত কৰি তুলিব আৰু মহাবিদ্যালয়খনিৰ জয়যাত্ৰাও অব্যাহত থাকিব বুলি আশা কৰিলো। ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশ পাব লগা স্মৃতিগ্ৰন্থখনি যাতে অঞ্চলটোৰ শিক্ষা আৰু আৰ্থ-সামাজিক অৱস্থাৰ দাপোণস্বৰূপ হৈ সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ পায় তাকেই কামনা কৰিলো —

২২ পুহ, ১৪১৪

ব্যক্তিগত ঠিকনা ঃ অগ্ৰদুত ভৱন, দিছপুৰ, গুৱাহাটী - ৬ দূৰভাষ (০৩৬১) ২২৬৭২১২

Prof. (Dr.) Amarjyoti Choudhury
Vice-Chancellor

☎ : +91- 361-2570412 (0)
Fax : +91-361-2700311
**GAUHATI UNIVERSITY**
Gopinath Bardoloi Nagar
Guwahati - 781014
Assam : India

# শুভেচ্ছাবাণী

মই জানিবলৈ পাই নথৈ সুখী হৈছো যে, দুধনৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ অহা ২৩ আৰু ২৪ জানুৱাৰী, ২০০৮ তাৰিখে পালনৰ ব্যৱস্থা কৰা হৈছে। ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবলৈ লোৱাটো প্ৰশসংনীয় হৈছে। মই আশা কৰিছো স্মৃতিগ্ৰন্থখনিত সন্নিবিষ্ট হ'বলগীয়া লিখনী সমূহে মহাবিদ্যালয়ৰ ইতিহাসৰ চানেকী দাঙি ধৰিব আৰু নতুন প্ৰজন্মৰ বাবে এখন প্ৰেৰণাৰ বুৰঞ্জীলৈ ৰূপান্তৰিত হ'ব। ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যৎ জীৱনৰ বাবে নিজকে প্ৰস্তুত কৰি লোৱাৰ লগতে এজোন সৎ আৰু আদৰ্শবান ব্যক্তি হ'বলৈও প্ৰতিজ্ঞাবদ্ধ হ'ব লাগে।

এই সুযোগতে মই মহাবিদ্যালয়ৰ লগত ওতঃপ্ৰোতভাৱে জড়িত সকলো ব্যক্তিলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি ৰূপালী জয়ন্তীৰ সফল সামৰণি কামনা কৰিলোঁ।

অমৰজ্যোতি চৌধুৰী

তাৰিখ - ০৩.০১.২০০৮

(ড° অমৰজ্যোতি চৌধুৰী)
উপাচাৰ্য,
গুৱাহাটী বিশ্ববিদ্যালয়

**ড° উমেশ ডেকা**
*কলা গুৰু, গুৱাহাটী বিশ্ববিদ্যালয়*
*ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যাপক আৰু বিভাগীয় প্ৰধান*
*আধুনিক ভাৰতীয় ভাষা বিভাগ,*
*গুৱাহাটী বিশ্ববিদ্যালয়*



# শুভেচ্ছাবাণী

দুধনৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উপলক্ষে স্মৃতিগ্ৰন্থ এখন প্ৰকাশ পাব বুলি জানি স্বাভাৱিকতে আনন্দিত হৈছো। স্মৃতিগ্ৰন্থ এখনে একোখন সমাজ তথা একোটি অনুষ্ঠানৰ বিগত দিনৰ ইতিহাস আৰু সাময়িক অভিলেখ বহন কৰে। ইয়াৰ আনুষঙ্গিক চিন্তাৰ প্ৰতিফলনে অতীতক বৰ্ত্তমানৰ সৈতে সংযোজিত কৰে। এৰি থৈ অহা স্মৃতিৰ সফুৰাই নতুন প্ৰজন্মক মানসিক আৰু বৌদ্ধিক ভাবে অগ্ৰসৰ হোৱাত প্ৰেৰণা যোগায় আৰু তাতেই স্থিতি লয় সামাজিক বুনিয়াদ সৃষ্টিৰ অদম্য ৰূপ। বৰ্ণাঢ্য জন-গোষ্ঠীৰে সম্প্ৰীতিৰ এনাজৰী প্ৰকট কৰা দুধনৈ অঞ্চলৰ সামাজিক-সাংস্কৃতিক জীৱন ধাৰাই স্মৃতিগ্ৰন্থখনিৰ মাজেৰেই প্ৰতিসৰিত কৰক গতিময় আৰু চিৰন্তন স্বৰূপ।

শুভাশিস সহ —

# শ্ৰদ্ধাঞ্জলি



থানেশ্বৰ ৰায়



বাখাৰু ৰাম ৰায়

জন্ম : ১৫ জানুৱাৰী, ১৯০১

মৃত্যু : ১১ জুলাই, ১৯৭৯



অম্বিকা চৰণ বড়ো

জন্ম : ১৪ জুন, ১৯৩২

মৃত্যু : ১৬ জানুৱাৰী, ২০০৮



তৰুণ খাখলাৰী



হাকিম চন্দ্ৰ ৰাভা



ৰঞ্জিত দত্ত



সুশান্ত বেনাৰ্জী

মহাবিদ্যালয় প্ৰতিষ্ঠা কালৰে পৰা নিষ্ঠাৰে সহায় সহযোগ আগবঢ়োৱা
এই সকল মহান ব্যক্তিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি
বিদেহী আত্মাৰ সদ্গতি কামনা কৰিলো।
লগতে
যিসকল মহান শিক্ষানুৰাগী, ৰাজনৈতিক ব্যক্তি, সাংস্কৃতিবিদ আৰু মহাবিদ্যালয় প্ৰতিষ্ঠা কালৰ অইন নিষ্ঠাবান কৰ্মী
আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি গৈছে তেওঁলোকলৈও শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

*— ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি*

# সম্পাদকীয়

গোৱালপাৰা জিলাৰ উচ্চশিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰ দুধনৈ মহাবিদ্যালয়ে এখোজ দুখোজকৈ আগবাঢ়ি ইতিমধ্যে ১৯৯৭ চনতে ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিছে। কিন্তু অনাকাংক্ষিত ভাবে ৰূপালী জয়ন্তী উৎসৱ কেইবছৰ মান পলমকৈ উদ্‌যাপন কৰিব লগীয়া হৈছে। অৱশ্যে পলমকৈ হ'লেও ৰূপালী জয়ন্তী উদ্‌যাপনৰ দ্বাৰা মহাবিদ্যালয়খনৰ সামগ্ৰীক দিশৰ খতিয়ান লোৱাটো সম্ভৱ হৈ উঠিব বুলি আশা কৰা হৈছে। ৰূপালী জয়ন্তী উদ্‌যাপনৰ লগত সঙ্গতি ৰাখি মহাবিদ্যালয়ৰ দাপুবেজ ৰূপে এখনি 'স্মৃতিগ্ৰন্থ' প্ৰকাশৰো প্ৰস্তাৱ গ্ৰহণ কৰা হয়। লগতে ২০০৭-২০০৮ বৰ্ষৰ আলোচনীখনো ইয়াত সংলগ্ন কৰা হৈছে।

বহুজন সদাশয় ব্যক্তি আৰু এই অঞ্চলৰ ৰাইজৰ অকুণ্ঠ সহযোগ আৰু কষ্টৰ বিনিময়ত ১৯৭২ চনতে গঢ় লৈ উঠা দুধনৈ মহাবিদ্যালয় আজিৰ এই ৰূপ পৰিগ্ৰহ কৰিছে। এই ছেগতে সেই সদাশয় ব্যক্তি সকলক আৰু  মহাবিদ্যালয়ৰ প্ৰতি আকুণ্ঠ সহায় সহযোগ আগবঢ়োৱা ৰাইজলৈ মহাবিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ তৰফৰ পৰা কৃতজ্ঞতা তথা শ্ৰদ্ধা নিবেদন কৰিছোঁ। লগতে এইটো স্বীকাৰ্য যে মহাবিদ্যালয়ে এই ছয়ত্ৰিশটি বছৰত অভূতপূৰ্ব অগ্ৰগতি লাভ কৰে। NAAC ৰ সমীক্ষাতো এই মহাবিদ্যালয়ে B Grade লাভ কৰে। কলা, বিজ্ঞান, আৰু বৃত্তিমুখী বিদ্যা (Vocational) শাখাত বৰ্তমানত শিক্ষকৰ অভাব হোৱা নাই তথাপি এই বিষয়ত অধিক উন্নয়নৰ স্থাল আছে। ১৯৮৫ চনত দুধনৈ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ শুভাৰম্ভণি হয় আৰু ১৯৯৬ চনৰ জানুৱাৰীতে চৰকাৰী ঘাটি মঞ্জুৰী  প্ৰাপ্তি হয়। কলা শাখাৰ দৰে বিজ্ঞান শাখাৰ ক্ষেত্ৰতো এই অঞ্চলৰ সদাশয় ৰাইজৰ সহায় সহযোগ আৰু উদাৰতাৰ সাক্ষী হিচাপে গঢ় লৈ উঠিছে ইয়াৰ বিজ্ঞানাগাৰ। বৰ্তমানত কলা তথা বিজ্ঞান দুয়োটা শাখাতে এক সন্তোষজনক অৱস্থিতি বৰ্তমান। এই অঞ্চলৰ বহু দূৰ দূৰণিৰ পৰা ছাত্ৰ-ছাত্ৰী আহি পঢ়িবলৈ লৈছে। লৰা আৰু ছোৱালী ছাত্ৰবাসত ছাত্ৰ-ছাত্ৰীৰ থকাৰ সুব্যৱস্থা আছে। জিৰণি পৰত চাহ মিঠাইৰে আপ্যায়িত হবলৈ এখন কেন্টিনো আছে। তথাপি যেন মহাবিদ্যালয়খনত অসম্পূৰ্ণতাৰ চিহ্ন স্পষ্ট হৈ আছে। মহাবিদ্যালয় চৌহদৰ চাৰিসীমাৰ পকী বেৰ, এটি অটক ধুনীয়া প্ৰয়োজনীয় সকলো বিষয়ৰ কিতাপেৰে পূৰ্ণ পুথিভঁৰাল, মহাবিদ্যালয়ৰ প্ৰাকৃতিক সৌন্দৰ্যৰ চমক আনি দিয়া জৰাজীৰ্ণ কাঠৰ দলংৰ পৰিবৰ্ত্তে এখন পকী দলং আদিৰ অভাব অনুভৱ হয়।

শিক্ষা, সংস্কৃতি সমাজ আৰু সাহিত্য ক্ষেত্ৰত দুধনৈ মহাবিদ্যালয়ৰ এক বিশেষ ভূমিকা দেখিবলৈ পোৱা যায়। শৈক্ষিক দিশত এই অঞ্চলৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ হোৱা বাবে এই মহাবিদ্যালয়ত শিক্ষালাভ কৰি ইতিমধ্যে সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে সফলতা লাভ কৰি জীৱন নিৰ্বৰ্বাহ কৰিবলৈ সক্ষম হৈছে। সাংস্কৃতিক দিশত দুধনৈ মহাবিদ্যালয়ে এখনি উচ্চ আসন লাভ কৰি আহিছে। দুধনৈ অঞ্চল বিভিন্ন ভাষা ভাষী লোক আৰু বিভিন্ন সংস্কৃতিৰে পূৰ্ণ হোৱা বাবে মহাবিদ্যালয়ৰ ক্ষেত্ৰতো তদ্ৰুপ পৰিবেশ এটি বিৰাজমান। এই মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলে বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত বিশেষ প্যাৰদৰ্শিতা লাভ কৰিবলৈ সক্ষম হৈছে। ঠিক তেনেদৰে ৰাষ্ট্ৰীয় পৰ্যায়লৈও গৈ মহাবিদ্যালয়ৰ সুনাম অৰ্জন কৰিছে। বিশেষকৈ জনজাতীয় ৰাভা আৰু বড়ো নৃত্য-গীতত প্ৰায় প্ৰতি বছৰে গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱত সোণ বা ৰূপৰ পদক লাভ কৰি আহিছে। মহাবিদ্যালয়ৰ তৰফৰ পৰাও এই দিশত বিশেষ তৎপৰতা গ্ৰহণ কৰা দেখা যায়। তদুপিৰ খেল ধেমালিৰ ক্ষেত্ৰত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰা গৈ আন্তঃ ৰাষ্ট্ৰীয় পৰ্যায়তো বিদেশলৈ গৈ পদক লাভ কৰিবলৈ সক্ষম।

দুধনৈ মহাবিদ্যালয়ৰ সামাজিক, সাংস্কৃতিক ক্ষেত্ৰত অনৈক্যৰ মাজতো এক ঐক্য ৰক্ষিত হৈ

আছে। অৱশ্যে এই বৈশিষ্ট্য গোটেই দুধনৈ অঞ্চলতে বিৰাজমান। বিভিন্ন জাতি-জনজাতি ভাষা-ভাষী লোকেৰে পৰিপূৰ্ণ এই অঞ্চলত ঐক্য শান্তি সদায় অটুট আছে। সেইদৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰতো অনৈক্যৰ মাজতো ঐক্য বিৰাজমান। সেয়ে ক'ব পাৰি বৃহত্তৰ অসমীয়া পটভূমিত মহাবিদ্যালয়ৰ এক বিশেষ ভূমিকা নিশ্চয়কৈ আছে।

ৰূপালী জয়ন্তী উদ্‌যাপনৰ এই 'স্মৃতিগ্ৰন্থ'ত প্ৰকাশিত লেখনি সমূহ প্ৰকাশ কৰিবলৈ লওতে বিশেষকৈ এই অঞ্চলৰ সামাজিক, সাংস্কৃতিক, শৈক্ষিক আদি দিশলৈ বিশেষভাৱে লক্ষ্য কৰা হৈছে। 'স্মৃতিগ্ৰন্থ'ত প্ৰকাশিত কিছু লেখনি বৰ্তমান সময়ৰ খ্যাত পণ্ডিত বা গৱেষকৰ পৰাও লোৱা হৈছে। লগতে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ স্মৃতিৰোমন্থন কৰি লিখা, লেখনি, ছাত্ৰ-ছাত্ৰী শিতানৰ লেখনি আৰু মহাবিদ্যালয়ৰ আলোচনী, প্ৰাচীৰ পত্ৰিকা যেনে অসমীয়া বিভাগৰ পৰা প্ৰকাশিত পাঞ্চজন্য, নৃতত্ত্ব বিভাগৰ পৰা প্ৰকাশিত NREE BARTA, শিক্ষা বিভাগৰ পৰা প্ৰকাশিত জ্ঞানম, বিজ্ঞান বিষয়ক প্ৰয়াস আদিৰ পৰা গ্ৰহণ কৰা লেখনি সমূহে স্মৃতিগ্ৰন্থৰ সৌষ্ঠৱ বঢ়াইছে। স্মৃতিগ্ৰন্থৰ লগত এই বছৰৰ আলোচনীখন সংপৃক্ত হোৱাত সম্পাদকীয় প্ৰতিবেদন সমূহো ইয়াত দাঙি ধৰা হৈছে।

'স্মৃতিগ্ৰন্থ'ৰ ভালে সংখ্যক লেখনিত মহাবিদ্যালয়ৰ অগ্ৰগতিৰ খতিয়ান এটি স্পষ্টকৈ প্ৰকাশিত হোৱা বুলি ধাৰণা কৰা হৈছে। তাহানি খেৰৰ জুপুৰি ঘৰৰ পৰা অনুক্ৰমে ক্ৰমোন্নতি হৈ পকীঘৰেৰে পূৰ্ণহৈ বৰ্তমানত এক সন্তোষজনক স্থপতিয়ে মুৰ দাঙি উঠিছে। মহাবিদ্যালয় এখনৰ উন্নতিৰ ক্ষেত্ৰত অধ্যক্ষ, শিক্ষক-শিক্ষায়িত্ৰী, ছাত্ৰ-ছাত্ৰী, পৰিচালনা সমিতি আৰু সমূহ শ্ৰদ্ধেয় ৰাইজৰ এক সমূহিয়া প্ৰচেষ্টা নিহিত হৈ থাকে। এনে প্ৰচেষ্টা মহাবিদ্যালয়খনত আগলৈও বৰ্ত্তি থাকক এয়ে ঈশ্বৰৰ ওচৰত আমাৰ সৰল প্ৰাৰ্থনা।

**কৃতজ্ঞতা স্বীকাৰ ঃ** 'স্মৃতিগ্ৰন্থ'লৈ যিসকল মহানুভৱ লেখকে তেওঁলোকৰ তথ্যগধুৰ লেখনি আগবঢ়াই গ্ৰন্থৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে, সেইসকললৈ কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ। লগতে ছাত্ৰ-ছাত্ৰী তথা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলোকো ধন্যবাদ জ্ঞাপন কৰিলোঁ। আমাৰ এই কৰ্মত দেহে কেহে আত্মনিয়োজিত হৈ সহায় সহযোগ আগবঢ়োৱা বাবে স্মৃতিগ্ৰন্থ উপসমিতিৰ আতাইলৈকে ধন্যবাদ জ্ঞাপন কৰিলো। 'স্মৃতিগ্ৰন্থ'ৰ এই কৰ্মৰ আৰম্ভণিৰে পৰাই নানা দিহা-পৰামৰ্শৰে আমাক উৎসাহিত কৰা ব্যক্তিসকলৰ ভিতৰত বিশেষকৈ অধ্যক্ষ ড° গোপাল ফুকন, প্ৰাক্তন উপাধ্যাক্ষ শ্ৰীযুত ক্ষীৰোদ খাখলাৰী, ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি শ্ৰীমতী আনন্দীবালা ৰাভা, কাৰ্য্যকৰী সভাপতি শ্ৰীযুত তুলসীধৰ বড়ো আদি বিশিষ্ট ব্যক্তি সকললৈ কৃতজ্ঞ হৈ ৰলো। লগতে প্ৰতিটো ক্ষণতে সকিয়াই থকা বাবে শ্ৰী অমৃত কলিতা, আৰু শ্ৰীমনোজ গগৈৰ শলাগ স্বীকাৰ কৰিলোঁ। আনন্দ নগৰ গুৱাহাটীৰ চিটি অফছেট প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীমৃণাল চেটাৰ্জীৰ লগতে প্ৰেছটোৰ সমূহ কৰ্মচাৰীৰো শলাগ লৈছো।

**ক্ষমা প্ৰাৰ্থনাঃ** দুধনৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ 'স্মৃতিগ্ৰন্থ'ৰ দৰে এখন গুৰুত্বপূৰ্ণ আৰু ব্যয় বহুল গ্ৰন্থৰ সম্পাদনাৰ দায়িত্ব লবলৈ আমাৰ সামৰ্থ নথকা সত্বেও সদাশয় ৰাইজে সাধাৰণ সভাত আমাৰ নাম প্ৰস্তাৱ কৰাত সমূহ ৰাইজলৈ শ্ৰদ্ধা, ভক্তি আৰু কৃতজ্ঞতা প্ৰকাশ কৰিলো। লগতে কায়িক, মানসিক পৰিশ্ৰমৰ পিচতো অনিচ্ছাকৃত যি ভুল ভ্ৰান্তি ৰৈ গ'ল তাৰ বাবে আমি ৰাইজৰ ওচৰত ক্ষমা প্ৰাৰ্থী হৈ ৰ'লো। শ্ৰদ্ধাৰে —

জয়তু দুধনৈ মহাবিদ্যলয়।

'স্মৃতিগ্ৰন্থ' উপসমিতিৰ হৈ —

হৰকুমাৰ নাথ
কল্যাণ দৈমাৰী

# অধ্যক্ষৰ কলম



জয়জয়তে দুধনৈ অঞ্চলৰ সমূহ ৰাইজ, মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী বৃন্দ, বৰ্ত্তমানৰ ছাত্ৰ-ছাত্ৰী তথা সমূহ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু যি সকল ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম তথা নিৰলস প্ৰচেষ্টাৰ ফলশ্ৰুতিত এই মহান অনুষ্ঠানটিয়ে সুদীৰ্ঘ ৩৫ বছৰ অতিক্ৰম কৰিলে, তেখেতসকললৈ এই সুযোগতে ৰূপালী জয়ন্তী সমাৰোহ উদ্‌যাপন সমিতিৰ তৰফৰ পৰা উষ্ণ সম্ভাষণ জনাইছো। অধ্যক্ষ হিচাবে দায়িত্ব ভাৰ গ্ৰহণ (৩ মাৰ্চ, ২০০৫ চন) কৰাৰ পিছত মহাবিদ্যালয়খন কেনে ভাবে আটক ধুনীয়া কৰিব পাৰি, ছাত্ৰ-ছাত্ৰীৰ সফলতাৰে অঞ্চলটোক কেনেদৰে গৌৰবান্বিত কৰিব পাৰি আৰু লগতে ইয়াক সকলোলৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু কৰি তুলিব পাৰি ইত্যাদি ধাৰণাবোৰ যুগুতাই এটি সোণালী সপোন কল্পনা কৰি ভাল লাগিছিল। মহাবিদ্যালয়খনৰ প্ৰকৃতি প্ৰদত্ত সৌন্দৰ্য্য অতি চমৎকাৰ। মাত্ৰ দুই এবিধ বাখৰ লগাব পাৰিলেই ই জক্‌মকাই উজ্জ্বলি উঠিব। পৰীক্ষাৰ ফলাফল তুলনামূলক ভাৱে ভাল হওঁক, শ্ৰেণীবোৰত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি নিয়মীয়া হওঁক, একঘেমীয়া বা বিৰক্তিকৰ শিক্ষাদানৰ পৰিবৰ্ত্তে শিক্ষক-শিক্ষয়িত্ৰী সকলে আন্তৰিকতাৰে নতুনত্ব প্ৰদানেৰে এই মহান কাৰ্য্য সম্পান্ন কৰক, পৰ্য্যাপ্ত পৰিমাণে আন্তঃগাঠনিৰো বিকাশ হওঁক এনেবোৰ মধুৰ কল্পনাই হৃদয়ত প্ৰেৰণা যোগায়।

কিন্তু বাস্তৱ কল্পনাতকৈ বহুত জটিল, কেতিয়াবা ইয়াৰ মুখামুখি হ'বলৈ বহু সাহসৰ প্ৰয়োজন হয়। ৰাভা হাছং এলেকাৰ প্ৰাণকেন্দ্ৰ দুধনৈ অঞ্চলত দুধনৈ মহাবিদ্যালয় খনেই একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান। এই অনুষ্ঠানত কৰ্মৰত আমাৰ আটাইৰে মৰমৰ ছাত্ৰ-ছাত্ৰী সকলক এটি সঠিক দিশ নিৰ্ণয় কৰি দিয়াৰ দায়িত্বৰ উপৰিও অঞ্চলটোৰ ৰাইজৰ লগত সমিল মিলেৰে আগবঢ়াটো আমাৰ সকলোৰে নৈতিক দায়িত্ব। আমি চৰকাৰৰ উচ্চ বেতন ভোগী কৰ্মচাৰী হেতুকে ছাত্ৰ-ছাত্ৰীৰ মঙ্গলৰ বাবে, ৰাইজৰ হিতৰ বাবে আমাৰ মানসিক চিন্তাচৰ্চাৰো উচ্চ পৰ্য্যায়ৰ উত্তৰণ ঘটাব লাগিব। আজিৰ যুগত ফেৰ মাৰিব পৰাকৈ ছাত্ৰ-ছাত্ৰীক সুস্থ চিন্তাধাৰাৰে গঢ় দিয়াতো অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে ডাঙৰ প্ৰত্যাহ্বান। সন্ত্ৰাসবাদ, ড্ৰাগছ্ সেৱন, বন্ধ সংস্কৃতি, নিবনুৱা সমস্যা আদিয়ে নৱ প্ৰজন্মক প্ৰায় পঙ্গু কৰি পেলাইছে। কঠোৰ পৰিশ্ৰম, একাগ্ৰতা আৰু সুস্থ মানসিক চিন্তাৰে নৱপ্ৰজন্মক উদ্বুদ্ধ কৰাৰ বাবে সমাজৰ সকলো শ্ৰেণীৰ ব্যক্তিয়ে জাতি ভেদ পাহৰি আগবাঢ়ি নাহিলে অদূৰ ভৱিষ্যতে জটিল পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব।

মহাবিদ্যালয় স্তৰত পুৰণিকলীয়া পাঠ্যক্ৰমৰ পৰিবৰ্ত্তন নঘটালে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দিনক-দিনে হ্ৰাস পাব। বৰ্ত্তমান যুগত পাঠ্যক্ৰমৰ প্ৰায়োগিক দিশটোত অধিক গুৰুত্ব দিব লাগিব। উদাহৰণ স্বৰূপে বুৰঞ্জীত টুৰিজিম, ভূগোলত বতৰ বিজ্ঞান, উদ্ভিদবিদ্যাত Horticulture, প্ৰানীবিদ্যাত Fishery, অসমীয়াত অনুবাদ সাহিত্য অন্তৰ্ভূক্ত কৰি ছাত্ৰ-ছাত্ৰীক এনে ভাবে গঢ় দিব লাগিব যাতে শিক্ষা সাং কৰি তেওঁলোকে উপাৰ্জন পথ এটা নিজেই বাছি ল'ব পাৰে। বৰ্ত্তমান যুগত অধিকাংশ লোকৰেই জীৱনযাপন শৈলীৰ পৰিবৰ্ত্তন ঘটিছে। আমাৰ চাইকেলৰ ঠাইত মটৰ চইকেল, মটৰ চাইকেলৰ ঠাইত গাড়ী হৈছে, আনকি ঘৰ বাৰী আদিতো আমি ৰুচি বোধৰ নানা পৰিবৰ্ত্তন ঘটাইছো, সেয়েহে ছাত্ৰ-ছাত্ৰীক পঢ়ুওৱাৰ ক্ষেত্ৰতো আমি আমাৰ চিন্তা ধাৰা পৰিবৰ্ত্তনত বিশেষভাবে মনোনিৱেশ কৰিব লাগে। আমাৰ পাঠদানৰ নামত পাঠদান কৰাৰ মানসিকতা, মহাবিদ্যালয়লৈ দিনটো ত এবাৰ আহি উপস্থিতিৰ প্ৰমাণ দিয়াৰ মানাসিকতা পৰিহাৰ কৰাৰ সময় সমাগত। ছাত্ৰ-ছাত্ৰীৰ নামত সমাজৰ নামত, আমাৰ আন চিন্তাধাৰাৰ পৰিবৰ্ত্তন ঘটাই এনে এটা শৈক্ষিক পৰিৱেশ সৃষ্টি কৰিব লাগিব যাতে নিজৰ সন্তানৰ লগতে আনৰ সন্তানেও আমাৰ শিক্ষানুষ্ঠানত অধ্যয়ন কৰিবলৈ আগ্ৰহী হয়। নিজৰ শিক্ষানুষ্ঠানটিৰ ওপৰত আমাৰ নিজৰেই যদি কিছু সন্দেহ থাকে, যদি নিজৰ ল'ৰা-ছোৱালীক বাহিৰও পঢ়ুৱাও, (আসন পোৱাৰ যোগ্যতা থকাসকলৰ ক্ষেত্ৰত অৱশ্যে কোনো অতি উৎকৃষ্ট মানদণ্ডৰ মহাবিদ্যালয় অথবা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰাত বাধা আৰোপ কৰা নাই) তেন্তে আন মানুহক কেনেকৈ বুজাম যে আপোনাৰ ল'ৰা-ছোৱালী আমাৰ মহাবিদ্যায়লত পঢ়ুৱাওক। আমি আশাবাদী, অনাগত দিনত আমি সকলোৱে মিলি দুধনৈ মহাবিদ্যালয়খনৰ নাম উজলাব পাৰিম।

দুধনৈ মহাবিদ্যালয়ৰ আন্তঃ গাঁথনিৰ ক্ষেত্ৰত এতিয়াও আমাৰ বহুত কাম কৰিব লগীয়া আছে। এটি পূৰ্ণাঙ্গ প্ৰেক্ষাগৃহ (Auditorium), ছাত্ৰৰ বাবে এটা জিৰণি কোঠা, আহল-বহল কোঠাৰ আৰু মূল্যবান অনেক পুথিৰে চহকী এটি পুথিভঁৰাল, মহাবিদ্যালয়ৰ চাৰিসীমাৰ দেৱাল, বিজ্ঞান শাখাৰ বাবে একাধিক মহলাযুক্ত পকী ঘৰ, বিজ্ঞান বিভাগৰ প্ৰতিটো বিষয়ৰ বাবে অত্যাধুনিক বৈজ্ঞানিক সাঁ-সুজলিৰে সমৃদ্ধ একোটা পৰীক্ষাগাৰ, পুখুৰীৰ ওপৰেৰে অহাযোৱা কৰাৰ সুবিধাৰ্থে আৰু মহাবিদ্যালয়খনৰ সৌন্দৰ্য্যবৃদ্ধিৰ বাবে এখনি অভেল টাইপৰ পকী দলং ইত্যাদিৰ অভাব বৰকৈ অনুভৱ কৰা হৈছে। তথাপি জোৰা মাৰিব পৰাকৈ বিগত দুটা বছৰত বিশ্ববিদ্যালয়ৰ অনুদান অয়োগৰ পুঁজিৰে প্ৰায় সকলো শ্ৰেণী কোঠাৰ চিলিংৰ ব্যৱস্থা, ছাত্ৰীনিবাসৰ চাৰিসীমাৰ পকী দেৱাল নিৰ্মাণৰ উপৰিও দ ঠাইবোৰ সমান কৰাৰ লগতে কিছু মেৰামতি কৰা হৈছে। ভগ্নাৱশেষ Community Hall টোৰ দুয়োফালে বাৰান্দা দি পুনঃনিৰ্মাণ কৰি শ্ৰেণীকোঠাৰ লগতে প্ৰেক্ষাগৃহৰ ব্যৱস্থা কৰা হৈছে। জিৰণিকোঠাৰ প্ৰয়োজনীয় আঁচবাবৰ লগতে কিছু মেৰামতি, পুখুৰীটোৰ কিছু অংশত দেৱাল, বিজ্ঞান ভৱনলৈ যোৱা পথটি নিৰ্মাণ, বৰ্ত্তমানৰ ৰসায়নবিজ্ঞান আৰু উদ্ভিদবিজ্ঞান বিভাগৰ শ্ৰেণীকোঠাৰ বাৰান্দা দুখনৰ মেৰামতি আৰু অধ্যক্ষ আৰু উপাধ্যক্ষৰ কোঠাৰ সন্মুখত দুটি সৰুকোঠা নিৰ্মাণ কৰা হৈছে।

ৰিমেডিয়েল পাঠ্যক্ৰমৰ আধাৰত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে এটি ফটোষ্টেট মেচিন, LCD প্ৰজেক্টৰ আৰু কম্পিউটাৰৰ সুবিধা দিয়া হৈছে। উচ্চতৰ মাধ্যমিক শাখাত কম্পিউটাৰ পাঠ্যক্ৰমৰ প্ৰৱৰ্ত্তন কৰা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ বিভিন্ন শিতানৰ পৰা ধন ৰাহি কৰি অধ্যক্ষৰ বাস ভৱনটো আৰু ছাত্ৰাবাসৰ ভোজনালয়ৰ লগতে ৰান্ধনীশালটো নিৰ্মাণ কৰা হৈছে। এই সুযোগতে দুধনৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰমুখ্যে সকলো সদস্য সদস্যা আৰু সহায় সহযোগ আগবঢ়োৱা মহানুভৱ শিক্ষক-শিক্ষয়িত্ৰী সকলক ধন্যবাদ জ্ঞাপন কৰিছো। আশা ৰাখিছো আগলৈও সকলোৰে সহায় সহযোগ পাম।

আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে ৰূপালী জয়ন্তী সমাৰোহৰ সঙ্গতি ৰাখি কলেজৰ সুৰক্ষা আৰু সৌন্দৰ্য্য বৰ্ধনৰ বাবে ইতিমধ্যে মহাবিদ্যালয়খনিৰ চাৰিসীমাৰ দেৱাল নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।

যি সকল ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম আৰু নিঃস্বাৰ্থ ত্যাগৰ ফলস্বৰূপে এই মহান শিক্ষানুষ্ঠানটি আজি গঢ় লৈ উঠিছে সেইসকল ব্যক্তিক আমি সকলোৱে মিলি ৩৫ বছৰৰ মূৰত হ'লেও কিছু সন্মান আৰু সম্বৰ্দ্ধনা জনাবলৈ এই অনুষ্ঠানটিৰ আয়োজন কৰিছোহক। পৰবৰ্ত্তী কালত অনুষ্ঠানটিৰ উন্নতিৰ বাবে তেখেতসকলৰ দিহা পৰামৰ্শ আন্তৰিকতাৰে কামনা কৰিছো। জ্ঞাতে বা অজ্ঞাতে ৰূপালী জয়ন্তী সমাৰোহত আমাৰ বহুতো ভুল-ভ্ৰান্তি হ'ব পাৰে— আপোনাসবে নিজ গুণে এই ত্ৰুটি মাৰ্জনা কৰিব বুলি আমি আশা ৰাখিছো।

জয়তু দুধনৈ মহাবিদ্যলয়।

ড° গোপাল ফুকন
অধ্যক্ষ, দুধনৈ মহাবিদ্যালয়
সম্পাদক, ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতি




## EXECUTIVE COMMITTEE

Sitting (L to R) : N.B. Sheikh, T.C. Changmai, P. Kalita, J. Das, T.D. Boro, D. Kachari, A.B. Rabha Dr. G. Phukan, P. Sarkar, A. Ray, S. Roy.

Standing (1st row) (L to R) : S. Rabha, P. Rabha, S. Rajbangshi, T. Daimari, P. Ray , B. Rabha, D. Rabha, A. Rajbangshi, G. Das, R. Mazumdar, N. Ray, D. Nath, P. Kalita, R. Rabha, D. Basumatary H.K. kalita.

Standing (2nd row) (L to R) : J. Rabha, J. Khakhlary, S. Ray, A. Rabha, K. Daimari, D. Boro D. Kachari, N. Rabha, B. Rabha, M. Gogoi, J. Hazowari.



## EDITORIAL BOARD
of the Souvenir




TEACHING STAFF




MEMBERS OF DUDHNOI COLLEGE STUDENTS UNION
(2007-08)



CULTURAL SUB-COMMITTEE




CULTURAL PROCESSION SUB-COMMITTEE



VOLUNTEERS' SUB-COMMITTEE



FOOD SUB-COMMITTEE



GUEST RECEPTION SUB-COMMITTEE



SEMINAR SUB-COMMITTEE



GAMES AND SPORTS SUB-COMMITTEE



GATE SUB-COMMITTEE



PUBLICITY SUB-COMMITTEE



*GIRLS HOSTEL*



COMPUTER LAB.



LIBRARY

# সূচীপত্ৰ


| বিষয়বস্তু | পৃষ্ঠা |
| --- | --- |
| ১. গোৱালপাৰাৰ সাংস্কৃতিক ৰূপৰেখা - এটি চমু আলোচনা ✍ শ্ৰীশ্যামা চৰণ নাথ | ১ |
| ২. অসমৰ ৰাভা জনগোষ্ঠীৰ লোক উৎসৱ আৰু লোক গীত মাতত প্ৰতিফলিত লোকজীৱন ✍ ড° প্ৰফুল্ল কুমাৰ নাথ | ৪ |
| ৩. গোৱালপাৰা জিলাৰ বড়ো আৰু ৰাভা জনজাতিৰ পানীয় আৰু খাদ্য সংস্কৃতিত উদ্ভিদৰ ব্যৱহাৰ ঃ এটি তথ্যভিত্তিক আলোচনা ✍ দিপালী ডেকা | ৯ |
| ৪. পশ্চিম অসমৰ ৰাজবংশী সকলৰ পূজাপাৰ্বণৰ গীত ✍ ড° দ্বিজেন্দ্ৰ নাথ ভকত | ১৪ |
| ৫. মাঘকৃত শিশুপাল বধৰ পাৰ্শ্বজ্যোতি ✍ ৰাজেন ৰাভা | ২০ |
| ৬. আত্ম-সচেতনতা আৰু ব্যক্তি ✍ শ্ৰীপাৰুল নাথ | ২৪ |
| ৭. কাৰবি : ভূমি আৰু কৃষি অৰ্থনীতি ✍ ড° এম কামালুদ্দিন আহমেদ | ২৭ |
| ৮. গোৱালপাৰা জিলাৰ লোক কৃষ্টিৰ বিকাশত অন্তৰায় আমাৰ উদাসীনতা ✍ মুকুল ৰাভা | ২৯ |
| ৯. ভাষাৰ সু-স্বাস্থ্যৰ বাবে জ্ঞান ✍ কল্যাণ বৰপুজাৰী | ৩২ |
| ১০. গোৱালপৰীয়া জনজীৱনত শীতলা আই ✍ ড° ভৈৰৱ অধিকাৰী | ৩৪ |
| ১১. চীন-তিবত ভাষাগোষ্ঠীৰ সুৰ-প্ৰধান্য আৰু বৰ্গীকৰণ এটি নৱতম মূল্যায়ন ✍ জীৱেশ্বৰ কোচ | ৩৭ |
| ১২. কৰ্মযোগ প্ৰসংগ ✍ মিনতি শৰ্মা | ৩৮ |
| ১৩. জীৱন দৰ্পণ ✍ শ্ৰীহৰগোবিন্দ ৰাভা | ৪১ |
| ১৪. অবিভক্ত গোৱালপাৰা অঞ্চলৰ লোকনাট্য ✍ ড° উপেন্দ্ৰজিৎ শৰ্মা | ৪৩ |
| ১৫. ভাৰতৰ স্বাধীনতা আন্দোলনত গোৱালপৰীয়া অৱদান ✍ আবুল হুছেইন | ৪৮ |
| ১৬. অসমীয়া ভাষাৰ ধ্বনি উচ্চাৰণ স্বতন্ত্ৰতা ✍ প্ৰতিমা শৰ্মা | ৫১ |
| ১৭. ছাত্ৰসমাজ : দেশৰ অমূল্য সম্পদ ✍ ড° নীলমোহন ৰায় | ৫৪ |
| ১৮. জনজাতীয় পৰম্পৰাত শিৱ ✍ প্ৰদ্যুম্ন প্ৰতীম ৰাজখোৱা | ৫৭ |
| ১৯. গোৱালপাৰা জিলাৰ ভৌগোলিক ইতিবৃত্ত ✍ ডঃ ফণীভূষণ দাস | ৬০ |
| ২০. সমকালীণ অসমীয়া বাক্‌ভংগী ঃ এটি চমু আলোকপাত ✍ ড° উপেন ৰাভা হাকাচাম | ৬৪ |
| *মহাবিদ্যালয় দৰ্পণ* | |
| ২১. দুধনৈ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ পূৰ্বাভাষ ✍ শ্ৰী অমূল্য ৰায় | ৬৮ |
| ২২. দুধনৈ মহাবিদ্যালয়ৰ বিজ্ঞান শাখা ঃ এটি অৱলোকন ✍ তৰুণ চন্দ্ৰ চাংমাই | ৭১ |
| ২৩. স্মৃতিৰ সুবাস ✍ ড° অনন্যা বৰুৱা | ৭৮ |
| ২৪. স্মৃতিৰ পাতত এৰি অহা দুধনৈ মহাবিদ্যালয়ৰ সেই সোণালী দিনবোৰ ✍ সাবিত্ৰী বসুমতাৰী | ৭৯ |
| ২৫. এন্ধাৰৰ পৰা পোহৰলৈ ঃ দুধনৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী ✍ মোঃ খলিলুৰ ৰহমান | ৮২ |
| ২৬. মোৰ জীৱনৰ সফলতাৰ আৰত ✍ শ্ৰীমতী বন্দনা পাটগিৰী নাথ | ৮৬ |
| ২৭. দুধনৈ মহাবিদ্যালয়ৰ অৰ্থ সংগ্ৰহ সপ্তাহ ১৯৭২ চন ✍ গীতাশ্ৰী সৰকাৰ | ৮৭ |
| ২৮. সোঁৱৰণীৰ এখিলা সোনোৱালী পৃষ্ঠা ✍ গীতা সৰকাৰ | ৮৯ |
| ২৯. দুধনৈ মহাবিদ্যালয়ৰ এটি চমু খতিয়ান ✍ শ্ৰী কৰুণা কান্ত ৰাভা | ৯২ |
| ৩০. বড়ো সাহিত্য সভাৰ ২২ তম দুধনৈ অধিবেশনৰ ৰেঙণি ✍ দেবেন কছাৰী | ৯৬ |
| ৩১. স্মৃতিৰ টুকুৰা খবৰ ✍ কণিকা নাথ | ৯৯ |
| ৩২. দুধনৈ কলেজ মই আৰু কেইটিমান স্মৃতিৰ টুকুৰা ✍ শ্ৰীসৰস্বতী ৰাভা | ১০০ |
| ৩৩. দুধনৈ মহাবিদ্যালয়ত এৰি অহা সেই দিনবোৰ .... ✍ দীপালী বসুমতাৰী | ১০২ |
| ***English Section*** | |
| ৩৪. Ethnic Panorama of Rabha Hasong ✍ Dr. Kalyan Baruah | ১০৫ |
| ৩৫. Number system,convertion of one number system to another ✍ Amrit Kalita | ১০৯ |
| ৩৬. "Cultural diversity in Muga Silk industry (Anthsraea assama Ww ) In North East" ✍ Jogesh Deuri | ১১৫ |

৩৭. Teachers' Organisation and Higher Education ✍ Biren Bhuyan ১১৮
৩৮. 'Ethnic Assertion of Assam : Rabha Hasong Movement' ✍ Dr. Mrinal Kumar Borah ১২০

স্মৃতিৰ পাতৰ পৰা ✍ সংকলক — ক্ষীৰোদ খাখলাৰী
৩৯. মনপাসকলৰ মাজত ✍ গৌতম নাথ, ৰাজু ৰাভা ১২২
৪০. গোৱালপৰীয়া লোকগীত আৰু লোকসংস্কৃতি ✍ শ্ৰীদীপাঙ্ক কুমাৰ নাথ ১২৪
৪১. দুধনৈৰ অঞ্চলৰ ভৌগোলিক ৰূপ-ৰেখা ✍ ত্ৰৈলোক্য চন্দ্ৰ তালুকদাৰ ১২৬
৪২. বিজ্ঞান, বৈজ্ঞানিক মানসিকতা আৰু ইয়াৰ প্ৰাসংগিকতা ✍ ড° তপন চন্দ্ৰ কলিতা ১২৯
৪৩. দুধনৈৰ শিক্ষানুষ্ঠান আৰু আমাৰ ব্যক্তিগত প্ৰচেষ্টা ✍ হাকিম চন্দ্ৰ ৰাভা ১৩০
৪৪. 'বৰগীত'ৰ আদি কথাৰ চমু অনুভৱ ✍ শ্ৰী অনুপম পাটগিৰি ১৩৩
৪৫. National Service Scheme at Dudhnoi College ✍ Aghor Chandra Bantho. ১৩৫
৪৬. A Retrospection of Dudhnoi College Teachers' Association ✍ Gopal Chandra Roy. ১৩৭
৪৭. Micro-Satellite and Genomic Diversity Project ✍ Manoj Gogoi ১৪০
৪৮. চেতনা ✍ শেৱালী কলিতা ১৪২
৪৯. দগ্ধ হিয়াৰ কবিতা ✍ চন্দ্ৰ বাহাদুৰ ছেত্ৰী ১৪২
৫০. দুটা স্কেচ ✍ অনিলেশ্বৰ মজুমদাৰ ১৪৩
৫১. কোনোবা এটা গ্ৰীষ্মৰ গধূলি ✍ শ্ৰীঅমিয় ৰাভা ১৪৪

ৰাভা ভাষা শিতান
৫২. ক্ৰুমা (ৰাংকাৰাঙি ৰাংচাঙ্‌ণা কাণি) ✍ ৰাজীৱ ৰাভা ১৪৫
৫৩. নাঙ্ ফামাণ্ছাৰেঙেয়াণ ✍ শিৱ কান্ত ৰাভা ১৪৫
বড়ো ভাষা শিতান
৫৪. ৰব 'ট ✍ মুন্সী কৰমচাঁদ বসুমতাৰি ১৪৬
৫৫. মাহাৰী দ্বানায়াও বড়ো ফৰায়সানি বিবান ✍ চম্পাৱতী খাখ্লাৰী ১৪৮

কবিতা শিতান
৫৬. 'দুধনৈ মহাবিদ্যালয়' ✍ শেৱালী কলিতা ১৫৫
৫৭. 'সংগ্ৰাম' ✍ হিমামনি বসুমতাৰী ১৫৫
৫৮. উপলব্ধিৰ স্তৱক ✍ শ্ৰীদিলীপ কুমাৰ নাথ ১৫৬
৫৯. জীৱন ✍ ড° মিনতি ভূএগ চৌধুৰী ১৫৭

ছাত্ৰ-ছাত্ৰীৰ শিতান
৬০. সাম্প্ৰদায়িক ঐক্য ৰক্ষাত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা ✍ শ্ৰী বন্দিতা কলিতা ১৫৮
৬১. মানৱ সমাজত আধ্যাত্মিকতাৰ ভূমিকা ✍ মিচ্ অঞ্জনা সূত্ৰধৰ ১৫৯
৬২. The last Watch (Eassy) ✍ Nabanita Brahma ১৬০
৬৩. অপেক্ষা ✍ মিচ কৰবী ৰায় ১৬১
৬৪. মোৰ নতুন বন্ধুত্ব ✍ কুশন নাথ ১৬১
৬৫. মোৰ সপোনৰ দুধনৈ কলেজ ✍ শ্ৰী নীহাৰিকা ৰায় ১৬২
৬৬. মই ভৱা নাছিলো ✍ মিচ্ মীৰা বসুমতাৰী ১৬২
৬৭. "A Deathless Love" ✍ Prabin Prasad ১৬৩
৬৮. "Human" ✍ Nakul Kachary ১৬৩
৬৯. Flower ✍ Niku Brahma ১৬৩
৭০. Dudhnoi College : Past & Present ✍ Compiled by : Sri Kshirode Khakhlary ১৬৪
৭১. সম্পাদক-সম্পাদিকাৰ প্ৰতিবেদন ১৭১-১৭৮
৭২. Results of the College Week 2007-08 ১৭৯

# গোৱালপাৰাৰ সাংস্কৃতিক ৰূপৰেখা এটি চমু আলোচনা

শ্ৰীশ্যামা চৰণ নাথ

অসমীয়া সংস্কৃতি যিদৰে বিশাল ভাৰতীয় সংস্কৃতিৰে একঅংশ বিশেষ সেইদৰে গোৱালপৰীয়া সংস্কৃতিও অসমীয়া সংস্কৃতিৰে এক স্থানীয় ৰূপহে মাথোন। কেইবছৰমান আগেয়ে যিখন গোৱালপাৰা জিলা আছিল আজি সেই পৰিসীমাতেই চাৰিখন জিলা প্ৰশাসনীয় কাৰণত গঢ়ি উঠিছে। সাংস্কৃতিকভাবে হলে আজিও পূৰ্ব্বৰ অবিভক্ত গোৱালপাৰা জিলাই হৈ আছে।

যিহেতু সমাজ আৰু সংস্কৃতিৰ সম্বন্ধ ফুল আৰু পাপৰিৰ দৰে - সেইবাবে গোৱালপাৰাৰ সাংস্কৃতিক ৰূপৰেখাৰ বিষয়ে আলোচনা কৰিবলৈ হলে আমি ইয়াৰ সামাজিক গাঁথনিৰ বিষয়ে থুলমূলকৈ জুকিয়াই চাব লাগিব। বৰ্ত্তমান গোৱালপাৰা জিলাৰ সামাজিক গাঁথনি নিম্নলিখিত ধৰণৰ দেখা যায় — ১. মেঘালয়ৰ গাৰোপাহাৰ সীমান্তত বসবাস কৰা ৰাভা জনজাতীয় লোক আৰু গাৰোসকল।

২. জিলাখনৰ সোঁমাজত বিশেষকৈ পূবঅঞ্চলত বসবাস কৰা ৰাভা থলুৱা হিন্দু আৰু মুছলমান লোকসকল।

৩. ব্ৰহ্মপুত্ৰৰ চৰ এলেকা আৰু জিলাৰ পশ্চিম অঞ্চলত বসবাস কৰা মুছলমান লোক সকল যিসকল স্বাধীনতাৰ কিছুবছৰ আগৰে পৰা বিভিন্নকাৰণত পূৰ্ব্ববঙ্গ, পূৰ্ব্বপাকিস্তান তথা বাংলাদেশৰ পৰা প্ৰব্ৰজন কৰি আহি বসতি কৰিছে যিসকলক কোনোৱে পমুৱা মুছলমান আৰু কোনোৱে নতুন অসমীয়া মুছলমান আদি আখ্যা দিয়ে।

এতিয়া 'সংস্কৃতি' বুলিলে আমি কি বুজোঁ তাকেই বোৱা যাওক। কলাগুৰু ˚ বিষ্ণুপ্ৰসাদ ৰাভাৰ ভাষাত — "... কৃষ্টি হৈছে, কৃষ্ ধাতু 'ক্তি' প্ৰত্যয়ৰ সংযোগত কৃষ্টি। কৃষি বিষয়ক মাত্ৰেই কৃষ্টি অৰ্থাৎ কৰ্ষণেই কৃষ্টি। ভূমি কৰ্ষণেই কৃষ্টি নহয়; অদৃশ্য অন্তৰীক্ষৰ শূন্যময় পথাৰ কৰ্ষণওকৃষ্টি আৰু হৃদিস্থানত বা কেৱল হৃদয়ৰ কুণ্ডলিনীচক্ৰত নাইবা মস্তিস্কৰ মগজুৰ মাজত আলোড়ন তোলা মানসিক কৰ্ষণো কৃষ্টি।

সেই কৃষ্টিৰ যেতিয়া সংস্কাৰ হয়, তেতিয়া সেই কৃষ্টি সংস্কৃতি আৰু সংস্কৃতি যেতিয়া বিদেশীয় মীনাৰ নক্সা উঠে, তেতিয়া সেই সংস্কৃতি হয় (Culture) কালচাৰ। সেই কালচাৰে শেহত সেই আদিম কৃষ্টিৰ কাল হয়, চাৰিওফালৰ পৰা কালে চেপি ধৰে তেতিয়া হয় সেই কৃষ্টিৰ ৰূপান্তৰ।" (অসমীয়া কৃষ্টি — বিষ্ণুৰাভা ৰচনাৱলী — পৃ. ৫৭।)

ওপৰত উল্লেখ কৰামতে গোৱালপাৰা আৰু মেঘালয়ৰ গাৰোপাহাৰ সীমান্ত অঞ্চল ৰাভা গাৰোজাতিৰ মানুহৰ বসতিপ্ৰধান। এওঁলোক মূলতঃ বৃহৎ মঙ্গোলীয় গোষ্ঠীৰ। প্লেফেয়াৰে "The Garos" পুথিত কৈছে, "অতি প্ৰাচীনকালত এই জাতিৰ মানুহবিলাকৰ অভিপ্ৰয়ান হৈছিল তিব্বতীয় অঞ্চলৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ আৰু তাৰ পৰা অসমৰ পাহাৰবোৰলৈ। বৰ্ত্তমানে গাৰোপাহাৰৰ গাৰোসকলৰ আগমণৰ বহুপূৰ্ব্বেই গাৰোপাহাৰ ৰাভা আৰু কোচসকলৰ অধিকৃত আছিল, য'ৰপৰা তেওঁলোক ভৈয়ামলৈ নামি আহিছে। এইটো স্পষ্ট যে, ৰাভা, গাৰো আৰু কছাৰীসকলৰ অভিপ্ৰয়াণ হৈছিল আনুক্ৰমিক সোঁতত। কিন্তু ৰাভাসকল আৰু কোঁচসকল এই ঠাইৰ অধিবাসী হৈছিল। পৃ. ২-৩ ("ৰাভাসমাজ আৰু সংস্কৃতিৰ আভাস — হৰিমোহন সৰকাৰ।) প্ৰয়াত হৰিমোহন সৰকাৰ তেখেতৰ "ৰাভাসমাজ সংস্কৃতিৰ আভাস" পুথিৰ ৪ পৃ. ত উল্লেখ কৰিছে "ভাষাৰ ক্ষেত্ৰত ৰাভাসকলক তিনিটা প্ৰধান গোটত ভাগ কৰিব পাৰি — ১. কোচ, ২. ৰংদানী আৰু ৩. প্ৰাদেশিক বা আঞ্চলিক গোট।" আঞ্চলিক ভাষা অসমীয়া কোৱা খেলৰ ভিতৰত পাতিৰাভা সকলেই প্ৰধান।

ৰাভাসকলৰ গাৰোৰ লগত সংঘাতৰ বাহিনী দুধনৈৰ ওচৰৰ আইথানৰ উৎপত্তিৰ ৰিংবদন্তি এটিত উল্লেখ আছে। গাৰো আৰু ৰাভাৰ ভিতৰত লগা এইখন ৰণক গাৰোধুম নামে জনা যায়। ৰাভাসকলক নিকটবৰ্ত্তী গাৰোসকলে অতৰ্কিত আক্ৰমণ চলোৱাত আই ভগৱতীয়ে কৃপাকৰি সম্পূৰ্ণ অঞ্চলটো অন্ধকাৰ কৰি পেলায়। আক্ৰমনকাৰী গাৰোসকল একো নেদেখা হয় আৰু এই সুযোগতে ৰাভাসকলে প্ৰতি আক্ৰমণ কৰি গাৰোসকলক পাহাৰলৈ খেদি পঠিয়াই নিজৰ ৰাজ্য ৰক্ষা কৰে আৰু ভগৱতী আইৰ কৰুণাৰ কথা সুঁৱৰি এই আইৰ থানৰ পূজা অনুষ্ঠানৰ প্ৰৱৰ্ত্তন কৰে। সেইদিন ধৰি আজিলৈকে মাঘৰ বিহুলৈ সাতদিন থকা অৱস্থাত আইৰ থানৰ পূজা প্ৰচলিত আছে। এনেকুৱা সংঘাতময় জীৱন যাত্ৰাৰ প্ৰতীক হিচাবে গাৰো-ৰাভাৰ মাজত সাংস্কৃতিক ৰণনৃত্য চলি আহিছে।

ৰাভাসকলৰ সাংস্কৃতিক জীৱন অতি চহকী। ˚ হৰিমোহন সৰকাৰে তেখেতৰ "ৰাভাসমাজ আৰু সংস্কৃতিৰ আভাস" — গ্ৰন্থত এইবিষয়ে বহলাই উল্লেখ কৰিছে।

বাদ্যযন্ত্ৰ : ১. খাম (ঢাক), ২. বুৰবেঙা, ৩. কাড়ানল, ৪. ব্ৰাংচী (বাঁহী), ৫. লাখৰ বাঁহী, ৬. বাদুংদুপ্পা, ৭. মহৰ শিঙা (চিঙা), ৮. বাদিদিকা, ৯. মানচেলেংকা (মাছৰোকা, ১০. টেমেকা, ১১. গবেনা (গগনা), ১২. নালাগুলাৰ, ১৩. বাঁহৰ শিঙা, ১৪. ঢোল।

সাজপাৰ : ১. ৰুফন, ২. কাম্বুং, ৩. ফাঁগু, ৪. পাজাল, ৫. খছনে, ৬. চেংকানেন, ৭. বেকচালি, ৮. পামাৰ, ৯. পাতানি, ১০. আলন, ১১. কুম্বাৰ-খাম্বাই।

আ-অলঙকাৰ : ১. ৰুবুক, ২. চান (খাৰু), ৩. বাক (নুপুৰ), ৪. হাঞ্চা-হাচুলি, ৫. ৰুকবাক, ৬. বাজুচান, ৭. বগলা, ৮. খুচুমাকৰী, ৯. গুটিমালা, ১০. হানচাহাৰ (চন্দ্ৰহাৰ), ১১. কৰেয়া, ১২. নামব্ৰি, ১৩. নাকফুল, ১৪. খুলিমুঠা, ১৫. চালা, ১৬. ফণী (বাঁহৰ)।

অস্ত্ৰ-শাস্ত্ৰ : ১. খুছুং থাপাক (ঢাল), ২. তৰাল (তৰোৱাল), ৩. খাপাৰ, ৪. ফিকজুৰাৰী, ৫. জোং হড়ো (জোং বন্দুক), ৬. যোৰা-ৰাইজুমা, ৭. যোৰা-ফিছিমুক, ৮. বোল-বলাপ, ৯. চাঙি, ১০. তোৰজাপ-মেৰাপাৰ, ১১. দেওখাৰ, ১২. হাগুা, ১৩. শূৰখাং, ১৪. শূল।

ৰাভাসকলৰ বাবে বৰণীয়া গীতমাত আৰু নৃত্য আদি সংগ্ৰহ, সংগঠন আৰু প্ৰচাৰৰ দ্বাৰা জনপ্ৰিয়তা বঢ়াই তোলাত অগ্ৰণীভূমিকা হৈছে — শ্ৰদ্ধেয় ৰাজেন পাম ডাঙৰীয়াই।

বৃহৎ হিন্দুসমাজৰ অঙ্গ স্বৰূপ ৰাভাসকল ধৰ্ম্ম বিশ্বাসত জন্মান্তৰবাদী, সেয়েহে মৃতকৰ আত্মাৰ সদগতিৰ বাবে তেওঁলোকে ফাৰ্‌কান্তি গীত গায়। খুকুচি পূজা বা বায়খু উৎসৱত চাথাৰ গীত গায় মাঁৰৈ বা বিষহৰি পূজাৰ 'মাৰৈগীত', তুকুৰাদেও পূজাৰ তুকুৰীয়া গীত গায়।

ৰাভাসকলৰ মাজত প্ৰচলিত বহুৰঙী আৰু বাৰমাহী গীত সমূহ প্ৰেমপ্ৰীতি আৰু বিৰহ-বিচ্ছেদ, সুখ-দুখ আৰু হাঁহি কান্দোনৰ মাজত ৰচিত। ধৰ্ম্ম বিশ্বাসৰফালৰ পৰা ৰাভাসকল শিৱ আৰু শক্তিৰ উপাসক। বিশেষকৈ পাতিৰাভাসকলৰ মাজত জনপ্ৰিয় তুকুৰীয়া গীতসমূহত তাৰেই প্ৰমাণ পোৱা যায়। প্ৰয়াত হৰিমোহন সৰকাৰে সংকলন কৰা তুকুৰীয়াগীতৰ পুথি সম্পৰ্কত মন্তব্য দি কি অসম সাহিত্যসভাৰ প্ৰাক্তন সভাপতি বকুলবনৰ কৰি আনন্দ চন্দ্ৰ বৰুৱাদেৱে অভিমত প্ৰকাশ কৰিছে — "তুকুৰীয়া গীতৰ মাজত শিৱ আৰু শক্তিৰ উপাসনা-ই প্ৰধান।" ৰাভাসকলৰ এই ধৰ্ম্মবিশ্বাসৰ পৰাই হয়তো কালক্ৰমত প্ৰতিষ্ঠিত হৈছে — দুধনৈৰ ওচৰৰ চেঁচাপানীত আই ভগৱতীৰ থান, ফফলুত বনবাসী মা'ৰ থান আৰু বায়দাৰ ওচৰত বিচি আশ্ৰিত দদান থান। শিৱক তেখেতসকলে বিচি বুলি কয় যিদৰে বড়ো-কছাৰী সকলে বাথৌ বুলি কয়। গোৱালপাৰাৰ ৰাভা আৰু কছাৰী সকলৰ মাজত মা'ৰৈ পূজা আৰু গীতমাতৰ বহুল প্ৰচলন দেখা যায়। গোৱালপাৰাৰ মা'ৰৈ বা মাৰাই গানত দেওধনিৰ উপস্থিতি অপৰিহাৰ্য্য। এজনী মাইকীমানুহৰ গাত দেৱতাই লম্ভি মানুহগৰাকীৰ আচৰণ অস্বাভাৱিক কৰি তোলে। ওজাপালি (মা'ৰৈ) গানৰ লগে লগে হালি জালি নৃত্য কৰি থাকে। বড়ো-কছাৰী সকলে দেওধনীক দেউদীনি বোলে। দৈমাৰ অৰ্থ নদী। শ্ৰীমতী হৰেশ্বৰী হাজোৱাৰীয়ে তেখেতৰ "দুধনৈ অঞ্চলৰ আশে পাশে" পুস্তিকাত "দেউদীনি দৈমা" বড়ো শব্দৰ পৰাই দুধনৈ নদীৰ নামকৰণ হোৱা বুলি উল্লেখ কৰিছে। এইদৰে দেখা যায় গোৱালপাৰা জিলাত জনজাতীয় সংস্কৃতি আৰু ভাষাৰ চাপ গভীৰভাৱে পৰিছে।

দ্বিতীয়তে গোৱালপাৰা জিলাৰ মধ্য-পূৰ্ব্ব অঞ্চলৰ খিলঞ্জীয়া অধিবাসীসকলৰ সাংস্কৃতিক পৰম্পৰা সম্পৰ্কে আলোচনা কৰিবলৈ গলে আমি দেখিবলৈ পাওঁ যে — হিন্দু অধিবাসীসকলৰ বুজন সংখ্যকৰে বৰপেটাৰ সত্ৰীয়া সংস্কৃতিৰ লগত ওতঃপ্ৰোতঃ সম্পৰ্ক আছে। তাৰেই ফলস্বৰূপে খৃষ্টীয় সপ্তদশ আৰু অষ্টাদশ শতিকাত প্ৰতিষ্ঠিত হয় — খেকাপাৰাৰ নাওকটা সত্ৰ, গোসাইবৰীৰ /দামোদৰীয়া সত্ৰ, দলাগোমাৰ আমপোৱা আতাৰ সত্ৰ, বালিজানাৰ বাপুপাৰা সত্ৰ, বৈকুণ্ঠপুৰ সত্ৰ, গোৱালপাৰা চহৰৰ শ্যামৰায় সত্ৰ, শ্যামসুন্দৰ সত্ৰ, বাসুদেৱ সত্ৰ, ন-বস্তি সত্ৰ আৰু বগুৱানৰ কেৱলীয়া হাটীসত্ৰ। ইয়াৰ উপৰিও প্ৰায় প্ৰত্যেকখন অসমীয়া হিন্দু গাওঁতেই একোটিকৈ নামঘৰ স্থাপিত হৈছে। সত্ৰীয়া সংস্কৃতিৰ প্ৰভাৱতেই অসমীয়া হিন্দুগাওঁ সমূহ আৰু চহৰত পালনাম, লোকগীত, দেহবিচাৰৰ গীত আদিৰ চৰ্চ্চাও হৈ আহিছে। বৰপেটাৰ লগত এই অঞ্চলৰ সাংস্কৃতিক সামঞ্জস্যৰ এটি ঐতিহাসিক কাৰণো নোহোৱা নহয়। মানভগনৰ সময়ত গোৱালপাৰা আছিল বৃটিছৰ শাসনাধীন অঞ্চল। মান সকলে অসম ৰাজ্যত বিশেষকৈ চণ্ডীধৰ বৰুৱাৰ হাউলী আঞ্চল আৰু হলকান্ত বৰুৱাৰ বৰনগৰ, যুগীৰ পাম আদি অঞ্চলত যেতিয়া আক্ৰমণ আৰু অত্যাচাৰ চলায় তেতিয়া সেই সেই অঞ্চলৰ প্ৰজাসাধাৰণ ধনপ্ৰাণ-ৰক্ষাৰ হেতুকে ব্ৰহ্মপুত্ৰ নদী অতিক্ৰম কৰি দলে দলে এই অঞ্চলসমূহত প্ৰবেশ কৰি বসবাস কৰিবলৈ লয়। সেই লোকসকলেই মূলতঃ বগুৱান, বৰভিটা মৰনৈ, ভুবাপাৰা, দলগোমা, বাকাইটাৰী আদি অঞ্চলৰ বৰ্ত্তমান অধিবাসী সকলৰ পূৰ্ব্বপুৰুষ। সেইবাবে উক্ত অঞ্চল সমূহৰ বাসিন্দা সকলৰ ভাষা সংস্কৃতিৰ বৰপেটাৰ লগত সামঞ্জস্য থকা দেখিবলৈ পোৱা যায়। এই লোকসকলৰ বাহিৰে যিখিনি অসমীয়া হিন্দুমানুহ আছে সেইসকল সংখ্যাত তাকৰীয়া হলেও তেওঁলোক প্ৰকৃততে খিলঞ্জীয়া মানুহ। তেওঁলোকৰ ভাষা সংস্কৃতি গৌৰীপুৰ শালকোচ অঞ্চলৰ মানুহৰ ভাষাৰ লগত মিল আছে। তেওঁলোকৰ মাজত গোৱালপৰীয়া ভাষা (দেশী ভাষা। যাক ভাষা তত্ত্ববিদ ড° বাণীকান্ত কাকতীদেৱে Rajbansi Dialect আখ্যা দিছে) প্ৰচলিত। তেওঁলোকৰ মাজত শিৱ

আৰু শক্তিৰ আৰাধনাও অতীজৰ পৰা প্ৰচলিত হৈ আহিছে। শ্ৰীসূৰ্য্য পাহাৰৰ শিৱ লিঙ্গসমূহ, মৰনৈৰ শিৱলিঙ্গ, নন্দেশ্বৰ দেৱালয়ৰ স্বয়ম্ভুশিৱ, কিল্লাঝাৰৰ (কৃষ্ণাইৰ ওচৰৰ) কালী মন্দিৰ, টুক্ৰেশ্বৰীৰ দেৱীপীঠ আদি এইবোৰ শক্তি আৰু শৈৱৰ ধৰ্ম্মসাধনাৰ কেন্দ্ৰ হৈ আহিছে।

উৰপদ বিলৰ কাযৰ চৰণীয়া পথাৰত বহুতো ম'হ গুৱালৰ খুটি আছিল। কাযৰে গাৰো পাহাৰত হাতীৰ মহলত বনৰীয়া হাতী ধৰা হৈছিল। এই পৰিবেশৰ মাজত স্বভাৱ কবিৰ কণ্ঠত ধ্বনিত হৈছিল ম'হগুৱাল আৰু হাতীৰ মাহুতৰ প্ৰেমপ্ৰীতি, বিৰহৰ গোৱালপৰীয়া লোকগীত যাৰ ৰূপ পাইছে প্ৰতিমা বৰুৱা পাণ্ডে, ৰহিমাবেগম কলিতা, দীপিকা ফুকন আদি গায়িকাৰ কণ্ঠত।

গোৱালপাৰাৰ খিলঞ্জীয়া মুছলমান সকলৰ মৰহভাগ সপ্তদশ শতিকাত মোগল আক্ৰমনকাৰী মীৰ্জা নাথনৰ লগত আহিছিল। অৱশ্যে প্ৰাচীন কামৰূপ তথা অসমত মুছলমানৰ অভিযানৰ কাহিনী বহু পুৰণি। ড° পি. চি চৌধুৰীদেৱৰ History of Civilisation of Assam ত উল্লেখ আছে "Bakhtiyar in A. D. 1205-6 came upto Gauhati and the event is recorded not only in the Tabaqat-I-Nasiri but also in a Rock Inscriprion at North Gauhati" ইয়াৰ পৰা এই কথা স্পষ্ট হয় যে মুছলমান সকলে আহোম সকলতকৈও কেইবছৰমন আগেয়ে প্ৰাচীন কামৰূপত অভিযান চলায়। সেই সময়ত বঙ্গদেশক গৌড় বোলা হৈছিল। গৌড়ৰ পৰা অহা বাবে এই আক্ৰমনকাৰীসকলক গৌড়ীয়া বা গৰীয়া বোলা হয়। আক্ৰমনকাৰীৰ লগত অহা কিছুসংখ্যক গৰীয়ামানুহ কামৰূপত ৰৈ যায়। এওঁলোকেই হয়তো আজিৰ খিলঞ্জীয়া মুছলমান সকলৰ পূৰ্ব্ব পুৰুষ। গোৱালপাৰাত প্ৰতিষ্ঠিত ইছলামিক সংস্কৃতিৰ এখেতসকলেই ধাৰক আৰু বাহক। তাৰ ফলতেই মুছলমান সন্ত, পীৰ, চুফীবাদী আউলীয়া মাজাৰ গোৱালপাৰাৰ স্থান বিশেষে প্ৰতিষ্ঠিত হয়। গোৱালপাৰা চহৰৰ খোৰাচানী পীৰৰ মাজাৰ, আউলীয়া মাজাৰ, ডাকাইদলৰ পীৰপালৰ দৰগাহ আদি এওঁলোকেই প্ৰতিষ্ঠা কৰে। আজিও জাতিবৰ্ন নিৰ্বিশেষে আটায়ে এই মাজাৰ আৰু দৰগাহসমূহ শ্ৰদ্ধাৰ চকুৰে কয় আৰু মমবাতি জ্বলায়।

গোৱালপাৰাৰ তৃতীয় মূল সাংস্কৃতিক ধাৰাটো প্ৰবাহিত হয় পূৰ্ববঙ্গ, পূৰ্বপাকিস্তান তথা বাংলাদেশৰ পৰা স্বাধীনতাৰ আগে পিচে প্ৰব্ৰজিত হৈ অহা মুছলমান লোক সকলৰ দ্বাৰা। কঠোৰ পৰিশ্ৰমী এই লোক সকল ব্ৰহ্মপুত্ৰৰ চৰচাপৰি আৰু দ ঠাই সমূহৰ বসবাসী। এওঁলোকৰ সমাজত ফকীৰ শ্ৰেণীৰ কিছু সংখ্যক লোক আছে। জীৱনাৰ্দশত এওঁলোক চুফীবাদী। দেহ বিচাৰৰ গীত, আউল, বাউল, ভাটীয়ালী আদি সুৰৰ মুৰ্চ্চনা এওঁলোকে সাৰিন্দা, বেহেলা, দোতৰা আদিত তুলি সমজুৱাক আনন্দদান কৰাৰ লগতে এটি সুকীয়া সংস্কৃতি জীয়াই ৰাখিছে।

অসমীয়া জাতিৰ মূল সাংস্কৃতিক উৎসৱ বিহু-গোৱালপাৰাবাসীৰো জাতীয় উৎসৱ। অৱশ্যে উজনি অসমত প্ৰচলিত ৰঙালী বিহুত বিহুগীত আৰু হুচৰি আদিৰ প্ৰচলন গোৱালপাৰাক পূৰ্ব্বতে নাছিল। ভোগালী আৰু কঙালী বিহু পালনত উজনিৰ লগত কোনো পাৰ্থক্য নাই। গোৱালপাৰাত ৰঙালি বিহু গৰুক গা ধুৱাই লাও বেঙেনা খুওৱা, নতুন পাঘাৰে বন্ধা আৰু সন্ধিয়া গোহালিত ধোৱাঁ দিয়া আদি পালন কৰা হয়। মানুহবিহুৰ দিনা নতুন বিহুৱান লোৱা আৰু হাউ, ধোপ আদি খেল খেলাতেই সীমিত থাকে। উজনি অসমৰ নিচিনা বিহুগীত নৃত্য আদিৰ প্ৰচলন নাছিল। বৰ্ত্তমানে কি উজনি কি নামনি কতো বহিগীত আৰু নৃত্যৰ পূৰ্ব্বৰ ৰূপ নাই। মুকলি বিহু, জেং বিহু আদিৰ স্থান লৈছে মঞ্চবিহুৱে। বহুতো ক্ষেত্ৰত দেখা যায় নাম নাচকৈ বিহুগীত আৰু বিহুনাচৰ দুই এটা অনুষ্ঠান মঞ্চত প্ৰদৰ্শন কৰি অনাতাঁৰ দূৰদৰ্শন আদিৰ শিল্পীৰ আধুনিক বা অত্যাধুনিক গীতমাত পৰিবেশন কৰি গোটেই ৰাতি শেষ কৰা হয়। অনেক সময়ত দেখা যায় মঞ্চবিহুৰ দ্বাৰা সংস্কৃতিৰ পৰিৱৰ্তে অপসংস্কৃতিৰহে পৰিবেশন কৰা হয়।

এইখিনিতে উল্লেখ নকৰি নোৱাৰিলো যে গোৱালপাৰাৰ গাৱেঁ ভূঞেঁ আজি কেইবছৰমান আগলৈকে প্ৰচলিত যাত্ৰাগানৰ দল বিলাক লুপ্তপ্ৰায় হৈছে। পূজাই-সবাহে গাৱেঁ ভূঞেঁ সংগঠিত থকা এই যাত্ৰাদল বিলাকে মানুহক আমোদ দান কৰিছিল। তাৰ ঠাইত বৰ্ত্তমানে ব্যৱসায়িক ভিত্তিত সংগঠিত থিয়েটাৰ পাটি বিলাকেহে পইচাৰ বিনিময়ত নাট প্ৰদৰ্শন কৰে। ইয়াৰ ফল স্বৰূপে গোৱালপাৰাত কি যাত্ৰাপাটি কি থিয়েটাৰ পাটিৰ স্থানীয় অভিনেতা অভিনেত্ৰী সৃষ্টিত বাধাপ্ৰাপ্ত হৈছে। সংস্কৃতিৰ গতিধাৰা অব্যাহত ৰাখিব লাগিলে আমি আপসংস্কৃতিৰ পথ ৰুদ্ধ কৰিবই লাগিব।

*(গোৱালপাৰা নিবাসী শ্ৰীযুত নাথ এগৰাকী শিক্ষাবিদ, চিন্তাশীল লেখক, সমাজকৰ্মী)*

# অসমৰ ৰাভা জনগোষ্ঠীৰ লোক উৎসৱ আৰু লোক গীত মাতত প্ৰতিফলিত লোকজীৱন

ড° প্ৰফুল্ল কুমাৰ নাথ

**১. প্ৰস্তাৱনা ঃ**

অসমৰ মঙ্গোলীয় নৃ-গোষ্ঠীৰ অন্তৰ্গত এটি উল্লেখযোগ্য জনগোষ্ঠী হ'ল ৰাভা জনগোষ্ঠী। এওঁলোক প্ৰধানকৈ অসম, মেঘালয়, মণিপুৰ, অৰুণাচল, পশ্চিমবঙ্গ, বিহাৰ, নগালেণ্ড আৰু ত্ৰিপুৰাৰ লগতে ভাৰতৰ বাহিৰৰ বিশেষকৈ নেপাল আৰু ভূটানৰ বিভিন্ন অঞ্চলত বসবাস কৰে। অসমৰ বিভিন্ন জিলাত এই জনগোষ্ঠীৰ লোকে বসবাস কৰে যদিও কামৰূপ গোৱালপাৰা আৰু দৰং জিলাতেই এই জনগোষ্ঠীৰ লোকৰ সংখ্যা অধিক।

মঙ্গোলীয় নৃ-গোষ্ঠীৰ শাখা হিচাপে ৰাভাসকলৰ গাত কেতবোৰ বৈশিষ্ট্য লক্ষ্য কৰা যায়। সেয়া হ'ল চুটি-চাপৰ, মূৰৰ চুলি ঠৰঙা, মুখমণ্ডল চেপেটা আৰু বহল। অসম আৰু ইয়াৰ চুবুৰীয়া ৰাজ্যসমূহত বসবাস কৰা মঙ্গোলীয় জনগোষ্ঠীৰ লোকসকলৰ মাজত কেতবোৰ উমৈহতীয়া সাংস্কৃতিক বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। তেনে বৈশিষ্ট্যৰ ভিতৰত চাংঘৰ, ডেকা চাং, গাভৰু চাং, খোৱা খাদ্য-শুকতি মাছ, মাংস মদ আদিৰ ব্যৱহাৰ পিতৃপ্ৰধান সমাজ ব্যৱস্থা, তামোল পাণৰ ব্যৱহাৰ ইত্যাদি বৈশিষ্ট্য সমূহ ৰাভাসমাজতো বিদ্যমান। ভাষাৰ ফালৰ পৰা চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ অন্তৰ্ভুক্ত হ'লেও কেইবাশতিকা ধৰি অসমীয়া ভাষা-ভাষীৰ সান্নিধ্যত থকাৰ বাবে অসমীয়া আৰু ৰাভা ভাষাৰ মাজত যথেষ্ট আদান -প্ৰদান আৰু বিনিময় সম্ভৱ হৈ উঠে। ৰাভাসকলৰ মুঠ আঠোটা খেলৰ ভিতৰত ৰংদানি, মায়তৰি আৰু কোচ শাখাৰ মাজত বৰ্তমানে ৰাভা ভাষাৰ প্ৰচলন আছে যদিও পাতি, দাহৰি, বিতলীয়া, তোতলা আৰু হানা ৰাভাসকলৰ মাজত 'লেমাকাথা' অৰ্থাৎ 'কথিত অসমীয়া'ৰ মাধ্যমত ভাব-বিনিময় হয়। ৰাজেন ৰাভাই এনে ফৈদ বা খেল নটা আৰু মণি ৰাভাই সাতটা বুলি উল্লেখ কৰিছে।

ৰাভা লোক সাহিত্য বিশেষভাৱে চহকী। পাতি, দাহৰি, হানা আৰু টোটলা ফৈদৰ ৰাভা সমাজত ভাৰীগান, মাৰৈ গান, পদ্মপুৰাণৰ গীত, ইত্যাদি নাটকীয় আৰু আৰু অৰ্ধ নাটকীয় অনুষ্ঠানৰ গীত, বিয়াৰ গীত, খেল-ধেমালিৰ গীত ইত্যাদি ভালেমান গীতৰ প্ৰচলন আছে। ৰাভা লোকসমাজৰ বিভিন্ন উৎসৱ-অনুষ্ঠানক কেন্দ্ৰ কৰি কেতবোৰ বৈশিষ্ট্যপূৰ্ণ গীত-মাতৰ সৃষ্টি হৈছে। এনে গীতৰ ভিতৰত বায়খু উৎসৱৰ 'ছাথাৰ গীত', 'হুৰচায় গীত', খেতিবাতি সম্পৰ্কীয় 'হাছংপূজাৰ গীত', বিবাহ সম্পৰ্কীয় টোটাকামি গীত, মৃত্যু বা শ্ৰাদ্ধ-শান্তি সম্পৰ্কীয় 'ফাৰকাণ্ডি বা তৰাং কাজি গীত। মাৰৈ বা বিষহৰি পূজাৰ 'মাৰৈগীত', তুফুৰাদেও পূজাৰ 'তুফুৰীয়া গীত' শাৰদীয় উৎসৱৰ 'গ্ৰীমবুদা গীত' 'ৰণটুক পূজাৰ গীত', 'হুমমাৰু গীত' ইত্যাদি বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ উপৰিও অসমীয়া জাতীয় জীৱনৰ লগত সঙ্গতি ৰাখি বহুত অনুষ্ঠানমূলক লোকগীত ৰাভা বিশেষকৈ পাতিৰাভা ফৈদৰ মাজত প্ৰচলন আছে। এইবোৰৰ ভিতৰত লখিমী তাদৰা গীত, মহহো গীত, সৰ্পপূজাৰ গীত, জুনা গীত, বাৰমাহী গীত, লেওৱা বিকায় গীত ইত্যাদিৰ উল্লেখ কৰিব পাৰি। ৰাভা জনগোষ্ঠীৰ সোণত সুৱগা চৰোৱা আন এক প্ৰকাৰৰ উল্লেখযোগ্য লোকগীত হ'ল বহুৰাঙী গীত।

**২. ৰাভা জনগোষ্ঠীৰ লোক উৎসৱত প্ৰতিফলিত লোকজীৱন ঃ**

ৰাভাসকলৰ বেছিভাগ উৎসৱ-পাৰ্বণেই পূজা-উপাসনাৰ সৈতে জড়িত। তেওঁলোকে মাৰি-মৰক, অপায়-অমঙ্গল আদি নাশ কৰিবৰ বাবে পাপ বা অধৰ্মৰ দেৱতা হাজি বা মাৰাঙ্গাৰ পূজা কৰে। সাধাৰণতে প্ৰতিবছৰে চত মাহৰ কোনোবা এটা শনি বা মঙ্গলবাৰে আবেলি গোটেই গাওঁবাসী একত্ৰিত হৈ বিগত বছৰৰ দোষ মৰিষণ আৰু আগন্তুক বৰ্ষৰ বাবে গাওঁবাসীৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি এই পূজা কৰে।

ৰাভসকলৰ ফাগুণ-চ'ত মাহত অনুষ্ঠিত আন এটি ৰাজহুৱা পূজা হ'ল মায়তাৰি ৰাভাসকলৰ 'মাম্বেবাকায়' আৰু কোচ ৰাভাৰ 'ৰোস্তাক' বা 'ৰস্তুক'। এই দুয়োবিধ পূজা দৰাচলতে লক্ষ্মী আদৰা উৎসৱহে। বলি বিধান আৰু বিভিন্ন লোকাচাৰেৰে উদযাপন কৰা এই কৃষি উৎসৱ সাধাৰণতে ফাগুন-চত মাহত পালন কৰা হৈছিল যদিও বৰ্তমানে হোলিৰ দিনাখনহে এই পূজা অনুষ্ঠিত কৰা দেখা যায়।

ৰাভাসকলে বছৰৰ বিভিন্ন ঋতু আৰু মাহত নানা ধৰণৰ উৎসৱ পালন কৰে। এনে উৎসৱৰ ভিতৰত খেতি-বাতি সম্পৰ্কীয় হাছং-পূজা, থুকুচি পূজা বা বায়খু উৎসৱ, শাৰদীয় উৎসৱ গ্ৰিমবুদা, মাৰৈ বা বিষহৰি পূজা, তুকুৰা দেও পূজা, গোহালি দেও পূজা, পাওৰাদেও পূজা, হানা ঘোঁৰা পূজা, লাঙমাৰা পূজা, লাখৰ পূজা

ইত্যাদিৰ উল্লেখ কৰিব পাৰি। এই সমূহ লোক উৎসৱত ৰাভা সকলৰ সামগ্ৰিক জীৱনৰ প্ৰতিচ্ছবি ফুটি-উঠা দেখা যায়।

ৰাভাসকলে জগতসৃষ্টিৰ দেৱতা হিচাপে প্ৰতিবছৰে সামূহিকভাবে ছোংবাই তাংঙি বা লাঙামাৰা পূজা অনুষ্ঠিত কৰে। এই পূজাৰ প্ৰধান উপাস্য দেৱতা আৰু দেৱী হ'ল যথাক্ৰমে লাঙা (মহাদেৱ) আৰু কাচাইখাতী (ভগৱতী)। এই পূজাৰ আগদিনাখন ঘৰ-দুৱাৰ শুচি কৰি উপবাসে থাকি দেওধনী নচুৱাই গাঁৱঁৰ পৰা অপায়-অমঙ্গলৰ দেৱ-দেৱীক গাঁৱৰ পৰা আঁতিৰ যাবৰ বাবে তুতি-মিনতি কৰা হয়। পূজাৰ অন্তত গাওঁবাসী একত্ৰিত হৈ এখন স্থায়ী স্থানত অন্যান্য থলুৱা দেৱ-দেৱীক পূজা কৰি মদ ভাত খাই উৎসৱমুখৰ পৰিবেশৰ মাজেদি দিনটো কটায়।

বহাগ মাহৰ প্ৰথম সপ্তাহত দক্ষিণ কামৰূপৰ পাতিৰাভা আৰু হানা ৰাভাসকলৰ মাজত হানাঘোৰা বা জাৰীঘোঁৰা পূজা অনুষ্ঠিত হয়। দুয়োটা অনুষ্ঠানতে আৰম্ভণিতে লাঙাদেওৰ নামত এভাগি পূজা দিয়া হয় আৰু ঘোঁৰা নচুৱাজনক মহাদেৱৰ অনুচৰ বুলি ভক্তি সহকাৰে মান প্ৰদৰ্শন কৰা হয়।

ৰাভাসকলে বহাগ বিহুটো 'বিছুৱা' হিচাপে উদযাপন কৰে। বহাগৰ প্ৰথম দিনাখন পূৰ্বপুৰুষসকলৰ স্মৃতিত মদ-ভাত অৰ্পণ কৰি তেওঁলোকে নতুন সাজপাৰ পৰিধান কৰি আত্মীয়-কুটুম্বৰ ঘৰলৈ যায়। পাতি ৰাভাসকলৰ আদহীয়া পুৰুষ মহিলাই বহাগ বিহুৰ প্ৰথম দিনাখনৰ পৰা প্ৰায় এসপ্তাহ কাল ইঘৰে-সিঘৰে গৈ খোৱা-বোৱা কৰি বহুৰাঙী গীত গাই নাচি-বাগি আনন্দ কৰে। ঠাইবিশেষে চড়ক মেলা বা বুঢ়াবুঢ়ীৰ মেলাও অনুষ্ঠিত হয়।

মায়তাৰি ৰাভাসকলৰ বায়খো আৰু দাহৰি ৰাভাসকলৰ মাজত প্ৰচলিত খোক্‌চি পূজাৰ প্ৰচলন আছে। ৰাভাসকলৰ বায়খো উৎসৱৰ সৈতে বিহুৰ সাদৃশ্য আছে। বিহুত ডেকা-গাভৰুৰ মনৰ কামনা-বাসনা আৰু অভিলাষ পূৰ্ণ হোৱাৰ দৰেই বায়খুৰ পথাৰত ৰাভা ডেকা গাভৰুৱে প্ৰিয়জনক লগ পাই ভৱিষ্যৎ জীৱনৰ পাতিন মেলে। বিহুগীত আৰু নৃত্যৰ দৰেই সেয়েহে চাথাৰ গীত-নৃত্য ৰাভাসকলৰ অতি আদৰৰ।

ৰাভাসকল নৃত্য-গীতপ্ৰিয় আৰু তেওঁলোকৰ নৃত্যগীতৰ সুকীয়া বৈশিষ্ট্য আছে। বিভিন্ন উৎসৱ-পাৰ্বণ উপলক্ষে এনে নৃত্য-গীত পৰিবেশন কৰা হয়। মায়তাৰি ৰাভাসকলে এই পূজাৰ সময়ত একেৰাহে কেইবাদিনো উজাগৰে থাকি বয়সস্থসকলে হৈমাৰ গীত গাই পূৰ্বপুৰুষৰ স্মৃতিচাৰণ কৰে। আনহাতে ডেকা-গাভৰু সকলে ছাথাৰ নৃত্য আৰু গীতৰ মাজেদি নিজা নিজা জীৱনৰ লগৰী নিৰ্বাচন কৰি লয়। নৃত্য-গীত প্ৰধান বায়খো উৎসৱৰ দৰেই ডেকা-গাভৰুৰ সহজ সৰল প্ৰেম-প্ৰণয়ৰ প্ৰতিচ্ছবি সম্বলিত চাথাৰ নৃত্য-গীতো অতি তাৎপৰ্যপূৰ্ণ।

ৰাভাসকলৰ দেৱ-দেৱীৰ বিশ্বাস, বিশেষকৈ 'ৰন্তক'ৰ সৈতে লক্ষ্মী পূজা, লাখৰ দেওৰ সৈতে 'গোপাল পূজা', গোহালি দেওৰ সৈতে 'গো-পূজা', নমাৰাংগা পূজাক কাৰ্বিসকলৰ চজুম পূজা, জাগাৰ পূজাক বড়ো-কছাৰিৰ গাৰজা পূজাৰ সৈতে তুলনা কৰিব পাৰি। উদাহৰণ স্বৰূপে ৰাভাসকলৰ বৰ্ষাকালীন 'বায়খো' উৎসৱ উপলক্ষে গোৱা 'ছাথাৰ গীতৰ সৈতে বিহুগীতৰ সাদৃশ্য মনকৰিবলগীয়া।

(ক) 'বাকায় বানি মেবা না
বাজং বানি মেবা,
নেন ঝাপছা চোনকায়
জামুংখুচা তেবা।' — (ছাথাৰ গীত)

অনুৰূপভাবে —

'ভালুকা বাঁহৰে গাজে প্ৰাণেশ্বৰী
ভলুকা বাঁহৰে গাজ,
কত কথা কলি ৰিহা পাৰি পাৰি
কিহৰনো এতিয়া লাজ।' — (বিহুগীত)

(খ) 'আলি আলি নেবেৰাবি
আলি ভাঙিবক
পৰৰ বিটী নোজোকাবি
দায় লাগিবক।' — (ছাথাৰ গীত)

তুলনীয় —

আলিয়ে আলিয়ে নাযাবি
আলি ভঙিব।
ছোৱালীৰ ফালে নাচাবি
জগৰ লাগিব। — (গৰখীয়া গীত)

(গ) 'চেনীচাম্পা ৰেথে আথা মিলায়জো
নাঙি ছাথাৰ আঙি ছাথাৰ-ছাবৰ বিলায়জো।'

(ঘ) 'পাণডালায় বাডালায় কেৰগোটা মালা,
ছাথাৰ মানবা চাতাংছে চিঙি জিথাৰ ফালা।' — (ছাথাৰ গীত)

(গ) অৰ্থাৎ — চেনীচম্পা ফলজুপিয়ে ঠোকদিছে ঠিক বতৰ তোমাৰ আমাৰ ছাথাৰ গীতৰ ৰজিতা খাইছে ঠিক সময়তে।'

(ঘ) অৰ্থাৎ — বাঁহৰ ডালে গছৰ ডালে কেৰ্কেটুৱাই বগায়। ছাথাৰৰ জ্ঞান যাৰ নাই — তেওঁলোকে আমাৰ পিছ লয়।

**৩. ৰাভা জনগোষ্ঠীৰ লোকগীত-মাতত প্ৰতিফলিত লোকজীৱন**

ৰাভাসকলৰ প্ৰেম-প্ৰণয়মূলক 'ছাথাৰ গীত'ৰ সৈতে বিহুগীতৰ সাদৃশ্যৰ মূলতেই তেওঁলোকৰ বায়খু উৎসৱো বিহুৰ দৰেই কৃষিকেন্দ্ৰিক উৰ্বৰা বিশ্বাসৰ উপৰত প্ৰতিষ্ঠিত লোক উৎসৱ। সেইবাবেই বায়খু উপলক্ষে গোৱা ছাথাৰ গীত আৰু নৃত্যত উদ্দাম

যৌৱনৰ প্ৰণয়াত্মক অভিব্যক্তিৰ প্ৰাধান্য অধিক। ছাথাৰ নৃত্য ওৰে ৰাতি পৰিবেশন কৰা হয়। উদাহৰণ স্বৰূপে —

'আলি আলি বেৰালি, আলি চিনা জোক
চি-ননা এনছানি মালে,
বাতাপৰ লোকৰে (হৰছৈ হৰছৈ)
সাৰা হাচু ঘৰাইকা, দয় ভাঙনা ভাংচা
তাতো বাৰ বায়ো চায়বা সালে
মুক বাৰ বায়ো ভাংচাৰে।' — (ছাথাৰ গীত)

(অৰ্থাৎ, আলিয়েদি খোজ কাঢ়োতে চিনা জোক পোৱা যায়। হে বন্ধু চিনি পোৱানে নোপোৱা? আমি বাতাপাৰাৰ গাভৰু। পাহাৰে পাহাৰে ঘূৰি ফুৰিও আমলা টেঙাৰ গছ এডালকে দেখা নাপালো।)

বিহু গীততো দিন-ৰাতিৰ ছেদ-ভেদ নোহোৱাকৈ বিহুগীত নৃত্য অব্যাহত থকাৰ উল্লেখ পোৱা যায়—

ৰাতি পৰে পৰে ফেঁচাই কুৰুলিয়ায়
নৈৰ পানীৰ দৰে যৌৱন যায় ভটিয়ায়
আমাৰ বিহুত আমনি নাই।'

ৰাভাসকলৰ 'বহুৰাঙী গীত' আৰু 'বাগেশ্বৰী গীত' তথা নৃত্য বসন্তকালীন গীত হিচাপে আমোদজনক। ৰাভাসকলে খেতি বাতি সামৰি গীত-বাদ্য আৰু নৃত্যকে মনৰ আনন্দ প্ৰকাশ কৰি বহুৰাঙী গীত গায়। গীতবোৰত বিচিত্ৰ ভাবৰ সমাবেশ মনকৰিবলগীয়া ঃ

'গছ কাটং নাকাটং, গছ বেকেৰা
নাচি থাকে নাজানং, চোতাল বেকেৰা।
খেৰৰে পুঁজিৰে খেৰৰে পুঁজি
বুঢ়া বুঢ়ী মেল কৰে
পালৰাৰে বুধি।' ইত্যাদি

পাতিৰাভা আৰু দাহৰি ৰাভাসকলৰ মাজত প্ৰচলিত 'লাথৰ গীত' বা 'গৰখীয়া গীত' ঠাট্টা মাস্কৰাৰে পৰিপূৰ্ণ আৰু বহুপৰিমাণে যৌনগন্ধী গীত

উদাহৰণ স্বৰূপে তলত দুটিমান নিদৰ্শন দাঙি ধৰা হ'ল ঃ

(ক) 'পানী পৰে অ' চিপিৰ চাপাৰ অ'
নাই পৰাং অ' ঘুনি;
তোৰ বাইকে অ' মোকে দিবি অ'
মোকে কবি অ' ভিনি।
কাছমনি অ' ৰাঙা ৰাঙা অ'
সাথ খাজা অ' কালা
তোৰ বাইকে অ' মুইয়ে বহিম অ'
তোকে বুলিম অ' শালা।' (দুধনৈ অঞ্চলত প্ৰচলিত বাং গীত)

তুলনীয় —

'বুলিস' মহানিম
বায়েৰক ময়ে নিম
ভিনিহি বুলিবি
মোকে ঐ হোতোকতোক
বুঢ়ী হ'লে নিনিও তোক
সমনীয়াই হাঁহিব মোক।'

(খ) বাং বাং অ নুলিতাং অ
মাটিত উজায় অ গুই ;
ছোটখানা অ লাথৰ ছাওৱাৰ অ
মুকুত লাগিল অ জুই

তুলনীয় —

গাতে জুই জ্বলিছে
সৰিয়হ ফুটিছে
চেনাইক পানীঘাটত দেখি। — (বিহুগীত)

বাং বাং অ নুলিতাং অ
পানীত উজায় অ বেং;
ছোটখানা অ লাথৰ ছাওৱাৰ অ
লাঠি হেনা অ ঠেং।
(ছোট মাটিয়া অঞ্চলত প্ৰচলিত বাং বাং গীত)

তুলনীয় —

কিনো হাতেখনি
কিনো ভৰি দুখনি
কিনো তোৰ শুৱলা মাত।
ৰ'দে পাই জিলিকে
গাল তোমাৰ দুখনি
হাঁহিলেও জিলিকে দাঁত। — ৯বিহুগীত)

(গ) ল'ৰা নাকবালি অ' ঝিলিক-ঝালাক অ'
কানপাছা অ লৰে;
মিচক মাচাক অ' নাহাসিবি অ'
জিউ ধৰফৰ অ' কৰে।'

তুলনীয় —

মিচিকি হাঁহিৰে মন মোৰ মুহিলা
লাহেকৈ লগালা বেথা
তোমাক আনিম বুলি মনতে ভাবিলো
ককায়েৰাই লগালে লেঠা। — (বিহুগীত)
ছোৱালী বুকুৰ হাড়া অ' জেংজেঙা অ'
হাতৰ গাঁথি অ' চিয়া
বেংটামুৰা অ' আপাক লাগি অ'

কায়বা হ'ব অ' বিয়া। — (গৰখীয়া গীত-বাং)

(ঘ) চৈতত চকৰি বহাগত বগৰি
জেঠত মলঙা ধান
তহন্তে গৰখীয়া আমাক আৰি মাৰিছ।
লৰুতে চিঙিলে কাণ।
(দৰং অঞ্চলত প্ৰচলিত লালিলাং গীত)

তুলনীয় —
'চ'ততে চকৰি বহাগত বগৰী
শাওনৰ আমনা ধান
গৰুবিহুৰ দিনাখন বস্ত্ৰদান কৰিবা
তেহে পাবা বৈকুণ্ঠত থান।' — (বিহুগীত)

ৰাভাসকলৰ বহুৰাঙী গীতৰ মাজেদিও তেওঁলোকৰ সামাজিক জীৱনৰ অভিব্যক্তি সুন্দৰভাৱে প্ৰকাশিত হৈছে। যেনে —

(ক) 'শিল তেকং তেকং ৰে
শিল তেকং তেকং
দুৱাৰখানি হেককং
মদৰ জোঙা দেখং।
ছোটখানি মদটা
খাম খানি খানি;
তাকে শুনি মহাজন কয়
নাইকা আখাৰ পানী।
সকলো পখী মাছ খায়
মাছলেকাৰ নাম
সকলো জাতি মদ খায়
ৰাভা জাতিৰ নাম।'

(খ) অ' কাকা ডাঙাৰ ভাই
তোকে আছোং চাই;
মোকো একটা আনি দিবি
তাপালি ডাঙাৰ চাই।
ঝুলি ঝুলি বেৰালুং মই
ঝুলি দিগিলা;
মুই দেখা আপীটা
চুলি দিগিলা।
শালবাৰী বেৰালুং মই
লগ পালুং বাঘ;
মুই মন খাওৱা আপীটা
মস্ত ধাপা নাক।
অ চিঙিৰী বাখান চুকুৰী
কিয় মোকে চায়;
বিয়াখানি কৰালুং তোক
একেলায়ে ৰান্ধি খায়।' — ইত্যাদি।
(ৰাভাসকলৰ বহুৰাঙী গীত, ছোটমাটিয়া অঞ্চলৰ)

(গ) শাল পাতৰ কাছেৰেং
নলবাহৰ হোকা
আমাৰ ফালে নাহিবি
ৰাখি ফেলাম ঢোকা।
গছ কাটং ঠং ঠাং
শিংৰা নদীৰ পাৰত,
চকুত লাগা খাৰু দিম
বুধবৰীয়া হাটত।
একো শাক নাপাই নাখাই
ৰান্ধি থৈচুং জিম,
কাৰো আগত নকাবি
ৰাঙা ফালি দিম।
কদংকাৰাৰে গাৰাতে
চেং বাহা লয়
তুই নিলি যাম মুই
দাদাক নকৰং ভয়। (ৰংজুলি-বকো অঞ্চলৰ বহুৰূপী গীত)

(ঘ) খুটীয়া পহু মাৰিসুং
বুকুলা ধুবা নিলং
পাতি কাউৰে লই গেল
লেবক লেবক কৰি
ঢোৰা কাউৰে খেদি গেল
পাং হব বুলি।
আম লাগে ঠোকা ঠোকা
দাফিয়ালং পকা,
যিয়ো এটা ভাতাৰ পালুং
টিপালাঙি চকা।
সান্দা কটুং নকুটং
উৰং গতিয়াং
কেন্দোলাতে সান্দা লই
ছানা পাতিয়াং।
ছানা কান্দে টোৰা-টোৰা
নুচুৰালোং বাটত;
তোকো ছাৰা বিকি খাম
বুধবৰীয়া হাটত।'
(বকো-বৰদুৱাৰ অঞ্চতৈ প্ৰচলিত 'বগেজাৰী গীত')

জনজাতীয় জীৱনধাৰাৰ সৈতে বিশেষকৈ মঙ্গোলীয় সংস্কৃতিৰ সৈতে বাঁহৰ সম্পৰ্ক অবিচ্ছেদ্য। সেইবাবেই মঙ্গোলীয়

সভ্যতা-সংস্কৃতিৰ ধ্বজাধাৰী অসমৰ উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা জনজাতিসকলৰ জীৱন প্ৰবাহ সৈতে বাঁহ যিকোনো প্ৰকাৰে জড়িত হৈ থকা দেখা যায়। মঙ্গোলীয় সংস্কৃতিৰ অন্তৰ্গত ৰাভাসকলৰ বহুৰাঙী গীতত উল্লেখ আছে যে নিজ হাতে কাটি চিকুনাই প্ৰস্তুত কৰা পানী খোৱা চুঙাটি দলিয়াই দিওঁ বুলিও দিব নোৱাৰি --- কাৰণ তাৰ সৈতে ৰাভা ডেকাৰ সৃষ্টি আৰু প্ৰেৰণাৰ বীজ অন্তৰ্নিহিত হৈ আছে ঃ

'ঢুং কৰি আফিলালং
পানী খোৱা চুঙা,
ধুপুত ধুপত মনত পৰে
আগৰ গোটৰ হেনা।' — (বহুৰাঙী গীত)

বিহুগীততো প্ৰিয়জনলৈ অতি হেপাঁহেৰে প্ৰস্তুত কৰা চিৰা দৈ সজাই লৈ তেওঁৰ অনুপস্থিতিত গাভৰুৰ খাবলৈ যত যোৱা নাই —

'বকুল বৰাধানৰ চিৰা খুন্দিছিলো
ছপোৱা গাখীৰৰ দৈ
তুমিয়ে নহ'লে খাবকে নোৱাৰো
থাকো মই আগতে লৈ।' — (বিহুগীত)

চাহ জনগোষ্ঠীৰ কৃষিভিত্তিক লোক উৎসৱ টুচু পূজাৰ গীততো অনুৰূপ ভাবৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায় ঃ

'আল ধানেৰে পাতলা চিৰা
গামচা বান্ধা দাহি গ'
খাবাৰ বেলায় মনে পৰে
হামাৰ প্ৰাণেৰ সখী গ'।' (টুচু গীত)

গোৱালপৰীয়া লোকগীততো 'গামচা বান্ধা দৈ'ৰ উল্লেখ পোৱা যায়।

### ৫. উপসংহাৰ

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে লোক উৎসৱ আৰু লোক গীত-মাতৰ মাজেদি ৰাভাসকলৰ সামাজিক জীৱনৰ সাৱলীল প্ৰকাশ ঘটিছে। অসমীয়া সংস্কৃতিৰ প্ৰণালীবদ্ধ গৱেষণাৰ বাবে বড়ো, ৰাভা, মিচিং, কাৰ্বি, ডিমাচা, দেউৰী, চুতীয়া, মটক, মৰাণ, আহোম, চাহ-জনজাতি, কোচ ৰাজবংশী প্ৰভৃতি বিভিন্ন জনগোষ্ঠীসমূহৰ লোক উৎসৱ আৰু লোক গীত-মাত সমূহৰ প্ৰণালীবদ্ধ অধ্যয়নৰ প্ৰয়োজন। তেতিয়াহে অসমীয়া সংস্কৃতিৰ বৰ্ণাঢ্য স্বৰূপ উপলব্ধি কৰাটো সম্ভৱ হৈ উঠিব।

সহায়ক গ্ৰন্থ ঃ

১। অসমীয়া সাহিত্য সংস্কৃতিৰ ৰূপৰেখা ঃ ড° প্ৰফুল্ল কুমাৰ নাথ
২। ৰাভামিজ/ৰাভা-লোক -সংস্কৃতি/অসমৰ জনজাতীয় সংস্কৃতি ঃ ড° উপেন ৰাভা হাকাচাম
৩। অসমীয়া আৰু ৰাভা সমাজ সংস্কৃতিৰ স্বৰূপ ঃ ড° মলিনা দেৱী ৰাভা
৪। ৰাভা সমাজ আৰু সংস্কৃতিৰ আভাস ঃ হৰিমোহন সৰকাৰ
৫। ৰাভা লোকগীত ঃ ৰাজেন ৰাভা
৬। ৰাভা সংস্কৃতিৰ ধাৰা ঃ মণি ৰাভা
৭। ৰাভা জনজাতি ঃ ৰাজেন ৰাভা

*(ড° নাথ গুৱাহাটী কলেজৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা)*

# গোৱালপাৰা জিলাৰ বড়ো আৰু ৰাভা জনজাতিৰ পানীয় আৰু খাদ্য সংস্কৃতিত উদ্ভিদৰ ব্যৱহাৰ ঃ এটি তথ্যভিত্তিক আলোচনা

দিপালী ডেকা

ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ কিছু অংশক লৈ গঠিত আৰু দক্ষিণ দিশ মেঘালয়ৰ পশ্চিম আৰু পূৱ গাৰোপাহাৰ জিলাৰে বেষ্টিত গোৱালপাৰা জিলাখনক বালিজানা, লক্ষীপুৰ, মাটিয়া, দুধনৈ আৰু ৰংজুলি এই পাঁচটা বিশাল ৰাজহ চক্ৰত ভাগ কৰা হৈছে। জিলাখনৰ এই ৰাজহ চক্ৰকেইটাৰ অন্তৰ্ভুক্ত বিভিন্ন গাওঁসমূহৰ অধিবাসীসকলৰ বুজন সংখ্যকেই হৈছে ৰাভা, বড়ো, গাৰো, হাজং আদি ইন্দো-মঙ্গোলীয় জনগোষ্ঠীৰ লোক। লোকপিয়লৰ শেহতীয়া তথ্য অনুযায়ী জনজাতীয় জনসংখ্যাৰ ফালৰ পৰা জিলাখনত ৰাভাসকলৰ জনসংখ্যা আটাইতকৈ বেছি আৰু তাৰপিছত একাদিক্ৰমে বড়ো, গাৰো আৰু হাজংসকলৰ নাম ল'ব পাৰি।

প্ৰকৃতিৰ কোলাত লালিত পালিত হ'বলৈ সদা আগ্ৰহী এই জনজাতীয় লোকসকলৰ দৈনন্দিন জীৱন, স্বাস্থ্যবিধি আৰু স্বকীয় সংস্কৃতিৰ সৈতে ওতঃপ্ৰোতভাবে জড়িত হৈ আছে অলেখ বনৰীয়া তথা ৰোপিত উদ্ভিদ প্ৰজাতিৰ গৱেষণাযোগ্য ব্যৱহাৰ। জিলাখনৰ প্ৰতিটো জনগোষ্ঠীৰেই গৃহস্থীৰ খাদ্য প্ৰকৰণৰো এক স্বকীয় বৈশিষ্ট্য আছে। অসমীয়া সমাজৰ অন্যান্য জনগোষ্ঠীবোৰৰ দৰে ইয়াৰ জনজাতীয় সমাজখনৰো মূল আহাৰ ভাত আৰু ভাতৰ সৈতে তেওঁলোকে উপ-আহাৰৰ বাবে বিভিন্ন প্ৰকাৰৰ মাছ আৰু পশু-পক্ষীৰ মাংসৰ বাহিৰেও খেতিৰ যোগেদি নাইবা হাবিৰ পৰা সংগ্ৰহ কৰা বাৰে ৰহনীয়া বনৰীয়া উদ্ভিদ বা উদ্ভিদাংশৰে তৈয়াৰী ৰুচিবোধক ব্যঞ্জন গ্ৰহণ কৰে।

জনসংখ্যাৰ ফালৰ পৰা গোৱালপাৰা জিলাৰ দুটা বৃহৎ জনজাতীয় জনগোষ্ঠী ৰাভা আৰু বড়োসকলৰ পানীয় তৈয়াৰ কৰা আৰু খাদ্য সঞ্চয় কৰি ৰখা পদ্ধতিত বিভিন্ন প্ৰকাৰৰ উদ্ভিদ প্ৰজাতিৰ ব্যৱহাৰ মন কৰিবলগীয়া।

**চকো, জুমায় বা লাওপানী ঃ** গোৱালপাৰা জিলাৰ ৰাভা আৰু বড়োসকলৰ প্ৰিয় পানীয়বিধ হৈছে লাওপানী বা স্থানীয় মদ যাক ৰাভাসকলৰ মাজত চকো আৰু বড়োসকলৰ মাজত জুমায় নাইবা জৌ নামেৰে জনা যায়. সৃষ্টিকৰ্তাই জীৱন ৰক্ষাৰ অৰ্থে লাওপানীৰ সৃষ্টি কৰা বুলি এওঁলোকে বিশ্বাস কৰে আৰু এই কথা প্ৰতিপন্ন কৰাৰ বাবে দুয়োটা জনগোষ্ঠীৰ কিছুমান সুকীয়া কিম্বদন্তীও আছে। খাদ্য হিচাবে গ্ৰহণ কৰাৰ উপৰিও পৰম্পৰাগত পূজা-পাৰ্বণাদিত এওঁলোকে নিজৰ উপাস্য দেৱতাক এই পানীয় বাধ্যতামূলকভাৱে অৰ্পণ কৰা পৰিলক্ষিত হয়।

মূলতঃ চাউলৰ পৰা চকো বা জুমায় তৈয়াৰ কৰা হয়। ইয়াক তৈয়াৰ কৰিবলৈ এবিধ সুকীয়া অনুপানৰ প্ৰয়োজন, যাক বড়োসকলে এমাও আৰু ৰাভাসকলে ফাপ নাইবা বাখৰ (Rice-beer cake) বুলি কয়। গোৱালপাৰা জিলাৰ ৰাভা আৰু বড়ো জনগোষ্ঠীৰ লোকসকলে এই অনুপানবিধ নিজে তৈয়াৰ কৰি লয়। ইয়াক তৈয়াৰ কৰিবলৈ তেওঁলোকে আৰৈ চাউলৰ সৈতে নিৰ্দিষ্ট কিছুমান উদ্ভিদ প্ৰজাতিৰ অংশবিশেষ প্ৰয়োজনীয় পৰিমাণ অনুযায়ী মিহলি কৰি লয়।

ৰাভা আৰু বড়ো জনগোষ্ঠীয় সমাজখনে চকো নাইবা জুমায়ক তেওঁলোকৰ শ্ৰমজীবী জীৱনৰ পৰিচালিকা শক্তিৰূপে গণ্য কৰাৰ লগতে কিছুমান দিশত ইয়াৰ শাৰীৰিক ৰোগ নিৰাময়ৰ ক্ষমতা থকা বুলিও বিশ্বাস কৰে। ক্ৰিমি, মূৰৰ বিষ, গাৰ বিষ, দেহৰ কোনো অংশত জ্বলা পোৰা কৰা, গ্ৰহণী, প্ৰস্ৰাবজনিত ৰোগ, আনকি কলেৰাৰ দৰে মাৰাত্মক ৰোগৰ নিৰাময়ৰ কাৰকৰূপে চকো নাইবা জুমায়ৰ প্ৰভাব অপৰিসীম বুলি জনগোষ্ঠী দুটাৰ লোকসকলে পুৰুষ পুৰুষানুক্ৰমে মানি আহিছে। অকল মানুহৰেই নহয়, পোহনীয়া জন্তুৰো সৰু-সুৰা ৰোগ নিৰাময়ৰ বাবে এওঁলোকে চকো/জুমায়ৰ বাখৰ/এমাও ব্যৱহাৰ কৰা দেখা যায়। হালোৱা গৰু নিশকতীয়া হ'লে শক্তিবৰ্দ্ধকৰূপে বাখৰ বা এমাও খুৱাই দি এই সমস্যা দূৰ কৰা হয়।

দুই কিলোগ্ৰাম আৰৈ চাউলৰ পৰা বাখৰ তৈয়াৰ কৰিবলৈ জিলাখনৰ ঠাইবিশেষে বড়ো জনগোষ্ঠীৰ লোকসকলে ব্যৱহাৰ কৰা বিশেষ উদ্ভিদ প্ৰজাতিকেইটাৰ স্থানীয় নাম, ইয়াৰ নিৰ্দিষ্ট অংশ, আৱশ্যকীয় পৰিমাণ আৰু আয়ুৰ্বেদিক চিকিৎসাশাস্ত্ৰত উল্লেখিত ঔষধি গুণ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি —

| স্থানীয় নাম | উদ্ভিদাংশ | পৰিমাণ | আয়ুৰ্বেদত উল্লেখিত ঔষধি গুণ |
|---|---|---|---|
| ১। কঠাল/খাম্থাল | পাত | ২টা | ক্ৰিমি, সৰু আই |
| ২। ভাং/গাঞ্জা | পাত | ৮-১০টা | কটা-চিঙা, আভোক, কেঁচুমূৰীয়া |
| ৩। টুবুকীলতা/ফ'নৈল খুগা | পাত | ৬-৮টা | ফোঁহা, পোৰা ঘাঁ, শৰীৰ জ্বলা পোৰা, প্ৰস্ৰাবজনিত ৰোগ |
| ৪। যমলাখুটি/বুৰিথোখোন | পাত, আলু | ৫০ গ্ৰাম | কলেৰা, গ্ৰহণী, কুষ্ঠ, প্ৰস্ৰাবজনিত ৰোগ, গাৰ বিষ |
| ৫। আমলখি/আমলাই | ফল | ৬-৮টা | ক্ৰিমি, মধুমেহ, যকৃতৰ ৰোগ টনিক |
| ৬। কুশবন/খুচিহাগ্ৰা | বীজ | ২৫ গ্ৰাম | জ্বৰ, গাৰ বিষ |
| ৭। মধুৰিআম/চামফ্ৰাম | পাত | ৪-৬টা | ক্ৰিমি, মুখৰ ঘাঁ, গ্ৰহণী, পেটৰ বিষ |
| ৮। বন-নাৰ্জি/উচুমাই | পাত | ১২টা | দাঁতৰ বিষ, পেচাব জ্বলা পোৰা |
| ৯। গদাধৰী/বংফাং ৰাখেব্ ফিচা | আগ | ১২টা | টনিক, চকুৰ অসুখ, পেচাবৰ অসুখ |
| ১০। কুঁহিয়াৰ/খুচেৰ্ | পাত | ১০০গ্ৰাম | জন্ডিচ্, গ্ৰহণী |

দুই কিলোগ্ৰাম আৰৈ চাউলৰ পৰা বাখৰ তৈয়াৰ কৰিবলৈ ৰাভা জনগোষ্ঠীৰ লোকসকলে জিলাখনৰ অঞ্চল বিশেষে ব্যৱহাৰ কৰা উদ্ভিদ প্ৰজাতি কেইটাৰ স্থানীয় নাম, ইয়াৰ নিৰ্দ্দিষ্ট অংশ, প্ৰয়োজনীয় পৰিমাণ আৰু আয়ুৰ্বেদিক চিকিৎসাশাস্ত্ৰত উল্লেখিত ঔষধি গুণ নিম্নোক্ত ধৰণৰ —

| স্থানীয় নাম | উদ্ভিদাংশ | পৰিমাণ | আয়ুৰ্বেদত উল্লেখিত ঔষধি গুণ |
|---|---|---|---|
| ১। আনাৰস/আনাৰচ্ | পাত | ১২৫ গ্ৰাম | ক্ৰিমি, গৰ্ভাবস্থাৰ সমস্যা |
| ২। আকণ/আখম্ ফাং | পাত | ১ খিলা | ক্ৰিমি, গাৰ বিষ, পোৰা ঘাঁ |
| ৩। কণ জলকীয়া/ঝালুক | ফল | ৭টা | গাৰ বিষ, মূৰৰ বিষ |
| ৪। ভেতাই তিতা/হেলি তিতা | পাত | ২-৩টা | ক্ৰিমি, মেলেৰিয়া, চুলিৰ টনিক |
| ৫। বিহঢেঁকীয়া/বিচ্‌টিংকীয়া | আগ | ৭টা | গাৰ বিষ, মূৰৰ বিষ |
| ৬। কুশবন/কুচ্‌বুন | পাত | ১২টা | জ্বৰ, গাৰ বিষ |
| ৭। আগিয়াচিতি/ফাপ ফাং | শিপা | ৫০ গ্ৰাম | পেটৰ বিষ, কুষ্ঠ, বাতবিষ, গ্ৰহণী |
| ৮। কুঁহিয়াৰ/কুৰ্চি | পাত | ১২৫গ্ৰাম | জন্ডিচ্, গ্ৰহণী |
| ৯। গদাধৰী/চেনিবুন | আগ | ১২টা | পেচাবৰ অসুখ, চকুৰ অসুখ, টনিক |

**এমাও, ফাপ বা বাখৰ প্ৰস্তুত কৰা পদ্ধতি ঃ**

তিনি চাৰিঘণ্টা ধৰি তিয়াই ৰখা দুই কিলোগ্ৰাম আৰৈ চাউল পানীৰ পৰা তুলি ১ ঘণ্টামানৰ বাবে এটা ফুটা থকা খৰাহীত টুকি ৰখা হয়। ওপৰোক্ত পৰিমাণৰ উদ্ভিদাংশসমূহ এটা উৰাল নাইবা ঢেঁকীত ভালদৰে খুন্দি লোৱা হয়। তাৰ পিছত তাতে চাউলখিনি মিহলাই পুনৰ কিছু সময় খুন্দি ভালদৰে গুড়ি কৰি লোৱা হয়। এতিয়া গুড়ি মিশ্ৰণখিনি এখন কুলা নাইবা ডলাত লৈ আটা মৰাৰ দৰে মাৰি ৰুটি বনাবলৈ তৈয়াৰ কৰা আটাৰ লাড়ুৰ দৰে গোলাকাৰ আৰু চেপেটা ৫০ গ্ৰামমান ওজনৰ একোটা লাড়ু তৈয়াৰ কৰা হয়। বড়োসকলে এই লাড়ুবোৰৰ ওপৰত পুৰনি এমাওৰ গুড়ি ছটিয়াই থয়। তাৰপিছত তাৰ ওপৰত অলপ ধানখেৰ পাতলকৈ ছটিয়াই দি কুলা নাইবা ডলাখন চাঙৰ ওপৰত তুলি থয়। চৰিদিন পিছতহে ইয়াক জুমায় তৈয়াৰ কৰিবলৈ উপযুক্ত হোৱা বুলি বিবেচনা কৰা হয়।

ৰাভাসকলে আৰৈ চাউল আৰু উদ্ভিদাংশৰ মিশ্ৰণৰ গুড়িখিনিৰ সৈতে পুৰণি ফাপ নাইবা বাখৰৰ লাড়ু এটি মিহলি কৰি লৈহে তাৰ পিছত তাক আটা মৰাদি মাৰি বড়োসকলৰ দৰেই একেধৰণে কিছুমান লাড়ু তৈয়াৰ কৰি লয়। তাৰপিছত তাৰ ওপৰত পুৰণি বাখৰৰ গুড়ি আৰু ধানখেৰ ছটিয়াই দি থয় আৰু চাৰিদিন

পিছতহে ইয়াক চকো তৈয়াৰৰ বাবে যোগ্য হোৱা বুলি বিবেচনা কৰে।

**চকো বা জুমায় তৈয়াৰ কৰা পদ্ধতি ঃ**

চকো বা জুমায় তৈয়াৰ কৰিবলৈ আৰৈ চাউলেৰে টান কৰকৰীয়াকৈ ৰন্ধা ভাতৰ প্ৰয়োজন। ৰাভাসকলে এই ভাত ৰন্ধাৰ পিছত এখন বাঁহৰ ঢাৰিত পাতলকৈ মেলি কিছু ঠাণ্ডা হ'বলৈ দিয়া দেখা যায়। তাৰ পিছত এই ভাতৰ সৈতে আৱশ্যকীয় পৰিমাণৰ বাখৰ সানি লোৱা হয়। চকো প্ৰস্তুত কৰিবলৈ সাজু কৰি ৰখা শুকান আৰু পৰিষ্কাৰ জোঙা (মাটিৰ বিশেষ কলহ) এটাৰ ভিতৰত নিৰ্দিষ্ট জোখৰ 'জাস্থি' নামৰ এবিধ বাঁহৰ তমালেৰে তৈয়াৰী বিন্ধাযুক্ত চুঙা ভৰাই লোৱা হয়। জাস্থিটো জোঙাত সুমুৱাৰ আগতে জাস্থিৰ দুয়োমূৰ জুইত সেকা কলপাতেৰে দুই তৰপকৈ বান্ধি লোৱা হয়। জাস্থিটো জোঙাৰ ভিতৰত স্থাপন কৰাৰ পিছত জোঙাটোৰ ভিতৰত আৰু জাস্থিটোৰ বাহিৰৰ খালী ঠাইখিনিত বাখৰমিশ্ৰিত ভাতখিনি ভৰাই থৈ জোঙাৰ মুখখন জুইত সেকা কলপাতেৰে তিনি তৰপকৈ বান্ধি আন্ধাৰ ঠাইত থৈ দিয়া হয়। জহকালি ৪/৫ দিন আৰু জাৰকালি ৭/৮ দিন পিছত চকো খোৱাৰ উপযুক্ত হয় আৰু জোঙাৰ ভিতৰত থকা জাস্থিৰ মুখখন খুলি ইয়াক সংগ্ৰহ কৰা হয়।

গোৱালপাৰা জিলাৰ বড়ো জনগোষ্ঠীৰ লোকসকলে সামান্য ব্যতিক্ৰম পদ্ধতি এটাহে অনুসৰণ কৰে। তেওঁলোকে ৰান্ধি লোৱা ভাতখিনিৰ সৈতে এমাওখিনি মিহলাই লোৱাৰ পিছত ডাঙৰ কুলা বা চালনীত কলপাত পাৰি লৈ তাতে মিশ্ৰণটি এৰাতিৰ বাবে মেলি ৰাখে আৰু তাৰ পিছতহে ইয়াক কলহত ভৰাই থয়।

পাঁচ কিলোগ্ৰামৰ পৰা বাৰ কিলোগ্ৰাম পৰ্যন্ত আৰৈ চাউলৰ ভাত ধাৰণ ক্ষমতাসম্পন্ন মাটিৰ কলহ এই পদ্ধতিত ব্যৱহাৰ কৰাটো জিলাখনৰ জনগোষ্ঠী দুটাৰ এক সুকীয়া বৈশিষ্ট্য। ধাৰণ ক্ষমতা অনুযায়ী ৰাভাসকলে কলহবোৰক সৰুৰ পৰা ডাঙৰ আকাৰলৈকে ক্ৰমে দুৱানী, চাৰিআনী, আঠানী আৰু টকীয়া নামেৰে নামাকৰণ কৰি লয়। আকৃতি অনুযায়ী এই কলহ তিনিপ্ৰকাৰৰ পোৱা যায় — জোঙা, মালদাং আৰু দাব্‌খা। জোঙাবোৰৰ আকৃতি দীঘলীয়া ধৰণৰ, মালদাংৰ ঘূৰণীয়া আৰু এই দুয়োবিধৰ মাজৰ আকৃতিৰ কলহবোৰক দাব্‌খা বুলি জনা যায়। মালদাং আৰু জোঙাৰ ডিঙি অংশটোত এধাৰি ফুলৰ মালাৰ দৰে এটি চানেকি দেখিবলৈ পোৱা যায় যিটো দাব্‌খাত নাথাকে। কিবা কাৰণত ডিঙিত এই মালাৰ চানেকি নথকা কলহত চকো বা জুমায়ৰ ভাত ভৰালে তাৰ ওপৰত এখিলা এৰা গছৰ পাত আৰু এটুকুৰা এঙাৰ দি ৰাখিলেহে পানীয়বিধ অপদেৱতাৰ প্ৰভাবমুক্ত হয় বুলি এওঁলোকে বিশ্বাস কৰে।

বৰা চাউলৰ পৰা চকো নাইবা জুমায় বনালে দুয়োটা জনগোষ্ঠীৰ লোকসকলে আঢ়ৈ/তিনিফুট ওখ পেট ডাঙৰ জোঙা ব্যৱহাৰ কৰে। এওঁলোকে এনে মদ ছমাহৰ পৰা এবছৰলৈকে সঞ্চয় কৰি ৰখা দেখা যায়। এনে চকো বা জুমায় অধিক ৰাগিয়াল আৰু ৰং মৌৰসৰ দৰে মিঠা আৰু ৰঙচুৱা। ইয়াক 'সাঁচতীয়া মদ', 'পোহা মদ' বা 'ছিন্‌চিনা' বুলি জনা যায়। বৰা চাউলৰ পৰা চকো তৈয়াৰ কৰোতে ৰাভাসকলে কেতিয়াবা যাস্থি ব্যৱহাৰ নকৰে। এনে মদ ভাতখিনিৰ পৰা চেকি পৃথক নকৰাকৈয়ে এওঁলোকে মদ আৰু ভাতৰ মিশ্ৰণটো একেলগে মিহলাই তৃপ্তিদায়ক আহাৰ হিচাবে খায়। মদ আৰু বৰা চাউলৰ ভাতৰ এই মিশ্ৰণটো ৰাভাসকলৰ মাজত 'যুগুলী' নামেৰে পৰিচিত।

চাউলৰ পৰা এইদৰে পানীয় তৈয়াৰ কৰা প্ৰক্ৰিয়াটোক বৈজ্ঞানিক দিশৰ পৰা কিণ্বন অৰ্থাৎ Fermentation বুলি কোৱা হয়। কাৰ্বহাইড্ৰেট নাইবা শৰ্কৰাৰ (sugar) অসম্পূৰ্ণ জাৰণৰ (oxidation) ফলত মদ (alcohol), কাৰ্বণ ডাই অক্সাইড ($CO_2$) গেছ আৰু কিছুমান অন্য সামগ্ৰী উৎপন্ন হোৱাৰ লগতে ২৮ কেলৰি শক্তি মুক্ত হয়। এই প্ৰক্ৰিয়াটো কিছুমান অণুজীৱৰ উপস্থিতিতহে সংঘটিত হয় আৰু এমাও বা বাখৰে এই অণুজীৱৰ যোগান ধৰে। এই অণুজীৱবোৰো হৈছে কিছুমান বেক্টেৰিয়া নাইবা ভেঁকুৰ অৰ্থাৎ উদ্ভিদজগতৰেই কিছুমান ক্ষুদ্ৰাকৃতিৰ সদস্য।

কিণ্বণ প্ৰক্ৰিয়াৰে তৈয়াৰী পানীয়ৰ সৈতে আৱশ্যকীয় পৰিমাণৰ পানী আৰু বাখৰ পুনৰ মিশ্ৰিত কৰি ৩/৪ দিন থৈ দি ইয়াৰ দ্বিতীয়বাৰ কিণ্বণ হ'বলৈ দিয়া হয়। এতিয়া এই পানীয়ৰ পৰা ৰসায়ন বিজ্ঞানৰ পাতন প্ৰক্ৰিয়া অনুসৰণ কৰি পৰিষ্কাৰ পানীৰ দৰে ফট্‌ফটীয়া আৰু অধিক ৰাগিয়াল পানীয় তৈয়াৰ কৰা হয়। এই পদ্ধতিটোত ব্যৱহৃত হাড়ী আৰু ফুটা লুডুকীৰ সংযোগস্থানত মৰাপাতৰ আঁহ মেৰিয়াই দি সঁজুলিটোত বতাহ সোমাব নোৱাৰা কৰি লোৱা হয়।

যিহেতু এমাও বা বাখৰ প্ৰস্তুতিত ব্যৱহৃত উদ্ভিদ প্ৰজাতিকেইটাৰ নিৰ্দিষ্ট অংশসমূহৰ ঔষধি গুণ সম্পৰ্কে আয়ুৰ্বেদত উল্লেখ পোৱা যায়, গতিকে চকো বা জুমায়ৰ ঔষধি গুণসম্পৰ্কে থকা জনবিশ্বাসক একেবাৰে নুই কৰিব নোৱাৰি। জনজাতীয় খাদ্য সংস্কৃতিৰ সৈতে পানীয়ৰ ব্যৱহাৰৰ ওতঃপ্ৰোতঃ সম্পৰ্ক আছে যদিও উপৰোক্ত জন বিশ্বাসৰ সত্যাসত্য সম্পৰ্কে মন্তব্য কৰাটো কঠিন। বৰং দেখা যায় যে, সংস্কৃতি ৰক্ষাৰ বাবে অথবা দেহৰ কোনো বিপত্তি নিৰাময়ৰ বাবে পৰিমিত পৰিমাণে এই পানীয়বিধ গ্ৰহণ কৰাতকৈ ৰং-তমাচা অথবা নিচাকাৰক ভোগৰ উৎসৰূপেহে ইয়াক অত্যধিক সেৱন কৰাৰ ফলত গোৱালপাৰা জিলাখনৰ জনজাতীয় জনগোষ্ঠীবোৰৰ অধিকাংশ লোক শ্ৰমবিমুখ আৰু লগতে শিক্ষা, স্বাস্থ্য আৰু আৰ্থসামাজিক দিশত যথেষ্ট পিছপৰা।

**সিন্দল বা নাফাম ঃ**

অসমৰ আন জিলাবোৰৰ বিভিন্ন জনজাতিসকলৰ দৰে গোৱালপাৰা জিলাৰ ৰাভা আৰু বড়ো জনগোষ্ঠীৰ লোকসকলেও ৰান্ধি খোৱাৰ বাহিৰেও মাছবোৰ শুকুৱাই বাঁহৰ চুঙাত ভৰাই সঞ্চয়

কৰি ৰাখি দুই-তিনিবছৰলৈকে খোৱা দেখা যায়। এইদৰে সঞ্চিত মাছ সিন্দল বা নাফাম নামেৰে সকলোৰে পৰিচিত। এওঁলোকৰ প্ৰিয় খাদ্য এই নাফাম নাইবা সিন্দল সঞ্চয় কৰি ৰাখিবলৈও কিছুমান নিৰ্দিষ্ট উদ্ভিদ প্ৰজাতিৰ বিভিন্ন অংশৰ ব্যৱহাৰ অপৰিহাৰ্য্য। এক কিলোগ্ৰাম শুকান মাছৰ সৈতে ২৫০ গ্ৰাম পৰিমাণৰ বগা ৰং ধৰা পূৰঠ কোমোৱাৰ মঙহ নতুবা খুন্দি লোৱা মান কচুৰ ঠাৰি (২৫০ গ্ৰাম) ভালদৰে মিহলাই মিশ্ৰণটো এবেলা ৰ'দত শুকুৱাই লোৱা হয়। তাৰ পিছত মিশ্ৰণটো উৱাল নাইবা ঢেঁকীত খুন্দি বাঁহৰ চুঙাত হেঁচি হেঁচি ভৰাই ওপৰত অলপ নিমখ ছটিয়াই দিয়া হয়। শেষত চুঙাৰ মুখখনত টানকৈ কলপাতৰ সোপা দি তাৰ ওপৰত ৰান্ধনিশালৰ খৰিৰ ছাই ছটিয়াই থৈ দিয়া হয়। এই নাফাম নতুবা সিন্দল দি ৰন্ধা সেউজীয়া শাক, শোকোতা, কচুৰ ঠাৰি নতুবা থোৰ, মাটিমাহৰ দাইল, মানধনিয়া আদি জিলাখনৰ এই জনগোষ্ঠী দুটাৰ বাবে বৰ তৃপ্তিদায়ক আৰু জনপ্ৰিয় খাদ্য।

**সঞ্চিত শাক-পাচলি ঃ**

গোৱালপাৰা জিলাৰ ৰাভা আৰু বড়ো জনগোষ্ঠীৰ লোকসকলে বিভিন্ন প্ৰকাৰৰ শাক-পাচলি সঞ্চয় কৰি অভাবৰ সময়ত সেইবোৰ খাদ্য হিচাবে ব্যৱহাৰ কৰা দেখা যায়। ইয়াৰ ভিতৰত অত্যাৱশ্যকীয় পাচলি দুবিধ হৈছে বাঁহ গাজ আৰু শোকোতা। বাঁহ গাজ প্ৰধানতঃ ভলুকা বাঁহ, কেকো বাঁহ আৰু পাহাৰীয়া কেকো বাঁহৰ পৰা সংগ্ৰহ কৰা হয় আৰু মৰাপাটৰ পাত শুকুৱাই শোকোতা প্ৰস্তুত কৰা হয়। এওঁলোকে বাঁহ গাজ সৰু সৰুকৈ কুটি নতুবা ঢেঁকী বা উৱালত খুন্দি ইয়াক বাঁহৰ চুঙা নতুবা মাটিৰ কলহত ভৰাই মুখখন বতাহ সোমাব নোৱাৰাকৈ টানকৈ কলপাতেৰে বান্ধি থয়। ১০-১৫ দিন পিছত টেঙা সোৱাদযুক্ত হ'লে গাজখিনিত অলপ সৰিয়হৰ তেল সানি থৈ দিয়ে। এনেদৰে থোৱা গাজ মাজে সময়ে ৰ'দত উলিয়াই দি এওঁলোকে দুই তিনিবছৰলৈকে অনায়াসে সাঁচি খোৱা দেখা যায়।

বিশেষকৈ জাৰকালি এওঁলোকে কোনোধৰণৰ মচলা আৰু তেল ব্যৱহাৰ নকৰাকৈ বিভিন্ন শাক-পাচলি, ফল অথবা গুটি ৰ'দত শুকুৱাই সঞ্চয় কৰি ৰাখে। এইদৰে শুকুৱাই সঞ্চয় কৰি ৰখা উদ্ভিদাংশসমূহে বাৰিষা নাটনিৰ দিনত শাক-পাচলিৰ অভাব পূৰণ কৰাৰ উপৰিও কিছুমান সৰু-সুৰা শাৰীৰিক ৰোগ নিৰাময় কৰাতো সহায় কৰে। এইবোৰৰ ভিতৰত উল্লেখযোগ্য কেইবিধমান হ'ল —

| স্থানীয় নাম | উদ্ভিদাংশ | আয়ুৰ্বেদত উল্লেখিত ঔষধি গুণ |
|---|---|---|
| ১। টেঙামৰা, মৈথা, মেস্তা | পাত, ফলৰ ৰঙা অংশ | প্ৰস্ৰাৱজনিত ৰোগ, কোষ্ঠকাঠিন্য, অৰুচি |
| ২। চেংমৰা, চিক্ৰু, জংগাথাৱা | আলু, কুমলীয়া থোৰ | হাঁপানী, শাৰীৰিক দুৰ্বলতা |
| ৩। ৰঙাবাহক, বাৰচিখা বিবাৰ গোজা, চাক্কাই মেখা | ফুল | বদহজম, চৰ্দি, কাঁহ |
| ৪। বগাবাহক, বাৰচিখো জোলা বক্কাই মেখা | ফুল | ক্ৰিমি, হাঁপানী |
| ৫। পচতিয়া, পানজাতি আচোই, ফোকুচ্ ফাং | পাত | অৰ্শ, বাতবিষ, মুখৰ ঘাঁ |
| ৬। নৰসিংহ, বিচহ্‌ৰি গিদিট, নৰ্‌চিং | পাত | অম্লপিত্ত, মেলেৰিয়া, দাঁতৰ বিষ |
| ৭। মানকচু, মানা থাচো, মুন্‌লেং | আলু | টাইফয়ড, শাৰীৰিক দুৰ্বলতা |
| ৮। বগৰী, বৈগ্ৰি, খিংখি | ফল | বদহজম, বসন্ত |
| ৯। কোমোৱা, খুমব্ৰা | ফল | সান্নিপাত জ্বৰ, অৰুচি |
| ১০। তেতেলি, থান্‌ট্‌লাং, চেন্টেৰেং | পকাচিৰা | চৰ্মৰোগ, অজীৰ্ণ |
| ১১। কুঁজী থেকেৰা, উন্দৈ থৈখা | পকাফল | গ্ৰহণী, পেটচলা |
| ১২। বৰ থেকেৰা, থৈখা, থিক্‌ৰা | পকাফল | গ্ৰহণী, পেটচলা |
| ১৩। মৰাপাট, ফাথৌ গোখা, পাটা | পাত,আগ | গ্ৰহণী |
| ১৪। মৰলীয়া, না বিখো, থুনথুনি চাক্ | আগ | অৰুচি, হাড়ৰ ৰোগ |
| ১৫। দোৰোণ, খান্‌চিচা, ডুম্‌কুলা | পাত, আগ | হাঁপানী, কাঁহ, জ্বৰ |
| ১৬। শেৱালি, চেফালি, চিপিলিকা | ফুল | ক্ৰিমি, চৰ্মৰোগ |
| ১৭। নুনি, গোংগাৰ থাইচিব্, মেচ্‌কুৰি | পাত, আগ | আল্‌চাৰ, অৰুচি |
| ১৮। লাইশাক, লাই মৈগং | পাত | আভোক |
| ১৯। মূলাশাক, মূলা মৈগং | পাত | অৰুচি |

| | | |
|---|---|---|
| ২০। বন্ধাকবি, বান্ধাকপি | পাত | অৰুচি |
| ২১। জালুক, যাথি ঝালুক, গোলমৰিচ্ | বীজ | হাঁপানী, কাঁহ |
| ২২। মেজেঙা, মেজেঙা মৈগং | পাত, আগ | পেটচলা, অৰুচি |
| ২৩। আঠিয়া কল, থালিট্ বিম | কেঁচা ফল | গ্ৰহণী, পেটচলা |
| ২৪। ধনিয়া, দন্দিয়া মৈগং | বীজ | বদহজম, গেষ্ট্ৰিক |
| ২৫। আম, থাইজৌ, পচো | কেঁচা ফল, বীজ | দাঁতৰ বিষ, অৰুচি |
| ২৬। ঔটেঙা, থাইগিৰ, পাম্‌থে | ফল | উচ্চৰক্তচাপ, আভোক |
| ২৭। বেল | পূৰঠ ফল | অজীৰ্ণ, অৰুচি, অম্লপিত্ত। |

যিকোনো এক জনগোষ্ঠীৰ সাংস্কৃতিক গাঁথনিক এক সুকীয়া মৰ্যাদা প্ৰদান কৰাত পৰম্পৰাগতভাবে খাদ্যৰূপে গ্ৰহণ কৰা উদ্ভিদ প্ৰজাতিসমূহৰ ভূমিকা উল্লেখনীয়। জনজাতীয় জনসংখ্যাৰ ফালৰ পৰা গোৱালপাৰা জিলাখনত ৰাভা আৰু বড়ো জনগোষ্ঠী দুটাৰ স্থান ওপৰত থকা হেতুকে এই আলোচনাটিত উক্ত জনগোষ্ঠী দুটাই স্থান পাইছে যদিও দেখা যায় যে জিলাখনৰ গ্ৰামাঞ্চল সমূহৰ ভিন ভিন জনজাতীয় জনগোষ্ঠীৰ লোকসকলৰ বৰ্ণাঢ্য সংস্কৃতিৰ বিভিন্ন দিশৰ সৈতে ওতঃপ্ৰোতঃভাবে জড়িত হৈ আছে উদ্ভিদ জগতখনৰ নানাবিধ ৰোপিত তথা বনৰীয়া প্ৰজাতিৰ কৌতুহলপূৰ্ণ ব্যৱহাৰ। প্ৰাকৃতিক সম্পদৰাজিৰ ধ্বংসলীলা আৰু পৰিবেশ প্ৰদূষণৰ প্ৰভাবত অসমৰ দৰে জৈৱ-বৈচিত্ৰ্যত চহকী প্ৰদেশ এখনৰ বিভিন্ন অঞ্চলৰ এক বুজন সংখ্যক উদ্ভিদ প্ৰজাতিৰ অস্তিত্বলৈ এক ভাবুকি আহি পৰিছে যাৰ পৰা বৰ্তমানৰ গোৱালপাৰা জিলাখনো বাহিৰত নহয়। উচিত সময়ত এইবোৰৰ সংৰক্ষণ সম্পৰ্কত এক জনসচেতনতা গঢ় লৈ নুঠিলে অদূৰ ভবিষ্যতে আৱশ্যকীয় উদ্ভিদ প্ৰজাতিসমূহৰ অভাবত জিলাখনৰ জনগোষ্ঠীসমূহে নিজ নিজ সাংস্কৃতিক ঐতিহ্য তথা পৰম্পৰা কিমানদিন বজাই ৰাখিব পাৰিব সেয়া এক প্ৰশ্নৰ বিষয়।

প্ৰসঙ্গ-পুথি ঃ

১। ৰাভা জনজাতি, ৰাজেন ৰাভা, ২০০২
২। বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি, ভবেন নাৰ্জী, ১৯৬৬, পুনঃমুদ্ৰণ ১৯৮৬।
৩। Tribes of Assam, Vol-I, B.N. Bordoloi, 1987.

(শ্ৰীমতী ডেকা দুধনৈ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা)

# পশ্চিম অসমৰ ৰাজবংশী সকলৰ পূজাপাৰ্বণৰ গীত

ড° দ্বিজেন্দ্ৰ নাথ ভকত

ৰাজবংশীসকলৰ সাধাৰণ পৰিচয় ঃ

পশ্চিম অসমৰ ৰাজবংশী লোক সকলৰ জাতি তত্ত্বৰ বিষয়ে পণ্ডিত সকলৰ মাজত মতভেদ পাওঁ। তাৰ ভিতৰত অধিকাংশ পণ্ডিতৰ অভিমত সাপেক্ষে কব পাৰি যে মঙ্গোলীয় জনগোষ্ঠীৰ তেওঁলোক এই অঞ্চলৰ একআদিম জনগোষ্ঠী। গ্ৰিয়াৰছনৰ মতে এই অঞ্চলৰ ৰাজবংশী লোক সকল নিজৰ ধৰ্ম আৰু ভাষা ত্যাগ কৰি হিন্দু ধৰ্ম আৰু আৰ্য ভাষা গ্ৰহণ কৰিছে। গোৱালপাৰা, কোচবিহাৰ ইত্যাদি অঞ্চলৰ ৰাজবংশী সকল এনে ধৰ্মান্তৰিত কোচ। গেইট চাহাবৰ মতেও জলপাইগুৰি, কোচবিহাৰ আৰু গোৱালপাৰা অঞ্চলৰ বৰ্তমান যিসকল ৰাজবংশী লোক আছে তেওঁলোক প্ৰকৃততে কোচহে তেওঁলোকৰ গাৰবৰণ ক'লা হ'লেও আকৃতি মঙ্গোলীয়। কোচ আৰু ৰাজবংশী শব্দদুটাৰ ভিতৰত কোচ শব্দটোৱে প্ৰাচীন। উত্তৰবঙ্গ আৰু নামনি অসমৰ অনুসংগত ৰাজবংশীতে কৈ কোচ শব্দটোৱে প্ৰাচীনকালত ব্যৱহৃত হৈছিল। অধিকাংশ মুছলমান ঐতিহাসিকৰ গ্ৰন্থত কোচ জাতিৰ নামহে পোৱা যায়। ৰজাৰ বংশ, এতেকে ৰাজবংশীয় বা ৰাজবংশী আন জাতিবাচক শব্দটো এই অঞ্চলত ১৬শ শতিকাৰ পৰা চলিব পাৰে বুলি পণ্ডিত সকলে অনুমান কৰিছে।

**ভৌগোলিক পৰিসীমা ঃ**

পশ্চিম অসম বোলোঁতে আমি প্ৰাচীন অবিভক্ত গোৱালপাৰা জিলাখনকে বুজাইছোঁ। ১৮২৬ চনত অসমৰ বাকী অংশ বৃটিছ শাসনৰ অধীন হোৱাত এইজিলাখন অসম উপত্যকাৰ লগত চামিল হৈছিল যদিও ১৮২৭ চনত নৱগঠিত কোচবিহাৰ চীফ্ কমিশনাৰ শ্বিপৰ অন্তৰ্ভূক্ত হয়। ১৮৭৪ চনত ই অসম প্ৰদেশিক প্ৰশাসনৰ তললৈ আহিছিল। ১905 চনত আকৌ পূৰ্ববঙ্গলৈ স্থানান্তৰিত হয় আৰু অৱশেষত ১৯১২ চনতহে নিগাজীকৈ গোৱালপাৰা জিলাখন অসমৰ লগত যুক্ত কৰা হয়। প্ৰাচীন গোৱালপাৰা জিলাখন অসমৰ পশ্চিম প্ৰান্তৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ আৰু দক্ষিণ দুয়োপাৰকে সাঙুৰি ধৰা হৈছিল। ১৯৮৩ চনত ইয়াক গোৱালপাৰা, ধুবুৰী আৰু কোকৰাঝাৰ জিলা হিচাপে ভাগ কৰা হয়। ১৯৮৯ খৃঃত কোকৰাঝাৰ জিলাখনক পুনঃ বিভক্ত কৰি ইয়াৰ এটি অংশক বঙাইগাওঁ জিলা কৰা হয়। ২০০4 খৃঃত বঙাইগাওঁ আৰু কোকৰাঝাৰ জিলাৰ কিছু অংশকলৈ নতুনকৈ চিৰাং জিলা হিচাপে বি. টি, এ. ডি, (Bodo Territorial Area District) ৰ অন্তৰ্ভূক্ত কৰা হয়। গতিশীল সময়ত প্ৰাচীন গোৱালপাৰা জিলাখন বিভিন্ন ৰাজনৈতিক খণ্ডত বিভক্ত হলেও ইয়াৰ ভাষিক আৰু সাংস্কৃতিক ক্ষেত্ৰখন একেই। এই অঞ্চলত নিবাস কৰা ৰাজবংশী সকলৰ ভাষিক আৰু সাংস্কৃতিক পৰম্পৰাবোৰে প্ৰায় একে দেখা যায়।

প্ৰাচীন অবিভক্ত গোৱালপাৰা জিলাখন আহোম প্ৰশাসনৰ বাহিৰত থকাৰ বাবে ইয়াৰ ভাৰিক আৰু সাংস্কৃতিক বৈশিষ্ট্যবোৰ অসমৰ অন্যান্য জিলাৰ তুলনাত কিছু পৰিমাণে পৃথক। ইয়াৰ লগত উত্তৰবঙ্গ অঞ্চলৰ সাংস্কৃতিক আৰু ভাষিক সাদৃশ্য অধিক। বি.জি. এলেনৰ প্ৰাতবেদনতো আমি ইয়াৰ সমৰ্থন পাওঁ। তেওঁৰ মতে গোৱালপাৰাখন অসম উপত্যকাৰ এখন জিলা হোৱা সত্ত্বেও ই আহোম ৰাজত্বৰ বাহিৰত আছিল। ইয়াৰ সাদৃশ্য অসমতকৈ উত্তৰবঙ্গৰ লগত অধিক। আমাৰ আলোচ্য অঞ্চলটোত বিভিন্ন জনগোষ্ঠীৰ লোকসকল বসবাস কৰে যদিও তাৰ ভিতৰত ভাষিক আৰু সাংস্কৃতিক ক্ষেত্ৰত ৰাজবংশী সকলৰ অবদানেই অধিক। ৰাজবংশী সকলৰ ভাষা-সংস্কৃতি অকল উক্ত অঞ্চলতেই সীমাবদ্ধ নহয়, তেওঁলোকে সমগ্ৰ উত্তৰবঙ্গ, বিহাৰৰ প্ৰাচীন পূৰ্ণিয়া জিলা, নেপালৰ ঝাপা, মোৰং অঞ্চল, ভূটানৰ ভুৱাৰ্চ অঞ্চল, মেঘালয়ৰ পশ্চিমাঞ্চল আৰু বাংলাদেশৰ প্ৰাচীন অবিভক্ত ৰংপুৰ অঞ্চললৈকে বিস্তৃত।

"ৰাজবংশী সকল সম্পূৰ্ণভাবে কৃষিৰ ওপৰত নিৰ্ভৰশীল এওঁলোকৰ অৰ্থনৈতিক জীৱন ভাৰতৰ অন্যান্য প্ৰদেশৰ কৃষিজীৱি লোকসকলৰ দৰে অত্যন্ত সাধাৰণ মানৰ। এওঁলোকৰ মাজত শিক্ষাৰ প্ৰমাণ আশানুৰূপ ভাবে হোৱা নাই। আজি বহু বছৰ আগতে সুনীতি কুমাৰ চট্টোপাধ্যায়ে জনগোষ্ঠীটোৰ বিষয়ে এই উক্তি কৰিলেও আজিলৈকে ইয়াৰ কোনো পৰিবৰ্তন হোৱা দেখা নাযায়। ৰাজবংশী সকলৰ মাজত পূজা-পাৰ্বণ আদি কম নহয়। বাৰ মাহত তেৰ পাৰ্বণ, ৰাজবংশী সমাজত বিদ্যমান। ইয়াৰ মূলতে দুটা কাৰণ সক্ৰিয় বুলি ভাবিব পাৰি। প্ৰথমতে কৃষিকামৰ স্বৰবোৰত এটাৰ পৰা আনটো খেতিলৈকে মাজত সাময়িক ভাবে আজৰি সময় থাকে। এই আজাৰি সময়ৰ সুযোগতে নানা দেবদেবী, পূজা উৎসব, সঙ্গীত, নৃত্য ইত্যাদিৰ কল্পনা তেওঁলোকে কৰিছিল। দ্বিতীয়তে কৃষিকামৰ প্ৰাকৃতিক অনিশ্চয়তা দূৰ কৰাৰ উদ্দেশ্যে-কৃষকৰ অসহায় আদিম মানসিকতা

স্বাভাৱিকতে যাদু-নিয়ন্ত্ৰিত কৃতৰ আশ্ৰয় গ্ৰহণ কৰিছিল। ৰাজবংশী সকলৰ কৃষ্টিকেন্দ্ৰিক অধিকাংশ পূজা উৎসৱত এনে যাদু-বিশ্বাসৰ তীব্ৰতা লক্ষ্য কৰিব পাৰি। আদিম সমাজৰ উৎসৱ অনুষ্ঠান দেৱতা, নৃত্যগীত, কাহিনী-কাব্য আদি একে কামৰ আধ্যৰত সংশ্লিষ্ট হৈ আছিল; সমাজৰ ক্ৰমবিবৰ্তনত যাদুবিদ্যা যিদৰে ধৰ্ম আৰু বিজ্ঞানলৈ পৰিৱৰ্তন হৈছে। সেইদৰে নাচগান কথা ইত্যাদিৰ পটভূমিও বিশুদ্ধ শিল্প ৰূপলৈ পৰিবৰ্তন হৈ আহিছে; নিজনিজ কক্ষপথত পৰস্পৰ বিশিষ্টৰূপে বিকশিত হৈছে।

বৈদিক যুগৰ পৰাই ভাৰতীয় সমাজত বিভিন্ন দেব-দেবীৰ যাগ-যজ্ঞ, পূজাপাৰ্বণ, অৰ্চন ভজন চলি আহিছে। দেব-দেবী বোৰক অপায় অমঙ্গল, ধনজন, শিক্ষাদীক্ষা, শক্তিৰ অধিষ্ঠাতা অধিষ্ঠাত্ৰী ইত্যাদি হিচাপে কল্পনা কৰা হৈছে। অকল কল্পনাই নহয় সেই সেই ৰূপত মানুহে দেবদেবীবোৰক পূজা উপাসনাও কৰি আহিছে। প্ৰাচীন কালৰ পৰা চলি অহা ৰীতি অনুযায়ী মানুহে আজিও কিছুমান দেবদেবীক আপয় অমঙ্গলৰ ভয়ত কিছুমানক পাৰ্থিৱ সুখশান্তি, আনন্দ উন্নতিৰ আশাত আৰু ধন জন ঐশ্বৰ্য বিভূতিৰ লোভত উপাসনা কৰে। বৈদিক যুগত মন্ত্ৰ, পুৰাণৰ যুগত শ্লোক, তাৰ পিছৰ যুগত পদ-পয়াৰ আদিৰ দেবদেবীৰ স্তুতি কৰা হৈছিল। কিন্তু গতিশীল সময়ত যেতিয়া সেইবোৰ জনসমাজৰ স্মৃতিৰ পৰা হৈৰাই গ'ল কিন্তু দেবদেবীৰ কল্পনাবোৰ থাকি গ'ল তেতিয়া সহজ সৰল কৃষি জীৱি লোকে গীতৰ জৰিয়তেই চহাপ্ৰাণৰ সৰল কাকুতি মিনতিবোৰ জনাবলৈ ধৰিলে। ফলতে ইয়াতেই এই শ্ৰেণী গীতৰ জন্ম।

ৰাজবংশী সকলৰ পূজাপাৰ্বণৰ গীতবোৰৰ মাজত ৰাজবংশী লোকসকলৰ ভাষা, দেবদেবীৰ বিষয়ে তেওঁলোকৰ ধাৰণা বিশ্বাস আদিৰ পৰিচয় গোৱা যায়। কাহিনীযুক্ত আৰু কোতিয়াবা আংশিক বা বিক্ষিপ্ত সঙ্গীতৱোৰত আমি তেওঁলোকৰ সুখ দুখ, হাঁহি কান্দোন, পোৱা নোপোৱাৰ বেদনা, মানুহৰ স্বভাব চৰিত্ৰ, সমাজৰ ৰীতি নীতি আদিৰ পৰিচয় পাওঁ সাধাৰণ নিৰক্ষৰ মানুহৰ সাধুট মণ্ডিত কবি কল্পনাৰো ইঙ্গিত আছে। গীতবোৰত ৰাজবংশী সকলৰ ইহলৌকিক কামনাবাসনাৰ বিষয়েও আভাস পোৱা যায়। আনহাতে গাওঁলীয়া পৰিবেশত লৌকিক নামবোৰৰ অন্তৰালত বেদ-পুৰাণ তন্ত্ৰাদিৰ দেবদেবীৰ প্ৰভাৱো লক্ষ্য কৰা যায়।

ৰাজবংশী সকলৰ পূজাপাৰ্বণবোৰ সাধাৰণতে অধিকাৰী, দেউসী, ভংৰীয়া, কীৰ্তনীয়া, ওজা আদিয়ে কৰে। কিছুমান ব্যক্তি নিজে কৰে আৰু কিছুমানত কোনো পুৰোহিত নাই, কিছুমান আকৌ ব্ৰাহ্মণ পুৰোহিতৰ দ্বাৰা কৰা দেখা যায়। পৰিবৰ্তনশীল সময়ৰ খোজত ৰাজবংশী সকলৰ আচাৰ ব্যৱহাৰ, পূজাপাতলু আদিও পৰিবৰ্তন হৈছে। অনেক প্ৰাচীন পূজাপাৰ্বণ আজিলোপ পাইছে; কিছুমান অঞ্চল বিশেষে কোনোমতে বৰ্তি আছে। আনহাতে কিছুমান লুপ্ত প্ৰায় অৱস্থা পাইছে আৰু কিছুমানৰ নামহে আছে ইয়াৰ কোনো চিনচাব বিচাৰি পোৱা নাযায়।

যুগে যুগে সুখশান্তিৰ বাবে দেব-দেবীৰ কল্পনা আৰু পূজন অৰ্চন পৰম্পৰাৰ আধাৰত ৰাজবংশী সমাজতো সোনাৰায়, কাতি, বাঁশ, হুদুম, ত্ৰিনাথ আদি দেবতাৰ সৃষ্টি আৰু গীতমাতৰ দ্বাৰা তাক সন্তুষ্টি কৰাৰ ৰীতি চলি আহিছে। কাব্য পুৰাণৰ পৰা লোৱা চৰিত্ৰবোৰ কাব্য পুৰাণৰ আকৃতি প্ৰকৃতিৰেই গঢ়া হলেও ইয়াত জনমানসৰ কল্পনাই স্পৰ্শ নকৰাকৈ থকা নাই।

ভাষাৰ ফালৰ পৰা লক্ষ্য কৰিলে ইয়াৰ ক্ষেত্ৰখন বিশাল আৰু আমাৰ উপৰিল্লিখিত পৰিসীমা লৈকে বিস্তৃত। ভাষাটোক ৰাজবংশী বুলি কোৱা হয়। এই নামটো ৰাজবংশী লোক সকলৰ বাবে প্ৰিয়। আনহাতে ৰাজবংশী পণ্ডিত সকলে, ইয়াক গোৱালপৰীয়া, দেশী, কামতাপুৰী, কামতাই আদি নামেৰে অভিহিত কৰা দেখা যায়। আমাৰ নিবন্ধত পশ্চিম অসমৰ কৃষিজীৱি ৰাজবংশী লোক সকলৰ জীৱনৰ লগত জড়িত পূজাপাৰ্বণৰ গীতবোৰৰ এটি সাধাৰণ আলোচনাৰ লগতে কিছুমান গীত উল্লেখ কৰিছোঁ। ৰাজবংশী লোক সকলৰ মাজত অসংখ্য পূজাপাৰ্বণৰ প্ৰচলন আছে যদিও তাৰ ভিতৰত সকলোবোৰ পূজা পাৰ্বণত গীত পদ ব্যৱহৃত নহয়। সেই ফালৰ পৰা আমি পোৱা গীত পদ যুক্ত পূজাপাৰ্বণবোৰে ইয়াত দাঙি ধৰিবলৈ যত্ন কৰিছো।

**(ক) মনসা পূজাৰগান :**

সৰ্প পূজাৰ ঐতিহাসিক ক্ৰমাগ্ৰসৰণৰ ফলস্বৰূপে ভাৰতবৰ্ষত মনসা বা পদ্মা অথবা বিষহৰী পূজাৰ সৃষ্টি। সৰ্পদেবী মনসা বৈদিকদেবী নহলেও কালক্ৰমত সংস্কৃতায়ন এঘটি অন্যান্য পৌৰাণিক দেবদেবীৰ মৰ্যাদা নোপোৱাকৈ থকা নাই। মনসা পূজাৰ জীৱন্ত-পৰম্পৰা ভাৰতীয় জীৱনৰ সবিস্তাৰতে লক্ষ্য কৰা যায়। অসমতো মনসাপূজাৰ জীৱন্ত পৰম্পৰা বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত আছে। পশ্চিম অসমৰ ৰাজবংশী সকলে মাটি, কুহিলা বা সোলাৰ মনসা বা বিষহৰি মূৰ্তি নিৰ্মাণ কৰি পূজা কৰে আৰু গীতগায়। তেওঁলোকৰ মাজত মনসাপূজা বিভিন্ন পৰম্পৰা আৰু তাৰ লগত সংগীত পৰিবেশন কৰা ৰীতি পাওঁ। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল — ১. পদ্দ বা পদ্দা পুৰাণ বা মাৰাই গান, ২. বাঁশী পুৰাণ গান, ৩. ভাসান যাত্ৰা বা মনসা ভাসান, ৪. বিষহৰী গান, ৫. আজাঙ্গৰ পূজাৰ গান।

১. পদ্দাপুৰাণ বা মাৰাইগান —

শাওন মাহৰ সংক্ৰান্তিৰ দিনা মনসা মন্দিৰ অথবা কোনো ব্যক্তিৰ গৃহত এই গান অনুষ্ঠিত হয়। গান শব্দটোৱে এই অঞ্চলত সংগীত, নৃত্য আৰু অভিনয় এই তিনিটাকে সাঙুৰি বুজায়। কেতিয়াবা সম্ভ্ৰান্ত ৰাজবংশী পৰিয়ালৰ ল'ৰাৰ বিয়াৰ সময়ত বিয়াৰ অধিবাসৰ দিনা আৰম্ভকৰি লৰাই বিয়া কৰাই কইনাসহ ঘৰলৈ সুতি নহা লৈকে এই গান চলে। কোনো বিয়া অনুষ্ঠানত সাতদিন সাতৰাতি লৈকে এই গান চলে। এই মাৰাই গানত গীত, নৃত্য আৰু অভিনয় বিদ্যামান।

গানৰ কাহিনী বিশাল। পদ্মাৰ লগত চান্দসদাগৰৰ বিবাদ, লক্ষীন্দাৰৰ বিয়া, সৰ্প দংশনত মৃত্যু, লক্ষীন্দাৰৰ জীৱন দান ইত্যাদি কাহিনী এই গানত থাকে। এই গানৰ শিল্পীৰ দলত প্ৰায় ১৫/১৬ জন ব্যক্তি থাকে। ইয়াত মূল, দোৱাৰী, পালি, যন্ত্ৰশিল্পী, ভাৱৰীয়া, চুকুৰী আদি শিল্পী পাওঁ। গান আৰম্ভনিৰ সময়ত মূলৰ হাতত চোঁৱৰ থাকে। গীতত খোল, দোতৰা, জুৰি, বাঁহী, হাৰমনিয়ম আদি যন্ত্ৰৰ ব্যৱহাৰ দেখা যায়। প্ৰয়োজন সাপেক্ষে কেতিয়াবা মুখাৰ ব্যৱহাৰো দেখা পাওঁ।

গীতাংশ —

শুনেক শুনেক ওহে চান্দো, ওহে সদাগৰ।
এলাও যদি বাচিবাৰ চাইস তুই মোৰে পূজাকৰ।।
ও হে চান্দো ওহে সদাগৰ।।
মোকে নাভাজিয়া ৰে তুই ভাজিস কৈলাসপতি।
চৈধ্য ডিঙা ডুবাইমৰে মুই সোনাৰ চাইলনবাতি।।
শুনেক ওহে চান্দো ওহে ৰাজপতি।
ধন জনতোৰ নাৰাখিমৰে মুই
তোৰ বংশত দিবাৰ বাতি।।
মোৰ পূজা দিলেৰে চান্দো তোৰ ৰাখিম কুল
আৰ কোনো ধন নাচাংৰে মুই
দিস বাওঁ হাতে ফুল।।

২. বাঁশী পুৰাণ —

মনসা আৰু চান্দ সদাগৰৰ কাহিনীক লৈ ইয়াৰ গান ৰচিত যদিও কিছুমানে পূণ্য পুৰাণ আৰু পদ্মাপুৰাণৰ সংমিশ্ৰিত ৰূপক বাঁশী পুৰান বুলি কয়। বাঁশী পুৰাণৰ উল্লেখযোগ্য মন্ত্ৰ হ'ল 'বম বাশী' এধৰণৰ মুখ বাঁহী। এই বাহীয়ে ইয়াত মুখ্য যন্ত্ৰহিচাপে ব্যৱহাৰ হয় বাবে হয়তো ইয়াৰ নাম বাশী পুৰাণ বুলি কোৱা হৈছে। এই গানত সাধাৰণতে সৃষ্টি তত্ত্বৰ কথাই বেছি। ইয়াৰ মূল অংশত বেউলাৰ কথা থাকে। গান গোৱাৰ সময়ত মূলৰ লগত ডাইনা পালি, কেইজনমান পালি, ছুকুৰী থাকে। মূলৰ হাতত চোঁৱৰ দেখা পাওঁ। নাচি নাচি এই গান পৰিবেশন কৰা হয়। অভিনয়ত কৈ মূলৰ লগত ডাইনা পালিৰ গীতৰ ব্যাখ্যাই বেছি। মূলে নানা নৃত্য ভঙ্গীমাৰে এই গান ব্যাখ্যা কৰি দৰ্শনিক বুজাই দিয়ে।

গীতাংশ —

শূন্যত ভৰমন পৰভুৰ শূন্যে কৰি ভৰ।
কাক জন্মাব পৰভু ভাবে মায়াধৰ।।
মহাশূন্য মধ্যে পৰভু জনমিল লবন।
তান হৈতে জনামিল অনিল দুই জন।।
অনিল সৈতে পৰভু দয়া হয়া গেল।
কত মায়া ঠাকুৰেৰ পাৰিষদ হৈল।।
আসন ছাড়িয়া পৰভু বৈশে চুমক উপৰে।
পৰভুৰ আসন বিস্ব সহিতে নাপাৰে।।
ভাঙিল জনৰি বিস্ব হৈল দুই ভাগ।
শূন্যত বেড়ায় পৰভু কাৰও নাহি পায় লাগ।।
সুখতে বেড়ায় পৰভু নাগলি নাপায়া।
তথাতে ৰহিলন্ত আসন কৰিয়া।।
বিশ্বাৰ উপৰে পৰভুৰ উপজিল দয়া।
আপনি ছৰাজিল পৰভু আপোনাৰ কায়া।
দয়াৰ সাগৰ পৰভু দিয়া হয়া গেল থিত।
দেহ হন্তে পুনৰ জীব জন্মে আচম্বিত।।
জনমিল পুৰুষ তাৰ নাই হাত পাও।
ৰজো বীজে জনম তাৰ নাহিক মন মাও।।
জনমিল পুৰুষ তাৰ নাই দুই আঙ্খি।
আপোনাৰ কলেবৰ আপনি যে দেখি।।
দেহত জনমিল পৰভু নাম নিৰঞ্জন।
পৰভু সঙ্গতি কেও নহে কোনো জন।।

৩. ভাসান যাত্ৰা বা মনসাভাসান —

গীত নাচ আৰু অভিনয় আদিৰে এই গীত অনুষ্ঠিত হয়। ইয়াতো মূলৰ লগত ডাইনা পালি, পালি, ছুকুৰী - থাকে। গীতৰ লগত খোল, বাঁহী, জুৰি, আদি যন্ত্ৰ সংগত কৰা হয়। ভাসান যাত্ৰাত আচলতে বেউলাই মৃত স্বামীৰ মৰাশ লৈ ভেলাত উঠাই স্বৰ্গ পুৰীলৈ যাত্ৰা কৰা ঘটনাৰ বিবৰণ গোৱা হয়। কোনো কোনো গীদালে সম্পূৰ্ণ কাহিনীও গায়।

গীত —

শোকেৰ কাৰণে বালাৰ মুখে নাশে ৰাও।
মোক্তেৰ বাহিৰ কৰে লখাইক ধৰি ছয় জাও।।
কেহ মুণ্ডে কেহ লখাইৰ ধৰিছে চৰণ।
বাহেৰা পালঙ্গে লখাইক কৰাইছে শয়ন।।
ক্ৰন্দনেৰ তোল পৰিল চম্পক নগৰী।
ঘৰে ঘৰে কান্দে লোক সহিতে নাপাৰি।।
সনেকাৰ শাশুৰী কান্দে বৃদ্ধ কলাবতী।
গলা ধৰি কান্দে যত দাসদাসী ইতি।।
ক্ৰন্দন শুনিয়া আইল লখাইৰ সখিগণ।
চাইৰো পাশে বেড়িয়া সবে কৰিছে ক্ৰন্দন।।
ক্ষণে উঠে ক্ষণে বৈসে সণেকা মুচ্ছা যায়।
হস্ত ধৰি টানি তোলে বধু ছয় জায়।।
কতক্ষণে স্থিৰ হয়া পুত্ৰ লৈল কোলে।
হা পুত্ৰ বলিয়া সোনাই লাগিল কান্দি বাৰি।।

**৪. বিষহৰি গান ঃ**

পুৰুষ আৰু মহিলা উভয়ে এই গান গোৱা দেখা যায়। বিয়া, অন্নপ্ৰাশন আদি শুভকামৰ উপৰিও কাৰোবাৰ মানস থাকিলে বা এনেও এই গান গোৱা হয়। পুৰুষ সকলে দোতৰা, জুৰি, ঘোল যন্ত্ৰ সংগত কৰি মূল সহ দুই তিনিজন শিল্পীয়ে বহি এই গীত গায়।

আনহাতে মহিলা সকলে ঢাক, খজুৰী আদি যন্ত্ৰ সংগত কৰি অথবা এনেও এই গান নাচি নাচি পৰিবেশন কৰে।

গীতাংশ —

সুমিত্ৰা বলে মাও নাকুটিস হিয়া।
আৰবাৰ আছে যোগাবৰ ঐ হস্তীসুৰ হয়া।।
বালি বলে মোৰ মা বুদ্ধি আছে ভাল।
ডাক দিয়া আনে বালি যতেক সখিগণ।।
সৰোবৰে স্নান হেতু কইৰাছে গমন।।
কুঞ্জঘাটে গেলোৰে বেউলা সুন্দৰী।
সেও ঘাটে হৈছে পদ্মা কপট ব্ৰাহ্মণী।
পূৰ্বঘাটে উত্তৰিলৰে বেউলা সুন্দৰী।
ব্ৰাহ্মণীৰ বেশে সে ঘাটে পদ্মা
জপতপ কৰে।
সে ঘাট ছাড়িয়া বালি উত্তৰ ঘাটে চলে।।
বালিবলে ব্ৰহ্মণীৰে ছাড়ো ঘাট থাকি।
কেমনে কৰিম স্নান ৰে বলো দেখি।। সখিৰে।।
কি কন তোমৰা হে কি আছে দেখিয়া।
ব্ৰহ্মণী কৰুক স্তপ নাখো যে আসিয়া।।
খুলিয়া বস্ত্ৰ সব ৰে ঐ দীঘি সৰোবৰে।।
সখিগান জলো খেলে সেনি তেনি।
ব্ৰাহ্মণীৰ অঙ্গে পৰিল বেউলাৰ পদেৰ পানী।।
ব্ৰাহ্মণী বলে ওৰে তুমি কাৰ নান্দিনী।
এতো হতো চলন কোন নাদেখিস নাৰী।।
তোৰ পদেৰ জল পৰিল মোৰ অঙ্গে।
বিয়াৰ ৰাতি তাৰ স্বামীক খাইবে ভুজঙ্গে।।
শাপ পায়া বালিৰ মনে হৈলো ভয়।
পদো যে বান্ধিয়া কবি বিৰাচিয়া গায়।।

৫. আজাঙ্গৰ পূজাৰ গান —

পশ্চিম অসমৰ ৰাজবংশী সকলৰ মাজত সৰ্প পূজাৰেই আন এটি ভাগ হ'ল আজাঙ্গৰ পূজা। পূজাৰ নিয়ম-নীতি মনসা পূজাৰ দৰেই। কেৱল মূৰ্তিটো কিঞ্চিৎ পৃথক। ডাঙৰ এটি সাপৰ ফণাৰ লগত (তাৰ বাওঁ ফালে) বিষহৰিৰ মূৰ্তি থাকে। ইয়াক কাণী বিষহৰি বুলি কোৱা হয়। মূৰ্তি কেৱল কুহিলাৰে সাজে। বিষহৰিৰ মূৰ্তি হলেও ইয়াক আজাঙ্গৰ সাপ। সৰ্প দেবীৰ পূজাৰ উপৰিও কিয় যে এই আজাঙ্গৰৰ পূজা কৰা হ'ল তাক কোৱা টান। সৰ্পভয়ৰ পৰা যে এই পূজাৰ সৃষ্টি মূৰ্তিৰ পাৰ অনুমান কৰিব পাৰি। এই পূজাত সাধাৰণতে পদ্মাপুৰাণৰ পদগোৱা হয়। মহিলা সকলে পৃথক ভাবে তেওঁলোকৰ আচাৰ অনুষ্ঠান বোৰত সতন্ত্ৰ ভাবে গীত গায়। পূজাৰ উপাচাৰ সমূহ এপদ এপদ কৈ দিওঁতে বেদীৰ চাৰিওফালে সূৰা উপাচাৰ সমূহ দি গীত গায় আৰু আজাঙ্গৰৰ মূৰ্তিৰ ওচৰত হয়।

গীত —

সোনাই আগা হাটো
যায় দেয় মোৰ মন্দিৰেৰ বায়না
দেও ওৰে সোণাই ও .... কিওৰে।
মালীয়া তোমাৰ মন্দিৰেৰ ভাও কত?
তোমাৰ নাকেৰ সোণাৰ ভাও যত
আমাৰ মন্দিৰেৰ দাস অত।।
সোণাৰ ঘৰম পায়ে গলা গছি হনু।
হায়ৰে কলা কিমেৰ লাগি ৰুনু।।
পাচ হাতা কলা হইলেৰে
মুই জলা সাজান কৰং
হায়ৰে কলা লক্ষী-গছি হনু
পাচ হালা লক্ষী কিসেৰ লাগি ৰুনু।।

পূজাৰ সময়ত আজাঙ্গৰক উদ্দেশ্য কৰি ফুল দিওঁতে গায় —

ফুলৰে হৰণি ঠাকুৰ ফুলৰে বৰণি।
ফুলেৰ ঝৰা মস্তকে ঢালিয়া পৰে।।
এখানে থাক পদ্মা-পদ্মী-এবাৰ বছৰে।
বান্দি দিম তোক ফুলেৰ আলংটুকুৰী ৰে।।
ফুল দেও মালিনী মই ফুল দেও হাতে।
এক মাল ফুল দেও পদ্মা-পদ্মীৰ নামে।।
ফুল সাজে-ডালাৰে ফুল পূজে-ডালাৰে।
পূজিয়া মঙ্গলেৰ ফুল জয় জয় বোল না ৰে।।

(খ) সোণাৰায় ঠাকুৰৰ গান —

সোণাৰায় ঠাকুৰৰ বিষয়ে এই অঞ্চলত অনেক কিংবদন্তী প্ৰচলিত আছে। ই ব্যাঘ্ৰ দেবতা। কিছুমানে সোণাৰায় আৰু ৰূপাৰায় নামৰ দুজন মোগল শাসনৰ আদিতে ধৰ্ম সংস্কাৰক আছিল বুলি কয়। সোণাৰায় ধৰ্মৰূপী বুদ্ধৰ উপাসক আছিল। তেওঁৰ জন্ম বৃত্তান্তৰ কাহিনী বহুখিনি কৃষ্ণৰ লগত সাদৃশ্য আছে। সোণাৰায়ৰ বিষয়ে দীঘল কাহিনী ঘুক্তগীত পাওঁ। গৌড়ৰ ধ্বংসাবশেষৰ ভিতৰত ব্যাঘ্ৰ দেবতা হিচাপে সোণাৰায়ৰ গড় বা পাট আছে বুলি জনা যায়। পশ্চিম অসমৰ ৰাজবংশী সকলে সোণাৰায়ক ব্যাঘ্ৰ দেবতা হিচাপে পূজা কৰে। বিগ্ৰহ হিচাপে তেওঁলোকে মাথোন সাততাল। 'মাদুয়া' বা 'মদুয়া' (এবিধ বিৰিনাবন) বন সমান ৰং দি সোণাৰায় সজায়। ফুলমুক্ত কাটিবোৰ কল পটুয়াৰ ঢোঙত ৫ ৰাই ফুল সহলৈ ডেকা সকলে ঘৰে ঘৰে মাগন মাগি পুহ মাহৰ সংক্ৰান্তিৰ দিনা পূজা পাতে আৰু বনভোজ খায়। মাগন মাগতে তেওঁলোকে সোণাৰায়ৰ পয়াৰ হিচাপে খণ্ড খণ্ড গীত গায়। যথা —

১. বাঘ নামিলো ৰে চিতিয়া পাখেৰা।
ভৰ বিহানে নামিল বাঘ মানুষ কামেৰা।।
মুলাৰ মতো দুইটা দাঁত দেলিৰ মতো মাথা।
ভাটি হাতে নামিল বাঘ মানুষ কামেৰা।।

২. মুইতো জানংনা হে

আৰে সইস্যাৰ ডিতিৰা ত্যাল
ছাড়িয়া গেইছে চিকন কাল
বুকে দিয়া শ্যাল। মুইতো... ৰে।।

৩. কন্যা জল তোলে হে
আৰে জলেৰ গান ঢেউ
এতো বেলা জল তোলে
কোন গাইৰস্তেৰ বউ।। কন্যা জল ... হে।।

শেষত —

আহে সত্য ঠাকুৰ সোণাৰায়
গাইৰস্তক দে তুই বৰ
ধনে বংশে বাৰুক গিৰি
চন্দ্ৰ দিবাংকৰ (দিবাকৰ)।।

গ. কাতি পূজাৰ গান —

কাতি মাহৰ সংক্ৰান্তিৰ দিনা কোনো গৃহস্থৰ বাহিৰ চোতালত বা আঁচুতিয়া ঠাইত কলপুলি পুতি তাৰ মাজত ম'ৰা চৰাইৰ পিঠিত আৰোহিত কাতি ঠাকুৰ কোনো ঠাইত হাতীৰ পিঠিত 'কাতি ঠাকুৰৰ মূৰ্তি বহুৱাই কাতি পূজা পাতে। কল পুতিবোৰত ধানৰ শিহ আৰু সৰু সৰু ধনুকাঁড় লগোৱা হয়। ব্ৰাহ্মণ পুৰোহিতে এই পূজা কৰে। আঘোন মাহত কাৰ্তি পূজা পাতিলে তাক 'নমলা কাতি' বুলি কোৱা হয়। পূজাৰ শেষত মহিলা সকলে মণ্ডপৰ চাৰিও ফালে ঘূৰি ঘূৰি গীত গায় আৰু নাচে। কাতি পূজা মহিলাৰ একান্ত অনুষ্ঠান ইয়াত পুৰুষ মানুহৰ স্থান নাই। গীত সময়ত ঢাকুয়াৰ বাহিৰে কোনো পুৰুষ মানুহ নাথাকে। গীতত শিবৰবিয়া কাতি সিজ্জন, ৰংৰহস্য — ইত্যাদিৰ দীঘলীয়া কাহিনী যুক্ত গীত থাকে।

কাতি সিজ্জনৰ গীতাংশ —

১. হেমেল ৰাজ বসিয়া আছে হেমেলা পটতে।
হেমেল ৰাজ বাপ চণ্ডীৰ মেনেকা মাও।
মেনেকাৰ উদৰে চণ্ডীমাত্তৰ জন্ম।
দুধে ভাতে চণ্ডীক কৰিল মানুস।।
দাঁত ভাঙিল চণ্ডীৰ চুলিও আসিল।
এক দুই কৰিয়া চণ্ডীৰ হইলো কন্যা কাল।।
উলুলু উলুলু।।

২. কাতিৰে তোৰ মাথা বানাইছে কোন জনে?
আনু জনমে ৰে শ্ৰীফল বিলাচি ৰে
মাথা বানাইলে বাসুদেবে।
জনম দিলে শঙ্কাইৰ বাপে।
কাতিৰে তোৰ চউক বানাইলে কোন জনে?
আনু জনমে ৰে তাৰা বিলাচৰে
চউক বানাইলে বাসুদেবে।
জন্ম দিলে শঙ্কাইৰ বাপে। ইত্যাদি

(ঘ) বাঁশ পূজাৰ গান —

পশ্চিম অসমৰ ৰাজবংশী সকলৰ মাজত বৈচিত্ৰময় বাঁশ পূজা আৰু গান পোৱা যায়। অঞ্চলভেদে ইয়াৰ নাম, পূজা বিধি, গীতমাত আদি পৃথক পৃথক। বাঁশ পূজাৰ বিভিন্ন ধৰণৰ নাম পাওঁ - যথা - মদন কামেৰ বাঁশ, কামদোবৰ বাঁশ, চাতালি বাঁশ, আকাল বাঁশ, ধুমসিয়া বাঁশ ইত্যাদি। বাঁশ পূজাৰ গানক কোনো অঞ্চলত জাগ গান, মদন কামেৰ গণন আদি বুলিও কোৱা হয়। বাঁশ পূজা সাধাৰণতে বসন্ত কালত পাতে। পূজাৰ কাৰণে সাধাৰণতে 'মাঘনা' আৰু 'বৰো বাঁশ' (মাঘল আৰু ভলুকা বাঁহ) ব্যৱহাৰ কৰা হয়। সৰু, ডাঙৰ, পথালি আদি বিভিন্ন জোঘৰ বাঁহ পূজা হয়। বাঁহ বোৰ ডালবৈ চিকুনাই ধুই পঘালি কাপোৰ পিন্ধাই মূৰত চোঁৰৰ বা নি চিনা লগাই পূজা কৰা হয়। মদনকামৰ বাঁহক পূজাৰ পিছত মেলালৈ লৈ যোৱা হয়। বাঁহৰ মেলাক 'থলা বাৰী' বুলি কয়। 'থলাবৰী'ত অনুষ্ঠিত গীত বোৰ যেনি গন্ধী। আনহাতে বাঁহ পূজাৰ লগত সংশ্লিষ্ট বেছিভাগ গীতেই যেনিগন্ধী। চাতালী বাঁশ আৰু সৰু সৰু চোঁৱাৰ লগোৱা বাঁহবোৰক লৈ ডেঙালৰা সকলে ঘৰেঘৰে মাগন মগা দেখা যায়। মাগন মাগতে তেওঁলোকে খণ্ড খণ্ড গীত গায় আৰু নাচে। গীতত ঢোল, কৰকা, বাঁহ, বাঁহী আদি যন্ত্ৰ ব্যবহাৰ কৰা হয়। কিছুমান বাঁশ পূজাৰ গীতত দীঘল কাহিনী থাকে। কাহিনীত বাঁশৰ সৃজন, ছোৰঁৰ সৃজন, কাপোৰ সৃজন, ভাঙৰ সৃজন ইত্যাদিৰ কাহিনী পোৱা যায়। আনহাতে কেতিয়াবা শৃঙ্গাৰ ৰসৰ প্ৰেমমূলক গীতো গায়।

বাঁশ পূজাৰ লগত সংশ্লিষ্ট যৌনকথা হীন দুটা খণ্ড গীত দিয়া হ'ল —

১. মদন কামে বোলে বটো মালাগিৰিবৰ।
চল মোৰ বাঁশ খেলিতে দক্ষিণ শহৰ।।
দক্ষিণ শহৰেৰ নাৰী মাগে পুত্ৰ দান।
আলোয়া চাউলে গাডীৰ দুগ্ধে সেবিল চৰণ।।
মদন কাখে বলে বেটা মালা গিৰিবৰ।
মোৰ বাঁশ খেলিতে নেকা মেকা শহৰ।।
কাম যায় কামেকাৰে কৰিতে দৰশন।
কামেকাৰ ভৰ জুতি মাগে পুত্ৰ দান।।
আলোৱা চাউলে গাভীক দুগ্ধে সেবিল চৰণ।

২. হে ৰাম পূৰ্ব পাশ্চিম উত্তৰ দক্ষিণ
চাইৰ কোন বন্দং মাথে।
এদেশে নাছিল ভাং আনিল গোৰক্ষনাথে।।
ভাং আনিল ঝুলিত কৰি বিচি আনিল সাথে।
সেইনা ভাঙেৰ বিচি বইল সাৰা খেতে।।
আসিন মাস পৰিল আমি ডাঙেৰ হইল জনম।
চৈত মাস পৰিল সাজে ভাং হৈল জটিয়া।
ভাল ভাল গাযুৰ সাজে ভাং কাটিবাৰ আসে।।
কেহ নিল কোৰা কাচি কেহ নিল দাও।
জটিয়া ভাঙেৰ গোৰে তুলিয়া মাৰে খাও।।

(ঙ) হুদুম পূজাৰ গান —

হুদুম পূজা আৰু গান একান্ত মহিলাৰ অনুষ্ঠান। অনাবৃষ্টিৰ সময়ত নিৰ্জন পথাৰত হুদুম ঘুটি পুতি (কলগছ) নানা উপাচাৰেৰে পূজা পাতি মহিলা সকলে বিবস্ত্ৰা হৈ খুটিৰ চাৰিও ফালে ঘূৰি ঘূৰি যৌনগন্ধী গীত গায় আৰু নাচে।

যৌন কথা বিহীন এটি গীত দিয়া হ'ল —

জাগৰে জাগৰে হুদুম আজিকাৰ ৰাতি।
গৃহস্থিয়া কৰে পূজা দিয়া ধূপ চাইলন বাতি।।
আকাশতে কৰো পূজা আকাশ কাণ্ডলী।
পাতালতে কৰো পূজা এককাল নাগালি।।
কালা মেঘ ধলা মেঘ ডাকিয়া আন ঝাঙি।
আন্ধাৰ কৰিয়া দেওয়া আইসে দাবাৰি।।
আন্ধাৰ কৰিয়া দেওয়া ঝাৰি আয় ৰে।
আলো আলোৰে হুদুম দেশতে আলোৰে।।
আলোৰে হুদুম নাগাও চাইলন বাতি।
বাৰিয়া নেও হুদুমক অত্তজি শুভ ৰাতি।।
কলাবাৰীত পাৰে নিন্ সুৰ সুৰায়।
কলাবাৰীত চাইলন ধৰি গৰগৰায়।।
হুদুমেৰ মাও বান্ধি হৈল মোৰ মাৰোয়াৰ তলেৰে।
হুদুম হুদুমৰে হুদুমে কি কাজ কৰিল ৰে।।

ইত্যাদি

(চ) ত্ৰিনাথ পূজাৰ গান —

ত্ৰিনাথ হ'ল ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ। কৃষি জীৱি ৰাজবংশী লোক সকলে কৃষি কামৰ বাবে প্ৰয়োজনীয় গোধন। সুৰক্ষাৰ বাবে এই পূজা অনুষ্ঠিত কৰে। ত্ৰিনাথৰ বিষয়ে লোক কাহিনী আছে। পশ্চিম অসমৰ ত্ৰিনাথ পূজাৰ গীতবোৰত বঙালী সকলৰ ত্ৰিনাথ পাঁচালীৰ প্ৰভাৱ মনকৰিবলগীয়া। পূজাৰ উপৰণ হিচাপে এটা ঘট, আমৰ পলো তিনিটা, তিনিটা ভাঙৰ ছিলিম, ফুলৰি মালা এখন, তিনি ঘোৰ তামোল পাণ আৰু তিনিটা চাকি জ্বলাই ৰাজবংশী সকলে ত্ৰিনাথ পূজা কৰে আৰু গীত গায়।

গীতাংশ —

আইসো হে এক ৰূপতে তিনজন।
ত্ৰিনাথ ৰূপে ঘটত কৰো আৰোহণ।।
আইসো ব্ৰহ্ম বিষ্ণু মহেশ্বৰ।
তোমৰা তিনে হয়ে একেশ্বৰ।।
নিজ গুনে দয়া কৰো অধীনেৰ উপৰ।।
মুই মন্ত্ৰ নাহি জানং
কি ৰূপতে কৰি পূজন।
মুই আধন ভজন নাছি জানং
কি ৰূপতে কৰি পূজন।। ইত্যাদি —

(ছ) শীতলী বা ঠাকুৰাণী পূজাৰ গান —

আই বা বসন্ত ৰোগৰ পৰা পৰিত্ৰাণ পাবলৈ বা এনেও প্ৰতিবছৰে পশ্চিম অসমৰ ৰাজবংশী লোক সকলে শীতলীৰ স্থায়ী পাট থাকিলে পাটত, নৈৰ ঘাটত, এই পূজাৰ বাবে বিভিন্ন উপকৰণৰ দৰকাৰ কলৰ পাতত আলোৱা চাউলৰ ভাত ৰান্ধি ভোজ সজোৱা হয়, বোৱালী মাছ, লাউ, লফাশাক ফুল, ধূপধূনা, ঘট আদি এই পূজাত দৰকাৰ হয়। আনহাতে নৈৰ ঘাটত এই পূজা পাতিলে ভেলা সাজাই নৈত উঠুৱাই দিয়া নিয়ম। কোনোবাই পাৰ চৰাই মানস কৰি এৰি দিয়াও দেখা যায়।

এই পূজাৰ লগত জড়িত গীত —

মাও শীতলী আসিবে আসনে বসিবে
আমাৰ মন্দিৰ ঘৰে ঘৰে হৰি হে।
মাও মহামায়া আসিবে আসনে বসিবে
আমাৰ মন্দিৰে ঘৰে হৰি হে।
শুভ চণ্ডী আসিবে আসনে বসিবে
আমাৰ মন্দিৰ ঘৰে হৰি হে।
মাও কালী আসিবে আসনে বসিবে
আমাৰ মন্দিৰ ঘৰে হৰি হে।
ৰাস্তো আসিবে আসনে বসিবে
আমাৰ মন্দিৰ ঘৰে হৰি হে।

*(ড° ভকত চিলাৰায় কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী প্ৰবক্তা)*

# মাঘকৃত শিশুপাল বধৰ পাৰ্শ্বজ্যোতি

ৰাজেন ৰাভা

'তাবদ্ ভা ভাৰবের্ভাতি যাবন্ মাঘস্য নোদয়' — সংস্কৃত সাহিত্যত এই উক্তি অবিৰল ভাবে প্ৰচাৰ হৈ আছে। ইয়াৰ দ্বাৰা এইটো স্পষ্ট হয় যে, 'মাঘ' 'ভাৰবিৰ' পৰবৰ্তী আৰু সাহিত্যিক ক্ষেত্ৰত তেওঁতকৈ প্ৰথিতযশা আছিল। 'মাঘ' 'ভাৰবিৰ' প্ৰতিদ্বন্দ্বী আছিল। 'কিৰাতৰ্জুনীয়' আৰু 'শিশুপাল বধৰ তুলনাত্মক অধ্যয়নৰ দ্বাৰা এই কথা বহুতো অংশত স্পষ্ট হয়। কিছুমান সমালোচকে কল্পনা কৰে — 'ভাৰবি'ৰ প্ৰতিদ্বন্দ্বিতা ৰূপেহে 'মাঘ'ৰ প্ৰকৃত নামকৰণ কৰা হৈছে। যিয়েই নহওক কিয়, 'ভাৰবি'ৰ কাল নিৰ্ণয় কিন্তু নিশ্চিত। 'দ্বিতীয় পুলকেশি'ৰ 'অয়োহল' শিলালিপিত তেওঁৰ নাম উল্লেখ আছে। তেওঁ 'দ্বিতীয় পুলকেশি' সম্ৰাট 'হৰ্ষবৰ্দ্ধনৰ' সমসাময়িক আছিল। সম্ৰাট 'হৰ্ষবৰ্দ্ধনৰ' সময় বিক্ৰমৰ সতে শতাব্দীৰ পূৰ্ববৰ্তী। 'আনন্দবৰ্ধনে' তেওঁৰ ধন্যালোকত 'মাঘ' ৰচিত 'শিশুপাল বধৰ ৩য় ফাৰ ৫৩ আৰু ৫তম সৰ্গৰ ২৬ শ্লোকত উদ্ধৃত কৰিছে। ইয়াৰ দ্বাৰা এইটো প্ৰমাণিত হয় যে, মাঘ 'আনন্দবৰ্ধন'ৰ পূৰ্ববৰ্তী। 'আনন্দবৰ্ধন' 'কাশ্মীৰ' শাসক 'অন্তীবৰ্মাৰ ৰাজসভাৰ প্ৰমুখ বিদ্বানমণ্ডলীৰ মাজত এগৰাকী আছিল।

'মুক্তাকণ শিৱস্বামী কবিৰান্দবৰ্ধনঃ।
প্ৰথাং ৰত্নাকৰ শ্বাগতে সাম্ৰাজ্যেহ বন্তিবৰ্মণঃ।'

— এইয়া 'কলহন' ৰচিত 'ৰাজতৰংগিনী'ৰ ৩৪ শ্লোকত স্পষ্ট ভাবে উল্লেখ আছে। 'অকন্তিবৰ্মা'ৰ শাসনকাল ৭৯৮ বিক্ৰমাব্দৰ পৰা ৮২৬ বিক্ৰমাব্দলৈকে (৮৫৫ খৃঃৰ পৰা ৮৩৩খৃঃ লৈকে)। ইয়াৰ দ্বাৰা 'মাঘ'ৰ জীৱন কাল 'ভাৱবি'ৰ পৰবৰ্তী আৰু 'আনন্দবৰ্ধনৰ পূৰ্ববৰ্তী বুলি প্ৰমাণিত হয়। এই কালছোৱা ৭ম বিক্ৰমাব্দৰ শেহ আৰু ৮ম বিক্ৰমাব্দৰ পূৰ্বাধ হব পাৰে। খৃষ্টাব্দৰ লগত ৫৭ বছৰ যোগ দিলেই বিক্ৰমাব্দ হয়। 'গুৰ্জৰ' শাসক 'বৰ্মলাত'ৰ 'বসন্তগড়'ৰ (ৰাজস্থান) শিলালিপিত 'মাঘ'ৰ জীৱন কাল নিৰ্ণয় কৰাত সহায়তা কৰে। এই শিলালিপি ৬৮২ বিক্ৰমাব্দ (৭৬৯ খৃঃ)ৰ। 'মাঘ'ৰ পিতামহ 'সুপ্ৰভদেৱ' 'বৰ্মলাত'ৰ প্ৰধান আমাত্য আছিল। পিতামহৰ জীৱনকাল নিৰ্ণয় হোৱাৰ পৰা পৌত্ৰৰ (নাতিয়েকৰ) জীৱনকাল সহজে নিৰ্ণয় কৰিব পাৰি। এইদৰেই 'মাঘ'ৰ জীৱন কালো নিশ্চিতভাবেই নিৰ্ণয় কৰিব পাৰি।

'মাঘ'ৰ দেশ আৰু বংশ পৰিচয়ৰ ক্ষেত্ৰত — এইখিনি অবগত হোৱা যায় যে, 'গুৰ্জৰ' দেশৰ 'শ্ৰীমাল' নামক ঠাইত এক অসাধাৰণ ব্ৰাহ্মণ পৰিয়ালত তেওঁৰ জন্ম হৈছিল। এই বংশত জপ, তপ, দান, সাধ্যায়, প্ৰবচন, অগ্নিহোত্ৰ, অতিথি শুশ্ৰূষা, বৈদিক কৰ্মকাণ্ড আদি অবিৰত ৰূপত প্ৰৱাহমান আছিল। 'মাঘ'ৰ পিতামহ 'সুপ্ৰভদেৱ' 'বৰ্মলাত'ৰ প্ৰধান মন্ত্ৰী, ধৰ্ম শিক্ষক আৰু প্ৰধান সেনাপতিও আছিল।

'বৰ্মলাত'ৰ ওপৰত তেওঁৰ ধীৰতা, বীৰতা, আৰু বুদ্ধিমত্তাৰ অধিক প্ৰভাৱ পৰিছিল। তেওঁ দেৱতা সদৃশ বিশুদ্ধ চৰিত্ৰৰ মহান ব্যক্তি আছিল। তেওঁ সময়োচিত ভবিষ্যত মংগলৰ বিষয়ে সদায় কথা-বতৰা পাতিছিল। মাঘৰ পিতাকৰ নাম 'দত্তক' আছিল। তেওঁ উদাৰ, ক্ষমাশীল, বিনীত আৰু ধাৰ্মিক প্ৰকৃতিৰ ব্যক্তি আছিল। সকলোৰে সৈতে সৌজন্যপূৰ্বক ব্যৱহাৰ কৰিছিল। বিপদগামী ব্যক্তিক সৰ্বদা যৎপৰনাস্তি সহায় কৰিছিল। সেইকাৰণে তেওঁ 'সৰ্বাশ্ৰয়' (সত্ৰাশ্ৰয়) নামেৰেও প্ৰসিদ্ধ হৈছিল। এনেকুৱা পিতামহ আৰু পিতাৰ চৰিত্ৰৰ প্ৰভাৱ 'মাঘ'ৰ ওপৰত বাৰুকৈয়ে পৰিছিল।

'মাঘ'ৰ বৈশিষ্ট্য ক্ষেত্ৰত এইটো প্ৰতীয়মান হয় যে, জীৱন আৰু জগতৰ বিষয়ত তেওঁৰ জ্ঞান সুশৃংখল আৰু বিস্তৃত আছিল। কবি প্ৰতিভাৰ লগতে তেওঁৰ শাস্ত্ৰীয় জ্ঞানো অসাধাৰণ আছিল। তেওঁ বেদ-বেদাংগ, (বিশেষতঃ ব্যাকৰণ ক্ষেত্ৰত) দৰ্শন, ৰাজনীতি, ভূগোল, ইতিহাস, অৰ্থশাস্ত্ৰ, মন্ত্ৰবিদ্যা, সংগীত, আয়ুৰ্বেদ আৰু যুদ্ধ বিদ্যাত অগাধ পণ্ডিত আছিল। তেওঁৰ ৰচনাত অসাধাৰণ অধ্যয়ন আৰু বহুমুখী অনুভৱৰ প্ৰভাৱ আছিল। সাহিত্যৰ প্ৰত্যেকটি অংগ-ধাৰাৰা অগাধ ব্যুৎপত্তি আছিল। পদ ৰচনা, প্ৰবন্ধ ৰচনা, বিষয়-বস্তু চিত্ৰন আৰু ভাব অংকনত যথা সম্ভৱ আদৰ্শৰ প্ৰস্তুতিকৰণত তেওঁ প্ৰবীণ কৌশলী আছিল। এই দৃষ্টিভংগীৰ কাৰণেই তেওঁ কবি কুলগুৰু 'কালিদাসৰ' সমান সন্মানিত আসন লাভ কৰিছিল।

তেওঁৰ পৰ্যবেক্ষণ শক্তি বৰ বিচিত্ৰ আছিল। ৰস, অলংকাৰ আৰু ছন্দৰ প্ৰয়োগত তেওঁ পৈনত শিল্পী আছিল। সেয়ে - 'কবিৰাজ শেখৰে' 'মাঘ'ৰ প্ৰশংসা কৰি কৈছে —

'কৃতস্ন প্ৰবোধ কৃত বাণী ভাৰবেৰিব ভাৰবৈঃ।
মাঘেনেব চ মাঘেন কম্পঃ কস্য ন জায়তে।।'

(ভগবান ভাস্কৰৰ প্ৰভাৱ দৰে 'ভাৰবি'ৰ বাণীয়ে জগতক

প্ৰবুদ্ধ কৰে। কিন্তু 'মাঘ' মাহৰ দৰে তাপ সংকোচৰ 'মাঘ' কবিৰ সন্মুখত সূৰ্যৰ আভা স্বৰূপ 'ভাৰবিৰ' আভাও ম্লান হৈ যায়। এনেক্ষেত্ৰত কাৰ সহানুভূতি নহব?)

'শিশুপাল বধা কাব্যৰ বিষয়ে 'মুৰাৰি' কবিয়ে কৈছে — 'মুৰাৰি পদ-চিন্তা চেত্তদা মাঘে ৰতি কুৰু।' - (যদি 'মুৰাৰি' কবিৰ পদসমূহৰ চিন্তা কৰা তেন্তে 'মাঘ' কবিৰ 'শিশুপাল বধ' কাব্যৰ প্ৰতি অনুৰাগী হোৱা।)

'মুৰাৰি' কবি স্বাভিমানী আছিল। তেওঁৰ অনুভৱ মতে — শাস্ত্ৰৰ বোধজ্ঞান অধ্যয়নকাৰীৰ নিজৰ লগতহে। তেওঁৰ মুখৰ পৰা নিঃসৃত হোৱা 'মাঘ'ৰ প্ৰতি এই প্ৰশংসা বৰ মহত্বপূৰ্ণ। কিছুমানে 'লঘুত্ৰয়ী'ত 'মেঘদূত'ৰ দৰে 'বৃহৎত্ৰয়ী'ত 'শিশুপাল বধ'ক বৰ মহত্ব প্ৰদান কৰিছে। — 'ক্ষেমেন্দ্ৰ' ই ঔচিত্য চৰ্চা'ত আৰু 'বল্লভদেৱে' 'সুভাষিতাবলি'ত 'মাঘ'ৰ কিছুমান পৃথক কবিতাও উদ্ধৃত কৰিছে। কিন্তু 'মাঘ'ৰ একমাত্ৰ ৰচনা 'শিশুপাল বধ' ই এখনি সৰ্বলক্ষণ সম্পন্ন মহাকাব্য। 'কালিদাস'ৰ উপমা, 'ভাৰবি'ৰ অৰ্থ গৌৰৱ আৰু 'দণ্ডিৰ পদ লালিত্যৰ বিষয়ে সংস্কৃত সাহিত্যত যথেষ্ট আলোচনা কৰা আছে। কিন্তু, 'মাঘ'ৰ কাব্যত এই তিনিওটা গুণৰ সমাবেশ ঘটিছে। বহুতো কবি সমালোচকে কাব্যবোৰৰ ভিতৰত 'শিশুপাল বধ'ক সৰ্ব মহান কাব্য বুলি জ্ঞান কৰি তাৰ গৌৰৱ বঢ়াইছে। 'শিশুপাল বধ' মহাকাব্য ২০ টা সৰ্গত সমাপ্ত হৈছে। ই এক ঐতিহাসিক মহাকাব্য। ইয়াৰ কথাবস্তু মহাভাৰতৰ ওপৰত আধাৰিত। ইয়াৰ নায়ক 'বাৰ্ষ্ণেয় সিংহ' ভগবান 'শ্ৰীকৃষ্ণ'। ই এক বীৰৰস প্ৰধান মহাকাব্য। শৃংগাৰ ৰসাদি ইয়াত অংগ স্বৰূপেহে সমাবেশ হৈছে। ইয়াৰ বাহিৰেও - ব্যতিৰেক, কাব্যলিংগ, উপমা, তদ্‌গুণ, অনুপ্ৰাস, উৎপ্ৰেক্ষা, অৰ্থান্তৰন্যাস, অতিশয়োক্তি, শ্লেষ, ৰূপক, বিৰোধ ভাস, প্ৰতিবস্তুপমা, সমাসোক্তি, পৰিবৃত্তি, বিষম, দৃষ্টান্ত, নিদৰ্শনা, অপ্ৰস্তুত, প্ৰশংসা, পৰ্যায়োক্তি, পৰিণাম, দীপক, স্বভাবোক্তি তথা তুল্যযোগিতা আদি অলংকাৰ বোৰ আৰু বংশস্থ, অনুষ্টুপ, উপজাতি, বসন্ত তিলকা, দ্ৰুতবিলম্বিত, শালিনী, পথ্যা, উপেন্দ্ৰবজ্ৰা, জলধৰমালা, প্ৰমিতাক্ষৰা, প্ৰহৰ্ষিণী, স্ৰগ্বিণী, কুৰৰীৰুতা, মত্তময়ূৰ, দীধক, সুমংলা, স্কন্ধক, আৰ্যা, জলোদ্ধতগতি, পুষ্পিতাগ্ৰা, ভ্ৰমৰবিলসিত, মালিনী, পৃথ্বী, স্বাগতা, বংশপত্ৰপতিত, মধুভাষিণী, ৰথোতঘতা, উদগতা, বৈতালীয়, ৰুচিৰা, ঔপছৰ্ন্দাসক, শাৰ্দূলবিক্ৰীড়িত আদি ছন্দবোৰ কবিয়ে সুন্দৰ আৰু যথাযথভাবে প্ৰয়োগ কৰিছে। তদুপৰি — পৰ্বত, সমুদ্ৰ, ষড়-ঋতু, পুষ্পচয়ন, জলবিহাৰ, মধুপান, সন্ধ্যা, চন্দ্ৰোদয়, প্ৰভাত, সুৰতোতসৱ আদিৰ সুন্দৰ আৰু হৃদয়গ্ৰাহী বৰ্ণনা এই মহাকাব্যত সন্নিবিষ্ট হৈছে। ওজো আৰু প্ৰসাদৰ আপেক্ষিক শৈলীৰ সমাবেশ ঘটিছে। ধ্বনি প্ৰধান হোৱাৰ বাবে ই উত্তম মহাকাব্যত ৰূপায়ণ আৰু নিৰ্ণেয় হৈছে। বিভিন্ন শাস্ত্ৰৰ পৰা সমৃদ্ধ পাৰিভাষিক শব্দবোৰ বৈয়াকৰণিক ক্ষেত্ৰত প্ৰয়োগ কৰিলেও — তাৰ ওজো আৰু মাধুৰ্য ভাবত কোনো শিথিলতা ঘটা নাই। ভাষাৰ অবিৰল প্ৰয়োগ আছে। বৰ্ণনা বিষয়ত প্ৰস্তুতিকৰণ, ধাৰাবাহিকতা, বিশালতা আৰু চিত্ৰাত্মক লক্ষণৰ সমাবেশ ঘটিছে। শব্দ প্ৰয়োগ আৰু অৰ্থ সন্নিবেশ এই দুয়োটা দিশতে মহাকবি 'মাঘ'ৰ প্ৰচেষ্টা বৈচিত্ৰ্যময়।

'শিশুপাল বধ' মহাকাব্যৰ ওপৰত 'বল্লভদেৱ'ৰ 'সন্দেহবিষৌষধি', 'মল্লিনাথৰ' 'সৰ্বংকষা', 'ভৰত মল্লিকৰ' 'সুবোধা', 'দিনকৰ মিশ্ৰৰ' 'সুবোধিণী' আৰু 'গোপালৰ' 'হসন্তী' নামৰ টীকা (ব্যাখ্যা) আছে। এইবোৰৰ উপৰিও — 'ৰংগৰাজ', 'একনাথ', আৰু 'চৰিত্ৰবৰ্ধন'ৰো টীকা সন্নিবিষ্ট আছে।

'মাঘ'ৰ 'শিশুপাল বধ'ত — দাৰ্শনিক আৰু সামাজিক পটভূমিৰ সন্ধান পোৱা যায়। কবি 'মাঘে' নিজৰ যুগৰ প্ৰতিনিধিত্ব কৰিছে। তেওঁৰ কাব্যত তেওঁৰ যুগৰ সমাজৰ অৱলোকন পোৱা যায়। সমাজ যুগৰ অনুৰূপ হয়। সেয়ে, কবিয়ে এক নতুন যুগৰ প্ৰবৰ্তন কৰিছে। প্ৰবৰ্তনৰ মাধ্যম হৈছে — তেওঁৰ দৰ্শন। তাৰ দ্বাৰাই তেওঁ জীৱনত অৱতাৰিত কৰিছে। কিয়নো — দৰ্শনে জীৱনত অৱতাৰিত হৈ আচাৰ-নীতিৰ ৰূপ গ্ৰহণ কৰে। আচাৰ-নীতিৰ আপেক্ষিক ৰূপ নাইবা আন অৰ্থত — দেশ, কাল তথা পাত্ৰৰ অনুৰূপ অসাধাৰণ লক্ষণ গঠনেই তাৰ চৰিত্ৰ। কবি নাইবা নাট্যকাৰে নিজৰ কাব্য নাইবা নাটকৰ চৰিত্ৰ চিত্ৰণত সমাজৰ আদৰ্শৰ অনুৰূপ ৰূপায়ণ কৰে। এই কাৰণেই তেওঁ এক বাতাবৰণ সৃষ্টি কৰিবলগীয়া হয় আৰু এই ক্ষেত্ৰত তেওঁ কৌশল বিন্যাশ কৰে। কোনো এগৰাকী কবিৰ কাব্য নাইবা নাট্যকাৰৰ নাটকৰ সৰ্বাংগীন অধ্যয়নৰ কাৰণে তেওঁৰ দাৰ্শনিক পটভূমিৰ অধ্যয়ন সৰ্বথা অনিবাৰ্য। লগতে, সেই সময়ৰ সমাজৰ বিবেচনাত্মক অথচ বিশদ জ্ঞান থকাও অতি আৱশ্যক। কিয়নো — কবি নাইবা নাট্যকাৰে সমাজক লক্ষ্য কৰিয়েই নিজৰ কাব্য নাইবা নাটক প্ৰণয়ন কৰে। এই ৰূপে — 'মাঘ'ৰ বৌদ্ধ দৰ্শনৰ যথেষ্ট জ্ঞান আছিল আৰু ভগবান 'বুদ্ধদেৱ'ৰ প্ৰতি তেওঁৰ হৃদয়ত যথেষ্ট শ্ৰদ্ধাও আছিল। এইকাৰণে বোধকৰো, তেওঁৰ মানত 'বুদ্ধদেৱ' ভগবান 'বিষ্ণু'ৰ অৱতাৰ স্বৰূপ আছিল। অন্যান্য আস্তিকৰ দৰে তেওঁ এই সিদ্ধান্তক বিশ্বাস কৰিছিল। 'বুদ্ধদেৱ'ৰ দৰে 'ঋষভদেৱো' ভগবান 'বিষ্ণুৰ' অৱতাৰ স্বৰূপ আছিল, তথাপি তেওঁৰ দ্বাৰা প্ৰবৰ্তিত 'জৈন' ধৰ্মৰ 'শিশুপাল বধ'ত কোনো উল্লেখ নাই। কিন্তু, এইটো সত্য যে, বৌদ্ধ ধৰ্মৰ দৰে 'জৈন ধৰ্ম'ও সেই সময়ত জীৱিত আৰু জাগ্ৰত অৱস্থাত আছিল। 'শিশুপাল বধ' বহিৰংগ বিষয়সমূহৰ আলংকাৰিক ভংগীৰে সমাবেশ আছিল। সেইবোৰ সকলো প্ৰাসংগিক আছিল। তেওঁৰ কাব্যত 'জৈন ধৰ্ম'ৰ উল্লেখৰ কোনো প্ৰসংগ পোৱা নেযায়। 'মাঘ' কিঞ্চিৎ হলেও — 'গিৰনা'ৰ লগত পূৰ্ণ পৰিচিত আছিল। 'গুজৰাট' ঐতিহাসিক স্থান হিচাপে জনপ্ৰিয় হোৱাৰ লগতে জৈনসকলৰ তীৰ্থ স্থানো কবি 'মাঘ'ৰ জন্মৰ আগতেই 'হৰ্ষবৰ্ধনৰ' ছত্ৰছায়াত আছিল। সেই সময়ত দক্ষিণ ভাৰতত 'অচালক্য' সকলৰ প্ৰতাপো অক্ষুন্ন আছিল। যেনেকৈ — হৰ্ষবৰ্ধন'ৰ বংশ বৌদ্ধ ধৰ্মৰ পোষক আছিল, তেনেকৈ চালক্য বংশও জৈন ধৰ্মাৱলম্বী আছিল। ইমান হোৱা সত্বেও — এইটো সত্য যে, অশোক, কণিষ্ক আৰু

হৰ্ষবৰ্ধনৰ দ্বাৰা সন্মানিত বৌদ্ধ ধৰ্ম অন্তৰাষ্ট্ৰীয় হবলগীয়া হৈছিল। কমতঃ এচিয়াৰ পূৰ্ব দেশবোৰত 'ৰাষ্ট্ৰধৰ্ম' ৰূপে চলিবলগীয়া হৈছিল। যিয়েই নহওক কিয়, অৱশ্যে তাত অসাধাৰণতা আছিল। এইটো ভাবিবৰ থল আছে যে, তেওঁ 'মাঘ'ক প্ৰভাৱিত কৰিছিল। তথাপি 'মাঘ' বৈদিক ধৰ্মানুযায়ী আছিল। 'বৌদ্ধাগম'ৰ অধ্যয়ন তেওঁ বুদ্ধি-বৈভবৰ বিস্তাৰৰ বাবেহে কৰিছিল।

'মাঘ'ৰ জীৱন-কাল ছোৱাত 'আস্তিক' বুলি পৰিচিত মানুহবিলাকৰ মাজত - 'শৈৱ' আৰু 'বৈষ্ণৱ' এই উভয় মাজত বেদ সন্মত ধৰ্মৰ প্ৰচাৰ আছিল। তথাপি 'মাঘ' প্ৰকৃত বৈষ্ণৱ আছিল। সেয়ে, 'শিশুপাল বধ' তেওঁ 'শ্ৰীকৃষ্ণ'ৰ চৰিত্ৰ চিত্ৰণৰ বাবেই প্ৰণয়ন কৰিছিল। 'শ্ৰীকৃষ্ণ'ৰ চৰিত্ৰ সেইসময়ৰ ভাৰতীয় ৰাজনীতি তথা দৰ্শনৰ অসামঞ্জস্যৰ প্ৰতীক আছিল। কবি 'মাঘ'ই যি সমাজক লক্ষ্য কৰি 'শিশুপাল বধ' প্ৰণয়ন কৰিছিল, সেয়া, সমৃদ্ধ আছিল সচা, কিন্তু তেওঁৰ সন্নিবিষ্ট ৰাজনৈতিক ভাব সময়ত লাহে লাহে নাইকিয়া হৈ গৈছিল; কিয়নো সেই সময়ত একচ্ছত্ৰী শাসন নাছিল, আছিল ব্যক্তি স্বাৰ্থৰ সন্মুখত ৰাষ্ট্ৰীয় স্বাৰ্থ উপেক্ষিত।

'মাঘ' কবি ভবিষ্যত দ্ৰষ্টা আছিল। তেওঁ কবিয়েই নহয়, মহাকবি আছিল। প্ৰতিভাৰ দৃষ্টিকোণৰ যোগেদি তেওঁ ভাৰতৰ ৰাজলক্ষ্মীৰ ভবিষ্যত নিৰীক্ষণ কৰিছিল। তেওঁ তাক শ্ৰেষ্ঠত্ব প্ৰদান কৰিবলৈ অতি যত্নশীল হৈছিল। দৰ্শনৰ ৰাজনীতিৰ ওপৰত ৰাজনীতিৰ সমাজৰ ওপৰত অৱশ্যম্ভাবী প্ৰভাৱ আছে। বৌদ্ধ আৰু জৈনধৰ্মৰ অনুৰূপ প্ৰস্তুতি জীৱন খুবেই নৈতিক হব পাৰে, কিন্তু সেই সময়ৰ ভাৰতবৰ্ষৰ ৰাজনৈতিক সমৃদ্ধিৰ আস্তিক দৰ্শনৰ অনুৰূপ সামাজিক জীৱন গঠনৰ নিতান্তই আৱশ্যক আছিল।

জীৱনৰ দুটা ৰূপ — পাৰ্থিৱ আৰু অপাৰ্থিৱ। অপাৰ্থিৱ জীৱনৰ অনাকৰ্ষক আৰু বিশদ হোৱাৰ স্থিতিত - সমাজ পাৰ্থিৱ জীৱনৰ লগত জড়িত হৈ পৰে। ফলস্বৰূপে এনেকুৱা সমাজেই বিলাসী আৰু নিৰীহ হৈ যায়। বিলাসী আৰু নিৰীহ সমাজ ৰাজনীতিক্ষেত্ৰত সাৰ্বভৌমিকতা প্ৰাপ্ত হব নোৱাৰে। আস্তিক দৰ্শনৰ আধাৰত গঠিত সমাজৰ সন্মুখত তাৰ পাৰ্থিৱ জীৱন সদৃশ তাৰ অপাৰ্থিৱ জীৱনৰো এক আকৰ্ষণীয় ৰূপ-ৰেখা আছে। তাৰো দুটা 'পাৰ্শ্ব' আছে; এটা হল 'স্বৰ্গ' আনটো হল 'মোক্ষ'। প্ৰায় সকলো সমাজতে 'প্ৰবৃত্তি প্ৰধান' আৰু নিবৃত্তি প্ৰধান' — এই দুই ধৰণৰ লোক আছে। আস্তিক দৰ্শনৰ ওপৰত আধাৰিত সমাজত — 'প্ৰবৃত্তি প্ৰধান' লোকৰ কাৰণে 'স্বৰ্গ' আৰু নিবৃত্তিপ্ৰধান' লোকৰ বাবে 'মোক্ষ'ৰ পথৰ দুৱাৰ মুকলি আছে। জপ, তপ, দান, যজ্ঞ, স্বাধ্যায়, প্ৰবচন তথা ঈশ্বৰ ধ্যানেই হৈছে পাৰ্থিৱ আৰু অপাৰ্থিৱ এই দুয়োটা জীৱনৰ উন্নয়নৰ সাধন। আস্তিক দৰ্শনৰ ওপৰত আধাৰিত সমাজ বিলাসীও নহয়, নিৰীহো নহয়। বিলাসিতা আৰু নিৰীহতা মুক্ত সমাজেই নিজৰ ৰাজনৈতিক অসুস্থতা আঁতৰ কৰিব পাৰে।

এই দৃষ্টিভংগীত — সমাজৰ সন্মুখত আদৰ্শ চৰিত্ৰৰ আৱশ্যকতা আছে। কবি 'মাঘ'ই 'শ্ৰীশ্ৰীকৃষ্ণক' এক আদৰ্শ পুৰুষত ৰূপায়ন কৰিছে। 'শিশুপাল বধ'ৰ 'শ্ৰীশ্ৰীকৃষ্ণ' মহাভাৰতৰ 'শ্ৰীশ্ৰীকৃষ্ণ'। তেওঁ অসাধাৰণ যোদ্ধা, অসাধাৰণ ৰাজনীতিজ্ঞ তথা অসাধাৰণ দাৰ্শনিক হোৱাৰ লগতে অসাধাৰণ লোক-নায়কো আছিল। তেওঁ ষোড়শ কলাপূৰ্ণ ভগবান বিষ্ণুৰ অৱতাৰো আছিল। সমাজৰ প্ৰবৃত্তি প্ৰধান আৰু নিবৃত্তিপ্ৰধান এই দুয়ো শ্ৰেণীৰ মানুহৰ বাবে তেওঁ আছিল সৰ্বমহান আদৰ্শৰ পুৰুষ। 'মাঘ'ৰ মত অনুসৰি — প্ৰলয়ৰ অৱস্থাত জগত আৰু মোক্ষৰ জীৱ লীন হৈ যায়। যিসকলে ইন্দ্ৰিয়ৰ সৈতে মন নিগৃহীত কৰি লব পাৰে, তেওঁলোকৰেই নিজৰ আধ্যাত্মিক দৃষ্টিৰ দ্বাৰা বহুতো চেষ্টাৰ ফলত বাস্তৱিক ৰূপৰ সৈতে সাক্ষাতকাৰ হব পাৰে।

'মাঘ'ৰ এই দৰ্শনত 'সাংখ্য'ৰ ছাঁ আছিল। তথাপি, 'মাঘ' 'বৈদান্তিক' আৰু লগতে 'বিশিষ্টাদ্বৈতবাদী' ও আছিল। 'মাঘ' ব্যৱহাৰিক জীৱনত শত্ৰু তথা পাৰমাৰ্থিক জীৱনৰ প্ৰতি মনোনিগ্ৰহৰ পূৰ্ণ পক্ষপাতী আছিল। শিশুপাল বধৰ নায়ক ভগবান 'শ্ৰীশ্ৰীকৃষ্ণ'ৰ জীৱনত তেওঁৰ আদৰ্শ পূৰ্ণৰূপে পল্লবিত, পুষ্পিত আৰু ফলিত হৈছিল। তেওঁ 'শিশুপাল বধ'ৰ দ্বাৰা এইকাৰণে দুঃখিত নহয় যে, তেওঁ তাৰ প্ৰতি অপৰাধ কৰিছে। তেওঁ (শ্ৰীশ্ৰীকৃষ্ণ) এইকাৰণেই দুঃখিত যে, তেওঁ (শিশুপাল) সমাজক পীড়িত কৰিছিল। 'শ্ৰীবলৰামে' এনেকুৱা পাপীৰ কথাক অতি অমংগলকাৰিণী বুলি কৈছে। এইকাৰণে ৰাষ্ট্ৰ এখনত মহান নেতাৰ আৱশ্যক। কবি 'মাঘ'ৰ কালছোৱাত এনেকুৱা মহান নেতা অনুপস্থিত আছিল।

শিশুপাল বধ'ৰ প্ৰতিনায়ক 'শিশুপাল'। তেওঁ ভগবান 'শ্ৰীশ্ৰীকৃষ্ণৰ' 'পেহা' সম্বন্ধীয় আৰু ধৰ্মৰাজ 'যুধিষ্ঠিৰ'ৰ 'মাহী' সম্বন্ধীয় ভাই আছিল। তেওঁ 'চেদি' ৰাজ্যৰ শাসক আছিল। (বৰ্তমানৰ ত্ৰিপুৰা ৰাজ্যৰ আশে-পাশে থকা অঞ্চলসমূহ) — 'মাহিষ্মতী' নগৰ 'চেদি' ৰাজ্যৰ ৰাজধানী আছিল। শিশুপালৰ মাকৰ নাম 'শ্ৰুতশ্ৰবস' আছিল। 'সাত্বত্' বুলিও কোৱা হৈছিল। পিতৃৰ নাম আছিল 'দমঘোষ' শিশুপাল মহা পৰাক্ৰমী আৰু স্বাভিমানী ক্ষত্ৰিয় আছিল। 'মগধ'ৰ ৰজা 'জৰাসন্ধ' তেওঁৰ অভিন্ন মিত্ৰ আছিল। ভগবান 'শ্ৰীশ্ৰীকৃষ্ণ'ৰ লগত তেওঁৰ স্বাভাৱিক শত্ৰুতা আছিল। তদুপৰি 'ৰুক্মিণী হৰণ' কৰা আৰু 'জৰাসন্ধ' বধ কৰাৰ সংকল্পক কূট নৈতিকতাৰ নিৰ্দেশ বুলি ভাবি তেওঁ 'শ্ৰীশ্ৰীকৃষ্ণ'ক চকুৰ কাঁইট বুলি শত্ৰুতাচৰণ কৰিছিল। সেয়ে, তেওঁৰ লগত যুদ্ধ কৰিবলৈ যি কোনো সূত্ৰ বিচাৰি আছিল।

যি সময়ত ভগবান 'শ্ৰীশ্ৰীকৃষ্ণই' নৰকাসুৰ বধ কৰিবলৈ গৈছিল, সেই সময়ত 'শিশুপালে' 'দ্বাৰকা' নগৰ আক্ৰমণ কৰিছিল আৰু 'বভ্ৰু' নামক যদুবংশীয় এগৰাকী স্ত্ৰীক অপহৰণ কৰি লৈ গৈছিল। কালযবন, ৰুক্মি, (বিদৰ্ভৰ ৰাজকুমাৰ) শাল্ব, দ্ৰুম্ আদি 'শ্ৰীশ্ৰীকৃষ্ণৰ'

বিৰোধী ৰজাসকল তেওঁৰ সহায়ক আছিল। জ্যোতিষীসকলে ভবিষ্যত বাণী কৰিছিল যে, ভগবান 'শ্ৰীশ্ৰীকৃষ্ণৰ' হাতত তেওঁৰ মৃত্যু হব। এই কাৰণে শিশুপালৰ মাতৃ 'শ্ৰুতশ্ৰবসে' সদায় ভগবান 'শ্ৰীশ্ৰীকৃষ্ণক' তেওঁৰ পুত্ৰৰ ৰক্ষাৰ্থে প্ৰাৰ্থনা কৰি আছিল। সেয়ে, ভগবান 'শ্ৰীশ্ৰীকৃষ্ণই' তেওঁক কথা দিছিল — 'মই তাৰ এশ অপৰাধ সহ্য কৰিম'। ভগবান 'শ্ৰীশ্ৰীকৃষ্ণই' নিজৰ প্ৰতিজ্ঞা পূৰ্ণৰূপেই পালন কৰিছিল। শিশুকালত 'শিশুপালৰ' চাৰিখন হাত আৰু তিনিটা চকু আছিল। ক্ষত্ৰিয় হোৱাৰ পিছতো তেওঁৰ সংস্কাৰ অসুৰৰ দৰেই আছিল।

'শিশুপাল বধ'ৰ ঐতিহাসিক-বৃত্তৰ বিষয়ে অৱগত হোৱা যায় যে, পাণ্ডৱসকল প্ৰথম বনবাসৰ নিৰ্দিষ্ট দিনবোৰ সম্পূৰ্ণ কৰাৰ পিছত তেওঁলোক 'ইন্দ্ৰপ্ৰস্থ'ৰ ওপৰত অধিকাৰ প্ৰাপ্ত হৈছিল। ভগবান 'শ্ৰীশ্ৰীকৃষ্ণৰ' কৃপা তথা অৰ্জুন, ভীম, নকুল আৰু সহদেৱৰ পৰাক্ৰমৰ দ্বাৰাই ধৰ্মৰাজ 'যুধিষ্ঠিৰে' সমগ্ৰ জম্বুদ্বীপক জয় কৰি অজস্ৰ ধন-ৰত্ন আনিছিল। এনেকৈ অতুল সাম্ৰাজ্য আৰু অপাৰ বৈভৱ প্ৰাপ্ত হৈ 'যুধিষ্ঠিৰে ৰাজসূয়' যজ্ঞ কৰিবলৈ ইচ্ছা কৰিছিল। ভগবান শ্ৰীশ্ৰীকৃষ্ণ'ৰ মত অনুসৰি বিৰোধী সমগ্ৰ জম্বুদ্বীপৰ প্ৰায় ৰজাসকলক এই যজ্ঞলৈ আমন্ত্ৰিত কৰা হৈছিল। এই যজ্ঞত ভগবান 'শ্ৰীশ্ৰীকৃষ্ণ' স্বয়ং সৰ্বকৰ্মৰ দ্ৰষ্টা আছিল। সকলো ৰজাকেই যজ্ঞৰ কাৰ্যত যোগ্যতানুসাৰে অংশ গ্ৰহণ কৰিবলৈ দিয়া হৈছিল। ই এটা ঐতিহাসিক যজ্ঞ আছিল। যজ্ঞৰ কৰ্মাদি খুউব আড়ম্বৰপূৰ্ণ ভাবেই সমাধা হৈছিল। যাজ্ঞিক ব্ৰাহ্মণাদিৰ দ্বাৰা সত্‌কৃত কৰা হৈছিল।

যজ্ঞ সমাপনৰ শেহত — সদস্য পূজাৰ সময় উপস্থিত হ'ল। শাস্ত্ৰানুসৰি যজ্ঞ সমাপ্তিৰ পিছত ভগবানক অৰ্ঘদান কৰাৰ বিধান। এই প্ৰতিষ্ঠা কাক দিয়া যায়, এই বিষয়ে 'যুধিষ্ঠিৰে' 'ভীষ্মক' সুধিলে। 'ভীষ্মই' কলে — শাস্ত্ৰনুসৰি 'স্নাতক' (অংগ সহিত বেদ সমূহৰ অধ্যয়ন কৰোঁতাসকল), গুৰু, বন্ধু, জামাতা, ৰজা আৰু যাজ্ঞিক ঋত্বিজ — এই ছয় সদস্যই পূজাৰ অধিকাৰী। যদি কোনো সদ্‌গুণ সম্পন্ন ব্যক্তি থাকে, তেৱোঁ ইয়াৰ এগৰাকী অধিকাৰী হয়।' এইদৰে কৈ 'ভীষ্মই' এই প্ৰতিষ্ঠাৰ কাৰণে ভগবন 'শ্ৰীশ্ৰীকৃষ্ণ'কেই সৰ্বমহান বুলি স্বীকৃতি দিলে। 'যুধিষ্ঠিৰে' তেওঁৰে পূজা কৰিলে। 'শ্ৰীশ্ৰীকৃষ্ণ'ক যুধিষ্ঠিৰে এই সন্মান প্ৰদান কৰাত 'শিশুপালৰ' সহ্য নহ'ল। তেওঁ অতি ক্ৰোধান্বিত হৈ চকু ৰঙা কৰি উচ্চ সুৰে দীৰ্ঘশ্বাস লবলৈ ধৰিলে। ধৰ্মৰাজ 'যুধিষ্ঠিৰ' আৰু 'ভীষ্মক' নিন্দা কৰি ভগবান 'শ্ৰীশ্ৰীকৃষ্ণৰ'ক কটু বাক্যৰে গালি পাৰি অপমান কৰিবলৈ ধৰিলে। লগতে 'নৰকাসুৰ'ৰ বংশীবাদকৰ হাতত চাপৰি বজাই অট্ট হাঁহি মাৰিবলৈ ধৰিলে। ভগবান 'শ্ৰীশ্ৰীকৃষ্ণই' 'শিশুপাল'ৰ এই উদ্ধতালি ব্যৱহাৰত নীৰৱ হৈ আছিল। তেওঁ মনে মনে 'শিশুপাল'ৰ অপৰাধৰ গণনা কৰি আছিল। 'ভীষ্মই' শিশুপাল'ৰ এই ধৃষ্টতা সহ্য কৰিব নোৱাৰিলে। সেয়ে, 'শিশুপাল'ৰ মুখেৰে ভগবান 'শ্ৰীশ্ৰীকৃষ্ণ'ৰ নিন্দাৰ কথা শুনি 'ভীষ্ম' ক্ষুব্ধ হৈ গ'ল আৰু প্ৰত্যাহ্বান জনাই কলে — 'আজি মোৰ দ্বাৰা স্বীকৃতি দিয়া ভগবান 'শ্ৰীশ্ৰীকৃষ্ণৰ' পূজাক যিজনে ভাল পোৱা নাই, ধনুৰ্বাণ উঠাই লোৱা।' এই কথা শুনি 'শিশুপাল'ৰ পক্ষীয় ৰজাসকল যজ্ঞমণ্ডপ পৰিত্যাগ কৰিবলৈ উদ্যত হ'ল। শিশুপালে পুনঃ কটু বাক্য উচ্চাৰণ কৰিবলৈ ধৰিলে আৰু সেই যজ্ঞ-মণ্ডপ পৰিত্যাগ কৰি 'শ্ৰীশ্ৰীকৃষ্ণৰ' লগত যুদ্ধৰ বাবে প্ৰত্যাহ্বান জনালে। পাণ্ডৱ আৰু তেওঁলোকৰ পক্ষীয় ৰজাসকল সেই সময়লৈকে শান্ত আছিল। তৎক্ষণাত সৈন্য সজ্জিত কৰি শিশুপালে যজ্ঞমণ্ডপত নিজৰ সৈন্যদল পঠালে। তেওঁ অশ্লীল ভাষাৰে পুনঃ পুনঃ ভগবান 'শ্ৰীশ্ৰীকৃষ্ণক' নিন্দা-বিদ্ৰূপ কৰিবলৈ ধৰিলে। ভগবান 'শ্ৰীশ্ৰীকৃষ্ণ'ৰ প্ৰেৰণাৰে 'সাত্যকি'য়ে তাৰ উচিত উত্তৰ দিলে; কিন্তু তথাপিও 'শিশুপাল' শান্ত নহ'ল। সেয়ে, ভগবান 'শ্ৰীশ্ৰীকৃষ্ণ' আৰু তেওঁৰ পক্ষীয় ৰজাসকল অত্যন্ত ক্ষুব্ধ হ'ল। শেহত যুদ্ধ আৰম্ভ হ'ল। 'শিশুপাল'ৰ সমগ্ৰ সেনাদল মৃত্যুৰ মুখত পৰিল। সেনাদল মৃত্যুৰ মুখত পতিত হলেও তেওঁ অকলেই ভগবান 'শ্ৰীশ্ৰীকৃষ্ণ'ৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে। ইতিমধ্যে তেওঁৰ এশ অপৰাধ পূৰ হৈ গৈছে। সেয়ে, ভগবান 'শ্ৰীশ্ৰীকৃষ্ণই' তেওঁক বধ কৰা কামত অলপো সময় পলম কৰা ঠিক নহয় বুলি ভাবি সুদৰ্শন চক্ৰেৰে তেওঁৰ মূৰটো কাটি ডিঙিৰ পৰা পৃথক কৰি দিলে। মুহূৰ্ততে 'শিশুপালৰ' শৰীৰৰ পৰা এক তেজঃপুঞ্জ নিৰ্গত হৈ ভগবান 'শ্ৰীশ্ৰীকৃষ্ণ'ৰ দেহৰ লগত মিলি গ'ল। ইয়াকে দেখি সকলোৰে অতি বিস্ময় মানিলে।

***(প্ৰয়াত ৰাজেন ৰাভাদেৱ চিন্তাশীল লেখক আৰু অসম সাহিত্য সভাৰ উপসভাপতি আছিল, এই প্ৰবন্ধটো ৰাজেন ৰাভান্যাসৰ সম্পাদকৰ জৰিয়তে প্ৰাপ্ত)***

# আত্ম-সচেতনতা আৰু ব্যক্তি

শ্ৰীপাৰুল নাথ

সচেতনতাৰ অৰ্থ হ'ল সজ্ঞান বা চৈতন্য। মানৱ জীৱনৰ প্ৰতিটো পদক্ষেপতে ই নিতান্তই জৰুৰী। বৰ্তমান সময়ৰ লগত খোজ মিলাই জীৱনৰ বাটত আগবাঢ়ি যাবলৈ হলে প্ৰতিজন ব্যক্তিৰে আত্ম-সচেতনতাৰ দৰকাৰ। অৰ্থাৎ নিজস্ব বিচাৰ, বুদ্ধি, বিবেচনাৰে প্ৰতিগৰাকী ব্যক্তিয়ে জীৱনৰ পথত অগ্ৰসৰ হব লাগিব।

ব্যক্তিৰ আত্ম-সচেতনা আৰু শিক্ষা ওতঃপ্ৰোতভাৱে জড়িত। আত্ম-সচেতন ব্যক্তিয়ে শিক্ষাৰ পোহৰেৰে সমাজৰ যিকোনো কামতে দক্ষতাৰ পৰিচয় দিবলৈ সমৰ্থনবান হয়। শিক্ষাৰ ধাৰণাটোক এডোখৰ হীৰাৰ টুকুৰাৰ লগত ৰিজাব পাৰি। কিয়নো বেলেগ বেলেগ দিশৰ পৰা শিক্ষাৰ স্বৰূপো বেলেগ বেলেগ হয়। উদাহৰণস্বৰূপে, দাৰ্শনিক আৰু শিক্ষাবিদ কমেনিয়াছৰ মতে, শিক্ষাৰ অৰ্থ হ'ল পূৰ্ণ মানৱৰ বিকাশ। আনহাতে মুন্সীৰ মতে, শিক্ষাই প্ৰতিটো শিশুক সংস্কৃতিৰ এক মূল্যৱান অঙ্গ হিচাপে গঢ়ি তোলে। শিক্ষাবিদ জন ডিউইয়ে মত প্ৰকাশ কৰে যে, জন্মগতভাৱে লাভ কৰা শিশুৰ অন্তৰ্নিহিত গুণসমূহ সমাজৰ চাহিদা অনুসৰি বিকাশ সাধন কৰাৰ অৰ্থই হ'ল শিক্ষা। অৰ্থাৎ শিক্ষাই শিক্ষাৰ্থীসকলক 'আত্ম' (self) সম্পৰ্কে উপলব্ধি কৰিবলৈ সক্ষম কৰি তোলে।

গতিকে সমাজৰ আশা-আকাংক্ষাক বাস্তৱ ৰূপ দিবলৈ, উন্নত জীৱন-যাপন কৰিবলৈ, শিশুৰ অপৰিপক্ক প্ৰকৃতিৰ পৰিপক্ক ৰূপ দিবলৈ, সামাজিক প্ৰথা, পৰম্পৰা, বিশ্বাস, আদৰ্শ, লোক-সংস্কৃতি, জনৰীতি ইত্যাদিক সভ্যতা আৰু সংস্কৃতিৰ লগত খাপ-খোৱাকৈ উন্নতকৰণৰ বাবে শিক্ষাৰ প্ৰয়োজনীয়তা সৰ্বাধিক। ল'ৰা-ছোৱালীক সামাজিকীকৰণ কৰাৰ ক্ষেত্ৰত শিক্ষাই সহায় কৰে আৰু ব্যক্তিক সচেতন কৰি তোলে।

অৱশ্যে, শিক্ষাই অকল পুথিগত বিদ্যাৰ ওপৰতে গুৰুত্ব নিদিয়ে। ইয়াৰ পৰিসৰ অতিকৈ বহল। মানুহৰ সমগ্ৰ জীৱন কালছোৱাকে শিক্ষাই সামৰি লয়। সেয়ে আনুষ্ঠানিক বা পুথিগত শিক্ষাৰ বাহিৰেও মানুহে জীৱনৰ প্ৰতিটো পদক্ষেপতে লাভ কৰা অভিজ্ঞতাৰ পুনঃ সংগঠনক শিক্ষা হিচাপে বৰ্ণনা কৰা হয়। সেইফালৰ পৰা 'জীৱনেই শিক্ষা' আৰু 'শিক্ষাই জীৱন' বুলি কোৱা হয়।

আত্ম-সচেতনতা আৰু আত্ম-উপলব্ধি এটা মুদ্ৰাৰ দুটা পিঠি। শিক্ষাৰ জৰিয়তে শিক্ষাৰ্থীয়ে আত্ম-উপলব্ধি কৰিবলৈ সক্ষম হয়। আত্ম-বিবেচক হোৱাৰ বাবে অভিভাৱক, মাক-বাপেক আৰু শিক্ষকসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাক অস্বীকাৰ কৰিব নোৱাৰি। সত্য, শিৱ আৰু সুন্দৰৰ পূজাৰীৰূপে প্ৰতিজন ব্যক্তিৰে সচেতনাৰ মনোভাৱ জগাই তোলাটো প্ৰতিজন সমাজ-সচেতকৰ প্ৰধান দায়িত্ব আৰু কৰ্তব্য।

ব্যক্তিৰ সচেতনতা বা সজাগতা আৰু দক্ষতা এটা আনটোৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। সচেতন ব্যক্তিৰ সামাজিক দক্ষতা বৃদ্ধি পায়। ফলস্বৰূপে আৰ্থিক স্বাবলম্বিতাৰ পৰ সুগম হয়। অৰ্থাৎ আৰ্থ-সামাজিক দিশৰ বিকাশ সাধন হয়।

**আত্ম-সচেতনতাৰ বিভিন্ন দিশ**

সচেতনতাৰ পৰিসৰ অতি ব্যাপক। ইয়াৰ বিভিন্ন দিশ আছে। যেনে ঃ

**সচেতনতা আৰু সৌন্দৰ্যবোধ ঃ**

সৌন্দৰ্য্যবোধ উপলব্ধিৰ প্ৰধান চাবি-কাঠি হ'ল সচেতনতা বা সজাগতা। উদাহৰণস্বৰূপে ব্যক্তিৰ সাজ পোছাক, আ-অলঙ্কাৰ, খোজ-কাটল, অনুশাসন, শৃংখলতা, আচাৰ-ব্যৱহাৰ সকলোতে সৌন্দৰ্য হ'ল ব্যক্তিকেন্দ্ৰিক। প্ৰতিজন ব্যক্তিৰে সৌন্দৰ্যপিপাসু মনটোৱে বিভিন্ন দিশত সৌন্দৰ্যৰ স্বৰূপ বিচাৰি পায়। তথাপিও কিছু কিছু ক্ষেত্ৰত ইয়াক সাধাৰণী কৰণ কৰা হয়। যেনে — ছোৱালীৰ কপালত থকা ফোঁটটো অৰ্থাৎ ফোঁট বুলি কোৱাৰ লগে লগে কপালৰ কথা মনলৈ আহিব। গতিকে এই ক্ষেত্ৰত ছোৱালীবিলাকৰ সচেতনতাৰ দৰকাৰ যাতে ফোঁটৰ অৱস্থান নিৰ্দিষ্ট ঠাইত হয়। একেদৰে, শ্ৰেণীকক্ষ বুলি কোৱাৰ লগে লগে আমাৰ মনলৈ শ্ৰেণীকোঠাৰ যাৱতীয় সা-সৰঞ্জামৰ কথা মনলৈ আহে। শিক্ষাৰ্থীৰ সচেতনতাৰ ফলস্বৰূপে শ্ৰেণীকোঠাৰ সৌন্দৰ্য প্ৰকাশিত হয়। গতিকে বিভিন্ন দিশত, যেনে — বাগিছাখনৰ তদাৰকীৰ ক্ষেত্ৰত, ঘৰটো সজোৱাৰ ক্ষেত্ৰত, পঢ়া-টেবুলখনৰ ক্ষেত্ৰত, ৰাস্তাৰে খোজ দিয়াৰ ক্ষেত্ৰত, বাইক চলোৱাৰ ক্ষেত্ৰত, নীতি-নিয়ম মানি চলাৰ ক্ষেত্ৰত ইত্যাদি দিশত প্ৰতিজন ব্যক্তি বা শিক্ষাৰ্থীয়ে সচেতন হোৱা দৰকাৰ।

**সচেতনতা আৰু সামাজিক জীৱন ঃ**

সমাজ হ'ল এখন সামাজিক সম্পৰ্কৰ জাল। অকলশৰীয়াকৈ মানুহ থকাটো এটা অলৌকিক কল্পনা। মানুহে সমাজপাতি বাস কৰে। সুস্থভাৱে সামাজিক জীৱন-যাপন কৰিবলৈ হ'লে সামাজিক প্ৰতিমান,

যেনে— সামাজিক আদৰ্শ, বিশ্বাস, প্ৰথা, পৰম্পৰা, লোকৰীতি, লোকাচাৰ, লোকসংস্কৃতি ইত্যাদি বিভিন্ন সামাজিক মানদণ্ডৰ উপাদানসমূহৰ বিষয়ে প্ৰতিগৰাকী সদস্যই সচেতন হ'ব লাগিব। কিয়নো সমাজত চলি থকা নীতি-নিয়মসমূহ ব্যক্তিয়ে যেতিয়ালৈকে মানি চলিব তেতিয়ালৈকে সমাজখন সু-সংগঠিত হৈ থাকিব। অৱশ্যে সময় সাপেক্ষে কেতিয়াবা কেতিয়াবা সামাজিক বিশলঙ্খলাৰো প্ৰয়োজন হয়। নতুন আৰু পুৰণিৰ দ্বন্দ্বৰ ফলস্বৰূপে সমাজৰ বিশৃঙ্খল পৰিস্থিতিয়ে গা-কৰি উঠে। সেয়ে সমাজখনক সুস্থ ৰাখিবলৈ সমাজৰ বিভিন্ন দিশৰ প্ৰতি প্ৰতিজন ব্যক্তিয়ে সচেতন হোৱাৰ লগতে সমাজখনক প্ৰগতিৰ দিশত আগবঢ়াই নিবলৈ সমাজ সংশোধনৰ বাবে চেষ্টা কৰিব লাগে।

**সচেতনতা আৰু পৰিয়াল ঃ**

পৰিয়াল হ'ল শিশুৰ বিকাশৰ কেন্দ্ৰবিন্দু। ঘৰখন বা পৰিয়ালতে প্ৰত্যেক মানৱ শিশুৱে জন্মগ্ৰহণ কৰে আৰু ক্ৰমে বিকাশৰ পথলৈ আগবাঢ়ে। বিখ্যাত শিক্ষাবিদ আৰু প্ৰকৃতিবাদী দাৰ্শনিক ৰুছোৰ মতে, প্ৰত্যেক মানৱ শিশুৱে জন্মৰ সময়ত এখন উকা কাগজৰ দৰে সুন্দৰ হৈ জন্মগ্ৰহণ কৰে। কিন্তু মানুহ, পৰিবেশ বা সমাজৰ কু-প্ৰভাৱৰ বাবেহে সি বেয়ালৈ ৰূপান্তৰিত হয়। গতিকে শিশুৰ ওপৰত যাতে পৰিবেশ বা সমাজৰ বেয়া প্ৰভাৱ পৰিব নোৱাৰে তাৰ বাবে অভিভাৱক, মাক বাপেক তথা সমাজৰ প্ৰতিজন সদস্য যত্নপৰ হোৱা দৰকাৰ।

**সচেতনতা আৰু শিক্ষানুষ্ঠান ঃ**

ঘৰখনৰ পিছতেই শিক্ষানুষ্ঠানে শিশুৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিক্ষানুষ্ঠানৰ মূল লক্ষ্য হ'ল শিক্ষাৰ্থীৰ সৰ্বাঙ্গীন বিকাশ সাধন কৰা। সেয়ে শিক্ষানুষ্ঠানৰ অনুশাসন, প্ৰশাসন, পাঠ্যক্ৰম, শিক্ষাদান, নিদেৰ্শনা ইত্যাদি বিভিন্ন দিশৰ প্ৰতি শিক্ষকসকল সচেতন হব লাগিব। শিক্ষানুষ্ঠানৰ জৰিয়তে জাতীয় সংহতি আৰু সংস্কৃতি ৰক্ষা কৰিবলৈ শিক্ষাৰ্থীসকলক উৎসাহিত কৰিব লাগিব। শ্ৰেণীৰ পৰিকল্পিত পাঠদান ক্ৰিয়াৰ জৰিয়তে শিক্ষাৰ্থীৰ স্মৃতিশক্তি, কল্পনাশক্তি, মনোযোগ, আগ্ৰহ আদি মানসিক ক্ৰিয়া ক্ষমতাবোৰ বৃদ্ধি কৰিব লাগিব। ইয়াৰ উপৰিও ভৱিষ্যত জীৱনৰ কেতবোৰ প্ৰয়োজনীয় অভ্যাস, যেনে নিয়মানুবৰ্তিতা, আনুগত্যতা, কৰ্তব্যপৰায়ণতা আদি সুস্থ ব্যক্তিত্বৰ গুণসমূহ গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা অনস্বীকাৰ্য।

**সচেতনতা আৰু মূল্যবোধ ঃ**

জীৱন অৰ্থপূৰ্ণভাৱে অতিবাহিত কৰিবলৈ কিছুমান মূল্যৰ প্ৰয়োজন। মূল্যই জীৱনক সফল আৰু সজীৱ কৰি তোলে। মূল্যবিহীন জীৱন ক্ষণভঙ্গুৰ, প্ৰকৃত সুখ বা শান্তি অনুভৱ কৰিব নোৱাৰি।

মূল্যভিত্তিক শিক্ষা প্ৰদানৰ ক্ষেত্ৰত শিক্ষক, শিক্ষাবিদ, পৰিদৰ্শক, প্ৰশাসকৰ উপৰিও মাক-দেউতাক আৰু অভিভাৱকৰ ভূমিকা অতি তাৎপৰ্যপূৰ্ণ। বৰ্তমান সমাজত মূল্যবোধৰ স্খলন ঘটিছে যেন অনুভৱ হয়। উদাহৰণস্বৰূপে, ডাঙৰক অসম্মান কৰা, শিক্ষকক অসম্মান কৰা, অনুশাসন মানি নচলা, জ্যেষ্ঠজনৰ লগত কাজিয়াত লিপ্ত হোৱা ইত্যাদিবোৰ নিত্য নৈমিত্তিক ঘটনা হৈ পৰিছে। শিক্ষাৰ্থীয়ে নিজৰ মূল্য আৰু মূল্যৰ পৰা পোৱা ব্যৱহাৰিক লাভক উপলব্ধি কৰাৰ বাবে যি অনুভূতি সেয়া বেছিভাগৰে নোহোৱা হৈ পৰিছে। দুৰ্নীতি, দুঃচিন্তা, দুঃকাৰ্য, দায়িত্ববোধহীনতা, অমনোযোগিতা, হিংসা, ক্ৰোধ, ঘৃণা আৰু ভৌতিকতাবাদে যুৱ সমাজক বিপথে পৰিচালিত হবলৈ সমল যোগাইছে। সেয়ে মূল্যভিত্তিক শিক্ষাৰ প্ৰতি গুৰুত্ব দিয়াৰ সময় সমাগত হৈ পৰিছে।

মূল্যভিত্তিক শিক্ষাই এজন ব্যক্তিৰ বিভিন্ন দিশৰ ওপৰত সুস্থ প্ৰভাৱ পেলায়। যেনে —

— উপযুক্ত ব্যক্তিত্বৰ বিকাশ
— বৃত্তিগত দক্ষতা লাভ
— সু-নাগৰিকত্বৰ শিক্ষা
— পৰিবেশ সংশোধন
— সামাজিক দক্ষতা বৃদ্ধি
— জাতীয় সংহতি ৰক্ষা আৰু উন্নতিকৰণ
— চৰিত্ৰ গঠন
— জিৰণিৰ উপযুক্ত ব্যৱহাৰ
— সাংস্কৃতিক মূল্যবোধ
— সঠিক কৰ্তব্যবোধ
— আত্মানুশাসনৰ মনোভাৱ ইত্যাদি।

**সচেতনতা আৰু পৰিবেশ ঃ**

জীৱৰ বৃদ্ধি আৰু বিকাশৰ বাবে আৱশ্যকীয় উপাদানবোৰেই পৰিবেশৰ সৃষ্টি কৰে। মানৱ জীৱনৰ প্ৰতিটো দিশতেই পৰিবেশৰ প্ৰভাৱ সুস্পষ্ট। পৰিবেশ হ'ল জীনৰ (Genes) বাহিৰে ব্যক্তিক প্ৰভাৱিত কৰা প্ৰত্যেকটো বস্তুৰ সমষ্টি।

জীৱশ্ৰেষ্ঠ মানৱে পৰিবেশক আৱশ্যকীয় দ্ৰব্য আৰু শক্তি আহৰণৰ উপৰিও কৃষি, পৰিবহন, সংযোগ, বিভিন্ন উদ্যোগ আৰু আমোদ প্ৰমোদৰ বাবেও ব্যৱহাৰ কৰে। প্ৰাচীন ইতিহাস মেলি চালে দেখা যায় যে মানুহ আৰু প্ৰকৃতিৰ এক নিবিড় সম্পৰ্ক আছিল। আধুনিক যুগত মানুহৰ প্ৰকৃতিক ধ্বংস কৰাৰ যি প্ৰৱণতা দেখা যায় প্ৰাচীন মানুহৰ ক্ষেত্ৰত তেনে নাছিল। গতিকে পৰিবেশ সংৰক্ষণ আৰু উন্নতিকৰণৰ বাবেও সচেতন হোৱাৰ সময় আহি পৰিছে। মানুহৰ জীৱন প্ৰক্ৰিয়াক প্ৰভাৱিত কৰা পৰিবেশৰ বিভিন্ন উপাদানসমূহৰ মাজত স্বাভাৱিক ক্ৰিয়া-প্ৰক্ৰিয়াত যাতে বিজুটি নঘটে তাৰ প্ৰতি সকলোৱে গুৰুত্ব দিব লাগিব।

মাটি, পানী আৰু বায়ুৰ যাতে প্ৰদুষণ হব নোৱাৰে তাৰ বাবে উৎকৃষ্ট কাৰ্যপন্থা তথা বিভিন্ন আঁচনিসমূহ ৰূপায়ণ কৰিবলৈ সকলোৱে যত্নপৰ হব লাগিব। কিয়নো ভৌতিক, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, শৈক্ষিক ইত্যাদি বিভিন্ন দিশৰ সুস্থ বিকাশ উপযুক্ত পৰিবেশৰ ওপৰতহে নিৰ্ভৰশীল।

**সচেতনতা আৰু জনসংখ্যা ঃ**

মানৱ সভ্যতাৰ অগ্ৰগতিত মানৱ সমাজৰ সন্মুখত দেখা দিয়া জ্বলন্ত সমস্যাটোৱে হ'ল জনসংখ্যা বৃদ্ধিৰ সমস্যা। ই আমাৰ আৰ্থ-সামাজিক দিশত বিশেষভাৱে প্ৰভাৱ পেলাইছে। গতিকে বৰ্ধিত জনসংখ্যাই সৃষ্টি কৰা সমস্যাসমূহ সমাধান কৰিবলৈ প্ৰতিজন ব্যক্তি, বিজ্ঞানী, পৰিকল্পনাকাৰী সমাজবিজ্ঞানী, শিক্ষাবিদ সকলোৱে কাৰ্যপন্থা হাতত লব লাগিব। জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিবলৈ আৰু সুস্থ সুখী জীৱন যাপন কৰিবলৈ জনবিস্ফোৰণে প্ৰত্যাহ্বান জনোৱা ভয়ানক পৰিণামৰ প্ৰতি নতুন প্ৰজন্মক সচেতন কৰি তুলিব লাগিব।

**সামৰণি ঃ**

আত্ম-সচেতনতাই প্ৰগতিৰ পথৰ সন্ধান দিয়ে। সেয়ে বৰ্তমানৰ প্ৰতিজন শিক্ষাৰ্থীৰ যাতে আত্ম-সচেতনতাৰ মনোবল বৃদ্ধি পায় তাৰ বাবে সমাজৰ প্ৰতিজন ব্যক্তি, শিক্ষক, শিক্ষাবিদ, অভিভাৱক, মাক-বাপেক সকলোৱে যত্নপৰ হ'ব লাগিব।

আজিৰ ছাত্ৰ কাইলৈৰ নাগৰিক। গতিকে এখন দেশৰ উপযুক্ত নাগৰিক হ'বলৈ আকাংক্ষিত গুণসমূহ, যেনে — সৎচৰিত্ৰ, নেতৃত্বদানৰ শিক্ষা, সামাজিক আৰু জাতীয় সেৱাৰ মনোভাৱ স্বদেশপ্ৰেমৰ সচেতনতা, নিয়মানুবৰ্তিতা, সহযোগিতা, ধৈৰ্য, সহ্য, ভাতৃত্ববোধৰ মনোভাৱ ইত্যাদি বোৰ আহৰণ কৰি লব লাগিব। তাৰোপৰি সংহতিৰ ভাৱধাৰাৰে সকলোকেএকতাৰ ডোলেৰে বান্ধিব পাৰিব লাগিব। সামাজিক কু-সংস্কাৰ অন্ধবিশ্বাস আদি দূৰ কৰি সমাজৰ প্ৰগতিৰ দিশত আগবঢ়াব লাগিব। সমাজ বা দেশৰ উন্নয়নৰ বাবে পৰিকল্পিত আঁচনিসমূহ কাৰ্যকৰীকৰণৰ বাবে প্ৰতিজন ব্যক্তি সচেতন হোৱাৰ লগতে দক্ষতাৰে কামত অৱতীৰ্ণ হ'ব লাগিব। আত্ম-সচেতনতাৰ মনোভাবেহে একোজন দক্ষ, উৎকৃষ্ট মানৱ সম্পদৰ জন্ম দিব পাৰে।

*(শ্ৰীমতী নাথ দুধনৈ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা)*

# কাৰবি : ভূমি আৰু কৃষি অৰ্থনীতি

ড° এম কামালুদ্দিন আহমেদ

ডক্টৰ গিৰীন্দ্ৰনাথ দাসৰ কাৰবিসকলৰ ঝুম প্ৰণালীৰ কৃষি বিষয়ক অপূৰ্ব গৱেষণা গ্ৰন্থ "Swideen Cultivation and Development Programme in North-East India" (Akansha Publishing House, New, Delhi, 2001) ত কাৰবি আংলং জিলাত পাৰ্বত্য আৰু সমভূমিৰ মোটামুটি অনুপাত দেখুওৱা হৈছে ৬০ ঃ ৪০। সমভূমি অঞ্চলৰ মানুহে সাধাৰণ কৃষি পদ্ধতিৰ অৱলম্বন কৰে। ৰাজ্যিক সংৰক্ষিত বনাঞ্চল, জিলা পৰিষদ সংৰক্ষিত বনাঞ্চল আৰু অশ্ৰেণীভুক্ত বনাঞ্চল পাৰ্বত্য অঞ্চলৰ ভিতৰুৱা। অশ্ৰেণীভুক্ত বনাঞ্চলক আকৌ পাৰ্বত্য আৰু জলাহভূমি এই দুটা উপবিভাগত ভাগ কৰিব পাৰি। ভূমিৰ মালিকীস্বত্বলৈ কৃষক আৰু প্ৰশাসনৰ মাজত সংঘাতো উপস্থিত হয়। বি. এন. বৰদলৈৰ (Transfer and alienation of tribal land in Assam with special reference to the Karbis of the Karbi Anglong District, Guwahati, 1991) গ্ৰন্থৰ আলমত দাসদেৱে কৈছে যে পাৰ্বত্য অঞ্চলত মানুহে ঝুম খেতি কৰাৰ সময়তে নামনিৰ বনাঞ্চলত প্ৰয়োজনীয় দখলীস্বত্ব লৈ অইন পদ্ধতিৰেও কৃষি কৰা হয়। পাৰ্বত্যৰ ভূমিৰ ক্ষেত্ৰত দেখা যায় যে জনজাতীয় মানুহখিনিয়ে সেয়া উমৈহতীয়া মালিকী স্বত্বৰ অন্তৰ্গত বুলি ভাবে আৰু জিলা পৰিষদ কৰ্তৃপক্ষইও এই লৈ কোনো হকা-বধা নকৰে। জলাহ বনাঞ্চলত খেতি কৰাৰ বাবে মালিকী স্বত্বৰ বাবে জিলা পৰিষদ প্ৰশাসনলৈ আবেদন জনাব লাগে। জিলা পৰিষদ কৰ্তৃপক্ষই মালিকী স্বত্বৰ অধিকাৰ দিলেতো কথা নাই, যদি অন্যথা হয় সংঘাতৰ সূচনা হয়। মানুহখিনিয়ে এয়া তেওঁলোকৰ অধিকাৰ মানি নোলোৱা বুলি বিবেচনা কৰে।

নৱপ্ৰস্তৰ যুগতে সূচনা হোৱা বুলি ধৰি লোৱা বিশ্বৰ প্ৰাচীনতম কৃষি পদ্ধতি ঝুম খেতি কাৰবিসকলেও কৰে। প্ৰসংগক্ৰমে, প্ৰত্নতাত্ত্বিক আৱিষ্কাৰৰ জৰিয়তে খৃঃ পূঃ ৭০০০ বছৰৰো আগেয়ে পৰিৱেশ সম্পৰ্কে মানুহৰ ধাৰণাৰ মৌলিক পৰিৱৰ্তন হোৱাৰ উমান পোৱা যায়। ঘটনাক্ৰমত তেওঁলোকে চিকাৰী আৰু খাদ্য সংগ্ৰহকাৰীৰ পৰা খাদ্য উৎপাদনকাৰীত পৰিণত হয়। মানুহে উদ্ভিদ ৰোপণ, ভূমি কৰ্ষণ আৰু মানদণ্ডসম্পন্ন উদ্ভিদৰ বাচনি কৰিবলৈ আৰম্ভ কৰে। তাৰ লগে লগেই আগ বাঢ়িল ভেৰা, ছাগলী আৰু গৰু পোহনীয়াকৰণ প্ৰক্ৰিয়া। Goarden Childeয়ে ডানিয়ুব উপত্যকাৰ নৱপ্ৰস্তৰ যুগৰ খেতিয়কসকলক পৰ্যটক খেতিয়ক বুলি চিনাক্ত কৰিছে।

ৰাষ্ট্ৰীয় আয়োগ (NCA) ৰ ১৯৭৬ চনৰ ফেব্ৰুৱাৰী মাহৰ নৱম খণ্ডৰ প্ৰতিবেদন অনুসৰি সমগ্ৰ অসমৰ পাৰ্বত্য ভূমিৰ ৪,৯৮,০০০ হেক্টৰ মাটিত ঝুম খেতি কৰা হয় আৰু একোটা সময়ত এই পৰিমাণ হ'ল ৬৯,০০০ হেক্টৰ মাটি। কৃষিপ্ৰধান মণিপুৰৰ (কৰ্মৰত ৭১ শতাংশই কেৱল ইয়াৰ ওপৰতে নিৰ্ভৰশীল)ৰ পাহাৰ অঞ্চলত কাৰবি আংলঙৰ দৰেই ঝুম খেতি অধিক জনপ্ৰিয়। অৱশ্যে এঢলীয়া পাহাৰৰ অঞ্চলত Swideen আৰু শাৰীবদ্ধ (terrace) কৃষি পদ্ধতিও প্ৰৱৰ্তন কৰা হৈছে (People of India, Manipur, Vol. XXXI, K. S. Singh, General Editor, Anthropological Survey of India, Culcutta, 1998ৰ S.H.M. Rizvi ৰ Introducation, পৃ. 3। তেনেদৰে ঝুম প্ৰণালীৰ লগত জড়িত জনজাতীয় পৰিয়ালৰ সংখ্যা ৫৮,০০০ টা। নগা জনজাতিৰ বিভিন্ন উপগোষ্ঠী আংগামী, Khiamnagan চাং আদিৰ মাজত ব্যাপক সমাদৰ থকা এইবিধ কৃষি পদ্ধতিৰ ভূমিৰ মালিকী স্বত্ব ব্যক্তিগত, Khiamnagan আৰু চাংসকলৰ পৰিয়ালৰ মুৰব্বীগৰাকীয়েই ন্যায়সংগতভাৱে ঝুম খেতি ভূমিৰ ওপৰত নিয়ন্ত্ৰণ ৰাখে। (People of India, Nagaland, Vol, XXXIV, K. S. Singh, General Editor, Anthropological Survey of India, Cuicutta, 1994ৰ N. K. Dasৰ প্ৰবন্ধ, পৃ. 90 আৰু 103. কাৰবিসকলৰ কিন্তু ঝুম খেতিৰ ভূমিৰ ওপৰত ব্যক্তিগত মালিকানা নাথাকে। কাৰবি আংলং জিলাত ৪,১৫,০০০ হেক্টৰ মাটিত আৰু উত্তৰ কাছাৰ জিলাত ৮৩,০০০ হেক্টৰ মাটিত ঝুম কেতি কৰা হয়। ঝুম খেতিৰ লগত জড়িত পৰিয়াললৈ চালে আমি দেখিম যে, কাৰবি আংলং জিলাত ৪৫,০০০ টা আৰু উত্তৰ কাছাৰ জিলাত ১৩,০০০ টা এনে পৰিয়াল আছে। ডি. এন. মজুমদাৰ সম্পাদিত 'Shifting Cultivation in North-East India' (Omsons Publications, New Delhi, 1990)ত কন্দৰ্প কুমাৰ বৰ্মনৰ 'Shifting Cultivation in the Hills of Assam' শীৰ্ষক গৱেষণা - পত্ৰত দেখুওৱা হৈছে যে ১৯৯৭ - ৯৮ এই সময়ছোৱাত ২১,৮৫৩ হেক্টৰ মাটি কাৰবি আংলঙত ঝুম খেতিৰ বাবে ব্যৱহাৰ কৰা হৈছে। উত্তৰ কাছাৰ জিলাত এনে মাটিৰ পৰিমাণ, ৬, ৪৭৫ হেক্টৰ। ১৯৭৫ চনত প্ৰকাশিত অসম কৃষি আয়োগৰ প্ৰতিবেদনৰ পৰা এই তথ্য বৰ্মনে লৈছে। কাৰবি আংলং জিলাত ঝুম খেতিৰ ওপৰত বৰ্তি থকা পৰিয়ালৰ সংখ্যা ২০,০০০ আৰু উত্তৰ

কাছাৰ জিলাত ৭,০০০টা। বি. এন. বৰদলৈৰ 'Transfer and alienation of tribal land in Assam with special reference to the Karbis of the Karbi Anglong District' গ্ৰন্থ অনুসৰি ১৯৭১ চনৰ লোক গণনাৰ ভিত্তিত ১৯৭৬ চনত কাৰবি আংলঙত এনে পৰিয়ালৰ সংখ্যা ২৩,৪০০ টা পৰিয়াল বৰ্তি আছে। ১৯৭৯ চনত জিলাখনত এনে ২৩,৪০০ টা পৰিয়াল বৰ্তি আছে। ১৯৭৯ চনত জিলাখনত এনে সংখ্যা ২৯, ৪২৪ টা হ'বগৈ বুলি সমাজ বিজ্ঞানীয়ে ধাৰণা কৰিছিল। (ডি. এন. মজুমদাৰ সম্পাদিত 'Shifting Culrivation in North-East India,1990ত তন্ময় ভট্টাচাৰ্যৰ প্ৰবন্ধ 'Jhuming in Karbi Anglong' দ্ৰষ্টব্য)।

মাটিৰ মালিকী স্বত্ব অইনক দিয়া (land alienation) আৰু ঋণগ্ৰস্ততা কাৰবিসকলৰ জীৱনৰ অংগ যেন হৈ পৰিছে। তেওঁলোকৰ মাজত নিৰ্দিষ্ট ধনৰ বিনিময়ত মাটি লীজত দিয়াৰ এটি প্ৰৱণতা দেখা যায়। পাইকাচ প্ৰথা এই অঞ্চলৰ পৰা উঠাই দিয়া হৈছে যদিও ভাল কৃষিকৰ্ম কৰিবলৈ সমৰ্থৱানসকলেও সঘনাই আৰু নিয়মীয়াকৈ মাটি বন্ধকত দিয়ে। ২০০ পৰিয়ালৰ বিষয়ে চলোৱা সমীক্ষাত প্ৰকাশ পাইছে যে, ৮০% কাৰবি মানুহেই পাইকাচ প্ৰথাৰ মাটি বন্ধকী আৰু ঋণগ্ৰস্ততাত আৱদ্ধ (The People of Assam B. N. Das, Gyan Publishing House, Delhi, 1987)। কাৰবি আংলং জিলাৰ হাওৰাঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত ৪৩০ ঘৰ কাৰবি আৰু ৭২ ঘৰ অজনজাতীয় মানুহৰ মাজত চলোৱা আন এটা সমীক্ষাত দেখা হৈছে যে ১৮৭ টা পৰিয়াল অৰ্থাৎ ৪৩.৪৮% পৰিয়ালে ৮৫৯.৬২ একৰ মাটি মূলতঃ পাইকাচৰ খোই বন্ধক আৰু আধিত দিয়ে। কিছুমান ক্ষেত্ৰত বিক্ৰী, চুক্তি বন্ধক আৰু পৰৰ মাটি নিজৰ হাতলৈ নিয়া ঘটনাও ঘটে। সমীক্ষিত ৫ খন গাঁৱৰ কোনো ভূমিয়েই ৰাজহুৱা উদ্দেশ্যত ব্যৱহাৰ হোৱা নাই। ইয়াৰে কাৰবি মানুহে কাৰবি মানুহক নিজৰ স্বত্ব গতাই দিয়া ভূমিৰ পৰিমাণ ৩৮৬.৩১ একৰ মাটি। ১০৬ টা পৰিয়াল এই ক্ষেত্ৰত জড়িত। অস্থায়ীভাৱেই হওক বা স্থায়ীভাৱেই হওক জনজাতীয়ই জনজাতীয়ক মাটি হস্তান্তৰ কৰা কথাটো কাৰবি আংলং জিলা পৰিষদৰ ইতিমধ্যে বলবৎ হোৱা ভূমি আইন মতে নিষিদ্ধ নহয়। সেয়েহে জনজাতীয় মানুহে জনজাতীয় মানুহক ৩৮৫.৩১ একৰ মাটি হস্তান্তৰ কৰাটো আইনসন্মত। কিন্তু জনজাতীয় লোকে অজনজাতিৰ লোকক মাটি হস্তান্তৰ কৰা ঘটনাও আছে। দেখা গৈছে যে ৮১ টা জনজাতীয় পৰিয়ালে (মুঠ পৰিয়ালৰ ১৮.৮৩%) ৪৭৩.৩১ একৰ মাটি অজনজাতীয় লোকক মালিকী স্বত্ব হস্তান্তৰ কৰিছে। এই মালিকী স্বত্ব হস্তান্তৰ কৰা মাটিৰ পৰিমাণ পাঁচখন গাঁৱৰ কাৰবি পৰিয়ালৰ মালিকী স্বত্বৰ অধীনত ১৬.৯৬% আৰু মুঠ হস্তান্তৰিত মাটিৰ ৩৩.৯৮%। ৮১ টা কাৰবি পৰিয়ালৰ অজনজাতীয় লোকক নিজৰ মাটি হস্তান্তৰৰ পৰিমাণ ৬৪.৩৩% — এই পৰিসংখ্যাই সমস্যাটোৰ গভীৰতা অনুধাৱন কৰাত সহায় কৰিব। এনেকৈয়ো ক'ব পাৰি যে, এই পৰিয়ালকেইটাৰ হাতত ৩৫.৬৭% মাটিহে আছে আৰু তেওঁলোক প্ৰায় ভূমিহীনত পৰিণত হৈছে। (Transfer and alienation of tribal land in Assam with special reference to the Karbis of the Karbi Anglong District, Guwahati, 1991)

জনসংখ্যা বৃদ্ধিৰ লগে লগে ঝুম চক্ৰ চমু হৈ পৰিছে। ইয়াৰ উপৰিও উৰ্বৰা শক্তি হেৰুৱাই পেলোৱাৰ ফলত উৎপাদন ক্ষমতা কমি গৈছে। চমুকৈ ক'বলৈ গ'লে ভূমি আৰু মানুহৰ অনুপাত সমানুপাতিক হোৱা নাই। ফল স্বৰূপে ঝুম কৃষি পদ্ধতিৰ বাবে গুৰুত্বৰ ভূমিস্খলন, বনানিৰ ধ্বংসকৰণ আৰু সামগ্ৰিকভাৱে পাৰিপাৰ্শ্বিক ক্ষেত্ৰত ব্যাপক ভাৰসাম্যহীনতাই দেখা দিছে।

'সমন্বিত ঝুম - কৃষক বিকাশ আঁচনি' (Integrated Jhumia Development Programe)ৰ ঝুম নিয়ন্ত্ৰণত প্ৰভাৱ সম্পৰ্কে জৰীপ কৰিবলৈ ১০খন গাঁও বাচি লৈ "Impact of the Integrated Jhumia Development Programme on the Hill Tribes of Assam : A Case Study among the Karbis" শীৰ্ষক গৱেষণা প্ৰকল্প চলোৱা হৈছিল। ইয়াৰ সমীক্ষাৰ পৰা দেখা গৈছে যে 'সমন্বিত ঝুম - কৃষক বিকাশ আঁচনি'য়ে ঝুম নিৰ্ভৰ পৰিয়ালবোৰৰ পৰা আশানুৰূপ সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে। ঝুম খেতিৰ পৰিৱৰ্তে এটা সুস্থিৰ জীৱিকা পদ্ধতিৰ ফালে আকৰ্ষিত কৰাই এই আঁচনিৰ মুখ্য উদ্দেশ্য আছিল। এইখিনিতে ডি. এন. মজুমদাৰে এইবিধ খেতিয়ক সম্পৰ্কত লক্ষ্য কৰা এটা আমোদজনক তথ্য সদৰি কৰিব পাৰি ঃ স্থায়ী পদ্ধতিৰ সমান্তৰালকৈ এই খেতিয়কসকলে ঝুম প্ৰণালীৰ খেতিও কৰি যায়। কাৰণ ঝুমতলীত উৎপাদিত আদা, কপাহ, পাহাৰীয়া মৰাপাটে তেওঁলোকক স্থায়ী এটা উপাৰ্জন আগবঢ়ায়। মহিলাসকলকো এই প্ৰণালীৰ জৰিয়তে শ্ৰমত নিয়োজিত কৰিব পৰা যায়।

জনজাতীয় বৈশিষ্ট্য লোপ পোৱাৰ আশংকা আঁতৰাই এই আঁচনিৰ ফালে কৃষকসকলক অধিকতৰ আকৰ্ষিত কৰিব পৰাটোতে ইয়াৰ সাৰ্থকতা বহুলাংশে নিৰ্ভৰ কৰিছে আৰু কাৰবি অৰ্থনীতিও ইয়াৰ জৰিয়তে বলিষ্ঠ হ'ব বুলি আমি ব্যক্তিগতভাৱে ভাবোঁ।

(ডক্টৰ গিৰীন্দ্ৰনাথ দাসৰ গৱেষণা গ্ৰন্থ "Swideen Cultivation and Development Programme in North-East India" (Akansha Publishing House, New, Delhi, 2001) ৰ পৰাই মূলতঃ সহায় লৈ এই প্ৰবন্ধটো লিখা হৈছে। মনোযোগী পাঠকে লক্ষ্য কৰিব যে কোনো কোনো ক্ষেত্ৰত প্ৰায় অসমীয়া ভাঙনিয়েই সন্নিৱিষ্ট হৈছে। অৱশ্যে দৃষ্টিকোণখিনি লিখকৰ সম্পূৰ্ণ নিজস্ব।

— লিখক)

*(লেখক ড° আহমেদ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰিডাৰ)*

# গোৱালপাৰা জিলাৰ লোক কৃষ্টিৰ বিকাশত অন্তৰায় আমাৰ উদাসীনতা

মুকুল ৰাভা

পূৰ্বভাৰতত অসমৰ মাটিত বায়ু, পানী, নৈ নিজৰা, পাহাৰ ভৈয়ামৰ ভৌগোলিক অবয়ৱ বৰলুইতৰ চাপৰি, মাজুলীৰ দৰে নদীমাতৃ দ্বীপ যাক পৃথিবীৰ সৰ্ববৃহৎ নদী দ্বীপ বুলি কোৱা হয়। বৃহৎ বন্যভূমি অভয়াৰণ্য, জীৱজন্তুৰে পৰিপূৰ্ণ মানাহ, কাজিৰঙা, নানা জাতি-উপজাতিৰ বাসভূমি বৰ অসম, ভাষা সাহিত্য, ৰংচঙীয়া লোক কৃষ্টিৰ অফুৰন্ত সমন্বয়ৰ সমাৱেশে বিৰাজ কৰি আছে। যিখন দেশত পাঁচশ বছৰৰ আগৰে পৰা শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ আৰু আঁজান ফকিৰৰ দিনৰ সৃষ্টিৰাজি-বৰগীত, অংকীয়া ভাওনা, নামঘোষা, জিকিৰ-জাৰিৰ সুন্দৰ সমাৱেশ, বিভিন্ন জনগোষ্ঠীয় সতোবৰণীয়া কলা কৃষ্টিৰ ঐক্য, সম্প্ৰীতিৰ উজ্জ্বল চানেকী আজিও য'ত জ্যোতিষ্মান হৈ আছে, আগলৈকো থাকিব। হিন্দু মুছলমান ব্ৰাহ্মণ ক্ষুদিৰ, জাতি-উপজাতি, পাহাৰ ভৈয়ামৰ স্বকীয় বৈশিষ্ট্যপূৰ্ণ লোক কলাৰ মিশ্ৰিত সমলেৰে গঢ় লৈ উঠিছে বৰলুইতৰ দুয়োপাৰে বৃহৎ অসমীয়া সংস্কৃতি। এই বৃহৎ অসমীয়া সংস্কৃতিৰ ভড়ালত অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত অবিভক্ত গোৱালপাৰা জিলাৰ কলা-কৃষ্টি অৰিহণা কোনো গুনেই কম নহয় নিশ্চয়। তাৰ জলন্ত সাক্ষ্য বহন কৰি আহিছে-নিম্ন-উল্লেখিত গীতৰ তিনিফাঁকি কথা আৰু শিল্পীৰ পৰিচয়।

ক) আৰে, গেইলে কি আসিবেন

মোৰ মাহুত বন্ধুৰে ......... পদ্মশ্ৰী লোক শিল্পী প্ৰতিমা পান্দে বৰুৱা

খ) হাচু ছুবায়ী আং

বৰং নেতে টংবায় ...... ৰাষ্ট্ৰীয় বঁটা বিজেতা লোক শিল্পী ৰাজেন পাম।

গ) বাগুৰুম্বা হাই বাগুৰুম্বা ....... ৰাষ্ট্ৰীয় বঁটা বিজেতা লোক শিল্পী কামিনী নাৰ্জাৰী।

অবিভক্ত গোৱালপাৰা জিলাৰ নৈ নিজৰা, দৈনন্দিন জীৱন ধাৰণৰ লগত ৰাজ পৰিয়ালৰ হাতীৰ মাউতৰ লগত থকা সাধাৰণ প্ৰেমৰ ঘটনাৰাজি, বড়ো জনসমাজৰ লোক নৃত্যৰ ৰূপত ৰহন চ'ৰা লোক কৃষ্টিৰ সমলৰ জৰিয়তে বৃহৎ অসমীয়া সংস্কৃতিৰ চোতালত নিশ্চয় স্থান নোপোৱাকৈ থকা নাই। কিন্তু ভাৰতবৰ্ষৰ ৫৬ টা বছৰ স্বাধীনতা অতিক্ৰম কৰাৰ পিছতো আজি অবিভক্ত গোৱালপাৰা জিলাৰ লোক কৃষ্টিৰ বিকাশ সন্দৰ্ভত যদি আমি পৰ্যালোচনাৰে চাবলগীয়া হয় তেনেহলে বহুতো আত্মসমালোচনাৰেহে আগবাঢ়িব লাগিব। আমাৰ লোক কৃষ্টিৰ দিশত বিকাশৰ ক্ষেত্ৰত কাৰোবাৰ প্ৰতিবন্ধকতা আছে নে আমি চৰকাৰী পৃষ্ঠপোষকতা লাভকৰা নাই, নে জনসাধাৰণৰ সঁহাৰি লাভ কৰা নাই, নে আমি নিজে নিজে চেষ্টাৰ ত্ৰুটি কৰা হৈছে। গোৱালপাৰীয়া লোক গীত বুলি কলে বা গোৱালপাৰীয়া লোকগীতৰ কথা প্ৰসংগ আহি পৰিলে পোন প্ৰথমে প্ৰতিমা পান্দে বৰুৱাৰ কথাই আহি পৰে। সি যিকি-নহওক, গোৱালপাৰীয়া লোক সংস্কৃতি বা লোক কৃষ্টিৰ কথাৰ দিশত গোৱালপাৰীয়া লোকগীত বা লোক নৃত্য অসমীয়া সংস্কৃতিৰ পথাৰত এক প্ৰধান অংশীদাৰ। তদুপৰি বিভিন্ন লোকনৃত্য, গীত আমাৰ আজিও প্ৰচলিত হৈ আছে যিবোৰ বিশেষভাবে আজি জনপ্ৰিয়তা লাভ কৰিবলৈ সুযোগ পোৱা নাই।

প্ৰথম কথা হ'ল গোৱালপাৰীয়া লোক কৃষ্টিৰ দিশত আমাৰ সৰ্বসাধাৰণ ৰাইজৰ মাজত কিবা প্ৰতিবন্ধকতা আছে নেকি? যদি আছে, সেয়ানো কি? যদি নাই তেনেহলে কিয় আমি সেই দিশত বিকাশ লাভ কৰিব পৰা নাই। দ্বিতীয় কথা-আমি চৰকাৰী পৃষ্ঠপোষকতা লাভ কৰিব পৰা নাই নেকি? যদি নাই কিয়? জনসাধাৰণৰ পৰা আন্তৰিক সঁহাৰি লাভ কৰিব পৰা নাই? যদি নাই, কিয়? এনে প্ৰশ্নবোধক কাৰক সমুহলৈ আমি মনোনিৱেশ কৰি চাব লাগিব। তেতিয়াহে হয়তো প্ৰকৃতাৰ্থত গোৱালপাৰীয়া লোক সংস্কৃতিৰ বিকাশ সঠিকভাবে নিৰ্ণয় কৰিব পৰা যাব।

মোৰ বোধেৰে গোৱালপাৰীয়া লোক কৃষ্টিৰ বিকাশ সাধন হোৱা নাই কথাষাৰ মানি ল'বলৈ টান। কাৰণ আজি গোৱালপাৰীয়া লোকগীতে বিশেষকৈ অসম তথা ভাৰতবৰ্ষৰ বহুতো ৰাজ্যত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। এয়া মোৰ বাস্তৱ অভিজ্ঞতাৰে ক'ব বিচাৰিছো। অৱশ্যে এটা কথা যদি-বহল দৃষ্টিভংগীৰে আমি চাওঁ-গোৱালপাৰীয়া লোক কৃষ্টি বুলি কলে কেৱল গোৱালপাৰীয়া লোক গীত বা নৃত্যই নহয়। একমাত্ৰ গোৱালপাৰীয়া লোকগীতক 'গোৱালপাৰীয়া লোক কৃষ্টি বুলি কোৱা হলে নিশ্চয় ভুল কৰা হ'ব। তথাপি ইও এক প্ৰধান অংশ। আনহাতে যদি আমি ভাবো যে-চৰকাৰী পৃষ্ঠপোষকতা আমি লাভ কৰা নাই, যাৰ বাবে হয়তো গোৱালপাৰীয়া লোককৃষ্টি বিকশিত হোৱা নাই। এইষাৰ কথাও শুদ্ধ নহয় যেন লাগে।

কাৰণ কোনো কোনো লোক শিল্পীয়ে ক'ব বিচাৰে যে একমাত্ৰ চৰকাৰী পৃষ্ঠপোষকতা আমি লাভ কৰা নাই, যাৰ বাবে হয়তো গোৱালপাৰীয়া লোককৃষ্টি বিকশিত হোৱা নাই। এইষাৰ কথাও যথাযথ শুদ্ধ নহয় যেন লাগে। কাৰণ কোনো এজন-লোক শিল্পীয়ে একমাত্ৰ চৰকাৰী পৃষ্ঠপোষকতাৰ জৰিয়তেহে যশস্যা বা খ্যাতি লাভ কৰা নাই। বৰঞ্চ চৰকাৰী পৃষ্ঠপোষকতা লাভ কৰিবলৈ যি কোনো লোক শিল্পীৰ নিজস্ব প্ৰতিভাৰহে আৱশ্যক দেখা যায়। তৃতীয় কথা এই যে-জনসাধাৰণৰ আন্তৰিক সঁহাৰি লাভ কৰা নাই। এই কথাই দৰাচলতে অধিক গুৰুত্বপূৰ্ণ কথা। জনসাধাৰণৰ বিপুল সঁহাৰি বা আন্তৰিকতা আবিহনে কোনো সৃজনশীল বিষয়বস্তুৰ প্ৰতি বা লোক কৃষ্টিৰ ওপৰত অধিক স্থায়ীত্ব লাভ কৰা সম্ভৱ নহয়।

এনেবোৰ বিষয় বস্তুৰ ওপৰত পৰ্যালোচনা কৰি চালে দেখা যায় যে — আমাৰ গোৱালপাৰীয়া লোক কৃষ্টিৰ বিকাশত কোনো কোনো লোকশিল্পীৰ নিজস্ব তৎপৰতাহে ইয়াৰ কাৰণ বুলি ক'ব পাৰি। ব্যক্তি বিশেষে ব্যক্তিগতভাবে কৰা আত্মপ্ৰচেষ্টা আৰু চিন্তাধাৰাহে একমাত্ৰ গোৱালপাৰীয়া লোক কৃষ্টিৰ বিকাশ তথা বহিৰ্জগতৰ মাজলৈ প্ৰতিনিধিত্ব কৰা বুলি কলেও অত্যুক্তি কৰা নহ'ব হয়তো। তাৰেই মাজত কত জনৰ কত কথা। কিমান সমালোচনাৰ সন্মুখীন হবলগীয়া হৈছে, ভুক্তভোগীয়েহে জানিব। লগতে দুই এক সাংস্কৃতিক সংস্থা বা কলা কৃষ্টিপ্ৰেমী দুই এজন অত্যুৎসাহী ব্যক্তিৰ প্ৰেৰণাইও হয়তো কিছু কিছু অৰিহণা যোগাইছে। উদাহৰণস্বৰূপে আমি নিশ্চয় কিছুমান লোক শিল্পীৰ নাম স্মৰণ কৰিবই লাগিব। গতিকে যি কোনো লোক কৃষ্টিৰ ক্ষেত্ৰত কোনোবা উল্লেখযোগ্য ব্যক্তি তথা লোক শিল্পীৰ নেৰা নেপেৰা চেষ্টা বা প্ৰতিভাৰ দ্বাৰাহে হয়তো বিকাশ সাধন কৰাটো সম্ভৱ হৈ উঠিব পাৰে। অৱশ্যে আশাশুধীয়া প্ৰচেষ্টা স্বকীয় প্ৰতিভা, কিছু চৰকাৰী সহযোগিতা আৰু জনসাধাৰণৰ সহাঁৰি এই তিনিওটাৰ পাৰস্পৰিক সহযোগিতাৰেহে যি কোনো লোক কৃষ্টিৰ বিকাশ সম্ভৱ হ'ব পাৰে।

এই পৰিপ্ৰেক্ষিততে কিছু কথা উল্লেখ কৰিব বিচাৰিছো যে যোৱা ১৯৯১ ইং চনৰ ৩ নভেম্বৰ দেওবৰীয়া আবেলি গৌৰীপুৰস্থ লোককৃষ্টিৰ পুৰোধা, লোকগীতৰ একচ্ছত্ৰী সম্ৰাজ্ঞী, সংগীত নাটক একাডেমী বঁটা বিজয়ী পদ্মশ্ৰী খিতাপ অৰ্জন কৰা প্ৰতিমা পাণ্ডে বৰুৱা বাইদেউৰ লগত নিড়িবিলিভাবে প্ৰায় বহুসময় ধৰি কথা পাতিছিলো পদাধৰ নৈৰ পাৰত বহি। উল্লেখযোগ্য যে-সেই তাহানি কালৰে পৰা প্ৰতিমা বাইদেউৱে কত কত কষ্ট লঘু লাঞ্চনা, অসমীয়াভাষী ৰাইজ আৰু নানা সংগঠনৰ জৰিয়তে ভোগ কৰিব লগীয়া হৈছিল কৈ গৈছিল অনৰ্গলভাবে। সৌ সিদিনাৰ অসমৰ বিদেশী বহিস্কাৰৰ আন্দোলনৰ সময়লৈকে গোৱালপাৰীয়া লোকগীত আৰু নৃত্যক অসমীয়া সংস্কৃতিৰ অংশ হিচাপে মানি লবলৈ কুণ্ঠাবোধ কৰিছিল। গুৱাহাটী আনাতাৰ কেন্দ্ৰত গীত গাবলৈ যাওতে কৈছিল সেয়া বঙলা ভাষাৰ গীত, কলিকতাত গীত গাবলৈ যাওতে কৈছিল সেয়া বাংলা গীত নহয়। এনে সন্ধিক্ষণত প্ৰতিমা পাণ্ডে বৰুৱা যেতিয়া দিক্‌ভ্ৰান্ত হৈছিল, তেতিয়া তেখেতক গোৱালপাৰীয়া লোক গীতৰ প্ৰচাৰ, জনপ্ৰিয়তা লাভৰ বাবে কোনো সংগঠন বা ব্যক্তিয়ে সঁহাৰি জনোৱা নাছিল। য'ত একমাত্ৰ আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ খ্যাতিসম্পন্ন বহু প্ৰতিভাৰ মহান শিল্পী ডঃ ভূপেন হাজৰিকাৰ দৰে ব্যক্তিৰ হস্তক্ষেপ অবিহনে অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰত আজি গোৱালপাৰীয়া লোকগীত বা নৃত্যই স্থান পোৱাৰ পৰাই বিৰত থাকিলহেতেঁন। এয়া প্ৰতিমা বাইদেউৰ নিজস্ব অভিব্যক্তি আৰু আবেগবিহুল অনুভূতিৰ এক প্ৰকাশ মাথোন। গতিকে দেখা যায় যিকোনো কলা কৃষ্টিক উপযুক্তভাবে বিকশিত কৰি জগত সভালৈ নিবলৈ হ'লে কোনোবা স্বভাৱ সুলভ লোক শিল্পী নাইবা কোনোবা কলা কৃষ্টি প্ৰেমী ব্যক্তিৰ প্ৰচেষ্টা অথবা সাংস্কৃতিক সংগঠন সমুহৰ দ্বাৰা অগ্ৰণী ভূমিকা লবই লাগিব। তেতিয়াহে হয়তো চৰকাৰী পৃষ্ঠপোষকতাৰ কথা আহি পৰিব। নহলে হয়তো এনেকুৱা কিছুমান কথা আহি পৰিব যে-সাংস্কৃতিক কৰ্মীৰ অভাৱত চৰকাৰী পৃষ্ঠপোষকতাই গুৰুত্ব লাভ নকৰি মূল বিষয় বস্তুৰ পৰা ফালৰি কাটি যাব। তাৰ স্পষ্ট প্ৰমাণ যে-তাহানি কালতে ডঃ ভূপেন হাজৰিকাই প্ৰতিমা পান্দে বৰুৱাৰ লগত দ্বৈতকণ্ঠত গাইছিল' গৌৰীপুৰীয়া গাভৰু দেখিলো, হাতী ধৰিবলৈ গৈ, হাতীও ধৰিলো — তাইকো মুহিলো-সাঁতুৰি গদাধৰ নৈ। ডঃ ভূপেন হাজৰিকাৰ কণ্ঠ আৰু পৰিচালনাত গোৱালপাৰীয়া লোকগীতে বহুতো চলচ্চিত্ৰত স্থান পাইছে। যেনে 'এৰা বাটৰ সুৰ', 'মাহুত বন্ধুৰে', 'পলাশৰে ৰং', 'গজমুক্তা' (বাংলা ছবি), তথ্যচিত্ৰ 'এলং দ্যা ৰিভাৰ ব্ৰহ্মপুত্ৰ' চুটি কাহিনী ছবি 'হস্তীৰ কন্যা' আদিত। শেহতীয়াভাবে ডঃ ভূপেন হাজৰিকাৰ সংগীত পৰিচালনা 'গজগামিনী' (হিন্দী)ত গোৱালপাৰীয়া লোকগীতৰ কথা আৰু সুৰৰ কিছু কিছু সংযোজনাই সমগ্ৰ ভাৰতবৰ্ষ তথা আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰিবলৈ সক্ষম হৈছে।

আনহাতে দেখা যায় ব্যক্তিগত প্ৰচেষ্টাতে গোৱালপাৰা জিলাৰ ৰাভা আৰু বড়ো জনগোষ্ঠীৰ স্বকীয় লোক কৃষ্টিয়ে অসম তথা ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় বহুতো মঞ্চত স্থান লাভ কৰি গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। গোৱালপাৰা জিলাত থকা বিভিন্ন জাতি গোষ্ঠীৰ স্বকীয় কলা কৃষ্টিক বাদ দিলে নিশ্চয় 'গোৱালপাৰীয়া লোক সংস্কৃতি' বোলা কথাষাৰৰ যথাৰ্থতা নুবুজাব। গতিকে আমি অভিবক্ত গোৱালপাৰীয়া লোক কৃষ্টিৰ কথা বুজিবলৈ হলে গোৱালপাৰীয়া লোক কৃষ্টি, লোক গীত আজি যিবোৰ আমি পাইছো, তদুপৰি বিভিন্ন জাতি-গোষ্ঠী সমুহৰকলা কৃষ্টিৰ সমষ্টিয়েহে 'গোৱালপাৰীয়া লোকসংস্কৃতি' বুলি ক'ব লাগিব।

অবিভক্ত গোৱালপাৰা জিলাৰ বাৰেবৰণীয়া লোক কৃষ্টিৰ সমল স্বৰূপে আমি পাওঁ বিভিন্ন জাতিগোষ্ঠী বড়ো, ৰাভা, গাৰো, হাজং, কোচ ৰাজবংশী আৰু বহুতো জাতিউপ-উপজাতিৰ পৰম্পৰাগত লোক কৃষ্টিৰ উপাদান সমুহ। আজি দুই দশকৰ আগৰ পৰা যদি জানিব বিচাৰো তেনেহলে ক'ব লাগিব যে-হয়তো একমাত্ৰ

গৌৰীপুৰ আৰু বিলাসীপাৰা অঞ্চলৰ দুই এক সাংস্কৃতিক দল হিচাবে গোৱালপাৰীয়া লোক গীত বা লোক নৃত্য পৰিৱেশন কৰি আহিছে অসমৰ দুই এখন চহৰ বা খুউব বেছি দুৰদৰ্শন কেন্দ্ৰযোগে দুই এটি নৃত্যগীত। আনহাতে কোকৰাঝাৰৰ আৰু দুধনৈৰ পৰা দুই এটি ৰাভা আৰু বড়ো লোক নৃত্য দলে হয়তো অসমৰ দুই এখন চহৰ বা গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰ যোগে দুই এটি ৰাভা, বড়ো লোক নৃত্য পৰিৱেশন কৰি আহিছে, ইমানেই। অন্যথা আন কোনো সংস্কৃতিপ্ৰেমী দুই এজন উদ্যোগী যুৱকৰ প্ৰচেষ্টাৰে খুউব বেচি কিছু আধুনিক শ্ৰব্য কেছেট আৰু ভিডিঅ কেছেট নিৰ্মান কৰি উলিয়াইছে। সেয়াই নিশ্চয় লোক সংস্কৃতিৰ বিকাশ বুলি মানি ল'ব নোৱাৰি। এনে পৰিপ্ৰেক্ষিপ্তত আমি আজি কি কৰা উচিত সেয়া চিন্তনীয় বিষয় হৈ পৰিছে।

অতীজৰে পৰা কিছুমান লোক কৃষ্টিৰ সাধকে বা সংগীত, নৃত্যৰ ওপৰত ধাউতি থকা লোকে স্বকীয় চিন্তা চৰ্চাৰে কাম কৰি গৈছে। যাৰ বাবে হয়তো আজি অসমীয়া সংস্কৃতিৰ বৰপথাৰত গোৱালপাৰীয়া লোক কৃষ্টিয়ে কিছু হলেও নিজকে চিনাকি দিবলৈ সক্ষম হৈছে। জ্ঞাত বা অজ্ঞাত, তেনে বহু সংস্কৃতিৰ সাধক সকললৈ সশ্ৰদদ প্ৰণিপাত জনাই উল্লেখ কৰিব বিচাৰিছো যে - আজি আমি এই লোক সংস্কৃতিৰ বহল প্ৰচাৰ বা বিকাশ কৰিবলৈ হলে অতি সহজে বৈজ্ঞানিক উপায় অৱলম্বন কৰিবলৈ সুবিধা লাভ কৰিছো। লাগে মাথো আমাৰ সৎ কৰ্ম কৰাৰ মানসিকতা আৰু ঐক্য। নহলে গোৱালপাৰীয়া লোক সংস্কৃতিৰ সমলবোৰ যেনে — কুষান, গোৱালিনী, বাঁশপূজাৰ গান, বেনাৰ গান, পদ্মপুৰাণ, ভাৰীগান, কাতি পূজাঁৰ নৃত্য গীত, বড়ো সকলৰ বৈশাগু, মৌছাগ্লাংনায়, চত্ৰলী, বাৰ্‌দৈচিখ্‌লা, ৰাভা সকলৰ-ফাৰ্‌কান্তি, খোক্‌চি, হাছোং, ছাথাৰ, গিৰকায়, ধাওৱা, পাংৱা, হাজং সকলৰ-লেওৱাটানা, চৰখেলা উছৱৰ নৃত্য গীত, গাৰোসকলৰ — কৃষিভিত্তিক নৃত্য ওৱানগালা আদি অতি জনপ্ৰিয় নৃত্য-গীত স্বত্তেও আজি কোনো ধৰণৰ কৰিয়গ্ৰাফ বা শৃংখলাবদ্ধ প্ৰনীলী অৱলম্বন নকৰাকৈ থকাটো অতি পৰিতাপৰ কথা হৈ পৰিছে। আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন শিল্পী তথা ৰাষ্ট্ৰীয় সংগীত নাটক অকাডেমীৰ দৰে ভাৰত চৰকাৰৰ সংস্থা এটিৰ মুৰব্বী পদৰী অধ্যক্ষৰ আসনত অধিষ্ঠিত ডঃ ভুপেন হাজৰিকাৰ ওচৰত আমি অনুগ্ৰহ বিচাৰি বা দাবীদাৰ হিচাপে আমাৰ লোক নৃত্য গীতৰ স্বীকৃতি লবলৈ অৱকাশ নোপোৱাটো অত্যন্ত দুৰ্ভাগ্যজনক কথা। তাৰ বাবে নিশ্চয় চৰকাৰী পৃষ্ঠপোষকতাৰ কথা নাহে-আহে আমাৰ সাংস্কৃতিক চেতনাবোধ, গুণগত মানদণ্ড আৰু উমৈহতীয়া প্ৰচেষ্টা মাথোন। তাৰ বাবে নিশ্চয় লাখ লাখ টকাৰ চান্দা বৰঙণি আমাৰ প্ৰয়োজন নহয়। লাগিব মাথোন আমাৰ লোক কৃষ্টিৰ বিকাশ সাধন কৰিবলৈ বিচৰা নিঃস্বাৰ্থ মন আৰু জাতি উপজাতিৰ ঐক্য সম্প্ৰীতিৰ কটকটীয়া বান্ধোন।

আজি অসমীয়া সাহিত্য সংস্কৃতিৰ বৰপথাৰত বিশেষ স্থান দখল কৰিব পৰা ব্যক্তি সকলৰ ভিতৰত মাত্ৰ মুষ্টিমেয় কিছুমান নাম আমাৰ মানস পটত জিলিকি থাকে। যেনে প্ৰয়াত নগেন্দ্ৰ নাৰায়ন চৌধুৰী, অনুকুল নাথ, ডঃ অন্নদানচৰণ দাস, অবিনাশ নাথ, ৰাজেন ৰাভা, ৰাজেন পাল, সুশীল ৰায়, উদ্ধৱ কলিতা, জিতেন ডেকা, বেগম কলিতা, ৰুকমল হাজৰিকা, তদুপৰি মোৰ অজ্ঞাতে হয়তোআৰু কিছু আছে। কিছু বছৰ আগত স্বৰ্গগামী হোৱা অন্নদা হাজৰিকা আদি ব্যক্তি সকলৰ সাহিত্য, সাংস্কৃতিক কৰ্ম-ৰাজিয়ে আমাক নিশ্চয় উৎসাহিত কৰিব: কিন্তু আজিৰ প্ৰজন্মই সাহিত্য সংস্কৃতিৰ দিশত বিশেষভাবে আত্মনিয়োগ কৰা আমি দেখিবলৈ নাপাওঁ কাৰণনো কি?

উদাহৰণ স্বৰূপে উল্লেখ কৰিব পাৰি যে — গোৱালপাৰা চহৰত গোৱালপাৰা জিলা অবিভক্ত অৱস্থাত থাকোতে 'অসম সাহিত্য সভা'ৰ অধিৱেশন অনুষ্ঠিত হৈছিল, আজিৰ পৰা প্ৰায় যোল্ল বছৰমান আগতে দুধনৈত 'অসম সাহিত্য সভা'ৰ অধিৱেশন অনুষ্ঠিত হৈছিল; কিন্তু আজি সেইবোৰ ঠাইত সাহিত্য সংস্কৃতিৰ লগত জড়িত ব্যক্তি তথা অনুষ্ঠান প্ৰতিষ্ঠান লেখতলবলগীয়া হিচাপে আমি বিচাৰি নাপাও। সেয়ে আজিৰ নৱ প্ৰজন্মৰ ওচৰত বিনম্ৰ অনুৰোধ জনাওঁ — বিজ্ঞজনৰ আদৰ্শ আৰু প্ৰকৃত শিক্ষাৰ অনুধাৱনেৰে আধুনিক শিক্ষাৰ প্ৰতি মনোনিৱেশ কৰিলেও সাহিত্য আৰু সাংস্কৃতিক কৰ্মৰাজিৰ লগতো খোজ মিলাই আগবাঢ়ি যাবলৈ প্ৰয়াস কৰিব লাগিব'।

'হাঁহি আৰু কান্দোন, চকুলোৰে মিলন-এয়ে হায় মানৱী জনম মানুহৰ জীৱনত এই কথাষাৰৰ যথাৰ্থতা আমি কোনেও নুই কৰিব নোৱাৰো। দৈনন্দিন জীৱনত মানৱ সমাজৰ ঘটনাবহুল সমস্যাবোৰ বৈয়াকৰণিক ভাষা আৰু স্বকীয় ধৰ্মৰে সজাই পৰাই লিখনিৰে প্ৰকাশ কৰিব পাৰিলেই সৃষ্টি হয় সুন্দৰ সাহিত্যৰ। দৈনন্দিন জীৱনৰ ঘটনাৰাজিৰে পৰিপূৰ্ণ কথাখিনিকে সুৰেৰে সজাব পাৰিলে হয় সুমধুৰ সংগীত। আনহাতে আমাৰ সমাজত দৈনন্দিন চলি থকা আচাৰ নীতি, পৰম্পৰাগতভাবে প্ৰচলিত গীতমাতে হয় লোক কৃষ্টি, লোকগীত, নাট ইত্যাদি। তেনে ক্ষেত্ৰত উৎসৱ পাৰ্বনৰ গীতমাত, লোক কৃষ্টিৰ পৰিপূৰ্ণতাৰে ঠাই খাই আছে অবিভক্ত গোৱালপাৰা জিলাখন। আমি মাথো ভালদৰে অধ্যয়ন কৰি, সংৰক্ষণ কৰি সুন্দৰভাৱে বিকাশৰ বাবে উমৈহতীয়া প্ৰচেষ্টাৰে আগবাঢ়ি যাব লাগিব। নহলে আমাৰ জিলাখনৰ সাহিত্য সংস্কৃতিৰ কোনো কাৰণতেই বিকাশ সাধন নহ'ব। সময় থাকোঁতে আমি অধিক সচেতন হ'বৰ হ'ল। আশা কৰো অভিজ্ঞ আৰু প্ৰবীণ সাহিত্য সংস্কৃতিৰ লগত আজিও ওতঃপ্ৰোতভাবে জড়িত সদাশয় কৰ্মী বৃন্দই নতুন প্ৰজন্মক উপযুক্ত পথা প্ৰদৰ্শন কৰি আগবঢ়াই নিয়াত প্ৰেৰণা যোগাব।

*(শ্ৰীযুত ৰাভা প্ৰাক্তন ছাত্ৰ আৰু বৰ্তমান অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ এজন বিষয়া)*

# ভাষাৰ সু-স্বাস্থ্যৰ বাবে জ্ঞান

কল্যাণ বৰপুজাৰী

মানুহৰ সহজাত চিন্তা শক্তি আৰু পৰিশ্ৰমৰ সন্মিলিত প্ৰচেষ্টাত অংকুৰিত হোৱা তৰংগৰাশিক জনসাধাৰণৰ মাজলৈ প্ৰবাহিত কৰা মাধ্যমেই হৈছে ভাষা। জ্ঞানৰ সকলো শাখা প্ৰশাখাই প্ৰদান কৰা পৰিপুষ্টিৰে ত্বৰান্বিত হৈ পুৰ্ণাঙ্গ প্ৰাপ্তিৰ অসীম দিশত ভাষাই গতি লাভ কৰে। ভাষা হৈছে এক বহুমাত্ৰিক তন্ত্ৰ (Multidimensional System)। ইয়াৰ দ্বাৰা সংঘতিত হোৱা জ্ঞানৰ প্ৰসাৰক আমি দুটা ভাগত বিভক্ত কৰিম :—

১. আনুষ্ঠানিক আৰু ২. অনা-আনুষ্ঠানিক।

সাহিত্য, সংস্কৃতি, ইতিহাসৰ ব্যাপকতা দুয়োটা শাখাতেই বিদ্যমান। যাৰ বাবেই স্বৰ্গীয় আব্দুল মালিক চাৰে সাহিত্যৰ পাঠদান কৰা সময়ত অভিযান্ত্ৰিক মহবিদ্যালয়ৰ ছাত্ৰও আহি সোমাইছিল। জোটাই জোটাই আখৰ পঢ়িব পৰা গৰখীয়া ল'ৰায়ো পঢ়ে স্বৰ্গীয় হিতেশ ডেকাৰ উপন্যাস।

অসমীয়া ভাষাৰ উজ্বল ভবিষ্যৎ কামনা কৰি ওপৰৰ কথাখিনিৰে পাতনি মেলা হ'ল।

স্কুল কলেজৰ পাঠ্যপুথিৰ বাহিৰেও কেনে ধৰণৰ গ্ৰন্থই বৌদ্ধিক শক্তি উৎপাদন (Generating Intellectual Energy) কৰাত অহিৰণা যোগাব পাৰে তাকে এই নিবন্ধত আলোচনা কৰিম আৰু সেই কাৰণেই ওপৰত উল্লেখিত জ্ঞানৰ প্ৰসাৰৰ অনা-আনুস্থানিক শাখাৰ মাজতে আমি সীমাবদ্ধ হৈ থাকিম।

কোনো এটা দ্ৰব্য উৎপাদন কৰিবৰ সময়ত উৎপাদকজনে চিন্তা কৰিব লাগিব ভোক্তাৰ ক্ৰয় ক্ষমতা আৰু মানসিক অবয়ৱৰ কথা। ইলেকট্ৰনিক মাধ্যমে প্ৰবেশ কৰাৰ আগলৈকে মানুহৰ মানসিক পুষ্টিৰ অন্যতম উপাদান আছিল কিতাপ আলোচনী আদি। বহাগ বিহু বা শাৰদীয় দুৰ্গোৎসৱৰ সময়ত প্ৰকাশ পোৱা আলোচনী বিলাকৰ যোগেদিয়েই আলবেয়াৰ কেমু, এলবাৰ্টো মৰাভিয়া আদি লিখকৰ ৰচনাৰ সোৱাদ পাইছিল। সেইবুলি ইলেকট্ৰনিক মাধ্যমে কিতাপৰ ৰজাৰ সংকুচিত কৰা কথাটো মানি লোৱা টান। দূৰদৰ্শনৰ যোগে উল্লেখযোগ্য ঘটনাৰ বিষয়ে গম পোৱাৰ পিছতো মানুহে বাতৰি কাকতৰ দোকানত ভিৰ কৰেহি। কাৰণ দৃশ্য শ্ৰব্য মাধ্যমৰ দ্বাৰা আহৰণ কৰা জ্ঞানে মানুহৰ কল্পনা শক্তিক কেতিয়াও অতিক্ৰম কৰিব নোৱাৰে।

দুৰ্ভাগ্যৰ বিষয় যে আন্তৰ্জাতিক ঘটনাৱলীৰ সুস্পষ্ট বৰ্ণনাসহ অসমীয়া ভাষাৰ কিতাপৰ সংখ্যা নগণ্য। আজি অসমৰ মানুহে কায়িক আৰু মানসিক ভাবেও বিশ্ব ভ্ৰমণ কৰে। দেশ-বিদেশৰ খা-খবৰ ৰাখে; কিন্তু অসমীয়া ভাষাৰ কিতাপৰ বিষয়বস্তু অসমৰ চাৰিসীমাৰ মাজতে আবদ্ধ হৈ আছে। সংখ্যাত সীমিত হলেও অনুৰাধা শৰ্ম্মা পূজাৰীয়া আমাক চাহেৰপুৰাৰ বৰষুণৰ মাজেৰে চাহেৰপুৰালৈ নিয়াৰ কাহিনী, জংগমৰ যোগেদি ব্ৰহ্মদেশৰ কাহিনী, ডিক্টনৰ পাতে পাতে মিজোৰামৰ হাবিত সোমোৱাৰ অনুভৱ কিম্বা অমূল্য বৰুৱাৰ অনুপম সৃষ্টি উখুনজংগা আদিয়ে আমাক অসমৰ সীমাৰ পৰা বাহিৰলৈ উলিয়াই নিবলৈ সক্ষম হৈছিল। পুনৰ দোহাৰিছো, অসমীয়া মানসিকতাই আজি বিশ্বভ্ৰমণ কৰিছে, গতিকে দূৰদৰ্শনৰ সীমাবদ্ধতাক অতিক্ৰম কৰি আমিও কিতাপৰ পাতে পাতে বিছাৰি পাব লাগিব ৰজাচ পিনিল্লাৰ নিষ্ঠুৰতাৰ সমানে বাৱাংকুইলাৰ নান্দনিক সৌন্দৰ্য, ফৰাচী বিপ্লৱৰ লগতে জানিব লাগিব ইউৰো টানেলৰ ইতিহাস কিম্বা বৃহৎ কুটিল ৰাজনীতিয়ে জুৰুলা কৰা আফ্ৰিকা, পশ্চিম এচিয়াকিম্বা বৰ্ণিঅ'ৰ মানুহৰ কথা। বৌদ্ধিক কুলীনতাৰ বাবে যি অপৰিহাৰ্য। সেয়া মানুহৰ মানসিক তৃপ্তিৰ কাৰণে ৰচিত কিতাপৰ মাজেৰে জ্ঞানৰ প্ৰচাৰ।

এতিয়া আহো মানুহে জীৱন জীবিকাৰ সন্ধান লাভ কৰিব পৰা কিতাপৰ বিষয়ে —

দ্বিতীয় বিশ্ব যুদ্ধত বিধস্ত হোৱা জাপান আদি বিশ্বৰ অন্যতম শক্তিশালী দেশ হিচাবে পৰিগণিত হোৱাৰ গুৰিতে আছে মাতৃভাষাত জ্ঞানৰ চৰ্চা। চুবুৰীয়া বংগদেশতো ৰবীন্দ্ৰনাথ বা বংকিম চন্দ্ৰক লৈয়েই বাংলা ভাষাই বিশ্বজয় কৰা নাই। সেই সকল নমস্য ব্যক্তিৰ প্ৰতি শ্ৰদ্ধা সহকাৰে ক'ব লাগিব যে বাংলা ভাষাই প্ৰাণ পাই উঠাৰ মূলতে হৈছে ব্যাপক জ্ঞানৰ চৰ্চা। ডাইৰেক্টৰী পঞ্জিকাৰ পৰা হোমিঅপেথি চিকিৎসা লৈকে, ঘড়ী-ৰেডিঅ' মেৰামতিৰ পৰা আন্তৰ্জাতিক বাণিজ্যলৈকে সকলো বিষয়ত বাংলা ভাষাৰ কিতাপ সহজলভ্য। অথচ এইবিলাক কোনো পাঠ্যপুথি নহয় আৰু এনে কিতপেই গঢ়ি তুলিছে এক বিৰাট কৰ্মবাহিনী।

অসমত সৰ্বদা বাঢ়ি অহা দ্ৰব্যৰ ভিতৰত অন্যতম হৈছে দু-চকীয়া আৰু চাৰি-চকীয়া বাহন; কিন্তু এনে ধৰণৰ যন্ত্ৰৰ মেৰামতিৰ

বাবে অসমীয়া ভাষাত কিতাপ আমাৰ চকুত পৰা নাই। তেনেদৰে ৰিফ্ৰিজাৰেটৰ, এয়াৰকুলাৰ, ৱাচিং মেচিনকে ধৰি বিভিন্ন ধৰণৰ হোম এপ্লায়েঞ্চ সমূহৰ বিষয়ে অসমীয়া ভাষাত ৰচিত হোৱা কিতাপে দেশত এটা যন্ত্ৰ বিপ্লৱৰ সুচনা কৰিব। (Top dead centre, bottom dead, Menifold, differential, propeller shaft) আদিৰ অসমীয়া প্ৰতিশব্দ নকৰি তেনেদৰে ৰাখি চিত্ৰসহ বৰ্ণনা কৰিলে এজন সাক্ষৰ মানুহে বুজি পাব বুলি আমাৰ বিশ্বাস। দেশৰ লক্ষাধিক কৰ্মহীন মানুহে এনেধৰণৰ কিতাপৰ মাজেৰেই বিচাৰি পাব কৰ্মসংস্থাপনৰ বাট।

সেইদৰে নিৰ্মাণৰ লগত জড়িত যেনে ঘৰ-দুৱাৰ, ৰাস্তা-ঘাট, দলং আদি নিৰ্মাণ কেনেকৈ কৰে, কৃষি তথা কৃষি অভিযান্ত্ৰিক জ্ঞান, উৎকৃষ্ট দ্ৰব্য উৎপদন কৰি উপযুক্ত বজাৰৰ সন্ধানৰ বিষয়ে বাণিজ্যৰ জ্ঞান ইত্যাদিৰ কিতাপে আজি গোটেই অসমলৈ কঢ়িয়াই আনিব পাৰে এক বৈপ্লাবিক অৰ্থিক পৰিবৰ্ত্তন।

মুঠৰ ওপৰত অসমৰ সকলো অনুষ্ঠান প্ৰতিষ্ঠান, সুধী সমাজে আজি হাতে কামে লাগিবৰ হ'ল। অন্যথা সাহিত্য সভা পাতি, জোনাক নিশা কবিতা মাতি আমি অসমীয়া ভাষাক জগত সভালৈ নিব নোৱাৰো। আজি প্ৰয়োজন হৈছে মাতৃভাষাত জ্ঞানৰ চৰ্চা লাগিলে সি স্কুটাৰ মেৰামতিৰ জ্ঞানেই হওক কিম্বা হোমিঅপেথিক চিকিৎসাৰ জ্ঞানেই হওক।

কিতাপৰ উপৰিও মাতৃভাষাত জ্ঞানৰ প্ৰচাৰৰ বাবে অন্য এটা মাধ্যম হৈছে দৃশ্য শ্ৰব্য মাধ্যম। যিকোনো বিষয়ত তাত্বিক আৰু প্ৰায়োগিক জ্ঞান সম্পন্ন ব্যক্তিৰ বক্তৃতা তথা বিষয়টোৰ দৃশ্যাৱলী কেমেৰাৰ সহায়েৰে বাণীবদ্ধ কৰি কম্পেক্ট ডিস্ক্ নাই ডিজিটেল ভিডিঅ ডিস্ক্ তৈয়াৰ কৰি তাক জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিলে উপকাৰ সাধন হ'ব। অতি আধুনিক এই বিধ মাধ্যমক কিতাপৰ লগতে ব্যৱহাৰ কৰিলে যিকোনো বিষয়ত দৰ্শক তথা পঢ়ুৱৈ জনে বিষয়টোৰ ওপৰত সম্যক জ্ঞান লাভ কৰিব বুলি আমাৰ দৃঢ় বিশ্বাস। স্কুল কলেজ আদিত এই ব্যৱস্থা প্ৰচলন কৰিলে আদৰ্শ শিক্ষক সকলৰ পাঠদানৰ নমুনা চিৰযুগমীয়া হৈ ৰ'ব।

আশাকৰো মাতৃভাষাৰ উন্নতিৰ লগতে এতিয়াৰ পৰাই সংশ্লিষ্ট ব্যক্তি বিশেষে হাতে কামে লাগি জাতিটোৰ সেৱা আগবঢ়াব।

*(শ্ৰী বৰপূজাৰী দুধনৈ মহাবিদ্যালয়ৰ গণিত বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা)*

# গোৱালপৰীয়া জনজীৱনত শীতলা আই

ড° ভৈৰৱ অধিকাৰী

।। শ্ৰীশ্ৰী শীতলায়ৈ নমঃ।।

প্ৰণাম ঃ "নমামি শীতলাং দেৱীং ৰামভস্থাং দিগম্বৰীম্
মাৰ্জ্জনীকলসোপেতাং সুৰ্পলঙ্কতমস্তকাম।।"

অসমৰ পশ্চিম দিশত অৱস্থিত গোৱালপাৰা এখন জাতি, জনজাতিৰে পৰিপূৰ্ণ পুৰণি ঐতিহ্যমণ্ডিত সংস্কৃতি সম্পন্ন জিলা। জিলাখনৰ সাংস্কৃতিক দিশ তেনেই সমুজ্জ্বল। স্ৰোতস্বিনী নৈৰ সদৃশ লোক-সংস্কৃতি গোৱালপৰীয়া লোক-সমাজত পূৰ্বৰ পৰাই বিৰাজমান। পৰম্পৰাগতভাৱে গোষ্ঠীভেদে প্ৰচলিত লোক-সংস্কৃতি গোৱালপৰীয়া লোক-জীৱনত বাৰুকৈয়ে প্ৰভাৱপুষ্ট। লোক সমাজৰ সামাজিক নীতি-নিয়মৰ উপৰিও অজনজাতি, জনজাতিৰ মাজত প্ৰচলিত দেৱ-দেৱীৰ পূজা-অৰ্চনাই গোৱালপৰীয়া লোক-সংস্কৃতিক সমৃদ্ধ কৰি ৰাখিছে। এই ক্ষেত্ৰত অন্যান্য দেৱ-দেৱীৰ লগতে 'শীতলা আই'ৰ নামোল্লেখ তেনেই অপৰিহাৰ্য। গোৱালপৰীয়া জন জীৱনত 'শীতলা আই'ৰ নাম বিশেষ তাৎপৰ্যপূৰ্ণ। এই শিতানত তাৰেই চমু আভাস দিয়াৰ প্ৰয়াস কৰা হৈছে।

ভগৱতী আইয়ে শীতলা আই নামেৰে পৰিচিত। বসন্ত বেমাৰৰ সৈতে সংগতি ৰাখি গোৱালপাৰা জিলাত শীতলা আই গোসানীক ফুল, তুলসী, দুবৰি বন, বেলপাত, ধূপ, ধুনা, দধি, দুগ্ধ, ঘিউ, মৌ, শৰ্কৰা আদিৰে পূজা কৰাৰ প্ৰচলন পুৰণি দিৰ পৰাই প্ৰচলিত হৈ আহিছে। বসন্ত বেমাৰে কাৰোবাৰ দেহত দেখা দিলে গৃহস্থই গা-পা ধুই তিতা কাপোৰেৰে আগলতি কলপাতত ফুল, তুলসী, চাউল, দুবৰি বনৰ থাপনা পাতি বেমাৰীৰ আৰোগ্য কামনা কৰে আৰু আৰোগ্যৰ অন্তত 'আই বিদেকী' দিয়াৰ মানস কৰি সেৱা লয়। ইয়াৰ বাবে জন বিশ্বাসৰ ওপৰত ভিত্তি কৰি 'কাচা খাইতী' আইকে ধৰি 'বাৰবাসী আই'ৰ নামত গোৱা গীতবোৰেই শীতলা আইৰ গীত বা 'আই বিদেকী'ৰ গীত বুলি গোৱালপৰীয়া জন সমাজত প্ৰচলিত। ভক্তি প্ৰধান এই গীতৰ আৰম্ভণিতে কাহিনী গীত গোৱা হয়। কাহিনী গীতৰ ভাগে ভাগে আইসকলে গীত পৰিবেশন কৰি ভক্তিৰ পৰিবেশ সৃষ্টি কৰে। কাহিনী গীতৰ কথা এনে ধৰণৰ —

"অ আই উপজিলা, তিলো আই,
চৈতৰ মাহতে আই ঋতু শীলন পালা।
বৈহাগৰ মাহত আই গৰ্ভে ৰহিলা।"

দহমাহ দহ দিন গৰ্ভ ধাৰণ কৰি মাতৃয়ে আইক জন্ম দিলে। জন্মৰ দিনাখন পিতৃদেৱ গৃহত নাছিল। লাহে লাহে আই ডাঙৰ-দীঘল হ'ল। পিতৃৰ পৰিচয় বিচৰাত আইক শিৱৰ জীয়ৰী বুলি কোৱা হ'ল। পিতৃৰ সন্ধানত আই গোসানী তেতিয়া ৰথত উঠি কৈলাসত থকা শিৱৰ কাষলৈ উৰা মাৰিলে। গীতৰ কথাত ইয়াক এনেদৰে বৰ্ণোৱা আছে—

দশ মাহে দশ দিনে গৰ্ভে দিলা ঠাঁই
আই উপজীৱৰ দিনা বহুত বিলাই।
আই উপজীৱাৰ দিনা শিলে বৰষিলা
আকাশৰ দেৱগণে উৰুলি মাৰিলা।
ঢাক ঢোল মৃদং আপুনি বাজিলা
আই উপজীৱাৰ দিনা শিলে বৰষিলা।।
পাঁচ দিনাৰ মূৰত আই পাচতি কৰিলা
মাহ দিনাৰ মূৰত আই ঘৰ শুধি কৰিলা।
বাপৰ পুষ্প কথা মাক সুধিলা
মোতে ৰহি গেইছে বাপে কৈলাসক লাগিন।
এহি বুলি আই আৰু নাথাকিলা ৰহিয়া
আগে পাছে ললাক দাসী মাজত চলিলা।।

আই গোসানী ৰথত উঠি শিৱৰ কাষ পালে। কৈলাসত থকা শিৱৰ কাষ পাই আইয়ে নিজক শিৱক জীৱৰী বুলি পৰিচয় দিলে। গীতৰ কথাত এনেদৰে প্ৰকাশ পাইছে —

"কবাৰ এটা জীৱ আইছে মোৰ কাষৰ লাগিন।
কাৰ ঘৰৰ জীয়ৰী আই, কাৰ ঘৰৰ বোৱাৰী
সইতে সইতে কওঁ আই শিৱৰ জীয়ৰী"

আই গোসানীৰ কথা শুনি শিৱই ততালিকে পাৰ্বতীক কথাখিনি সুধিবৰ বাবে তাইক (গোসানীক) বহিবলৈ কৈ ৰথত উঠি কৈলাসৰ পাৰলৈ উৰা মাৰিলে। গীতৰ কথাই এনেদৰে বৰ্ণাইছে —

"বহি থাকা তুমি এতে সুধি আহো যাই

এৰি দিলাক ৰথখান গগনে উৰাই।
নিমিষতে পালা যাই কৈলাসৰ পাৰ
দেখে যে পাৰ্বতী আছে দিগৰাও জুৰি।।
নাকান্দিবি পাৰ্বতী কান্দান ক্ষমা কৰ,
কবাৰ এটা জীৱ গেইছে মোৰ কাষক লাগিন।
মোৰ আগে কইছে যাই মোৰ জীৱ বুলি
সইতে সইতে কওঁ গুৰু শিৱৰ জীয়ৰী।।

পাৰ্বতীৰ মুখত এই কথা শুনাত শিৱই তেতিয়াই ৰথত উঠি মানাহৰ পাৰ পালে। গীতৰ কথাত শিৱই গোসানীক এনেদৰে প্ৰকাশ কৰিছে —

"এৰি দিলা ৰথখান গগনে উৰালাক
নিমিষতে পালা যাই মানাহৰ পাৰ।
লালিতে নাপালুঁ আই তোক পালিতে না পালু,
সোঁহাতে আই তোক দান নকৰিলু
দুৰাৰ ছোৱালী আই বালিত এৰিলু।।"

শিৱৰ মুখত এনে বাক্য শুনাৰ পিছত আইয়ে বৈ নাথাকিল। লগে লগেই স্নান কৰিবলৈ পানীত নামিল। গীতৰ কথাই এনেদৰে বৰ্ণাইছে —

এহি বুলি আই আৰু নাথাকিলা ৰৈয়া
পাতামান পানী আই তাই পাতা পাখলিলা।
গাঁঠিমান পানী আই তাই গাঁঠি পাখলিলা,
ডিমামান পানী আই তাই ডিমা পাখলিলা,
আঠুমান পানী আই তাই আঠু পাখলিলা,
ফেৰামান পানী আই তাই ফেৰা পাখলিলা
পেটমান পানী আই তাই পেট পাখলিলা
বুকুমান পানী আই তাই বুকু পাখলিলা
স্তনমান পানী আই তাই স্তন পাখলিলা,
গলমান পানী আই তাই গল পাখলিলা,
চকুমান পানী আই তাই চকু পাখলিলা,
কপালমান পানী আই তাই কপাল পাখলিলা
মূৰমান পানী আই তাই সাত ডুব মাৰিলা।"

গা-পা ধুই উঠি আইয়ে আহি আ-অলঙ্কাৰ পিন্ধিলে। দেহৰ প্ৰতি অঙ্গতে অলঙ্কাৰ পিন্ধাৰ কথা গীতৰ মাজত এনেদৰে প্ৰকাশ পাইছে —

"স্নান কৰি উঠি আই কপালে পিন্ধিলাক
তিলকৰ ফোঁটা।
মূৰত পিন্ধিলাক আই
মালতী জোপা।।
কাণত পিন্ধিলাক আই কাণৰ কুণ্ডল।
নাকত পিন্ধিলাক আই নাক জেঠীফুল।।
গলত পিন্ধিলাক আই সাতো ধেলী হাৰ।
বাহুত পিন্ধিলাক আই সোণাৰ জাপতাৰ।।
হাতত পিন্ধিলাক আই সোণাৰ কঙ্কণ
দশ আঙুলিত পিন্ধিলাক আই সোণাৰ আঙুঠি।
কমৰে পিন্ধিলাক আই পাটৰ শাৰীখানি।
পাৰাত পিন্ধিলাক আই পাৰাৰ লেমপুৰ

ইয়াৰ পিছত আই গোসানী যাতে নিজ গুণে সন্তুষ্ট থাকে তাৰ বাবে খোৱা আৰু শোৱাৰ কথা গীতৰ মাজত এনেদৰে উল্লেখ কৰিছে —

"জগৎ তাৰিণী আই, জগৎ তাৰিণী,
আপোনাৰ নামে আপুনি আই
তাতে সন্তোষ হবি।
খাবাকে দিলা আই ভোগ ধানৰ চিৰা
পানীকে দিলাক আই সোণাৰ ঝাৰিত পানী।।
মুখ শুধিকে দিলা ক আই কৰ্পূৰ তামুল
খৰিকাকে দিলাক আই সোণাৰ খৰিকা।
শুৱাকে দিলাক আই সোণাৰ সিংহাসন,
জগৎ তাৰিণী আই, জগৎ তাৰিণী
আপোনাৰ নামে আপুনি আই তাতে সন্তোষ হবি।।"

আই গোসানীৰ প্ৰতি এনে ধৰণৰ ব্যৱস্থা কৰাৰ অন্তত গোটেই কেইজনী বাই-ভনীয়ে মানুহৰ নগৰখন চাই আহিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। গীতৰ মাজত ইয়াৰ বৰ্ণনা এনেদৰে আছে —

"আই দেৱী গোসানী আই,
ডাঙাৰ আই বোলেৰে মইও যাং আই—
মনিষৰ নগৰখান চাই আহোঁ যাই।
সুইখাৰ ঘৰত যাবি আই দিব্য বস্তু পাবি
দুইখাৰ ঘৰত যাবি আই ফুল তুলসী পাবি।।
তাকে খাই সন্তোষ হবি জগতৰ আই।
সৰু আই বোলেৰে মইও যাং বাই
মনিষৰ নগৰখান মইও চাই আহো যাই।
শীতলা আই বোলেৰে মইও যাং বাই
মনিষৰ নগৰখান চাই আহোঁ যাই।
সুইখাৰ ঘৰত যাবি আই দিব্য বস্তু পাবি
দুইখাৰ ঘৰত যাবি আই ফুল তুলসী পাবি।।
তাকে খাই সন্তোষ হবি জগতৰে আই।"

নগৰখন চাই আঁহো বুলি যেতিয়া নদীত জাপ দিলে তেতিয়া নদীত নাওঁ বাই থকা জালুৰৈৰ জালত পৰি জাল চিঙি তনি ভাঙি নাওঁ পানীত বাগৰি পৰিল। আইয়ে গৈ কোনোমতে পাৰত উঠিল; জালুৰৈয়ে আইক আগ ভেটি ধৰিলে। গীতৰ মাজত ই এনেদৰে প্ৰকাশ পাইছে —

"এই বুলি আই আৰু নাথাকিলা ৰৈয়া
ধাপ ধুপ কৰি আই নদীত নামিলা।
এহি বুলি জালুৱৈ নাওঁখনি দহাক লগিন বাইয়ে
ধাপ ধুপ কৰি আই মাজত সাতুৰে।
দণ্ডিলাক আমাকে, জাল চিঙি তনি ভাঙি
নাওঁ পৰিল বাগৰি,
এহি বুলি আই যাই তৰিত উঠিলা।।
আগুৰিলাক জালুৱৈ আগুৰিলাক আগে।
নুচুবি পপী তই নুঠু নাওঁতে।।"

আই গোসানীৰ কথাত জালুৱৈ স্তম্ভিত হৈ গোসানীৰ দেহৰ প্ৰতি অঙ্গৰে তুলনা সহকৰে এনেদৰে বৰ্ণনা দিবলৈ ধৰিলে —

"মূৰটা দেখোঁ আই জুনা নাৰিকল
কাপালখান দেখোঁ আই সূৰুঘৰ ছাতা।
পিঠিখান দেখোঁ অই ধোবাৰ ঘৰৰ পাটা
চকু দুটা দেখোঁ আই সৰগৰ তাৰা।।
নাকটা দেখোঁ আই সোনাৰ পাকৰা
জিভাখৰা দেখোঁ আই আল্‌ট্ৰ বৰণ।
গলট্টা দেখোঁ আই হংস বৰণ।।
বুকুখনে দেখোঁ আই চন্দন পিহা পাটা
পেট্টা দেখোঁ আই আমৰ ভাণ্ডাৰ।
কমৰখান দেখোঁ অই কেক্‌তিৰ ডিলা।
আঠুদুটা দেখোঁ আই সোণাৰে ঘিলা।।
ডিমা দুটা দেখোঁ আই কলফুল বৰণ
চৰণ দুখন দেখোঁ আই জগত তাৰিণী।
জগত তাৰিণী আই জগত তাৰিণী
আপোনাৰ নামে আপুনি তাতে সন্তোষ হবি।।"

এনেদৰে শীতলা আইৰ দেহৰ প্ৰতি অঙ্গৰে বৰ্ণনা দি শেষত 'বিদেকী'ৰ গীতেৰে শীতলা আইৰ নামৰ সামৰণি মৰা হয়। গীতৰ কথা এনেধৰণৰ —

"ফুল ফুলিছে কৈলাসৰ পাৰে।
নানান বৰণৰ ফুল ফুলে জমৎ কৰে।।
ডাঙাৰ আই আহিবাৰ বাতৰি পাই
ফুলিছে কাঠান্দা জকাইমকাই।
সৰু আই আহিবাৰ বাতৰি পাই
ফুলিছে ডুমফুক জকাই মকাই।
শীতলা আই আহিবাৰ বাতৰি পাই
ফুলিছে কেক্‌তি জকাই মকাই।
ভাণ্ডাৰ চাবাৰ চলে আই ভাণ্ডাৰৰ মাজে ৰইল,
বিদায় দিয়া আইয়ে গধূলি হ'ল।
গলি চাবাৰ চলে আই গলিৰ মাজে ৰইল
বিদায় দিয়া আইয়ে গধূলি হ'ল
পুথি চাবাৰ চলে আই পুথিৰ মাজে ৰইল,
বিদায় দিয়া আইয়ে গধূলি হ'ল।
ইঘৰৰ পৰা আই সি ঘৰত গ'ল
বিদায় দিয়া আইয়ে গধূলি হ'ল
আলো চাউল মুঠি মুঠি কাল তুলসীৰ পাত
বিদায় দিয়া আইয়ে গপুনী লওক বাট।
আলো চাউল মুঠি মুঠি কাল তুলসীৰ গুটি
বিদায় দিয়া আইয়ে গপুনী যাওক উঠি।।"

(বি. দ্ৰ. : পাঠকিনী সুভদ্ৰা কলিতাৰ সহায়ত কথাখিনি যুগুতোৱা হৈছিল।)

*(বাকাইটাৰী নিবাসী ড° অধিকাৰী প্ৰাক্তন শিক্ষক তথা গৱেষক)*

# চীন-তিবত ভাষাগোষ্ঠীৰ সুৰ-প্ৰধান্য আৰু বৰ্গীকৰণ এটি নৱতম মূল্যায়ন

জীৱেশ্বৰ কোচ

১.১ ঃ পৃথিৱীৰ ভাষা-পৰিয়ালৰ ভিতৰত ইণ্ড-ইউৰোপীয় পৰিয়ালটো জনসংখ্যা আৰু সাহিত্যিক-প্ৰাচীনতাৰ বাবে গুৰুত্বপূৰ্ণ। ইয়াৰ পিছতে, চীন-তিবত ভাষা-পৰিয়ালটো উল্লেখ কৰিব পাৰি। এছিয়াৰ এক বিস্তীৰ্ণ ভূ-খণ্ডত এই ভাষাসমূহ কোৱা হয়। ভাষা-বিজ্ঞানীসকলে স্বীকাৰ কৰিছে যে এই চীন-তিবত ভাষা-পৰিয়ালৰ বৰ্গীকৰণৰ ক্ষেত্ৰত অস্পষ্টতা আছে।

১.২ ঃ চীন-তিবত ভাষাগোষ্ঠীৰ অন্যতম শাখা হৈছে তিবত-বৰ্মী। দেখা গৈছে, ইয়াৰে যি শাখা হিচাবে বৰ্গীকৰণ কৰা হৈছে, সেই উত্তৰ-অসম শাখা সম্প্ৰতি অৰুণাচল আৰু ব্ৰহ্মদেশৰ নামো এতিয়া ম্যানমাৰ। দৰাচলতে, এই বৰ্গীকৰণ বা শ্ৰেণীবদ্ধকৰণৰ প্ৰক্ৰিয়াটো ভৌগলিক ৰাজনীতিৰ (geo-politic) দ্বাৰা সূত্ৰায়ন কৰা হৈছে।

১.৩ ঃ ভাষা-বিজ্ঞানৰ, বিশেষকৈ বৰ্ণনাত্মক ভাষা-বিজ্ঞানৰ সাধাৰণ সূত্ৰ অনুসৰি, ভাষাৰ বৰ্গীকৰণ কৰা হয় বংশলতা (geneological) আৰু ভৌগোলিক ৰাজনীতিৰ ভিত্তিত। দুয়োটাৰ ভিত্তিত কেতিয়াবা আলোচনাৰ সুবিধাৰ্থে বৰ্গীকৰণ কৰা হয়। সম্প্ৰতি বিশ্বৰ অতীত ইতিহাস খান্দি যি ধৰণে ন ন ৰূপত দেশ কাল বিভাজন আৰু নাম-সংজ্ঞা উপধা পৰিবৰ্তনৰ ধূম উঠিছে, এই লৈ ভাষাৰ শ্ৰেণীবদ্ধকৰণৰ ক্ষেত্ৰতো সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰিব বুলি ক'ব পাৰি।

২.১ ঃ ভাষা একোটাৰ শ্ৰেণীবদ্ধকৰণৰ লগত জনগোষ্ঠী বিশেষৰ অভিপ্ৰয়াণৰ সূত্ৰ বিধৃত হৈ থাকে। ভাৰতবৰ্ষৰ মঙ্গলয়ড্ প্ৰজাতিৰ লোকসকল উত্তৰ-পশ্চিম চীনৰ হোৱাংহো আৰু য়াং চিকিয়াং উপত্যকাৰ পৰা একেলগে একে গিৰিপথেদি অভিপ্ৰয়াণ কৰা নাছিলঃ এইসকল লোকৰ নাম উপধা প্ৰব্ৰজনৰ পিছতো অন্যৰূপ পৰিগ্ৰহ কৰে বুলি পণ্ডিতসকলে মতপোষণ কৰে।

২.২ ঃ ভাৰতৰ উত্তৰ-পূৰ প্ৰান্তত বসবাস কৰা মঙ্গলয়ড্ প্ৰজাতিৰ লোকসকলৰ ভাষাৰ বৰ্গীকৰণৰ আন এটা লক্ষ্ণীয় দিশ হ'ল — বংশলতাৰ হিচাবত এওঁলোক মঙ্গলয়ড্ । গোষ্ঠীভিত্তিক (genetic) ক্ষেত্ৰত ভাষাৰ বৰ্গীকৰণ নহয়; তথাপি 'আৰ্য' মূলতঃ ভাষাগত পৰিভাষাহে। কিন্তু ই আজিও প্ৰচলিতঃ যেনে — ইণ্ড-ইউৰোপীয়, ইণ্ড-এৰিয়ান। তদ্ৰূপ, চীন এটা দেশৰ নাম, তিবতো। তথাপিও চীন-তিবত। ভাষাচাৰ্য ড° গ্ৰীয়াৰছনে (১৯০৩) পোণতে চীন-তিবত ভাষা-পৰিয়ালৰ শ্ৰেণীবদ্ধ কৰে, তথাপি উত্তৰ-অসম শাখাটোৰ লগত তিবত-বৰ্মীয় ভাষাৰ ব্যাকৰণগত দিশত কিছু খু-দুৱনি প্ৰকাশ কৰিছে। আকৌ ৰ'বাৰ্ট্ শ্বাফেৰে ড° গ্ৰীয়াৰছনৰ এই শ্ৰেণীৱদ্ধকৰণৰ ক্ষেত্ৰত কিছু অস্পষ্টতা আছে বুলি মন্তব্য কৰিছে। অৱশ্যে, ইয়াৰ পূৰ্বে Hodgson এ গোষ্ঠী আৰু ভাষা ভিত্তিত Koch, Bodo আদি পৰিভাষা প্ৰয়োগ কৰিছে, ১৮৪৮ চনতেই। গতিকে দেখা গ'ল, এনে বৰ্গীকৰণ-সূত্ৰটো আলোচনাৰ সুবিধাৰ্থে প্ৰয়োগ কৰা হৈছে।

৩.১ ঃ যিয়েই নহওক, এই ভাষাগোষ্ঠীৰ শ্ৰেণীবদ্ধকৰণৰ ক্ষেত্ৰত, সুৰ-প্ৰাধান্যই কিছু সমল যোগাইছে। কিয়নো, এই ভাষা-গোষ্ঠীৰ প্ৰায় ভাগৰে সুৰ আছে। অৱশ্যে, মিচিং ভাষাত স্বৰ-দৈৰ্ঘ্য আগম হয়। অৱশ্যে, ড° ভট্টাচাৰ্যই (১৯৯১) মত প্ৰকাশ কৰিছে, "... বৰো, ডিমাছা, তিৱা, ৰাভা, টাই, খামতি আদি ভাষাত থকা সুৰ-প্ৰাধান্যৰ পূৰ্ণাঙ্গ বিচাৰ হোৱা নাই।"

৩.২ ঃ তদুপৰি, বহুতো ভাষাৰ সুৰ অন্যভাষাৰ প্ৰভাৱত বহুলাংশে লুপ্ত হৈছে। কিন্তু ড° গ্ৰীয়াৰছনে তাহানিতে সুৰ-প্ৰাধান্যৰ ভিত্তি এই চীন-তিবত ভাষা গোষ্ঠীৰ শ্ৰেণীবদ্ধক কৰিব পাৰি বুলি মতপ্ৰকাশ কৰাটো আশাব্যঞ্জক হৈছে। গুৰুত্বপূৰ্ণ কথা হ'ল, এই ভাষাগোষ্ঠী সম্পূৰ্ণ কথ্য-অৱস্থাত আছে। তদুপৰি, ইতিমধ্যে সুকীয়া উপভাষা গোট বুলি যিটো দেখুওৱা হৈছে, আচলতে সেইবোৰ জনগোষ্ঠী বিশেষৰ গোষ্ঠীগত ঠালহে। সেয়ে, ভাষা বিজ্ঞানৰ নৱতম ভাষ্য হৈছে — 'উপভাষাগত গোট'ৰ সলনি ভাষিক প্ৰভেদ হে (linguistic variation) । এনে শেহতীয়া সূত্ৰ প্ৰয়োগ কৰিলে কিছু দিশ উন্মোচিত হ'ব বুলি আশা কৰিব পাৰি।

*(শ্ৰীযুত কোচ দুধনৈ মহাবিদ্যালয়ৰ বড়ো বিভাগৰ মুৰব্বী প্ৰবক্তা)*

# কৰ্মযোগ প্ৰসংগ

মিনতি শৰ্মা

'কৰ্ম' শব্দটো সংস্কৃত 'কৃ' ধাতুৰ পৰা উৎপত্তি হৈছে। 'কৃ' ধাতুৰ অৰ্থ 'কৰা', যি কিবা এটা কৰা হয়, সেইটোৱে কৰ্ম। ই কৰ্মৰ ফলকো বুজায়। দাৰ্শনিক ভাৱত ব্যৱহৃত হ'লে কৰ্ম শব্দটোৱে অতীতত কৰা কামৰ ফলক নিৰ্দেশ কৰে। আমি সদায়েই কৰ্ম কৰি আছোঁ। মই কথা কৈ আছোঁ — এটা কৰ্ম। তেওঁলোকে শুনিছে-কৰ্ম। আমি ফুৰি আছোঁ - কৰ্ম। এনেদৰে শাৰীৰিক বা মানসিক ভাৱে আমি যিয়েই ক্ৰিয়া কৰোঁ সেয়াই কৰ্ম। সকলো সময়তে আমি কৰ্ম কৰি থাকিবলগা হয়, কিয়নো এটা ক্ষণ মাত্ৰও কৰ্ম নকৰাকৈ থাকিব নোৱাৰি। যিমানদিন দেহ ধাৰণ কৰি আছোঁ, সিমান দিন কৰ্ম কৰিবই লাগিব। সম্পূৰ্ণভাৱে কৰ্মত্যাগ কৰা অসম্ভৱ। স্বয়ং ভগৱানেও অবিৰাম কৰ্মৰ দ্বাৰা জগতক পালন কৰি আছে আৰু তাৰ বিলুপ্তিৰ পৰা ৰক্ষা কৰি আছে।

'যোগ' শব্দটো আহিছে 'যুজ' ধাতুৰ পৰা। 'যুজ' ধাতুৰ অৰ্থ হৈছে 'সংযোগ কৰা'। 'যোগ' শব্দটোৰ অৰ্থ বেলেগ বেলেগ ধৰণে পোৱা যায়। প্ৰথমতে, যোগ শব্দৰ অৰ্থ জীৱাত্মাৰ লগত পৰমাত্মাৰ সংযোগ; দ্বিতীয়তে, যোগৰ অৰ্থ চিত্তৰ একাগ্ৰতা বিধান কৰা; শেষত যোগ শব্দৰ অৰ্থ, যিটো পতঞ্জলিৰ যোগ দৰ্শনত ব্যৱহাৰ হৈছিল, সেইটো হ'ল চিত্তবৃতি নিৰোধ কৰা, যোগ সূত্ৰৰ আৰম্ভনিতে কোৱা হৈছে যে 'চিত্তনিবৃত্তিশ্চযোগঃ', অৰ্থাৎ চিত্তৰ বৃত্তি নিৰোধ কৰাই হৈছে যোগ।

গীতাত মুক্তিলাভ কৰাৰ কাৰণে বিভিন্ন মাৰ্গ বা পথৰ সন্ধান দিয়া হৈছে। বিভিন্ন পথৰ দ্বাৰা আমি সেই এবেই চৰম লক্ষ্যত উপনীত হ'ব পাৰো : সেই কেইটা হ'ল কৰ্মযোগ, ভক্তিযোগ আৰু জ্ঞানযোগ। এই গোটেই কেইটা পথ একেই ভাৱৰ অভিমুখী হৈ মিলিত হয়, সেই এক চৰম লক্ষ্যত উপনীত কৰায়।

গীতাৰ আৰম্ভনিৰ পৰা শেষলৈ কৰ্মপ্ৰবৃত্তিকেই প্ৰাধান্য দিয়া হৈছে। শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে যে যিয়ে মনৰ দ্বাৰা ইন্দ্ৰিয়ক নিয়ন্ত্ৰিত কৰিব পাৰে আৰু অনাসক্ত হৈ কৰ্মেন্দ্ৰিয় বিলাকৰ দ্বাৰা কৰ্মযোগত প্ৰবৃত্ত হয়, তেঁৱেই শ্ৰেষ্ঠ। গীতাৰ মতে, যোগযুক্ত হৈ কৰ্ম কৰিলে অহং বোধ নাথাকে। আমি যদি 'গীতা' খন বাৰম্বাৰ পাঠ কৰোঁ, তেন্তে আমি অবিৰত ভাৱে কৰ্ম কৰি যোৱাৰ প্ৰেৰণা পাওঁ। প্ৰত্যেক কৰ্মই অপৰিহাৰ্যভাৱে শুভা-শুভ মিশ্ৰিত, তথাপি শাস্ত্ৰই আমাক অবিৰত ভাৱে কৰ্ম কৰি যাবলৈ কৈছে।

কোনো কৰ্মই বৃথাই নষ্ট হৈ নাযায়। তাৰ সুফল বা কুফল কেতিয়াবা নহয় কেতিয়াবা ভোগ কৰিবই লাগিব। গতিকে যিটো সৎকৰ্ম সেইটো সকলো অৱস্থাতে কৰিব পাৰিলে সেইটোৱে মূলধনস্বৰূপ হয়, য'ৰ পৰা পূৰ্বতে কৰা কুকৰ্ম আৰু পাপৰাশিৰ পৰা উদ্ধাৰ পাব পৰা যায়। শুভ কৰ্মৰ ফল শুভ বা সুখ, অশুভ কৰ্মৰ ফল হ'ব অশুভ বা দুখ। সৎকৰ্মৰ ফল অক্ষয়। গতিকে যিমানে বেছি সৎকৰ্ম সঞ্চয় কৰা যায়, সিমানেই ভৱিষ্যতে, এই জনমত বা পৰজনমত, বিপদ আপদৰ সময়ত পৰম উপকাৰ লাভ কৰিব পৰা যায়। আন সকলো সম্পদ ক্ষণস্থায়ী। তাৰ অৰ্জনত দুখ, ৰক্ষনা-বেক্ষনত দুখ, হেৰাই গলে দুখ আৰু মৃত্যুৰ পিছত সেই সম্পদ লগত নাযায়। কেৱল সেয়ে নহয়, আকৌ সেইবোৰৰ বাবে থকা অতৃপ্ত বাসনা সংস্কাৰৰূপে থাকি জীৱক পৰজনমত নতুন নতুন কৰ্মবন্ধনত পেলাই অশেষ দুখৰ সৃষ্টি কৰে।

সৎকৰ্মৰ দ্বাৰা চিত্তশুদ্ধি হয়, আত্মজ্ঞান হয়। কৰ্ম মানুহে সকলোৱে কৰে, কিন্তু কৰ্মযোগ সাধন নকৰাৰ ফলত জীৱৰ কৰ্মবন্ধন হয় আৰু দুখ ভোগ কৰিবলগীয়া হয়। কৰ্মযোগ সম্বন্ধে ভগৱান শ্ৰীকৃষ্ণই গীতাত কৈছে, 'কৰ্মতেই তোমাৰ অধিকাৰ, কৰ্মফলত নহয়, আকৌ, 'কৃপনাঃ ফলহেতবঃ' — যি সকলে ফলৰ আশাত কৰ্ম কৰে, সেইসকল নিম্নস্তৰৰ। গীতাৰ মতে — কৰ্ম কৰিব লাগে, কিন্তু যি কৰ্মই কৰা হয়, তাক নিঃস্বাৰ্থভাৱে, নিলিপ্ত আৰু নিষ্কামভাৱে কৰিলে সমস্ত কৰ্ম বন্ধনৰ পৰা মুক্ত হ'ব পৰা যায় আৰু সুখ-দুখৰ অতীত পৰম আনন্দ লাভ হয়।

দৰাচলতে, সাংসাৰিক কৰ্মক অধ্যাত্ম সাধনাত পৰিণত কৰাৰ এক অদ্ভূত কৌশলেই হ'ল কৰ্মযোগ। এই কৌশলৰ দ্বাৰা কৰ্মৰ স্বভাৱ একেবাৰে পৰিবৰ্তন কৰিব পৰা যায়। কৰ্মৰ স্বভাৱ এয়ে যে ই ইহলোক পৰলোকত সুখ বা দুখৰূপে অৱশ্যম্ভাৱী ফল উৎপন্ন কৰে। ইয়েই হ'ল কৰ্মৰ অমোঘ বিধান। ইয়াক এৰি চলিবৰ কোনো স্বাভাৱিক উপায় নাই। যোগস্থ কৰ্ম বন্ধনৰ কাৰণ নহৈ মুক্তিৰ সহায়ক হয় — তেতিয়াই ই আধ্যাত্মিক সাধনালৈ ৰূপান্তৰিত হয়।

যি যোগৰ প্ৰভাৱত কৰ্মৰ এনে বিস্ময়কৰ ৰূপান্তৰ ঘটে, সেই যোগ হ'ল সকলো অৱস্থাৰ মাজত মনৰ নিষ্কম্প সমতা ৰক্ষা

কৰা। এই যোগৰ বিধান এই যে কোনো কৰ্ম কৰিবলৈ গৈ সেই কৰ্মৰ ফল আকাঙ্খাত মন যেন অধীৰ হৈ নুঠে। কৰ্তব্যৰ বাবে কৰ্তব্য কৰাই উচিত। লাভ-লোকচান, জয়-পৰাজয় কৰ্মৰ ফল যিয়েই নহওঁক লাগিলে নিৰ্বিকাৰে তাক স্বীকাৰ কৰিব লাগিব। মনৰ এই সাম্যৱস্থাৰ নামেই হ'ল যোগ। এই ধৰণে মনৰ সমতা ৰক্ষা কৰি যি ব্যক্তিয়ে সকলো কৰ্তব্য পালন কৰে, তেঁৱেই কৰ্মযোগী। আসক্তি, ভয় বা ক্ৰোধৰ পৰা সম্পূৰ্ণ মুক্ত তেওঁৰ মন। সুখত নিস্পৃহ, দুখতো নিৰুদ্বেগ। চলাৰ পথত ভালবেয়া যিয়েই নাহক কিয় তাকেই তেওঁ প্ৰশান্তভাৱে গ্ৰহণ কৰে। ঐকান্তিক ধৈৰ্য আৰু শান্তিত তেওঁৰ মন প্ৰতিষ্ঠিত। গতিকে কৰ্মযোগৰ দুটা অংগ সক্ৰিয়তা আৰু চিত্তসাম্য। কৰ্মযোগীৰ কৰ্মত থাকিব লাগিব অদম্য উদ্যাম আৰু মনত নিষ্কম্প স্থৈৰ্য।

বহুতৰ ধাৰণা যে যদি নিষ্কামভাৱে কৰ্ম কৰা যায় তেন্তে কৰ্ম কৰাৰ প্ৰেৰণা বা কৰ্ম কৰাৰ উৎসাহ পোৱা নাযায়; কিন্তু এই ধাৰণা শুদ্ধ নহয়। জগতত যি চিৰস্থায়ী সুখ লাভ হয় সেইটো কেৱলমাত্ৰ নিৰ্লিপ্ত, কৰ্তৃত্ববোধহীন, নিঃস্বাৰ্থ কৰ্মীৰ দ্বাৰাই নিষ্পন্ন হয়, যাৰ এইবোৰ গুণ আছে, তেওঁ দেহ আৰু ইন্দ্ৰিয়ৰ বশ নহয়, "মই মোৰ" অহংভাৱ নাই, "আত্ম-পৰ" বুদ্ধি নাই। তেওঁ ধনী-নিৰ্ধনী, ব্ৰাহ্মন-চণ্ডাল, সাধু-অসাধু, শত্ৰু-মিত্ৰ, পশু-পক্ষী সকলো জীৱতেই সমদৰ্শী। তেওঁ জয়-পৰাজয়, স্তুতি-নিন্দা সুখে-দুখে নিৰ্বিকাৰ। তেৱেঁই হ'ল যথাৰ্থ কৰ্মযোগী। সমস্ত ইতিহাসত শ্ৰীকৃষ্ণ, বুদ্ধ, যীশুখৃষ্ট, শ্ৰীচৈতন্য আৰু আধুনিক যুগত শ্ৰীৰামকৃষ্ণ, স্বামী বিবেকানন্দ, ঋষি অৰবিন্দৰ দৰে অক্লান্ত কৰ্মীসকলে নিজৰ মহৎ আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ হৈ ত্ৰিতাপদগ্ধ জীৱন প্ৰাণত আশা আৰু শান্তিৰ সঞ্চাৰ কৰিছিল।

আমি কিহৰ অধিকাৰী বা আমি কি আয়ত্ব কৰিব পাৰোঁ, আমাৰ কৰ্মই সেইটো নিৰূপণ কৰে। আমাৰ বৰ্তমান অৱস্থাৰ বাবে আমি নিজেই দায়ী আৰু আমি যি হ'বলৈ ইচ্ছা কৰোঁ, সেইটো হ'বৰ শক্তিও আমাৰ আছে। আমাৰ বৰ্তমান অৱস্থা যদি পূৰ্ব কৰ্মৰ দ্বাৰা নিয়ন্ত্ৰিত হয়, তেন্তে এইটো নিশ্চিত যে ভৱিষ্যতে আমি যি হ'বলৈ ইচ্ছা কৰোঁ আমাৰ বৰ্তমান কৰ্মৰ দ্বাৰাই সেইটো হ'ব পাৰে। কৰ্ম কেনেদৰে কৰিব লাগে এই কথাটো জনা থাকিলে কৰ্মৰ পৰা উৎকৃষ্ট ফল লাভ হয়।

মানুহে নানা ধৰণৰ উদ্দেশ্য আগত ৰাখি কৰ্ম কৰি থাকে; কিন্তু আচলতে কৰ্মৰ কাৰণেই কৰ্ম কৰিব লাগে। প্ৰত্যেক দেশতেই এনে কিছুমান মানুহ আছে, যি সকলে প্ৰশংসা পাবৰ বাবে বা কোনো স্বাৰ্থসিদ্ধিৰ লাভৰ বাবে কৰ্ম নকৰি কেৱল মানুহৰ উপকাৰৰ কথা চিন্তা কৰিয়েই কৰ্ম কৰে। নিঃস্বাৰ্থভাৱে কৰ্ম কৰিলে অধিক লাভ পাব পাৰি; কিন্তু ইয়াক অভ্যাসত পৰিণত কৰিব পৰা সহিষ্ণুতা মানুহৰ নাই। কোনো মহৎ বা শুভকাৰ্য কৰিব লাগিলে ফলাফলৰ চিন্তা মনলৈ অনাটো অনুচিত, কাৰণ 'কৰ্মতেই আমাৰ অধিকাৰ, ফলত নহয়।' কৰ্মৰ এই আদৰ্শ সম্বন্ধে এটা কঠিন সমস্যা হ'ল — তীব্ৰ কৰ্মশীলতাৰ প্ৰয়োজন। আদৰ্শ পুৰুষ সেইজনেই, যিজনে গভীৰতম নিৰ্জনতা আৰু নিস্তব্ধতাৰ মাজত তীব্ৰকৰ্মী আৰু প্ৰবল কৰ্মশীলতাৰ মাজত মৰুভূমিৰ নিস্তব্ধতা অনুভৱ কৰে। এয়ে কৰ্মযোগৰ আদৰ্শ।

গীতাৰ মতে, সকলো কৰ্মই শুভাশুভ মিশ্ৰিত। শুভাশুভ উভয়েই নিজ নিজ ফল উৎপন্ন কৰিব। শুভ কৰ্মৰ ফল শুভ, অশুভ কৰ্মৰ ফল অশুভ হয়; কিন্তু এই দুয়ো ধৰণৰ কৰ্মই আত্মাৰ বন্ধন। গীতাত ইয়াৰ মীমাংসা এনেদৰে কৰা হৈছে যে যদি আমাৰ কৰ্মত আসক্তি নাথাকে, তেন্তে কৰ্ম আমাৰ বন্ধন হ'ব নোৱাৰিব। গীতাৰ মূলভাৱ এয়ে যে নিৰন্তৰ কৰ্ম কৰিব লাগে কিন্তু তাত আসক্ত হ'ব নালাগে। আনন্দ অৰ্জন কৰিব লাগিলে আমি আসক্তি হীন হ'ব লাগিব। কৰ্মযোগৰ অৰ্থ হ'ল — মৃত্যুৰ সন্মুখীন হৈও নীৰৱে সকলোকে সাহায্য কৰি যাব লাগে। লক্ষ লক্ষ বাৰ কাৰোবাৰ পৰা প্ৰতাড়িত হোৱাৰ পাছতো মনত কোনো বেয়া ভাৱ নাৰাখি কৰ্ম কৰি যাব লাগে। আনৰ উপকাৰৰ বাবে কৰ্ম কৰাৰ বিনিময়ত কাৰো কৃতজ্ঞতা আশা নকৰি বৰং আনে সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে তেওঁলোকৰ প্ৰতি কৃতজ্ঞ হোৱাহে আৱশ্যকীয়। গতিকে দেখা যায় যে যথাৰ্থ ত্যাগীৰ জীৱনতকৈ যথাৰ্থ কৰ্মীৰ জীৱন সমভাৱে কঠিন। গীতাৰ কৰ্মবাদৰ মূল ৰহস্য এয়ে যে জীৱৰ নিত্য নৈমিত্তিক কৰ্ম প্ৰবাহৰ মাজেৰে অবিৰত ভগবদ্ ভক্তিৰ সংযোগ স্থাপন। এইদৰে আধ্যাত্মিক সাধনাত মন দিয়াৰ আগতেই সাধকক কৰ্মযোগৰ সহায়ত মনক স্থিৰ কৰি লব লাগিব। অৱশ্যে এইটো ঠিক যে কৰ্মযোগী হ'ব পৰা ইমান সহজ নহয়। ফলৰ বাসনা সকলো প্ৰকাৰে ত্যাগ কৰা ইমান সহজ নহয়।

এই সমস্যা সমাধানৰ কথা চিন্তা কৰি কৰ্মযোগৰ সাধকে যি কাৰণে বাসনাৰ উদ্ভৱ হয়, সেই কাৰণটোৰ সন্ধান কৰি তাৰ নিষ্পত্তি কৰিব লাগে। আমি সদায় আকৰ্ষিত বস্তু লাভ কৰিব বিছাৰো আৰু যিটো বস্তু বিৰক্তিকৰ তাক এৰাই চলিব বিছাৰো। গতিকে বাসনাক মূলতে উচ্ছেদ কৰিব বিচাৰিলে বিষয়ৰ প্ৰতি থকা অসাৰ আসক্তি আৰু বিৰক্তিৰূপ যি কোনো উপায়ে প্ৰতিৰোধ কৰিব লাগিব। একমাত্ৰ প্ৰবল ইচ্ছাশক্তিৰ প্ৰভাৱৰ দ্বাৰা ইয়াৰ সম্ভৱ হয়। ইয়াৰ বাবে প্ৰয়োজন জয়-পৰাজয়, লাভ ও ক্ষতি ইত্যাদি যাবতীয় দ্বৈত-সংঘাতৰ প্ৰতি সমদৃষ্টি ৰখাৰ সংকল্পবদ্ধ প্ৰচেষ্টা। গীতাত শ্ৰীকৃষ্ণই এই শিক্ষা দিছে যে কতৃত্ব অভিমান ত্যাগ কৰি কৰ্মৰ ফলফলৰ প্ৰতি আসক্তি শূণ্য হৈ ভগবদ্‌কৰ্ম জ্ঞানে কাৰ্ম কৰা উচিত। তেতিয়া কৰ্মই তেওঁক বন্ধন কৰিব নোৱাৰে। গীতাৰ কৰ্মবাদৰ মূল ৰহস্য এয়ে যে জীৱৰ নিত্য নৈমিত্তিক কৰ্ম প্ৰবাহৰ মাজেৰে অবিৰত ভগবদ্ ভক্তিৰ সংযোগ স্থাপন। গীতাই জগত বাসীৰ আগত এই কথাই কৈছে যে ব্যক্তিয়ে যি কোনো জাতি, বৰ্ণ, দেশ, কাল আদিত অবস্থান নকৰক কিয়, অনাসক্ত ভাৱে ভগবদ্‌যুক্ত চিত্তে নিজে নিজে কৰ্ম পালন কৰি গ'লেই তেওঁ ঈশ্বৰক আৰাধনা কৰা হয় আৰু তাৰ দ্বাৰাই মুক্তি লাভ হয়। কৰ্মৰ সৰু

বৰ বা ভাল বেয়াৰ বিচাৰ গীতাই কৰা নাই। অনাসক্ত বুদ্ধিৰে যিজনে স্বধৰ্ম আচৰণ কৰি জীৱন নিৰ্বাহ কৰে তেওঁ ব্ৰাহ্মণ হৈ বেদ পাঠ কৰক অথবা হৰিজন হৈ নৰ্দমা চাফা কৰক, তত্বদৃষ্টিত দুয়োজনেই সমান পাৰমাৰ্থিক কল্যাণৰ অধিকাৰী।

আমাৰ আসক্তি আৰু বিৰক্তিৰ মূল কাৰণ হ'ল অবিদ্যা। আসক্তি আৰু বিৰক্তিৰ পৰাই জন্ম হয় অফুৰন্ত বাসনাৰ সোঁত। গতিকে বাসনাক ত্যাগ কৰাৰ কাৰণে কৰ্মযোগীয়ে যুঁজ দিব লাগে অবিদ্যাৰ লগত। এই অবিদ্যা নাশ কৰাৰ এটা উপায় হ'ল আত্মা আৰু জগতৰ স্বৰূপ সম্বন্ধে বিচাৰ। এয়া হ'ল জ্ঞানযোগৰ পদ্ধতি।

বিশ্বৰ মূলত যে এক অখণ্ড পৰমাত্মা আছে এই তত্ত্বৰ স্মৃতি মুক্তিকামী ব্যক্তিয়ে স্বৰ্বদা সজাগ ৰখাৰ কাৰণে চেষ্টা কৰিব লাগিব। তেওঁৰ দেহ-মন কৰ্মত নিযুক্ত হৈ থাকিলেও তেওঁ এই সত্যটো ধাৰণা কৰাৰ চেষ্টা কৰিব লাগিব যে প্ৰকৃতিয়েই কামটো কৰিছে আৰু সাধকৰ আত্মা তাৰ পৰা সম্পূৰ্ণ নিৰ্লিপ্ত। এনেদৰে অবিদ্যা আঁতৰি গৈ আসক্তি, বিৰক্তি ক্ৰমে ক্ৰমে হ্ৰাস পাই যাব আৰু বাসনা নিৰ্মূল হৈ থাকিব। এই ধৰণে জ্ঞান যোগৰ সাহচৰ্য ল'বলৈ সমৰ্থবাণ সকলৰ বাবে কৰ্মযোগ সুসাধ্য হয়। ইয়াৰ বাহিৰেও ভক্তিযোগৰ সাহচৰ্যতো কৰ্মযোগ অনুষ্ঠিত হ'ব পাৰে। অধিকাংশ সাধকৰ পক্ষেই এই প্ৰকাৰ ভক্তিমিশ্ৰ কৰ্মযোগ বিশেষ উপযোগী। মুঠতে জ্ঞান বা ভক্তি যিহৰ সাহচৰ্যতেই অনুষ্ঠিত নহওঁক লাগিলে কৰ্মযোগ শ্ৰেয়কামী গৃহস্থসকলৰ অপৰিহাৰ্য আধ্যাত্মিক সাধন। বৈষয়িক জীৱন আধ্যাত্ম জীৱনত বিলীন কৰি দিয়াটো প্ৰত্যেক শ্ৰেয়কামী গৃহস্থৰ আচল সাধন। তেওঁৰ সাংসাৰিক যি কোনো কৰ্মই ভগবদ্ অৰ্চনাত ৰূপান্তৰিত কৰিব লাগে। এনে ধৰণৰ একনিষ্ঠতাৰ ফলত মন অতি সহজেই নিৰ্মল হয় আৰু অধ্যাত্ম-পথত দ্ৰুত গতিত আগবাঢ়িব পৰা যায়।

গতিকে এটা কথা নিঃসন্দেহে ক'ব পাৰি যে কৰ্মযোগ সাংসাৰিক জীৱনক একান্তভাৱে আধ্যাত্মিক জীৱনলৈ ৰূপান্তৰিত কৰাৰ এক অপূৰ্ব পথ। কিছুমানৰ মতে সাংসাৰিক জীৱনে আধ্যাত্মিক উন্নতিত ব্যাঘাত ঘটায়; কিন্তু এই ভ্ৰান্ত ধাৰণাৰ পৰা মানুহক মুক্ত কৰিব পাৰে, কৰ্মযোগে। কৰ্মযোগে বুজাই দিয়ে যে যোগৰ প্ৰভাৱত লৌকিক কৰ্তব্যসমূহ আধ্যাত্মিক সাধনাত ৰূপান্তৰিত হয় আৰু গুৰুদায়িত্বপূৰ্ণ গৃহস্থাশ্ৰম পৱিত্ৰ সাধনাৰ ক্ষেত্ৰত পৰিণত হয়। কৰ্মযোগীৰ দৃষ্টিকোণৰ পৰা দেখা যায় যে অৰণ্যৰ নিৰ্জনতাৰ তুলনাত সমাজৰ পৰিবেশ অধ্যাত্ম সাধনাৰ কম অনুকূল নহয়।

গীতাত পোৱা যায় যে প্ৰাচীন কালত জনক আদি ৰজা সকল সাংসাৰিক কৰ্তব্য ত্যাগ নকৰিও সিদ্ধ পুৰুষ হ'বলৈ সমৰ্থ হৈছিল। উপনিষদতো বহুত ৰাজৰ্ষিৰ উল্লেখ আছে যি সকলৰ ওচৰত ব্ৰহ্মবিদ্যা লাভ কৰিবৰ বাবে বহুত ব্ৰাহ্মণ আহিছিল। কৰ্মযোগ অবলম্বন কৰি সমাজৰ প্ৰায় প্ৰত্যেক স্তৰৰ গৃহস্থ সাধক পৰমাৰ্থ লাভ কৰি ধন্য হৈছিল — এনে বহুত উদাহৰণ পুৰাণতো পোৱা যায়। কেৱল গৃহস্থ সকলেই যে কৰ্মযোগ সাধন কৰিব লাগে এনে নহয়। মনৰ সাম্যাৱস্থা লাভ কৰাৰ পূৰ্বে যি সকলে সন্ন্যাস গ্ৰহণ কৰে তেওঁলোকেও কৰ্মযোগ বাদ দিব নোৱাৰে। জ্ঞান-মিশ্ৰিত বা ভক্তি-মিশ্ৰিত কৰ্মযোগ অৱলম্বন কৰি তেওঁলোকৰ মন বহুতখিনি পৱিত্ৰ আৰু শান্ত কৰি লোৱা উচিত। সেয়ে নহলে কোনো গভীৰ সাধনাত একান্ত ভাৱে মন নিবিষ্ট কৰা সম্ভৱ নহয়। গতিকে যেতিয়ালৈকে মন আসক্তি মুক্ত হৈ যি কোনো সাধনাত একাগ্ৰ হ'বৰ যোগ্যতা অৰ্জন কৰিব নোৱাৰে সিমানদিনেই কৰ্মযোগ অপৰিহাৰ্য।

গতিকে দেখা গ'ল গৃহীয়ে হওঁক বা সন্ন্যাসীয়ে হওঁক, প্ৰত্যেক শ্ৰেয়কামী ব্যক্তিৰ বাবে কৰ্মযোগ প্ৰশস্ত। প্ৰত্যেক কৰ্মই পৱিত্ৰ আৰু কৰ্তব্যনিষ্ঠাই ঈশ্বৰৰ শ্ৰেষ্ঠ উপাসনা। আমাৰ হাতৰ ওচৰতে বৰ্তমান যি কৰ্ম আছে, তাক সুচাৰুৰূপে সম্পাদন কৰিয়েই আমি ক্ৰমশঃ শক্তি লাভ কৰিব পাৰোঁ। এনেদৰে লাহে লাহে শক্তি বৃদ্ধি কৰি আমি জীৱনত উৎকৃষ্ট কৰ্তব্য সম্পাদনৰ গৌৰৱ আৰু অধিকাৰ লাভ কৰিব পাৰোঁ।

শোক মোহত কৰ্তব্যভ্ৰষ্ট হোৱা অৰ্জুনক কৰ্তব্য পালনৰ উপদেশ দি ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক বিজয় প্ৰদান কৰিলে। আজি আমিও প্ৰত্যেকজন ব্যক্তিয়েই অৰ্জুনৰ দৰে গীতা-জ্ঞানৰ দ্বাৰা মোহ নিবাৰণ কৰি সমস্যা সমূহৰ লগত মোকাবিলা কৰি জীৱন পথত আগবাঢ়ি যাব লাগিব। আজি সকলো শ্ৰেণী, জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৱে একেলগে বহি চিন্তা কৰি পথৰ সন্ধান কৰাৰ আৱশ্যক হৈ পৰিছে। আজিৰ পৃথিবীৰ পৰা সকলো দুৰ্নীতি দূৰ কৰা নিত্যান্ত প্ৰয়োজন। ইয়াৰ বাবে আমাক লাগিব আত্মবিশ্বাস আৰু কৰ্মপ্ৰেৰণা।

অৰ্জুনক উপলক্ষ্য কৰি যি মহান আৰু অমৃত বাণী ভগৱান শ্ৰীকৃষ্ণই পৰম কল্যানৰ হকে আগবঢ়াইছিল, আজি সেই বাণীসমূহ আমাৰ দেশবাসীয়ে সাৰোগত কৰি ব্যক্তিগত জীৱনত প্ৰয়োগ কৰি আগুৱাই যাব লাগিব। তেহে দেশ আধ্যাত্মিক ভাৱৰ বিমল জ্যোতিৰে উদ্ভাসিত হৈ উঠিব আৰু দেশৰ হেৰাই যোৱা গৌৰৱ পুনৰ ঘুৰি আহিব।

প্ৰসংগ টোকা :

১. শ্ৰীমদ্ভগবদ্ গীতা যথাযথ : প্ৰথম সংস্কৰণ ১৯৯৫।

২. শ্ৰীমদ্ভগবদ্ গীতা : ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণন।

৩. গীতা-জ্ঞান-মঞ্জৰী : A collection of Articles on Gita Bhagavad Dharma. (Published by - Reception Committee Sixth Annual conference, Akhil Bharatiya Gita Sammilan, Assam Session, 1985)

*(শ্ৰীমতী শৰ্মা অবসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা, দৰ্শন বিভাগ, দুধনৈ মহাবিদ্যালয়)*

# জীৱন দৰ্পণ

শ্ৰীহৰগোবিন্দ ৰাভা

সৃষ্টি .....।

সৃষ্টিৰ মহনতাই শিল্পী এজনক চিৰযুগমীয়া কৰে। তেনে শিল্পীয়ে জনসমাজত স্বকীয় অৱদান আগবঢ়ায়। নিজৰ নিজৰ চিন্তাই অথবা নিজস্ব চিন্তা ধাৰাই ব্যক্তি এজনক অইনজনৰ পৰা পৃথক কৰে। একেটা কৰ্মই বিভিন্ন ব্যক্তিৰ হৃদয়ত বিভিন্ন ভাৱে প্ৰতিক্ৰিয়া কৰি বিচিত্ৰ ভাৱৰ উন্মেষ ঘটায়। জীৱনত যন্ত্ৰণা থাকেই। মানৱ জীৱনৰ যন্ত্ৰণাবোধে শিল্পীৰ মনক দগ্ধ কৰি শিল্পীৰ অন্তৰত চেতনাৰ জুঁই জ্বলে।

ব্যক্তি আৰু সমাজৰ মাজত এক নিবিড় সম্বন্ধ আছে। ব্যক্তিৰ সমষ্টিয়েই হ'ল সমাজ। সমাজেই ব্যক্তিক নিয়ন্ত্ৰণ কৰে আৰু ব্যক্তিয়েই সমাজ গঢ়ে। সেইবাবে ব্যক্তিৰ ব্যক্তিত্বই সমাজত স্থান পায়। উচ্চ ব্যক্তিত্বৰ প্ৰকাশেই প্ৰশংসাৰ পাত্ৰ হৈ সমাজত আদৰ সন্মান পায়। ব্যক্তিৰহিত সমাজত সামাজিক জীৱনৰ মানদণ্ডও নিম্ন স্তৰৰ হয় বাবেই মানুহে মানুহক উপলুঙা কৰে। শ্ৰেষ্ঠ ব্যক্তিত্বৰ আত্ম প্ৰকাশে মানুহৰ দেহ মন জয় কৰিব পাৰে। নিজৰ চিন্তা শক্তিৰে দায়বদ্ধতাক স্বীকাৰ কৰি নিজ নিজ কৰ্তব্য পালন কৰা কৰ্মৰ আঁৰত থাকে আত্ম-বিচাৰ আৰু আত্ম জিজ্ঞাসা। আত্মবিচাৰ আৰু আত্ম জিজ্ঞাসাৰ মাজেৰে কৰা কামৰ ফল মধুৰ হয় বাবেই ব্যক্তিত্বৰ ওপৰত মানুহে গুৰুত্ব আৰোপ কৰে। সকলো মানুহৰ সকলো কথাই সকলো মানুহৰ মনত হিয়া নুজুৰায়, কাৰণ জীৱন হ'ল মানুহৰ বাস্তৱ জীৱনৰ বাস্তৱ অভিজ্ঞতাৰ একো একোটা সমীক্ষা আৰু অভিজ্ঞতা। উচ্চ ব্যক্তিত্বৰ অবিহনে বৰ্তমান সমাজত জীৱন পীড়িত, দলিত, অৱহেলিত হৈ মুক্তিৰ বাবে আহি পৰে জীৱনৰ আৰ্তনাদ। নিজকে নিচ্‌, নিম্ন বুলি ভাবি থকা লোকৰ মনত আত্মবল নাথাকে। জাগ্ৰত জ্ঞান সচেতন আৰু জিজ্ঞাসাত নিজ গুণৰ সুৰভি নিজতেই আমোলমলায়, নিজৰ কৃতকাৰ্যতাত নিজেই নিজৰ আনন্দ লভে, আনৰ প্ৰাণতো আনন্দৰ সঞ্চাৰ কৰে। কষ্ট কৰি জীয়াই থকা হেজাৰ জনতাৰ মুষ্টিমেয় কেইজন মান মানুহে নিজৰ প্ৰকৃত স্বৰূপ কি তাক বুজি পায়। মানুহে মানুহৰ জীৱনৰ গুৰুত্ব বুজিবলৈ কৰা জিজ্ঞাসাকে ব্ৰহ্মজিজ্ঞাস বোলে — যিটোক প্ৰত্যেক ব্যক্তিৰ ব্যক্তিত্বত প্ৰকাশ নাপায়।

ব্যক্তিভেদে মানুহৰ ৰুচি অভিৰুচি বেলেগ। সেয়েহে কোনোবাই ভাল পায় খেলিবলৈ, কোনোবাই গাবলৈ আৰু কোনোবাই ৰাজনীতি কৰিবলৈ। খেলা, গোৱা, ৰাজনীতি কৰা — এই আটাইবোৰ নিৰ্ভৰ কৰে শিক্ষাৰ ওপৰত। ল'ৰা আৰু যুৱক হৈ থাকোঁতে এই শিক্ষা ল'ব লাগে বাবেই এই দুটা কাল মানৱজীৱন গঢ়াৰ আৰু চৰিত্ৰ গঠনৰ মূল সময়। সেইবাবেই ল'ৰালি কাল আৰু যৌৱন কালৰ গুৰুত্ব অত্যাধিক।

মানুহ ....।

মানুহ শ্ৰেষ্ঠ জীৱ। জ্ঞান, বুদ্ধি, বিবেক বিবেচনা, চিন্তা চৰ্চাৰ শক্তি থকা জীৱ। তথাপি সমাজত অনন্ত ত্ৰাস। ত্ৰাসিত জনতাৰ ৰক্ষা পৰাৰ বৃথা চেষ্টা। সংহাৰী ৰূপ .....। মানুহে বিচাৰে ভাল চাকৰি, ভাল ঘৰ, ভাল খোৱা, ভাল পিন্ধা। নিজক ভাল বুলি পৰিচয় দিবলৈ বিচাৰে যদিও মানুহে পাহৰি যায় ভাল হ'বলৈ। মানুহ ভাল নহ'লে তেওঁ কৰা কামটোও ভাল নহয়। মানুহৰ ব্যক্তিত্ব, আচৰণ জীৱন শৈলীৰ ওপৰত নিৰ্ভৰ কৰে। নিজস্ব চিন্তা ভাৱনাত ব্যক্তিত্বৰ প্ৰতিফলন হয়। বিফলতা আহিলে মানুহেভাবে সফলতা আৰু নাহে। কিন্তু বিফলতাক ভয় কৰি চলিলে সফলতাক পাবলৈ কেতিয়াও আশা কৰিব নোৱাৰি। বিফলতাত যত্ন আৰু প্ৰচেষ্টাৰ দৰকাৰ। যত্নত নিষ্ঠাবানজনক উপায়ে মূৰ দাঙি চায় আৰু দিশো দৰ্শায়। ফলত পথো বিচাৰি পায়। জগতৰ মংগলৰ বাবে যেনেকৈ সূৰ্যৰ উদয় হয় তেনেকৈ জগতৰ অমংগলৰ বাবে ধুমকেতুও ওলায়। মানুহে মানুহৰ বাবে যেনেকৈ মংগলৰ কাম কৰে তেনেকৈ মানুহে মানুহৰ বাবে অমংগলৰ কামো কৰে। সেইবাবে মানুহৰ কৰ্মত কৰ্তব্য আৰু অকৰ্তব্যৰ নিৰ্ণয় কৰা ব্যক্তিমাত্ৰৰে অতি প্ৰয়োজনীয় সমল। তাকেই কয় মন থাকিলেও আন্ধকাৰে সূৰ্যক গ্ৰাস কৰিব নোৱাৰে, পৱনেও গগণককঁপাব নোৱাৰে। তেনেকৈ চক্ৰান্তইও সিদ্ধ পৰুষক বশ কৰিব নোৱাৰে।

ঈৰ্ষা ....।

ঈৰ্ষা মানুহৰ প্ৰধান শত্ৰু। জীৱনৰ চৰম ব্যৰ্থতাই মানুহৰ মনত ঈৰ্ষাৰ উদ্ভৱ কৰে। দৰিদ্ৰতা, হীনমন্যতা আৰু অল্প শিক্ষাই মানুহৰ মনত ঈৰ্ষাৰ ভাৱ উদয় কৰে। পৰচৰ্চ্চা, পৰনিন্দা বা হিংসা নাথাকিলে জগতত যুদ্ধ বিগ্ৰহও নাথাকে। যুদ্ধত মুখৰ ধৰণী ছাই হৈ

ছাৰখাৰ হৈ চুৰমাৰ হৈ যায়।

মানুহৰ জীৱন সংগ্ৰামৰ সমষ্টি। এই সংগ্ৰামবোৰ হ'ব লাগে মানুহৰ কল্যাণৰ বাবে, আৰু হ'ব লগে মানুহৰ মুক্তিৰ বাবে। সৎসাহস, সজ প্ৰচেষ্টা আৰু সৎকৰ্মই মানুহৰ জীৱনত সুখ-উপলব্ধিৰ সঞ্চাৰ কৰে। তাৰ বাবে লাগে মাথোন অভ্যাস আৰু সাধনা। ছাত্ৰ জীৱনত অভ্যাস, সাধনা আৰু অধ্যাৱসায় থাকিলে কৃতকাৰ্যতাৰ সুফল পোৱা যায়। একাগ্ৰতা থাকিলে অন্তৰৰ পবিত্ৰ বাসনাৰ সুফল পোৱা যায়। চৰিত্ৰ আৰু শুনাম সচেতনতাৰ একাগ্ৰহতাতহে প্ৰতিঃস্ফুত হয়।

চকুৰ ভাষাৰে বুকুৰ অনুভূতি বুজিব পাৰি। সুস্থ চিন্তা চৰ্চা এটি ক'লাত্মক ৰচনা। অৰ্থৰ বলত বা অস্ত্ৰবলতকে জনবল শ্ৰেয়। মই নিজেই কিবা এটা কৰিব নোৱাৰা বা নিজকে হ'ব গোৱাৰাটোৰ কাৰণ হ'ল মোৰ নিজৰেই প্ৰচেষ্টাৰ অভাৱ। পৃথিবীৰ সকলো জাতিয়েই আজি প্ৰতিযোগিতাত নামিছে, পৃথিবীৰ সকলো জাতিয়েই আজি প্ৰতিযোগিতাত নামিছে, নিজকে আনতকৈ আগবাঢ়িবলৈ যত্ন কৰিছে। এই প্ৰতিযোগিতাৰ ৰণাঙ্গণত বহুতে নিজকে হীন বুলি ভাৱে। পৰিষ্কাৰ পদুমবোৰক কোনে ক'ব বোকাত জন্মে? পেটত ভোক, দেহত ভাগৰ আৰু চকুত টোপনি কাৰ নাই? নিৰাশা, বিফলতা, সংঘাতবোৰ হ'ল জীৱনৰ এৰাব নোৱাৰা উপাদান। নিজৰ সাহসেৰে এইবোৰ অতিক্ৰম কৰাই হ'ল বুদ্ধিমানৰ আটাইতকৈ চতুৰ কাম। সেয়েহে ক'ব পাৰি — মানুহ নিজেই নিজৰ ভাগ্য নিয়ন্তা। কপিলমুনিৰ সাংখ্য, জৈমিনিৰ মিমাংশ, গৌতম ঋষিৰ ন্যায় দৰ্শনে তেনে সত্যকেই নিৰূপণ কৰে। সেয়েহে জীৱন দৰ্পনত সৎচৰিত্ৰ গঠনৰ উৎকৃষ্ট ৰণকৌশল ৰচনা কৰিবলৈ ব্যক্তিমাত্ৰেই সচেতন হ'ক, তাৰ বাবে অসাধ্য চেষ্টাৰ অধ্যাৱসায়ৰ তপস্যাত আমিও জীৱন জিজ্ঞাসাত মন দিওঁহঁক।

*(শ্ৰীৰাভা প্ৰাক্তন ছাত্ৰ, বৰ্ত্তমান কৰ বিষয়া)*

# অবিভক্ত গোৱালপাৰা অঞ্চলৰ লোকনাট্য

ড° উপেন্দ্ৰজিৎ শৰ্মা

লোক-পৰিৱেশ্যকলাৰ বিশিষ্ট উপাদান হৈছে লোকনাট্য। লোকনাট্যক নৃত্য-গীত-বাদ্যৰ ত্ৰিবেণী সংগম বুলি অভিহিত কৰিব পাৰি। লোকনাট্যক বুজাবলৈ ইংৰাজীত Folk drama অভিধাটি ব্যৱহাৰ কৰা হয়। লোকনাট্যই প্ৰধানকৈ দুটা অৰ্থ সূচিত কৰে ঃ প্ৰথমতে লোকনাট্য লোকজীৱনৰ উপযোগীকৈ ৰচনা কৰা হয়। দ্বিতীয়তে লোকনাট্য সক্ৰিয় ধাৰক আৰু বাহকসকলৰ মুখ পৰম্পৰা ৰক্ষিত হয় নাইবা ৰচিত হয়। আনহাতে সাহিত্যিক নাটকতকৈ (literary drama ) লোক নাট্যৰ উদ্ভৱৰ পৰম্পৰা অতিকৈ প্ৰাচীন। এই প্ৰসংগত নবীন চন্দ্ৰ শৰ্মাই উল্লেখ কৰিছে — ''সাধাৰণতে লিখিত নাটেই সাহিত্যিক নাট অৰ্থাৎ literary drama আৰু মুখ পৰম্পৰা প্ৰচলিত আৰু লিখিত ৰূপ গ্ৰহণ নকৰা নাটেই লোকনাট্য বা Folk drama.[১]

লোকনাট্যৰ আৰ্হি অনুসৰণ কৰিয়ে পিছৰ পৰ্যায়ত সাহিত্যিক নাটকৰ ভেটি গঢ়লৈ উঠিছিল। লোকনাট আৰু লিখিত অৰ্থাৎ সাহিত্যিক নাটক বুজাবৰ বাবে ক্ৰমে লোকধৰ্মী আৰু নাট্যধৰ্মী পদ দুটাৰ প্ৰয়োগ মনকৰিবলগীয়া। 'নাট্যশাস্ত্ৰ'ত বৰ্ণিত হৈছে এইদৰে —

ধৰ্মী যা দ্বিবিধা প্ৰোক্তা ময়া পূৰ্বঃ দ্বিজোত্তমা।
লোকিকী নাট্যধৰ্মী চ তয়োৰ্ৰাক্ষামি লক্ষণম।।[২]

শাৰ্ঙ্গদেৱে নাট্যধৰ্মী পদটোৰ সলনি মাৰ্গী আৰু দেশীপদ দুটি ব্যৱহাৰ কৰিছে।[৩]

পৃথিৱীৰ সকলোদেশতে ধৰ্মীয় লোক উৎসৱ সমূহৰ পৰাই নাটকৰ জন্ম হৈছিল। বিশেষকৈ লোকনাট্য সমূহৰ সৃষ্টিত ধৰ্মীয় কাৰ্য্য-প্ৰকাৰ্য্যবোৰৰ গুৰুত্ব অপৰিসীম। ভাৰতীয় নাট্যসাহিত্যৰ ক্ষেত্ৰতো এক সুদীৰ্ঘ আৰু প্ৰাচীন পৰম্পৰা প্ৰৱাহিত হৈ আহিছে। লোকনাট্যৰ জন্ম প্ৰাচীন ধৰ্মীয় উৎসৱ পাৰ্বণসমূহৰ পৰিণতিৰ ফল বুলি ক'ব পাৰি। আদিম সমাজৰ উৎসৱ-পাৰ্বণৰ লগত প্ৰচলিত নৃত্য-গীতৰ সৈতে নাটকীয় উপাদানৰ সংযোগৰ ফলত লোকনাট্যই জন্ম লাভ কৰে।[৪] লোকনাট্যৰ উদ্ভৱ আৰু বিকাশত লোকগীত আৰু লোকনৃত্যৰ ভূমিকা সুদূৰ প্ৰসাৰী। গীত-নৃত্য আৰু বাদ্য এই তিনিওটাৰ সম্পৰ্ক অভিন্ন। 'সংগীত' পদটোৰ বহল অৰ্থই 'গীত', 'নৃত্য' আৰু 'বাদ্য' এই তিনিওটি কলাক সামৰে। সংগীত ৰত্নাকৰ গ্ৰন্থটো সংগীতৰ ব্যাখ্যা এনেদৰে দিয়া হৈছে — ''গীতং বাদ্যং তথা নৃত্যং ত্ৰয়ং সংগীত মুচ্যতে।''[৫] নাট্য সাহিত্যৰ ইতিহাস অনুধাৱন কৰিলে এটা কথা প্ৰতীয়মান হয় যে ধৰ্মীয় লোক উৎসৱৰ সৈতে জৰিত নৃত্য-গীতৰ সৈতে কালক্ৰমত অনুকৰণমূলক অংগী-ভংগী আৰু উক্তি-প্ৰত্যুক্তি অথবা কথোপকথন সংযুক্ত হৈ নাটকে বিকাশ লাভ কৰে। কিন্তু জন্মৰ লগে লগে নাটকে সুগঠিত অথবা পুৰ্ণাংগ ৰূপ লাভ কৰা নাছিল। প্ৰথমতে ই আছিল লৌকিকৰূপত নৃত্য-গীত বহুল লোকনাট্যৰূপে।[৬]

নাট্যৰ লগত অভিনয়ৰ সম্পৰ্ক অভিন্ন। আনহাতে লোকনাট্যৰ প্ৰদৰ্শন লক্ষ্য কৰা যায়। লোকনাট্য প্ৰদৰ্শনৰ কাৰণে কোনোধৰণৰ স্থায়ী ৰঙ্গমঞ্চৰ আৱশ্যক নাই। মুকলি ঠাইতে মুক্ত আকাশৰ তলত সামাজিকৰ উপস্থিতিত লোকনাট্যৰ প্ৰদৰ্শন হয়। অস্থায়ীভাৱে সজা ৰভাৰ তলত লোকসমাজৰ সোঁমাজত লোকনাট্যৰ অভিনয় প্ৰদৰ্শিত হয়। দৰ্শকে পৰিস্থিতি সাপেক্ষে কেতিয়াবা তিনিফালৰ পৰা কেতিয়াবা চাৰিওফালৰ পৰা নাট উপভোগ কৰিব পাৰে। লোকনাট্য প্ৰদৰ্শনৰ বাবে বিশেষ আড়ম্বৰৰ প্ৰয়োজন নাই। লোকনাট্যানুষ্ঠানৰ ভাৱৰীয়া সকলে সাধাৰণ সাজ-সজ্জা পৰিধান কৰে। ঠিক তেনেদৰে স্থানীয় সামগ্ৰীৰে প্ৰস্তুত কৰি উলিওৱা মুখাৰ ব্যৱহাৰ লোকনাট্যৰ অভিনয়ত দেখা যায়। বাদ্যযন্ত্ৰৰ ক্ষেত্ৰতো লোকনাট্যানুষ্ঠান লোকসমাজৰ আধাৰত সম্পূৰ্ণৰূপে গঢ়লৈ উঠা নাটকীয় শিল্প কৰ্ম।

গোৱালপাৰা অঞ্চলৰ লোকনাট্য পৰম্পৰাৰ এক সুদীৰ্ঘ ইতিহাস লক্ষ্য কৰা যায়। ইতিহাসে ঢুকি নোপোৱা দিনৰ পৰাই গোৱালপাৰা অঞ্চলত লোকধৰ্মী নাট্যপৰম্পৰাৰ প্ৰচলন হৈ আহিছে। এসময়ত গোৱালপাৰা অঞ্চলৰ অসমীয়া সাহিত্য-সংস্কৃতিৰ ৰঘৰ আছিল। ৰাজকীয় পৃষ্ঠপোষকতাত কবি-সাহিত্যিক সকলে এই অঞ্চলৰ পৰাই সাহিত্যচৰ্চা কৰিছিল। সাহিত্য ক্ষেত্ৰখনৰ শ্ৰীবৃদ্ধিৰ লগে লগে সংস্কৃতিৰ ক্ষেত্ৰখনো এক বৈচিত্ৰ্যময় ৰূপ পৰিগ্ৰহ কৰিছিল। লোকনাট্যানুষ্ঠানৰ ক্ষেত্ৰত গোৱালপাৰা অঞ্চল অসমৰ ভিতৰতে চহকী। অই অঞ্চলৰ লোকনাট্যানুষ্ঠানৰ বাবে বৰণীয়া ৰূপটো অধ্যয়নৰ প্ৰয়োজন আছে। অসমৰ লোক নাট্যানুষ্ঠান পৰম্পৰাৰ বিকাশত গোৱালপাৰা অঞ্চলে আটাইতকৈ বেছি অৰিহণা আগবঢ়াই আহিছে। লোকনাট্যৰ গুণৰাজিৰ ওপৰত দৃষ্টি নিক্ষেপ কৰি গোৱালপাৰা অঞ্চলৰ লোকনাট্যশৈলীকপ্ৰধানকৈ দুটা ভাগত বিভক্ত কৰিব পাৰি — নাটকীয় আৰু অৰ্ধনাটকীয়। লোকনাট্যানুষ্ঠানৰ গুণৰাশি প্ৰায় সম্পূৰ্ণৰূপে প্ৰকাশিত হোৱা অনুষ্ঠানসমূহৰ ভিতৰত কুশান

গান, ভাৰীগান বা ভাওগান, পালাগান বা দোতৰাগান অৰ্থনাটকীয় অনুষ্ঠানৰ ভিতৰত পদ্মাপুৰাণৰ গান, সোনাৰায় পূজাৰ গান, কাতি পূজা, মদনকাম বাঁশ পূজা, বাঁশ পূজা, হুদুম পূজা আদিক বিশেষভাবে উল্লেখ কৰিব পাৰি। তলত গোৱালপাৰা অঞ্চলত প্ৰচলিত লোকনাট্যৰ গুণ বিশিষ্ট অনুষ্ঠান সমূহৰ কেইটামানৰ সাধাৰণ আলোচনা আগবঢ়োৱা হ'ল —

**কুশান গানঃ**

কুশান গান গোৱালপাৰা অঞ্চলৰ এবিধ জীৱন্ত লোকনাট্যানুষ্ঠান। লৱ-কুশে ৰামায়ণৰ কাহিনী পৰিৱেশন কৰা পৰম্পৰাৰ লগত কুশান গানৰ সম্পৰ্ক থকা বুলি এক লোক প্ৰবাদ এই অঞ্চলত প্ৰচলিত আছে। পৰম্পৰা অনুযায়ী ৰামপুত্ৰ লৱ-কুশে পোন প্ৰথমে ৰামায়ণৰ কাহিনী গীত আকাৰে আবৃত্তি কৰিছিল । গতিকে 'কুশান গান'ৰ 'কুশ' শব্দটো ৰামৰ পুত্ৰ 'কুশ'ৰ পৰা অহাটো একো অস্বাভাৱিক নহয়। কাৰণ কোনো কোনো ঠাইত কুশান গানক 'ৰাবাণ গান' বুলিও কোৱা হয়। ৰাবণ চৰিত্ৰ কেন্দ্ৰিক অভিনয়ে ৰাবান-গান। আনহাতে কুশান গানক বেনা-গান মুলিও অভিহিত কৰা হয়। 'বেনা' কুশানৰ মূল বাদ্যযন্ত্ৰ। 'বেনা' সংগত কৰি ৰামায়ণৰ কাহিনী পৰিবেশন কৰা অনুষ্ঠান বিধক 'বেনা গান' বোলা হয়।

কুশান গানৰ দল এটাত এজন মূল গায়ক (মূল, মৌল, গীতাল, গীদাল), এজন প্ৰধান সহকাৰী ( দোৱাৰী, দোহাৰী), খোলবাদক (বায়ন, বাইন) এদল নৰ্তকী বেশী ল'ৰা ( চেঙেৰা) কেইজন সহযোগী গায়ক (পালি, পাইলা, পালিয়া) থাকে। এসময়ত কুশান গানৰ জৰিয়তে ৰামায়ণৰ কাহিনী পৰিবেশন কৰা পৰম্পৰা প্ৰচলিত আছিল; যদিও বৰ্তমানে ৰামায়ণৰ লগতে মহাভাৰত আৰু অন্যান্য পৌৰাণিক কাহিনীও পৰিবেশন কৰিবলৈ লোৱা দেখা গৈছে। পৰম্পৰা অনুযায়ী মূল গায়কে হাতত এখন বেনা লৈ মঞ্চত প্ৰৱেশ কৰে। মূলে বেনা সংগত কৰি সৰস্বতী দেৱীৰ বন্দনা গীত গাই মঞ্চৰ চাৰিওফালে বৃত্তাকাৰভাবে ঘূৰে। মূলৰ পিছে দোৱাৰী আৰু চেঙ্ৰা কেইজনে মঞ্চত প্ৰবেশ কৰি মূলৰ নিৰ্দেশ অনুযায়ী গীত-পদ নৃত্য পৰিবেশনত মূলক সহায় কৰে। বন্দনাগীতৰ অন্তত পৰিবেশন কৰিবলগীয়া কাহিনী ভাগ মূলে বেনা সংগত কৰি এফালৰ পৰা গাই যায় আৰু দোৱাৰী, চেঙ্ৰা আৰু মঞ্চৰ মাজত বহা বাইন আৰু পালিসকলে সহযোগ কৰি যায়। নাট্য কাহিনী পৰিবেশনৰ সময়ত পৰিস্থিতিৰ লগত ৰজিতা খুৱাই দৰ্শকৰ মনোৰঞ্জনৰ অৰ্থে পয়াৰ আৰু খেম্‌টা গীত গোৱা হয় আৰু ইয়াৰ লগত নৃত্য পৰিবেশন কৰা হয়। পৰিবেশিত কাহিনী ভাগৰ সৰল ব্যাখ্যাৰ বাবে 'ভাংতি' বা 'ভাঙনি' দিয়া হয়। কুশান গানৰ সংলাপ আৰু অভিনয় প্ৰদৰ্শনত গায়ক-বাদক আৰু নৰ্তকসকলে বিশেষ ভূমিকা গ্ৰহণ কৰে। কুশান গান নামৰ লোকনাট্যানুষ্ঠান বিধৰ অগ্ৰগতিত মূলৰ পিছতে মুখ্য ভূমিকা গ্ৰহণ কৰা ব্যক্তিগৰাকী হ'ল দোৱাৰী। দোৱাৰীয়ে নাট্যকাহিনী ভাগ আগ বঢ়াই নিয়াৰ ক্ষেত্ৰত মূলক সহায় কৰাৰ লগতে নৃত্য-গীত আৰু অভিনয় অংশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ইয়াৰোপৰি হাস্য-কৌতুকেৰে দৰ্শকক আমোদ প্ৰমোদ দিয়াৰ দায়িত্বও দোৱাৰীৰ ওপৰত অৰ্পণ কৰা হৈছে।

**ভাৰীগান বা ভাওগানঃ** গোৱালপাৰা অঞ্চলৰ আন এবিধ পূৰ্ণ পৰ্যায়ৰ লোকনাট্যানুষ্ঠান হ'ল ভাৰীগান বা ভাওগান। অবিভক্ত গোৱালপাৰা অঞ্চলৰ দক্ষিণ অংশত এই অনুষ্ঠান বিধ ভাৰীগান ৰূপে আৰু উত্তৰ অংশত ভাওগান ৰূপে পৰিচিত। ভাৰী শব্দটো 'ভাউৰীয়া' শব্দৰ পৰা উদ্ভৱ হ'ব পাৰে। ভাওৰ অৰ্থ অভিনয়, গতিকে গান বা গীত আৰু অভিনয়ৰ সমাহাৰ বিশিষ্ট অনুষ্ঠানেই ভাৰীগান বা ভাওগান।[৩] ভাওগানৰ পৰিবেশনকাৰী অৰ্থাৎ নিৰ্বিহিকাসকলৰ মতে ৰামায়ণৰ কাহিনী 'ভাও' দি কৰা অভিনয়ৰ নামেই 'ভাওগান'।

ভাৰীগান বা ভাওগানৰ দল গঠন পদ্ধতিত দুটা খলপ লক্ষ্য কৰা যায়। প্ৰথম খলপত গীত -মাত আৰু বাদ্য-বাজনাৰ লগত জৰিত ব্যক্তিসকলক অন্তৰ্ভুক্ত কৰিব পাৰি। দ্বিতীয় খলপত আভিনয়িক দিশৰ লগত জৰিত ব্যক্তিসকলক অন্তৰ্ভুক্ত কৰিব পাৰি। ভাৰী গান বা ভাওগানৰ দলটোত এজন মূল ব্যক্তি থাকে। তেওঁক 'মূল' বা 'গাঁৱলীয়া' বা 'গীদাল' বা 'ওজা' নামেৰে জনা যায়। মূলৰ গীত-পদ গোৱাত সহায় কৰিবৰ কাৰণে একাধিক পাইল, পাইলা বা দোহাৰীয়া থাকে। গান আৰু নৃত্যৰ তালে তালে খোল-তালৰ বাদ্য বাজনা পৰিবেশন কৰিবৰ কাৰণে কেইবাজনো বায়ন বা বাইন থাকে। অভিনয় কৰিব লগীয়া পালাৰ ওপৰত নিৰ্ভৰ কৰি ভাৰৰীয়াৰ সংখ্যা নিৰূপণ কৰা হয়। ভাৰীগানত নাটকীয় কাহিনীৰ মাজে মাজে দৰ্শকক হাস্যৰসৰ খোৰাক যোগাবৰ কাৰণে একশ্ৰেণীৰ চৰিত্ৰ ব্যৱহাৰ কৰা হয়। এই শ্ৰেণীৰ চৰিত্ৰক কেতুৱা বোলে।

ভাৰীগানৰ পৰিবেশনৰ আৰম্ভণিতে খোল-তালৰ বাদ্য-বাজনাৰ লগে লগে মূলে সোঁ হাতত চোঁৰৰ এডাল লৈ নৃত্য প্ৰদৰ্শন কৰে আৰু নৃত্যৰ অন্তত বন্দনা পৰিবেশন কৰা হয়। গুৰুবন্দনাৰ অন্তত মূলে পুনৰ নৃত্য-ভংগী প্ৰদৰ্শন কৰে আৰু পালি আৰু বাইনসকলে খোল-তাল পৰিবেশন কৰে। ইয়াৰ পিছত মূলে সোঁহাতত থকা চোৰঁৰডাল ঘূৰাই নৃত্যসহ কাহিনীভাগ এফালৰ পৰা গাই যায় আৰু বাইন আৰু পালিসকলে মূলে লগাই দিয়া নাটকীয় কাহিনীভাগ সমস্বৰে দোহাৰে। মূলৰ ইংগিত অনুযায়ী আৰু নাটকীয় কাহিনীৰ গীত-পদৰ লগত সম্পৰ্ক থকা চৰিত্ৰবোৰে মঞ্চত প্ৰৱেশ কৰি অভিনয় প্ৰদৰ্শন কৰে। চৰিত্ৰ সমূহৰ মুখত সংলাপো দিয়া হয়। নাটকীয় কাহিনীৰ মাজে মাজে কেতুৱা চৰিত্ৰৰ জৰিয়তে হাস্যৰস মিশ্ৰিত দুই এটা গীত বা লঘু কাহিনী বা অসংগতিপূৰ্ণ কথা-বাৰ্তাৰে দৰ্শকক হাঁহিৰ খোৰাক যোগায়। ভাৰীগান বা ভাওগান অনুষ্ঠানবিধ পুৰুষ প্ৰধান অনুষ্ঠান। এই অনুষ্ঠানবিধত পুৰুষে মহিলাৰ সাজপাৰ পৰিধান কৰি মহিলাৰ ভাও দিয়ে।

ভাৰীগান বা ভাওগান অনুষ্ঠানবিধত পৰম্পৰাগতভাবে ৰামায়ণৰ কাহিনী পৰিবেশন কৰা হয় যদিও বৰ্তমান সময়ত ভাৰীগানৰ জৰিয়তে ৰামায়ণৰ কাহিনীৰ লগতে মহাভাৰত আৰু অন্যান্য পৌৰাণিক আখ্যানৰ কাহিনীও পৰিবেশন কৰা দেখা যায়। মুখাৰ ব্যৱহাৰ ভাৰীগান বা ভাওগানৰ এক প্ৰধান বৈশিষ্ট্য। ৰাম-লক্ষ্মণ আৰু সীতা চৰিত্ৰৰ বাহিৰে

আন আন চৰিত্ৰবোৰে (যেনে -হনুমান, জাম্বুবান, সুগ্ৰীৱ, ৰাৱণ, ৰাক্ষস) আদি চৰিত্ৰই সুগঢ়ি কাঠেৰে প্ৰস্তুত কৰা মুখা পৰিধান কৰি ভাও দিয়ে। কেতুৱা চৰিত্ৰই দেখিলেই হাঁহি উঠা ধৰণৰ অসংগতি পূৰ্ণ মুখা এখন পিন্ধি দৰ্শকৰ আগত প্ৰৱেশ কৰে। ভাৰীগান বা ভাওগানত মুখাৰ ব্যৱহাৰ অপৰিহাৰ্য হেতুকে এই অনুষ্ঠান বিধক কোনো কোনোৱে মুখৰা গান বুলিও অভিহিত কৰে।

**পালাগান বা দোত্‌ৰা গান ঃ** পালাগান বা দোতৰা গান কুশানগানৰ সমপৰ্যায়ৰ আন এবিধ লোকনাট্যানুষ্ঠান। পালাগানত মূল গায়কে বেনাৰ সলনি দোতৰা সংগত কৰে গতিকে এইবিধ অনুষ্ঠানক দোতৰা গান বুলিও অভিহিত কৰা হয়। আনহাতে পালাগান বা দোতৰা গানৰ কাহিনীবস্তু ৰামায়ণ বা আন পৌৰাণিক কাহিনী আশ্ৰিত নহয়। এই অনুষ্ঠান বিধৰ জৰিয়তেধৰ্মনিৰপেক্ষ লোককাহিনীহে পৰিবেশন কৰা হয়। লোককাহিনী অৰ্থাৎ কেচ্ছা বা কিচ্ছাৰ লগত এইবিধ অনুষ্ঠানৰ সম্পৰ্ক গভীৰ বাবে কোনো কোনো অঞ্চলত এইবিধ অনুষ্ঠানক কেচ্ছা-বন্দী গান বুলিও কোৱা হয়। পৰিবেশনৰ দিশলৈ লক্ষ্য কৰি পালাগান বা দোতৰা গানক দুভাগত বিভক্ত কৰিব পাৰি — 'খাড়াতালি' বা 'খাড়া-তাল' আৰু 'বৈস্‌না-তালি'। পূৰ্ণ পৰ্যায়ৰ দলৰ দ্বাৰা সম্পূৰ্ণভাৱে নাট্যকাহিনী ভাগ পৰিবেশিত হোৱা পালা গানক 'খাড়া-তালি' বা 'খাড়-তাল' বুলি কোৱা হয়। আনহাতে মূল গায়কে দোৱাৰীৰ সহায়ত বহি বহি যদি গীত-পদ আৰু কথোপকথনেৰে কাহিনীভাগ পৰিবেশন কৰিলে তাক 'বৈসনা-তালি' বুলি কোৱা হয়।

**পদ্মাপুৰাণৰ গান ঃ**

সৰ্পদেৱী মনসা বা পদ্মাপূজাৰ সৈতে জৰিত লোকনাট্য সমল বিশিষ্ট এবিধ অনুষ্ঠান হ'ল পদ্মা পুৰাণৰ গান। এইবিধ অনুষ্ঠানক সুকুনান্নী ওজাপালিৰ স্থানীয় ৰূপ বুলিব পাৰি। পদ্মা পুৰাণৰ গানৰ দল একোটিত এজন মূল গায়ক (মূল, গীদাল) আৰু কেইজনমান পালি (পাইল) থাকে। পদ্মাপুৰাণৰ গানত ওজাপালি অনুষ্ঠানৰ দাইনা পালিৰ সমপৰ্যায়ৰ এজন ব্যক্তি থাকে, তেওঁক 'দোহাৰী' বুলি জনা যায়। দোহাৰীয়ে মূল বা গীদালৰ লগত কথোপকথন কৰি গীতৰ অৰ্থ সৰল গদ্যত দৰ্শকক বুজাই দিয়ে। পদ্মাপুৰাণৰ গানৰ একোটি দলত এজন বা দুজন বাইন থাকে। বাইনে খোল বজায়। গীত আৰু নৃত্য পৰিবেশনৰ সময়ত মূল বা গীদালে হাতত চামৰ লৈ মুদ্ৰা ভংগীসহ নৃত্য প্ৰদৰ্শন কৰে। পালিসকলে খুটি তাল বা মঞ্জিৰা বজায় আৰু মূলে লগাই দিয়া গীত-পদ সমস্বৰে দোহাৰে।

অঞ্চল বিশেষে পদ্মাপুৰাণৰ গানক বিষহৰী গান বুলিও কোৱা হয়। পদ্মাপুৰাণৰ গান নৃত্য গীত আৰু অভিনয়ৰ সমষ্টি। গীদাল আৰু পাইলৰ গীত, পদৰ লগে লগে বিষয়বস্তুৰ লগত সম্পতি ৰাখি পদ্মা, শিৱ, চান্দো, বেউলা, লখিন্দৰ আদিৰ চৰিত্ৰ পৰিৱেশনাস্থলীত প্ৰৱেশ কৰোৱা হয়। সাধাৰণতে লখিন্দৰৰ জন্মৰ পৰা আৰম্ভ কৰি পুৰ্ণজীৱন লাভলৈকে এই অংশৰ ঘটনাৱলীৰ নাট্যৰূপ প্ৰদৰ্শন কৰাতো পদ্মা পুৰাণৰ গানৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য। নাট্যৰূপ দিয়াৰ প্ৰসংগত সাপ আৰু পদ্মাৰ বিভিন্ন ৰূপৰ মুখা আদি ব্যৱহাৰ কৰে। পদৰ মাজে মাজেহে অভিনয় চলে। অভিনয় চলি থকা সময়ত গীদাল আৰু পাইল সকলে গীত পদ নাগায়।[১০] এই দিশৰ পৰা বিচাৰ কৰিলে পদ্মাপুৰাণৰ গান বা বিষহৰী গানক লোকনাট বুলিব পাৰি।

**ভাসান যাত্ৰা ঃ**

ভাসান যাত্ৰা অবিভক্ত গোৱালপাৰা অঞ্চলৰ পশ্চিম প্ৰান্তৰ কোনো কোনো অঞ্চলত পৰিৱেশন কৰা দেখা যায়। ভাসান যাত্ৰা, মনসা ভাসান নামেৰেও জনা যায়। বেউলাই মৃত স্বামী লখিন্দৰৰ মৰা শ লৈ স্বৰ্গ পুৰীলৈ যোৱাৰ সম্পূৰ্ণ বিৱৰণ গীত পদ আৰু নৃত্যসহ গীদালে পালিৰ সহায়ত পৰিৱেশন কৰে। ভাসানগানৰ গীত পদ বোৰ সুকবি নাৰায়ণদেৱৰ পদ্মাপুৰাণৰ পৰা আহৃত। ভাসানগানৰ গীত পদবোৰ ইমান কৰুণ যে শুনিলে অশ্ৰু সম্বৰণ সম্ভৱ নহয়। ভাসানগানৰ সুৰ পৰিবেশনৰ ওপৰত গীদাল আৰু পালিৰ শ্ৰেষ্ঠত্ব নিৰ্ভৰ কৰে।

**মাৰে গান ঃ**

মাৰে গান বৰ্তমানৰ গোৱালপাৰা জিলাৰ ঠাই বিশেষে পৰিবেশিত হৈ আহিছে। পাতিৰাভা আৰু বড়োসকলৰ মাজতো এই অনুষ্ঠান বিধ পৰম্পৰা গত ভাৱে প্ৰচলিত হৈ অহা দেখা যায়। মাৰেগানৰ এটা দলত এজন ওজা বা ওঝা আৰু ৪/৫ জনমান পালি থাকে। ইয়াৰ বাহিৰেও এই অনুষ্ঠান বিধত কেইজনীমান দধনী বা দেধনী বা দেওধনী থাকে। মাৰে গানৰ ওজা আৰু পালিয়ে মনকৰ, দুৰ্গাবৰ, সুকবি নাৰায়ণদেৱৰ লগতে বংগীয় মনসা কবিৰ গীত পদৰ এক সংমিশ্ৰিত মৌখিকৰূপৰ গীত-পদ পৰিবেশন কৰে। মাৰে গানত নাটকীয় উপাদান প্ৰচুৰ পৰিমাণে নিহিত আছে। ওজা আৰু পালিয়ে গীত-পদ পৰিৱেশন কৰি থকা সময়ত বিষয়বস্তুৰ ভাগত সংগতিৰাখি দেওধনী আৰু আন আন নিৰ্বাক চৰিত্ৰৰ সহযোগত অভিনয় প্ৰদৰ্শন কৰা হয়। উদাহৰণ স্বৰূপে বিষহৰীৰ কোপত সৰ্বস্বান্ত হোৱা চান্দো সদাগৰৰ ৰূপ দিবৰবাবে এজন ব্যক্তিয়ে মৰাপাটেৰে চুলি আৰু দাড়ি গোফ সাজি চান্দোসদাগৰৰ ভাওলৈ মঞ্চলৈ আহে। এজনী দেওধনীয়ে সোনেকাৰ ভাও লয়, দাড়ি গোফেৰে ভোবোকাৰ আৰু জীৰ্ণ-শীৰ্ণ শৰীৰৰ চান্দোসদাগৰক চিনিব নোৱাৰি নিজপত্নী সোনেকাই স্বামী চান্দোক লঘু-লাঞ্চিত কৰে। মাৰে গানত নাটকীয় ঘটনাৱলী প্ৰায় প্ৰহসন ৰূপত অৱতাৰণা কৰা দেখা যায়।

**বাঁশীপুৰাণৰ গান ঃ**

বাঁহীক গোৱালপাৰা অঞ্চলত বাঁশী বোলা যায়। মুখ বাঁশী এই অঞ্চলৰ এবিধ পুৰণি লোকবাদ্যযন্ত্ৰ। গীদাল আৰু পাইলে মুখবাঁশী সংগত কৰি পদ্মা বা পদ্মাপুৰাণৰ কাহিনী গোৱাৰ যি পৰম্পৰা প্ৰচলিত আছিল তাকে বাঁশীপুৰাণৰ গান বুলি কোৱা হয়। বাঁশী পুৰাণৰ গান নৃত্য, গীত আৰু অভিনয়ৰ সমষ্টি। বাঁশী পুৰাণৰ গীত পদবোৰ সাধাৰণতে নাচি নাচি গোৱা হয়।

সোণাৰায় গীত —

সোণাৰায় গীত অবিভক্ত গোৱালপাৰা অঞ্চলৰ অতি পুৰণি গীত। ব্যাঘ্ৰদেৱতাক সন্তুষ্টি কৰিবৰ কাৰণে এইবিধ গীত পৰিবেশন কৰা হয় বুলি এক জনবিশ্বাস এই অঞ্চলত প্ৰচলিত আছে। সাধাৰণতে সাতদাল 'মাদুৰা' (বিৰিণা, বাতা) সমানকৈ কাটি মৰা পাটেৰেই এটা ফুল তৈয়াৰ কৰি মাদুৰাৰ মুৰত বান্ধি দিব; ফুলটোত ৰঙা-নীলা, বগা তিনি প্ৰকাৰৰ ৰং দিব। এয়াকে সোণাৰায় বুলি গণ্য কৰা হয়। আঘোণাৰ সংক্ৰান্তিৰ পৰা আৰম্ভ কৰি গোটেই পুহ মাহ জুৰি এই অঞ্চলৰ গাঁৱৰ ডেকাবোৰে দলবান্ধি সোণাৰায় কান্ধত লৈ ঘৰে ঘৰে গৈ খোল-তাল বজায় আৰু হাতত থকা বাঁহৰ লাঠিৰে মাটিত খুন্দিয়াই গীত-পদ গায় আৰু গৃহস্থৰ পৰা মাগন মাগে। মাগন মাগিবৰ বাবে এই গীত-পদ গোৱা হয় কাৰণে কোনো কোনোৱে ইয়াক মাগন গীত বুলিও কয়। সোণাৰায় পূজাৰ বাবে ধন-ধান দিবলৈ অৱহেলা কৰিলে, ডেকা সকলে বিভিন্নধৰণে গীত গাই, অভিনয় কৰি ভয়দেখুৱাই আৰু অভিশাপ দিয়ে। সমগ্ৰ পুহৰ মাহতো গৃহস্থৰ ঘৰে ঘৰে গৈ মাগি পোৱা ধনেৰে পুহৰ সংক্ৰান্তিৰ দিনা সোণাৰায় পূজা পাতে আৰু ডেকাবোৰে ভোজভাত খায়।

**বাঁশ পূজাৰ গীত ঃ**

বাঁশ পূজা গোৱালপাৰা অঞ্চলৰ এক উল্লেখযোগ্য অনুষ্ঠান। এই পূজা অনুষ্ঠানবিধ বসন্ত কালত অনুষ্ঠিত হয়। বাঁশ পূজাক মদন কাম বা কামদেব পূজা বুলি কোৱা হয়। অঞ্চল বিশেষে মুছলমান সকলেও এই পূজা কৰাৰ তথ্য পোৱা যায়। মুছলমান সকলৰ বাঁশ পূজাক 'মাদাৰ পূজা' বা 'দাকা পূজা' বুলি কয়। কেইডালমান বাঁহক ৰঙা-বগা কাপোৰ মেৰিয়াই সুসজ্জিত কৰি বাঁহৰ মূৰত একোটাকৈ চোঁৱৰ বান্ধি দিয়া হয়। জাতি-বৰ্ণ নিৰ্বিশেষে কেইজন মান লোকে সাত্বিক নিয়ম আচাৰ পালন কৰি ককাঁলত গামোছাবান্ধি তাত বাঁহডালক থিয় কৰাই লৈ ঘৰে ঘৰে গীত গাই নাচি ফুৰে। গীতৰ তালে তালে খোল তাল আদি পৰিবেশন কৰে। এজনে গীত পদ লগাই দিয়ে আৰু আনবোৰে নাচি নাচি গীত পদবোৰ সমস্বৰে দোহাৰে। এই অঞ্চলত প্ৰচলিত বাঁশপূজাৰ গীতক প্ৰধানকৈ দুটা পৰ্বত ভাগ কৰা হৈছে : বাঁশ পৰ্ব আৰু ভাং পৰ্ব, বাঁশ পৰ্বৰ গীতত বাঁশ স্ৰজন, চোঁৱৰ স্ৰজন, কাপোৰ স্ৰজন, মদন কামেৰ বাঁশ আৰু বাঁশ খেলা বিষয়ক কাহিনী পৰিবেশন কৰা হয়। বাঁশ পৰ্বৰ গীতৰ অন্তত ভাং পৰ্বৰগীত পদ পৰিবেশন কৰা হয়। বাঁশ পূজা অনুষ্ঠানটো সম্পূৰ্ণৰূপে পুৰুষ প্ৰধান অনুষ্ঠান।

**কাতিপূজাৰ গান ঃ**

কাতি মাহৰ সংক্ৰান্তিৰ দিনাখন কাতি পূজা অনুষ্ঠিত হয়। অৱশ্যে ইয়াৰ বাহিৰেও অসময়ত কাতিপূজা কৰিলে ইয়াৰ নাম হয় নমলা কাতি। এইবিধ অনুষ্ঠান সম্পূৰ্ণৰূপে মহিলা আচাৰ কেন্দ্ৰিক অনুষ্ঠান। বংশবৃদ্ধি আৰু শস্য বৃদ্ধিয়ে হ'ল কাতিপূজাৰ প্ৰধান উদ্দেশ্য। এইঅঞ্চলৰ বিভিন্ন ঠাইত গাঁৱৰ আয়তীসকলে কাতি ঠাকুৰৰ পূজা অনুষ্ঠিত কৰিবৰ কাৰণে বহুতো আশা পালি ৰৈ থাকে। যিসকল তিৰোতাই গোটেই দিনটো উপবাস থাকে তেওঁলোকে প্ৰতিজনে এজোৰ ঘট আৰু গুৱা-পান আগ বঢ়ায়। ওপৰত চন্দ্ৰতাপ তৰি তাৰ তলত চাৰিটা কলপুলি পুতি কলপুলিৰ মাজত ময়ুৰ বাহনৰ সৈতে কাতি ঠাকুৰৰ মূৰ্ত্তি স্থাপন কৰে। মণ্ডপত ঘট, কল পুলিত ধানৰ শিহ আৰু চাৰিওটি কল পুলিতে একোখনকৈ ধনুকাঁড় ও লোমাই দিয়া হয়। পূজাৰী ব্ৰাহ্মণৰ আচাৰ-অনুষ্ঠানৰ সামৰণিৰ অন্তত সন্তানকামী তিৰোতা সকলক কোচত তামোল পাণ দি মণ্ডপৰ সন্মুখত বহুৱায় আৰু আন বোৰ তিৰোতাই নাচি নাচি কাতিঠাকুৰৰ গীত পৰিবেশন কৰে। প্ৰথমে সৃজন গীত গাই কাৰ্ত্তিক ঠাকুৰৰ জন্মৰ কথা কোৱা হয়। তাৰ পিছত কাতি ঠাকুৰৰ মূৰ্ত্তি বৰ্ণনা কৰা হয়। গীতৰ তালে তালে অন্যান্য তিৰোতাবোৰে কাতিৰ চাৰিওপিনে নৃত্য কৰে। তিৰোতাবোৰৰ মাজৰে দুই-এজনে মতা-মানুহৰ পোছাক পিন্ধি নাচে। বিভিন্ন ধৰণৰ অভিনয় প্ৰদান কৰে। পাৰ্বতীৰ গৰ্ভধাৰণৰ পৰা আৰম্ভ কৰি প্ৰসৱ হোৱা সময়লৈকে অৰ্থাৎ কাতি ঠাকুৰৰ জন্মলৈকে সম্পূৰ্ণ কাহিনীটো কাতি পূজাৰ গীতত বৰ্ণিত হয়। গীত পদৰ বিষয়বস্তুৰ আঁত ধৰি অভিনয় প্ৰদান কৰা হয়। কাতি পূজাৰ গীতত শ্লীল-অশ্লীল দুয়েটাৰূপে প্ৰকাশ পায়। কাতিপূজাৰ গীতত লোকনাট্যৰ সমল পূৰা মাত্ৰে বিদ্যমান।

**হুদুদেওৰ গীত ঃ**

হুদুমদেওৰ পূজা গোৱালপাৰা অঞ্চলত পালিত হোৱা এক বিশিষ্ট নৃত্য-গীত প্ৰধান অনুষ্ঠান। হুদুমদেওৰ পূজা সম্পূৰ্ণ মহিলা আচাৰ কেন্দ্ৰিক অনুষ্ঠান। সাধাৰণতে অনাবৃষ্টি হ'লে বৰষুণৰ কামনা কৰি পৃথিৱীখনক জীপাল কৰাৰ উদ্দেশ্য হুদুম পূজা কাৰি হুদুমদেওৰ গত পৰিবেশন কৰা হয়। প্ৰবাদ আছে যে পূৰ্বতে এই অঞ্চলত বনৰীয়া হুদুচৰাই ধৰি আনি আঁউসীৰ এন্ধাৰ নিশা পথাৰত এটি খুতি পুতি তাত বান্ধি থৈ এই পূজা কৰিছিল। গাঁৱৰ তিৰোতাসকলে আন্ধাৰত গোপনে ইয়াৰ চাৰিওপিনে উলঙ্গ হৈ গীত গাই গাই নৃত্য কৰে। তিৰোতাৰ এই আকুল আহ্বান আৰু এওঁলোকে সকলো লাজ-কাজ ভাব অদৃশ্য শক্তিৰ উদ্দেশ্যে অৰ্পিত হোৱাত প্ৰকৃতিয়ে আশীৰ্বাদ দিয়ে আৰু বসুমতীৰ বুকুলৈ বৰষুণ নামি আহে। এই ঘটনাৰ একমাত্ৰ সাক্ষীহৈ থাকে জীৱন্ত হুদুচৰাইটো। বৰ্তমান সময়ত হুদুচৰাইৰ পৰিৱৰ্তে এটি কলপুলি পুতি এই অনুষ্ঠান পালন কৰা হয়। হুদুচৰাইৰ পৰিবৰ্তে পোতা কলপুলিটোক 'হুদুমখুটি' বোলা হয়। হুদুম-খুটি সম্পূৰ্ণ নিয়ম-নীতিৰে পোতা হয়। বিশ্বাস আছে যে হুদুমখুটি পোতাৰ দিনাখনেই বৰষুণ হয়। যদিহে তিনিদিনলৈ বৰষুণ নহয় তেতিয়া হ'লে আয়তীসকলে হুদুমপূজা আৰম্ভ কৰে। এই পূজা অনুষ্ঠানত পূজাৰিণী সকলে উলঙ্গহৈ যৌনধৰ্মী গীতপদ গাই বিভিন্ন অংগী ভংগীৰে নৃত্যকৰি আকুলভাবে বৰষুণৰ বাবে হুদুমদেউক প্ৰাৰ্থনা জনায়। গীত নৃত্যবোৰত অশ্লীল ভংগিমা বিৰাজমান। আনকি অভিনয় প্ৰদৰ্শনো অশ্লীল পৰ্য্যায়ৰ, যদিও যৌন ব্যভিচাৰ নাই। হুদুমদেওৰ পূজাত লোকনাট্যৰ গুণ পুৰামাত্ৰে বিৰাজমান।

ওপৰত সংক্ষেপে আলোচনা কৰা লোকনাট্য গুণ বিশিষ্ট

অনুষ্ঠানবোৰৰ উপৰি আৰু যথেষ্ট সংখ্যক লোকনাট্যগুণ বিশিষ্ট অনুষ্ঠানৰ প্ৰচলন গোৱালপাৰা অঞ্চলত আছে। এই অনুষ্ঠানবোৰৰ ভিতৰত ময়নামতীৰ গান, গোৱালনীযাত্ৰা, সত্যপীৰপালা, মনাইযাত্ৰা, নয়নাশ্বৰীগীত, চাৰযুগীগান, মনোমতীৰ গান আদি বিশেষভাবে উল্লেখ যোগ্য। সাধাৰণতে এইবোৰ অনুষ্ঠান স্বকীয় কলাৰীতি বিশিষ্ট নহয়। কাৰণ বিশেষ বিশেষ একোটা কাহিনীক কেন্দ্ৰকৰি একো একোখন গানৰ সৃষ্টি হৈছে। আনহাতে এই অঞ্চলত অনুষ্ঠিত হোৱা চড়কপূজা অশোকাষ্টমী আদিক কেন্দ্ৰকৰি দুইএখন ব্যংগ কৌতুকপূৰ্ণ নাটক সৃষ্টিহোৱা দেখা যায়। প্ৰবন্ধৰ সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য কৰি এই আটাইবোৰ লোকনাট্যনুষ্ঠানৰ পৰিচয়মূলক বিশ্লেষণ আগবঢ়াব নোৱাৰিলোঁ।

অবিভক্ত গোৱালপাৰা অঞ্চলৰ লোকনাট্যানুষ্ঠানবোৰৰ যিটো বৈচিত্ৰময় ৰূপ প্ৰতিভাত হয়, এই ধৰণৰ অনুষ্ঠান অসম, ভাৰত নহয় পৃথিৱী ঘূৰিলেও বোধহয় পোৱা নাযাব। আমাৰ পূৰ্বজ সকলে সৃষ্টি কৰি থৈ যোৱা এই অনুষ্ঠান সমূহ যিবোৰৰ জৰিয়তে আমি বিশ্ব দৰবাৰত নিজকে চিনাকী দিব পাৰো, সেই অনুষ্ঠানবোৰ আজি আমাৰ হাততে বিলুপ্ত হবলৈ ওলাইছে। সময় থাকোতে এই অনুষ্ঠানবোৰৰ সংৰক্ষণ, সংবৰ্ধন কৰিব নোৱাৰিলে এদিন আমাৰ নিজৰ চিনাকীও হেৰাই যাব। যুগৰ লগত পৰিৱৰ্তন অৱশ্যম্ভাৱী। কিন্তু পৰিবৰ্তনৰ নামত বিলুপ্তি হ'ব আমাৰ ঐতিহ্য বিনাশৰ হঠকাৰী সিদ্ধান্ত। সেয়েহে এই অঞ্চলৰ প্ৰতিজন ব্যক্তি, প্ৰতিটো সামাজিক অনুষ্ঠানৰ দায়িত্ব হ'ব লাগিব এই অঞ্চলৰ সংস্কৃতিক পুনৰ উজ্জীৱিত কৰা।

সহায়ক গ্ৰন্থপঞ্জী :—

১. শৰ্মা, নবীন চন্দ্ৰ : ''অসমীয়া লোকনাট্য পৰম্পৰা উত্তৰণ উদ্ভৱন'', অসমীয়া নাটক পৰম্পৰা আৰু পৰিবৰ্তন, পৰমানন্দ ৰাজবংশী (সম্পা.), পৃ. ১।

২. ঘোষ, মনমোহন (সম্পা.) : ভৰতৰ নাট্যশাস্ত্ৰ, ১৪/৬১।

৩. শাৰ্ঙ্গদেৱ : সংগীত ৰত্নাকৰ, ১/২২।

৪. ভৰালী, শৈলেন : অসমীয়া লোকনাট্য পৰম্পৰা, পৃ. ৫।

৫. শাঙ্গদেৱ : প্ৰাগুক্ত গ্ৰন্থ, ১/২২।

৬. ভৰালী, শৈলেন : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৬।

৭. হৰিবংশ, বিষ্ণুপৰ্ব, ৯৩/২৮।

৮. শৰ্মা, নবীনচন্দ্ৰ : প্ৰাগুক্তগ্ৰন্থ, পৃ. ২।

৯. শৰ্মা, নবীনচন্দ্ৰ : লোকসংস্কৃতি আৰু অবিভক্ত গোৱালপাৰাজিলাৰ পৰিৱেশ্য কলা, পৃ. ৬৯।

১০. শৰ্মা, নবীনচন্দ্ৰ : অসমৰ পৰিৱেশ্য কলাওজা পালি, পৃ. ৮১।

১১. দত্ত, বীৰেন্দ্ৰ নাথ : গোৱালপাৰাৰ লোক-সংস্কৃতি আৰু অসমীয়া সংস্কৃতিলৈ ইয়াৰ অৱদান।

১২. শৰ্মা, শিৱানন্দ : গোৱালপাৰা জিলাৰ সংস্কৃতি-সংৰক্ষণ, স্মৃতিগ্ৰন্থ, ধুবুৰী, ১৯৭১।

১৩. দাস, ধীৰেণ : গোৱালপৰীয়া লোকসংস্কৃতি আৰু লোকগীত।

১৪. শৰ্মা, নবীন চন্দ্ৰ : লোকসংস্কৃতি।

১৫. শৰ্মা, উপেন্দ্ৰজিৎ : খুলীয়া ভাউৰীয়া আৰু ভাৰী গানৰ তুলনামূলক অধ্যয়ন, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, গুৱাহাটী বিশ্ববিদ্যালয়।

*(ড° শৰ্মা ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা)*

# ভাৰতৰ স্বাধীনতা আন্দোলনত গোৱালপৰীয়া অৱদান

আবুল হুছেইন

ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ছোৱাত গোৱালপৰীয়া সকলৰ অৱদান আছিল অতি গৌৰৱময়। ১৯২০ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশন অনুষ্ঠিত হৈছিল নাগপুৰত। নাগপুৰ অধিবেশনতেই জাতিৰ পিতা মহাত্মাগান্ধীয়ে অসহযোগ আন্দোলনৰ প্ৰস্তাৱ দিছিল। অলপ দিনৰ অন্তত কলিকতাত বহা বিশেষ অধিবেশনত গান্ধীজীৰ অসহযোগৰ প্ৰস্তাৱ সন্মতি লাভ কৰে আৰু দেশৰ ভিন্ন প্ৰান্তত আন্দোলনৰ খবৰ বিয়াপি পৰে। অসমতো অসহযোগ অন্দোলনৰ প্ৰতি সঁহাৰি আছিল স্বতঃস্ফুৰ্ত।

অসমৰ লগতে গোৱালপাৰা জিলাতো অসহযোগ আন্দোলনৰ জুই তুৰন্তে বিয়াপি পৰে আৰু ঠাইয়ে ঠাইয়ে বিক্ষোভ ছটিয়াই পৰে। গোৱালপাৰা জিলাৰ যোগেন্দ্ৰনাথ নাথ, হৰেন্দ্ৰকুমাৰ সিংহ, কৃষ্ণানন্দ ব্ৰহ্মচাৰী, গৌৰিকান্ত চক্ৰৱৰ্তী, গিৰীন্দ্ৰকুমাৰ নাথ, সুৰেন্দ্ৰমোহণ সেনগুপ্ত প্ৰভৃতিয়ে নিজনিজ শিক্ষানুষ্ঠান ত্যাগ কৰি আন্দোলনত যোগদিয়ে। গুৱাহাটীৰ শিক্ষানুষ্ঠানৰ লগত থকা গোৱালপাৰাৰ ছাত্ৰ সুৰেন্দ্ৰমোহন দাস, মণিকান্তদাস, বীৰেন্দ্ৰনাৰায়ন মেধি, দুগ্ধনাথ নাথ, গোবিন্দ চন্দ্ৰ পাটগিৰি, মধুসুধন পাটগিৰি আদিয়ে কৰ্ম অনুষ্ঠান বৰ্জন কৰি অসহযোগ আন্দোলনত জপিয়াই পৰে। ১৯২১ চনৰ ফেব্ৰুৱাৰী মাহত অসহযোগ আন্দোলনৰ কাৰ্যসুচীলৈ চন্দ্ৰনাথ শৰ্মাই গোৱালপাৰালৈ আহে আৰু অসহযোগ আন্দোলন পূৰ্ণদমে গঢ়ি তুলিবলৈ বিভিন্নস্থানত সভাসমিতি পাতি ৰাইজক চন্দ্ৰনাথ শৰ্মাৰ আহ্বানৰ প্ৰতি গোৱালপৰীয়া ৰাইজে বিপুল সহঁাৰি দিয়ে আৰু সেইমুহূৰ্তৰ পৰা জিলাখনৰ প্ৰান্তে প্ৰান্তে আন্দোলনৰ ঢৌ সঞ্চাৰিত হয়।

১৯২১ চনৰ ১ মাৰ্চৰদিনা গোৱালপাৰা পৃথিৰাম চৰকাৰী বহুমুখী হাইস্কুলৰ শিক্ষক ধৰ্মেশ্বৰ দাস প্ৰমুখ্যে এদল শিক্ষক আৰু সংগ্ৰামী ছাত্ৰৰ উদ্যোগত 'স্বৰাজ' বন্দোমাতৰম ধ্বনি তুলি এটি বিৰাট শোভাযাত্ৰা উলিয়ায়। সেয়াই আছিল সম্ভৱত স্বাধীনতা লাভৰ দাবীত অসমৰ মাটিত বিৰাট আকাৰৰ প্ৰথম শোভাযাত্ৰা। ধৰ্মেশ্বৰ দাসে পিছত চৰকাৰী চাকৰি ইস্তফাদি আন্দোলনত সক্ৰিয়াভাৱে নামি পৰে। আন্দোলনৰ গতি তীব্ৰতৰ কৰিবলৈ ধৰ্মেশ্বৰ দাসে জাতীয় স্কুল প্ৰতিষ্ঠা কৰে। এই জাতীয় স্কুলত ব্ৰিটিছ বিৰোধী মনোভাৱ সক্ৰিয় কৰি তুলিবলৈ শিক্ষা দিয়া হৈছিল। প্ৰথম অৱস্থাত জাতীয় স্কুলত ছাত্ৰৰ সংখ্যা বেছি আছিল যদিও পিছলৈ হ্ৰাস পাবলৈ ধৰে। ভাৰতীয় জাতীয় কংগ্ৰেছৰ গোৱালপাৰা শাখা কমিটিও ইতিমধ্যে গঠিত হয়। কমিটিৰ সভাপতিৰ দায়িত্ব গ্ৰহণকৰে কামাখ্যাচৰণ সেনে আৰু সম্পাদকৰ দায়িত্ব যুটীয়াভাৱে লয় ধৰ্মেশ্বৰদাস আৰু ক্ষীৰোদসেনে। যোগেন্দ্ৰনাথ নাথে সহসম্পাদকৰ দায়িত্বত থাকে। কমিটিখনৰ ধনভৰালী হয় চহৰৰ মাজমজিয়াত থকা ধনীব্যৱসায়ী খায়ৰুদ্দিন আহমেদ।

১৯২১ চনৰ শেষৰ ফালে নবীনচন্দ্ৰ বৰদলৈ আৰু তৰুণৰাম ফুকণ গোৱালপাৰালৈ আহে। তেওঁ লোক দুয়োজন তিনিদিন ধৰি আন্দোলনৰ কাৰ্যসূচী ৰাইজক অবগত কৰায়। সেইসময়ত খগেন্দ্ৰনাথ নাথ দেৱ বংগদেশৰ চাঁদপুৰৰ পৰা গোৱালপাৰালৈ উভতি আহে আৰু আন্দোলনত সক্ৰিয়াভাবে জড়িত হৈ পৰে। গোৱালপাৰাত তৰুণৰাম ফুকনৰ বক্তৃতা ইমানেই অগ্নিগৰ্ভা আছিল যে পুলিচবিষয়া অমৃতচন্দ্ৰ দাসে তৰুণৰাথ ফুকনক গ্ৰেপ্তাৰ কৰে আৰু তাৰ ফলশ্ৰুতিত পদোন্নতি লাভ কৰে। পিছে খগেন্দ্ৰ নাথো বাদ নপৰিল। তেখেতকো গ্ৰেপ্তাৰ কৰা হ'ল। ইয়াৰ পৰিণতিত ৰাইজৰ মাজত আন্দোলনৰ তীব্ৰতা আৰু অধিক হ'ল। কিছুদিন পিছত চৌৰিচৌৰাত ব্ৰিটিছ বিৰোধী কাৰ্মত যি ঘটনা সংঘটিত হয় তাৰ ফলত গান্ধীজীৰ আন্দোলনৰ চোক কিছু স্তিমিত হয়। পিছত গান্ধীজীয়ে অমহযোগ আন্দোলন উঠাই লয় আৰু ছয়বছৰ কাল কাৰাদণ্ড ভোগ কৰে। গুৰিয়ালবিহীন নাওৰদৰে আন্দোলন বহুপৰিমাণে ম্লাণ পৰে।

গোৱালপাৰাত খগেন্দ্ৰনাথ, যোগেন্দ্ৰনাথ আৰু আশ্ৰফ আলীৰ নেতৃত্বৰ আন্দোলনৰ তীব্ৰতা অলপো নকমিল। ব্ৰিটিছ বিৰোধী ঢৌ দিনকদিনে বাঢ়িয়েই থাকিল।

যোগেন্দ্ৰনাথৰ উদ্যোগত অসম ক্লাবৰ জৰিয়তে খদ্দৰ কাপোৰৰ প্ৰচলন গোৱালপাৰা জিলাতো আৰম্ভ হয়। ক্লাবৰ জৰিয়তে উন্নতমানৰ তাঁতশাল আৰু যঁতৰ আদিৰো যোগান ধৰা হ'ল। এই কাময়ছোৱাত প্ৰাদেশিক কংগ্ৰেছৰ 'কপাহসংগ্ৰহ' আঁচনি হাততলৈ গোপীনাথ বৰদলৈ, ক্ষীৰ বৰুৱা, ভৃগুবৰুৱা অৰু লক্ষীৰাম দাস গোৱালপাৰালৈ আহে। তেখেতসকলে দুধনৈৰ পৰা দক্ষিণফালে দামৰা হাটত কপাহ কিনিবলৈ যোৱাটো গমপাই দুধনৈ থানাৰ ভাৰপ্ৰাপ্ত কৰ্মচাৰী চন্দ্ৰকান্ত শৰ্মা কেইজনমান চিপাহী লগতলৈ বৰদলৈ দেৱক

আৰু তেখেতৰ সহযোগী সকলক প্ৰেপ্তাৰ কৰিবলৈ তাত উপস্থিত হয়। এই সংবাদ প্ৰচাৰ হোৱাৰ লগে লগে দামৰা বজাৰৰ আশে পাশে থকা লোক সকলে হাইউৰুমি লগাই দিয়ে আৰু পুলিচ বাহিনীয়ে উপায় নাপাই দামৰা এৰিবলৈ বাধ্য হয়। দামৰাৰ পৰা বৰদলৈ দেৱক চাইকেলেৰে দলগোমালৈ নিয়া হয়। দলগোমাৰ পৰা পিছত তেখেতক জাহাজেৰে গুৱাহাটীলৈ পঠাই দিয়া হয়। এই কাৰ্য আজিৰ দৰে ইমান সহজ নাছিল। সেই সময়ত সমগ্ৰ অঞ্চলতেই মাথো কেইটামানহে চাইকেল আছিল। শুণামতে খগেন্দ্ৰনাথৰ খুৰাক উপেন্দ্ৰচন্দ্ৰ নাথে হেনো গোৱালপাৰা চহৰলৈ পোণ প্ৰথমে চাইকেল আনিছিল। উপেন্দ্ৰনাথ দেৱে যাতে সোণকালে চাইকেল চলা শিকে তাৰবাবে গোৱালপাৰাৰ আলিপাৰা মছজিদত মমবাতি জ্বলাই প্ৰাৰ্থনা কৰিছিল। সেয়া আছিল প্ৰকৃততে হিন্দু মুছলমানৰ মিলাপ্ৰীতিৰ এক নিদৰ্শন স্বৰূপ।

১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছৰ অধিবেশনৰ সময়ত এশজন স্বেচ্ছাসেৱকৰ সৈতে খগেন্দ্ৰনাথে অধিবেশনত যোগদিছিল। দলপতি আছিল গোপালচন্দ্ৰ নাথ আৰু নেতা শিবিৰৰ দায়িত্বত আছিল খগেন্দ্ৰনাথ আৰু এৰছাদআলী। অধিবেশনৰ সময়ছোৱাত গান্ধীজীৰ কুটিৰত সেৱাৰ-মুখ্য দায়িত্বত আছিল ডিব্ৰুগড়ৰ প্ৰধান কংগ্ৰেছ কৰ্মী কেদাৰনাথ গোস্বামী আৰু সহায়ক আছিল খগেন্দ্ৰনাথ নাথ আৰু এৰছাদ আলী। ১৯২৮ চনত কলিকতাত বহা কংগ্ৰেছ অধিাবশনত গোৱালপাৰা জিলাৰ পাঁচজন প্ৰতিনিধিয়ে যোগ দিছিল। তেখেতসকলৰ ভিতৰত যোগেন্দ্ৰনাথ নাথ, সুৰেন্দ্ৰনাথ আৰু খগেন্দ্ৰনাথ আছিল অন্যতম। কলিকতা অধিবেশনত পূৰ্ণ স্বাধীনতাৰ বাবে দুটা প্ৰস্তাৱ লোৱা হয়। অসমৰ আন আন ঠাইৰ প্ৰতিনিধিসকল গান্ধীজীৰ প্ৰস্তাৱক পূৰ্ণ সমৰ্থন দিছিল। গোৱালপাৰাৰ পাঁচজন প্ৰতিনিধিয়ে সুভাষচন্দ্ৰ বসুৰ প্ৰস্তাৱক পূৰ্ণ সমৰ্থণ দিছিল। শেষত অৱশ্যে গান্ধীজীৰ প্ৰস্তাৱ গৃহীত হয়।

কলিকতা অধিবেশনৰ পৰা উভতি আহি গোৱালপাৰাৰ প্ৰতিনিধিসকলে ''তৰুন সংঘৰ'' উদ্যোগত ১৯২৯ চনৰ নভেম্বৰ মাহত ধুবুৰীত সদৌ গোৱালপাৰ যুবক সন্থাৰ এখন অভিবৰ্তন অনুষ্ঠিত কৰে। অভিবৰ্তনখন পৌৰহিত্য কৰিছিল বিপ্লৱীনেতা প্ৰতুলচন্দ্ৰ গাংগলীয়ে। ১৯২৯ চনত লাহোৰ অধিবেশনত 'পূৰ্ণ স্বাধীনতাৰ' প্ৰস্তাৱ আনুষ্ঠানিকভাৱে গৃহীত হয় আৰু ১৯৩০ চনথ ২৬ জানুৱাৰী দিনটো স্বাধীনতা দিবস হিচাপে দেশজুৰি পালন কৰে। এই স্বাধীনতা দিৱসটো গোৱালপাৰাতো দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। পূৰ্ণ স্বাধীনতাৰ পতাকা উৰুৱাই গোৱালপৰীয়া সকলে আনন্দউল্লাস কৰিছিল। গোৱালপাৰাৰ ৰাস্তাত হোৱা সমদল আৰু কাৰ্যালয়ৰ সন্মুখত হোৱা পিকেটিংয়ে শাসকগোষ্ঠিক বিব্ৰত কৰিছিল আৰু জথে মথে গ্ৰেপ্তাৰ হৈছিল গোৱালপৰীয়া আন্দোলনকাৰীসকল। গ্ৰেপ্তাৰ হোৱা সকলৰ ভিতৰত খগেন্দ্ৰনাথ, যোগেন্দ্ৰনাথ, ৰমণীকান্ত দাস, প্ৰমন্ন কুমাৰ দাস, বসন্তকুমাৰ দাস, সীতেন্দ্ৰচন্দ্ৰ দাস, ঘণেন্দ্ৰচন্দ্ৰ নাথ, কিৰণচন্দ্ৰ নাথ, ফুকনচন্দ্ৰ নাথ, কামাখ্যাচৰণ দাস, আশ্ৰফ আলী, ৰমেশ চন্দ্ৰদাস, মানিকচন্দ্ৰ কৰ্মী, আব্দুৰৰৌফ আছিল উল্লেখযোগ্য। বহুতৰে পিছত কাৰাদণ্ড হয়। খগেন্দ্ৰনাথৰ ১৩ মাহ কাৰাদণ্ড হয়।

১৯৩৭ চনৰ ১৩ এপ্ৰিলৰ দিনটো সমগ্ৰদেশতে জালিৱানৱালাবাগ দিবস হিচাপে পালন কৰা হৈছিল। গোৱালপাৰা জিলা যোগেন্দ্ৰনাথ আৰু খগেন্দ্ৰনাথৰ নেতৃত্বৰ কেইবা হাজাৰ জনতাই ১৪৪ ধাৰা আইন ভঙ্গ কৰি সমদল আৰু শোভাযাত্ৰা উলিয়াই সভাসমিতি পাতি ৰাইজক উত্তেজিত আৰু আকৰ্যিত কৰিছিল। সমদলৰ পৰা বহুতক শাসকশ্ৰেণীয়ে ব্ৰহ্মপুত্ৰ পাৰকৰি বালিৰ চৰত এৰিথৈ আহিছিল। খগেন্দ্ৰনাথ আৰু যোগেন্দ্ৰ নাথক গ্ৰেপ্তাৰ কৰি গুৱাহাটীলৈ চালান দিয়ে।

সেইবাৰ গুৱাহাটীৰ জেলত অসমৰ আগশাৰীৰ স্বাধীনতা সংগ্ৰামী নবীনচন্দ্ৰ বৰদলৈ মহেন্দ্ৰমোহণ চৌধুৰী, লক্ষীধৰ বৰা আদি উচ্চপৰ্যায়ৰ স্বাধীনতা সংগ্ৰামী নেতাৰ সান্নিধ্যত খগেন্দ্ৰনাথদেৱে অধিক মনোবল আহৰণ কৰে। স্বাধীনতাৰ প্ৰতি নিজকে উৰ্হ্গা কৰিবলৈয়ো গুৱাহাটী জেলৰ পৰাই প্ৰতিজ্ঞাবদ্ধ হয় যোগেন্দ্ৰনাথ আৰু খগেন্দ্ৰনাথ দেৱে।

জেলৰ পৰা ঘূৰি আহি ১৯৩৩ চনত মহাত্মা গান্ধীয়ে আহ্বান দিয়া গাওঁলৈ উভতি চোৱা (Back to the Villege) আন্দোলনত খগেন্দ্ৰনাথ আৰু তেওঁৰ সহযোগীসকল জাপিয়াই পৰে। ১৯৩৪ চনৰ ডিচেম্বৰ মাহত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সোণালী জয়ন্তী উৎসৱ যোগেন্দ্ৰনাথ আৰু খগেন্দ্ৰনাথৰ নেতৃত্বত দলগোমা, লক্ষীপুৰ, মানকাচাৰ, দুধনৈ, ধুপধৰা আৰু ধুবুৰীৰ পৰা ভালেসংখ্যক কংগ্ৰেছ কৰ্মীয়ে সেই উৎসৱত যোগদিছিল আৰু স্বাধীনতাৰ বাবে আন্দোলনৰ কাৰ্যসূচী চলাই যাবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছিল। সেই একে বছৰতে গোৱালপাৰা জিলাত কৃষক সন্মিলন অনুষ্ঠিত হয় আৰু সেই সন্মিলনত পৌৰহিত্য কৰে ফখৰুদ্দিন আলী আহমোদ, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা আৰু গোপীনাথ বৰদলৈ দেৱে। ১৯৩৭ চনত জৱহৰলাল নেহৰু নিখিল কংগ্ৰেছ কমিটিৰ সভাপতি হয় আৰু খগেন্দ্ৰনাথৰ আমন্ত্ৰণ ক্ৰমে নেহৰু গোৱালপাৰালৈ আহে। গোৱালপৰীয়া ৰাইজ নেহৰুজীক অভূতপূৰ্ণ সম্বৰ্দ্ধনা জনোৱাৰ ওপৰিও এহেজাৰ এশটকা নেহৰুক উপহাৰ দিয়ে। জৱাহৰলাল নেহৰুৰ লগত বিষ্ণুৰাম মেধি, গোপীনাথ বৰদলৈ, অমিয়কুমাৰ দাস, শ্ৰীমতী অমলকুমাৰ দাস আৰু সিদ্ধিনাথ শৰ্মাও আছিল।

১৯৪০ চনত বিশ্বজুৰি দ্বিতীয় মহাসমৰৰ হুংকাৰ বাজিউঠে। জাপানে অসমৰ পুব সীমান্তত আক্ৰমণ চলায়। এই সংকট কালত অসম কংগ্ৰেছৰ সভাপতি মৌলানা মহম্মদ তৈয়বুল্লাই 'শান্তি সেনা' বাহিনী গঠন কৰি পৰিচালনাৰ দায়িত্ব গোৱালপাৰাৰ খগেন্দ্ৰনাথ দেৱক অৰ্পণ কৰে। অসমৰ প্ৰথম শান্তিসেনা শিবিৰ ধূপধৰাৰ কোঠাকুঠিত

পতা হৈছিল। তৈয়াবুল্লাহে আৰু গোপীনাথ বৰদলৈ ক্ৰমে সভাপতি আৰু উদ্বোধিক হিচাপে যোগদান কৰিছিল। শান্তিসেনা বাহিনীৰ যিমানবোৰ শাখা আছিল তাৰ ভিতৰত গোৱালপাৰাৰ শান্তিসেনা বাহিনীটোক শ্ৰেষ্ঠ বাহিনী বুলি অভিহিত কৰিছিল। ১৯৪২ চনত ভাৰত ত্যাগ প্ৰস্তাৱ গৃহীত হয়। সমগ্ৰদেশ জুৰি গান্ধীজীৰ আন্দোলনত জনতা ৰাজআলিলৈ ওলাই আহি ব্ৰিটিছ বিৰোধী শ্লোগানেৰে হুংকাৰ দিয়ে আৰু গ্ৰেপ্তাৰ হয় অগণণ আগশাৰীৰ নেতা। ধুবুৰীত বৰদলৈ অৰু সিদ্ধিনাথ শৰ্মা গ্ৰেপ্তাৰ হয়। যোগেন্দ্ৰনাথ আৰু খগেন্দ্ৰনাথৰ নেতৃত্বত গোৱালপাৰা জিলাই ভাৰত ত্যাগ অন্দোলনত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। ইয়াৰ পৰিণতিত যোগেন্দ্ৰনাথ আৰু খগেন্দ্ৰনাথ গ্ৰেপ্তাৰ হবলগীয়া হয়। খগেন্দ্ৰনাথক কিছুদিন পিছত এৰিদিয়ে আৰু যোগেন্দ্ৰনাথক এবছৰৰ বাবে কাৰাদণ্ডৰ হুকুমদি তেজপুৰ জেললৈ চালান দিয়ে।

১৯৪৩ চনৰ শেষভাগৰ পৰা আন্দোলনৰ তীব্ৰতা ক্ৰমে কমি আহিবলৈ ধৰে। গোপীনাথ বৰদলৈৰ উদ্যোগত, গোৱালপাৰাৰ অসম ক্লাবত কংগ্ৰেছ কৰ্ম পৰিষদ গঠন কৰি খগেন্দ্ৰনাথক সভাপতিৰ দায়িত্ব দিয়া হয়। ১৯৪৪ চনত জৱহৰলাল নেহৰু আকৌ অসমলৈ আহে। গোৱালপাৰা জিলাৰ কোকৰাঝাৰ বিলাসীপাৰা, চাপৰ, অভয়াপুৰী আদি ঠাইলৈ নেহৰুজী গৈ গোৱালপৰীয়া ৰাইজৰ আন্দোলনৰ প্ৰতি থকা সঁহাৰি আৰু সক্ৰিয়তাক প্ৰশংসা কৰে। ১৯৪৫ চনত গান্ধীজী অসমলৈ আহি প্ৰথমবাৰৰ বাবে গোৱালপাৰা পদাৰ্পণ কৰে। পুৰণা বজাৰৰ নৈৰ পাৰৰ গান্ধীময়দান আজিও গান্ধীজীৰ পদাৰ্পনৰ স্মৃতিৰ স্বাক্ষৰ বহন কৰি আছে। সহজ সৰল গোৱালপৰীয়াৰ স্বাধীনতা আন্দোলনৰ বীৰত্বক আৰু সাহসক গান্ধীজীয়ে উৎসাহিত কৰিছিল। গোৱালপৰীয়া ৰাইজক আৰু অধিক সক্ৰিয় হবলৈ উদগনি যোগাইছিল। খগেন্দ্ৰনাথ নাথৰ নেৰানেপেৰা চেষ্টাৰ বলতেই যে জাতিৰ পিতা মহামানৱ মহাত্মাগান্ধীৰ পদাপৰ্ণ গোৱালপাৰাৰ হৈছিল সেয়া হলে সঁচা কথা।

১৯৪৬ চনত অনুষ্ঠিত হোৱা কেবিনেট মিছনৰ আঁচনি অনুসৰি। দেশ বিভাজন হ'ল। গোৱালপাৰাতো আন আন ঠাইৰ দৰে সংকট নহাকৈ নাথাকিল। মুছলিমলিগে গোৱালপাৰা জিলাখনক পাকিস্তানৰ লগত ভূক্ত কৰিবলৈ দাবি জনাইছিল। তেতিয়া গোৱালপাৰা জিলাত খগেন্দ্ৰনাথ, আশ্ৰফআলী, শৰৎসিংহ (প্ৰাক্তন মুখ্যমন্ত্ৰী) প্ৰমূখ্যে ভালেসংখ্যক নেতাৰ প্ৰচেষ্টাত গোৱালপাৰা অসমৰ অবিচ্ছেদ্য অংগহৈ থাকিল। ওপৰত উল্লেখিত স্বাধীনতা সংগ্ৰামী সকলৰ বাদেও জিলাখনৰ বিভিন্ন প্ৰান্তৰ স্বাধীনতা সংগ্ৰামীয়ে অক্লান্ত চেষ্টা আৰু সংগ্ৰাম কৰি কৰিয়েই শেষ নিশ্বাস ত্যাগ কৰিছিল যিসকলৰ বিষয়ে ইতিহাস ৰচনা নহ'ল, কালৰ কুটিল গৰ্ভত তেওঁলোক এতিয়া আচিনাকী হ'ল। সেইসকলৰ ভিতৰত কেৱল আঙুলিৰ মুৰত হিচাপ কৰিব পৰা কেইজনমানক হয়তো আজিৰ প্ৰজন্মই এতিয়াও ভুলিযোৱা নাই। তেখেতসকলৰ ভিতৰত দুধনৈৰ হাকিম ৰাভা, দলগোমাৰ ৰত্নেশ্বৰ দাস, লক্ষীপুৰৰ সাহাদত জোদ্দাৰ, জলেশ্বৰৰ হাজী ৰাইজউদ্দিন, গোৱালপাৰাৰ মজিবৰ ৰহমান, খায়ৰুদ্দিন আহমেদ, মজিৰুদ্দিন আহমেদৰ নাম উল্লেখযোগ্য। এওঁলোকৰ বহুতেই স্বাধীনতা আন্দোলনত জাপিয়াই পৰিছিল আৰু কাৰাবাসো খাটিছিল। ইংৰাজে দেশলোৱাৰ প্ৰায় দুশবছৰ পাছত অৰ্দ্ধশতাব্দীৰো অধিক কাল নিৰবিছিন্ন ভাৱে যুঁজি যুঁজি মহান স্বাধানতা সংগ্ৰামী তথা দেশ প্ৰেমীক সকলে দিঁথৈ যোৱা স্বাধীনতাৰ বাবে আমি চিৰ কৃতজ্ঞহোৱা উচিত।

সহায়ক গ্ৰন্থ পুথি / প্ৰৱন্ধ :

১. অমৃত সন্ধান, কণকচন্দ্ৰ ডেকা।

২. গোৱালপাৰাৰ গৌৰৱ, প্ৰকাশিত প্ৰবন্ধ, আবুল হুছেইন।

৩. গোৱালপাৰা জিলাৰ ইতিহাস, প্ৰৱন্ধ, স্বদেশ আলোচনীত প্ৰকাশিত, আবুল হুছেইন।

৪. গোৱালপাৰা জিলাৰ লোকসংস্কৃতি, আব্দুল গফুৰ।

*(আবুল হুছেইন দুধনৈ মহাবিদ্যালয়ৰ ৰসায়নবিজ্ঞান বিভাগৰ জ্যেষ্ঠপ্ৰবক্তা)*

# অসমীয়া ভাষাৰ ধ্বনি উচ্চাৰণ স্বতন্ত্ৰতা

প্ৰতিমা শৰ্মা

মূলতঃ সংস্কৃত ভাষাৰ পৰা বিকাশ হৈ অহা অসমীয়া ভাষাই সংস্কৃতীয়া আৱৰণ আঁতৰাই কিছুমান সুকীয়া বিশেষত্বৰে স্বৰূপ প্ৰকাশ কৰিছে। দেশ, কাল, পৰিবেশ সাপেক্ষে ভাষাৰ পৰিবৰ্ত্তন হয়। উদাহৰণ স্বৰূপে মধ্যভাৰতীয় আৰ্য্যভাষা মাগধী প্ৰাকৃতৰ পৰা বিকশিত হোৱা কামৰূপী অপভ্ৰংশই উত্তৰ বংগ, আৰু অসমত প্ৰাচীন অসমীয়া ভাষাৰ সৃষ্টি কৰে। অসমীয়া ভাষা বৰ্ত্তমান পুৱে সদিয়াৰ পৰা পশ্চিমে ধুবুৰীলৈকে বিস্তৃত। ইয়াৰো আকৌ উজনি আৰু নামনি অসমৰ বিভিন্ন অঞ্চলত অসমীয়া ভাষাই ধ্বনি উচ্চাৰণ আৰু শব্দৰ ভিন্নতাৰে প্ৰচলিত হৈ আহিছে। আঞ্চলিক বৈশিষ্ট্য সমৃদ্ধ প্ৰত্যেকটো ৰূপেই অসমীয়া ভাষাৰ উপভাষা।

ভাৰতৰ দক্ষিণ অঞ্চলৰ প্ৰধান ভাষাচাৰিটাৰ বাহিৰে উত্তৰ, পশ্চিম আৰু পূৱ অঞ্চলৰ ভাষা সমূহৰ মূল সংস্কৃত। এই ভাষা ইণ্ডো-ইউৰোপীয় ভাষা গোষ্ঠীৰ অন্তৰ্গত। অসমকে আদি কৰি উত্তৰ পূৱ অঞ্চলত প্ৰচলিত আন এটা প্ৰধান ভাষাগোষ্ঠী হ'ল তিব্বতোবৰ্মী ভাষাগোষ্ঠী। অসম আৰু ইয়াৰ দাঁতি কাষৰীয়া পাৰ্বত্য ৰাজ্য কেইখনত তিব্বতোবৰ্মী ভাষাগোষ্ঠী আৰু তাৰ শাখা প্ৰশাখাৰ পৰা উদ্ভৱ হোৱা ভাষাৰ বহুল প্ৰচলন আছে। আৰ্য্যভাষা সম্ভূত অসমীয়া ভাষাই জমলগ্নৰে পৰা এই ভাষাবোৰৰ সংস্পৰ্শলৈ আহিছে। যাৰ ফলত অসমীয়া ভাষাৰ ধ্বনি আৰু ৰূপ উভয় দিশতেই আমূল পৰিবৰ্ত্তন সংঘটিত হৈ সুকীয়া ভাষা ৰূপে আত্ম প্ৰকাশ কৰিছে। চীন পৰিব্ৰাজক হিউৱেনচাঙে খৃষ্টীয় সপ্তম শতিকাত প্ৰাচীন কামৰূপৰ বৰ্মণবংশীয় ৰজা কুমাৰ ভাস্বৰ বৰ্মণৰ ৰাজত্ব কালত কামৰূপ ভ্ৰমণলৈ আহোঁতে অসমৰ অধিবাসী সকলৰ ভাষা সম্পৰ্কে মন্তব্য কৰিছিল যে তেওঁলোকৰ ভাষা মধ্য ভাৰতৰ ভাষাতকৈ অলপ বেলেগ। হিউৱেনচাঙৰ উক্তিয়ে অসমীয়া ভাষা সম্পৰ্কীয় প্ৰথম উক্তি। এই কথাই সপ্তম শতিকাতেই অসমৰ ভাষাটোৰ স্বতন্ত্ৰ অস্তিত্বৰ প্ৰমাণ ডাঙি ধৰে। ডঃ বাণীকান্ত কাকতিয়ে কোৱা মতে অসমীয়া ভাষাটো "বিভিন্ন অনাৰ্য্যভাষাৰ সাগৰৰ মাজত এটা সৰুদ্বীপৰ নিচিনা"। এই আৰ্যভিন্ন ভাষাৰ প্ৰভাৱত আৰ্য্যসূঁতিৰ অসমীয়া ভাষাই সুকীয়া ৰূপ লাভ কৰিছে।

অসমীয়া ভাষাৰ সুকীয়া ৰূপ বুলি ক'লে ধ্বনিতত্ত্ব, ৰূপতত্ত্ব শব্দ ভাণ্ডাৰ বাক্য-বিন্যাস আদিত পৰিলক্ষিত হোৱা স্বকীয় বিশেষত্বৰ কথাই ক'ব লাগিব।

স্বৰ ধ্বনি আৰু ব্যঞ্জন ধ্বনি উভয় দিশতেই অসমীয়া ভাষাই সংস্কৃতৰ পৰা বহু দূৰলৈ আঁতৰি আহিছে। বিভিন্ন জনগোষ্ঠীয় প্ৰভাৱৰ উপৰিও ভাষাৰ সৰলতাৰ প্ৰতি গতি কৰাৰ যি প্ৰৱণতা আছে, সেই প্ৰৱণতাই সংস্কৃতৰ জটিলতাৰ পৰা আঁতৰাই অসমীয়া ভাষাক সৰল কৰি তুলিছে।

অসমীয়া ভাষাৰ আখৰ (letter) মালা সংস্কৃত বৰ্ণমালাৰ অনুৰূপ। সেই কাৰণে অসমীয়া আখৰ মালাৰপৰা ধ্বনিগত বৰ্ণ (Phoneme) ৰ ঈঙ্গিত পোৱা নাযায়। ভাষা-বিজ্ঞানৰ বৰ্ণতাত্বিক সূত্ৰমতে বিশ্লেষণ কৰিলে অসমীয়া ভাষাত মাত্ৰ আঠটা স্বৰবৰ্ণ পোৱা যায়। এই আঠটা স্বৰবৰ্ণ হ'ল — ই (i), এ' (e), এ (o), আ (u), অ (n), অ' (ɔ), ও (o) আৰু উ (b)। এই বৰ্ণ কেইটাৰ ধ্বনিগুণ স্পষ্টকৈ কাণত বাজে। (একে পৰিৱেশত পৃথক শব্দৰ সৃষ্টি কৰিলে সেই ধ্বনিবোৰক একোটা বৰ্ণ বুলি কোৱা হয়।) অসমীয়া ভাষাত সংস্কৃতৰ দৰে দীৰ্ঘস্বৰ ধ্বনিৰ উচ্চাৰণ নহয়; কিন্তু অসমীয়া ভাষাত যে দীৰ্ঘস্বৰ নাই তেনেও নহয়। অৱস্থান ভেদে সকলো স্বৰেই হ্ৰস্ব বা দীৰ্ঘ ৰূপত ব্যৱহাৰ হয়। উদাহৰণ স্বৰূপে 'ন - দি কৈছো', 'ৰ-লাগি চাই', আছে; ব- খিনি' তোল আদি বাক্য 'ন, ৰ, ব', ৰ উচ্চাৰণ স্বাভাৱিকতে দীৰ্ঘ। কিন্তু নদী, বগলী, ছাগলী, গাখীৰ আদিত দীৰ্ঘ স্বৰ উচ্চাৰিত নহয়। অৰ্থাৎ ভাষাবিজ্ঞানৰ মতে কবলৈ হ'লে অসমীয়া ভাষাৰ স্বৰৰ মাত্ৰা বিজ্ঞাত (Predictable); বিশিষ্ট বা বৰ্ণগত নহয়।

স্বৰ ধ্বনিৰ ক্ষেত্ৰত যিদৰে অসমীয়া ভাষাই সংস্কৃতৰ পৰা আঁতৰি আহিছে, তেনেদৰে ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰতো ই সংস্কৃতৰ পৰা ফালৰি কাটি আহি নতুন ৰূপ লৈছে। সংস্কৃত বৰ্ণমালাৰ আখৰবোৰৰ প্ৰত্যেকৰে নিজস্ব ধ্বানগুণ আছে; কিন্তু অসমীয়া আখৰবোৰৰ প্ৰত্যেকৰে নিজস্ব ধ্বনিগুণ নাই। একাধিক আখৰৰ উচ্চাৰণ একে। উদাহৰণ স্বৰূপে সংস্কৃতৰ ব্যঞ্জন বৰ্ণমালাত মূৰ্দ্ধণ্য আৰু দন্ত্য দুটা সুকীয়া ধ্বনিগুণ বিশিষ্ট বৰ্ণ আছে। অসমীয়া বৰ্ণমালাত ট - বৰ্গক মূৰ্দ্ধণ্য আৰু 'ত বৰ্গক' দন্ত্য বৰ্ণ কোৱা হয়। সংস্কৃত ভাষাত মূৰ্দ্ধণ্য ধ্বনিৰ উচ্চাৰণত জিভাৰ আগটো ঘোৰ খাই ওপৰলৈ উঠি কঠিন তালু বা মূৰ্ধাত স্পৰ্শ কৰে। সেয়ে ইয়াক কোৱা হড মূৰ্ধ্বণ্য ধ্বনি। দন্ত্য

ধ্বনিৰ উচ্চৰণত জিভাৰ আগ ভাগে ওপৰপাৰিৰ দাঁতত স্পৰ্শ কৰি বায়ুৰ সোঁত ৰোধ কৰে। যিহেতু দুটা সুকীয়া ধ্বনি সেয়ে ইহঁতৰ আখৰো সুকীয়া। অসমীয়া ভাষাত কিন্তু এই দন্ত্য/মূৰ্ধণ্য ধ্বনিৰ উচ্চাৰণ নহয়। জিভাৰ আগ অংশই ওপৰ পাৰিৰ দাঁতৰ আলু স্পৰ্শ কৰি উচ্চাৰণ কৰা ধ্বনিবোৰ দন্তমূলীয়া ধ্বনি। অসমীয়া ভাষাত সংস্কৃত মূৰ্ধণ্য আৰু দন্ত্য ধ্বনি দন্তমূলীয় ৰূপত উচ্চাৰিত হয়; কিন্তু লক্ষণীয় কথা হ'ল 'ৰেফ' যুক্ত হ'লে অৰ্থাৎ কোনো ব্যঞ্জনৰ আগত 'ৰ' সংযুক্ত হ'লে দুয়োটা বৰ্ণৰে উচ্চাৰণ ঈষৎ মূৰ্ধণ্য হয়। অসমীয়া ভাষাত সংস্কৃতৰ 'চ' বৰ্গৰ ধ্বনি সমূহো দন্তমূলীয়া ৰূপত উচ্চাৰিত হোৱাতো বিশেষ বৈশিষ্ট্য। অসমীয়া ভাষাৰ 'ক, গ, প, ব, ম আৰু হ' এই ছয়টা বৰ্ণহে সংস্কৃতৰ লগত মিলে।

সংস্কৃত ভাষাৰ শ, ষ, স প্ৰত্যেকৰে উচ্চাৰণ সুকীয়া। শ (ৎ) তালব্য আঘোষ উষ্ম; ষ (ৎ) মূৰ্ধণ্য আঘোষ উষ্ম আৰু স (ৎ) দন্ত্য অঘোষ উষ্ম, কিন্তু অসমীয়া ভাষাত কোমল তালুতহে (তালুকাৰ একেবাৰে শেষৰ কোমল অংশ, পশ্চতালুও কোৱা হয়) শ/ ষ/ স উচ্চৰিত হয়। অসমীয়া ভাষাত ই পশ্চতালব্য ধ্বনি। একে ঠাইতে উচ্চাৰিত হ'লেও তৎসম, অৰ্দ্ধতৎসম শব্দ সম্ভাৰত সঘন প্ৰয়োগৰ বাবে সংস্কৃতৰ নামেৰেই অসমীয়াতো ৰখা হৈছে।

অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিৰ উচ্চাৰণত আন এক বিশেষত্ব আছে নাসিক্য ধ্বনিৰ উচ্চাৰণত। সংস্কৃতৰ পাচোঁটা নাসিক্য ধ্বনিৰ অসমীয়া ভাষাত উচ্চাৰণ নহয়। ঔষ্ঠ্য 'ম', দন্তমূলীয় 'ন', আৰু পশ্চ তালব্য 'ঙ' ৰ উচ্চাৰণ হে অসমীয়া ভাষাত আছে। অসমীয়া ব্যঞ্জন বৰ্ণমালাত থকা ক্ষ, ড়, ঢ়, য়, ৎ, ং, ঃ ৰ উচ্চাৰণ্যে লক্ষণীয়। সংস্কৃত বৰ্ণমতে ক্ষ = ক্ + ষ। অৰ্থাৎ ক্ আৰু ষ বৰ্ণৰ যুক্ত ৰূপ হৈছে 'ক্ষ'। অসমীয়াত ইয়াৰ উচ্চাৰণ হৈছে 'খ্য'= 'খয় অ'। উদাহৰণ স্বৰূপে ক্ষমা = খ্যমা, (খয়অমআ)। অক্ষম = অখ্যম (অখয় অম) অসমীয়াৰ বাহিৰে আৰ্য ভাষা সম্ভূত কোনো ভাষাতে ই — একাকী বৰ্ণ নহয়। 'ড়' ৰ উচ্চাৰণ 'ৰ' ৰ পৃথক নহয়। 'ৰ' ৰ বিদ্দল্পে 'ড়' ৰ ব্যৱহাৰ হয়। 'ঢ়' ৰ উচ্চাৰণ 'ৰ্হ' বা ৰ্হ। যেনে বুঢ়া — বুৰহা (বউৰ্হ) 'পঢ়' পৰ্হ (পঅৰ্হ), বাঢ়ণী বাৰ্হনী (বাআৰ্হনই) দৃঢ় (দৰৰ্হৰ্হ)।

'ৎ' ৰ উচ্চাৰণ ব্যঞ্জনান্ত ত্ বা ট্ ৰে একে। পদান্তত ইয়াৰ ব্যৱহাৰ হয়।

অসমীয়া 'ং' ৰ উচ্চাৰণ সংস্কৃতৰ লগত একে নহয়। অসমীয়া ং (অনুস্বাৰ) এ' 'ঙ' ক প্ৰতিনিধিত্ব কৰে। অনুস্বাৰৰ পিছৰ বৰ্ণটো সদায়ে স্বৰান্ত হয়। যেনে — মাংস (মাআংসঅ), বংশ (বাঅংসঅ) আংশিক (আংশইক)।

'ঃ' (বিসৰ্গ) ৰ উচ্চাৰণ ব্যঞ্জনান্ত হ। ঃ ৰ পিছৰ ব্যঞ্জন স্বৰান্ত হয়। যেনে — দুঃখ (দুউহখঅ), অধঃপতন (অধহপঅতঅন); নিঃপালি (নেইহপাআলই)

অসমীয়া ভাষাৰ দুটা বিশেষ বৈশিষ্ট্যপূৰ্ণ ধ্বনি হৈছে 'য়' আৰু 'ৱ'। সংস্কৃতৰ অন্তঃস্থবৰ্ণ 'য' আৰু 'য়' প্ৰাকৃত আৰু অপভ্ৰংশ স্তৰ পাৰ হৈ অসমীয়া ভাষাৰ ৰূপ লওঁতে ইয়াৰ মূল উচ্চাৰণৰ সলনি হ'ল। কিন্তু সংস্কৃতৰ অনুকৰণতে অসমীয়া বৰ্ণমালা গঢ় দিয়া বাবে দেৱনাগৰী আখৰ 'য' ক য ৰূপেৰে লিখা হ'ল; ব্যুৎপত্তিগত মৌলিক উচ্চাৰণ হেৰুৱাই দন্তমূলীয় সঘোষ উষ্ম য (z) ধ্বনিত পৰিণত হ'ল। আনহাতে সংস্কৃতৰ এই য আখৰটোৰ নিজস্ব উচ্চাৰণ তৎসম শব্দৰ মাজেদি অসমীয়াত ৰৈ গ'ল। যেনে : প্ৰয়োজন, বিয়োগ আদি তদ্ভৱ শব্দ কিছুমানত আকৌ শ্ৰুতিধ্বনি ৰূপে য় ৰ আগম হ'ল। অৰ্থাৎ সংস্কৃতৰ য আখৰটোৰ পৰা অসমীয়াত দুটা ধ্বনি গুণৰ বিকাশ হ'ল —

সং. য (y) অসমীয়া য (z)

য (y) অসমীয়া য় (y)

'য়' অসমীয়া ভাষাত এটা বিজ্ঞাত শ্ৰুতিধ্বনি। 'ই/ঈ' স্বৰৰপিছত নিম্ন স্বৰ থাকিলে 'য়' শ্ৰুতিধ্বনিৰ আগম হয়। যেনে দি + এ > দিয়ে। নি + আ > নিয়া।

সংস্কৃতৰ ব v আখৰে প্ৰতিনিধিত্ব কৰা ধ্বনিটোক অসমীয়া 'ৱ' ৰে লিখা হয় যদিও মূলতঃ দুয়োটা সুকীয়া ধ্বনি। সংস্কৃতৰ 'ব' দন্তৌষ্ঠ সঘোষ উষ্ম ধ্বনি আৰু অসমীয়া 'ৱ' ধ্বনি দ্বৌষ্ঠ্য অনিয়ত অঘৃষ্ট শ্ৰুতিধ্বনি।

অসমীয়া ভাষাত ঁ (চন্দ্ৰ বিন্দু) এক বিশেষ বৈশিষ্ট্যপূৰ্ণ বিশিষ্ট ধ্বনি বা বৰ্ণ; কিন্তু এই ধ্বনি অকলশৰীয়াকৈ উচ্চাৰিত নহয়। স্বৰধ্বনি আৰু য়, ৱ আৰু 'হ' ৰ লগত ইয়াৰ উচ্চাৰণ হয়। স্বৰ ধ্বনি উচ্চাৰণত বৰ্হিগামী বায়ুৰ সোঁতৰ একাংশ নাসিকাবিৱৰেৰে নিৰ্গমণ হ'লে স্বৰধ্বনি অনুনাসিকীভূত হয়। অনুনাসিকীভূত স্বৰধ্বনিৰ পিছতে অন্যস্বৰ বা 'য়', 'ৱ' হ' থাকিলে সেই স্বৰবৰ্ণ আৰু য়, ৱ, হৰ উচ্চাৰণো অনুনাসিকী হয়।

ওপৰৰ আলোচনাত মান্য অসমীয়া ভাষাৰ ধ্বনি উচ্চাৰণৰ স্বতন্ত্ৰ ৰূপটো দেখুৱালৈ যত্ন কৰা হৈছে। ভাষা মানুহৰ ভাৱ প্ৰকাশৰ বাহক আৰু ই অঞ্চল, সম্প্ৰদায়, পৰিবেশ বচনভঙ্গী আদিব্দ কেন্দ্ৰ কৰি ভিন্নৰূপ গ্ৰহণ কৰে। অসমীয়া ভাষাইও ঠাই ভেদে, সম্প্ৰদায় ভেদে কিছুমান আঞ্চলিক ৰূপ লাভ কৰিছে। ইয়াৰ ফলত সৃষ্টি হৈছে উপভাষাৰ।

বহুতো শিক্ষিত মানুহৰো এটা ভুলধাৰণা আছে যে অসমীয়া

ভাষাত শুদ্ধৰূপত ধ্বনি উচ্চাৰণ কৰা নহয়। বঙলা বা হিন্দী ভাষাতহে ধ্বনি শুদ্ধৰূপত উচ্চাৰিত হয়। শুদ্ধৰূপত মানে সংস্কৃতীয়া ৰূপত।

প্ৰত্যেক ভাষাৰে নিজস্ব উচ্চাৰণ, নিজস্ব ৰূপ, বৈশিষ্ট্য আছে। কোনো ভাষাৰ বৈশিষ্ট্য আন ভাষাত আৰোপ কৰিব নোৱাৰি। সংস্কৃতৰ পৰা বিকশিত হৈছে যদিও অসমীয়া ভাষাৰ ওপৰত, সংস্কৃতৰ সকলো বৈশিষ্ট্য আৰোপ কৰিব নোৱাৰি। পৰিৱেশ, থলুৱা ভাষাৰ প্ৰভাৱ আদিয়ে অসমীয়া ভাষাক এটা সুকীয়া ৰূপ দিছে। সেয়ে অন্য ভাষাৰ লগত তুলনা কৰিবলৈ যোৱাটো নিত্যান্তই অৰান্তৰ কথা। তদুপৰি ভাষা শিকা হয় পৰম্পৰাগত ভাবে, অনুকৰণৰ যোগেদি। মূলতঃ সংস্কৃতৰ পৰা বিকাশ হ'লেও সংস্কৃতৰ বৈশিষ্ট্যৰ পৰা বহু আঁতৰি অহাৰ লগতে একে মূলীয় অনান্য ভাষাৰ পৰাও আঁতৰি সুকীয়া বৈশিষ্ট্য লৈ অসমীয়া ভাষা গঢ়ি উঠিছে।

সহায়ক গ্ৰন্থপঞ্জী :

ডঃ বাণীকান্ত কাকতি : অসমীয়া ভাষা-উৎপত্তি আৰু বিকাশ।

ডঃ গোলকচন্দ্ৰ গোস্বামী : ধ্বনি বিজ্ঞানৰ ভূমিকা, অসমীয়া বৰ্ণ প্ৰকাশ অসমীয়া ভাষাৰ উচ্চাৰণ।

*(শ্ৰীমতী শৰ্মা, গুৱাহাটী কলেজৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ প্ৰৱক্তা)*

# ছাত্ৰসমাজ : দেশৰ অমূল্য সম্পদ

ড° নীলমোহন ৰায়

ছাত্ৰসমাজ দেশ তথা সমাজৰ এক অতি প্ৰয়োজনীয় অপৰিহাৰ্য আৰু মহত্ত্বপূৰ্ণ অংশ। প্ৰাচীন ভাৰতবৰ্ষত, ছাত্ৰসকলে গুৰুগৃহত থাকি গুৰুৰ তত্ত্বাৱধানত ধৰ্ম-অৰ্থ-কাম-মোক্ষ — এই চতুৰ্বৰ্গৰ শিক্ষাগ্ৰহণ কৰি সংসাৰজীৱনত প্ৰৱেশ কৰিছিল। প্ৰাচীন শিক্ষাব্যৱস্থাৰ মূল লক্ষ্য আৰু উদ্দেশ্য আছিল ছাত্ৰসকলক মনুষ্যত্ব সম্বন্ধে সচেতন কৰি তোলা। উল্লিখিত চতুৰ্বৰ্গৰ সম্যক জ্ঞানাৰ্জনৰ দ্বাৰা নিজৰ মনুষ্যত্বৰ প্ৰকাশ আৰু বিকাশ ঘটোৱাই আছিল তৎকালীন শিক্ষাব্যৱস্থাৰ মূলকথা। পৰৱৰ্তীকালত আধুনিক ভাৰতবৰ্ষত চৰকাৰী পৃষ্ঠাপোষকতাতেই ছাত্ৰসকলক সৰ্ববিদ্যাত পাৰদৰ্শী কৰি গঢ়ি তুলিবলৈ বিভিন্ন স্তৰীয় বিদ্যালয় তথা শিক্ষাপ্ৰতিষ্ঠান গঢ়ি তোলা হয়। শিক্ষা শিতানত প্ৰশাসনিক বিষয়া কৰ্মচাৰীকে ধৰি শিক্ষকৰ সংখ্যা উত্তৰোত্তৰ বৃদ্ধি পাই আহিছে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও প্ৰতিবছৰে অভাৱনীয় ৰূপে বৃদ্ধি পাই আহিছে। শিক্ষাৰ উন্নতিকল্পে ৰাষ্ট্ৰীয় বা ৰাজ্যিক স্তৰত বহুতো আয়োগ গঠন কৰা হৈছে। এককথাত, প্ৰাক্‌প্ৰাথমিকৰ পৰা বিশ্ববিদ্যালয়লৈকে কেবাটাও স্তৰৰ মাজেৰে শিক্ষা দান কৰি এগৰাকী ছাত্ৰক সুনাগৰিক হিচাপে গঢ়ি তোলাৰ আদৰ্শ আৰু লক্ষ্য আগত ৰখা হৈছে।

কিন্তু বাস্তৱক্ষেত্ৰত নানা কাৰণত শিক্ষাৰ দিশত ৰাষ্ট্ৰ সফলকাম হব পৰানাই। এশ এবুৰি সমস্যাই সমগ্ৰ শিক্ষাব্যৱস্থাটোকেই পংগু-পৰ্যুদস্ত আৰু গুৰুত্বহীন কৰি তুলিছে। এই সমস্যাৰ চিকাৰ হৈছে ছাত্ৰ-ছাত্ৰী আৰু সমগ্ৰ দেশ তথা জাতি। বৰ্তমান দেশৰ সমাজব্যৱস্থাৰ সি ৰেহ-ৰূপ ছাত্ৰসমাজৰ আগত প্ৰকট হৈ উঠিছে, তালৈ দৃষ্টি দিলে এক গভীৰ হতাশাব্যঞ্জক ছবিহে আমাৰ সন্মুখত উদ্‌ভাসিত হৈ উঠে। বৰ্তমান সমগ্ৰ ছাত্ৰসমাজ নৈতিক অৱক্ষয়, কৰ্মহীনতা, আদৰ্শৰ অৱমূল্যায়ন, ভাৰতীয় ঐতিহ্য তথা সংস্কৃতিৰ প্ৰতি অনীহাগ্ৰস্ততা, আত্মবিশ্বাসহীনতা, গতানুগতিকতাত গা এৰি দিয়াৰ তীব্ৰ মানসিকতা, অন্ধ পাশ্চাত্য অনুকৰণপ্ৰিয়তা, অধ্যয়ন বিমুখতা, অলসতা প্ৰভৃতি নেতিবাচক লক্ষণেৰে আক্ৰান্ত হৈছে। ভূতৰ ওপৰত দানহ পৰাদি ভাৰতবিৰোধী দেশী-বিদেশী নানা শক্তিয়ে দেশৰঅকল্যাণ সাধনত হৈ উঠা তৎপৰতাত ছাত্ৰসমাজৰ ওপৰতো তাৰ ব্যাপক প্ৰভাৱ পৰিছে। আৰ্থ-ৰাজনৈতিক, ধৰ্মীয়-সাংস্কৃতিক প্ৰভৃতি নানা দিশত এইবোৰ বিচ্ছিন্নতাকামী শক্তিয়ে আমাৰ জাতীয় ঐক্য আৰু সামাজিক দৃঢ় প্ৰীতিৰ বন্ধনক নাশ কৰিবলৈ লোৱা প্ৰচেষ্টাত সমাজৰ অংশ হিচাপে ছাত্ৰসমাজকো চিন্তিত কৰি তুলিছে। এনে এক ভয়াবহ সংকটকালত দেশৰ অমূল্যসম্পদ, অমিত শক্তি ছাত্ৰসমাজৰ সন্মুখত আহি পৰিছে কঠিন প্ৰত্যাহ্বান।

আমাৰ শিক্ষাব্যৱস্থাৰ মাজত কোনোধৰণৰ স্বনিয়োজন তথা স্বনিৰ্ভৰতাৰ আঁচনি নথকাৰ ফলত আমাৰ শিক্ষা ব্যৱস্থা হৈ উঠিছে চৰকৰী চাকৰি প্ৰাৰ্থীৰ বাবে প্ৰয়োজন হোৱা প্ৰমাণপত্ৰ উৎপাদনৰ কাৰখানা সদৃশ। কোনো চৰকাৰেই প্ৰতিবছৰে লাখলাখ সংখ্যাত ওলাই অহা শিক্ষিত নিবনুৱাক চাকৰি দিব নোৱাৰে। সমাজৰ অগণন শিক্ষিত যুৱক-যুৱতীক জীৱন-জীৱিকাৰ সন্ধান দিবলৈ হলে প্ৰায়োগিক শিক্ষাব্যৱস্থাৰ প্ৰচলন কৰিবই লাগিব। এই পদ্ধতি নথকাৰ কাৰণেই পৰীক্ষাৰ বৈতৰণী এটাৰ পিছত এটাকৈ পাৰ হৈ চৰকাৰী চাকৰিৰ জৰিয়তে জীৱন-জীৱিকাৰ বাট উলিয়াই লবলৈ ছাত্ৰসমাজে উঠি পৰি লাগিছে। তাকে কৰিবলৈ যাওতে অধিক নম্বৰৰ প্ৰয়োজন হয়। সেয়ে নিৰ্ধাৰিত পাঠ মুখস্ত কৰি অথবা যিকোনো উপায়ে অধিক নম্বৰ পোৱাৰ প্ৰতিযোগিতাত ছাত্ৰসমাজ-নামি পৰিবলগীয়া হৈছে। স্বনিৰ্ভৰতা, স্বাৱলম্বিতা আৰু মনুষ্যত্ব বিকাশৰ ব্যৱস্থাবিহীন নম্বৰসৰ্বস্ব এই শিক্ষাব্যৱস্থাই প্ৰাইভেট টিউচন প্ৰথাকো উজ্জীৱিত কৰি ৰাখিছে। জ্ঞানৰ বিকাশসাধন নহয়, অধিক নম্বৰ আহৰণহে ছাত্ৰ-ছাত্ৰীৰ লক্ষ্য আৰু উদ্দেশ্য হৈ পৰাত কোনো বিষয়ৰ সম্যক ধাৰণা নথকাকৈয়ো একমাত্ৰ পৰীক্ষাত প্ৰাপ্ত নম্বৰৰ জৰিয়তেই এগৰাকী ছাত্ৰ বা চাকৰিপ্ৰাৰ্থীয়ে ভালপ্ৰতিষ্ঠানত নামভৰ্তি বা চাকৰি লাভ কৰিব পাৰে। আনহাতে জ্ঞানৰ অপাৰ সমুদ্ৰ মন্থন কৰি পি. এইচ. ডি., ডি. লিট. আদি বিদ্যায়তনিক জগতৰ সৰ্বোচ্চ ডিগ্ৰী লাভ কৰিও কোনোবাই তিনিঘণ্টাৰ পৰীক্ষাত নিৰ্ধাৰিত ১ নম্বৰ কম পালেও মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত চাকৰি প্ৰাৰ্থী হ'ব নোৱাৰে। কিন্তু প্ৰস্তুত 'নোটচ্' পঢ়ি মুখস্থ বিদ্যাৰ দ্বাৰা কোনো ছাত্ৰই নিৰ্ধাৰিত নিৰিখত নম্বৰ পালেই উক্ত প্ৰতিষ্ঠান বোৰত প্ৰবক্তাৰ চাকৰি পাব পাৰে। এয়ে নম্বৰৰ মহিমা! সেয়ে বৰ্তমান প্ৰতিষ্ঠা থকা প্ৰতিষ্ঠানত নামভৰ্তিৰ বাবে আৰু চাকৰি পোৱাৰ বাবে অধিক নম্বৰ পোৱাৰ বিকল্প নাই, জ্ঞানৰ কথা এই প্ৰসংগত অপ্ৰাসংগিক। এনে এক পৰিস্থিতিত সমগ্ৰ শিক্ষা ব্যৱস্থাটোৱেই উদ্বেলিত হৈ আছে অধিক নম্বৰ পোৱাৰ

প্ৰতিযোগিতাৰ দ্বাৰা। অধিক নম্বৰ পোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে মুখ্যতঃ তিনিটা চমু পথ বাছি লয় :

ক. প্ৰাইভেট টিউটৰৰ ওচৰত শিক্ষাগ্ৰহণ।

খ. পাঠ্যক্ৰম খৰচি মাৰি পঢ়াৰ পৰিবৰ্তে মাথোঁ পৰীক্ষাত আহিব পৰা প্ৰশ্নৰ উত্তৰসমূহ মুখস্ত কৰা; যাৰ দ্বাৰা দৈৱাৎ 'কমন' পৰিলে বাজিমাৎ কৰা সম্ভৱ।

গ. পৰীক্ষাগৃহত অথাৎ উপায় অৱলম্বন। ভালেমান বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ এই অসৎ-উপায় অৱলম্বনত সংশ্লিষ্ট বিদ্যালয়ৰ শিক্ষাকৰো অৰিহণা থাকে।

নকলেও হয় যে প্ৰকৃত মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে ভাল নম্বৰ পাবলৈ নিৰন্তৰ অধ্যয়নত ৰত হোৱাটো সৰ্বজনবিদিত। সি যি কি নহওক, মনুষ্যত্ব, স্বদেশপ্ৰেম, মানৱপ্ৰেম, পৰোপকাৰ, ঐতিহ্যপ্ৰীতি, সহৰৎ শিক্ষা আদি ভাৰতীয় চিৰন্তন গুণবোৰ আয়ত্ত কৰাৰ বিষয়ে কোনোধৰণৰ প্ৰভাৱবিস্তাৰী শিক্ষাব্যৱস্থা বা পাঠ্যক্ৰম যিহেতু আমাৰ বৰ্তমানৰ শিক্ষাব্যৱস্থাত নাই; সেয়ে নম্বৰৰ পিছে পিছে দৌৰি ছাত্ৰসকলো হৈ পৰে একো একোটা যন্ত্ৰসদৃশ। হৃদয়হীন এই যন্ত্ৰৰ নাথাকে ভাষাপ্ৰেম, জাতিপ্ৰেম, দেশপ্ৰেম, এনেকি নিজে বাসকৰা সমাজৰ সৈতেও নাথাকে কোনো গভীৰ সম্পৰ্ক। মন কৰিবলগীয়া কথা যে, ভাল নম্বৰ পাই মাধ্যমিক বা উচ্চমাধ্যমিক উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী বেছিভাগৰে হেঁপাহ ডাক্তৰ, ইঞ্জিনিয়াৰ তথা প্ৰশাসনিক বিষয়া হোৱাৰ প্ৰতি, এইক্ষেত্ৰত ডাক্তৰ হবলৈ বিচৰাৰ কাৰণ কিন্তু ভৱিষ্যতে চিকিৎসাশাস্ত্ৰত নতুন দিগন্তৰ সূচনা কৰা নহয়, অথবা বৰ্তমানৰ পৰ্যুদস্ত স্বাস্থ্যব্যৱস্থাত এগৰাকী আদৰ্শ চিকিৎসাসেৱক ৰূপে নিজকে তুলি ধৰিবলৈ অথবা চিকিৎসাসেৱাৰ দ্বাৰা দাৰিদ্ৰপীড়িত জনসাধাৰণক সেৱা কৰিবলৈ নহয়; ডাক্তৰ হৈ মাহে মাহে লক্ষাধিক টকা উপাৰ্জন কৰি এক বিলাসীজীৱন যাপন কৰাহে। সেইদৰে এবাৰ ইঞ্জিনিয়াৰ হৈ ওলাব পাৰিলে এবছৰৰ ভিতৰতে তথাকথিত 'অভিজাত ছোচাইটিত' নিজকে প্ৰতিষ্ঠিত কৰাটো সম্ভৱ হৈ উঠিব — এনে এটি বাসনাইহে সংশ্লিষ্ট ছাত্ৰ আৰু তেওঁৰ অভিভাৱকক প্ৰণোদিত কৰে আভিযান্ত্ৰিক মহাবিদ্যালয়ত ভৰ্তি হবলৈ, ভৰ্তি কৰাবলৈ। প্ৰশাসনিক বিষয়া হোৱাৰ প্ৰৱণতাও আহে দুৰ্নীতি-ভ্ৰষ্টাচাৰ দূৰীকৰণৰ বাবে আত্মনিয়োগ কৰি এক নিকা প্ৰশাসন ব্যৱস্থা প্ৰবৰ্তনত আগ্ৰহী হবলৈ বা নিজকে ব্ৰতী কৰিবলৈ নহয়, গাড়ী, বঙলা আৰু ক্ষমতাৰে বলীয়ান হবলৈহে। মাধ্যমিক বা উচ্চমাধ্যমিক পৰীক্ষাত 'ষ্টেণ্ড' কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কোনোৱেই কিন্তু শিক্ষক-অধ্যাপক হোৱাৰ ন্যূনতম আগ্ৰহও প্ৰকাশ নকৰে। ইয়াৰ কাৰণ অতি স্পষ্ট; শিক্ষকতাবৃত্তিত 'মান' থাকিলেও পৰ্যাপ্ত 'মানি'ৰ অভাৱ।

চিকিৎসক, অভিযন্তা আদি হবলৈ হ'লে উচ্চমেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনস্বীকাৰ্য; কিন্তু তাৰ লগতে থাকিব লাগে সেৱাৰ মনোভাব — সিটো সংশ্লিষ্ট বৃত্তিধাৰীসকলৰ মাজত সমূলি দেখা নাযায়। দৰাচলতে নম্বৰকেন্দ্ৰিক শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক নম্বৰ পোৱাৰ প্ৰতিযোগিতাত আগুৱাই নিলেও প্ৰকৃত সমাজদৰদী, মানৱদৰদী দেশবন্ধু সৃষ্টি কৰিব পৰা নাই। আনহাতে এনে কিছুমান ছাত্ৰ-ছাত্ৰী আছে যিসকল নম্বৰৰ প্ৰতিযোগিতাত আশানুৰূপ আগবাঢ়ি যাব পৰা নাই, কিন্তু সেৱাৰ মনোভাৱেৰে সমাজৰ সুখ-দুঃখ অনুভৱ কৰিবলৈ শিকিছে, আপোনপেটীয়া নহৈ দহৰ কল্যাণৰ কাৰণেও চিন্তা কৰিবলৈ শিকিছে; তেনে ছাত্ৰ-ছাত্ৰীক পৰীক্ষাত আশানুৰূপ নম্বৰ নোপোৱাৰ বাবেই আমি অপাংক্তেয় বুলি ভাবিম নে? বিদ্যায়তনিক দিশত কম নম্বৰ পায়ো সমাজসেৱা, দেশসেৱাৰ জৰিয়তে এনেবিধ ছাত্ৰ-ছাত্ৰীয়ে ইতিহাসত নিজৰ নাম অংকিত কৰিবলৈ সক্ষম হৈছে। পৰীক্ষাত লোভনীয় নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীসকলৰ বেছিভাগৰ নাম ফলাফল ওলোৱা কাকতৰ মাজতেই সীমাবদ্ধ হৈ থকাৰ কাৰণ হ'ল পৰৱৰ্তী কালত তেওঁলোক একান্ত ব্যক্তিকেন্দ্ৰিক হৈ পৰাটো। ব্যক্তিস্বাৰ্থ পূৰণৰ বাবে প্ৰতিনিয়ত নিয়োজিত কৰা এই তথাকথিত উচ্চমেধা সমাজ আৰু দেশৰ কোনো কামত নাহে। সেই মেধা ব্যক্তিগত জীৱনৰ ভোগ-বিলাসৰ চাকনৈয়াতে ঘূৰি থাকে। সেয়ে আজি আমাৰ সন্মুখত এটা ডাঙৰ প্ৰশ্ন হৈছে — বিদ্যায়তনিক দিশত অৰ্থাৎ নম্বৰ আহৰণৰ প্ৰতিযোগিতাত সফল হোৱা তথা 'ষ্টাৰ' পোৱা, 'ষ্টেণ্ড' কৰা ছাত্ৰ-ছাত্ৰীসকলেই মাথোঁ দেশৰ সম্পদ নে? নে ইয়াৰ বহিৰ থকা বৃহত্তৰ ছাত্ৰসমাজৰ মাজতো অমূল্য সম্পদ লুকাই আছে, যিসকলে সমাজ অভিজ্ঞতাত পুষ্ট হ'লেও নম্বৰ তোলাৰ কৌশল আয়ত্ত কৰিব পৰা নাই!

সেয়ে আমাৰ দেশ তথা সমাজ পৰিচালনাৰ বাবে উচ্চমেধসম্পন্ন ছাত্ৰ-ছাত্ৰীক নিয়োজিত কৰিব লাগে সঁচা; তেওঁলোকক উৎসাহিতও কৰিব লাগে; কিন্তু তাৰ লগতে তেওঁলোকৰ নৈতিকতা, সেৱাৰ মানসিকতা যাতে উত্তৰোত্তৰ বৃদ্ধি পায় ত্যাগ আৰু সমাজসেৱাৰ মনোবৃত্তি যাতে গঢ়ি উঠে তালৈকেও দৃষ্টি দিব লাগে। নহ'লে এই উচ্চ মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ মেধাই নিজৰ অৰ্থনৈতিক সুখ-সুবিধা বৃদ্ধি কৰাৰ বাহিৰে সমাজ-গঢ়াৰ কোনো কামতে সহায় কৰিব নোৱাৰে।

ছাত্ৰ-ছাত্ৰীসকলেই দেশৰ ভৱিষ্যৎ নাগৰিক। তেওঁলোকৰ ওপৰতেই দেশৰ মহৎ ভৱিষ্যৎ, বৃহৎ কল্যাণ সম্পূৰ্ণ নিৰ্ভৰশীল। মাও জে তুঙে যুৱক-যুৱতীক উদ্দেশ্য কৰি এষাৰ মূল্যবান কথা কৈছিল : "পৃথিৱীখন তোমালোকৰ, আমাৰো, কিন্তু চূড়ান্ত বিচাৰত তোমালোকৰ। কিয়নো তোমালোক হৈছা ৰাতিপুৱাৰ দৃপ্ত উদিত সূৰ্য আৰু আমি হৈছোঁ, আবেলিৰ অস্তগামী সূৰুযৰ হেঙুলীয়া আভা"। সেয়ে — সকলো শক্তিৰ আধাৰ উদ্দিপ্ত সূৰ্যৰ দৰে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰধান লক্ষ্য হোৱা উচিত দেশ আৰু মানৱকল্যাণৰ জৰিয়তে জগতবসীক মহীয়ান কৰা, সকলো অজ্ঞান-অন্ধকাৰ নাশ কৰা, অপায়-অমংগল দূৰ কৰা। অৰ্থকেন্দ্ৰিক আৰু বিলাসী জীৱন-যাপনৰ সপোন নহয়, দেশপ্ৰেমৰ উচ্চ আদৰ্শেৰে নিজকে ইতিহাসত প্ৰতিষ্ঠিত কৰাৰ

সপোন দেখাটোৱেই ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ প্ৰধান ব্ৰত হোৱা উচিত। মহাপুৰুষ শ্ৰীশ্ৰীৰামকৃষ্ণ পৰম হংসদেৱৰ এষাৰ উক্তি ছাত্ৰ-ছাত্ৰীসকলে বেদবাক্যৰ দৰে পালন কৰা উচিত। পৰম হংসই কৈছিলঃ

জন্মেছিলে সেই দিন
তুমি এ ভবে
কেঁদেছিলে তুমি একা
হেসেছিল সবে।
এমনভাবে জীৱন তুমি
কৰিবে গঠন
মৰিলে হাসিবে তুমি
কাঁদিবে ভুবন।

ইয়াক কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীসকলে একমাত্ৰ পাঠ্যপুথিৰ মাজতে জ্ঞানৰ ধাৰা সীমাবদ্ধ কৰি ৰাখিলে নহ'ব। পাঠ্যপুথিৰ সীমিত পৰিসৰে শিক্ষাত পৰিপূৰ্ণতা আনিব নোৱাৰে। সেয়ে পাঠ্যবিষয়ৰ উপৰি নানা গ্ৰন্থ অধ্যয়ন কৰি জ্ঞানৰ পৰিধি ব্যাপকতৰ কৰি তোলাটো ছাত্ৰকলাৰ বাবে অতি আৱশ্যক। সম্প্ৰতি ইংৰাজী শিক্ষাৰ প্ৰতি উত্তৰোত্তৰ ধাউতি বৃদ্ধিয়ে নিজৰ ভাষা-সাহিত্য-সংস্কৃতি-ঐতিহ্য আদিৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক অনীহাগ্ৰস্ত কৰি তুলিছে। এনেকি মাতৃ ভাষাত কথা কব নোৱাৰা, লিখিব নোৱাৰাটো ছাত্ৰ-ছাত্ৰী সমন্বিতে সংশ্লিষ্ট অভিভাৱকৰ কাৰণেও গৌৰৱৰ বিষয় হৈ পৰিছে। ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নিজৰ সন্তানক পঢ়িবলৈ দিয়াটো বহুতৰ কাৰণে সামাজিক মৰ্যাদাৰ কাৰণ হৈ পৰিছে। সেয়ে প্ৰচুৰ ধন খৰচ কৰি হ'লেও ভুৱা মৰ্যাদা ৰক্ষাৰ বাবে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়ুৱাবলৈ অভিভাৱকসকল সাজু হৈ থাকে। ইয়াৰ ফলত মাথোঁ মাধ্যমটো মাতৃভাষা হোৱা কাৰণে তালৈকে অভিভাৱকসকলে নিজৰ সন্তানক পঠিয়াই সামাজিক মৰ্যাদাক অৱনমিত কৰিব নোখোজে। এই প্ৰৱণতা মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহৰ অস্তিত্বৰ প্ৰতিয়েই ভাবুকি স্বৰূপ। মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ অস্তিত্ব ৰক্ষা আৰু শ্ৰীবৃদ্ধিত ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ লগতে চৰকাৰ আৰু ৰাইজৰো দায়-দায়িত আছে। 'চিৰ চেনেহী মোৰ ভাষা জননী' অথবা 'বিনে স্বদেশী ভাষা পূৰে কি মনেৰ আশা' — এইভাব প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু নাগৰিকে মনলৈ আনিব লাগিব। বিশ্বায়নৰ কবলত পৰিলেও বিশ্বৰ প্ৰায় সকলো দেশেই নিজ নিজ মাতৃভাষাৰ জৰিয়তেও শিক্ষাদানৰ ব্যৱস্থা অটুট ৰাখিছে। মাতৃভাষাৰ জৰিয়তে শিক্ষাদানে সন্তানক ভাষা-সাহিত্য-সংস্কৃতি-ঐতিহ্য আদিৰ প্ৰতি সচতেন, দায়বদ্ধ আৰু শ্ৰদ্ধাশীল কৰি তোলাত অধিক সহায় কৰে। মাতৃভাষাৰে বিদ্যাগ্ৰহণ কেতিয়াও হীনমন্যতাৰ পৰিচায়ক নহয়, গৌৰৱৰহে এই বোধ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে মনলৈ আনিব লাগিব। প্ৰসংগত উল্লেখ্য, ইংৰাজী শিক্ষা কোনো দোষণীয় নহয়, বৰং উপযোগী আৰু প্ৰয়োজনীয়হে। কিন্তু তাকে কৰিবলৈ গৈ নিজৰ মাতৃভাষা, জাতীয়বীৰ-বীৰাংগনা, জাতিৰ বৰেণ্য ব্যক্তিসকলক সমূলি পাহৰি যোৱাটো কোনো প্ৰশংসনীয় কথা নহয়। আমাৰ দেশৰ বৰেণ্য সাহিত্যিক আৰু ৰাষ্ট্ৰনায়কসকলেও ইংৰাজী শিক্ষাৰ পোষকতা কৰিছিল, কিন্তু দেশীয় ভাষা-সাহিত্য আৰু ঐতিহ্যক পদদলিত কৰি নহয়, বৰং ঊৰ্ধ্বত তুলি ধৰিহে।

মূলকথা হ'ল, প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়েই আত্মীয়স্বজনৰ প্ৰতি, প্ৰতিবেশীৰ প্ৰতি, সমাজৰ প্ৰতি দেশৰ প্ৰতি দায়বদ্ধ হ'ব লাগে। উচ্চশিক্ষা, উন্নত সংস্কাৰ লাভ কৰি ছাত্ৰ-ছাত্ৰীয়ে মাৰ্জিত ৰুচিসম্পন্ন, কৰ্তব্যপৰায়ণ, স্বাৱলম্বী আৰু সভ্য-সচেতন নাগৰিক যাতে হ'ব পাৰে আৰু ছাত্ৰজীৱন তথা সংসাৰজীৱনত যাতে নিজৰ কৰ্তব্য সুচাৰুৰূপে সম্পন্ন কৰি প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে দহৰ-দেশৰ কল্যাণ সাধিব পাৰে দেশৰ ভৱিষ্যত নাগৰিক উদিত তেজাল সূৰ্যস্বৰূপ ছাত্ৰ-ছাত্ৰীৰ ওচৰত দেশবাসী, ৰাজ্যবাসীৰ এয়ে আশা, এয়ে দাবী।

*(ড° ৰায় পাণ্ডু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা)*

# জনজাতীয় পৰম্পৰাত শিৱ

প্ৰদ্যুম্ন প্ৰতীম ৰাজখোৱা

অতি প্ৰাচীন কালৰে পৰা ভাৰতীয় হিন্দুসকলে শিৱক উপাস্য দেৱতাৰূপে পূজা কৰি আহিছে। দেৱাদিদেৱ শিৱৰ মহিমামণ্ডিত বিবিধ আখ্যানে বৈদিক যুগৰ পৰা যুগে যুগে পণ্ডিতৰ পৰা সকলো শ্ৰেণীৰ লোকক সমানে আকৃষ্ট কৰিছে। বৈদিক সংস্কৃতিৰ পৰিধিৰ বাহিৰৰ জন-মানসতো ভোলানাথ শিৱৰ প্ৰভাৱ অসীম। সুবিশাল ভাৰতীয় জনমানসত শিৱৰ দৰে লোকপ্ৰিয় দ্বিতীয় এজন দেৱতা নাই।

ভাৰতবৰ্ষত শৈৱধৰ্মৰ উৎস অতি পুৰণি। সম্ভৱতঃ সিন্ধু উপত্যকাতে শৈৱধাৰা প্ৰতিষ্ঠিত হৈছিল। কালক্ৰমত এই শৈৱধৰ্ম বিয়পি পৰিল সমগ্ৰ ভাৰতবৰ্ষত। বিভিন্ন সময়ত ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্য আৰু বহিৰ্ভাৰতৰ নানা জাতি-উপজাতি অসমত প্ৰৱেশ কৰিছিল। তেওঁলোকৰ অধিকাংশ লোকেই অসম ভূমিত শৈৱধৰ্মৰ খুটি গজ-গজীয়াকৈ স্থাপন কৰিলে। শিৱ হৈ উঠিল অসমীয়া ৰাইজৰো অতি আপোন দেৱতা। অসমৰ পৰম্পৰাগত মৌখিক সাহিত্য আৰু লোকগীতসমূহত তাহানিকালৰ পৰাই প্ৰকাশ পাই আহিছে উপাস্যদেৱতা শিৱৰ প্ৰতি অপৰিসীম ভক্তি। অসমৰ বিভিন্ন অঞ্চলৰ বিভিন্ন জাতি-উপজাতিয়ে শিৱকেই আৰাধ্য দেৱতাৰূপে উপাসনা কৰি আহিছে যুগ যুগ ধৰি।

অসম বহু খিলঞ্জীয়া লোকৰ বসতিস্থান। বৰলুইতৰ দুয়োপাৰে তাহানি কালৰে পৰা বড়ো, তিৱা, কাৰ্বি, মিচিং, ডিমাচা, সোনোৱাল কছাৰী আদি জনজাতি লোকসকলে স্বকীয় কৃষ্টি সংস্কৃতি বহন কৰি বসবাস কৰি আহিছে। এই আদিম অধিবাসীসকলে নানান প্ৰণালীৰে অনেক দেৱ-দেৱীৰ পূজা-সেৱা কৰি আহিছে। তেওঁলোকৰ প্ৰায়বোৰেই শিৱক মুখ্য দেৱতা জ্ঞান কৰে। প্ৰত্যেক জনগোষ্ঠীয়ে সুকীয়া সুকীয়া ধৰণে শিৱ মহাপ্ৰভূক পূজা কৰে, বেলেগ বেলেগ ৰূপত কল্পনা কৰে জঁটাধাৰী ত্ৰিনয়ন শিৱক। জনজাতীয় জনবিশ্বাসত শিৱৰ সমান শক্তিমন্ত, প্ৰভাৱশালী দেৱতা অন্য এজন নাই — তেওঁৰ নিৰ্দেশ ইচ্ছাতেই পৰিচালিত হয় জগত আৰু জীৱন।

অসমৰ জনজাতীয় গোষ্ঠী বড়ো-কছাৰীসকলে 'বাথৌ'ক প্ৰধান দেৱতা জ্ঞান কৰে। এই বাথৌ দেৱতাই হৈছে শিৱ। বড়ো-কছাৰীসকলে আন যি পূজাই নকৰক, সকলো পূজাতেই বাথৌ দেৱতাৰ সুকীয়া আসন থাকিবই। বাথৌ পূজাৰ যোগেদি তেওলোকে পঞ্চভূত বা নিজৰ অন্তৰ আত্মাক পূজা কৰে। তেওঁলোকে বাথৌক কৃষি তথা শস্যদাতা বুলি গণ্য কৰাটো লক্ষ্য কৰিবলগীয়া। এই পূজাত বড়ো-কছাৰীৰ জাতীয় কৃষ্টি-সংস্কৃতি নিৰ্ণয় কৰিব পৰা যায়। বড়োসকলে বাথৌৰ ওচৰত বহি এইদৰে গাই প্ৰাৰ্থনা কৰে —

"যেদেৰ গাবৌ অডাল ওদিআৰ, আৰজ গাবৌ থানচিআ গথৌ ওদিআৰ

আইয়া থৈদৌং গাৰহৈদৌং আফা থৈদৌং গাৰহৈদৌং

(থেৰধৌ) বৌৰায় বথৌ আফাথৌ ফুজিনৌ গাৰথৈ জৌং।" ইয়াৰ অসমীয়া ভাবাৰ্থ — 'হাতী কান্দে আদাল গছৰ গুৰিত, মানুহে প্ৰাৰ্থনা কৰে বাথৌৰ গুৰিত। মা মৰিছে পেলাইছো (সৎকাৰ), দেউতা মৰিছে পেলাইছো, তথাপি বুঢ়া বাথৌ প্ৰভূক আমি পূজিবলৈ এৰা নাই।'

সাধাৰণতে ফাগুন-চ'ত মাহত বাথৌ পূজা পালন কৰা হয়। বাথৌৰ লগতে আন আন দেৱ-দেৱীসকলেও পূজাৰ ভাগ পায়। পবিত্ৰতা ৰক্ষা কৰি নীতি-নিয়মৰ যোগেদি বাথৌনৈ আগবঢ়োৱা হয় মদকে আদি কৰি নানা উপচাৰ। বাথৌৰ পূজাত গাহৰি, কুকুৰা, পঠা-ছাগলী আদি বলি দিয়া হয়। বাথৌক যদিও এঘৰীয়াকৈ পূজা কৰা হয়, ওচৰ চুবুৰীয়াসকলে গিৰিহঁতক কামে কাজে সহায় কৰে। বংশৰ লোক, ইষ্ট-কুটুম্বই মদ, চাউল, তামোল-পাণ, কুকুৰা আদি বস্তু দি সহায় আগবঢ়ায়। বাথৌ পূজাত গৃহস্থৰ ঘৰত সৃষ্টি হয় এক উৎসৱমুখৰ পৰিৱেশ। পূজাৰ দিনা গঞা ৰাইজে মদে-ভাতে খাই খ্ৰাম, চিফুং আদি বাদ্য বজাই নাচোনত প্ৰাণ ঢালি দিয়ে। বাথৌ পূজা অত্যন্ত ব্যয়বহুল কাৰণে সম্প্ৰতি বাথৌ পূজাৰ প্ৰচলন কমি গৈছে।

অসমৰ তিৱাসকলৰ পৰম্পৰাগত বিশ্বাসমতে তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা হৈছে 'ফা-মহাদেউ'। অৰ্থাৎ মহাদেৱকসকলোৰে পিতৃ বুলি গণ্য কৰে। তিৱাসকলৰ বিভিন্ন উৎসৱ-পাৰ্বণৰ ৰীতি-নীতি, গীত-মাত, নৃত্য-বাদ্য, কৃষি কৰ্মৰ সা-সঁজুলি, জীৱজন্তু এই সকলোবিলাকৰে মূলতে ফা-মহাদেউ বুলিয়েই বিশ্বাস কৰে। তিৱাসকলে কৃষিকাৰ্যৰ আৰম্ভণি উৎসৱ ছংখং মিছাৱাত উপাস্য দেৱতা মহাদেৱ শিৱক এনেদৰে স্তুতি কৰে — ''অ' কসাই ফা মহাদেউ, তাও চিং ইন্দানে চেৱা ৰীদং, ফুজা ৰীদং, ত ফছৰ ফিৱানেসে পাগন ফিৱানেসে, ত খইদা-পিছা

# গোৱালপাৰা জিলাৰ ভৌগোলিক ইতিবৃত্ত

ডঃ ফণীভূষণ দাস

অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত গোৱালপাৰা জিলা বংগ আৰু বাংলাদেশৰ প্ৰতিবেশী আৰু ভূটান আৰু গাৰোপাহাৰৰ মাজত অৱস্থিত হোৱা বাবে বিভিন্ন জাতি-উপজাতি, ভাষা, ধৰ্ম, সংস্কৃতি-সভ্যতাৰ সমন্বয়-থলী; গোৱালপাৰা জিলা বোলোতে প্ৰধানকৈ ইয়াত অবিভক্ত গোৱালপাৰা জিলাৰ কথা বুজোৱা হৈছে। অনৈক্যৰ মাজত ঐক্য, সমন্বয়ৰ স্বকীয় বৈশিষ্ট্য প্ৰকাশ কৰি, ইতিহাসৰ বিভিন্ন স্তৰ পাৰ হৈ গোৱালপাৰা জিলাই নিজৰ অস্তিত্ব ঘোষণা কৰি আহিছে।

গোৱালপাৰা নামৰ উৎপত্তি সম্পৰ্কে বিভিন্ন মত পোৱা যায়। ঐতিহাসিক তথ্য অনুসৰি এঘাৰ শতিকাৰ প্ৰথম ভাগত এই অঞ্চলত ঈশ্বৰ ঘোষ নামৰ এজন মহামাণ্ডলিকে ৰাজত্ব কৰিছিল বুলি জনা যায়। এওঁৰ অধীনত থকা 'গাল্পিটিপ্যক'ৰ পৰা নিৰ্বোধ শৰ্মা নামৰ ব্ৰাহ্মণ এজনক মাটিদান কৰিছিল বুলিও জনা যায়। এই 'গাল্পিটিপ্যক'ৰ পৰা গোৱালপাৰা নামৰ উৎপত্তি হোৱা বুলি কিছুমানে ক'ব খোজে। আন এক সূত্ৰ অনুসৰি 'গুৱালতলি' শব্দৰ পৰা গোৱালপাৰা নামৰ উদ্ভৱ হৈছে। ব্ৰহ্মপুত্ৰৰ পাৰৰ এই ভূখণ্ড অতি উৰ্বৰ আছিল। কিছুমান লোক আহি ইয়াত বসতি কৰিবলৈ আৰম্ভ কৰিছিল। এওঁলোকে পশুপালন কৰি দুগ্ধ উৎপাদন কৰিছিল। বিভিন্ন ঠাইত গাখীৰ যোগান ধৰি জীৱিকা নিৰ্বাহ কৰা গুৱাল সকলে বাস কৰা ঠাইখিনিক 'গুৱালতলি' বোলা হৈছিল। 'গুৱালতলি'ৰ পৰাই পিছলৈ গোৱালপাৰা নামৰ উৎপত্তি হোৱা বুলি কোৱা হয়। গোৱালপাৰা চহৰত এতিয়াও গুৱালতলি নামৰ চুবুৰী আছে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনত গোৱালপাৰাত নিমখৰ 'গোলা' আছিল। এই 'গোলা'ৰ পৰা উজনিৰ আহোম ৰাজ্যলৈ নিমখ ৰপ্তানী কৰা হৈছিল। এই 'গোলা' শব্দৰ পৰা গোৱালপাৰা নামৰ উদ্ভৱ হোৱা বুলি কিছুমানে কয়।

গোৱালপাৰা জিলাৰ ইতিহাস বিচাৰ কৰিলে দেখা যায় যে বিভিন্ন সময়ত ই বিভিন্ন ৰাজ্যৰ অন্তৰ্ভূক্ত হৈ আছিল। প্ৰাগজ্যোতিষপুৰ, কামৰূপ, কমতা ৰাজ্য, কোচ-হাজো ৰাজ্য, আহোম, মোগল, সামন্ত ৰাজ্য বিজনী, ইষ্ট ইণ্ডিয়া কোম্পানী আদিৰ শাসকৰ অধীনত এই অঞ্চল সংযুক্ত হৈ আহিছে। গোৱালপাৰা জিলা পৌৰাণিক যুগত প্ৰাগজ্যোতিষপুৰ আৰু মধ্যযুগত কামৰূপ ৰাজ্যৰ ভিতৰুৱা আছিল। প্ৰাচীন কামৰূপ ৰাজ্য চাৰিটা পীঠত বিভক্ত আছিল। এই পীঠ চাৰিটা হ'ল — কামপীঠ, ৰত্নপীঠ, সুবৰ্ণপীঠ আৰু সৌমাৰ পীঠ। গোৱালপাৰা ৰত্নপীঠৰ অন্তৰ্ভূক্ত আছিল। সুৱৰ্ণৰেখা আৰু ৰূপহী নদীৰ মাজত অৱস্থিত ৰত্নপীঠেই আছিল গোৱালপাৰা জিলা। সপ্তম শতিকাত কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালত গোৱালপাৰা জিলা বংগৰ ভিতৰত আছিল। চৰিত পুথিত পোৱা যায় যে কমতাধিপতি ৰজা দুৰ্লভ নাৰায়ণে ত্ৰয়োদশ-পঞ্চদশ শতিকাৰ ভিতৰত ৰাজত্ব কৰিছিল। কবি হেমসৰস্বতী আৰু তেওঁৰ সমসাময়িক কবিৰত্ন সৰস্বতীয়ে কাব্য ৰচনা কৰিছিল। এওঁলোকৰ ৰচিত কাব্যপুথিত থকা উল্লেখৰ পৰা জনা যায় যে গোৱালপাৰা জিলা কমতাপুৰ ৰাজ্যৰ অন্তৰ্গত আছিল। ১৫১৫ খ্ৰীষ্টাব্দত বিশ্বসিংহ এই ভূখণ্ডৰ ৰজা হয়। বিশ্বসিংহ আছিল গোৱালপাৰা জিলাৰ খুঁটাৰ মাট পৰগণাৰ চিকনঝাৰৰ কোচবংশৰ হাৰিয়া মণ্ডলৰ পুত্ৰ। বিশ্বসিংহৰ ৰাজ্যৰ ৰাজধানী আছিল কোচবিহাৰ। এওঁৰ পিছত পুত্ৰ নৰ নাৰায়ণে ১৫৮৪ খ্ৰীষ্টাব্দলৈ কোচ ৰাজ্যৰ ৰজা হয়। অবিভক্ত গোৱালপাৰা জিলা কোচৰাজ্যৰ অধীনত আছিল। ৰজা নৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ চিলাৰায়ে আন আন ৰাজ্য জয় কৰি কোচৰাজ্য বিস্তাৰিত কৰিছিল। ৰজা নৰনাৰায়ণৰ পুত্ৰ হৈছে লক্ষী নাৰায়ণ। এসময়ত চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱ আৰু লক্ষ্মী নাৰায়ণৰ মাজত গৃহ বিবাদ আৰম্ভ হয়। নৰনাৰায়ণে সোনকোষ নৈৰ পূৱৰ অংশ ৰঘুদেৱক শাসন কৰিবলৈ দিয়ে। ৰঘুদেৱে শাসন কৰা ভূখণ্ডক কোচ-হাজো নামেৰে জনা যায়, হাজো আছিল ইয়াৰ ৰাজধানী। এই ৰাজ্যৰ ভিতৰুৱা আছিল অবিভক্ত কামৰূপ আৰু অবিভক্ত গোৱালপাৰা জিলাৰ অঞ্চল। ৰঘুদেৱৰ পিছত এই ৰাজ্যৰ ৰজা হয় পৰীক্ষিত নাৰায়ণ। পৰীক্ষিত নাৰায়ণৰ ৰাজত্ব কালত গোৱালপাৰা জিলা 'দক্ষিণকুল' নামেৰে জনাজাত আছিল। লক্ষ্মীনাৰায়ণ আৰু তেওঁৰ ভতিজাক পৰীক্ষিত নাৰায়ণৰ মাজত আকৌ গৃহবিবাদ আৰম্ভ হয়। এই বিবাদৰ সুযোগ লৈ মোগল সকলে কোচ-হাজো ৰাজ্য আক্ৰমণ কৰি নিজৰ দখললৈ নিয়ে আৰু ১৬১৪ খ্ৰীষ্টাব্দৰ পৰা ১৭৬৫ খ্ৰীষ্টাব্দলৈ গোৱালপাৰা জিলা শাসন কৰে। ১৬৫৮ খ্ৰীষ্টাব্দত এই জিলা আহোমৰ অধীনলৈ যায়। ১৬৬১ চনত মীৰজুমলাই গোৱালপাৰা দখল কৰি মোগল সাম্ৰাজ্যৰ অধীনলৈ নিয়ে। ১৭৬৫ খ্ৰীষ্টাব্দত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে দেৱানী লাভ কৰাৰ ফলত গোৱালপাৰাৰ শাসন

ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ যায়। কোম্পানীৰ অধীনত গোৱালপাৰা জিলা প্ৰায় ৫৬ বছৰ কাল ৰংপুৰ জিলাৰ অংশ হৈ আছিল। বৃটিছৰ অসম আগমনলৈ গোৱালপাৰা জিলা সুকীয়া জিলা হিচাপে পৰিচিত নাছিল, এই জিলাৰ আনুষ্ঠানিক সৃষ্টি হয় ১৮২২ চনত। গৰৰ্ণৰ জেনেৰেলে অধ্যাদেশ জাৰি কৰি গোৱালপাৰা জিলাক ৰংপুৰৰ পৰা পৃথক কৰি গাৰোপাহাৰৰ সৈতে উত্তৰ-পূৰ ৰংপুৰ জিলা নামেৰে এখন জিলা গঠন কৰে ১৮২২ চনত। এই নতুন জিলাখনত ধুবুৰী, গোৱালপাৰা আৰু কৰাইবাৰী — এই তিনিখন থানা আছিল। এই জিলাৰ শাসন চলাইছিল জিলা কমিচনাৰ ডেভিদ স্কটে। বিজনী ৰাজাৰ অধিকাংশ অঞ্চল গোৱালপাৰা জিলা গঠন কৰা হৈছিল। ১৮২৬ খ্ৰীষ্টাব্দত ইয়াণ্ডাবু সন্ধিৰ ফলত গোৱালপাৰা জিলা বৃটিছৰ অধীনলৈ যায়, পিছত ইয়াক অসমৰ লগত চামিল কৰা হয়। ১৮৭৪ খ্ৰীষ্টাব্দত অসম প্ৰদেশ হিচাপে ঘোষণা হোৱাৰ পিছত গোৱালপাৰা জিলা অসমৰ অংগ হৈ পৰে। পুৰণি গোৱালপাৰা জিলা, গোৱালপাৰা, কোকৰাঝাৰ আৰু ধুবুৰী এই তিনিটা মহকুমাৰে গঠিত হৈছিল। এই তিনিটা মহকুমা তিনিখন জিলা হিচাপে ঘোষণা কৰা হয় ১৯৮৩ চনৰ ১ জুলাই তাৰিখে। ১৯৮৩ চনৰ ১৫ আগষ্টত আন এখন জিলা উত্তৰ শালমাৰা মহকুমা আৰু কোকৰাঝাৰৰ কিছু অংশ সামৰি বঙ্গাইগাওঁ গঠন কৰা হয়। প্ৰশাসনীয় সুবিধাৰ অৰ্থে অতীতৰ গোৱালপাৰা জিলাক গোৱালপাৰা, ধুবুৰী, বঙ্গাইগাওঁ কোকৰাঝাৰ আৰু চিৰাং — এই পাঁচখন জিলাত ভাগ কৰা হৈছে।

ঊনৈশ শতিকাত গোৱালপাৰা জিলাৰ ভূ-প্ৰাকৃতিক পৰিবেশ আজিতকৈ বহুত বেলেগ আছিল। ইয়াৰ মুখ্য কাৰণবোৰৰ ভিতৰত হ'ল ব্ৰহ্মপুত্ৰ আৰু উপনৈ বোৰৰ গতিপথ পৰিবৰ্তন, অৰণ্য অঞ্চল হ্ৰাস আদি। সেই সময়ত গোৱালপাৰা ভূখণ্ড খাল, বিল, জলাশয় অৰণ্য, গছ-গছনি, ঘাঁহ-বনেৰে পৰিপূৰ্ণ আছিল। বিল, খাল, ডোবা, জলাহবোৰ মাছ-কাছ, কুম্ভীৰ, বিভিন্ন জলচৰ পখী আৰু আন জীৱ-জন্তুৰে ভৰি আছিল। নৈৰ পাৰত ইকৰা, বেত, খেৰ, ঘাঁহ-বন আদি যথেষ্ট পৰিমাণে হৈছিল। গোৱালপাৰা জিলাত ব্ৰহ্মপুত্ৰৰ সোঁতৰ গতি মন্থৰ হোৱা বাবে গেদ জমা হৈ চৰ-চাপৰিৰ সৃষ্টি হৈছিল। চৰ-চাপৰিৰ সাৰুৱা মাটিত অপৰ্যাপ্ত পৰিমাণে ঘাঁহ-বন গজিছিল। ঊনবিংশ শতিকাত গোৱালপাৰা জিলা বনজ সম্পদত আছিল অতি চহকী। বিভিন্ন মূল্যবান গছ যেনে শাল, গমাৰী, পমা, শিলিখা, কদম, উৰিয়াম, শিমলু, চতিয়না, চেগুন আদিৰে ভৰি আছিল। ইয়াৰোপৰি আমলখি, লেতেকু, পনিয়ল, অমৰা, ভাতঘিলা আদি নানান তৰহৰ গছেৰে পূৰ্ণ আছিল। হাবৰাঘাট পৰগণাৰ এক বৃহৎ অঞ্চল জুৰি আছিল। ডাঃ বুকানন চাহাবে হাবৰাঘাট ভ্ৰমণ কৰি (১৮০৭-১৮১৪ খ্ৰীঃৰ ভিতৰত) বৰ্ণনা কৰিছিল যে হাবৰাঘাটৰ শাল-বনাঞ্চল দীঘলে ছয় মাইলতকৈ বেছি আছিল। অৰণ্য, হাবি-বননি বোৰ বনৰীয়া মহ, শৰ, হৰিণা পহু, ঢেঁকিয়া-পটীয়া, নাহৰ ফুটুকী, জহামাল আৰু আন আন জীৱ-জন্তুৰে ভৰি আছিল। নানা প্ৰকাৰৰ জলচৰ আৰু স্থলচৰ পক্ষীকুলেৰে পৰিপূৰ্ণ আছিল।

ঊনৈশ শতিকাত গোৱালপাৰা জিলাৰ মাটি সাৰুৱা আছিল। বিভিন্ন প্ৰকাৰৰ কৃষিজ উৎপাদন সন্তোষজনক আছিল বুলি জনা যায়। সেই সময়ত ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীৰ ফলত গোৱালপাৰাত বানপানীৰ প্ৰকোপ বেছি আছিল। অসমৰ আন জিলাৰ দৰে গোৱালপাৰা জিলাৰো ঘাই কৃষি আছিল ধান। শাল, আহু, বাও, বৰা, বকো, জহা আদি ধানৰ খেতি কৰা হৈছিল। ধানৰ উপৰিও সৰিয়হ, মৰাপাট, মাহ আদিৰ খেতি যথেষ্ট পৰিমাণে কৰা হৈছিল। হাবৰাঘাটত কপাহ খেতি হৈছিল বুলি জনা যায়। কৃষিৰ সজুঁলি আছিল নাঙল আৰু গৰু। মানুহৰ অৰ্থনৈতিক ভিত্তি আছিল কৃষিজ আৰু বনজ সম্পদ। বিনিময় প্ৰথাৰ প্ৰচলন আছিল। মুদ্ৰাভিত্তিক অৰ্থনীতিৰ তেতিয়া পতন ঘটিছিল। অৰ্থনৈতিক দিশত দুৰ্বল দুখীয়া-গৰীৱ সকলে মুদ্ৰা পালে ভৱিষ্যত নিৰাপত্তাৰ বাবে সাঁচি ৰাখিছিল। স্বচ্ছল অৱস্থাৰ লোক সকলে বেচা কিনাৰ উপৰিও ধাৰ-ঋণ দি সুদ লোৱাৰ ব্যৱসায় কৰিছিল। সেই সময়ত মানুহৰ জীৱন যাত্ৰা সহজ হলেও ভূমিকম্প, বানপানী, ধুমুহা আহি প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী আৰু সময়ে সময়ে হোৱা অগ্নিকাণ্ডই মানুহৰ মাজত ত্ৰাসৰ সৃষ্টি কৰিছিল। বসন্ত, কলেৰা আদি মহামাৰীত অসংখ্য লোকৰ মৃত্যু হৈছিল। প্ৰতি বছৰে হোৱা অগ্নিকাণ্ডৰ ফলত অনেক ধন-জন, সম্পত্তিৰ হানি হৈছিল। ১৮৯৭ চনত হোৱা ভূমিকম্পত মানুহৰ ঘৰ-বাৰী বিধ্বস্ত হৈছিল আৰু কিছুমান ঠাই তললৈ বহি গৈছিল।

স্বাধীনতাৰ পূৰ্বৱৰ্তী কালত যাতায়াত আৰু ব্যৱসায় বাণিজ্যৰ ক্ষেত্ৰত নদীপথেই আছিল একমাত্ৰ মাধ্যম। অসমৰ বিভিন্ন জিলাৰ বিভিন্ন অঞ্চললৈ, অসমৰ বাহিৰলৈ মানুহে নাওঁ বা জাহাজেৰে অহা-যোৱা কৰিছিল। কলকাতা, ঢাকা আৰু অন্যান্য ঠাইলৈ সামগ্ৰী আমদানি ৰপ্তানী ব্ৰহ্মপুত্ৰ নদীপথেৰে কৰা হৈছিল। বিদ্যা শিক্ষা লাভ, বাণিজ্য, ভ্ৰমণ আৰু আন কামৰ বাবে মানুহে নদী পথেৰে গতি কৰিছিল। ধুবুৰী, জমাদাৰ ঘাট, তুলসীবাৰী, গোৱালপাৰা, দলগোমা আদি স্থান সমূহত জাহাজ ঘাট গঢ়ি উঠিছিল। এই ঘাটবোৰৰ লগত ভিতৰুৱা গাওঁ -ভূঁইৰ সংযোগ স্থাপিত হৈছিল আৰু বাহিৰৰ পৰা অহা নাওঁ জাহাজবোৰে যোগাযোগ ৰাখিছিল। স্বাধীনতাৰ পিছত ব্ৰহ্মপুত্ৰৰ মাজত এক বিস্তৃত চৰ সৃষ্টি হোৱাৰ ফলত দলগোমা জাহাজ ঘাট নোহোৱা হ'ল বুলি জনা যায়।

অষ্টাদশ শতিকাত ইষ্ট ইণ্ডিয়া কোম্পানীৰ অসম আগমনৰ সময়ৰ পৰা ব্যৱসায়-বাণিজ্যৰ প্ৰসাৰৰ ফলত নদী পথবোৰৰ গুৰুত্ব বাঢ়িবলৈ ধৰে। ঊনৈশ শতিকাত ধুবুৰী, গোৱালপাৰা, দলগোমা, মৰনৈ আদি ঠাইত বৃহৎ হাট গঢ়ি উঠিবলৈ ধৰে। এই হাটবোৰত বংগদেশ, বাংলাদেশ, বৰ্তমানৰ মেঘালয় আৰু অসমৰ আন ঠাইৰ পৰা ব্যৱসায়ী সকলে নাওঁ-জাহাজেৰে আহি ব্যৱসায় কৰিছিল। নানা

তৰহৰ সামগ্ৰী আমদানি-ৰপ্তানী হৈছিল। শাল, গমাৰি, শিমলু আৰু অন্যান্য কাঠ, সৰিয়হ, মৰাপাট আদি বংগদেশ আৰু আন আন ঠাইলৈ ৰপ্তানী কৰা হৈছিল। নিমখ, মিঠাতেল, ধঁপাত, চেনি আৰু আন খাদ্য সামগ্ৰী, লোৰ সামগ্ৰী, সোণ-ৰূপৰ অলঙ্কাৰ আদি আমদানি কৰা হৈছিল। গুৱাহাটী, পলাশবাৰী, গুৱালকুচি, বৰপেটাৰ বিভিন্ন অঞ্চল, ডিব্ৰুগড়, ঢাকা, কলকাতা আদি ঠাইলৈ মানুহে বেহা বেপাৰ আৰু আন উদ্দেশ্যৰে নদীপথেৰে গৈছিল। হাটবোৰে আমদানি-ৰপ্তানী কেন্দ্ৰ হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। বিংশ শতিকালৈ হাটবোৰে গোৱালপাৰাৰ আৰ্থ-সামাজিক দিশত যথেষ্ট প্ৰভাৱ পেলাইছিল।

বেপাৰ-বাণিজ্যৰ বৃদ্ধিৰ লগে লগে নদীপথৰ উপৰিও উনৈশ শতিকাত দুই এটা স্থলপথ গঢ়ি উঠিবলৈ ধৰে। শতিকাটোৰ আগভাগত গোৱালপাৰাৰ পৰা ডামৰা, জিৰা আৰু ডুবাপাৰালৈ কেইটামান পথ আছিল বুলি জনা যায়। ১৮৫০ খ্ৰীষ্টাব্দৰ ভিতৰত গোৱালপাৰাৰ পৰা ডুবাপাৰালৈ যোৱা পথটো সজোৱা হয়। গাৰো পাহাৰৰ পৰা কাঠ আনিবলৈ কাঠ ব্যৱসায়ী মানিক চন্দ্ৰ বৰুৱা আৰু তেওঁৰ সঙ্গী সকলে দামৰা দলগোমা পথটো নিৰ্মাণ কৰিছিল বুলি জনা যায়। গাৰো পাহাৰৰ পৰা লা, কপাহ, আদা, জলকীয়া, সুমথিৰা আদি এই ৰাস্তাৰে সৰবৰাহ কৰি জাহাজ ঘাটলৈ অনা হৈছিল। এইবোৰ সামগ্ৰী আন ঠাইলৈ ৰপ্তানী কৰা হৈছিল। সেই সময়ত ধূপধৰা, দুধনৈ, মৰনৈ, দলগোমা, গোৱালপাৰা আদি দক্ষিণ গোৱালপাৰাৰ উল্লেখযোগ্য জনপদ আছিল।

গোৱালপাৰা জিলাত বিভিন্ন জাতি-উপজাতি, বিভিন্ন ধৰ্মীয় গোষ্ঠীয়ে যুগ যুগ ধৰি সমন্বয়ৰ মাজেদি বসবাস কৰি আহিছে। ১৭৮০ খ্ৰীষ্টাব্দত আহোম ৰাজত্বৰ সময়ত হোৱা বিদ্ৰোহ, অৰাজক পৰিস্থিতিত অতীষ্ঠ হৈ উজনি অসমৰ দৰং, শিৱসাগৰ, নগাওঁ জিলাৰ পৰা বহুত মানুহ গোৱালপাৰালৈ প্ৰব্ৰজন কৰিছিল বুলি কিছুমানে মত প্ৰকাশ কৰিছে। বিংশ শতিকাৰ প্ৰথম ভাগৰ পৰা বংগদেশৰ ৰংপুৰ, মৈমনসিং আৰু পাবনা আদি জিলাৰ পৰা অহা ভূমিহীন খেতিয়কে গোৱালপাৰা জিলাৰ চৰ-চাপৰিবোৰত বসবাস আৰম্ভ কৰিছিল। মুছলমানৰ অসম আক্ৰমণৰ পৰা কিছু সংখ্যক মুছলমান লোক গোৱালপাৰাত থাকিবলৈ যায়। ১৮১৯-২০ খ্ৰীষ্টাব্দত মানৰ আক্ৰমণৰ ফলত প্ৰব্ৰজনকাৰী বহুলোকে গোৱালপাৰা জিলাত থিতাপি লৈ বাস কৰিবলৈ লৈছিল। বৰপেটা অঞ্চলৰ হাউলী, সৰভোগ, বাঘবৰ, চেঙা আদি স্থানবোৰৰ শাসন কাৰ্য চলাইছিল আহোম ৰজা আৰু বৰফুকনৰ মনোনীত সামন্ত সকলে। বৰপেটাৰ ওচৰত চণ্ডী বৰুৱাৰ হাউলী আছিল, হলকান্ত বৰুৱাৰ বাসস্থান আছিল বৰনগৰৰ যুগীৰ পামত। এই অঞ্চলৰ লোকসকল মানৰ আক্ৰমণৰ বলি হৈছিল। মানসকলৰ নিৰ্মম আৰু অবৰ্ণনীয় অত্যাচাৰত মানুবোৰ নিৰাপত্তা আৰু প্ৰাণৰক্ষাৰ বাবে ব্ৰহ্মপুত্ৰ পাৰ হৈ দক্ষিণ কুলৰ মৰনৈ, দলগোমা, বহতী, বৰভিটা, কৰাইখোৱা, বগুৱান আদি গাওঁবোৰলৈ আহি আশ্ৰয় লয় আৰু বসতি কৰিবলৈ আৰম্ভ কৰে। সত্ৰ-কেন্দ্ৰিক বৰপেটা অঞ্চলৰ অধিবাসী আৰু উক্ত অঞ্চলৰ অধিবাসী সকলৰ মাজত ভাষা, ধৰ্ম, কৃষ্টিৰ সংমিশ্ৰণ আৰু সমন্বয় প্ৰক্ৰিয়া আৰম্ভ হয়। সেইবাবে বৰপেটা অঞ্চলৰ ভাষা-সংস্কৃতিৰ লগত দক্ষিণ কুলৰ গোৱালপাৰা অঞ্চলৰ ভাষা-সংস্কৃতিৰ সাদৃশ্য চকুত পৰে।

গোৱালপাৰা জিলা ব্ৰাহ্মণ, কলিতা, নাথ, কোচ-ৰাজবংশী, ডোম, নমশূদ্ৰ, বড়ো, ৰাভা, হাজং, ভালু, বানাই, পশ্চিমা (উত্তৰ প্ৰদেশীয় বিহাৰী) হীৰা, বনিক্য, নেপালী, মুছলমান বঙালী, মাৰোৱাৰী, পাঞ্জাবী আদি জাতি-উপজাতিৰ বাসস্থান। বড়ো আৰু ৰাভা সকলৰ আচৰণ বিধি আৰু জীৱন যাত্ৰাৰ লগত অসমীয়া বৰ্ণ হিন্দু সকলৰ মিল দেখা যায়। কোচ-ৰাজবংশী, নাথ সকলে প্ৰাচীন কালৰে পৰা হিন্দু ধৰ্ম আৰু হিন্দুৰ ৰীতি-নীতি গ্ৰহণ কৰি আহিছে। হাজং, কোচ, ডালু, বানাই কিছু সংখ্যক গাৰো শৰণাৰ্থী হিচাপে অসমলৈ আহিছিল ১৯৬৪ চনত। পূৱ পাকিস্তানত (বৰ্তমান বাংলাদেশ) নিৰ্মম অত্যাচাৰৰ বলি হোৱাত অসমৰ আন অঞ্চলৰ দৰে গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চলত শিবিৰ পাতি শৰণাৰ্থী হিচাপে চৰকাৰে উক্ত জনগোষ্ঠীৰ লোকে সকলক আশ্ৰয় দিছিল। কিছুমান শৰণাৰ্থী পূৰ্ণবসতি পাই আন ঠাই বসতি আৰম্ভ কৰিছিল। কিছুমানে গোৱালপাৰা অঞ্চলতে বাস কৰিবলৈ ল'লে। গাৰোসকলৰ কিছু অংশ খ্ৰীষ্টান ধৰ্মাৱলম্বী, কিছুমান 'সংসাৰী'। শৰণাৰ্থী সকলৰ আগমনে গোৱালপাৰাৰ জন-গাৰ্থনিত পৰিবৰ্তন আনিছিল।

অসমৰ আন অঞ্চলৰ দৰে অবিভক্ত গোৱালপাৰা জিলা সত্ৰ, থান, দেৱালয়, মঠ-মন্দিৰ আদিৰে পৰিপূৰ্ণ। ইয়াৰ সত্ৰবোৰৰ ভিতৰত হ'ল শ্যামৰায়, সত্ৰশাল, দলগোমা, গোঁসাইবৰী আদি। নন্দেশ্বৰ, দুধনাথ, পাগলাটেক, পঞ্চৰত্ন, জলেশ্বৰ, ফুলবাৰী, বগ্ৰীবাৰী, মহাদেৱ পাহাৰ আদি ইয়াৰ উল্লেখযোগ্য থান আৰু দেৱালয়। প্ৰত্নতাত্বিক সমলেৰে পৰিপূৰ্ণ শ্ৰীসূৰ্য পাহাৰৰ পৰিচয় সৰ্বজন বিদিত। ইয়াৰ প্ৰাচীন কীৰ্তিচিহ্ন সমূহে গৌৰৱময় ইতিহাসৰ পৰিচয় দিয়ে। পুৰাতাত্বিক সামগ্ৰীবোৰে ভাৰতবৰ্ষৰ প্ৰধান তিনি ধৰ্ম ব্ৰাহ্মণ্য, বুদ্ধ আৰু জৈন ধৰ্মৰ প্ৰভাৱৰ নিদৰ্শন দাঙি ধৰে। শ্ৰীসূৰ্য পাহাৰ অতীতৰ সূৰ্য উপাসনাৰ লগত জড়িত আছিল বুলি পুৰাতত্ববিদ সকলে অনুমান কৰিছে। শ্ৰীসূৰ্যপাহাৰৰ সমীপত অৱস্থিত মৰনৈ আৰু ইয়াৰ আশে পাশে আৱিষ্কৃত শিলত কটা ষাঁড়, শিৱ লিংগ, বিষ্ণু মূৰ্তি, পুৰণি কুঁৱা, কাড়ি, ইটাত অঁকা মূৰ্তি, মাটিৰ পাত্ৰ, মুদ্ৰা, পদুম পুখুৰী, ইটাৰে নিৰ্মিত অট্টালিকাৰ ভগ্নাৱশেষ আদিয়ে উন্নত সভ্যতা-সংস্কৃতিৰ স্বাক্ষৰ বহন কৰে। গোৱালপাৰা চহৰৰ সাত আঠ কিলোমিটাৰ পশ্চিমত অৱস্থিত পঞ্চৰত্ন পাহাৰতো প্ৰাচীন প্ৰত্নতাত্বিক স্মৃতি চিহ্ন আৱিষ্কৃত হৈছে। এই পাহাৰৰ পূৱ অংশত শিলৰ গুহা আছে। যোগীঘোপা পাহাৰতো শিলৰ গুহা আছে। পাহৰণিৰ গৰ্ভত হেৰাই যাব খোজা ইতিহাস উদ্ধাৰৰ বাবে গৱেষণা, অনুসন্ধান, পৰ্যবেক্ষণ

আৰু গভীৰ অধ্যয়নৰ প্ৰয়োজন।

সময়ৰ সোঁতত গোৱালপাৰা জিলাৰ ভূ-প্ৰকৃতিৰ যথেষ্ট পৰিবৰ্তন হৈছে। ঊনৈশ শতিকাৰ আৰু তাৰ আগৰ প্ৰাকৃতিক পৰিবেশৰ বহুত পৰিবৰ্তন হৈছে। বৰ্ধিত জনসংখ্যাই প্ৰকৃতিৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। গছ-লতা, হাবি-বননি হ্ৰাস পাই আহিছে। জনসংখ্যা বিস্ফোৰণৰ ফলত বনাঞ্চল ধ্বংস হৈ আহিছে। আজি একবিংশ শতিকাত বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ জয়যাত্ৰাত মানুহৰ জীৱন ধাৰণ প্ৰণালীৰ লগতে আৰ্থ-সামাজিক অৱস্থাৰো পৰিবৰ্তন ঘটিছে। জীৱন আৰু জীৱিকাৰ সন্ধানত বিভিন্ন স্তৰৰ মানুহ অসম, ভাৰতৰ বিভিন্ন প্ৰান্তলৈ ধাৱিত হৈছে। নতুন যুগৰ পৰিপ্ৰেক্ষিতত পৰিৱেশ সচেতনতা, জীৱন-জগতৰ প্ৰতি বৈজ্ঞানিক দৃষ্টিভঙ্গী, সুচিন্তিত ধ্যান-ধাৰণাৰ দ্বাৰাহে গোৱালপাৰাবাসীৰ উন্নতি সম্ভৱ।

প্ৰসঙ্গপুথি :

১। শৰ্মা, শিৱানন্দ, গোৱালপাৰা জিলাৰ ইতিহাস
২। (প্ৰবন্ধ) তাহেৰ মহম্মদ, ঊনবিংশ শতিকাৰ গোৱালপাৰা জিলা, 'ভৌগোলিকা', ত্ৰয়োদশ সংখ্যা, উত্তৰ-পূৱ ভাৰত ভূগোল সংস্থা, গুৱাহাটী
৩। (প্ৰবন্ধ) চক্ৰৱৰ্ত্তী, মনোজ কুমাৰ, কোম্পানীৰ আমোলত গোৱালপাৰা চহৰ আৰু ইয়াৰ চুবুৰীয়া অঞ্চল, স্মৃতিগ্ৰন্থ, অসম বিজ্ঞান সমিতি, গোৱালপাৰা শাখা, ১৯৮৬
৪। (প্ৰবন্ধ) দাস, সুৰেন্দ্ৰ মোহন, গুৱালপাৰা জিল্লাৰ পুৰণি তথ্য, অসম সাহিত্য সভা পত্ৰিকা, ১৯২৭, ৪ৰ্থ সংখ্যা
৫। শৰ্মা, সত্যেন্দ্ৰনাথ, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, প্ৰকাশিকা, প্ৰতিমা দেৱী, গুৱাহাটী, ১৯৯৬

(ডঃ দাস দুধনৈ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক)

# সমকালীন অসমীয়া বাক্‌ভংগী ঃ এটি চমু আলোকপাত

ড° উপেন ৰাভা হাকাচাম

স্থান কাল পাত্ৰ ভেদে শব্দোচ্ছাৰণ বা উক্তি (Utterances) আৰু ভাষণ বা বাক্ (Speech) বেলেগ বেলেগ। পৰিৱেশ পৰিস্থিতি সাপেক্ষে ব্যক্তিবিশেষে যথাযথ বাক্‌ভংগীৰে কোনো লোকক জব্দ বা ধৰাশায়ী কৰা নতুবা নিজৰ উদ্দেশ্য সিদ্ধি কৰা কথাটো আমি আটায়ে জানো। সেইদৰে উপযুক্ত সময়ত উপযুক্ত ভাৱে বা নিয়াৰি লগাকৈ মনৰ ভাৱ প্ৰকাশ কৰিব নোৱাৰিলে কথাৰ মূল্য নথকাৰ দৰে হৈ সাক্ষাৎকাৰ আদিত বিফল মনোৰথ হ'বলগীয়া হোৱা কথাটোকো আমি জানো। কেতিয়াবা কেতিয়াবা কথোপকথনত পুৰস্কাৰ পোৱা অথবা তিৰস্কাৰ খাবলগীয়া হোৱা কথাটো "কথাতে বটা পায় কথাতে কটা যায়" বোলা প্ৰবচন ফাকিয়ে জনাই দিয়াৰ লগে লগে কথা বাৰ্তাত যে আমি বাক সংযমী হ'ব লাগে সেইবিষয়ে সাৱধান বাণী শুনাই থকা নাইনে? কথা কোৱাৰ কলা বা কিটিপ (arts) অৰ্থাৎ বাক্-মাধুৰ্য বা বাক্‌চাতুৰ্য যিসকলৰ হাতৰ মুঠিত তেওঁলোকেই বাক্ পটু, বাক্-চতুৰ, বাগ্মী/ বাগ্মীবৰ বা সুবক্তা। সমাজত কথা কমকৈ কোৱা (অসৰবৰহী) বা একেবাৰে নোকোৱা (নিমাত / নিমাতী / নিবোকা) , বৰকৈ কোৱা (বহুৱন্তী, মুখৰা/মুখৰী, মেলেকী/ মেলুৰৈ), অতিৰঞ্জিত ভাৱে কোৱা (বাক্য - বাগীশ) লোকৰ অভাৱো নাই। সেইবাবে বাক-ৰুদ্ধ, বাগাড়ম্বৰ, বাকপটুতা, বাকচাতুৰি, অবাক/নিৰ্বাক, সবাক আদি শব্দৰো সৃষ্টি হৈছে।

এই কথা কোৱা বা বাক্যালাপৰ ধৰণকে ভাষাবিজ্ঞানত বাকভংগী (discourse) বোলা হয়।[১] বাক ভংগী কথোপকথন, জমনি, ধৰ্ম-পাঠ , সাক্ষাৎকাৰ আদি কাৰ্য ভেদে বেলেগ বেলেগ হোৱাটোৱে স্বাভাৱিক। সেইদৰে স্বগতোক্তি, বক্তৃতা, ধৰ্মানুষ্ঠান, গৰিহণা, মৌখিক বিবৃতি আদি বিশেষ বিশেষ সংলাপত বক্তাজনৰ আচৰণ, তেওঁৰ চাৰিওফালৰ পৰিবেশ আৰু বিষয়বস্তুৰ গুৰুত্ব অনুযায়ী বাক-ভংগীয়ে বেলেগ বেলেগ শ্ৰেণীৰূপ ধাৰণ কৰে। বাক-ভংগী বা বাৰ্তালাপৰ গাঠনিক দিশ বক্তা আৰু শ্ৰোতাৰ মাজত বাৰ্তা ঘূৰ্ণন (tuns) আৰু নিকটস্থ যুটী (adjacency paris) ৰ ওপৰত ভালেখিনি নিৰ্ভৰ কৰে।[২] এইখিনিতে এটা কথাৰে ভাষাতত্ত্বৰ এই জটিল বিষয়টো বুজাবলৈ চেষ্টা কৰিছোঁ। ভাষাপ্ৰয়োগ বা বাক-ভংগীক যদি সুস্বাদু ব্যঞ্জন এবিধৰ লগত তুলনা কৰোঁ অৰ্থাৎ ইয়াক কি কি মা মচলাৰে, কিমান জুইৰ তাপত, কি পাত্ৰত সিদ্ধ কৰি আৰু কাক কি উদ্দেশ্যে নিমন্ত্ৰণ কৰি আনি, কেনেকৈ ক'ত পৰিবেশন কৰা হৈছে এই সমস্ত কথা বিবেচনালৈ আনো তেন্তে বিশেষ ব্যঞ্জনবিধৰ বাবে বিশেষ ভাষাৰ ধ্বনি ৰূপ শব্দসম্ভাৰৰ কেঁচা মাংস বা কেঁচা শাক-পাচলি বাচি লৈ মা মচলা অৰ্থাৎ ব্যাকৰণৰ নিয়মেৰে ৰান্ধি বিশিষ্ট স্বাদ (আশীৰ্বাদ বাচক, গৰিহণা-বাচক, জমনি, প্ৰেম নিবেদন, উপদেশধৰ্মী ইত্যাদি) প্ৰদান কৰি স্থান কাল পাত্ৰভেদে পৰিবেশন কৰি আপ্যায়ন কৰাৰ দৰে ভাষাৰ পৰিস্থিতি নিৰ্ধাৰক (register) নিৰ্দিষ্ট কৰি লৈ বাক্য নিক্ষেপ কৰিলে বিশেষ বাক-ভংগী (discourse) পোৱা যাব। বয়স, লিংগ, শিক্ষা, সামাজিক মৰ্যাদা, জনগোষ্ঠী বা সম্প্ৰদায় আদি ভেদে বাক-ভংগীৰ তাৰতম্য হ'ব পাৰে। সেইবাবেই বাক ভংগী অধ্যয়ন সমাজভাষাবিজ্ঞানৰো পৰিবৰ্তীত পৰে। সেইদৰে ব্যক্তিবিশেষৰ মনস্তত্ত্বও বাক-ভংগীৰ মাজেদি ধৰা পৰে। বক্তাৰ মনস্তত্ত্বৰ সম্যক পৰিচয় পাবলৈ আমাক মনোভাষাবিজ্ঞান সূত্ৰৰো প্ৰয়োগ কৰিব লগীয়া হ'ব পাৰে। শিশু কিম্বা নাৰী মনস্বত্ত্বৰ জ্ঞান অবিহনে শিশুৰ বা নাৰীৰ বাক ভংগীৰ পূৰ্ণ বিশ্লেষণ অসম্ভৱ। কেতিয়া আৰু কি পৰিস্থিতিত শিশুৱে খেলৰ লগৰীক নামাত দিয়ে (কাটি দিয়ে) আৰু পুনৰ কেতিয়া এৰা এৰি নোহোৱা খেলৰ লগৰী স্বৰূপ হৈ পৰে; অভিমানিনী নাৰীয়ে কেতিয়া প্ৰিয়জনক 'মই তোমাক বেয়া পাইছো যোৱা' বা 'মোক তুমি নামাতিবা' বুলি কৈয়ো নিমিষতে মান অভিমান কৰ্পূৰৰ দৰে উৰি গৈ পুনৰ কেতিয়া লেৰেলা সাদৰত মজি যায় সেয়া "দেৱা ন জানন্তি কতু মনুষ্য"।

বাক ভংগীৰ পৰ্যালোচনা কৰোঁতে লোকভাষা হিচাপে প্ৰচলিত ঠাট্টা মস্কৰা (insulting taunts), অবাইচ মাত (vulgar tongue, rustic language), গালি = গালাজ (abuses), শাও শপনি (curses), অৱদমিত কৰণ (nagging), বাজিমৰা (chalanging, betting) আদিত প্ৰয়োগ হোৱা শব্দ গুচ্ছ বা বাক্যাংশৰ কথা বিবেচনা কৰিলে কথাটো অতি পৰিস্কাৰ হয়। সমাৰ্থক যেন লগা শব্দৰ সাল সলনি ঘটালে পুৰুষ, ক্ৰিয়াৰ ভাৱ কিম্বা বাচ্যৰ পৰিবৰ্তন কৰিলে প্ৰাচীন আৰু অবাচীন কালত প্ৰচলিত শব্দ বা বাক্যাংশৰ মাজত হেৰ ফেৰ কৰি দিলে অৰ্থবোধতো আমূল পৰিবৰ্তন হ'ব পাৰে। উদাহৰণ স্বৰূপে — চিঃ চিঃ লাজ লাগি যায়, লজ্জাবদনে, লজ্জিত হৈ, লাজ কাজ নাইকীয়া, লাজ নাই চৰম নাই, বেচৰম,

নিলাজ ক'ৰবাৰ আদি বাক্যাংশ বা শব্দগুচ্ছৰ বিশেষ বিশেষ উদ্দেশ্যে সুকীয়া সুকীয়া অৰ্থত প্ৰয়োগ হ'ব পাৰে। সেইদৰে মোক বেইজ্জতি কৰিছে, তোৰ ঘৈণীয়েৰৰ ইজ্জত লুটি নিম, অসৎ উদ্দেশ্য চৰিতাৰ্থ কৰোঁতে, মান-মৰ্যাদা নষ্ট কৰিলি, সতীত্ব হেৰুৱাবলগীয়া হয়, লোকক মুখ দেখুৱাৰ নোৱাৰা কৰিম, ঠিয়ৈ নাঙঠ কৰিম, লাংটা কৰিম, মুখা খুলি দিম, মোৰ মান সন্মান সকলো মাটি। নষ্ট কৰি দিলি আদিত প্ৰকাশ পোৱা অৰ্থবোধ অৰ্থাৎ আত্মগ্লানি পৰনিন্দা বা গালিৰ চোক নিশ্চয় বেলেগ বেলেগ।

অসমীয়া বাক্‌ভংগীত বিশেষ কিছুমান বাক্যৰ ঠাঁচ (প্ৰাচীন অবাচীন বা সমকালীন অৰ্থাৎ চলতি ভাষাত ব্যৱহৃত) বিশেষ অৰ্থ প্ৰকাশৰ হেতু নিৰ্বাচন কৰি লেখক সকলে মান্য অসমীয়াৰ সাহিত্যৰ ভাষাত নতুবা সাধাৰণ লোকে দৈনন্দিন জীৱনত নিজস্ব শৈলীৰ কথা-বতৰাত ব্যৱহাৰ কৰি আহিছে। সাহিত্যৰ ভাষাত বা চৰকাৰী কাৰ্যালয়ত ব্যৱহৃত ভাষাত পোৱা বাক্যাংশ এটা হাটে-হাটে বজাৰে বা ঘৰুৱা কথা বতৰাত প্ৰয়োগ কৰিলে ঘনিষ্ঠতাতো প্ৰকাশ নাপায়েই বৰঞ্চ কেতিয়াবা অৰ্থবিভ্ৰাট ঘটি বক্তা বা শ্ৰোতা বা উভয়ে অপ্ৰস্তুত হ'বলগীয়া হোৱাও দেখা যায়। উদাহৰণ স্বৰূপে এজন ভিক্ষাৰী বা বাটৰুৱাই যদি আপোনাৰ পদুলি মুখত (গেটত) থিয় হৈ আঁঠু কাঢ়ি হাতজোৰ কৰি বা মুখত হস্তনিৰ্মিত মুখচুঙা (মাইক) লৈ ''অধীনৰ বিনীত নিবেদন এই যে মই এজন তেনেই নিচলা/ ডাল দৰিদ্ৰ/ বন্যাক্ৰান্ত ব্যক্তি/ লোক; যোৱা কেবাদিন ধৰি মোৰ পেটত খুদকণ এটাও পৰা নাই ..................

সেয়েহে মহোদয়ক কাতৰ মিনতি জনাওঁ যাতে মোক এমুঠি অন্নদান কৰি /এগিলাচ খোৱা পানী দি বাধিত কৰে। এইখিনি উপকাৰ কৰিলে মই আপোনাৰ প্ৰতি চিৰদিন কৃতজ্ঞ হৈ ৰ'ম।

ইতি —

আপোনাৰ বিশ্বাসী/ আশীৰ্বাদ প্ৰাৰ্থী

শ্ৰী হীন গোলাম ভিকহু

স্থায়ী ঠিকনা : যাযাবৰ

বুলি সংলাপ নিক্ষেপন কৰিলে আপোনাৰ কেনে লাগিব বাৰু! ঠিক যেনেকৈ বিভিন্ন কোম্পানীৰ মাৰ্কেটিং এজেন্টে বিলাকে ''আপোনাৰ পৰা একমিনিট ল'ব পাৰোঁনে'' বুলি কৈ ঘণ্টাৰো উপৰি ঘণ্টা ব্যাখ্যা কৰি আপোনাক প্ৰত্যয় নিয়াবৰ বাবে ব্যৰ্থ প্ৰচেষ্টা কৰাত আপোনাৰ ধৈৰ্য্যচ্যুতি ঘটে তেনেকৈ এই কাৰ্যটিও হিতে বিপৰীত নহবনে বাৰু! তাতোকৈ ''হেৰ ককাইটি / দদাইদেও / দাদা / খুৰা / আঙ্কল অথবা হেৰি মাই / বাইদেও / আইদেউ / আন্টি ''খোৱাপানী এগিলাচ পামনে'' বা ''মোক পানী এগিলাচ দিবনে'' অথবা ''মই হলো/ গুলুং খোজনীয়া খুজি মাগি খাওঁ / খাং এইবাৰ আপোনা লোকৰ / তুহাৰ / তুহনাৰ ঘৰত আহিছোঁ / আহিছোং, আৰো কিবা অলপ দিওক / দে (আৰো নেদা যদি খেদি দে তাকো বেয়া নাপাং) '' জাতীয় গ্ৰাম্যভাষা (লোক ভাষা) প্ৰয়োগ কৰি কাঠিত বা চোতালৰ এচুকত তিনিমূৰীয়া বুঢ়াৰ দৰে আঁঠু কোচাই বহি বা এখন হাতত ভৰদি ধমহে কৰি মাটিত বহি পৰিলে বেছি ভাল হ'ব। (আজিকালিৰ ভিক্ষাৰীয়ে কিন্তু টাউনত গেটত ঢকিয়াই বা কলিং বেল বজাইহে নিজৰ প্ৰাপ্য বিচাৰে; মন কৰিব গুৱাহাটীত পঞ্চাশ পইচা এতিয়া ভিক্ষাৰীয়েও নলয়।)

তদ্ৰুপ প্ৰাচীন অবাচীন বা সমকালীন শব্দ বা শব্দাংশ এটাৰো এই ধৰণৰ বিশেষ অৰ্থ প্ৰকাশৰ হেতু ব্যৱহাৰ হৈ আহিছে। উদাহৰণ স্বৰূপে ক'ব পাৰি বৰ্তমান অসমীয়া প্ৰচলিত বাক্‌ভংগীত মূৰ (সংস্কৃত মুণ্ড > মূৰ)ৰ পৰিৱৰ্তে মাথা (কামৰূপী / গোৱালপৰীয়া উপভাষা আৰু বাংলা আদি ভাষাৰ বহুল প্ৰচলিত শব্দ (তু. সংস্কৃত মস্তক > মাথা), মুণ্ড বা মূৰা শব্দৰ বিস্তাৰ প্ৰয়োগ হৈ আহিছে। উদাহৰণ — মাথামুণ্ড একো নাজানে, তাৰ মাথা (মূৰ) গৰম হৈ আছে, মূৰ (মাথা) গৰম নকৰিবি, মাথাই (মগজুৱে) কাম নকৰা হৈছে, ছাৰাদিন মাথা মাৰিলোঁ এইটোহে হ'ল, মাথাৰ দোষ আছে (মূৰৰ বিকৃতি আছে), মাথা খাৰাব কৰি দিছে অৰ্থাৎ কথাটো শুনি সাময়িক ভাৱে মূৰে কাম নকৰা হৈছে (কিন্তু মূৰ বেয়া কৰি দিছে অৰ্থাৎ অন্য চিন্তা সুমুৱাই দি পঢ়া শুনাত মন নবহা কৰি দিছে), আৰে ভাই বাঙালীৰ মাথা (ব্ৰেইন) ইত্যাদি। এই কাম কৰিবলৈ মাথা লাগিব মাথা (বুদ্ধি, মেধা অৰ্থত) মাথাত চক্কৰ লাগিছে, যাৰ মাথা (মুণ্ড বা মূৰ অৰ্থত নহৈ মেধা বা মগজু অৰ্থত) আছে।

অৱশ্যে মূৰ দুপিয়া, মূৰ দোঁৱা, মূৰ ঘমা, মূৰ আচন্দ্ৰাই কৰ্, মূৰ কৰ, মূৰ আফালি মৰ, মূৰ খজুৱা, মূৰখা/ চোবা, মূৰ গা ধো, মূৰ জোকাৰ, মূৰ দাঙি/ দি উঠ, মূৰ দাঙিব নোৱাৰ (সি কামৰ হেঁচাত মূৰ দাঙিব পৰা নাই), মূৰ দাঙি চা, মূৰত সুমুৱাই দি, মূৰত নুশুমা, মূৰ পাত, মূৰ পাতিল, মূৰ পেলা, মূৰ পোলোকা মাৰ / দি, মূৰত উঠ, মূৰত কঁঠাল ভাঙ্, মূৰত টাঙোন মাৰ, মূৰত তোল, মূৰত ধৰ্, মূৰ পৰ্, মূৰ ভাঙ্, মূৰ মাৰ, মূৰ মেলা/ফনিয়া, মূৰৰ চুলিৰ মান আয়ুস হ্, মূৰৰ বীজ গুচা, মূৰ সুমা, মূৰে কপালে হাত দি, মূৰে ভৰি কৰ/ কাঢ় ইত্যাদি ক্ৰিয়া বাক বাক্যাংশ (জতুৱা ঠাঁচ), মূৰ কামোৰণি, মূৰ ফুৰনি/ঘূৰণি, মূৰ জিলিকা, মূৰতকীয়া, মূৰত চাউল দিয়া বিয়া, মূৰৰ চুলিৰ মান আয়ুস (দীৰ্ঘয়ু), মূৰৰ দাম (দেশদ্ৰোহী বা ৰাজনৈতিক অপৰাধীৰ কৰ্মৰ নিৰিখ), মূৰৰ বীজ নুগুচা (নিচেই কম বয়সীয়া), মূৰ-শিতান, মূৰ সমনীয়া, মূৰ ফলা (বনবিশেষ), মূৰে শপতা (শপত বিশেষ), মূৰা মূৰি < আ + মূৰ - ই, মূৰীয়া (যত ন বিশেষ), সীমা - মুৰিয়ালি < মূৰ অয়লি, লাওমূৰা < মূৰ আ, ওপামূৰা, দোমূৰা / দুমুৰীয়া / দুমুৰি (কাপোৰ বিশেষ), তিনিমূৰীয়া < মূৰ ঈয়া, ওপচমূৰীয়া, আঁঠুমূৰীয়া তু. (গামোচা), আঁঠুৰনীয়া (পানী), জনমূৰি < মূৰ ই ইত্যাদি বিশেষ্যবাচক বা বিশেষণবাচক বাক্যাংশ (জতুৱা ঠাঁচ)

ৰ লগতে বিভিন্ন পদ আৰু পৰসৰ্গ হিচাপে প্ৰয়োগ হোৱা অব্যয় (অব্যয়বাচক বাক্যংশ) যেনে — মূৰে / মূৰি (পৰিৱৰ্তে), মূৰে মূৰে (কোনোমতে), এছৰৰ মূৰত / মূৰে মূৰে (কিন্তু লাভৰ মূৰত), মূৰকত আহি নাপালে, মূৰা মূৰি কৈ (কম বেছি নোহোৱাকৈ), ইমূৰ সিমূৰ ইত্যাদি শব্দ বা শব্দাংশৰ প্ৰয়োগো অসমীয়াৰ নিভাঁজ ৰূপত অৰ্থাৎ অসমীয়া ভাষাৰ কালিকা হিচাপে ব্যৱহৃত অসমীয়া বাকভংগীত পোৱা যায়।

এইদৰে আৰু বহুতো বিশেষ্য শব্দ বাংলা, হিন্দী নতুবা ইংৰাজী আদি ভাষাৰ পৰা ঋণ কৰি বা অনুবাদ ধাৰ কৰি অবাৰ্চীন কালৰ চলতি অসমীয়া বাকভংগীত প্ৰয়োগ হৈ আহিছে। মস্তি (স্ফুৰ্তি, আমেজ), মাল (বস্তু, সম্পদ, সমল সামগ্ৰী) লাংটা (নাঙঠ, বিবস্ত্ৰ, নগ্ন), ডিমাণ্ড (চাহিদা, দাবী), বিজিনেছ (ব্যৱসায়, ঠিকা, ঠুকলি) লাইন (শাৰী, সঠিক দিশ, চুপতা-চুপতি), টেম্পাৰ (ফুটনি), মুড (ভাৱ, মনোভাৱ, খেয়াল খুচি) ইত্যাদি এনে কিছুমান শব্দ যাৰ অৰ্থবোধৰ বাবে প্ৰসঙ্গ (content) জনাটো আমাৰ অতিশয় প্ৰয়োজন হয়। যেনে — মুড (মুডত = ভাৱাবেগত) আছে বুঢ়াটো, তাইৰ মুড (= খেয়াল - খুচি) ভাল নহয়, পঢ়াৰ মুড (= পঢ়াৰ প্ৰতি ধান্দা / ধ্যান) নাই, কি মুডত (= মতলবত / ধান্দাত) আহিছে একো ইয়ত্তা নাই, মানুহজন বৰ মুডী (= মতলবী / ধান্দাবাজী) ইত্যাদি। বিশেষণ আৰু ক্ৰিয়া বিশেষণ শব্দৰ ক্ষেত্ৰতো এই প্ৰৱণতা লক্ষ্য কৰিবলগীয়া পগলা বা বলিয়াৰ পৰিবৰ্তে পাগল : তাৰ নামত সব পাগল সামান্য, নিচেই, তেনেই, কম আদিৰ ঠাইত হিন্দী কমতি আপুনিও কমতি মাহনু নহয় দক, সি কমতি মানুহ / বা সেই মাথা পাগলটোৱে কি যে কয়, জিনিছ নহয় দেই, বা মামুলী মোক মামুলী বস্তু বুলি ভাবিছা নেকি? মামুলী কথাত সি তাইক ডাইভৰ্ছ কৰা নাই; অইন, পৃথক, ভিন্ন আদিৰ ঠাইত সমাৰ্থক বেলেগ আজি বেলেগ খেলিছে দেই; একেবাৰে, মুঠেই আদিৰ পৰিবৰ্তে হিন্দী একদম একদম শেষ (ছেহ) / বৰবাদ কৰি দিলি, একদম বৰ / কামোৰ বেই, আবে একদম বাংলাদেশ / দৰঙা মেলাত চাটাই কৰিম; খুব, অতি, বৰ আদি অৰ্থত হিন্দী কমছে কম ইয়াত কিনিলে কমছে কম অৰ্থাৎ নাই নাই বুলিলেও / অতিকমেও পাঁচ হাজাৰ পৰিল হয়; তুমি মোকতো কমছে কম অৰ্থাৎ আন একো নহ'লেও খবৰ এটা দিব পাৰা, কমছে কম অৰ্থাৎ আন কাকো নহ'লেও মোকতো জনাব লাগে; সকলো, আটাইখিনি, সমস্ত অৰ্থত হিন্দী সবঃ সব বৰবাদ কৰি দিলি, সব কথা বাদ দে আজিকালিতো সবেই মাল খায়, সবজান্তা হ'ব নালাগে, তাইয়ে মোৰ সব (= সৰ্বস্ব) আছিল, মইতো সবখিনি ক'লোৱেই; ইত্যাদি এনে কিছুমান অবাচীন কালত প্ৰচলিত বাক্‌ভংগী। সেইদৰে কিছুমান ধাতু বা সংযুক্ত ধাতুৰো এইদৰে প্ৰয়োগ আছে। হিন্দী/বাংলাঃ বনা ধাতুই অসমীয়াত সম্প্ৰতি কেবাটিও অৰ্থত প্ৰয়োগ হৈ আহিছে। যেনে — সজোৱা/ তৈয়াৰ কৰা অৰ্থতঃ কি ঘৰ বনাইছানো?

**প্ৰস্তুত কৰা অৰ্থত** : বিল বনাব লাগে, প্ৰজেক্ট বনাইছোঁ, ফিল্ম বনাইছোঁ।

**গোঁঠা অৰ্থত** : চুৰেটোৰ বনাইছোঁ, ফুলৰ মালা বনাইছে।

**ভজা, ৰন্ধা, কৰা অৰ্থত** : চাহ বনাবি, ভাত বনোৱা - কামটো আমাৰ নেকি? চিকেন বনাইছোঁ, আমৰ আচাৰ বনালোঁ, পিঠা বনাব নাজানে।

**মেৰামতি কৰা অৰ্থত** : বেটাৰী বনাবা লাগিব, ইঞ্জিন ৰানওঁতে বহুত পৰিব।

**পাতি লোৱা অৰ্থত** : গালি / বয় ফ্ৰেণ্ড বনাইছোঁ, পাটনাৰ বনাইছোঁ।

**শাস্তি দি দমন কৰ** : তাক ঠিক বনাই দে বেই।

**তুলি তালি ডাঙৰ কৰা অৰ্থত** : মানুহ বনালে, শুনক শুনক লাইফ / জিন্দিগী বনাওক।

সেইদৰে কাটি খা, লাইন মাৰ, মস্তিকৰ, লেবেল দেখা/মাৰ, টেমা গৰম হ / চুটি যা, ফালি দি, বেছি কৰ্, বোম্বা / বাঁহ দি, বেল্টি খাই যা, গেৰা মাৰ, মাথা মাৰ, কেচকাল (কাজিয়া) জেংকৰ, খালাচ/খতম/ফিনিচ কৰ, টাইম পাছ কৰ, লেংমাৰ, দম চুটি যা, খাৰা কৰ, ইত্যাদি। ফিটিং কৰ্, পাল্টি যা, সেইদৰে লাচু, লাফাংগা, বোতলা ঝাকাছ, বিন্দাছ, চালিয়া, এইৰা, ঘৌৰা, মাইকালাল, য়াৰ, গুৰু, ছালা ছালী, ৰিকি (ৰিক্সা), ছন (নৰাগত), আঙ্কল, আণ্টি, ডেডী/পাপা, মামী হাই, বাইবাই, টাটা, প্লিছ, অকেবাবা (হ'ব দিয়া), ন প্ৰব্লেম, অ মাইগড, এনাফ, কামঅন, গেট আউট্, মাই ফুট, ঠিক আছে (ok), হা-না কিবা এটা ক ইত্যাদি।

সমকালীন অসমীয়া বাক্‌ভংগীত কথাই প্ৰতি মাৰ গুলি, গুলিমাৰ, তাৰ নাম নাজানো, ইয়ে কৰে, বেছি কৰে, ঘোৰা ঘাছ কাটিছা, মাথা মাৰা, বাদ দে, ৰাতাবাতি, ফাটা ফাটি, ফালা-ফালি, মালেমাল/মালামাল, গৰমাগৰম, ছাফ ছাফ, ছামনা ছামনি, জোটোৰ-পোটোৰ (খেলি-মেলি), হাই-ফাই, ফিট-ফাট, টিপটপ, ফায়াৰ (গৰম, মুড বেয়া), দাদাগিৰি, দেমাকি, উল্টা-পুল্টা, (ওলট-পালট), যি-তি (যেই-সেই) যা-তা (কিবা-কিবি), ফাল্টু কাৰবাৰ, একদম বাজে ইত্যাদি। শব্দগুচ্ছ বা বাক্যাংশৰ সমাহাৰ সততে মনকৰিব লগীয়া।

এনে বাক্‌ভংগী প্ৰয়োগ কৰিব নাজানিলে নিজকে মান্ধাতা যুগীয়া অৰ্থাৎ out dated ন বাক্‌ভংগীৰ প্ৰতি কিছু হ'লেও জ্ঞান থকাটো আৰু পৰিস্থিতি অনুসাৰে ইবিলাক কিছু হ'লেও আপুনিও প্ৰয়োগ কৰিব জনাটো অত্যন্ত দৰকাৰী হৈ পৰিছে।

পাদটীকা :

১. "ক্ৰাইষ্টেলৰ মতে বাক্‌-ভংগী (discourse) হ'ল — "A term used in linguistics to refer to a continuos stretch of (especially spoken) language larger than a sentence but, wittin this broad notion, several different application may be found. At its most general, a discourse is a behavioural unit which has a pre-theorical status in linguistics it is a set of utterances which conotitute any

recognisable speech event (no reference being made its linguistic structuring, if any), e.g. a conuorsation, a joke, a sermon, an interview. A classification of discourse functions, with particular reference to type of subject matter, the situation, and the behaviour of the speaker, is often carried out in socio linguistic studies (of primitive societies, in particular), e.g. distinguishing dialogues viz. monologues, or (more specifically) oratory, ritual, insults, narrative, and so on. (Crystal, D. : A Dictionary of linguistics & phonetics, P. 96).

২. বাক্যস্তৰৰ উক্তি বা ভাষাৰ গাঠনিক দিশক বাক্-ভংগীৰ গাঠনি (Discourse structure) বুলি চিহ্নিত কৰি সমাজ ভাষা বিজ্ঞানী হাড্‌চনে বাৰ্তা ঘূৰ্ণন (turns) আৰু নিকটস্থ ফুটী (adjacency pairs) সম্পৰ্কে এইদৰে বিশ্লেষণ আগবঢ়াইছে — "One kind of structure is based on the people take turns at speaking in most kinds of interaction, so that speech is divided up into separate stretches spoken by different speakers, In studying this aspect of discourse one can ask questions such as whether 'turns' are taken strictly in sequence or overlap one another, how speakers show that they are about to finish speaking, how listeners show that they would like to start, who decides who should speak next, who does most of the talking, who speaks to whom and so on. The work on this aspect of discourse has mostly done either by social psychologists interested in group dynamics, or by sociologists of th 'conuersation Analysis school. research has shown that turn-taking is a very highly skilled activity indeed. As we shall see, it involkes many kinds of behaviour as well as speech (for example, exe-movements), all of which are coordinated with split-second timing and veacted to with great accuracy by other participants. One particular type of turn taking structure is characterised by adjacency pairs a type of utterance by one speaker which requires a particular type of utterance by another. The most abvious adjaceny pair is a sequence of question followed by answer, but there are many others, such as greating greeting, complaint + apology, summons answer, invitation acceptance and so on." (Hudson, H.A. : social inguistics, 2003, P. 134).

৩. পৰীক্ষামূলক ভাৱে লেখকে স্থানান্তৰত এই বৰণৰ বাকভংগীৰে এলানি ব্যাঙ্গৰচনা ৰচিত কৰিছে।

দ্ৰষ্টব্য : ক) 'অসমীয়াক কি নালাগে সকলোৱেইতো লাগে' বিস্ময়, নবেম্বৰ, ২০০৫।

খ) 'অসমীয়াই কি নামাৰে, সবকে মাৰে', বিস্ময়, ফেব্ৰুৱাৰী, ২০০৬।

গ) 'অসমীয়া কি ফুল চুৰ কৰিব নাপায়; বাৰ্তাপখিলী, (বসন্ত সাহিত্য সম্ভাৰ), এপ্ৰিল, ০৭।

(ড° ৰাভা হাকাচাম প্ৰাক্তন ছাত্ৰ, বৰ্ত্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰীডাৰ)

# দুধনৈ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ পূৰ্বাভাষ

শ্ৰী অমূল্য ৰায়

দুধনৈ মহাবিদ্যালয় কৰ্তৃপক্ষই পলমকৈ হলেও এইবেলি মহাবিদ্যালয়ৰ "ৰূপালী জয়ন্তী" পাতিবলৈ লোৱাতআমি সন্তোষ পাইছো। এই উপলক্ষে ৰূপালী জয়ন্তী উদ্‌যাপন কমিটিৰ কেই গৰাকী মান বিষয়-ববীয়াই দুধনৈ মহাবিদ্যালয় প্ৰস্তুতিৰ পূৰ্বাভাষ সম্বন্ধে এটি বিৱৰণ লিখিবলৈ মোৰ ওপৰত দায়িত্ব অৰ্পণ কৰে। মোৰ লিখা মেলাৰ অভ্যাস নেথাকিলেও মহান অনুষ্ঠানটোৰ প্ৰতি গুৰুত্ব আৰোপ কৰি অসাৰুৱা ভাষাৰে — যি সকল শিক্ষানুৰাকী ব্যক্তিয়ে অক্লান্ত পৰিশ্ৰম আৰু ত্যাগ স্বীকাৰ কৰি দুধনৈ মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰিলে — স্মৃতিৰপটত হেৰাই যাব ধৰা সেই মহান ব্যক্তি সকলক শ্ৰদ্ধাৰে সুঁৱৰি কলেজ প্ৰস্তুতিৰ পূৰ্বাভাষৰ বিষয়ে এই চমু বিৱৰণ লিখিবলৈ প্ৰয়াস কৰিলোঁ। অনিচ্ছাকৃত ভুল বা কোনো মহাশয় ব্যক্তিৰ নাম লিখনিত বাদ পৰিলে ক্ষমা প্ৰাৰ্থনীয়। এই লিখনিটো যুগুত কৰোতে কলেজ প্ৰস্তুতি কমিটিৰ সৈতে নিবিড়ভাৱে জড়িত থকা শ্ৰীপবিত্ৰ কুমাৰ সৰকাৰে তথ্যপাতি দি সহায় কৰা কাৰণে তেখেতলৈ কৃতজ্ঞতা থাকিল।

দুধনৈত এখন মহাবিদ্যালয় প্ৰতিষ্ঠাৰ কল্পনা কৰা হয় ৪৫ বছৰৰ আগৰ পৰা। ১৯৫৫ চনত দুধনৈ হাইস্কুল আৰু ১৯৬৪ চনত দুধনৈ ছোৱালী হাইস্কুল প্ৰতিষ্ঠা হোৱাৰ পিছত তেতিয়াৰ বিধায়ক হাকিম চন্দ্ৰ ৰাভাৰ নেতৃত্বত কেইগৰাকীমান শিক্ষানুৰাগী ব্যক্তিয়ে গোৱালপাৰা চহৰৰ বাহিৰে দক্ষিণ গোৱালপাৰাত এখনো কলেজ নথকাত দুধনৈত এখন কলেজ পতাৰ বাবে চিন্তা-চৰ্চা কৰিবলৈ আৰম্ভ কৰে। সেই সময়তে হাফলং কলেজত প্ৰবক্তা হৈ থকা দহেলা নিবাসী তৰুণ খাখলাৰীও দুধনৈত এখন কলেজ গঢ়াৰ সপোন দেখি দুধনৈৰ কিছুমান মুখীয়াল ব্যক্তিৰ লগত চিঠি-পত্ৰৰ দ্বাৰা আদান-প্ৰদান কৰে। সেই দৰেই হয়তো কিছু ব্যক্তিয়ে তেখেতক সেই বিষয়ত উৎসাহ দিয়াত তেখেত হাফলং কলেজ এৰি আহি দুধনৈত কলেজ এখন গঢ়াৰ কামত আত্মনিয়োগ কৰিবলৈ সিদ্ধান্ত লয়। দুধনৈৰ বিশেষ-বিশেষ ব্যক্তি কিছুমানৰ লগত আলাপ-আলোচনাৰ মাধ্যমেদি ১৯৬৪ চনৰ জানুৱাৰী মাহৰ এটা দিনত দুধনৈত এখন বিৰাট ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। সভাত সভাপতিত্ব কৰে বিধায়ক হাকিম চন্দ্ৰ ৰাভাই। উক্ত সভাত পূবে ধূপধৰা, পশ্চিমে কৃষ্ণাই, উত্তৰে দলগোমা আৰু দক্ষিণে নিশান গ্ৰাম এই বৃহৎ এলেকাৰ পৰা প্ৰতিনিধি উপস্থিত হয়। সভাত আলোচনা ও উপস্থিত ৰাইজৰ পৰামৰ্শক্ৰমে দুধনৈত এখন কলেজ প্ৰতিষ্ঠাৰ সিদ্ধান্ত কৰি বিধায়ক হাকিম ৰাভাক সভাপতি, তৰুণ খাখলাৰীক সম্পাদক, শ্ৰীপবিত্ৰ কুমাৰ সৰকাৰ আৰু শ্ৰী অমূল্য ৰায়ক যুটীয়া সহঃসম্পাদক হিচাপে লৈ ৩ জনীয়া সদস্যৰে দুধনৈ কলেজ প্ৰস্তুতি এড্‌হক কমিটি এখন গঠন কৰা হয়। এই প্ৰস্তুতি কমিটিখনে কলেজৰ প্ৰচাৰ ও প্ৰস্তাৱনাৰ দিশত আগবাঢ়ি যায়।

পুজি সংগ্ৰহৰ পদক্ষেপ — ১৯৬৪ চনত গঠন হোৱা প্ৰস্তাৱিত দুধনৈ কলেজ প্ৰস্তুতি কমিটিখনে ১৯৬৫ চনৰ পৰা পুজি সংগ্ৰহৰ কামত অগ্ৰসৰ হয়। এই সন্দৰ্ভত শিমলী তলা, ধূপধৰা, কৃষ্ণাই আদি বিভিন্ন ঠাইত পুজি সংগ্ৰহৰ বাবে শাখা কমিটি গঠন কৰা হয়। উল্লেখনীয় যে সেই সময়ত দুধনৈত এখনো গাড়ী নাছিল। দুধনৈ হাইস্কুলৰ শিক্ষক শ্ৰীউদ্ধৱ চন্দ্ৰ নাথৰ এখন পুৰণিকলীয়া ওপৰত ছাল নথকা খোলা এম্বেছেদৰৰ দৰে কাৰ (Car) আছিল। যাৰ নাম দিয়া হৈছিল 'পংখীৰাজ'। উক্ত 'পংখীৰাজ' খনকে পুজি সংগ্ৰহ কমিটি গঠনৰ কামত ব্যৱহাৰ কৰা হৈছিল। গাড়ীখন শ্ৰীউদ্ধৱ চন্দ্ৰ নাথে নিজে চলাই আমাক লৈ গৈছিল। এইদৰে ঠায়ে ঠায়ে পুজি সংগ্ৰহ কমিটি গঠনৰ জৰিয়তে কলেজ প্ৰস্তুতিৰ প্ৰচাৰহে কৰা হৈছিল। — অৰ্থ সংগ্ৰহ তেনেকৈ হোৱা নাছিল। ১৯৬৫ চনৰ নৱেম্বৰ মাহত দুধনৈ 'নৱৰূপ সংঘ'ৰ সৌজন্যত পাঠশালাৰ 'অসম নটবাণী নাট্য সমাজ' নামৰ নাট্য গোষ্ঠী আৰু ডিচেম্বৰ মাহত কলিকতাৰ নিউ ৰয়েল বীণা-পাণি অপেৰাৰ দ্বাৰা প্ৰস্তাৱিত দুধনৈ মহাবিদ্যালয়ৰ সাহায্যাৰ্থে নাট প্ৰদৰ্শনৰ ব্যৱস্থা কৰি কলেজৰ বহুল প্ৰচাৰৰ লগতে কিছু অৰ্থ সংগ্ৰহ কৰি ৬০১ টকা কলেজ পুজিলৈ আগবঢ়োৱা হয়। তেতিয়া নৱৰূপ সংঘৰ সভাপতি ৰামেশ্বৰ ডেকা, (School S.I.) সম্পাদক শ্ৰীপবিত্ৰ কুমাৰ সৰকাৰ আৰু সহঃসম্পাদক শ্ৰীঅমূল্য ৰায় আছিল। পুনৰ ১৯৬৬ চনত নৱৰূপ সংঘৰ সৌজন্যত প্ৰস্তাৱিত দুধনৈ কলেজৰ সাহায্যাৰ্থে পাঠশালাৰ শ্ৰীঅচ্যুত লহকৰৰ প্ৰযোজনাত ১৯৬২ চনত জন্ম লাভ কৰা অসমৰ একমাত্ৰ প্ৰথম ভ্ৰাম্যমান থিয়েটাৰ " নটৰাজ থিয়েটাৰ'ৰ নাট প্ৰদৰ্শন অনুষ্ঠিত কৰা হয়। এই প্ৰদৰ্শনীৰ পৰা সংগ্ৰহ হয় ৩০০০/- টকা কলেজ পুজিলৈ আগবঢ়োৱা হয়। নটবাণী আৰু বীণাপাণি থিয়েটাৰ প্ৰদৰ্শনীৰ পৰাও ৩৬০১/- টকা জমা দিয়ে। ইয়াৰ পিছতে ৰাজনৈতিক পাকচক্ৰত কলেজ প্ৰস্তুতিৰ গতি কিছু মন্থৰ হৈ পাৰে। তৰুণ খাখলাৰীয়ে চিলং কলেজৰ চাকৰি বাদ দি আহি দুধনৈত কলেজ প্ৰস্তুতি কৰিবলৈ লোৱাত তেখেতৰ আৰ্থিক সমস্যাৰ জোৰা মাৰিবলৈ ৰাইজে তেওঁক নতুনকৈ স্থাপিত হোৱা দুধনৈ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষকৰ দায়িত্বও দিলে।

এফালে প্রস্তাৱিত কলেজৰ দায়িত্ব আৰু আনফালে নতুনকৈ গঢ়িব লগা ছোৱালী হাইস্কুলখনৰ দায়িত্ব। দুখনকৈ নতুন অনুষ্ঠানৰ দায়িত্ব বহন কৰাত খাখলাৰীৰ বেছ অসুবিধা হৈছিল আৰু কিছু খেলি-মেলিও হৈছিল। সেয়ে ছোৱালী হাইস্কুল কমিটিয়ে তেখেতক প্ৰধান শিক্ষকৰ দায়িত্বৰ পৰা অব্যাহতি দিয়ে। তেতিয়া তেওঁ দহেলাত নতুনকৈ প্ৰতিষ্ঠা হোৱা মাজ জাখিলী হাইস্কুলত প্ৰধান শিক্ষক হিচাপে যোগদান কৰে। এনে পৰিস্থিতিত প্ৰস্তাৱিত দুধনৈ কলেজৰ প্ৰস্তুতিৰ কাম কৰাত তেওঁৰ মানসিক প্ৰস্তুতিত ব্যাঘাত আহি পৰে।

সেয়ে ১৯৬৭ চনত কলেজ কমিটিৰ সভাপতি হাকিম চন্দ্ৰ ৰাভাই সভাপতি পদৰ পৰা অব্যাহতি লয় আৰু নৱ নিৰ্বাচিত বিধায়ক শৰৎ ৰাভাক (C.P.I) সভাপতি আৰু তৰুণ খাখলাৰীক সম্পাদক হিচাপে লৈ কলেজ কমিটিখন পৰিবৰ্তন কৰা হয়। এইখন কমিটিয়ে কলেজ প্ৰস্তুতিৰ কোনো কামেই কৰিব নোৱাৰিলে। সভাপতি আৰু সম্পাদকৰ মাজত সম্ভাৱ নথকাত কলেজ প্ৰস্তুতিৰ গতি প্ৰায় বন্ধ হবৰ উপক্ৰম হয়। কিন্তু দুধনৈ অঞ্চলৰ ৰাইজ হতাশ নহল। দুধনৈ তথা থেকাচু মৌজাই মাৰবান্ধি ওলাই আহিল — কলেজ প্ৰতিষ্ঠাৰ ব্যৱস্থা কৰিবলৈ। ১৯৬৯ চনত থেকাচু মৌজা কমিটিৰ আহ্বানত শ্ৰী খেলাৰাম মন্দিৰ প্ৰাঙ্গনত দুধনৈ অঞ্চলৰ এখন বিৰাট ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে থেকাচু মৌজাৰ সভাপতি পূজাৰু ৰাম ৰাভাই। উক্ত সভাতে ফফল নিবাসী বাখাৰু ৰাম ৰায়ক সভাপতি আৰু দুধনৈৰ স্থানীয় থানেশ্বৰ ৰায় এম, এ, বিটি ক (তেতিয়া তেওঁ দৰংগিৰিত ঘৰ কৰি দৰংগিৰি হাইস্কুলত প্ৰধান শিক্ষক হৈ আছিল) সম্পাদক আৰু দুধনৈ হাইস্কুলৰ শিক্ষক সুসান্ত কুমাৰ বেনাৰ্জি আৰু জগদীশ খাখলাৰীক সহঃ সম্পাদক হিচাপে লৈ কলেজ কমিটিখন পুনৰ গঠন কৰা হয়। এইখন কমিটিৰ তৎপৰতাত নতুন উৎসাহেৰে পুজি সংগ্ৰহৰ অভিযান আৰম্ভ কৰা হয়। উক্ত পুজি সংগ্ৰহ অভিযানত দুধনৈৰ প্ৰথম বিধায়ক খাৰাৰ মনিশংকৰ বসুমতাৰী (১৯৪৮-৫২ লৈ বিধায়ক) ৰ যোগদানে কমিটিখনে পূৰ্ণোদ্যমে আগবাঢ়ি যোৱাত সহায়ক হয়। এইখন কমিটিয়ে দুধনৈ অঞ্চলকে ধৰি বিভিন্ন গাঁৱত ঘৰে ঘৰে গৈ পুজি সংগ্ৰহ কৰি কলেজ প্ৰস্তুতিৰ জাগৰণ গঢ়ি তুলিবলৈ সক্ষম হয়। এনেদৰে ৭০-৭১ চনৰ ভিতৰত কলেজৰ পুজি কিছু টনকীয়াল হয়। এনেদৰে থানেশ্বৰ ৰায় কেন্দ্ৰীয় বিদ্যালয়ৰ অধ্যক্ষ পদত নিযুক্তি পোৱাত যাব লগা হয়। তেতিয়া হাকিম চন্দ্ৰ ৰাভাক সম্পাদকৰ দায়িত্ব দিয়া হয়। ইতিমধ্যে ১৯৭২ চনত শ্ৰীমতী আনন্দী বালা ৰাভা বিধায়িকা নিৰ্বাচিত হোৱাত কলেজ প্ৰস্তুতি কমিটিখন আৰু শক্তিশালী হয়। সেয়ে কমিটিখনে ১৯৭২ চনৰ ভিতৰত কলেজ স্থাপন কৰিবলৈ সংকল্প বদ্ধ হয়। সেইমতে বিভাগীয় কৰ্তৃপক্ষৰ পৰা কলেজ খোলাৰ অনুমতিৰ বাবে যাবতীয় ব্যৱস্থা গ্ৰহণ কৰে। কলেজ স্থাপনৰ অনুমতিৰ বাবে প্ৰয়োজনীয় জমি আৰু পুজিৰ ব্যৱস্থা কৰি বিশ্ববিদ্যালয়ৰ পৰা অনুমতি পাবলৈ সক্ষম হয়। প্ৰকাশ থাকে যে প্ৰয়োজনীয় পৰিমাণৰ পুজি সংগ্ৰহ নোহোৱাত স্থানীয় সৰবৰহী ব্যৱসায়ী শ্ৰীচান্দমল জৈনৰ পৰা বাকীখিনি ধন সাময়িকভাৱে লোৱা হয়। ইয়াৰ কাৰণে তেখেতলৈ ধন্যবাদ দিয়াৰ লগতে কমিটিখনে কৃতজ্ঞ হৈ থাকিব। অনুমতিৰ বাবে যোৱা সজাতী দলত আছিল বাখাৰু ৰাম ৰায়, হাকিম চন্দ্ৰ ৰাভা, শ্ৰীমতী আনন্দী ৰাভা, মনিশংকৰ বসুমতাৰী, নৰেণ খাখলাৰী, শ্ৰীপবিত্ৰ কুমাৰ সৰকাৰ, জগদীশ খাখলাৰী, সুসান্ত বেনাৰ্জি আদি।

এইদৰে নানা ঘাত-প্ৰতিঘাত, বাধা-বিঘিনী অতিক্ৰম কৰি ৰাইজৰ দান-বৰঙণি আৰু সহযোগিতাৰে ১৯৭২ চনত দুধনৈ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত অস্থায়ীভাৱে দুধনৈ কলেজখনৰ শ্ৰেণী আৰম্ভ কৰা হয়। সেই সময়ত দুধনৈ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষ আছিল এগৰাকী সৰবৰহী শিক্ষাবিদ নৰেন হাজৰিকা। তেখেতৰ সহযোগত উৰ্দ্ধতম কৰ্তৃপক্ষৰ অনুমোদন সাপেক্ষে বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত কলেজ আৰম্ভ কৰাৰ সুযোগ পোৱা হয়। লগতে অধ্যক্ষ নৰেন হাজৰিকায়ো কলেজত শিক্ষক হিচাবে পাঠদান কৰি কলেজ কমিটিক সহায় কৰিছিল। এইখিনি কাম কৰা কাৰণে হাজৰিকা ডাঙৰীয়াৰ ওচৰত কলেজ কমিটি চিৰ কৃতজ্ঞ।

দুধনৈ কলেজখন প্ৰতিষ্ঠা হোৱাৰ পিছতে বাখাৰু ৰাম ৰায় সভাপতি পদৰ পৰা অব্যাহতি লয় আৰু তেখেতৰ ঠাইত প্ৰাক্তন বিধায়ক মনিশংকৰ বসুমতাৰীক সভাপতিৰ দায়িত্ব দিয়া হয়। কলেজখন ঘাটি মঞ্জুৰী নোপোৱালৈকে এইখন কমিটিয়ে কলেজখন পৰিচালনা কৰি আছিল।

কলেজৰ জমি —

দুধনৈ আৰু খাৰা গাওঁৰ মাজত 'মোৱামাৰী' বুলি ধেনুভিৰীয়াকৈ থকা বিলখনক লৈ (বৰ্তমান কলেজৰ পুখুৰী) ওখ ঠাই ডোখৰ য'ত দুধনৈ ছোৱালী হাইস্কুল পতাৰ বাবে ৰাইজে সিদ্ধান্ত কৰি কিছু ফাউণ্ডেচনৰ কামো কৰিছিল, আলাপ আলোচনাৰ মাজেৰে সেই ঠাই ডোখৰকে কলেজ কমিটিক হস্তান্তৰ কৰা হয়। লগতে ওচৰতে থকা ১৯৬৪ চনত বাংলাদেশী ভগনীয়া সকলক স্থাপন কৰা ঠাইখিনিকো চৰকাৰৰ দ্বাৰা উচ্ছেদ কৰাই কলেজৰ নামত পট্টন পোৱা হয়। গোটেই জমি ডোখৰ কমিটিয়ে চাফাই কৰি মৰাপাট, আহুধান, সৰিয়হ, গম আদি আধিয়াৰ ব্যৱস্থাৰে খেতি কৰি বহুখিনি ধন সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। আধিয়াৰী খেতি কৰি কলেজক ধন দিয়া সকল আছিল — খাৰাৰ প্ৰভাত পাটগিৰি, কমলেশ্বৰ খাখলাৰী শিয়ালমাৰীৰ কিৰণ দৈমাৰী আদি। ইয়াৰ বাহিৰেও উক্ত ব্যক্তি সকলৰ প্ৰচেষ্টাত বিশেষকৈ কিৰণ দৈমাৰীৰ সহায়ত কলেজৰ প্ৰথম নিৰ্মাণ কৰা ঘৰটোৰ সকলোখিনি শালকাঠ নিজৰ মানুহ আৰু মহৰ গাড়ীৰে টানি আনি কৰতীয়া মিস্ত্ৰীৰে ফালি দি অশেষ শ্ৰম কৰি যি কাৰ্য সম্পাদন কৰিলে সেই অপূৰণীয় অৱদানৰ বিষয়ে আজি বহুতৰে অজ্ঞাত। সেই সময়ৰ দুধনৈৰ ফৰেষ্টাৰ শৰৎ দাসৰো এই ক্ষেত্ৰত বহুতো অৱদান আছে। তেওঁ নিজে ট্ৰাকত উঠি শালনিৰ পৰা শালকাঠআনি দি কমিটিক যথেষ্ট সহায় কৰিছিল। সেয়ে ব্যক্তি গৰাকীৰ অৱদান চিৰস্মৰণীয় হৈ ৰব।

কলেজ পুজি সংগ্ৰহ সপ্তাহ —

দুধনৈ কলেজখন ঘাটি-মঞ্জুৰী প্ৰাপ্ত নোহোৱালৈকে পৰিচালনা কৰাৰ ক্ষেত্ৰত আৰ্থিকভাৱে যথেষ্ট কষ্ট পোৱা হৈছিল। এই অৰ্থ সংকটৰ জোৰা মাৰিবলৈ কমিটিয়ে আলাপ আলোচনাৰ মাধ্যমেৰে কলেজ পুজি সংগ্ৰহ

সপ্তাহ যোগে অৰ্থ সংগ্ৰহৰ সিদ্ধান্ত গ্ৰহণ কৰি এখন সংগ্ৰাহক কমিটি (Collection Committee) গঠন কৰা হয়। শ্ৰীপবিত্ৰ কুমাৰ সৰকাৰক এই কমিটিৰ সম্পাদকৰ দায়িত্ব দিয়া হয়। তেখেতৰ সবল নেতৃত্বৰ পৰিচালনাত ১৯৭৩ চনৰ ২৭ জানুৱাৰীৰ পৰা ৩ ফেব্ৰুৱাৰীলৈ সপ্তাহ জোৰা পুজি সংগ্ৰহ অভিযান চলোৱা হৈছিল। এই পুজি সংগ্ৰহ সপ্তাহত দুধনৈ কলেজৰ শিক্ষক-ছাত্ৰ-ছাত্ৰী, দুধনৈ হাইস্কুলৰ শিক্ষক ও নৱম তথা দশম শ্ৰেণীৰ ছাত্ৰ, দুধনৈ ছোৱালী হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী তথা শুভাকাংখী ৰাইজ ওতঃপ্ৰোত ভাবে জড়িত হৈ সকলো প্ৰকাৰৰ সহায় সহযোগিতা আগবঢ়াইছিল। ছাত্ৰ সকলক কেবাটাও দলত বিভক্ত কৰি একোজন শিক্ষকৰ তত্ত্বাৱধানত দুধনৈ সমষ্টিৰ বিভিন্ন গাঁৱে গাঁৱে শিবিৰ পাতি ধান ও টকা সংগ্ৰহ কৰিবলৈ দিয়া হৈছিল। এইদৰে শিক্ষক-ছাত্ৰ আৰু ৰাইজৰ সহযোগত অশেষ কষ্ট কৰি এসপ্তাহ জোৰা সংগ্ৰহ কৰি সংগ্ৰীহিত টকা পুজি সংগ্ৰাহক কমিটিৰ সম্পাদক শ্ৰী পবিত্ৰ কুমাৰ সৰকাৰে সভাপতি মণিশংকৰ বসুমতাৰীৰ হাতত কলেজ পুজিলৈ ৭,৩৯২ টকা আৰু সংগ্ৰীহিতধান বিক্ৰী কৰি ৫,৬৫০ টকা জমা দিয়া হয়। উক্ত কলেজ সপ্তাহৰ কেইদিন কাৰ্যসূচী যুগুত কৰাকে আদি কৰি পুজি সংগ্ৰহ সপ্তাহৰ সকলো কাম নিয়াৰীকৈ সম্পাদন কৰাত সহায় কৰিছিল কলেজৰ সহঃ সম্পাদক সুশান্ত কুমাৰ বেনাৰ্জি আৰু কাৰ্যালয় সহায়ক হিচাবে দিনে নিশাই সহায় কৰিছিল শ্ৰী চিত্তৰঞ্জন ৰায় আৰু শ্ৰী গীতাশ্ৰী সৰকাৰে। তেওঁলোক এই ত্যাগ আৰু সেৱাৰ বাবে ধন্যবাদৰ পাত্ৰ। লগতে উক্ত সপ্তাহৰ কেইদিন সম্পাদক শ্ৰীসৰকাৰে যি নিষ্ঠা আৰু সততাৰে নিজৰ পৰিয়ালৰ লগতে ঘৰৰ কাম কৰা লগুৱা আৰু নিজৰ ট্ৰেইলাৰযুক্ত ট্ৰেক্টৰেৰে সংগ্ৰীহিত ধান কঢ়িয়াই আনি কলেজলৈ যি অপৰিসীম সেৱা আগবঢ়ালে তাৰ বাবে কলেজ কমিটি তেওঁৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'ব।

Coaching Foroum ——

দুধনৈ কলেজ প্ৰতিষ্ঠা হোৱাৰ আগতে কেইগৰাকীমান শিক্ষানুৰাগী ব্যক্তিয়ে ১৯৬৯ চনত এটা coaching Foroum গঠন কৰি Private matric candidate ৰ লগতে এটা P.U.C. ৰ ক্লাচ আৰম্ভ কৰা হৈছিল দুধনৈ হাইস্কুলত। এই Coaching Foroum ৰ সভাপতি আৰু সম্পাদক আছিল ক্ৰমে তৰুণ খাখলাৰী আৰু শ্ৰীকেশৱ চন্দ্ৰ ৰায়। Coaching Foroum ৰ শিক্ষাদানত সহায় কৰিছিল ৰাজেন ৰাভা, তৰুণ খাখলাৰী শ্ৰীপ্ৰতুল চক্ৰবৰ্ত্তী, সুশান্ত কুমাৰ বেনাৰ্জি, শ্ৰীকেশৱ চন্দ্ৰ ৰায়, শ্ৰীঅনিল দাস আদি শিক্ষক সকলে। এই ফৰামৰ যোগেদি Private Candidate হিচাপে P.U.C. পৰীক্ষা দি দুধনৈৰ শ্ৰীচিত্তৰঞ্জন ৰায় আৰু ফফলৰ প্ৰেমানন্দ ৰাভাই পাচ কৰে। সেয়ে এই Coaching Foroum কে দুধনৈ কলেজৰ সূচনা বুলি কব পাৰি যদিও এইখন কলেজ কমিটিৰ সৈতে জড়িত নাছিল।

প্ৰস্তাৱিত দুধনৈ কলেজ এড্‌হক কমিটিৰ সভাপতি / সম্পাদক সকলৰ তালিকা —

**১৯৬৪ চন :**

| | | |
|---|---|---|
| সভাপতি | : | হাকিম চন্দ্ৰ ৰাভা, বিধায়ক |
| সম্পাদক | : | তৰুণ খাখলাৰী |
| যুটীয়া সম্পাদক | : | শ্ৰী পবিত্ৰ কুমাৰ সৰকাৰ |

**১৯৬৭ চন :**

| | | |
|---|---|---|
| সভাপতি | : | শৰৎ ৰাভা, বিধায়ক |
| সম্পাদক | : | তৰুণ খাখলাৰী |

**১৯৬৯ চন :**

| | | |
|---|---|---|
| সভাপতি | : | বাখাৰু ৰাম ৰায় |
| সম্পাদক | : | থানেশ্বৰ ৰায় |
| সহঃ সম্পাদক | : | সুশান্ত কুমাৰ বেনাৰ্জি |

**১৯৭১ চন :**

| | | |
|---|---|---|
| সভাপতি | : | বাখাৰু ৰাম ৰায় |
| সম্পাদক | : | হাকিম চন্দ্ৰ ৰাভা |
| সহঃ সম্পাদক | : | সুশান্ত কুমাৰ বেনাৰ্জি |
| যুটীয়া সহ সম্পাদক | : | জগদীশ খাখলাৰী |

**১৯৭২ চন :**

| | | |
|---|---|---|
| সভাপতি | : | মণিশংকৰ বসুমতাৰী, প্ৰাক্তন বিধায়ক |
| সম্পাদক | : | হাকিম চন্দ্ৰ ৰাভা, প্ৰাক্তন বিধায়ক |
| সহঃ সম্পাদক | : | সুশান্ত কুমাৰ বেনাৰ্জি |

*(শ্ৰী ৰায় প্ৰাক্তন শিক্ষক দুধনৈ হাইস্কুল, সমাজসেৱক)*

# দুধনৈ মহাবিদ্যালয়ৰ বিজ্ঞান শাখা ঃ একটি অৱলোকন

তৰুণ চন্দ্ৰ চাংমাই

বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ জ্ঞান অবিহনে আজিৰ সমাজ এখোজো আগবাঢ়িব নোৱাৰে। বিজ্ঞান শিক্ষাই আজিৰ যুগত চূড়ান্ত শিখৰত উপনীত হোৱাৰ দিশত ধাৱমান হ'লেও পৃথিৱীৰ বহু মানৱ সমাজৰ পৰা এতিয়াও অন্ধবিশ্বাস আৰু কু-সংস্কাৰ আঁতৰ হোৱা নাই। ইয়াৰ মূল কাৰণ হ'ল বৈজ্ঞানিক চিন্তাধাৰা আৰু বিজ্ঞানৰ ন-ন আবিষ্কাৰ সম্পৰ্কে সৰ্বসাধাৰণ ৰাইজ সম্পূৰ্ণ ৰূপত এতিয়াও জ্ঞাত নহয়। আধুনিক সভ্যতা আৰু সমাজ গঢ়ি তোলাত বিজ্ঞানৰ অৱদান অনস্বীকাৰ্য। বিজ্ঞানৰ অগ্ৰগতিয়ে দ্ৰুতগতিত সমাজ পৰিবৰ্তন আনিবলৈ সক্ষম হৈছে।

দুধনৈ অঞ্চলৰ ৰাইজেও পৰিবৰ্তিত পৰিস্থিতিৰ লগত সামঞ্জস্য ৰাখি আগবাঢ়ি যাবৰ কাৰণে বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয়তাক উপলব্ধি কৰি দুধনৈ মহাবিদ্যালয়ত কলা শাখাৰ লগত বিজ্ঞান শাখা খোলাৰ কাৰণে মনস্থ কৰিলে আৰু ১৯৮৫ চনৰ শিক্ষাবৰ্ষৰ পৰাই আনুষ্ঠানিকভাবে বিজ্ঞান শাখাৰ প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণী (পিছলৈ উচ্চতৰ মাধ্যমিক শ্ৰেণী) আৰম্ভ হয়। যি সকল ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম আৰু আশা-শুধীয়া চেষ্টাৰ ফলত এই শাখাটিয়ে জন্মলাভ কৰিলে, তেখেতসকললৈ সশ্ৰদ্ধ প্ৰণাম নিবেদিছোঁ।

সেই সময়ত বৰ্তমানৰ গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত একমাত্ৰ গোৱালপাৰা মহাবিদ্যালয়ত বিজ্ঞান শিক্ষাৰ ব্যৱস্থা আছিল। বকোৰ পৰা মানকাচাৰলৈকে এক বৃহৎ অঞ্চলৰ ছাত্ৰ-ছাত্ৰী বিজ্ঞান শিক্ষা গ্ৰহণৰ কাৰণে গোৱালপাৰা মহাবিদ্যালয়লৈ আহিছিল। সীমিত আসন আৰু ব্যয়-বহুলতাই এই অঞ্চলৰ বিজ্ঞান শিক্ষাৰ অগ্ৰগতিত সমস্যাৰূপে দেখা দিছিল। দুধনৈ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাই এই সমস্যা কিছু উপশম ঘটাবলৈ সক্ষম হৈছে। অৱশ্যে উচ্চতৰ মাধ্যমিক শ্ৰেণী পৰ্যায়ৰ প্ৰাক কালত ক্ৰমে পি. আৰ. চৰকাৰী বহুমুখী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত, পৰৱৰ্তী কালত লক্ষীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত, দলগোমা আৰু জলেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শাখা চৰকাৰীভাৱে আৰম্ভ কৰিলে।

১৯৮৫ চনৰ এটি শুভ দিনতপাঠদানেৰে শুভাৰম্ভ কৰা দুধনৈ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাই আজি পূৰ্ণাঙ্গ ৰূপ পৰিগ্ৰহ কৰি ২৩ বছৰ অতিক্ৰম কৰিবৰ হ'ল। প্ৰাৰম্ভিক পৰ্যায়ত মহাবিদ্যালয়ত অংক বিভাগ, পৰিসংখ্যা, নৃতত্ব আৰু ভূগোল বিভাগ কলা বিভাগ থকাত কিছু সুবিধা হৈছিল। জানিব পৰা মতে অধ্যাপক অমৃত কলিতা, বীৰেণ ভূএগ্ৰা, ত্ৰৈলোক্য তালুকদাৰ আৰু কল্যাণ বৰুৱাদেৱে প্ৰথমে পাঠদান আৰম্ভ কৰিছিল। পিছলৈ গোৱালপাৰা মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক ড০ অৰুণ শৰ্মা আৰু ৰসায়ন বিজ্ঞান বিভাগৰ থানেশ্বৰ শৰ্মাদেৱৰ দ্বাৰা পাঠদান কৰোৱাৰ ব্যৱস্থা, মহাবিদ্যালয়ে কৰিছিল। বিজ্ঞান শাখাৰ প্ৰাককাল আৰু আৰম্ভণিৰ সমস্ত ঘটনাৱলী মোৰ জ্ঞাত নহয়। কাৰণ মই এই মহাবিদ্যালয়ত যোগদান কৰিছিলোঁ, ১৯৮৬ চনত। সেই সময়ৰ অধ্যক্ষ শ্ৰীযুত কৰুণাকান্ত ৰাভা আৰু উপাধ্যক্ষ শ্ৰীযুত ক্ষীৰোদ খাখলাৰীদেৱৰ পৰা সময়ে সময়ে জানি লোৱা কথাখিনিহে এই লিখনিত দাঙি ধৰা হৈছে। ইয়াত ভুল ক্ৰুটি বৈ যোৱাটো স্বাভাৱিক। মোৰ অজানিত ভুলৰ বাবে আগতীয়াকৈ ক্ষমা-ভিক্ষা মাগিছোঁ। প্ৰথম বৰ্ষত অমঞ্জুৰীকৃত পদত নিযুক্তি দিয়া প্ৰৱক্তাসকল আছিল ক্ৰমে পদাৰ্থ বিজ্ঞানত অজিত চাংকাকতি, ৰসায়ন বিজ্ঞানত দীন উজীৰ, উদ্ভিদ বিজ্ঞানত ড° সুৰেশ ডেকা আৰু প্ৰাণী বিজ্ঞানত বিনীতা তামুলী। প্ৰথমে নিযুক্তি দিয়া এগৰাকী প্ৰবক্তাও বৰ্তমান নাই। অজিত চাংকাকতি, দীন-উজীৰ আৰু মই কটন মহাবিদ্যালয়ৰ বৰ্তমানৰ কৃষ্ণকান্ত সন্দিকৈ আবাসত সহ আবাসী আছিলোঁ। তেওঁলোক দুয়োৱে মোতকৈ এবছৰ আগত স্নাতকোত্তৰ ডিগ্ৰী ললেও আমি ভাল বন্ধু আছিলোঁ। এইখিনিতে মই কেনেকৈ দুধনৈ মহাবিদ্যালয়ৰ প্ৰবক্তা হলো তাৰ এটি আভাস দিয়াৰ প্ৰয়োজন বোধ কৰিছোঁ।

১৯৮৬ চনৰ ১ নবেম্বৰত মই শিৱসাগৰৰ পৰা স্নাতকোত্তৰ ডিগ্ৰীৰ প্ৰমাণ পত্ৰ (provisional) লবৰ কাৰণে কটন মহাবিদ্যালয়লৈ আহি প্ৰাক্তন আবাসী হিচাবে পূৰ্বৰ আবাসলৈ আহোঁ। আবাসত থকা দুধনৈৰ নিবাসী ৰাজনীতি বিজ্ঞানৰ স্নাতকোত্তৰ শ্ৰেণীৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ শ্ৰীমান শান্তনু ৰায়ে (বৰ্তমান লক্ষীপুৰ মহাবিদ্যালয়ৰ প্ৰবক্তা) মোক কলে, চাংমাইদা, মই জনাত দুধনৈ মহাবিদ্যালয়ত প্ৰাণীবিজ্ঞান বিভাগৰ প্ৰবক্তা পদটি খালি হৈ আছে, আপুনি খবৰ কৰকচোন।' মই তেওঁৰ কথা শিৰোধাৰ্য কৰি সকলো ঠিকনা তেওঁৰ পৰা সংগ্ৰহ কৰি পিছদিনা পুৱাই মাছখোৱাৰ বাছত উঠি দুধনৈ অভিমুখে ৰাওনা হলোঁ। সেই দিনালৈকে পূজাৰ বন্ধ চলি আছিল; কিন্তু কাৰ্যালয় খোলা আছিল। দুধনৈত নামি মই এজন ব্যক্তিক দুধনৈ মহাবিদ্যালয়লৈ কোনফালে যাব পাৰি সুধিলোঁ। তেখেতে কলে মইও মহাবিদ্যালয়লৈ যাম, মোৰ লগতে বলক। আমি দুয়ো পৰিচয়

হলোঁ। এই ব্যক্তিজনেই শ্ৰীহেমেন ভকত। সিদিনা মহাবিদ্যালয়ত অধ্যক্ষ আৰু উপাধ্যক্ষ দুয়ো নাছিল। উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰবক্তা সুৰেশ ডেকাক লগ পালোঁ। ভকতে তেখেতৰ লগত মোক পৰিচয় কৰাই দিলে। মই চাংকাকতি আৰু উজীৰৰ কথা সোধাত সিদিনাই তেওঁলোক ঘৰৰ পৰা আহিব বুলি জনালে। কাৰণ পিছদিনাই শ্ৰেণীসমূহ পুনৰ আৰম্ভ হ'ব। তেখেত আৰু চাংকাকতি একেলগে নিউ দুধনৈৰ মাননীয় শ্ৰীউপেন কলিতা দেৱৰ ঘৰত ভাৰাতীয়া হিচাবে বসবাস কৰিছিল। ডেকাই মোক তালৈকে লগ ললে। দুয়ো খোজ কাঢ়ি নিউ দুধনৈ অভিমুখে ৰাওনা হলোঁ। ঠিক শান্তিপুৰৰ পৰা ওলাই অহা অৱস্থাত কলেজ ৰ'ডত অসমীয়া বিভাগৰ প্ৰবক্তা শ্ৰীহৰকুমাৰ নাথক লগ পালোঁ। তেখেতে ইয়াত যোগদান কৰাৰ কথা মই জনা নাছিলোঁ। মই মোৰ একালৰ পৰম বন্ধু এজনক লগ পাই নথৈ আনন্দিত হলোঁ। তেখেতে মোক অহাৰ কাৰণ সুধিলে আৰু মই বিৱৰি কলো। তেখেতে মোক সেই সময়ত খাবাৰ জলসিঞ্চন নলাৰ দাঁতিত ঘৰ-বাৰী কৰি মাতৃৰ সৈতে বসবাস কৰি থকা গৃহলৈ লৈ গ'ল। ডেকাক তেখেতসকলৰ তালৈ পিছবেলালৈ যোৱাৰ কথা কৈ বিদায় দিলোঁ। নাথৰ ঘৰত গা পা ধুই ভাত-পানী খাই পূৰ্বৰ স্মৃতি ৰোমন্থন কৰি মহাবিদ্যালয়ৰ ফালে অগ্ৰসৰ হৈ উপাধ্যক্ষ মহোদয়ৰ ঘৰত সোমালোঁ। মাননীয়া ৰীতা ৰায়চোধুৰী বাইদেৱে তেখেত এইমাত্ৰ গোৱালপাৰাৰ পৰা আহি মহাবিদ্যালয়লৈ গৈছে বুলি জানিবলৈ দিলে আৰু আমিও মহাবিদ্যালয়লৈ গৈ তেখেতক লগ ধৰি সবিশেষ জানি লৈ আবেদনখন দিলোঁ। তেখেতে জনোৱা মতে পৰিচালনা সমিতিয়ে পদ পুৰণ সম্পৰ্কত কোনো ধৰণৰ সিদ্ধান্ত এতিয়ালৈকে লোৱা নাই আৰু হয়তো বিজ্ঞাপন ওলাব পাৰে, আপুনি খবৰ ৰাখিব। আমি দুয়ো এইবাৰ তেখেতৰ পৰা বিদায় লৈ চাংকাকতিহঁতক লগ পোৱাৰ মানসেৰে নিউ দুধনৈলৈ ৰাওনা হলোঁ। ইতিমধ্যে উজীৰ আৰু চাংকাকতি আহি পাইছেহি। তেওঁলোকে মোক সেইদিনা ৰাতিটো তাত কটাবলৈ কোৱাত মইও ৰাজি হৈ থাকিবলৈ সিদ্ধন্তে ললোঁ। তেওঁলোকে মোক তাতে জিৰণি লবলৈ কৈ দীন উজীৰৰ কাৰণে ভাৰাঘৰ বিচাৰি গ'ল। সন্ধিয়া ঘুৰি আহি মোক জনালে যে, আপোনাৰ চাকৰি হৈ যাব পাৰে। মই বিশ্বাস কৰিবলৈ টান পালোঁ। কাৰণ স্বয়ং পৰিচালনা সমিতিৰ সম্পাদকে কোনো সিদ্ধান্ত লোৱা নাই বুলি কলে। তেনেস্থলত ক'ত হব পাৰে? পিছদিনা মই পুৱাই গুৱাহাটীলৈ আহিম। ৰাতিপুৱা আমি শুই উঠাৰ পিছত খাখলাৰী ছাৰ গৈ মই আলহী হৈ থকা চাংকাকতিহঁতৰ ভাৰাঘৰত উপস্থিত হৈ মোক সেইদিনটো থাকিবলৈ কলে। সেইদিনা সন্ধিয়ালৈ বিজ্ঞান শাখাৰ পৰিচালনা সমিতিৰ বৈঠক অনুষ্ঠিত হ'ব আৰু তাত কি সিদ্ধান্ত হয় আপুনি জানি যাওঁক। মই অলপ দোধোৰ মোধোৰ অৱস্থাত পৰিলোঁ। কাপোৰ-কানিও অনা নাই। গুৱাহাটীতে এৰি আহিলোঁ। যি কি নহওঁক সেইদিনাও থাকিলোঁ। পিছদিনা ৪/১১/৮৬ তাৰিখে মহাবিদ্যালয়ৰ নিয়মীয়া কাম -কাজৰ সময়ত মহাবিদ্যালয়ত উপস্থিত হলোঁ। উপাধ্যক্ষ মহোদয়ে মোক নিয়োগ পত্ৰ গ্ৰহণ কৰিবলৈ কলে। মই কেনেদৰে হতভম্ব, উৎফুল্লিত আৰু আনন্দিত হৈছিলোঁ তাক ভাষাৰে বুজাব নোৱাৰো। সেই দিনাই মোক যোগদান কৰিবলৈ তেখেতে কৈছিল। মই সেইদিনা নকৰি ১০/১১/৮৬ তাৰিখে যোগদান কৰাৰ কথা কৈ বিদায় লৈ ঘৰৰ অনুমতি সাপেক্ষে টালি-টোপোলা লৈ সেই তাৰিখত যোগদান কৰিলোঁ। সি সকল ব্যক্তিয়ে মোৰ নিয়োগৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়ালে তেখেতসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এইখিনিতে মই অন্য এটি স্মৰণীয় ঘটনাৰ কথা উল্লেখ কৰিব বিচাৰিছোঁ। বিজ্ঞান শাখা গঢ়ি তোলাৰ প্ৰধান খনিকৰ সমূহৰ ভিতৰত অন্যতম আছিল বৰ্ত্তমান প্ৰয়াত হাকিম চন্দ্ৰ ৰাভা (প্ৰাক্তন এম এল এ) আৰু মাননীয় শ্ৰীযুত পবিত্ৰ সৰকাৰদেৱ। তেখেতসকলৰ লগত পৰিচয় হৈ মই যেনেদৰে আনন্দিত হৈছিলোঁ ঠিক তেনেকৈ লজ্জিতও হৈছিলোঁ। তেখেতসকল দুয়ো স্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল শিৱসাগৰত। তেতিয়া প্ৰয়াত ভুৱন গগৈদেৱৰ নেতৃত্বত শিৱসাগৰ টেকনিকেল হাইস্কুলখন পৰিচালিত হৈছিল আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ অধীনত আছিল। এই কথা মই শিৱসাগৰৰ ল'ৰা হৈও তেখেতসকলৰ মুখেদিহে গম পাইছিলোঁ। ইয়াৰ আগতে জনা নাছিলোঁ। মই বৰ লজ্জিত হৈছিলোঁ। কাৰণ আমাৰ স্কুলীয়া শিক্ষা গ্ৰহণৰ দিনত টেকনিকেল স্কুলৰ নামটোৰ বাদে পূৰ্বৰ চৰিত্ৰ এটিও নাছিল। পূৰ্বতে এই স্কুলত অধ্যয়ন কৰিবলৈ দেশৰ বিভিন্ন ঠাইৰ পৰা ছাত্ৰ আহিছিল।

মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ শ্ৰীবৃদ্ধিৰ এটি দীঘলীয়া ইতিহাস আছে। ইয়াৰে সকলো কথা লিখা সম্ভৱ নহয়। যিখিনি কথা মোৰ মনলৈ আহিছে তাকেই দাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ। মহাবিদ্যালয়ত যোগদান কৰিয়েই গম পালোঁ যে বিজ্ঞানাগাৰৰ ব্যৱস্থা তেতিয়াও হোৱা নাই। ইফালে ১৯৮৭ চনত প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে শেষান্ত পৰীক্ষা দিব লাগিব। ব্যৱহাৰিক জ্ঞানৰ শ্ৰেণীসমূহ লবলৈ উপযুক্ত পৰিমাণৰ আহিলা-পাতি নাই /জীৱবিজ্ঞান আৰু পদাৰ্থ বিজ্ঞানৰ বিজ্ঞানাগাৰ আৰু পাঠদান বৰ্তমানে য'ত ভূগোল বিভাগৰ কোঠালী আছে তাৰে এটা অংশত কৰা হৈছিল। ৰসায়ন বিজ্ঞানৰ বিজ্ঞানাগাৰ নাছিল। ১৯৮৭ চনৰ আৰম্ভণিত পৰীক্ষাৰ আগে আগে এতিয়া গ্ৰন্থাগাৰৰ য'ত ছাত্ৰ-ছাত্ৰীৰ পঢ়া কোঠালী হৈছে তাতে কৰা হৈছিল। ঘৰটো অৰ্ধনিৰ্মিত অৱস্থাত আছিল। তাকে পূৰ্ণাঙ্গ ৰূপ দি ২৫ জন ছাত্ৰ-ছাত্ৰীৰ বাবে ব্যৱহাৰিক জ্ঞানৰ শ্ৰেণীসমূহ চলাব পৰাকৈ সজাই তোলা হৈছিল। ইতিমধ্যে দীন উজীৰ ইয়াৰ পৰা ঘৰুৱা অসুবিধাৰ কাৰণে বিদায় লৈছিল। তেখেতৰ ঠাইত নিবেদিতা ৰায়ক নিযুক্তি দিছিল।

উল্লেখযোগ্য যে ৬/১০/১৯৮৫ তাৰিখে দুধনৈ পৰিদৰ্শনভৱন প্ৰাঙ্গণত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাই প্ৰস্তাৱ গ্ৰহণ কৰি স্থানীয় ৰাইজে বিজ্ঞানাগাৰৰ কোঠালী আৰু বৰঙণী আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি আদায় দিছিল। এই মহান ব্যক্তি সকলৰ এখন তালিকা তলত দিয়া হ'ল ঃ

(ক) বিজ্ঞানাগাৰৰ বাবে কোঠালী

| ব্যক্তিৰ নাম | বিজ্ঞানাগাৰ/ শ্ৰেণী কোঠা (বৰ্তমান) | আকাৰ |
|---|---|---|
| হাকিম চন্দ্ৰ ৰাভা, প্ৰাক্তন বিধায়ক আৰু শ্ৰীযুত নৰ হাজৰিকা | পদাৰ্থ বিজ্ঞানৰ বিজ্ঞানাগাৰ বাৰান্দা ১০ X ৩০ বৰ্গফুট | কোঠালী ২০X ৩০ বৰ্গ ফুট |
| শ্ৰীযুত চান্দমল জৈন | উদ্ভিদ বিজ্ঞানৰ বিজ্ঞানাগাৰ | ঐ |
| মাননীয় ৰণজিৎ দত্ত আৰু শ্ৰী নিত্যানন্দ দত্ত | ৰসায়ন বিজ্ঞানৰ বিজ্ঞানাগাৰ | ঐ |
| শ্ৰীযুত কে. এম. আগৰৱালা | প্ৰাণী বিজ্ঞানৰ বিজ্ঞানাগাৰ | ঐ |
| শ্ৰীযুত কাৰ্তিক সিংহ আৰু শ্ৰীযুত ৰবি সিংহ | বিজ্ঞান শাখাৰ শ্ৰেণী কোঠা | ঐ |

(খ) বৰঙণী

| ব্যক্তিৰ নাম | পৰিমাণ টকা |
|---|---|
| হুকুম চান্দ মিত্তাল | ৫১০০.০০ |
| ৰামদয়াল আগৰৱালা | ৫১০০.০০ |
| গোপাল দাস | ৫১০০.০০ |
| শ্ৰীযুত অনিল জৈন | ২১০০.০০ |
| শ্ৰীযুত গোপাল দে | ২১০০.০০ |
| কমল টেক্সটাইল | ২১০০.০০ |
| মহীৰ হাৰ্ডৱেৰ ষ্টোৰ | ২১০৭.০০ |
| শ্ৰীযুত মন্টুলাল টোডী | ৫০০১.০০ |
| শ্ৰীযুত ৰমেন দাস | ২০০১.০০ |
| তাৰাশংকৰ দে | ২০০১.০০ |
| অসম চাইকেল ষ্টোৰ | ৩০০১.০০ |
| শ্ৰীযুত চিত্তৰঞ্জন ৰায় | ২০০১.০০ |
| শ্ৰীযুত কেশৱ শৰ্মা | ১৫০১.০০ |
| শ্ৰীযুত পবিত্ৰ সৰকাৰ | ৫১০০.০০ |
| শ্ৰীযুত কনক সাউদ | ২৫০১.০০ |
| ৰণজিৎ সাহা (জীৱন তৃষ্ণা) | ২০০১.০০ |
| শ্ৰীযুত কৰুণাকান্ত ৰাভা (প্ৰতি মাহে ১০০ টকাকৈ দুবছৰৰ বাবে) | ২৪০০.০০ |
| শ্ৰীযুত যোগেশ শৰ্মা | ২০০১.০০ |
| পোলক কৰ | ২০০১.০০ |
| শ্ৰীযুত খগেন ভড়ালী | ২০০১.০০ |
| ইদ্ৰিছ আলি | ২৫০০.০০ |
| শ্ৰীযুত কৈলাশ শৰ্মা | ২০০১:০০ |
| মঃ মতিউৰ ৰহমান মোল্লা | ১০০১.০০ |
| ডাঃ ননী গোস্বামী | ২০০১.০০ |
| শ্ৰী সুবোধ সাহা | ২০০১.০০ |
| শ্ৰীযুত মুকুল বৰুৱা (প্ৰতি মাহে) ১০০ টকাকৈ ১ বছৰৰ বাবে | ১২০০.০০ |
| মুঠ | ৬৭,৯১৩.০০ |

সাতষষ্ঠিহাজাৰ ন শ তেৰ টকা মাত্ৰ

**পৰৱৰ্তী পৰ্যায়ত যিসকল ব্যক্তিয়ে প্ৰতিশ্ৰুতি বা এককালীন সহায় আগবঢ়াইছিল, সেইসকলৰ ভিতৰত আছিল ক্ৰমে — অভিৰুচি ষ্টোৰ, নিধন খাখলাৰী, এম. এছ অঙ্কৰা, মনোহৰ বৈশেৰীয়া, এম. এছ পুষ্পেন্দ্ৰ ষ্টোৰ, মহেন্দ্ৰ নাথ, দিব্যলোচন দাস, হৰিচন চাংমা, জান্ত সাহা,**

মনোৰঞ্জন দাস, খোকা ভট্ট, সুশীল সৰকাৰ, চোলচনা ক্লথ ষ্টোৰ, ধৰ্মা শৰ্মা, অনিল কুমাৰ দত্ত, প্ৰমোদ চোধুৰী, ভূৱন কলিতা, বিশ্বজিৎ দাস, অলক পাল, সুবোধ দত্ত, কিস্তব চান্দ শৰ্মা, শ্যামসুন্দৰ শৰ্মা, মন্টুদেৱ নাথ, উপেন কলিতা, নিত্যা দত্ত, মহীকান্ত মহন্ত, ফনীন্দ্ৰ দাস, জনতা হোটেল, গৌৰাঙ্গ দাস, অনন্ত কুমাৰ শৰ্মা, নাৰায়ণ ঘোষ, পৰমা প্ৰসাদ, দুধনৈ মহাবিদ্যালয় শিক্ষক সংস্থা, ৰামকৃষ্ণ গ'ড়, কাজল দাস আৰু সুৰেণ দাস।

পৰৱৰ্তী পৰ্যায়ৰ এই তালিকাখনি সেই সময়ৰ বিজ্ঞান শাখাৰ অৰ্থ সংগ্ৰহ উপ-সমিতিৰ সম্পাদক অধ্যাপক শ্ৰীযুত দশৰথ কাকতিদেৱৰ পৰা লোৱা হৈছিল, ১৯৮৮ চনৰ এপ্ৰিল মাহত। সেই সময়ত অৰ্থ সংগ্ৰহৰ কাৰণে মই তেখেতক সঙ্গ দিছিলোঁ আৰু তেখেতৰ স্কুটাৰখনেই আছিল আমাৰ বাহন। পিছলৈ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ নামত কাৰ্যালয়ত নিযুক্তি দিয়া শ্ৰী ডম্বৰুধৰ ৰাভা (বৰ্তমান উচ্চ বৰ্গৰ সহায়ক) আৰু মই প্ৰতিশ্ৰুতি দিয়া ধন সংগ্ৰহ কৰিবলৈ গৈছিল। প্ৰতিশ্ৰুতি দিয়া সকলো বৰঙণি আদায় হৈছিল, এনে নহয়। কিছু বৰঙণি আজিও আদায় নোহোৱাকৈ থাকিল।

অৰ্থ সংগ্ৰহৰ দ্বিতীয় পন্থা হিচাবে ভ্ৰাম্যমান থিয়েটাৰ দলক নিমন্ত্ৰণ কৰা হৈছিল। ১৯৮৬ চনৰ পৰা ১৯৯৬ চনলৈকে ধাৰাবাহিক ভাবে মহাবিদ্যালয়ে নিমন্ত্ৰণ কৰিছিল। কোনো বছৰ এটি আৰু কোনো-কোনো বছৰত দুটিকৈ দলক নিমন্ত্ৰণ জনোৱা হৈছিল। থিয়েটাৰদল সমূহৰ ভিতৰত আছিল — ডায়মণ্ড, আৱাহন, ভাগ্যদেৱী, নটৰাজ, কহিনুৰ আৰু হেঙুল। ইয়াৰে কহিনুৰ আৰু হেঙুলৰ অৱদান আটাইতকৈ বেছি আছিল। এই সুযোগতে মহাবিদ্যালয়ৰ হৈ মালিক, প্ৰযোজক, পৰিচালক সকলোলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। থিয়েটাৰ পৰিচালনা আৰু প্ৰদৰ্শনীত কিছুমান তিতা-মিঠা আমোদজনক ঘটনা ঘটে। ১৯৮৬ চনৰ নৱেম্বৰ মাহত ডায়মণ্ড থিয়েটাৰ আনিছিল। নৱেম্বৰৰ ১০ তাৰিখে প্ৰবক্তা পদত যোগদান কৰিয়েই নিউ দুধনৈত থিয়েটাৰৰ চিজন টিকট বিক্ৰি কৰিবলৈ গৈছিলোঁ, শ্ৰীযুত পবিত্ৰ ব্ৰহ্মকে ধৰি কেইবাজনো সহকৰ্মীৰ লগত। মোৰ যদি ভুল হোৱা নাই ১৩ নৱেম্বৰ তাৰিখৰ পৰা আৰম্ভ হৈছিল। দৰ্শকৰ সংখ্যা কম আছিল। প্ৰদৰ্শনো দুৰ্বল আছিল। সেই সময়ত অসমৰ গাৱে ভূঞে চহৰে নগৰে ডায়মণ্ড চাৰ্কাচ চলি আছিল। এদিন গাৰো সম্প্ৰদায়ৰ ভালে সংখ্যক দৰ্শক আহি টিকট সংগ্ৰহ কৰি থিয়েটাৰ গৃহত প্ৰবেশ কৰিলে। যথা সময়ত নাটক আৰম্ভ হ'ল। তেতিয়া তেওঁলোকৰ মাজত গুণগুণনি আৰম্ভ হ'ল। আমি তো ডায়মণ্ড চাৰ্কাচহে চাবলৈ আহিছিলো। এয়া চাবলৈতো অহা নাছিলোঁ। তদুপৰি তেওঁলোকৰ বহুতে অসমীয়া ভাষাও নাজানিছিল। এনে সৰু-বৰ আমোদজনক ঘটনা বহুত আছে। অন্য এটা ঘটনা ঘটিছিল হেঙুল থিয়েটাৰৰ প্ৰদৰ্শনীৰ সময়ত। প্ৰদৰ্শনীৰ এদিনৰ আগত ধাৰাষাৰ বৰষুণ আৰু ধুমুহা আহিল। ধুমুহাই পেণ্ডেলৰ বহু অনিষ্ট কৰিলে। তাতোকৈ ডাঙৰ ঘটনাটো হ'ল বেৰা দিয়া টিনপাত আৰু গ্ৰীণৰুমৰ টিনপাত উৰুৱাই নি এজন বনুৱাৰ মূৰত আঘাট হানিলে (কাম কৰি থাকোতে)। তেজে বনুৱাজন লুতুৰি-পুতুৰি হ'ল। কাম বিলাক চোৱা চিতা কৰি আছিলো মই আৰু পৰিচালনা সমিতিৰ সম্পাদক ক্ষীৰোদ খাখলাৰী ছাৰ। যথাযথভাৱে চিকিৎসাৰ ব্যৱস্থা কৰোৱা হৈছিল।

থিয়েটাৰ পৰিচালনা সমিতিৰ লগত সাধাৰণতে যি সকল ব্যক্তি জড়িত হৈছিল তেখেত সকলৰ নাম তলত উল্লেখ কৰা হৈছে (১৯৯২ চনৰ ডিচেম্বৰ মাহৰ কহিনুৰ থিয়েটাৰ পৰিচালনা সমিতি অনুসাৰি)
হাকিম চন্দ্ৰ ৰাভা, তেজেন্দ্ৰ চন্দ্ৰ নাথ, আনন্দীবালা ৰাভা, জয়দেৱ দাস, পবিত্ৰ সৰকাৰ, অশ্বিনী পাটগিৰি, পবিত্ৰ ব্ৰহ্ম, অম্বিকা বড়ো, প্ৰমোদ চৌধুৰী, ৰাজেন ৰাভা, ৰাজেন্দ্ৰ টোডী, গোপাল দাস, শ্যামাচৰণ বড়ো, কৰুণাকান্ত ৰাভা, প্ৰণয় কলিতা, ক্ষীৰোদ খাখলাৰী, অম্বিকা ৰাভা, প্ৰতুল চক্ৰৱৰ্তী পদুম বাহাদুৰ উপাধ্যায়, উদ্ধৱ নাথ, নৰমল ৰাভা, সুশীল ৰায়, কণিষ্ক হাজোৱাৰী, অনিল দাস, উদ্ধৱ ৰাভা, ক্ষীৰোদ খাখলাৰী, শৰৎ কছাৰী, অমৃত কলিতা, অকন ৰাভা, কল্যাণ বৰুৱা, অশোকৰঞ্জন ভট্টাচাৰ্য, গিৰীশ বৰা, খনিন্দ্ৰ দাস, ভৰতাৰণ ৰায়, তৰুণ চন্দ্ৰ চামাই, ড° বসন্ত কুমাৰ শৰ্মা, ৰাজু ৰাভা, ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, দুধনৈ থানা, বিমল ৰাভা, প্ৰদীপ দাস, থাণ্ডাৰচন ৰাভা, দিলীপ সাহা, প্ৰদীপ ৰাভা, হৰকুমাৰ নাথ, মানবেন্দ্ৰ ৰাভা, জ্যোতিষ বৰা, চিন্ময় সৰকাৰ, সুশীল চক্ৰৱৰ্তী, ৰত্ন বড়ো, ত্ৰৈলোক্য তালুকদাৰ, বাবুল কলিতা, আদিত্য শৰ্মা, চিত্ৰ কোচ, খগেন গগৈ, তপন নাথ, অনিল ৰাভা, উৎপল খাখলাৰী, দেৱৰাম হাজোৱাৰী, যোগেন ব্ৰহ্ম, ৰবেন দাস, শশী ৰায়, কৰ্মেশ্বৰ বড়ো, হেমেন ভকত, নৰৰাজ শৰ্মা, দীপক নাথ, বীৰবল বড়ো, ভাস্কৰ কলিতা, হৰমোহন দাস, ভূপেন পাটগিৰি, আনন্দ মোহন ৰাভা, নৰজ্যোতি ৰায়, বিনয় কৃষ্ণ ৰাভা, হৰেকৃষ্ণ কলিতা, ফুলেন্দ্ৰ কুমাৰ শৰ্মা, জয়গোপাল সাহা, দশৰথ কাকতি, ৰাজাৰাম ৰাভা, ৰিংকু চৌধুৰী, সৰ্বানন্দ খাখলাৰী, মুকুন্দ বসুমতাৰী

স্বেচ্ছাসেৱক —
(১৯৯২ চনৰ তালিকা অনুসৰি)
নজৰুল ইছলাম, হেৰম্ব ৰাভা, সঞ্জীৱ ৰাভা, নৰ হাজৰিকা, লক্ষ্যধৰ ৰাভা, কল্যাণ বৰপূজাৰী, অজিত চৌধুৰী, ধৰ্মেশ্বৰ হাটো, চাহিদুৰ ৰহমান ৰৌফিক ৰিপুঞ্জয় খাখলাৰী, দেৱব্ৰত ৰায়, প্ৰদীপ আগৰৱালা, গোপাল শংকৰ নাথ, পুচেন ৰাভা, মুকুল নাথ, বিমল কলিতা, পবিত্ৰ গগৈ, বিশ্বজিৎ কলিতা, ৰণ্টু ৰায়, সৰোজ শৰ্মা, শংকৰ দেৱ নাথ, মুকুট ৰায়, কংকন খাখলাৰী, বিপুল ৰাভা, টিংকুমণি ৰায়, ৰঞ্জিত কলিতা, মেঘনাদ বসুমতাৰী, দীপক শৰ্মা, জ্যোতিষ নাথ, খনিন্দ্ৰ পাঠক, লক্ষ্মী ৰাভা, গোবিন্দ দাস, ভবেন ৰাভা, বাবুল ৰাভা, বিপুল দাস, প্ৰদীপ দাস, ভৃগুমণি নাথ, তৰণী কলিতা, জয়ন্ত নাথ, মুকুন্দ কলিতা

থিয়েটাৰ পৰিচালনা সমিতিৰ সভা-সমিতি সমূহ সাধাৰণতে অনুষ্ঠিত হৈছিল দুধনৈ উন্নয়ন সমিতিৰ ভৱনত আৰু চকী মেজ ব্যৱহাৰ কৰা হৈছিল স্থানীয় অমৰ সংঘৰ পৰা। তদুপৰি দুধনৈ ৰাজহুৱা খেল-পথাৰত অনুষ্ঠিত হোৱা থিয়েটাৰ সমূহত বেঞ্চ-ডেস্ক, চকী-মেজ ব্যৱহাৰ কৰা হৈছিল দুধনৈ লৰা হাইস্কুলৰ পৰা। এই সুযোগতে এই আটাই কেইটি

অনুষ্ঠানলৈ বিজ্ঞান শাখাৰ হৈ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জনালোঁ। অৰ্থ সংগ্ৰহৰ তৃতীয় পন্থাটি আছিল লটাৰী খেল। এই লটাৰী খেল খনৰ সভাপতি আছিল মাননীয় অধ্যক্ষ শ্ৰীযুত কৰুণাকান্ত ৰাভা আৰু সম্পাদক আছিল শ্ৰীযুত তেজেন্দ্ৰ চন্দ্ৰ নাথ। সম্পাদক নাথদেৱে জনোৱামতে শ্ৰীযুত মন্টুলাল টোডীদেৱে এই উপহাৰ খেলখনৰ মূখ্য ভূমিকা পালন কৰিছিল আৰু ০২/০৩/১৯৮৬ তাৰিখে দুধনৈ পৰিদৰ্শন ভৱনৰ কাষত এই খেলখন অনুষ্ঠিত হৈছিল।

বিজেতা সকলক পুৰস্কাৰ সমূহ ৯/৩/১৯৮৬ তাৰিখে শ্ৰীযুত মন্টুলাল টোডীদেৱৰ দোকানৰ সন্মুখৰ পৰা গ্ৰহণ কৰিবলৈ বিজ্ঞান শাখাৰ সম্পাদক শ্ৰীযুত ক্ষীৰোদ খাখলাৰীদেৱে জাননী জাৰী কৰিছিল।

বিজ্ঞান শাখালৈ দান বৰঙণি তোলাৰ অন্য পথ হ'ল স্থানীয় ৰাইজৰ পৰা ধান সংগ্ৰহ আৰু বজাৰ আৰু মেলাত টেমা জোপাৰি পইছা সংগ্ৰহ কৰা। এই উদ্দেশ্যে ১৯৯০ চনৰ ৫ জানুৱাৰীৰ পৰা ১৩ জানুৱাৰীলৈ অভিযান চলোৱা হৈছিল। সেই সময়ত অৰ্থ সংগ্ৰহ উপ-সমিতিৰ সভাপতি আছিল মাননীয় শ্ৰীযুত ক্ষীৰোদ খাখলাৰী। সামৰি লোৱা অঞ্চলসমূহ আছিল ক্ৰমে — গাৰোভাটা, দামৰা, শালিখিপাৰা, দাগলাপাৰা, কাচুমাৰী, নিচান গ্ৰাম, কাৰিপাৰা, মেধিপাৰা, কলিতা পাৰা, দাব পাৰা, বামুন পাৰা, চাকলা, ৰাভাপাৰা, যোগীপাৰা, বনগাওঁ অঞ্চল, মণ্ডলগ্ৰাম অঞ্চল, নলবাৰী, ছোট মাটিয়া, মোৱামাৰী, চিলুক, আমজোঙ্গা, বাক শালপাৰা, নন্দেশ্বৰ, বগাদোবা, কুশধোৱা, দৰংগিৰী, ফফল, দৰখ, দেউলগুৰি, মাছপাৰা। এই অভিযান সফল কৰাৰ কাৰণে সভাপতিৰ ঘৰৰ কাষত এটি অস্থায়ী কাৰ্যালয় স্থাপন কৰা হৈছিল। বাবুপাৰাৰ শ্ৰীসাধনা ৰয়ে কাৰ্যালয় চোৱাচিতা কৰিছিল। সংগ্ৰহকাৰী দল সমূহক ভাগে ভাগে নিৰ্দিষ্ট স্থানত পোৱাৰ ব্যৱস্থা হৈছিল আৰু সভাপতিদেৱৰ এম্বেছাদৰ আৰু টেক্টৰখন সংগ্ৰহৰ কামত ব্যৱহাৰ কৰা হৈছিল। যি স্থানলৈ দল গৈছিল তাতেই খোৱাৰ ব্যৱস্থা হৈছিল আৰু সেই স্থানৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক সহায়-সহযোগ কৰিবলৈ কৰ্তৃপক্ষৰ তৰফৰ পৰা জনোৱা হৈছিল।

যিসকল ব্যক্তি সাধাৰণতে এই অভিযানৰ লগত জড়িত হৈছিল তেখেতসকল আছিল ক্ৰমে — হাকিম চন্দ্ৰ ৰাভা, পবিত্ৰ সৰকাৰ, কৰুণাকান্ত ৰাভা, ক্ষীৰোদ খাখলাৰী, দশৰথ কাকতি, ফুলেন্দ্ৰ কুমাৰ শৰ্মা, ৰমাকান্ত তালুকদাৰ, প্ৰতাপ শৰ্মা, গুণ কোঁৱৰ, মুকুল বৰুৱা, প্ৰদীপ দাস, তেজেন্দ্ৰ চন্দ্ৰ নাথ, নুৰবখ্‌ত শ্বেখ, চাহাবুদ্দিন খণ্ডকাৰ, তৰুণ নাথ, তৰুণ চন্দ্ৰ চাংমাই, হৰকুমাৰ নাথ, অমূল্য ৰায়, সুশীল ৰায়, কল্যাণ বৰপূজাৰী, হীৰেন বৰ্মণ, পবিত্ৰ গগৈ, বিশ্বজিৎ কলিতা, দীপেন ৰাভা, বাপ্পি ৰাভা, কমল ৰাজবংশী, প্ৰফুল্ল ৰায়, আৱাল হ'ক, মোক্ষদা বসুমতাৰী, মুনীন ৰাভা, গণেশ ৰাভা, ৰাতুল ডেকা, দীপাংকৰ নাথ, আনোৱাৰ হুছেইন, তপন নাথ, প্ৰমোদ হাজোৱাৰী, গাজী, অন্নদাচৰণ ৰাভা, প্ৰদীপ ৰাভা, ৰাজু ৰাভা আৰু বৈকুণ্ঠ দৈমাৰী। এই অভিযানত বহু স্থানীয় ছাত্ৰ-ছাত্ৰীয়ে অংশ লৈছিল।

এই অভিযানত ৰাইজৰ সহাঁৰি আছিল অভূতপূৰ্ব। অভিযানত পোৱা দুটি অভিজ্ঞতাই আমাৰ মনত বাৰুকৈয়ে সাঁচ বহুৱাইছিল। প্ৰথমটি হৈছিল দামৰা অঞ্চলৰ এটি গাৰো পৰিয়ালত। দৈনিক হাজিৰা কৰি মানুহজনে পৰিয়াল পোহ-পাল দিয়ে। তেখেতে কিনি অনা চাউলৰ আধা কেজি চাউল সংগ্ৰহকাৰী দলৰ হাতত অৰ্পণ কৰিছিল। সেই দানে অতি সাদৰেৰে গ্ৰহণ কৰা হৈছিল।

দ্বিতীয়টি কাৰিপাৰা অঞ্চলৰ এটি পৰিয়ালত, সেই পৰিয়ালটিৰ মূৰব্বী গৰাকী শয্যাশায়ী আছিল। তেওঁৰ কন্যা আছিল আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী। আমাৰ দলটি নেতৃত্ব দিছিল চাহাবুদ্দিন খণ্ডকাৰ ডাঙৰীয়াই। তেখেতে কলে, "এখেত লোকৰ বৃদ্ধ গৰাকীৰ অৱস্থা ভাল নহয়। গতিকে অসুখী হোৱা বুলি জানি উভতিব খুজিছিলো। এনেতে অসুখীয়া বৃদ্ধ গৰাকীয়ে ছাত্ৰী গৰাকীৰ হতুৱাই দলটিক মাতি নিলে। দলটি বহাত তেখেতে আহি কুঁজা হৈ আহি ক'লে — "বোপাইহঁত, তোমালোকে অহাৰ কাৰণ মই জানিব পাৰিছোঁ, মোৰ ফালৰ পৰা এয়া পঞ্চাশ টকা দিলো, লৰাই যি দিয়ে দিব।" দলটিৰ আটাইৰে চকু থিয় হৈছিল। অতি আগ্ৰহেৰে গ্ৰহণ কৰা হৈছিল সেই বৰঙণি। অভিভূত কৰি তুলিছিল আমাক এখেত দুয়েৰে আচৰণ তথা সামগ্ৰীক ভাবে এই অঞ্চলৰ জনসাধাৰণৰ সঁহাৰিয়ে। তেখেত সকলৰ নাম বিশেষকৈ এই দুয়োটি পৰিয়ালৰ মূৰব্বীৰ নাম উল্লেখ কৰিব নোৱৰাৰ বাবে ক্ষমা বিচাৰিছোঁ।

টেমা জোকাৰি বৰঙণি আদায় কৰা হৈছিল সেই বছৰতে দুধনৈ সাপ্তাহিক বজাৰ, আইণ্টন মেলা আৰু শ্ৰী সূৰ্য মেলাত। সাপ্তাহিক বজাৰত সংগ্ৰহ কৰাৰ দায়িত্বত আছিল হাকিম ৰাভা, আনন্দীবালা ৰাভা, পবিত্ৰ কুমাৰ সৰকাৰ, মন্টুলাল টোডি, ৰবেন দাস, ৰীতা ৰায় চৌধুৰী, নিবেদিতা ৰায়, গণেশ ৰাৰী, তৰুণ চন্দ্ৰ চাংমাই আৰু প্ৰাক্তন ছাত্ৰী হিমাদ্ৰী দেৱী আৰু তনুজা হাজোৱাৰী। অন্য দুটি স্থানত সংগ্ৰহ কৰা তথ্য পাতি মোৰ অজ্ঞাত। জানিব পৰামতে এই দুটি স্থানত, ৰীতা ৰায়চৌধুৰী, নিৰুপা ৰায় বৰুৱা, প্ৰতাপ শৰ্মা, ফুলেন শৰ্মা আৰু সেই সময়ৰ বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰী জড়িত হৈছিল।

ইতিমধ্যে বিজ্ঞান শাখাৰ সকলো বিভাগত ১৯৮৭-৮৮ শিক্ষা বৰ্ষৰ পৰা স্নাতক শ্ৰেণীৰ পাঠ্যক্ৰম আৰম্ভ হয়। বিশ্ববিদ্যালয়ৰ অনুমতি নোহোৱাকৈ আৰম্ভ কৰাৰ কাৰণে বহু আহুকালৰ সৃষ্টি হৈছিল। ১৯৯০ চনত যেতিয়া স্নাতক শ্ৰেণীৰ শেষান্ত পৰীক্ষা আমাৰ ছাত্ৰী দুগৰাকী অৱতীৰ্ণ হ'ব লগা হ'ল, তেতিয়া পৰীক্ষাৰ বাবে যাৱতীয় নথি-পত্ৰ বিশ্ববিদ্যালয়ৰ কাউণ্টাৰত জমা লোৱাৰ পিছত পুণৰ এই দুগৰাকী ছাত্ৰীৰ ফৰ্ম ঘূৰাই পঠালে; কিন্তু কাউণ্টাৰত ৰচিদ কাটি দি পইছা জমা ললে। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে পুণৰ আবেদন জনাই মোক বিশ্ববিদ্যালয়লৈ পঠাই দিলে। মই গৈ পৰীক্ষাৰ নিয়ন্ত্ৰকৰ লগত আলোচনা কৰা তেখেতে জাঙুৰ খাই উঠিল। তেখেতে ক'লে "দুধনৈ মহাবিদ্যালয়ত বিজ্ঞান শাখা আছে বুলি আমি নাজানো, আপোনালোকে যি কৰে কৰক।" পিছত তেখেতেই ৰেজিষ্ট্ৰাৰৰ মহোদয়ৰ ওচৰলৈ যাবলৈ ক'লে। সেই সময়ত ৰেজিষ্ট্ৰাৰৰ আছিল শ্ৰদ্ধেয় দীনেশ বৰুৱা ছাৰ। তেখেতে উপাচাৰ্য মহোদয়ৰ লগত কথা পাতি কেৱল লিখিত পৰীক্ষাটি নিয়ম বহিৰ্ভূতভাৱে হ'লেও

পাতিবলৈ অনুমতি দিলে। তিনিদিন লাগিছিল এই অনুমতি পাবৰ কাৰণে। আৰম্ভণিৰ প্ৰাক বিশ্ববিদ্যালয় আৰু স্নাতক শ্ৰেণীসমূহৰ ব্যৱহাৰিক জ্ঞানৰ পৰীক্ষাসমূহ গোৱালপাৰা মহাবিদ্যালয়ত দিয়াৰ ব্যৱস্থা হৈছিল। গোৱালপাৰা মহাবিদ্যালয় কৰ্তৃপক্ষই এই সুযোগ প্ৰদান কৰাৰ কাৰণে অধ্যক্ষ মাহাদয়কে ধৰি বিজ্ঞান শাখাৰ সকলো বিভাগৰ অধ্যাপক অধ্যাপিকা তথা কৰ্মচাৰীৰ হৈ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। শ্ৰীমতী ৰাণু দাস আৰু শ্ৰীমতী সৰলা ৰাভাই আমাৰ মহাবিদ্যালয়ৰ প্ৰথম বি.এছ.চি.।

ইতিমধ্যে উচ্চতৰ মাধ্যমিক শ্ৰেণী পৰ্যায়ত সচকাৰী নীতি নিয়ম সম্পূৰ্ণ হৈছিল আৰু ব্যৱহাৰিক জ্ঞানৰ পৰীক্ষাসমূহ মহাবিদ্যালয়ৰ বিজ্ঞানাগাৰতে অনুষ্ঠিত কৰিবলৈ অনুমতি লাভ কৰিছিল। বিভাগ সমূহত শিক্ষকৰ সংখ্যাও বাঢ়ি গ'ল। স্নাতক লঘু পাঠ্যক্ৰমৰ বাবে অনুমতি বিচাৰি কৰা আবেদনৰ ভিত্তিত গুৱাহাটী বিশ্ববিদ্যালয়ে দুবাৰকৈ পৰিদৰ্শন কৰাৰ পিছতো অনুমতি প্ৰদান নকৰিলে। সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিদৰ্শক আছিল ড° পবিত্ৰকুমাৰ তালুকদাৰ। অনুমতি প্ৰদান নকৰাৰ চৰ্ত সমূহৰ ভিতৰত আছিল অসম্পূৰ্ণ বিজ্ঞানাগাৰ, গেছ প্লেন্টৰ অভাৱ, প্ৰবাহিত পানীৰ অভাৱ আৰু অনুন্নত গ্ৰন্থাগাৰ। তেতিয়া আমাৰ গ্ৰন্থাগাৰ আছিল বৰ্তমানৰ অধ্যক্ষৰ কোঠালীটোত।

১৯৯০ চনৰ ১০ আগষ্ট তাৰিখে আটাইকেইটি বিজ্ঞানাগাৰৰ ভৱন আনুষ্ঠানিক ভাবে উদ্বোধন কৰে সেই সময়ৰ বিধায়ক শ্ৰীযুত অকণ ৰাভাদেৱে। উল্লেখযোগ্য যে উদ্বোধনৰ আগদিনা সন্ধিয়ালৈকে শ্ৰীযুত কে. এম্ আগৰৱালাদেৱে প্ৰদান কৰা ভৱনৰ মজিয়াৰ কাম তেতিয়াও সম্পূৰ্ণ হোৱা নাই। ৰাজমিস্ত্ৰী আছিল মঃ মুজিবৰ ৰহমান। ইফালে চিমেন্টো নাছিল। এক বেগ চিমেন্টৰ প্ৰয়োজন। সেই সময়ত শ্ৰীমান সৰ্বানন্দ খাখলাৰী আছিল ছাত্ৰ-একতা সভাৰ বিষয়ববীয়া। তেওঁ কে. এম্. আগৰৱালাৰ ঘৰত গৈ কোৱাত এক বেগ চিমেন্ট এখন ট্ৰাকেদি ৰাতি মহাবিদ্যালয়লৈ লৈ আহে আৰু মুজিবৰ ৰহমান আৰু তেওঁৰ বাহিনীয়ে ৰাতি প্ৰায় এক বজালৈকে লাইটৰ পোহৰত কাম কৰি সম্পূৰ্ণ কৰিছিল। মই আৰু মাননীয় শ্ৰীযুত ক্ষীৰোদ খাখলাৰী দুয়ো সেই সময়লৈকে তেওঁলোকৰ লগত থাকি সহযোগিতা আগবঢ়াইছিলোঁ।

১৯৯১ চনত গেছ প্লেন্ট আৰু পানী যোগান ব্যৱস্থা সম্পূৰ্ণ হয়। মাছখোৱাৰ শৰ্মা ব্ৰাদাৰ্ছ নামৰ ফাৰ্মখনে গেছ প্লেন্ট, পানীযোগান ব্যৱস্থাকে ধৰি বিজ্ঞানৰ আহিলাপাতি যোগান ধৰাৰ বাবে, মঃ মুজিবৰ ৰহমান আৰু তেওঁৰ বাহিনী আৰু বীৰেণ সূত্ৰধৰ (কাঠমিস্ত্ৰী) আৰু তেওঁৰ বাহিনীয়ে কৰ্মতৎপৰতাৰে বিজ্ঞানাগাৰ গঢ়ি তোলাৰ বাবে মহাবিদ্যালয়ৰ হৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

১৯৯০-৯১ শিক্ষাবৰ্ষৰ পৰা স্নাতক শ্ৰেণীয়ে বিশ্ববিদ্যালয়ৰ পৰা গুৰু পাঠ্যক্ৰম খোলাৰ বাবে অনুমতি লাভ কৰিলে। শিক্ষকৰ সংখ্যা বৃদ্ধি, বিজ্ঞানাগাৰৰ খৰচ ইত্যাদিৰ বাবে মহাবিদ্যালয়খন আৰ্থিক সংকটত বেয়াকৈ ভুগিছিল। অৰ্থ সংগ্ৰহৰ পথ ৰুদ্ধ হৈ গৈছিল। আমি বিকল্প পথৰ সন্ধান বিচাৰিছিলোঁ। ১৯৯১ চনৰ গৰমৰ বন্ধত এদিন ছাত্ৰ-একতা সভাৰ কাৰ্যালয়ত (বৰ্তমান য'ত শিক্ষকসকলৰ জিৰণী কোঠা আছে) এটি আলোচনাত মিলিত হলোঁ। এই আলোচনাত আছিল অধ্যক্ষ শ্ৰীযুত কৰুণাকান্ত ৰাভাদেব, অধ্যাপক পবিত্ৰ ব্ৰহ্ম, অধ্যাপক বীৰেন ভূঞা, মই নিজে, সেই সময়ৰ ছাত্ৰ একতা সভাৰ সহযোগী সম্পাদক শ্ৰীমান হৰেকৃষ্ণ কলিতাক ধৰি কেইজনমান কৰ্মকৰ্তা (সম্পাদক সিদিনা উপস্থিত নাছিল) আৰু অনিল শইকীয়া। আমি প্ৰতি লিটাৰ কেৰোচিনত স্থানীয় ডিপো দুটাৰ পৰা ১০ পইচাকৈ দাম বৃদ্ধি কৰি বিজ্ঞান শাখালৈ বৰঙণি আদায় কৰাৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰি, যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে আগবাঢ়িলোঁ। যিহেতু এয়া অত্যাৱশ্যকীয় সেৱা সামগ্ৰী গতিকে আমি অতি সাৱধানতা অবলম্বন কৰিব লগা হৈছিল। আমি এদিন অৰ্থাৎ অধ্যক্ষ মহোদয়, পবিত্ৰ ব্ৰহ্ম, দিলীপ নাথ আৰু হৰেকৃষ্ণ কলিতা মই, (ছাত্ৰ একতা সভাৰ সম্পাদক আৰু সহকাৰী সম্পাদক) সহ সেই সময়ৰ উপায়ুক্ত সন্মানীয় কৃপাল দাস দেৱৰ লগত আলোচনাত বহিলোঁ। তেখেতে বিভিন্ন দিহা পৰামৰ্শৰে আমাক উৎসাহিত কৰিলে আৰু অৱশেষত ১৯৯১ চনৰ চেপ্তেম্বৰ মাহৰ পৰা কাৰ্যকৰী হোৱাকৈ দুধনৈ পৰিদৰ্শন ভৱন প্ৰাঙ্গণত হোৱা ৰাজহুৱা সভাই প্ৰতি লিটাৰ তেলত ১০ পইচাকৈ এ. অ'. চি. আৰু আই. অ'. চি. দুয়োটা ডিপোৰ পৰা সংগ্ৰহ কৰিবলৈ সিদ্ধান্ত ললে। দুধনৈ, দৰংগিৰি, ৰংজুলি, ধনুভাঙা, দলগোমা আৰু চিধাবাৰী সমবায় সমিতি দুধনৈ হকাৰ সন্থা, মহিলা সমিতি (যিসকলে কেৰাচিন বিতৰণত জড়িত) সমূহে হাত উজান দিয়াত বিজ্ঞান শাখাই পুনৰ ঠন ধৰি উঠিল। এই ক্ষেত্ৰত দুধনৈস্থিত মাননীয় পবিত্ৰ সৰকাৰ আৰু বলাই বণিক্য দেৱৰ চিনেমা গৃহ প্ৰদৰ্শনীৰ পৰা প্ৰতি টিকটত সংগ্ৰহ কৰা ২৫ পইচাইও সমান্তৰালভাৱে অৰিহণা যোগালে।

ইতিমধ্যে প্ৰথমে প্ৰাণীবিজ্ঞান আৰু ৰসায়ন বিজ্ঞানত গুৰু পাঠ্যক্ৰমো আৰম্ভ হ'ল। পিছৰ পৰ্যায়ত কেউটা বিষয়ত গুৰু পাঠ্যক্ৰম আৰম্ভ হ'ল। মহাবিদ্যালয়ৰ বিজ্ঞান শাখাই ঘাটি মঞ্জুৰী পোৱাৰ বাবে থকা যাৱতীয় নিয়ম কানুন সমূহ অতিক্ৰম কৰি ১৯৯৬ চনৰ ১১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ মাননীয় হিতেশ্বৰ শইকীয়াৰ নেতৃত্বাধীন অসম চৰকাৰে অসমৰ ৪৩ খন কলেজৰ লগত দুধনৈ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাক ঘাটি মঞ্জুৰীৰ অধীনলৈ আনিলে।

মহাবিদ্যালয় বিজ্ঞান শাখাই ঘাটি মঞ্জুৰী প্ৰাপ্ত হোৱালৈকে যি বিলাক চৰ্ত পূৰণ কৰিব লগে সি বিলাকৰ কাম কাজ লৈ গুৱাহাটীলৈ যাওঁতে কেইবাটাও স্মৰণীয় ঘটনা ঘটিছে। তাৰে কেইটিমান উল্লেখ কৰা হ'ল। চন তাৰিখ মোৰ মনত নাই। খুউব সম্ভৱ ১৯৯০ চন হ'ব। অধ্যক্ষ মহোদয়, প্ৰতাপ শৰ্মা, অশোক ভট্ট আৰু মই অফিচৰ কাম কাজ কৰি গুৱাহাটীৰ পৰা ঘূৰি আহোতে ৰাতি ছয়গাঁও পাৰ হৈ আহি চেপনশিলাত ৰাষ্ট্ৰীয় পথৰ দাঁতিত ৰেল লাইনত দিবলৈ থোৱা হিউম পাইপত খুন্দা মৰাৰ ফলত ভাৰাত পোৱা গাড়ীখন দুৰ্ঘটনাত পতিত হ'ল। আমি দুৰ্ঘটনাটো নিশ্চিত বুলি জনাত আটায়ে সজাগ হোৱাত কোনোৱেই আঘাত

নাপালোঁ; কিন্তু গাড়ীখনৰ সন্মুখভাগ বেয়াকৈ নষ্ট হ'ল।

দ্বিতীয় ঘটনা এটি ঘটিছিল ছয়গাৱঁৰ কাৰৈমাৰীত। আমাৰ দলটিতআছিল অধ্যক্ষ ৰাভা ছাৰ, অধ্যাপক হৰমোহন দাস, নিৰুপা ৰয় বৰুৱা আৰু মই। গোটেই দিনটোৱেই আছিল কিনকিনিয়া মজলীয়া ধৰণৰ বৰষুণ। ঘোপ মৰা আন্ধাৰ। গাড়ীখনে দুধনৈ অভিমুখে আহি থাকোঁতে বিপৰীত মুখী গাড়ী দুখনক অতিক্ৰম কৰোঁতে কাৰৈমাৰীত কাষেদি গৈ থকা এজন বৃদ্ধক আমাৰ গাড়ীখনে খুন্দা মৰাত বৃদ্ধগৰাকী পৰি আঘাতপ্ৰাপ্ত হ'ল। আমি বৃদ্ধ গৰাকীক তৎক্ষণাৎ স্থানীয় মানুহ এজনৰ সৈতে উঠাই লৈ ছয়গাঁও চিকিৎসালয়ত ভৰ্তি কৰিলোঁ। যাৱতীয় চিকিৎসা প্ৰদান কৰাৰ পিছত আমি তেওঁক ঘৰত চিকিৎসাৰ খৰচ দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দি ঘৰত থৈ আহিলোঁ। ৰাইজে আমাৰ পৰিচয় পোৱাৰ পিছতহে শান্ত হৈছিল। এই ক্ষেত্ৰত সাহিত্যিক গগন অধিকাৰীৰ পৰিয়ালে আমাক যথেষ্ট সহায় কৰিছিল। বৃদ্ধ গৰাকী অতি দুখীয়া পৰিয়ালৰ আছিল আৰু তেখেতে ভাগৱত পাঠ কৰি ঘূৰি আহিছিল। হাতত ভাগৱতখনো আছিল।

তৃতীয় ঘটনাটি ঘটিছিল মালিগাৱঁৰ ৩ নং গেটত। এইটো আছিল অত্যন্ত ভয়াবহ! ২৪/৩/১৯৯৪ তাৰিখে অধ্যক্ষ ৰাভা ছাৰ, অশোক ভট্ট আৰু মই দিছপুৰলৈ গৈছিলোঁ মহাবিদ্যালয়ৰ কাম আৰু অনুদানৰ আশাত, মাননীয় মন্ত্ৰী জগৎ পাটগিৰীৰ কোৱাৰ্টাৰত সোমাই আমি কেইবাগৰাকী মন্ত্ৰীক লগ কৰি আবেদন প্ৰদান কৰিছিলোঁ। তেতিয়া বিধান সভাৰ অধিবেশন চলি আছিল। আমি মাননীয় গড় কাপ্তানী বিভাগৰ মন্ত্ৰী শ্ৰীযুত শৰৎ বৰকটকীদেৰক লগ পোৱাত তেখেতে ৰাভা ছাৰক কলে, "ৰাভা, চৰকাৰে কিছু সংখ্যক মহাবিদ্যালয় ঘাটি মঞ্জুৰীৰ অধীনলৈ আনিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। মই জনাত আপোনালোকৰ কলেজখনৰ তালিকাত নাম নাই। খবৰ কৰকচোন।" এবাৰ নৱাগত আদৰণি সভাত মাননীয় মুখ্যমন্ত্ৰী ঁহিতেশ্বৰ শইকীয়াদেৰক নিমন্ত্ৰণ কৰা হৈছিল। এই নিমন্ত্ৰণক লৈ বাক-বিতণ্ডাৰো সৃষ্টি হৈছিল আৰু শ্ৰীমান নিকুঞ্জ ৰয় (ছাত্ৰ একতা সভাৰ কৰ্মকৰ্তা) অপদস্থ হৈছিল। অৱশেষত মাননীয় সমাজ কল্যাণ মন্ত্ৰী ঁচন্দ্ৰবাহাদুৰ ছেত্ৰী মুখ্যমন্ত্ৰীৰ হৈ নবাগত আদৰণি সভাত আহি বিজ্ঞান শাখাৰ সাহায্যাৰ্থে একলাখ টকাৰ এখনি চেক প্ৰদান কৰিলে। আমি তেখেতক লগ কৰিলোঁ আৰু তেখেতে ৰাতিৰ ভাগত মুখ্যমন্ত্ৰীক লগ কৰাই দিম বুলি কলে। আমিও অপেক্ষা কৰিলোঁ। তেখেত আছিল জয়গুৰু ধৰ্মৰ ঋত্বিক। বহু ৰাতিলৈকে কথা পাতিলোঁ। সেই সময়তে এটি আমোদজনক ঘটনা ঘটিল। তেখেতে আমাক জয়গুৰু ধৰ্মত দীক্ষা লববলৈ বাৰে বাৰে অনুৰোধ কৰিলে। এফালে ধৰ্ম আনফালে ঘাটিমঞ্জুৰী। উপায়হীন হৈ ৰাভা ছাৰে চৰ্ত আৰোপ কৰিলে। আমি দীক্ষা ল'ম কিন্তু আমাৰ বিজ্ঞান শাখাক ঘাটি মঞ্জুৰীলৈ অনাৰ ব্যৱস্থা কৰি দিব লাগিব। তেখেতেও কথা দিলে, হৈ যাব। মই কৰিব নালাগে নহয়। ৰাঃ স্বাঃ (ৰাধা-স্বামী) ই কৰিব। তেখেতৰ ওপৰত বিশ্বাস ৰাখক। ছাৰ আৰু মই দুয়ো ঘাটি মঞ্জুৰীৰ স্বাৰ্থত দীক্ষা গ্ৰহণ কৰিলোঁ। ভট্টই নললে। দুৰ্ভাগ্যবশত সেইদিনা মুখ্যমন্ত্ৰী কাৰ্যলয়ত নবহি বিধান সভাৰ পৰা বাহিৰে বাহিৰে কৰ'বাত মিটিং কৰিবলৈ গুচি গ'ল। ছেত্ৰী মহোদয়ে সেইদিনা আমাক থাকিবলৈকে কৈছিল যদিও থাকিব পৰা নগ'ল। ছেত্ৰী মহোদয়ে পিছদিনা পুৱা ন বজাৰ আগতে পোৱাকৈ আমাক আহিবলৈ কলে। আমি পিছদিনা ৰাতি প্ৰায় দুইবজাত ঘৰ আহি পালোঁহি। বাটতে আমজোঙ্গা ঝাৰত গাড়ীৰ চকাও ফুটিল।

২৫/৩/১৯৯৪ তাৰিখে পুৱা গাড়ীলৈ গুৱাহাটীলৈ পুনৰ তিনিও ৰাওনা হলোঁ। গুৱাহাটী পাই গোটেই দিনটো আমি ছেত্ৰী মহোদয়ৰ ঘৰত বহিলোঁ। তেখেতে আমাৰ কাৰণে বিধান সভা চাবলৈ প্ৰবেশ পত্ৰ উলিয়াই দিলে। ৰাভা ছাৰ আৰু ভট্ট দুয়ো বিধান সভা গৃহত সোমাল। সন্ধিয়া অধিৱেশন সামৰাত আমি মুখ্যমন্ত্ৰী দেৱক লগ কৰিলোঁ। মহাবিদ্যালয়ে ইতিমধ্যে সকলো চৰ্ত পূৰণ কৰা বুলি কৈ আমি আবেদন জনালোঁ। মুখ্যমন্ত্ৰীয়ে আমাৰ মহাবিদ্যালয় ঘাটি-মঞ্জুৰীৰ অধীনলৈ অনা হ'ব বুলি প্ৰতিশ্ৰুতি দিলে। সেই সময়ত উপস্থিত থকা মন্ত্ৰী আৰু বিধান সভাৰ সদস্যৰ ভিতৰত আছিল ক্ৰমে শৰৎ বৰকটকী, ডাঃ ভূমিধৰ বৰ্মণ, জগৎ পাটগিৰী, দিলদাৰ ৰেজ্জাক, ঁকূল বাহাদুৰ ছেত্ৰী, আৰু ঁৰত্নেশ্বৰ দাস। তেখেতে প্ৰতিশ্ৰুতি দি প্ৰতিশ্ৰুতি ৰক্ষা কৰিলে। আমি নৈশ বাছত দুধনৈলৈ ঘূৰি আহিলোঁ। ২৪/৩/১৯৯৪ তাৰিখে গুৱাহাটীলৈ নোযোৱা হলে আৰু শৰৎ বৰকটকীদেৰক লগ নোপোৱা হলে হয়তো আমাৰ মহাবিদ্যালয় ঘাটি মঞ্জুৰিৰ তালিকাভুক্ত নহলহেতেন।

তেতিয়াও বিজ্ঞান শাখা বিপদমুক্ত হোৱা নাছিল। শিক্ষাধিকৰ্তাৰ কাৰ্যালয়ৰ পৰিকল্পনা বিভাগে আমাৰ চাৰিওটা বিভাগৰ ৪ৰ্থ পদটি সামান্য ব্যতিক্ৰম থকাত কৰ্তন কৰিব বিচাৰিছিল । এই বিভাগৰ বিষয়াজন আছিল শ্ৰীযুত ক্ষীৰোদ খাখলাৰী ছাৰৰ বন্ধু। আমি ছাৰক লগত লৈ তেখেতক লগ কৰি অনুৰোধ জনোৱাত তেখেতেই তাৰ উপায় নিৰ্দ্ধাৰণ কৰি দিলে। এনেকৈয়ে বিজ্ঞান শাখা নানা-আহুকালৰ মাজেদি আহি আজি এই পৰ্যায়ত উপনীত হৈছে। এই মহাবিদ্যালয় গঢ়ি তোলাত সমগ্ৰ গোৱালপাৰা অঞ্চলৰ জনসাধাৰণৰ অৱদান আছে। দৰিদ্ৰৰ পৰা ধনীলৈকে সকলোৰে কেঁচা ঘাম এই মহাবিদ্যালয়ত নিহিত হৈ আছে। বিজ্ঞান শাখাৰ ঘাটি মঞ্জুৰীৰ প্ৰাক কালত যি শ্ৰী বৃদ্ধি ঘটিছিল সেয়া ক্ৰমাগতভাৱে ম্লান পৰি অহা পৰিলক্ষিত হৈছে। অৱশ্যে এয়া সৰ্বভাৰতীয় চিত্ৰ। বিজ্ঞানৰ সাধাৰণ শিক্ষাৰ প্ৰতি মানুহৰ ধাউতি কমি গৈছে। ইয়াক পুনৰুজ্জীৱিত কৰিবলৈ হলে পাঠ্যক্ৰমৰ সলনিকে ধৰি বাস্তৱমুখী শিক্ষা প্ৰবৰ্তনৰ ব্যৱস্থা কৰাৰ সময় সমাগত। মহাবিদ্যালয়ৰ অপযশ, দুৰ্নাম ওলালে ৰাইজে বৰ মনোকষ্ট পায়। মাত-মাতে। এয়া স্বাভাৱিক। পলমকৈ অনুষ্ঠিত হ'লেও ৰূপালী জয়ন্তীয়ে মহাবিদ্যালয়ৰ শ্ৰীবৃদ্ধিত সহায় কৰিব।

এই কথাখিনি যুগুত কৰোতে নামৰ ভুলকে ধৰি বহু কথা বৈ গৈছে। এই ভুলৰ বাবে পুনৰ ক্ষমা প্ৰাৰ্থনাৰে সামৰিছোঁ।

*(শ্ৰী চাংমাই দুধনৈ মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী প্ৰবক্তা)*

# স্মৃতিৰ সুবাস

ড° অনন্যা বৰুৱা

১৯৭২ চনত স্থাপিত হোৱা দুধনৈ মহাবিদ্যালয় প্ৰথম অৱস্থাত দুধনৈ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত অৱস্থিত আছিল। দুধনৈ অঞ্চলৰ এচাম বিদ্যোৎসাহী লোকৰ উৎসাহ-উদ্দীপনা, আশাসুধীয়া প্ৰচেষ্টা, অসীম ত্যাগ, অক্লান্ত শ্ৰমদান আৰু বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ দান বৰঙণিৰে গঢ়লৈ উঠা দুধনৈ মহাবিদ্যালয়ে দুধনৈ অঞ্চলৰ উচ্চশিক্ষাৰ অভাৱ পুৰণ কৰিবলৈ সমৰ্থবান হৈছে। বিভিন্ন ক্ষেত্ৰত কৰ্মসংস্থাপন লাভ কৰাৰ উপৰিও এইখন মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা বুজন সংখ্যক শিক্ষাৰ্থীয়ে অসমৰ বিভিন্ন মহাবিদ্যালয়ত বিশেষকৈ গোৱালপাৰা জিলাত অৱস্থিত প্ৰতিখন মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত শিক্ষক হিচাবে নিযুক্ত হোৱা দেখা গৈছে। শৈক্ষিক দিশৰ লগতে শিক্ষাৰ্থীৰ অন্তৰ্নিহিত প্ৰতিভাৰ সুস্থ বিকাশৰ বাবে এক সুস্থ বাতাবৰণ সৃষ্টি কৰি নিষ্ঠাৰে শিক্ষাদান কৰাত ব্ৰতী আছিল সেইসময়ৰ দুধনৈ মহাবিদ্যালয়ৰ প্ৰৱক্তা সকল।

১৯৭৫ চনত My friend, Philosopher and Guide ৰীতা ৰায়চৌধুৰী বাইদেউৰ লগত Pre-University 1st Year ত ভৰ্ত্তি হবলৈ আহিছিলো দুধনৈ মহাবিদ্যালয়ত শ্ৰীযুত ক্ষীৰোদ খাখলাৰী ছাৰে নামভৰ্ত্তিৰ প্ৰ-পত্ৰ পূৰণ কৰি P. U. 1st Year ত নাম ভৰ্ত্তিৰ ব্যৱস্থা কৰি দিছিলে। তাৰ পিছাদিনাৰ পৰাই নিয়মীয়া ভাবে শ্ৰেণীত পাঠ গ্ৰহণত ব্যস্ত হৈ পৰিছিলো। সেই সময়ত শিক্ষক আৰু ছাত্ৰৰ সম্পৰ্ক আছিল অতি নিবিড় আৰু আন্তৰিকতাপূৰ্ণ। যিকোনো মূহুৰ্ত্ততে শিক্ষকসকলক অতি ওচৰৰ পৰা লগ পোৱাৰ সুযোগ পাইছিলো। আমি শিক্ষকসকলক যথেষ্ট শ্ৰদ্ধা আৰু ভয় কৰিছিলো আৰু তেওঁলোকেও আমাক মৰম আৰু সদ্ উপদেশেৰ শুদ্ধ পথ বাছি লবলৈ উদগণি যোগাইছিল।

আজি সেইসকল শিক্ষক-শিক্ষয়িত্ৰীলৈকে মনত পৰিছে যিসকলে ইতিমধ্যে কলেজ এৰি থৈ গ'ল। করুণাকান্ত ৰাভা ছাৰ, দেৱেন কছাৰী ছাৰ, তাজুল ইচলাম ছাৰ, বাঠো ছাৰ, ৰয় ছাৰ, মমিন ছাৰ, বেৰ্ণাজী ছাৰ, নাথ বাইদেউ, কংশ বণিক বাইদেউ, হাজৰিকা ছাৰ, ধীৰেন ৰায় ছাৰ, শৰ্ম্মা ছাৰ, উমাকান্ত শৰ্ম্মা ছাৰ, শৰ্ম্মা বাইদেউ, কাকতি ছাৰ, ব্ৰহ্মচৌধুৰী ছাৰ আৰু বহুতো। সেই সময়ত শিক্ষক সকলৰ মূখত প্ৰায় শুনিবলৈ পাইছিলো "দৰমহা যিয়ে নহওঁক কিয় দুধনৈ কলেজত Life আছে।" সচাঁকৈয়ে সেইসময় শিক্ষক সকলৰ মাজত কোনো কৃত্ৰিমতা নাছিল। প্ৰায় বেছিভাগ সময়তে বাইদেউহঁতৰ লগত ওলাই যাওঁতে বাটতে শিক্ষাৰ্থী সকলে শিক্ষক সকলক যি সন্মান কৰিছিল আৰু হাঁহিমুখেৰে সম্ভাষণ জনাইছিল তেতিয়া মোৰ ভাব হৈছিল সচাঁকৈয়ে শিক্ষকতা এক সন্মানীয় পদ আৰু এদিন যদি মইও কলেজত শিক্ষকতা কৰাৰ সুযোগ পালোঁহেতেন। দুধনৈ মহাবিদ্যালয়ৰ তেতিয়াৰ অভিজ্ঞতাই হয়তো মোক যথেষ্ট অৰিহণা যোগাইছিল। শিক্ষক সকলক অনুকৰণ কৰি অৱসৰ সময়ছোৱাত শ্ৰেণীত পাঠদান কৰাত আমি কেইজনমান পাকৈত আছিলো আৰু প্ৰতিটো বিষয়ৰ বাবে একোজনকৈ বিশেষজ্ঞ নিজাববীয়াকৈ প্ৰস্তুত কৰি হুবহু সুৰ আৰু ভাবভঙ্গীৰে পাঠদান কৰাত ব্যস্ত আছিলো। হেমেন, হিতেশ, অৰিন্দম, অৰুণ, পুলিন, লক্ষী, জ্যোতিষ প্ৰমুখ্যে আমাৰ Group টোৰ নাম আছিল "লাল্‌তা-বেবী-অনা-পান্নাৰ" দল। এইদলটোৱে বহুসময়ত মহাবিদ্যালয়ত তাণ্ডৱৰ সৃষ্টি নকৰাকৈয়ো থকা নাছিল।

১৯৭৫ চনৰ পৰা ১৯৭৭ চনৰ এই দুটা বছৰৰ অভিজ্ঞতাই মোক মহাবিদ্যালয়খনক আপোন কৰি লবলৈ বাধ্য কৰাইছে। মহাবিদ্যালয়ৰ স্থায়ী গৃহ নিৰ্মাণত শ্ৰমদান কৰাৰ অভিজ্ঞতা আৰু শেষত খিৰিকীবিহীন নতুন শ্ৰেণীকোঠাত ১৯৭৭ চনত P. U. Final পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ অভিজ্ঞতা এতিয়াও মানসপটত ভাঁহি আছে।

বৰ্ত্তমান মহাবিদ্যালয়খনে বহুতো নতুন নতুন দিশত আগবাঢ়ি গৈছে। বহুতো নতুন নতুন বিষয় অন্তৰ্ভূক্ত কৰা হৈছে। বিজ্ঞান শাখা মুকলি কৰাৰ উপৰিও কাৰিকৰী বিষয়তো শিক্ষাদান কৰা দেখা গৈছে। দুধনৈ মহাবিদ্যালয় চৰৈৱতী চৰৈৱতী।

Long Live Dudhnoi College.
Viva La Dudhnoi College.

*(ড° বৰুৱা বিকালী মহাবিদ্যালয়ৰ শিক্ষা বিভাগ মুৰব্বী প্ৰবক্তা)*

# স্মৃতিৰ পাতত এৰি অহা দুধনৈ মহাবিদ্যালয়ৰ সেই সোণালী দিনবোৰ

সাবিত্ৰী বসুমতাৰী

অৱশেষত ইং ১৯৭২ চনত "দুধনৈ মহাবিদ্যালয়" প্ৰতিষ্ঠাৰ গুৰি ধৰোতা নমস্য ব্যক্তি প্ৰাক্তন এম.এল এ, ঁমনিশংকৰ বসুমতাৰী, ঁহাকিম চন্দ্ৰ ৰাভা, শ্ৰীযুতা আনন্দি ৰাভাৰ লগতে ঁবাখাৰু ৰাভা, শ্ৰীযুত পৱিত্ৰ চৰকাৰ তথা বিভিন্ন অনুস্থান প্ৰতিস্থানৰ উপৰিও দুধনৈ বাসী ৰাইজ আৰু গোৱালপাৰা জিলাৰ দাঁতি কাষৰীয়া অঞ্চলৰ বহু গুণী জ্ঞানী সহৃদয় লোকৰ আপ্ৰান চেষ্টা আৰু দান বৰঙনিত "দুধনৈ মহাবিদ্যালয়" অস্থায়ী ভাৱে আৰম্ভ কৰা হ'ল দুধনৈৰ বুকুত অৱস্থিত "দুধনৈ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত থকা সভাকক্ষ গৃহত, য'ত সেই তাহানি দিনৰে পৰা সভা সমিতি, তথা নাট-থিয়েটাৰ, সাংস্কৃতিক সন্ধিয়া বোৰ অনুস্থিত কৰা হৈছিল।

দুধনৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী হিচাপে "ৰূপালী জয়ন্তী" উৎসৱত কিবা এটা লিখিবলৈ মোক দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষদেৱ মাননীয় শ্ৰীযুত ড° গোপাল ফুকন, প্ৰাক্তন Vice-principal শ্ৰীযুত ক্ষীৰোদ খাখলাৰী, প্ৰৱক্তা শ্ৰীযুত হৰকুমাৰ নাথ আৰু লগতে মোৰ মা'ই বাৰে বাৰে কোৱাত মই মোৰ অতীতৰ কলেজীয়া দিন বোৰলৈ উভতি চাবলৈ বাধ্য হৈছিলোঁ।

লিখা-মেলা মই কোনোদিনে কৰা নাই। আজি দুধনৈ মহাবিদ্যালয়ৰ স্মৃতি ৰোমন্থন কৰিবলৈ গৈ মনত পৰিছে জীৱনৰ সেই সেউজীয়া সোণালী দিনবোৰ।

১৯৭২ চনৰ শীতৰ এক সেমেকা সন্ধিয়া। মনৰ আবেগতে এখুজি দুখুজি কৈ মই মোৰ বন্ধু ঁভূপেন কলিতা, ঁজগদীশ খাখলাৰী, স্বামী ঁমতিলাল বসুমতাৰীৰ লগত দুধনৈ মহাবিদ্যালয়ৰ evening-shift ৰ শাখাত গৈ উপস্থিত হৈছিলোঁ। তেওঁলোকে ইতিমধ্যে evening-shift ত Admission লৈছিল, যিহেতু আটায়ে চাকৰিয়াল আছিল। ময়ো তেতিয়া চাকৰি কৰাৰ উপৰি লৰা-ছোৱালীৰ মাতৃ হৈছিলোঁ। সেয়ে মোৰ কিছু সংকোচ বোধো হৈছিল।

আজি মই এই খিনিতে অতি কৃতজ্ঞ ভাৱে সেইজনা মহান অন্তৰৰ অতি জ্ঞানী, উৎসাহ দিওঁতা, মোৰ মঙ্গল কামনা কৰা মোৰ পৰম শ্ৰদ্ধেয় স্কুলীয়া জীৱনৰ পৰা পাই অহা চাৰ ঁসুশান্ত বেনাৰ্জী আৰু শ্ৰীযুত প্ৰতুল চক্ৰৱৰ্তী চাৰৰ নাম লবই লাগিব যাৰ কাৰণে মই এইখন মহাবিদ্যালয়ত পঢ়িবৰ সাহস গোটাব পাৰিছিলোঁ।

সেইদিনা ঁসুশান্ত বেনাৰ্জী চাৰে মোক দেখি কৈছিল "তুমি Admission ললা নে?" মই সেমেনা সেমেনি কৰি কৈছিলোঁ, "এই বুঢ়া বয়সত চাৰ আৰু কি পঢ়িম?" চাৰে এটা ডাঙৰ ধমকি দি মোক কৈছিল "আমি বুঢ়া হোৱা নাই আৰু তুমি বুঢ়ী ক'ৰ পৰা হ'ল? মই জানো তুমি পাৰিবা। তুমি অহা কালিয়ে Admission ল'ব লাগিব। মই আছে নহয়।"

ঠিক এনে উৎসাহ পূৰ্ণ মোৰ প্ৰতি থকা আস্থাৰ কথা মই পিচলৈ মোৰ শ্ৰদ্ধাৰ শ্ৰীযুত প্ৰতুল চক্ৰৱৰ্তী চাৰৰ পৰাওঁ পাইছিলোঁ যেতিয়া তেওঁ মোক B. Ed. ত Admission লবলৈ কৈছিল। কিন্তু সংসাৰ সংগ্ৰামৰ ব্যস্ততাত যিটো মোৰ কৰা নহ'ল। আচলতে বেনাৰ্জী আৰু চক্ৰবৰ্তী চাৰক মোৰ এনে লাগিছিল যেন দুয়ো এক অভিন্ন হৃদয়ৰ অকৃত্ৰিম বন্ধু। তাহানিৰ হাইস্কুলীয়া দিনৰ পৰাই যথেষ্ট মৰম স্নেহ মই তেওঁলোকৰ পৰা পাইছিলোঁ যাক সুঁৱৰি আজি মই জীৱনৰ বিয়লি বেলাতো গৰ্বিত হওঁ।

শেষত বেনাৰ্জী চাৰৰ কথা পেলাব নোৱাৰি মই evening-shift ত Admission লওঁ। লগে লগে মোৰ ৰাতিৰ কলেজীয়া জীৱন আৰম্ভ হ'ল। এই খিনিতে মোৰ আধৰুৱা শিক্ষাক আগুৱাই লৈ যোৱাত মোৰ লগতে মোৰ সংসাৰ খনক সৰ্বতো প্ৰকাৰে সহায় কৰিছিল মোৰ পূজনীয়া মা-দেউতা তথা মোৰ সৰু ভনী কেইজনীয়ে। নহলে লৰা-ছোৱালীৰ জঞ্জাল মাৰি মই ৰাতিৰ কলেজত গৈ পঢ়িব নোৱাৰিলো হেঁতেন।

ৰাতিৰ শাখাত পঢ়িবলৈ গৈ মই মোৰ কলেজীয়া জীৱনৰ চাৰ শ্ৰীযুত দেবেন কছাৰী (অস্থায়ী প্ৰিঞ্চিপাল) শ্ৰীযুত ক্ষীৰোদ খাখলাৰী, গোপাল ৰয়, ঁসুশান্ত বেনাৰ্জী, বাইদেউ ৰীতা ৰায় চৌধুৰী, বীণা নাথ, কনিকা নাথৰ লগতে কাৰ্য্যালয় সহায়ক ধনীৰাম ভকতক লগ পাওঁ। যি সকল চাৰ বাইদেউৱে অতি নুন্যতম পাৰিশ্ৰমিকৰ বিনিময়ত যথেষ্ট ত্যাগ স্বীকাৰ কৰি আমাক আন্তৰিকতাৰে পাঠ দান কৰি আজিৰ এই সৰ্বাঙ্গ সুন্দৰ "দুধনৈ মহাবিদ্যালয়" খন গঢ় দি উঠাত যথেষ্ঠ বৰঙনি আগবঢ়াইছিল।

যিয়ে নহওঁক সন্ধিয়াৰ এন্ধাৰ ফালি আমি বন্ধু বান্ধৱী কেইজনে গৈ উপস্থিত হওঁ আমাৰ অস্থায়ী কলেজৰ ক্লাচ ৰুমত।

মনত নতুন আশা উদ্দিপনা লৈ আমি প্ৰত্যেকটো ক্লাচকে কৰোঁ শীতৰ কুৱলীকো আওঁকান কৰি। ক্লাচ কৰি থাকোতে কেতিয়াবা হেচোক লাইটটোৰ পাম্প নোহোৱা হৈ যায়। তেতিয়া লৰি গৈ ভূপেন বা জগদ্বীশে পাম্প মাৰিবলৈ ধৰে। পুনৰ লাইটৰ পোহৰত চাৰ বাইদেউ সকলে এৰি যোৱা বক্তৃতাৰ আঁত বিচাৰি আমাক বুজাবলৈ ধৰে। অফ ক্লাচ্‌বোৰত আমি বান্ধৱী নাজমা খাতুনৰ লগত লগ লাগি বহি যাওঁ কেৰম খেলিবলৈ। আজিও ভাবো কি যে মধুৰ আছিল সেইদিনবোৰ।

তাহানিতে বিশ্ব বিদ্যালয়ৰ ডিগ্ৰী লৈ মনত হেজাৰ স্বপ্ন আঁকি, উৎসাহ উদ্দিপনা তথা ডেকা বয়সৰ অফুৰন্ত শক্তিৰে আমাক চাৰ বাইদেউ সকলে সকলো বিষয় খুটি নাতি মাৰি শিকোৱাৰ উপৰিও সকলো প্ৰকাৰে বন্ধুৰ দৰেই সহায় কৰিছিল। যিহেতু আমি ৰাতিৰ শাখাৰ ছাত্ৰ-ছাত্ৰী সকল চাকৰিয়াল তথা বয়সতো চাৰ বাইদেউ সকলৰ ওচৰে পাজৰে আছিলোঁ, সেয়ে আমাৰ লগত তেওঁলোকৰ ব্যৱহাৰ শিক্ষা গুৰুত্ব উপৰিও বন্ধুত্ব পূৰ্ণ আছিল। আমাৰ মাজত কোনো সংকোচ নাছিল, আমি সকলো কথা তেওঁলোকৰ share কৰিছিলোঁ। আমাৰ Problem ৰ কথা, আমাৰ মনৰ কথা আমি নিঃসংকোচে চাৰ বাইদেউক কব পাৰিছিলোঁ। গৰ্বৰে কওঁ, এনে সম্বন্ধ হয়তো আজিৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গুৰুৰ লগত ৰাখিবলৈ টান পায়। লগতে মোৰ অনুভৱ হয় আমাৰ চাৰ বাইদেউ সকলেওঁ আমাক পঢ়ুৱাই, আমাৰ লগত মিলি যি আনন্দ আৰু আমেজ পাইছিল সেইবোৰ তেওঁলোকৰ স্মৃতিৰ মনিকোঠাত সদায় সজীৱ হৈ ৰিঙিয়াই থাকিব।

সময়ৰ সোঁতত দিনবোৰ এটি এটি কৈ বাগৰি গ'ল। 'দুধনৈ মহাবিদ্যালয় সপ্তাহ'ৰ আয়োজন চলিল। নতুন কলেজ, ডেকা চাৰ বাইদেউ সকলৰ অফুৰন্ত শক্তি উৎসাহ, লগতে Day shift আৰু evening shift ৰ ছাত্ৰ-ছাত্ৰী সকলৰ নতুনকৈ কিবা কৰি দেখুৱাৰ হেঁপাহেৰে "মহাবিদ্যালয় সপ্তাহ" উজ্বলি উঠিল। প্ৰায় ভাগ ল'ৰা ছোৱালীয়ে indoor game, out door game অত অংশ গ্ৰহণ কৰি নিজ নিজ পাৰদৰ্শিতা দেখুৱালে।

স্কুলীয়া দিনৰ পৰাই মই খেল ধেমালিত অংশ গ্ৰহণ কৰি পুৰস্কাৰ বুটলিছিলোঁ। যিটো কথা বেনাৰ্জী চাৰেও জানিছিল। গতিকে জোৰকৈ মোকো ১০০ মিটাৰ দৌৰ খেলত থিয় কৰি দিলে। মই ল'ৰা-ছোৱালীৰ মাক হৈও দৌৰিব লগা হৈছিল এজাক তৰুণী ছাত্ৰীৰ মাজত। উপায় নেপাই মই দৌৰিছিলোঁ। ৫০ মিটাৰলৈ মই চেকেণ্ড পজিচনত দৌৰি আছিলোঁ। কিন্তু হঠাতে মোৰ লাজ লগাত মই আধা বাটতে বহি দিছিলোঁ। পিচে কেৰম খেলত মই পুৰস্কাৰ লৈছিলোঁ। যিটো খেল পৰিচালনা কৰিছিল শ্ৰী গোপাল ৰয় চাৰে। এই দৰেই সাংস্কৃতিক সন্ধিয়াত নাচ গান আদিৰ উপৰিও। আবৃতি, তৰ্ক আদি প্ৰতিযোগীতা চলিছিল। মোৰ ভগ্নীসম শ্ৰীমতী কৃষ্ণা ৰয়ে দুধনৈ মহাবিদ্যালয়ৰ প্ৰথম best singer হৈছিল।

এই দৰে দুয়োটা shift ৰ সহযোগত বিভিন্ন কাৰ্য্যসূচীৰে জকমকীয়া ভাৱে পালন কৰা হয় প্ৰথম "দুধনৈ মহাবিদ্যালয় সপ্তাহ"। যাৰ সাক্ষী আৰু সহযোগী হোৱাৰ সৌভাগ্য মোৰ হৈছিল।

ইয়াৰ পিচতেই আহি পালে সৰস্বতী পূজা। বৰ ধুম ধামেৰে আমি সৰস্বতী পূজা পাতিলোঁ। পূজাৰ পিচদিনা এখন লৰী গাড়ীত উঠি আমি প্ৰতিমা ফুৰাবলৈ ওলালোঁ। লৰী গাড়ীৰ পিচৰ ফালে থিয় দি আমি ছাত্ৰ-ছাত্ৰী, চাৰ-বাইদেউ আটায়ে উঠি দুধনৈ চাৰি আলিৰ চাৰি দিশে সৰস্বতী মাৰ জয়ধ্বনিৰে চিঞৰি চিঞৰি গৈছিলোঁ। মোৰ কাষতে থকা বীণা নাথ বাইদেউয়ো আমাৰ লগে লগে আনন্দতে জয়ধ্বনি দি গৈছিল। সেই মুহূৰ্ত্তত আমি আটায়ে একাকাৰ হৈ গৈছিলোঁ। কোনো চিন নাছিল কোন ছাত্ৰ-ছাত্ৰী কোন চাৰ-বাইদেউ। এনে দৃশ্য আজি কালি আৰু ক'ত দেখা যায়। সময়ৰ সোঁতত আজিকালি সকলো সলনি হৈ গ'ল।

এই খিনিতে মই নাটকৰ কথা নিলিখিলে সকলো কথা আধৃৰুৱা হৈ ৰ'ব। শ্ৰদ্ধেয় ক্ষীৰোদ খাখলাৰী চাৰে এদিন আমাক ক'লে এখন একাঙ্কিকা নাটিকা পৰীক্ষা মূলক ভাৱে কৰিবলৈ। নাটক খনৰ নাম আছিল "বান্দৰৰ হাতোৰা"। তেওঁ মোৰ বন্ধু কেইজনৰ সৈতে একমাত্ৰ নাৰী চৰিত্ৰটো মোক কৰিবলৈ ক'লে।

নাটক বলিয়া মন এটা মোৰ সৰুৰে পৰা আছিল। কিন্তু ল'ৰা-ছোৱালীৰ মা'ক হোৱাৰ পিচত মই নাটক কৰা নাছিলোঁ। চাৰৰ কথা ৰাখি ৰিহাৰ্চেল আৰম্ভ কৰিলোঁ। আগতে আমি স্কুলত নাটক কৰিছিলোঁ ফুৰ্তিৰ কাৰণে। কিন্তু কলেজৰ এইখন নাটক কৰিবলৈ গৈ মই সঁচাকৈ বুজি পাইছিলোঁ নাটক কেনেকৈ কৰিব লাগে। খাখ্‌লাৰী চাৰৰ নিৰ্দেশনা, পৰিচালনা তথা নিয়মানুবৰ্তিতা সঁচাকৈয়ে শলাগিবলগীয়া। তেওঁ নাটকৰ লগত এনেদৰে একাত্ম হৈ যায় যে আমি ইফাল-সিফাল কৰিব নোৱাৰিছিলোঁ। অতি চিৰিয়াচ ভাৱে তেওঁ আমাক নাটক কৰিবলৈ শিকাইছিল। এইখিনিতে চাৰৰ আৰু এটা গুণ আমি দেখিবলৈ পাইছিলোঁ — সেয়া হ'ল তেওঁৰ শিল্পী সুলভ মন এটা। তেওঁ নাটকৰ দৃশ্যসজ্জা, পোহৰ, সাজসৰ্জ্জা এনে সুন্দৰ ভাৱে সেই তাহানিতে কৰিছিল যে আমি দেখি আচৰিত হৈছিলোঁ।

যি যি কি নহওঁক, ফাইনেল ৰিহাৰ্চেল চাই শ্ৰী খনিন দাস চাৰ প্ৰমুখ্যে দুধনৈৰ নাটক বলিয়া একাংশ ব্যক্তিয়ে আমাক ভ্ৰাম্যমান থিয়েটাৰৰ লগত তুলনা কৰি কৈছিল যে আমি এশ পাৰচেন্টৰ ভিতৰত পয়সত্তৰ পাৰচেন্ট সফলতাৰে কৰিব পাৰিছোঁ। নিৰ্দ্দিষ্ট দিনত সন্ধিয়া আমি নাটক কৰিবলৈ আটাই কেইজনে কাপোৰৰ টোপলা-টোপলি লৈ ওলালোঁ। মূৰৰ ওপৰত জোনৰ পোহৰ, ষ্ট্ৰিট্ লাইটৰ তলে তলে আমি আগবাঢ়িছিলোঁ কান্ধত মোনালৈ। যেন আমি ৰাতিৰ ট্ৰেইন ধৰিবলৈ যোৱা যাত্ৰীহে। মনৰ ৰাগীত জগদ্বীশে গাই গৈছিল ভূপেন হাজৰিকা দেৱৰ গান — "প্ৰথম নহয়, দ্বিতীয় নহয়, তৃতীয় শ্ৰেণীৰ যাত্ৰী আমি।" আমি গৈ বেচিক স্কুলৰ ফিল্ড পালোঁ। দেখিলোঁ

ওচৰ চুবুৰীয়া গাওঁৰ পৰা গৰু গাড়ী, মহৰ গাড়ীত উঠি, নাটক চাবলৈ অহা দৰ্শকৰ জুম। নাটক কৰা 'হল'টো মানুহেৰে ঠাহ খাই আছে। মোৰ সৰু ল'ৰা-ছোৱালী কেইটাক গ্ৰীণৰুমৰ টেবুল এখনত বহুৱাই থৈ মেক-আপ লৈ আমি আটায়ে ৰেডি হ'লো।

হুবহু মুখস্থ কৰা বিদ্যা মোৰ একেবাৰে নাই সেয়ে নাটকৰ পাৰ্টবোৰ মনত ৰখাত টান পাইছিলোঁ। এটা দৃশ্যত উইংচৰ ওচৰত থকা এখন দুৱাৰত ধৰিকিয়াই ডায়লগ মাতিব লাগে। মই মোৰ পাৰ্ট খিনি কাগজ এখিলাত লিখি আঠা নেপাই গ্লিচাৰিনকে ঢালি দৰ্জ্জা খনত মাৰি দিলোঁ। ভাবিলোঁ, কোনেওঁ দেখা নেপায় যেতিয়া মই চাই চাই মাতি Acting দেখুৱাই থাকিম। এনেতে খাখলাৰী চাৰে দেখা পাই এইখন কি লিখিছা বুলি একুৱাই পেলাই দিলে। মই তেতিয়াই বুজিছিলোঁ চাৰে কিমান শৃংখলাবদ্ধ ভাবে নাটকখন কৰাটো বিচাৰিছিল। এইদৰে নানা ফুৰ্তি তামচাৰে সফলতাৰে আমি নাটক কৰিছিলোঁ।

তাৰ পিচতেই আহিল পৰীক্ষাৰ প্ৰস্তুতি। ছাত্ৰ-ছাত্ৰীক উৎসাহ দিবলৈ কলেজৰ পৰা ঘোষণা কৰিলে যে প্ৰথম বিভাগ পালে সোণৰ মেডেল, আৰু দ্বিতীয় বিভাগ পালে ৰূপৰ মেডেল দিয়া হ'ব। এই ক্ষেত্ৰত বন্ধুবৰ ঁজগদ্বীশ আৰু ঁভূপেনৰ উৎসাহ বেছি। মেডেল লবই লাগিব। কিন্তু প্ৰতিযোগীতা মোৰ লগত। মই কি পঢ়িছোঁ কি পঢ়া নাই সদায় আহি আমাৰ ঘৰত আলোচনা। কেতিয়াবা হাঁহিও উঠিছিল, সেই বয়সত জগদ্বীশৰ পঢ়াৰ ধুম দেখি।

ৰিজাল্ট ওলাল। জগদ্বীশ, মই আৰু ভূপেন আমি তিনিও দ্বিতীয় বিভাগত পাঁচ কৰি ৰূপৰ মেডেল পালোঁ। জগদ্বীশে ক'লে চা — "তোৰ লগত প্ৰতিযোগীতা কৰি ৰূপৰ মেডেল লৈহে এৰিলোঁ।" ঘৰ সংসাৰ, চাকৰিৰ লগতে তেনেকুৱা এখন চালুকীয়া অৱস্থাৰ কলেজত পঢ়ি ৰূপৰ মেডেল পোৱাটোকেই আমি বহুত পোৱা যেন পাইছিলোঁ। কালৰ সোঁতত আজি মই সিহঁত দুয়ো বন্ধুকে হেৰুৱালোঁ। কিন্তু সিহঁতৰ সজীৱ স্মৃতি, যে আজিও মোক হৈ আমনি কৰে।

এই খনেই মোৰ অতি মৰমৰ দুধনৈ মহাবিদ্যালয় য'ত মই, মোৰ ছোৱালী লগতে মোৰ ভনী আটায়ে আমি শিক্ষা লাভ কৰি জীৱনৰ উজ্জ্বল সময় এচোৱা পাৰ কৰি আহিছোঁ। যি খন মহাবিদ্যালয়ৰ শোভা অসমৰ ভিতৰতে অন্যতম। শাল গছ, বন-বননি কাটি স্থাপন কৰা হৈছিল আজিৰ "দুধনৈ মহাবিদ্যালয়"। ওখ টিলা কাটি সমান কৰি তৈয়াৰ কৰা হৈছিল বহল খেলপথাৰ। গছ গছনি ৰুই, বিল-খাল খান্দি অনন্য ৰূপ দিলে মহাবিদ্যালয় খনক। গছ-গছনিৰে পৰিবেষ্টিত হৈ প্ৰকৃতিৰ শোভাৰ মাজত, এনে লাগে যেন ডিঙিত এধাৰি মুকুতাৰ মালা পিন্ধি স-গৌৰবে থিয় দি আছে সেয়া "দুধনৈ মহা-বিদ্যালয়"।

বিজ্ঞান আৰু কলা দুয়োটা শাখাকে লৈ আজিৰ এই পূৰ্ণাঙ্গ মহাবিদ্যালয় খন গঢ়ি উঠাত সকলো ৰাইজৰ আন্তৰিকতাৰ লগতে কলেজ শিক্ষক-শিক্ষয়িত্ৰী তথা কলেজ অফিচ ষ্টাফৰো যথেষ্ঠ শ্ৰম আৰু ত্যাগ জড়িত হৈ আছে। মই আশা কৰোঁ শিক্ষাগুৰু সকলে আগলৈয়ো যাতে ছাত্ৰ-ছাত্ৰীক উন্নত শিক্ষা দান কৰি ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ লগতে কলেজ খনৰো মান উন্নত ৰাখে।

এই ছেগতে মই মাননীয় অধ্যক্ষ মহোদয়কো অনুৰোধ জনাওঁ যাতে যিবোৰ কাম কলেজ খনত এতিয়াওঁ হৈ উঠা নাই সেই বিলাক কাম ৰাইজ, অভিভাৱক তথা চৰকাৰৰ সহায়-সহযোগীতাত সম্পাদন কৰি কলেজ খনক তেওঁ সৰ্বাঙ্গীন উন্নতিৰ পথত আগুৱাই লৈ যোৱাত অৰিহণা যোগায়।

সদৌ শেষত ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয় খনৰ সবাঙ্গীন উন্নতি আৰু শ্ৰীবৃদ্ধি কামনা কৰিলোঁ।

"জয়তু দুধনৈ মহাবিদ্যালয়"।

*(লেখিকা প্ৰাক্তন ছাত্ৰী তথা বৰ্তমানৰ শিক্ষক)*

# এন্ধাৰৰ পৰা পোহৰলৈ ঃ দুধনৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী

মোঃ খলিলুৰ ৰহমান

প্ৰকৃতি উদাৰ। উদাৰ প্ৰকৃতিয়ে যুগে যুগে মানুহক অকপটে অনুগ্ৰহ কৰি আহিছে। প্ৰকৃতিৰ অনুগ্ৰহ গ্ৰহণ কৰিবলৈ মানুহ সক্ষম হৈছে। প্ৰকৃতিয়ে কি অনুগ্ৰহ দান কৰিছে বাৰু? প্ৰকৃতিৰ যি নাই তাত বাহিৰে সকলোখিনিকেই দান কৰিছে! গতিকে মানুহ প্ৰকৃতিৰ আশীৰ্বাদপুষ্ট হৈ ধন্য হ'ব পাৰিছে। সেইবাবেই মানৱজীৱন গৌৰৱান্বিত।

গুহা মানৱ আৰু আজিৰ মানৱৰ মাজত ৰাতি আৰু দিনৰ ব্যৱধান বিদ্যমান। নিঃসহায় নিসম্বল আৰু নাঙ্গ নাবস্ত্ৰ গুহামানৱে আজি দেৱোত্তীৰ্ণ জীৱন যাপন কৰিবলৈ সক্ষমহৈছে; কিন্তু মানুহে এই বিজয় যাত্ৰাৰ সমাপ্তিৰেখা টানিবলৈ অদ্যপি সমূলি অনিচ্ছুক হৈ আছে। মানুহ নিজৰ বিজয় যাত্ৰাত অগ্ৰসৰ হৈ থাকিবলৈ কায়মনে বাক্যে বদ্ধ পৰিকৰ; কিন্তু মানুহে নিজৰ মৌলিক প্ৰয়োজন আহাৰ বস্ত্ৰ আৰু মৈথুনতেই সন্তুষ্টি লাভ কৰি বিলাসী আৰু অলস জীৱন যাপন কৰি স্থিতিশীল হৈ থাকিবলৈ কোনো কালেই ধাৰণা পোষণ কৰা নাই। সিহঁত সদায় গতিশীলহৈ থাকিবলৈ গৈছে আৰু সকলো প্ৰকাৰৰ প্ৰত্যাহ্বানৰ মুখামুখি হৈ থাকিবলৈ দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে। তাৰ প্ৰমাণ মানুহৰ বিশ্বজোৰা বিস্তৃতি আৰু সুসভ্য সংস্কৃতিময় জীৱন সৃষ্টি। অন্ধ কাৰাচ্ছন্ন আফ্ৰিকাৰ অজ্ঞাত আৰু ভয় ভীতিৰে পৰিপূৰ্ণ স্থানত উদ্ভূত মুষ্টিমেয় মানুহে পোহাৰৰ সন্ধানত যুগাতিযুগ অচিন আৰু শংকাকূল পথেৰে দিশে দিশে অবিশ্ৰান্ত পথিকৰ বেশত আগুৱাবলৈ ধৰিলে। সিহঁত আগুৱাই থাকিল। কিন্তু ভিন্নভাবে, ভিন্ন পথেৰে, নগ্ন (?) পদাচাৰী বেশেৰে। এনেদৰে যুগ যুগ পাৰ কৰি দিলে। সিহঁতে সাগৰত সাঁতুৰিলে, পাহাৰত বগালে, অৰণ্যত খেপিয়ালে, পথাৰ আৰু পথত পদ সঞ্চালন কৰিলে। সিহঁতক কাঁইটে বিন্ধিলে, খেৰনিয়ে কাটিলে, সাপে খুটিলে, বাঘ-সিংহই বধিলে, ঠেঁটুৱা জাৰে পীড়িলে, উৎকট তাপে পুৰিলে ইত্যাদি। তথাপিও সিহঁতৰ অগ্ৰগতিৰ তৃষ্ণাৰ নিবৃত্তি নহ'ল। অতৃপ্ত তৃষ্ণাৰ তাগিদাত সিহঁত আগুৱাই থাকিল। যুগৰ পাছত যুগ অবিশ্ৰান্ত শ্ৰম কৰি সিহঁতে সমগ্ৰ পৃথিবীতে বিয়পি পৰিল — কোনোবাই সমভূমিত, কোনোবাই পাহাৰত, কোনোবাই, মৰুভূমিত, কোনোবাই তুষাৰাঞ্চলত, কোনোবাই অৰণ্যভূমিত, কোনোবাই নৈৰ দাঁতিত, কোনোবাই সাগৰৰ কূলত বৈ স্থিতাৱস্থাৰ কথা ভাবিবলৈ ধৰিলে।

ইতিমধ্যে সমগ্ৰ পৃথিবীজুৰি এটা এটাকৈ অন্ততঃ তিনিটা সৰ্বনাশী বৰফৰ যুগ পাৰহৈ গৈছে। সমভূমি গুহা কতো জীয়াই থাকিব পৰাকৈ ঠাই নথকাত গছত উঠি অনাহাৰ অনিদ্ৰাৰ মাজত দিনৰ পাছত দিন আৰু নিশাৰ পাছত নিশা কটাব লগীয়াত পৰিছিল, কিন্তু জীয়াই থাকিবলৈ সক্ষম হৈছিল নগণ্যসংখ্যক মানুহ। বহু পাছত সৌভাগ্যৰ উদয় হ''ল আৰু মানুহে মৃত্যুৰ পৰা (দুৰ্যোগে ঘটোৱা মৃত্যু) পৰিত্ৰাণ পালে। উষ্ণ পৰিৱেশ বিৰাজমান হ'ল আৰু মানুহে নতুনকৈ উৎসাহ উদ্দীপনা লাভ কৰিলে।

আদিম অৱস্থাৰ পৰাই প্ৰকৃতিৰ অন্যান্য জীৱৰ লেখীয়াকৈ মানুহৰো পুৰুষ আৰু নাৰীৰ সহাৱস্থান বিদ্যামান আছিল। প্ৰকৃতিৰ অনুকূল আৰু প্ৰতিকূল সকলো অৱস্থাৰ মাজতেই পুৰুষে নাৰীক আৰু নাৰীয়ে পুৰুষক এৰাই চলা নাই। সেইহেতুকেই মানুহৰ বংশ পৰম্পৰাৰ যতি পৰা নাই, বৰং ই বৃদ্ধি পাই আহিছে। লগে লগে মানুহৰ পৰিভ্ৰমী চৰিত্ৰও বৃদ্ধি পাই আহিছে। হাঁহি-কান্দোন আৰু আশা-নিৰাশাৰ ধূসৰ অৱস্থাৰ মাজতো মানুহে আগলৈহে চাইছে, কোনো কালেই পাছলৈ চোৱা নাই আৰু পচ্ছাৎপদ হোৱাই নাই। ইয়াৰ কাৰণ মানুহক লগে নতুন পোহৰ আৰু নতুনৰ পৰশ। সঁচাকৈয়ে এদিন মানুহে নতুন পোহৰ আৰু নতুনৰ পৰশ পাবলৈ সক্ষম হ'ল।

নিৰৱচ্ছিন্ন পৰিভ্ৰমী চৰিত্ৰই মানুহক প্ৰচুৰ অভিজ্ঞতা দান কৰিলে। সেইবাবে মানুহে যিকোনো পৰিৱেশতেই নিজক খাপ খুৱাই থাকিবলৈ সক্ষম হৈছিল। পৰিভ্ৰমণ কৰি কৰি মানুহৰ বিভিন্ন গোটে পৃথিবীৰ বিভিন্ন স্থানত উপস্থিত হৈছিল। লাহে লাহে সিহঁতে পৰিভ্ৰমী ধাৰণা কমাই আনি স্থিৰ হ'বলৈ ধৰিলে। মানুহে বিচৰণ কৰে নিৰাপদ আৰু সুখময় জীৱন যাপন কৰাৰ মানসেৰে। য'ত মানুহে লাভ কৰিছে নিৰাপদ, সুখময় আৰু প্ৰাচুৰ্যপূৰ্ণ পৰিৱেশ তাতেই বৈ স্থায়ীভাবে বসতি কৰিবলৈ ধৰিলে। কিন্তু ভাবিলে পতিয়ণ যাবলৈ টান লাগে তুন্দ্ৰাঞ্চলৰ উৎকট চেঁচা বৰফময় ঠাইত মানুহে কি সুখৰ সন্ধান পাইছিল। একেদৰে ভাবিবলৈ টান লাগে মৰুভূমিৰ উষৰ ঠাইতনো মানুহে কি সুখ-শান্তি লাভৰ সপোন দেখিছিল। আমি যদিও বুজিব নোৱাৰো তথাপিও পতিয়ন যাবই লাগিব যে সিহঁতে নিশ্চয় কিবা দেখিছিল। যুগ যুগ ধৰি অদ্যপিও সিহঁতে সেইবোৰ ঠাইক বুকুৰ আমঠু যেনকৈ ধৰি আছে।

আদিম মানুহ আৰু আজিৰ মানুহ জানো একেই আছিল? এইটো এটা বিতৰ্কিত প্ৰশ্ন। কোনো কোনো পণ্ডিতে কয় আধুনিক মানুহ

আদিম বান্দৰৰ পৰিবৰ্তিত ৰূপ। আন কিছুমান পণ্ডিতে কয় যে মানুহ আৰু বান্দৰ একেমূলৰ পৰা উদ্ভূত দুটা ভিন্ন ডালৰ জীৱ। আৰম্ভণিৰে পৰাই মানুহ উন্নত মগজু আৰু দেহৰ অধিকাৰী আছিল। পৰিবৰ্তন আকাংক্ষী মানুহে যুগে যুগে নিৰন্তৰ চেষ্টা চলাই বৰ্তমানৰ অৱস্থাপ্ৰাপ্ত হৈছে। আনহাতে বান্দৰে পৰিবৰ্তন বিমুখ হৈ থকাৰ কাৰণে একেদৰেই থাকি গ'ল।

আদিম মানৱৰ জানো আজিৰ লেখীয়া ভাষা আছিল? কোনে এই প্ৰশ্নৰ উত্তৰ দিব পাৰিব? বৈজ্ঞানিক সকলে এইবোৰ কথা উদ্‌ঘাটন কৰিবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে। আদিম মানৱৰ আজিৰ লেখীয়া ভাষা নাছিল বুলিয়েই ধাৰণা কৰা হয়। কিন্তু ইংগিতময় কিবা ভাষা নিশ্চয় আছিল। নহলেনো সিহঁতে কেনেকৈ দলবদ্ধভাবে সমাজমুখী জীৱন যাপন কৰি আহিছে? বৰ্তমানৰ প্ৰস্ফুটিত ভাষা যুগ-যুগান্তৰৰ পাছৰ পূৰ্ণ ৰূপ। বৰ্তমানে পৃথিবীত ২,৭০০ টা ভাষা প্ৰচলিত হৈ আছে। দোৱানসমূহক সামৰি ললে ই ৩,০০০ অতিক্ৰম কৰিব। কিন্তু ইতিমধ্যে কিছুমান ভাষা বিলুপ্ত হৈছে।

কেনেকৈ ইমানবোৰ ভাষাৰ সৃষ্টি হ'ল? এই ৰহস্য উদ্‌ঘাটন কৰাটো তেনেই সহজ কাম নহয়। পণ্ডিতসকলে ইতিমধ্যে বহু তথ্য উদ্‌ঘাটন কৰিছে। তথাপিও এই দিশত ই দুটা এটা পদক্ষেপহে। প্ৰস্ফুটিত ভাষাৰে কথা ক'ব পৰা হোৱা দিনৰ পৰাই মানুহে পৰস্পৰৰ লগত ভাবৰ আদান-প্ৰদান কৰি বহু কথাৰ সন্ধেদ পোৱা হ'ল আৰু জ্ঞানপুষ্ট হ'বলৈ সক্ষম হ'ল। সংসাৰ যাত্ৰাত দৰ্কাৰী কথাবোৰ সংৰক্ষণ কৰাটো জৰুৰী বুলি মানুহে ভাবিবলৈ ধৰিলে। কিন্তু কেনেকৈ কৰিব? এই চিন্তাই সিহঁতক চিহ্ন, চিত্ৰ, প্ৰতীক আদিৰ ধাৰণা দিলে। এইবোৰেই পৰিবৰ্তীকালত অনুক্ৰমে পৰিবৰ্ত্তিত হৈ সংখ্যা আৰু আখৰৰ সৃষ্টিত অৰিহণা যোগালে। ভাষা আৰু সংখ্যাৰ ৰূপ ভিন ভিন হ'লেও সাদৃশ্যৰ কোনো অমিল নাই। এইটোহে ভাবিব লগীয়া কথা। সম্পূৰ্ণৰূপে ভিন্ন ভিন্ন পৰিৱেশত ভিন্ন ভিন্ন মানুহে একে ভাব আৰু হিচাব প্ৰকাশক ভাষা আৰু সংখ্যা কেনেকৈ উদ্ভাৱন কৰিলে বাৰু?

পিছত মানুহবিলাকে নিজ নিজ ঠাই ত উন্নতি আৰু বিকাশ ঘটাবলৈ ধৰিলে। পৰিভ্ৰমী, নাঙঠ আৰু অসংস্কৃত জীৱন ত্যাগ কৰি স্থায়ী, বস্ত্ৰ পৰিহিত আৰু সংস্কৃতিময় জীৱন যাপন কৰিবলৈ আৰম্ভ কৰিলে। কিন্তু প্ৰাকৃতিক পৰিৱেশে মানুহৰ ওপৰত বাৰুকৈয়ে প্ৰভাব পেলাইছিল। সেইমতে মানুহৰ শৰীৰ, মন, মগজু, আহাৰ, বস্ত্ৰ, বাসস্থান আদি গঢ় লৈ উঠিছিল। নাতিশীতোষ্ণ ভাৰত, ভূমধ্যসাগৰীয় অঞ্চল, ইউৰোপ, আমেৰিকা আদিত সুশ্ৰী, ওখ-পাখ, পোণদেহী, পোন চুলিৰ, উন্নত নাকৰ গৌৰবৰ্ণ ককেচীয়াণ মানুহৰ সৃষ্টি হ'ল। চীন, জাপান, ম্যানমাৰ আদি পাহাৰময় নাতিশীতোষ্ণ ঠাইবোৰত মঙ্গোলীয়ান মানুহৰ সৃষ্টি হ'ল। আকৌ উষ্ণ মৰুময় আফ্ৰিকাত ক'লা, শকত, মধ্যম উচ্চ, উলসদৃশ কেকোৰা চুলিৰ চেপেটা নাকৰ নিগ্ৰোমানুহৰ সৃষ্টি হ'ল। সামগ্ৰিক ভাবে সকলোৰে মাজত একেধৰণৰ মানৱীয় গুণ থাকিলেও বিভিন্ন ভাবে পৃথকতাৰ চিনো বিদ্যমান। অৱশ্যে নতুন ঠাই, সুখৰ ঠাই আৰু পৰিবৰ্তনৰ আশাত পৰিভ্ৰমী হোৱা বাবে ভিন ভিন গোটৰ মাজত কিছু পৰিমাণে সংমিশ্ৰনো ঘটিছিল। তেহৈলেও গোষ্ঠীবোৰ একাকাৰ হৈ যোৱা নাছিল।

সকলো অৱস্থাতেই মানুহে নিজৰ অগ্ৰগতিৰ ওপৰত গুৰুত্ব দিছিল। নিৰাপদ জীৱন সা-সুবিধাৰ প্ৰাচুৰ্য, যাতায়াতৰ সুচলতা, সংস্কৃতিময় জীৱন আদিৰ ওপৰত অনবৰতে অগ্ৰাধিকাৰ দিছিল। সেইবাবে মানৱসভ্যতা গঢ়ি উঠিছিল সমুদ্ৰৰ উপকূল আৰু নৈৰ পাৰত। ভূমধ্য সাগৰৰ উপকূলত মানৱসভ্যতাৰ বিকাশ ঘটিছিল। সেইদৰে ইজিপ্তৰ নীলনদী, চীনৰ হোৱাংহো নদী, ইৰাকৰ ইউফ্ৰেটিচ আৰু টাইগ্ৰীচ নদী আৰু ভাৰতৰ সিন্ধুনদীৰ পাৰত মানৱ সভ্যতাৰ বিকাশ ঘটিছিল। এই সভ্যতাই আজিৰ বিশ্বসভ্যতাৰ প্ৰতিফলন। আদিম যুগৰ গুহামানৱৰ বংশধৰে আজি সুসভ্য মানৱজাতিলৈ উন্নীত হ'ল।

লেখন কলা আৱিষ্কাৰ কৰি মানুহে লিখা-পঢ়াৰ ওপৰত গুৰুত্ব দিলে। ফলত মানুহৰ জ্ঞানচক্ষু মুকলি হ'ল। পুথি-পাঁজি ৰচিত হ'ল। জ্ঞান সঞ্চয় হ'বলৈ ধৰিলে। পুথিত সঞ্চিত জ্ঞান আহৰণ কৰি অগণন মানুহে জ্ঞানৰ অধিকাৰী হ'ল। 'জ্ঞানে অমৃত বৰষায়' — এই কথাটো সকলোৱে উপলব্ধি কৰিব পাৰিলে। শিক্ষাৰ প্ৰতি মানুহৰ আগ্ৰহ দ্ৰুতভাবে বাঢ়িবলৈ ধৰিলে। গৃহৰ শিক্ষা আনুষ্ঠানিকতালৈ আগবাঢ়ি আহিল। বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈকে প্ৰতিষ্ঠা হ'ল। এসময়ৰ অজ্ঞতাই আজি শিক্ষা আৰু জ্ঞানৰ আলোকেৰে জ্যোতিষ্মান হৈ উঠিল। শিক্ষাৰ সমৃদ্ধিৰে আজিৰ পৃথিবী জয়জয় ময়ময় হ'ল।

প্ৰাচীন যুগতো পৃথিবীৰ কেবাখনো দেশত শিক্ষা-সংস্কৃতি শিখৰলৈ উন্নীত হৈছিল। তেনে দেশবোৰৰ ভিতৰত ভাৰত, চীন, গ্ৰীচ আৰু মিছৰ প্ৰধান আছিল বুলিব পাৰি। ভাৰতৰ নালন্দা বিশ্ববিদ্যালয় বিশ্ববিখ্যাত আছিল। এই বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰিবলৈ দেশ-বিদেশৰ পৰা শ শ ছাত্ৰ আহিছিল। চীনৰ সৰ্বজন পৰিচিত জ্ঞানপিপাসু পৰিব্ৰাজক হিউৱেনচাঙে জীৱনৰ সুদীৰ্ঘকাল শিক্ষাৰ্থী আৰু শিক্ষকহিচাবে অতিবাহিত কৰিছিল। স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰা সময়ত তেওঁ তেনেই বৃদ্ধ অৱস্থাপ্ৰাপ্ত হৈছিল। পিঠিত পুথিৰ প্ৰকাণ্ড এটিবোজা আৰু হাতত এটি চাকিলৈ (দিনতেই) স্বদেশত প্ৰৱেশ কৰাৰ সময়ত তেওঁ কাকো আৰু তেওঁকো কোনেও চিনিব পৰা নাছিল। দিনতেই হাতত থকা চাকিটো দেখি মানুহবিলাকে সহানুভূতিৰ সুৰত কৈছিল : 'বেচেৰা মানুহজন কুকুৰীকণা হৈছে।' প্ৰকৃততে তেওঁ কুকুৰীকণা হোৱা নাছিল। তেওঁ চাকিটোক জ্ঞানৰ প্ৰতীক হিচাবে ব্যৱহাৰ কৰিছিল। তেওঁ বুজাইছিল যে তেওঁ ভাৰতৰ পৰা চীনলৈ জ্ঞানৰ পোহৰ লৈ গৈছে।

ভাৰতীয় সভ্যতাৰ অন্যতম অংগৰাজ্য কামৰূপো পিছপৰি থকা নাছিল। গুৱাহাটী তথা প্ৰাগজ্যোতিষপুৰত ব্ৰহ্মাই হেনো জ্যোতিষৰ চৰ্চা কৰিছিল। পৰবৰ্তী কালত এই কামৰূপতেই বৌদ্ধ সিদ্ধাচাৰ্যসকলে বিখ্যাত চৰ্যাপদসমূহৰচনা কৰিছিল।

চীনদেশ প্ৰাচীন সভ্যদেশ। চীনদেশৰ বুৰঞ্জী ৪০০০ বছৰৰ

পুৰণি। ই সভ্যতা আৰু অৰ্থনীতিত অতিপ্ৰাচীন কালৰে পৰাই চহকী আছিল। শিক্ষাৰ ক্ষেত্ৰত ই আগবঢ়া আছিল। ইচলাম ধৰ্মৰ প্ৰবৰ্তক হজৰত মহম্মদে কৈছিল : 'বিদ্যা শিক্ষাৰ বাবে সুদূৰ চীন দেশলৈ হ'লেও যাবা।'

ভাৰতবৰ্ষৰ অঙ্গৰাজ্য অসমতো জ্ঞানৰ জাগৰণ ঘটিছে। অসম তথা কামৰূপ ৰাজ্যৰ নাম মহাভাৰতত উল্লেখ থাকিলেও সময়ৰ নিৰ্মম অৱহেলাত পিছ পৰি গৈছে। স্বাধীনোত্তৰ কালত অসমে সঞ্জয়ৰ দৃষ্টিৰে বিশ্বৰূপ দৰ্শন কৰি উন্নতিৰ পথত দৃঢ় পদক্ষেপেৰে অগ্ৰসৰ হৈছে। সম্প্ৰতি অসম তিমান পিছৰি থকা নাই যদিও এতিয়াও বহুদূৰ আগুৱাব লগীয়া হৈ আছে।

গোৱালপাৰা জিলা অসমৰ পশ্চিম সীমাঞ্চলৰ এখন জিলা। অতীত কালত গোৱালপাৰা জিলা কামৰূপ ৰাজ্যৰ ভিতৰত আছিল। তেতিয়া উত্তৰবঙ্গ আৰু বৰ্তমানৰ বাংলাদেশৰ বহুত অঞ্চল কামৰূপ ৰাজ্যৰ ভিতৰত আছিল। কুমাৰ ভাস্কৰবৰ্মাৰ দিনত কৰতোৱা নৈলৈকে কামৰূপৰ সীমা আছিল। ১৩ শ শতিকাত কামৰূপ ৰাজ্যৰ পশ্চিমে বৰ্তমানৰ গোৱালপাৰা জিলাৰ অংশ লৈ 'কমতা' নামৰ এখন ৰাজ্য গঠিত হৈছিল। এই ৰাজ্যখণ পশ্চিমে কৰতোৱা নৈৰ পৰা পূবে বৰনদীলৈকে জুৰি গঠিত হৈছিল। গোৱালপাৰা জিলাৰ মাজেদি ব্ৰহ্মপুত্ৰ নৈ বৈ গৈছে। দক্ষিণ অঞ্চলটো আগতে মোগলৰ অধীনত আছিল। মোগলে এই অঞ্চলটো পোনে পোনে নিজে শাসন নকৰি কিছুমান থলুৱা জমিদাৰৰ হতুৱাই শাসন কৰাইছিল। ১৭৬৫ চনত ব্ৰীটিছে বঙ্গদেশ আৰু গোৱালপাৰা জিলাৰ এটা অংশ অধিকাৰ কৰে। মোগলৰ দৰে ব্ৰীটিছেও গোৱালপাৰাৰ মোগল অধিকৃত অঞ্চলটো জমিদাৰৰ যোগেদি শাসন কৰে। মোগল আৰু ব্ৰীটিছৰ দ্বাৰা নিযুক্ত জমিদাৰসকলে প্ৰজাৰ পৰা কৰ আদায় কৰি নিৰ্দেশিত অংশ নিযুক্তকাৰী চৰকাৰক দি বাকী অংশ নিজে উপভোগ কৰিছিল। তেওঁলোকে প্ৰজাৰ বাবে বিশেষ কোনো কাম কৰা নাছিল। সেইবোৰে এই জিলাখন সৌ সিদিনালৈকে পিছপৰি আছিল। আজিও ই পচ্ছাৎপদতাৰ পৰা পৰিত্ৰাণ পাব পৰা নাই।

বৰ্তমানৰ গোৱালপাৰা জিলাত গাওঁৰ সংখ্যা ১১৪৭ খন বা প্ৰায় ১২০০ খন, নগৰৰ সংখ্যা ২ খন (দুধনৈ আৰু কৃষ্ণাইক ধৰিলে ৪ খন)। পূৰ্বে গোৱালপাৰা চহৰ আৰু লক্ষীপুৰতহে থানা আছিল। এতিয়া মুখ্য ঠাইবোৰত থানা হৈছে। ৰংজুলি, দুধনৈ, মাটিয়া, বালিজানা, লক্ষীপুৰত চক্ৰবিষয়াৰ কাৰ্যালয় আছে। সকলো গাওঁতেই প্ৰাথমিক বিদ্যালয় আছে। বহুত গাওঁত মজলীয়া বিদ্যালয়, উচ্চ বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে। ষাঠিৰ দশকলৈ গোৱালপাৰা চহৰত বাহিৰে জিলাখনৰ কতো মহাবিদ্যালয় নাছিল। উচ্চ শিক্ষা লাভৰ আকাংক্ষী ছাত্ৰ-ছাত্ৰীসকলে (আৰ্থিক আৰু মেধাৰ ফালৰ পৰা সক্ষম) সুদূৰস্থ ধুবুৰী, বৰপেটা, অভয়াপুৰী, বৰপেটা, গুৱাহাটী আদি ঠাইলৈ যাবলগীয়া হৈছিল। আৰ্থিকভাবে অক্ষমসকলে উচ্চ শিক্ষা লাভৰ আশা ত্যাগ কৰিবলৈ বাধ্য হৈছিল। বাণিজ্যৰ ক্ষেত্ৰতো পিছপৰি আছিল। প্ৰাচীন পদ্ধতিৰে পৰিচালিত কৃষিৰ ওপৰত নিৰ্ভৰশীলহে দাৰিদ্ৰ্যপীড়িত জীৱন যাপন কৰিবলৈ বাধ্য হৈ আছিল।

গোৱালপাৰা জিলাৰ মুঠ জনসংখ্যা ৯,২০,৬০০ জন। প্ৰতি বৰ্গকিলোমিটাৰত ২৩৩ জন লোকৰ বসতি। মুঠ জানসংখ্যাৰ ৫৩.৭৬ শতাংশ হিন্দু আৰু ৪০.৪২ শতাংশ মুছলমান। হিন্দুসকলৰ ভিতৰত আছে ব্ৰাহ্মণ, কায়স্থ, কলিতা, নাথ, ৰাজবংশী, ৰাভা, বড়ো, গাৰো, কোচ আদি। জিলাখনত অসমীয়া ভাষা-ভাষীলোকৰ সংখ্যা সৰহ (প্ৰায় ১৫,০০,০০০ জন) বঙালী ভাষা-ভাষী লোকৰ সংখ্যা ২য় স্থানত (প্ৰায় ৭৩,০০০জন) ৰাভা, বড়ো, গাৰো আদিৰ নিজা নিজা ভাষা বা দোৱান আছে। তেহেঁলৈও তেওঁলোকে অসমীয়া ভাষাত কথা কয়। সকলো সম্প্ৰদায়ৰ মাজত পাৰস্পৰিক সম্প্ৰীতি আছে।

দুধনৈ গোৱালপাৰা জিলাৰ এখনি সৰু কৃষিভিত্তিক চহৰ। ই দামৰা-দলগোমা আৰু ৩৭ নং গোৱালপাৰা গুৱাহাটী ৰাষ্ট্ৰীয় ঘাইপথে কটা-কাটি কৰা স্থলত অৱস্থিত। ভৌগোলিক অৱস্থানে ইয়াৰ গুৰুত্ব বৃদ্ধি কৰিছে। ই মেঘালয় ৰাজ্য আৰু গোৱালপাৰা জিলাৰ দুৱাৰমুখ। সেইফালৰ পৰা ইয়াৰ গুৰুত্ব অতি বেছি। অন্যান্য সম্প্ৰদায়ৰ লোকৰ তাকৰীয়া) বসতি থাকিলেও ই প্ৰধান ভাবে ৰাভা, বড়ো, গাৰো আদি জনজাতীয় লোক অধ্যুষিত ঠাই। শিক্ষানুষ্ঠানৰ অভাবত তেওঁলোক পাছপৰি আছিল যদিও নিজস্ব সাংস্কৃতিক দিশত তেওঁলোক চহকী আছিল। তেওঁলোকে আহাৰ, মৈথুনকেই জীৱনৰ সৰ্বস্ব বুলি নাভাবিছিল। তেওঁলোকেও সুন্দৰৰ কল্পনা আৰু আধ্যাত্মিক চিন্তাৰে উদ্বুদ্ধ হৈ থাকিছিল। তেওঁলোকে ধৰ্ম চৰ্চা পালন কৰিছিল, কলাৰ সাধনা কৰিছিল, সংগীত সাধনা কৰিছিল, বয়ন শিল্প, হস্ত শিল্প আদিৰ চৰ্চা কৰিছিল। নৃত্য, সামাজিক অনুষ্ঠান, বিবাহ, সৎকাৰ আদি সকলো কৰিছিল। মুঠৰ ওপৰত তেওঁলোক সংস্কৃতিবান আছিল।

জনজাতীয় লোকসকলে গোষ্ঠীগতভাবে কাহানিও পৃথকভাবে নাথাকিছিল, বৰং পৰস্পৰৰ লগত সংযোগ আৰু সুসম্পৰ্ক ৰাখি চলিছিল। এই সম্পৰ্কৰ উমান 'ৰামায়ণ' আৰু 'মহাভাৰত'ৰ দিনলৈ পোৱা যায়। এই মহাকাব্য দুখনত জনজাতীয়লোকৰ উল্লেখ পোৱা যায় যিটোক 'জন' (jana) বুলি জনা যায়। নিৰ্বাসন কালত ৰামচন্দ্ৰই যেতিয়া মধ্যভাৰতৰ অৰণ্য ভূমিত প্ৰৱেশ কৰে তেতিয়া তেওঁক সেই ঠাইডোখৰ জনজাতীয়লোকৰ স্থান 'জন-স্থান' (Jana-Sthana) বুলি পৰিচয় কৰি দিয়া হৈছিল। জন-স্থানৰ লোকসকল আছিল সাধু, সমাজপ্ৰিয়, সংস্কতিবান আৰু সহানুভূতিশীল। দুধনৈ কেন্দ্ৰিক বৃহৎ অঞ্চলৰ জনজাতীয় লোকসকল নিশ্চিতভাবেই উল্লেখিত জন-স্থানৰ লোকসকলৰেই বংশধৰ হ'ব। গতিকে তেওঁলোকেও সময়ৰ গতিৰ লগত আগুৱাই যাবলৈ কাহানিও পৰান্মুখ নহয়।

**দুধনৈ মহাবিদ্যালয় :** দুধনৈত দুধনৈ অঞ্চলৰ লোকসকলে 'তমসো মা জ্যোতিৰ্গময়' (মোক আন্ধাৰৰ পৰা পোহৰলৈ নিয়া) ব্ৰতেৰে ১৯৭২

চনৰ ১ লা জুন তাৰিখে 'দুধনৈ মহাবিদ্যালয়' প্ৰতিষ্ঠা কৰে। এই সময়ত ধূপধৰাৰ পৰা লক্ষীপুৰলৈ আৰু দামৰাৰ পৰা ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ দলগোমালৈ কোনো মহাবিদ্যালয় নাছিল। সেয়েহে উল্লেখিত বৃহৎ এলেকাৰ ছাত্ৰ-ছাত্ৰীসকলে কলা আৰু বিজ্ঞানৰ স্নাতক পৰ্যায়লৈ সহজভাবে অধ্যয়ন কৰিব পৰা হ'ল। ইতিমধ্যে অগণন ল'ৰা ছোৱালী উচ্চশিক্ষাৰে শিক্ষিত হৈ নিজৰ, পৰিয়ালৰ, অঞ্চলৰ আৰু দেশৰ মংগল সাধন কৰিবলৈ সক্ষম হৈছে। শিক্ষা দীক্ষাৰে পিছপৰি থকা অঞ্চলটো শিক্ষিতলোকৰ বাসস্থানলৈ ৰূপান্তৰিত হৈছে।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা সময়ত দেশখনৰ শিক্ষিত লোকৰ হাৰ আছিল মাত্ৰ ১৫ শতাংশ। অসমত এই হাৰ আছিল ৮ শতাংশ মানহে। বৰ্তমানে অসমত শিক্ষিত লোকৰ হাৰ ৬৫ শতাংশ মানহে। গোৱালপাৰা জিলাত ৫৯ শতাংশ মান। দুধনৈ অঞ্চলত এই হাৰ হ'ব ৪৫ শতাংশ মান কিন্তু মহাবিদ্যালয়খন প্ৰতিষ্ঠা হোৱা সময়ত এই হাৰ ১০-১৫ শতাংশমান আছিল গতিকে দেখা যায় মহাবিদ্যালয়খনে অঞ্চলটোত শিক্ষিত লোকৰ হাৰ দ্ৰুতভাবে বৃদ্ধি কৰিছে। সাধাৰণভাবে আৰম্ভ কৰা অনুষ্ঠানটি এতিয়া এখন সুপ্ৰতিষ্ঠিত শিক্ষা পীঠত পৰিণত হৈছে। ভবিষ্যতে ইয়াৰ সম্ভাৱনা অতি উজ্জ্বল। ইতিমধ্যে মহাবিদ্যালয়খনে কলা আৰু বিজ্ঞান উভয় শাখাত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা এফিলিয়েশ্বয়ৰ (Afiliation) লাভ কৰে।

মহাবিদ্যালয়খনৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ যোৱা বহু ছাত্ৰ-ছাত্ৰীয়ে সমাজসেৱা, ৰাজনৈতিক সেৱা, শিক্ষা সেৱা, সাহিত্য সেৱা, প্ৰশাসনিক সেৱা, চিকিৎসা সেৱা, ন্যায় পালিকাৰ সেৱা আদি বিভিন্ন সেৱা আগবঢ়াই মহাবিদ্যালয়খনলৈ খ্যাতি কঢ়িয়াই আনিছে। নিশ্চিতভাৱে আশা কৰিব পৰা হৈছে অদূৰ ভবিষ্যতে ই এখন বিশ্ববিদ্যালয়লৈ উন্নতি লাভ কৰিব।

আজি ৰূপালী জয়ন্তী উৎসৱৰ শুভ মুহূৰ্ত্তত মহাবিদ্যালয়খনে যুগমীয়া জ্যোতিৰে উদ্ভাসিত হৈ উজলি থকাৰ কামনা কৰিলো। লগতে যিসকল মহান পুৰুষে এই বিদ্যাপীঠখন প্ৰতিষ্ঠা কৰিছিল তেওঁলোকলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। যিসকল ইতিমধ্যে স্বৰ্গগামী হৈছে তেওঁলোকলৈও প্ৰণিপাত জনাই তেওঁলোকৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিলো।

জয়তু দুধনৈ মহাবিদ্যালয়।

*(খলিলুৰ ৰহমানদেৱ প্ৰাক্তন অধ্যক্ষ, দলগোমা উচ্চতৰ মাধ্যমিক বিদ্যালয়)*

# মোৰ জীৱনৰ সফলতাৰ আঁৰত

শ্ৰীমতী বন্দনা পাটগিৰী নাথ

আজিৰ পৰা প্ৰায় ১৫ বছৰ আগৰ কথা। ইমান স্পষ্ট ভাৱে মনত নাই যদিও হোষ্টেলত থকা অনাবেগ, অনুভূতি ইত্যাদি কথাবোৰ সহজে মনৰ পৰা হেৰাই যোৱাটো মোৰ উপৰিও বাকী হোষ্টলত থকা সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে অসম্ভৱ। মাটিয়াৰ পৰা দুধনৈ কলেজলৈ অহা-যোৱা কৰাটো সেই সময়ত খুব কষ্টকৰ আছিল। দুই চাৰিখনমান বাছ সময়ে সময়ে অহা যোৱা কৰিছিল যদিও গাড়ীবোৰত ভৰিখনকে দিব নোৱাৰাকৈ যাত্ৰীৰ ভিৰ আছিল। এনেকুৱা এটা পৰিস্থিতিত বিজ্ঞান শাখাৰ ছাত্ৰী হিচাপে মোৰ বাবে অহা-যোৱা কৰাটো বহুত কষ্টকৰ বুলি ভাবি ললোঁ। দেউতাই কলে, 'কলেজত যদি হোষ্টেলৰ সুবিধা আছে তেন্তে তাত থকাৰ এটা ব্যৱস্থা কৰা, কাৰণ ভাড়া ঘৰত থাকিলেও ৰন্ধা-বঢ়া, কাম-কাজ কৰিলে বহুখিনি সময় ক্ষতি হব।' দেউতাৰ কথা মতে মাননীয় অধ্যক্ষ মহোদয়ৰ ওচৰলৈ গলোঁ, হোষ্টেলৰ চিট বিচাৰি। চাৰে বৰ ভাল পালে আৰু ক'লে "এইবাৰ আমি নতুন ছাত্ৰীনিবাস সাজিছোঁ। প্ৰায় ১৮-২০ জনীমান ছাত্ৰী থাকিব পাৰিব আৰু তুমি আহিলে আমি সকলেখিনি সুবিধা কৰি দিম।" ছাত্ৰী নিবাসত চিট হোৱাত মই সকাহ পালোঁ। সেইমতে এদিন দুপৰীয়া, তাৰিখটো ভালদৰে মনত নাই বেডিং-পত্ৰ লৈ দূধনৈ ছাত্ৰী নিবাসলৈ যাত্ৰা কৰিলোঁ। গৈয়ে ৰীতা বাইদেউক লগ ধৰিলোঁ। সেই সময়ত তেখেতে ছাত্ৰীনিবাসৰ তত্বাৱধানৰ দায়িত্বত আছিল। বাইদেউয়ে মইয়ে দুধনৈ কলেজৰ ছাত্ৰী নিবাসৰ প্ৰথম ছাত্ৰী বুলি আদৰে ছাত্ৰীনিবাসলৈ নিজে লৈ গ'ল আৰু তাত এগৰাকী বাইদেউ শ্ৰীমতী গীতা চৰকাৰ, (অসমীয়া বিভাগৰ প্ৰবক্তা) মোৰ লগতে থাকিব বুলি কৈ চিনাকি কৰি দিলে বহুতে ভাল লাগিল। দেখিলোঁ ছাত্ৰীনিবাসত সকলো খিনি সুবিধাই আছে। ৰান্ধনী বুঢ়া ককা এজন আছিল। তেওঁ বহুত মৰম কৰি আমাৰ সকলোৰে লগত স্ফুৰ্ত্তি কৰি আছিল। অকলে থাকিব লাগিব বুলি মনে মনে অলপ ভয় লাগিছিল যদিও গীতা বাইদেউ, ৰান্ধনী ককা দুয়োজনে বহুত সাহস দিছিল আৰু সেইদিনা ৰাতি গীতা বাইদেউ আৰু মই একেটা ৰুমতে আঁকিলো। দ্বিতীয় দিনা আৰু দুজনীমান ছোৱালী আহি হোষ্টেলৰ পৰিবেশটো সুন্দৰ কৰি পেলালে। লাহে লাহে ছাত্ৰীৰ সংখ্যা বাঢ়িল আৰু শেষত ১৫-২০ জনী ছোৱালী হোষ্টেল ভৰি পৰিল।

বিজ্ঞান শাখাৰ ছাত্ৰী হিচাপে মই ৰাতিপুৱা ৫ বজাৰ পৰা টিউচন, Practical class ইত্যাদিত ব্যস্ত থাকোঁ যদিও সদায় সময় মতে খোৱা খাদ্য আমাৰ ৰান্ধনী ককাই দিছিল। সকলো চাৰ বাইদেউৱে আমাৰ খবৰ লবলৈ মাজে সময়ে হোষ্টেললৈ অহা যোৱা কৰিছিল আৰু আমাক সাহস দিছিল। এনেকৈয়ে সকলো চাৰ বাইদেউৰ সহায় সহযোগত মই দুধনৈ কলেজৰ পৰা বিজ্ঞান শাখাত পোন প্ৰথম বাৰৰ বাবে, ১৯৮৮ চনত প্ৰথম বিভাগত উৰ্ত্তীণ হৈ মই মোৰ জীৱনৰ প্ৰথম পদক্ষেপ হিচাপে অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটত পঢ়িবলৈ আৰু অক্লান্ত পৰিশ্ৰমেৰে মই আজি এগৰাকী অসম চৰকাৰৰ প্ৰথম শ্ৰেণীৰ ৰাজপত্ৰিত বিষয়া, কৃষি উন্নয়ন বিষয়া হিচাপে কৰ্ম নিয়োগ কৰিবলৈ সক্ষম হৈছোঁ। মোৰ এই জীৱনৰ সফলতাৰ আঁৰত থকা সকলো চাৰ বাইদেউৰ সহায়, মৰম মোৰ মানস পটত সদায় জিলিকি থাকিব।

*(প্ৰাক্তন ছাত্ৰী বন্দনা পাটগিৰী, দুধনৈ মহাবিদ্যালয় ছাত্ৰী নিবাসৰ প্ৰথম বৰ্ষৰ আবাসী আছিল।)*

# দুধনৈ মহাবিদ্যালয়ৰ অৰ্থ সংগ্ৰহ সপ্তাহ ১৯৭২ চন

গীতাশ্ৰী সৰকাৰ

যুব প্ৰজন্মৰ ভৱিষ্যত জীৱনৰ বাটমুকলিৰ কেন্দ্ৰস্থল 'দুধনৈ মহাবিদ্যালয়'ৰ 'ৰূপালী জয়ন্তী' উদ্‌যাপন কৰিব পৰাটো এই অঞ্চলৰ বাবে গৌৰৱৰ কথা। এইখন মহাবিদ্যালয়ক গঢ় দিবলৈ প্ৰথম অৱস্থাত বহুকেইজন শিক্ষানুৰাগী ব্যক্তিয়ে অশেষ কষ্ট স্বীকাৰ কৰিছিল। বহুকষ্টৰ বিনিময়ত লাভ কৰা সফলতাৰ উদাহৰণ বহু আছে, সমাজ জীৱনৰ প্ৰতিটো স্তৰত আৰু জন জীৱনত মানৱ সেৱাৰ সমতুল্য আন একো হয় নোৱাৰে, এই কথা সহজেই হৃদয়ংগম কৰিব পাৰি। 'দুধনৈ মহাবিদ্যালয়' খন এনে এক সুপ্ৰচেষ্টাৰ বাবেই আজিৰ এক পূৰ্ণপৰ্যায় পাবলৈ সক্ষম হৈছে।

ইং ১৯৭২ চনৰ শেষৰ সপ্তাহ আছিল 'দুধনৈ মহাবিদ্যালয়ৰ অৰ্থ সংগ্ৰহ সপ্তাহ।' মোৰ দেউতা শ্ৰীযুত পবিত্ৰ কুমাৰ সৰকাৰ আছিল সেই 'অৰ্থসংগ্ৰহ সপ্তাহ'টোৰ সম্পাদক।

প্ৰথমে এটি অফিচঘৰৰ প্ৰয়োজন বোধ কৰি দুধনৈ বাছ আস্থানৰ ওচৰত থকা আমাৰ ফাৰ্মাচীৰ পিছফালৰ ৰুম এটা লোৱা হৈছিল। অফিচৰ দায়িত্বত আছিল শ্ৰী চিত্তৰঞ্জন ৰায়। লগত মই তেওঁক সহায় কৰি কামাখিনি চলাই নিয়াৰ দায়িত্বত আছিলো।

কলেজত প্ৰথম ভৰ্তি হৈ পঢ়ি থকা ল'ৰা-ছোৱালী, স্থানীয় দুধনৈ হাইস্কুলৰ ল'ৰা-ছোৱালী, হাইস্কুলৰ ছোৱালীবোৰক লৈ এই অভিযান আৰম্ভ কৰা হৈছিল ৫ জন ল'ৰাৰ এজনকৈ আৰু ৪ জন হাইস্কুলৰ ল'ৰাৰে 'স্কোৱাদ' সমূহ গঠন কৰা হৈছিল। এই 'স্কোৱাদ' সমূহৰ মুঠ সংখ্যা আছিল ৬৪।

'স্কোৱাদ'বোৰক নিৰ্দিষ্ট স্থানলৈ স্থানীয় মালিকৰ থকা ট্ৰাক ইত্যাদিৰে এই অভিযান আৰম্ভ কৰা হৈছিল। তেওঁলোকে লগত লৈছিল ২ খনকৈ বস্তা আৰু ৰচিদবহী — য'ত তেওঁলোকে সংগ্ৰহ কৰিছিল অৰ্থসংগ্ৰহৰ লগতে ধান। এনেদৰে সোমাই পৰিছিল তেওঁলোকে বিভিন্ন অঞ্চলৰ গাৱেঁ-ভূঞে। পাৰিশ্ৰমিক হিচাবে মাথোন কিছু টকা তেওঁলোকক যোগান ধৰা হৈছিল।

গাৱঁলৈ গৈ তেওঁলোকে এঘৰত কেম্প কৰিছিল আৰু গাৱঁৰ লোকেই তেওঁলোকৰ খোৱা-বোৱাৰ ব্যৱস্থা কৰি দিছিল। মাজে সময়ে তেওঁলোকে চাইকেলেৰে আহি অফিচত সুবিধা-অসুবিধাৰ খবৰ দিছিল।

মই জনাত এনে এখন গাওঁ নাই যৰ পৰা কলেজখনৰ বাবে অৰ্থসাহায্য অহা নাই। সকলোৱে সমানে সহযোগ কৰিছিল। গাৱঁৰ বিশিষ্ট ব্যক্তি সকলেও এই অৰ্থ সাহায্যত সহায় কৰি দিছিল।

পদুপাৰা, খেকাপাৰা, দৰখ, কুলধোৱা, ভালুকজুলী, কাহিবাৰী, বৰদল, চাপ্লাই, বদুচৰ, গৰুচটকা, সোনালী পথাৰ, হাজাৰিপাৰা, কাচাদল, মাদাং, ধনুভাঙা, ৰৌমাৰী, বানিয়াপাৰা, শালপাৰা, দৰংগিৰি, তাৰাপাৰা, পাটপাৰা, দিঘলী, মাছলাম, অম্বুক, শ্যামাগাও, শিমলীতোলা, বাকাইটাৰী, টিপলাই, খুটাবাৰী, খাৰা, ভীমাজুলী, উপৰতোলা, দহেলা, থেকাচু, খাৰদাং, জিৰা, দায়ৰং, পুৰণিভিটা, ধাইগাও, দামাছ, চোটমাটিয়া আদি ঠাইবোৰ আছিল 'স্কোৱাদ'ৰ কেম্প।

দুধনৈ অঞ্চলৰ বৃহত্তৰ এলেকালৈ ওলাই যোৱা 'স্কোৱাদ'ৰ দল সকল যথেষ্ট পৰিশ্ৰম কৰিব লগা হৈছিল। তেওঁলোক অতি সৎ, নিষ্ঠা আৰু আন্তৰিকতাৰে কাম কৰিছিল। যিসকল 'স্কোৱাদ'ৰ হৈ কাম কৰিছিল, তেওঁলোকৰ বহুতেই এতিয়া কৰবলৈ গলে একো একোজন সুনাগৰিক হিচাবে প্ৰতিষ্ঠিত হৈছে' কোনোৱে শিক্ষকতা কৰে, কোনোৱে চাকৰি কৰে, কোনোৱে চাকৰি সংক্ৰান্তত ঘৰৰ পৰা আতৰত থাকে। তেওঁলোকক মোৰ লিখনিৰ মাজেৰে ধন্যবাদ দিছো। আশা কৰো তেওঁলোকেও নিশ্চয় আনন্দ অনুভৱ কৰিব পাৰিব — এৰি অহা সেই দিন কেইটাৰ কথা স্মৰণ কৰি।

সপ্তাহ জোৰা অৰ্থসংগ্ৰহৰ অন্য এক উপায় আছিল 'বজাৰ কালেকচন'। একো একোজন বাইদেউৰ লগত গৈছিল স্কুলীয়া ল'ৰা ছোৱালী। তেওঁলোকে বজাৰলৈ গৈ কিছুমান পতাকা বিক্ৰি কৰিছিল। পতাকা বোৰৰ মূল্য আছিল ১.০০ টকা, ৫০ পইচা, ২৫ পইচা আৰু ১০ পইচা।

পতাকাৰ উপৰিও টেমাৰে অৰ্থসংগ্ৰহ আঁচনি লোৱা হৈছিল। সেই সপ্তাহটোৰ বাবে টেমাবোৰ জ্বালাই কৰি মাজত এটা ফুটা ৰখা হৈছিল। তাতেই অৰ্থ সংগ্ৰহ কৰা হৈছিল। বজাৰলৈ অহা বিভিন্নজনে কলেজৰ বাবে মুক্ত হস্তে দান কৰিছিল। 'বজাৰ কালেকচন'ত অংশ লোৱা বাইদেউসকল আছিল শ্ৰদ্ধেয়া কণিকা নাথ, বীণাপাণি নাথ আৰু বৰ্তমান অৱসৰ গ্ৰহণ কৰা দুধনৈ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী

শ্ৰীযুতা ৰেণুকা সাইদ বাইদেউ। সপ্তাহটোৰ ভিতৰত যিকোনো বজাৰ এই অঞ্চলৰ ভিতৰত পৰে, সেই সকলোবোৰ বজাৰতে বিভিন্ন মাধ্যমেৰে অৰ্থসংগ্ৰহৰ ব্যৱস্থা কৰা হৈছিল।

সপ্তাহজোৰা অভিযানত চিনেমা প্ৰদৰ্শনৰ পৰাও ধন সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা হৈছিল। ধুপধাৰা, দৰংগিৰি, দুধনৈ আৰু কৃষ্ণাইৰ চিনেমাহলত নিজাকৈ কোম্পানীৰ পৰা ফিল্ম অনাই চিনেমা প্ৰদৰ্শনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। সেই দায়িত্ব বিশেষভাৱে লৈছিল কৃষ্ণাই নিবাসী খলিলুৰ ৰহমানে

কলেজৰ ফালৰ পৰা শ্ৰী কৰুণাকান্ত চাৰ দেবেন কছাৰী, ক্ষীৰোদ খাখলাৰী, ঁসুশান্ত কুমাৰ বেনাৰ্জী, কলেজ আৰু হাইস্কুলৰ শিক্ষককে ধৰি ঁমণিশঙ্কৰ বসুমতাৰী, ঁহাকিম চন্দ্ৰ ৰাভা, ঁসুপ্ৰ'াদ খাখলাৰী আদি কৰি বহুতো গণ্যমান্য ব্যক্তি সকলৰ সহযোগত তথা দুধনৈ নবপ্ৰতিষ্ঠিত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, দুধনৈ হাইস্কুলৰ ছাত্ৰ লগতে দুধনৈ ছোৱালী হাইস্কুলৰ ছাত্ৰীও এই অভিযানত অংশ গ্ৰহণ কৰিছিল।

সপ্তাহজোৰা এই অভিযানৰ সামৰণি পৰে ২/১/৭৩ ইং তাৰিখত। তাৰ পিছত দিনাখন সংগ্ৰহকাৰ্যত সহায়ক সকলো ব্যক্তিকে ধৰি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী ও সমূহ ৰাইজক লৈ এখনি 'প্ৰীতিভোজ'ৰ আয়োজন কৰা হৈছিল।

শেষত, বিশেষকৈ গাৰবোৰত থাকি, সপ্তাহজোৰা অভিযানত যিবোৰ ছাত্ৰই মহাবিদ্যালয়ৰ ধন সংগ্ৰহৰ বাবে অশেষ কষ্ট স্বীকাৰ কৰিছিল, সেই সকল ধন্যবাদ পাত্ৰ। মোৰ এই লিখনিৰে সপ্তাহজোৰা অভিযানত অংশ গ্ৰহণ কৰা সকলো ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ।

(শ্ৰীমতী সৰকাৰ প্ৰাক্তন ছাত্ৰী)

# সোঁৱৰণীৰ এখিলা সোনোৱালী পৃষ্ঠা

গীতা সৰকাৰ

"সোঁৱৰণী কিযে তাৰ আচৰিত উপহাৰ,
কবিক দি যায় জীৱনৰ
প্ৰথম কবিতাটোৰ
সেই পাহৰা সোৱাদ ....।"

অতীতৰ লগত বৰ্তমানৰ সম্পৰ্ক অবিচ্ছেদ্য। ঠিক সেইদৰে বৰ্তমানৰ লগতো ভৱিষ্যতৰ সম্পৰ্ক অঙ্গাঙ্গী। অতীত হৈছে মানুহৰ দীৰ্ঘজীৱন পৰিক্ৰমাৰ একোটা বিশেষ স্তৰ। মানুহৰ সুখৰ-দুখৰ অতীত নাথাকিলে বৰ্তমানটোৱে যেন উকা হৈ পৰিব তাৰ লগতে উকা হৈ পৰিব ভৱিষ্যতটোও। প্ৰাচুৰ্যৰে ভৰা সুখৰ অতীত ৰোমন্থন কৰিলে যিদৰে সোঁৱৰণীবোৰ ফুল হৈ ফুলে, কেতিয়াবা দুখৰ অতীতক সুঁৱৰিব নুখুজিলেও সেমেকি উঠে জীৱনৰ সুৰম্য উপত্যকা। অতীতলৈ মনত পৰিলেও তাক আলফুলে ৰোমন্থন কৰাৰ সুযোগো নহয়, কাৰণ ৰূঢ় বাস্তৱৰ কঢ়াল গ্ৰাসত সময়বোৰ কুচিমুচি হৈ পৰে। এই আলফুল অতীতৰ কথা সুঁৱৰিবলৈ মোক ৰীতা বাইদেউ আৰু ক্ষীৰোদ খাখলাৰী ছাৰে যেন সুযোগ দিলে। এটা সময়ত তেওঁলোকৰ গাড়ী আহি আমাৰ পদুলিমুখত ৰ'লহি। তেওঁলোকক সাদৰেৰে ঘৰৰ ভিতৰলৈ লৈ আহিলোঁ। মুহূৰ্ত্ততে যেন ঊনৈশ বছৰ আগৰ অতীত, জীৱনৰ এছোৱা উল্লেখযোগ্য সময় আমাৰ আগত উজলি উঠিল, সৰৱ হ'ল। আচলতে সিদিনাখন দুপৰীয়াৰ সেই অলপীয়া সময়খিনিও মোৰ বাবে আজি মিঠা স্মৃতি হৈ ৰ'ল। কথা-বতৰাৰ মাজতে খাখলাৰী ছাৰে ক'লে, সৰকাৰ, আমাৰ মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তীৰ সময় পাৰ হৈছে যদিও আমাৰ নতুন মানুহখিনিয়ে খুব জোৰ দিছে, তেওঁলোকে হেনো ৰূপালী জয়ন্তী উৎসৱটো দেৰিকৈ হ'লেও পাতিব। গতিকে সেইখিনি সময়ত আপুনিও তাত কাম কৰিছিল সেই উপলক্ষে প্ৰকাশিত হ'ব লগা স্মৃতি গ্ৰন্থখনিত আপুনি লিখিব আৰু উক্ত অনুষ্ঠান যেতিয়াই অনুষ্ঠিত নহওক আপুনি তাত যেনেতেনে উপস্থিত থাকিব। আপোনাক মাতি গলোঁ, নিমন্ত্ৰণ দিবলৈহে আহিছোঁ। " অ' হয়নেকি বুলি শলাগিলোঁ আৰ একে আখৰেতে মই 'অ' লিখিম বলি ক'লোঁ। এনে নিমন্ত্ৰণ বাৰু কোনোবাই আওকান কৰিব পাৰেনে? লগে লগে ৰীতা বাইদেউও মাত লগালে, "সেই অনুষ্ঠান যেতিয়াই নাপাতক কিয় তুমি কিন্তু তালৈ যাবই লাগিব আৰু সিদিনাখন আমাৰ ঘৰত থাকিব লাগিব" বুলি একপ্ৰকাৰ জোৰ দি কলে। কিমান ভাল লাগিব পাৰে বাৰু? মই আনন্দত উৎফুল্লিত হৈ উঠিলোঁ এই নিমন্ত্ৰণ পাই। একেলগে তিনিটা নিমন্ত্ৰণ — ৰূপালী জয়ন্তী উৎসৱত উপস্থিত থাকিব লাগিব, স্মৃতিগ্ৰন্থত লিখিব লাগিব আৰু সেই দিনটো ৰাতিটোও তাত থাকিব লাগিব।

'দুধনৈ মহাবিদ্যালয়' মোৰ কৰ্মজীৱনৰ প্ৰথম তথা মহান কৰ্মক্ষেত্ৰ। আজিৰে পৰা প্ৰায় ঊনৈশ বছৰ আগতে (১৯৮৭ৰ আগষ্ট - ১৯৮৮ৰ জুলাই লৈকে) এইখন মহাবিদ্যালয়তে মই মোৰ কৰ্মজীৱনৰ পাতনি মেলিছিলোঁ। সেইখন মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱত স্মৃতিগ্ৰন্থত দু-আষাৰ লিখাৰ নিমন্ত্ৰণ পাই মই নথৈ আনন্দিত হৈছোঁ। দুধনৈ মহাবিদ্যালয়ত মোৰ প্ৰথম প্ৰবেশ ঘটে অসমীয়া বিভাগৰ অমঞ্জুৰীকৃত (Non Sanctioned) পদৰ বাবে সাক্ষাৎকাৰ দিবলৈ যাওঁতে সাক্ষাৎকাৰ গ্ৰহণ কৰিছিল তেতিয়াৰ অধ্যক্ষ মাননীয় কৰুণাকান্ত ৰাভা ছাৰ, উপাধ্যক্ষ তথা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক মাননীয় শ্ৰীযুত ক্ষীৰোদ খাখলাৰী ছাৰ আৰু দুই এজনে। সাক্ষাৎকাৰ দিয়াৰ দিনাই তেওঁলোকৰ লগত অলপ সময়ৰ ভিত সেয়ে মই তাত চাকৰি কৰিম বুলি সিদ্ধান্ত লৈছিলোঁ। তাতকৈ বেছি আকৰ্ষিত হৈছিলোঁ তাৰ প্ৰাকৃতিক সৌন্দৰ্যৰ প্ৰতি। কলেজখনৰ ভিতৰলৈ সোমাই যাওঁতে তাৰ সন্মুখত থকা অৰ্ধ চন্দ্ৰাকৃতিৰ পুখুৰী তাৰ ওপৰেদি থকা কাঠৰ দলং আৰু শাৰীপাতি থিয় হৈ থকা দেবদাৰু গছকেইভালে কলেজখনক মনোমোহা কৰি তুলিছে। উল্লেখযোগ্য যে দুধনৈ মহাবিদ্যালয়ৰ Non Sanctioned পদৰ নিযুক্তি পত্ৰ আৰু মানিকাচৰ কলেজৰ পদৰ নিযুক্তিপত্ৰ একেসময়তে পাইছিলোঁ । কিন্তু মানিকাচৰলৈ নাযাও বুলি লগে লগে ঠিক কৰি পেলাইছিলোঁ। দুধনৈ মই দেখিছোঁ, ইয়াৰ মানুহখিনিক লগ পাইছোঁ কথা পাতিছোঁ। গতিকে মোৰ এটা আত্মবিশ্বাস গঢ়ি উঠিছিল যে মই ইয়াত চাকৰি কৰিব পাৰিম। এইবোৰ ভাবিয়েই ১৯৮৭ চনৰ ১ আগষ্ট তাৰিখে মই কলহৰ কাণে ঢলা বৰষুণৰ মাজেদি গৈ দুধনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত যোগদান কৰোঁ। মহাবিদ্যালয়ৰ শিক্ষক গোটে মোক আন্তৰিকতাৰে তেওঁলোকৰ মাজৰ এগৰাকী সতীৰ্থ হিচাবে গ্ৰহণ কৰিছিল। প্ৰথম ক্লাচটোলৈ খাখলাৰী ছাৰে লৈ গৈছিল আৰু ছাত্ৰ-ছাত্ৰীৰ লগত খুব ধুনীয়াকৈ চিনাকী কৰি দিছিল। তেতিয়াৰ অসমীয়া বিভাগৰ শিক্ষক সকল আছিল খাখলাৰী ছাৰকে

ধৰি, বসন্ত কুমাৰ শৰ্মা। হৰকুমাৰ নাথ আৰু মই। আমাৰ মাজত আছিল খুব ভাল বুজাপৰা আৰু সৌহাৰ্দতা। সেই সময়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলোৰে লগত খুব কম সময়ৰ ভিতৰতে গঢ়ি উঠিছিল বন্ধুসুলভ আন্তৰিকতা আৰু শ্ৰদ্ধাৰ ভাব। উল্লেখ্যযোগ্য যে শিক্ষকতাৰ উপৰিও মোৰ ওপৰত আন এটা গধূৰ দায়িত্বও ন্যস্ত কৰা হৈছিল। সেইটো হৈছে সেই বছৰত প্ৰথমবাৰৰ বাবে তৈয়াৰ কৰা ছাত্ৰীনিবাসৰ ৱাৰ্ডেনৰ দায়িত্ব। সেই দায়িত্বৰ খাতিৰতে মই ছাত্ৰীনিবাসৰ একনম্বৰ কোঠালীতে থাকিবলৈ লৈছিলোঁ। অৰ্থাৎ ছোৱালী হোষ্টেলৰ এক নম্বৰ কোঠালীৰ বাসিন্দা হৈ পৰিলোঁ। মজাৰ কথা যে তেতিয়া মই নিজেই এজনী ছোৱালী, তাতে আকৌ হোষ্টেলৰ ছোৱালী ৰখীয়াৰ ভাৰো মোৰ ওপৰত কম ডাঙৰ কথা নহয়। কোনে কাক পহৰা দিয়ে? তাত মোৰ সৰ্বমুঠ দৰমহা আছিল ৮০০ (আঠশ) টকা মাথোন। অৱশ্যে তেতিয়াৰ দিনত সেইখিনিৰে খাই লৈ মাহৰ শেষত মোৰ দুশ টকা ৰাহিহে হৈছিল। সেইদিন আৰু এইদিনৰ মাজত দিন-ৰাতিৰ পাৰ্থক্য। হোষ্টেলৰ প্ৰতিটো সন্ধিয়া প্ৰাৰ্থনাৰে মুখৰিত হৈছিল আৰু তাৰ পিছত উপস্থিতিৰ খতিয়ান চাব লগা হৈছিল। কোনোবাই ক'ৰবাত গ'লে এখন বহীত লিখি থৈ যাব লগা হৈছিল। মুঠৰ ওপৰত এটা নিয়ম তথা শৃঙ্খলাৰ মাজেৰে হোষ্টেলৰ ছোৱালীখিনিক পৰিচালিত কৰা হৈছিল। এই ক্ষেত্ৰত অৱশ্য ৰীতাবইদেউ নহ'লে মই অকলে এই গধূৰ দায়িত্ব নিয়াৰিকৈ পালন কৰিব নোৱাৰিলোঁ হেঁতেন। এই প্ৰসঙ্গতে হোষ্টেলত থকাৰ প্ৰথম ৰাতিৰ ভয়ঙ্কৰ অভিজ্ঞাতাটোৰ কথা নকলে নহব। কাৰণ সিদিনাখন মাত্ৰ কেইজনীমান ছোৱালীৰে সৈতে প্ৰথম থাকিবলৈ আৰম্ভ কৰা হৈছিল মাত্ৰ। প্ৰত্যেকজনী ছোৱালীৰ বাবে প্ৰত্যেকজনী আছিল নতুন, হোষ্টেলটোও নতুন আৰু সেই দিনৰ ৰাতিটো আছিল প্ৰথম। প্ৰত্যেকেই ৰাতি ভাত-পানী খাই নিজৰ নিজৰ বিছনালৈ গ'লোঁ। এনেয়ে নতুন ঠাই, কাৰো লগত কোনো চিনাকি নাই, তাতে হোষ্টেল। অৱশ্য হোষ্টেলত থকাৰ মোৰ অভিজ্ঞতা আছিল। টোপনী আহিবলৈ যত্ন কৰিছোঁ কিন্তু কোনোমতে টোপনী নাহে। মাজৰাতি কোনোৰকমে টোপনী আহিছে মাত্ৰ। তাতে হোষ্টেলৰ পিছফালে শাৰী শাৰীকৈ থকা তিতাচপা গছবোৰ, শাল, চেগুন গছবোৰৰ মাজৰ পৰা এটা অদ্ভুত শব্দ "নিউ, নিউ" — ভয়ত মোৰ কলিজাটো থক্ থক্ কৈ কঁপিবলৈ ধৰিলে, কোনো উপায়ে নেদেখি ওচৰৰ দুইজনৰি ৰুমৰ ছোৱালীজনীক (অন্নদেৱীক) মাতি আনি মোৰ ৰুমত একেলগে শোৱাতহে ৰাতিটো কোনোমতে পুৱাল। পিছদিনাখন গম পালোঁ সেইটো হেনো কালফেঁচা। বাপৰে 'জীৱ'টো সিদিনাখন কোনোমতেহে ৰক্ষা পৰিছিল। আৰু ছোৱালীবোৰে মোৰ ভাৱৰ কথা শুনি কিমান যে হাঁহিছিল। সেয়াও যে এক স্মৃতি। লাহে লাহে হোষ্টেলৰ সকলো ছাত্ৰী, ৰান্ধনীঠাকুৰ, চকিদাৰৰ (বাবুল) লগত এটা সৌহাৰ্দ্যপূৰ্ণ পৰিবেশ গঢ়ি উঠিল আৰু আমি পৰস্পৰে পৰস্পৰৰ আপোন হৈ পৰিলোঁ। এইকথা নক'লেও নহ'ব যে হোষ্টেল পৰিয়ালৰ লগে লগে খাখলাৰী ছাৰ আৰু ৰীতা বাইদেউৰ পৰিয়ালৰ লগতো এনে এটা সম্পৰ্ক গঢ়ি উঠিল যে মই যেন তেওঁলোকৰ পৰিয়ালৰ ভিতৰৰে এজন সাধাৰণ সদস্যাহে। অইন কোনো নহয়। ৰাতিটোৰ বাহিৰে দিনটোৰ বেছিভাগ সময় মই তেওঁলোকৰ লগতে কটাইছিলোঁ। বিশেষ দিনৰ খোৱা-লোৱাৰ নিমন্ত্ৰণ তো আছিলেই।

আচলতে ' সোঁৱৰণী' বুলি ক'লে কোনটো এৰো, কোনটো ধৰোঁ, এনে লাগিছে। দুধনৈ মহাবিদ্যালয়ত থকা সময়খিনিত আন এটি উল্লেখযোগ্য তথা স্মৰণীয় দিন হৈছে ইংৰাজী নতুন বছৰৰ (১৯৮৮ চনৰ ১লা জানুৱাৰী) প্ৰথম দিনটো উদ্‌যাপন কৰা। উপভোগ কৰা। সিদিনাখন কুঁৱলীৰে আবৰা এটো ৰাতিপুৱাৰ মাজেৰে আমি খাখলাৰী ছাৰ আৰু ৰীতাবাইদেউৰ লগত এখন 'গাৰো' অধ্যুষিত গাঁৱলৈ গৈছিলোঁ। তেওঁলোকৰ নতুন বছৰক আদৰি লোৱাৰ যি প্ৰচেষ্টা বা ৰীতি সি সঁচাকৈয়ে আনন্দদায়ক আৰু প্ৰেৰণাদায়ক। তেওঁলোকে প্ৰথমতে গীৰ্জোঘৰত যীচুৰ সন্মুখত সমূহীয়া প্ৰাৰ্থনা কৰি উঠি তাৰ পিছত প্ৰত্যেকে নিজৰ নিজৰ ঘৰৰ পৰা আনা বিভিন্ন খাদ্য সামগ্ৰীখিনি ইঘৰে সিঘৰৰ মাজত বিলাই দিয়ে আৰু তাৰ পিছত নিজে খায়। মুকলি পথাৰৰ মাজত গোলহৈ বহি সমূহীয়াকৈ খাদ্য গ্ৰহণ কৰি আনন্দ উপভোগ কৰে। আমিও এই আনন্দ উপভোগ কৰি উৎফুল্লিত হৈছিলোঁ। এই সুযোগখন পাইছিলোঁ একমাত্ৰ খাখলাৰী ছাৰৰ বাবেহে কাৰণ তালৈ ছাৰৰ হে নিমন্ত্ৰণ আছিল। তেখেতহে আমাক লগত লৈ গৈছিল। সভাত তেখেতে ভাষণো দিছিল।

একেটা বছৰৰে অৰ্থাৎ ১৯৮৮ চনৰ ৬ জানুৱাৰী তাৰিখে এইবাৰ আমি ওলালোঁ Excurssion লৈ। H.S. 1st Yr -ৰ বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীখিনিৰ Botanical আৰু Zoological Collection ৰ বাবে গাড়ী ৰিজাৰ্ভ কৰি একেবাৰে ৰাতিপুৱাই ৰাজ্যিক চিৰিয়াখানা গুৱাহাটীলৈ ৰাওনা হলোঁ। দলটোৰ তত্ত্বাবধায়ক অধ্যাপক আছিল খুব সম্ভৱ তৰুণ ছাংমাই ডাঙৰীয়া। ছোৱালীবোৰৰ বাবে যাব লগা হৈছিল মোৰো। চিৰিয়াখানাত বিজ্ঞানৰ ল'ৰা-ছোৱালীখিনিৰ প্ৰযোজনীয় কাম শেষ হোৱাৰ পিছত আমি ৰাজ্যিক সংগ্ৰহালয়লৈ গৈছিলোঁ আৰু তাৰ পিছত তেতিয়া জৰ্জ ফিল্ডৰ গ্ৰন্থমেলাত সোমাই তাৰ আনন্দ উপভোগ কৰি ঘৰমুৱা হৈছিলোঁ। চিৰিয়াখানাতো মোৰ এক বিপদ হৈছিল। চৰায়ে ওপৰৰ পৰা মোৰ মূৰত বিষ্ঠা ত্যাগ কৰিলে। সচাঁকৈ সেইদিনটোও মোৰ বাবে এটা স্মৰণীয় দিন হৈ আছে স্মৃতিৰ মণিকোঠাত। ছাত্ৰ-ছাত্ৰীবিলাকৰ মৰমসনা সৰল-সহজ সান্নিধ্যই প্ৰত্যেকটো কামতে স্বতঃস্ফূৰ্ততা আনি দিছিল বাবেই তাত যিকোনো কাম কৰি ভাল লাগিছিল। সেইদিনটো পিক্‌নিক্ খাবলৈ যোৱাৰ দৰেই লাগিছিল।

দুধনৈ মহাবিদ্যালয়ত থাকোঁতে মোৰ আন এটা বিশেষ অভিজ্ঞতা হৈছিল। সেইটো আছিল অমৃত কলিতা ছাৰৰ লগত পৰীক্ষা চলোৱা কামৰ অভিজ্ঞতা। যিটো এগৰাকী কলেজ শিক্ষকৰ বাবে বৰ গধুৰ আৰু দায়িত্ব পূৰ্ণ কাম। পৰীক্ষা এটা নিয়াৰিকৈ চলাব লাগিলে এ.ও.সি. সকলে খুব নিয়মানুবৰ্তী হ'ব লাগে নহলে বিপদ।

এই বিপদে ক'ত লগ এৰা দিব খোজা নাছিল। কোনোবা এটা বিষয়ৰ প্ৰশ্নকাকত (ফাইনাল পৰীক্ষাৰ) কম হৈ গ'ল নহয়, খাখলাৰী ছাৰ হ'তে দৌৰাদৌৰি কৈ গোৱালপাৰা কলেজৰ পৰা প্ৰশ্ন আনিহে পৰীক্ষা লব পৰিছিলোঁ।

দুধনৈ মহাবিদ্যালয়ৰ কামত যোগদান কৰাৰ কিছুদিন পিছতেই খুব সম্ভৱ ছেপ্টেম্বৰ/অক্টোবৰ '৮৭ মাহতে অসম ভাষা বিজ্ঞান সমিতি'ৰ উদ্যোগত দুধনৈ মহাবিদ্যালয়তে এখন ভাষা বিষয়ক আলোচনাচক্ৰও অনুষ্ঠিত হৈছিল। উদ্যোক্তাসকলৰ ভিতৰত অসমীয়া বিভাগৰ মূৰব্বী প্ৰৱক্তা খাখলাৰী ছাৰেই আছিল। এই আলোচনাচক্ৰত মই প্ৰথমবাৰৰ বাবে গৱেষণাপত্ৰ পাঠ কৰি আলোচনাত ভাগ লৈছিলোঁ। সেই গৱেষণাপত্ৰ পিছত ড° ৰামচৰণ ঠাকুৰীয়া ছাৰৰ সম্পাদনাত ৩য় বছৰ ১ম আৰু ২য় সংখ্যা L. S. A. ত প্ৰকাশ হৈ ওলায়। তাত ড° ৰমেশ পাঠক ছাৰো আছিল। তাত থকা সময়খিনিৰ বিভিন্ন অভিজ্ঞতাই মোক পৰৱৰ্তী সময়ৰ বিভিন্ন কামত সহায় কৰিছে।

তেতিয়া দুধনৈ মহাবিদ্যালয়ত এটা উল্লেখযোগ্য অনুষ্ঠান অনুষ্ঠিত হৈছিল। সেইটো আছিল ''ৰাজ্যিক বিজ্ঞান প্ৰদৰ্শনী''। তিনিদিনীয়া কাৰ্যসূচীৰে ২৬, ২৭, ২৮ ডিচেম্বৰ, '৮৭ত মহাসমাৰোহেৰে এই অনুষ্ঠান উদ্‌যাপন কৰা হৈছিল। এই অনুষ্ঠানৰ উদ্বোধক আছিল তেতিয়াৰ অসমৰ ৰাজ্যপাল মহামান্য লোকনাথ মিশ্ৰ ডাঙৰীয়া। এই অনুষ্ঠান দুধনৈ মহাবিদ্যালয়ৰ ইতিহাসতে বোধহয় এক উল্লেখযোগ্য তথা অবিস্মৰণীয় ইতিহাস। য'ত বিজ্ঞান শাখাৰ শিক্ষক শিক্ষয়িত্ৰীৰ উপৰিও কলাশাখাৰ শিক্ষক শিক্ষয়িত্ৰী/ছাত্ৰ-ছাত্ৰী তথা স্থানীয় ৰাইজৰ একান্ত সহযোগ তথা স্বতঃস্ফূৰ্ত যোগদানৰ বাবে অনুষ্ঠানটো সাফল্যমণ্ডিত হৈ উঠিছিল। খুব ভাল লাগিছিল তেনে এটা মহান অনুষ্ঠানত ভাগ ল'ব পাৰি। অনুষ্ঠানটি সাফল্যমণ্ডিত কৰিবৰ বাবে বা সুচাৰুৰূপে চালাবৰ বাবে বিভিন্ন উপসমিতি গঠন কৰি দিয়া হৈছিল। খাদ্য উপ সমিতিত মোৰো দায়িত্ব পৰিছিল। বাকী আৰু বহুতো আছিল। এদিন দিনৰ ভাগত ভালে ভালে খুৱালোঁ। ৰাতি পাকঘৰ উদং কেৰাহি খালি এনে অৱস্থা দেখি অন্যান্য সকলৰ লগত ময়ো তাৰ পৰা ফুট। যি হয় হ'ব। বিজ্ঞান প্ৰদৰ্শনীতো কল্যাণ বৰুৱাই মোক বৰকৈ ঠগিলে নহয়। তেখেতে ক'লে, ''চৰকাৰ, ভিডিঅ' কেমেৰাৰে ফটো লোৱা হ'ব। আপুনি কিন্তু মোৰ লগে লগে থাকিব তেতিয়াহ'লে ফটো উঠিব পাৰিব।'' ভিডিঅ' কেমেৰাৰে ঠিকেই ফটো লোৱা হ'ল। কিন্তু মই এখন ফটোতো নাই। কেৱল কল্যাণ বৰুৱাহে কল্যাণ বৰুৱা তথাপি একো দুখ নাই।

এনেদৰে দুধনৈ মহাবিদ্যালয়ৰ সময়বোৰ কোনফালে গুচি গঁল কেনেদৰে পাৰ হৈ গ'ল কবই নোৱাৰিলোঁ। চাওঁতে চাওঁতে এটা বছৰ পাৰ হৈ গ'ল। মোৰ বিদায়ৰ বেলা আহিল। তাৰে পৰা গুচি আহি মই ১৯৮৮ চনৰ ১ আগষ্টৰ পৰা বৰ্তমান প্ৰমথেশ বৰুৱা মহাবিদ্যালয়ৰ জ্যেষ্ঠ প্ৰৱক্তা পদত অধ্যাপনা কৰি আছো। তাৰে পৰা গুচি অহা দিনাখন বুকুৰে কঢ়িয়াই আনিছিলোঁ দুখ আৰু স্মৃতি। সময়ৰ হাত বাউলিত ইয়াৰ পৰাও আমি বিদায় ল'ব লাগিব। আৰু শেষত পৃথিৱীৰ পৰাও। কিন্তু জীয়াই থকা দিন কেইটাত মচ যাব নোৱাৰাকৈ সাঁচ বহাই যোৱা এই স্মৃতিবোৰে জিলমিল সোণালী হৈ জিলিকি থাকিব স্মৃতিৰ পটত। সেইখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মৰম ভৰা শ্ৰদ্ধাসনা সাহচৰ্য, জ্ঞানী, গুণী শিক্ষক-শিক্ষয়িত্ৰী সকলৰ সহজ-সৰল আন্তৰিকতা তথা সান্নিধ্যই মোক বহুত কিবা কিবি শিকাইছে। তাক মই কোনোদিনেই পাহৰিব নোৱাৰো। শেষত মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ উদ্যোক্তা সকললৈ যাচিছোঁ মোৰ সশ্ৰদ্ধ অভিনন্দন আৰু হিয়াভৰা ওলগ। মহাবিদ্যালয়ৰ বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰী লৈ থাকিল মোৰ আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছা। সদৌ শেষত এই মহান অনুষ্ঠানটি যাতে কদাপি নহয় ক্ষয় এই শুভ কামনাৰে সোৱঁৰণীৰ কলম সামৰিছোঁ।

*(সৰকাৰ এসময়ত দুধনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা আছিল, বৰ্তমানত প্ৰমথেশ বৰুৱা মহাবিদ্যালয়ৰ জ্যেষ্ঠ প্ৰৱক্তা।)*

# দুধনৈ মহাবিদ্যালয়ৰ এটি চমু খতিয়ান

শ্ৰী কৰুণা কান্ত ৰাভা

গোৱালপাৰা জিলাৰ দুধনৈ মহাবিদ্যালয়খন ১৯৭২ চনৰ ৪ আগষ্টৰ দিনাখন আনুষ্ঠানিক হিচাবে জন্ম লাভ কৰিছিল। সেই দিনাখন তাহানিৰ অসম চৰকাৰৰ জনজাতীয় পৰিক্ৰমা আৰু কল্যান বিভাৰ দায়িত্বত থকা মন্ত্ৰী শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম জওঁৱীয়াই দুধনৈ হাইস্কুলৰ প্ৰাঙ্গনত সমাগত ৰাইজৰ বিপুল উৎসাহ আৰু উদ্দীপনাৰ মাজত তেখেতে এই মাহবিদ্যালয়খনৰ শুভ উদ্বোধন কৰিছিল। দুধনৈ হাইস্কুলৰ প্ৰধান শিক্ষক প্ৰায়ত মহৎ হাজোৱাৰী ডাঙৰীয়াৰ সহানুভূতিৰ মাজেদি এই শিক্ষানুষ্ঠানৰ দুটা কোঠাত মহাবিদ্যালয়ৰ পুৱাভাগত চলোৱা হৈছিল। কিন্তু কিছুমান কাৰিকৰী দিশত অসুবিধা দেখা দিয়াত মহাবিদ্যালয়খন স্থানীয় দুধনৈ বুনিয়াদী প্ৰশিক্ষন কেন্দ্ৰৰ ছাত্ৰী নিবাসখন ঠিকঠাক কৰি স্থানান্তৰিত কৰা হৈছিল। এই ক্ষেত্ৰত তাহানিৰ শিক্ষাবিভাগৰ বিশেষকৈ বুনিয়াদী শিক্ষাৰ যুটীয়া সচিব কটন কলেজৰ অৱসৰ প্ৰাপ্ত অধ্যাপক তথা সমাজ সেবক মোৰ শিক্ষাগুৰু শ্ৰী আশ্ৰুফ আলী ছাৰৰ সহানুভূতি আৰু সদ্‌ইচ্ছা অন্যতম।

১৯৭২ চনৰ পৰা ১৯৭৫ চনৰ ডিস্বেৰ মাহলৈকে মহাবিদ্যালয়খনৰ শ্ৰেণীসমূহ আৰু অফিছ সমূহ চলোৱাই নিয়াৰ পিছতে ১৯৭৬ চনৰ জানুৱাৰী মাহৰ প্ৰথম ভাগত দুধনৈ মহাবিদ্যালয়খন স্থায়ী হিচাবে স্থানান্তৰিত কৰা হৈছিল। আৰম্ভণীতে এইখন মহাবিদ্যালয়ৰ পাঠ্যগাত দিশত বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ আদেশত গুৱাহাটী কমাৰ্চ কলেজৰ প্ৰতিস্থাপক অধ্যক্ষ প্ৰয়াত ভগবান লহকৰ ডাঙৰীয়া আৰু কট ন কলেজৰ দৰ্শন বিভাগৰ মূৰব্বী অধ্যাপক প্ৰয়াত জেলিল ছাৰে মহাবিদ্যালয়খন যথাবিহিত ভাবে পৰিদৰ্শন কৰি প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীৰ বাবে যথাক্ৰমে অনুমতি আৰু স্বীকৃতি পোৱাত যথেষ্ঠ অৱদান আগবঢ়াইছিল। ১৯৭৫-৭৬ চনত বিশ্ববিদ্যালয়ৰ শৈক্ষিক বি এ মহলাৰ কলা বিভাগত বিশ্ববিদ্যালয়ৰ প্ৰায়বোৰ বিষয়ত থকা বিষয় সমূহ এইখন মহাবিদ্যালয় তো আৰম্ভ কৰি সকলোবোৰ হেঙাৰ অতিক্ৰম কৰি ১৯৭৮ চনত অসম চৰকাৰৰ পৰা পৰিপূৰক ঘাটি মঞ্জুৰী পোৱাৰ সুযোগকন লাভ কৰিছিল। আনপিনে মহাবিদ্যালয়ৰ কলা শাখাটো পূৰ্ণাঙ্গ পৰ্যায়ত লোৱা, ১৯৮৫-৮৬ চনৰ পৰা বিজ্ঞান শ্ৰেণীৰ লাগতিয়াল বিষয়বোৰ প্ৰৱৰ্ত্তন কৰি বিজ্ঞান শিক্ষাৰ প্ৰসাৰত ৰাইজে কঠোৰ প্ৰচেষ্টা চলাইয়ো তীব্ৰ প্ৰত্যাহবানৰ সন্মুখীন হৈছিল। সৌভাগ্য ক্ৰমে এই বিজ্ঞান বিভাগে ১৯৯৬ চনৰ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ অসম চৰকাৰৰ দ্বাৰা পৰিপূৰক ঘাটি মঞ্জুৰী পোৱাত দুধনৈ মহাবিদ্যালয় উচ্চ শিক্ষাৰ ক্ষেত্ৰত এটা বিৰাট সকাহ লাভ কৰিবলৈ সক্ষম হয়। দুধনৈ মহাবিদ্যালয় খনৰ আৰম্ভনীতে মহাবিদ্যালয়ৰ পতাকা আৰু প্ৰতীকটো প্ৰাক্তন উপাধ্যাক্ষ শ্ৰী ক্ষীৰোদ খাখলাৰীয়ে নিজ উদ্ভাৱনাৰে গঢ় দিছিল। শেষত বাহিৰৰ এটা চিহ্ন শ্ৰী পবিত্ৰ সৰকাৰ ডাঙৰীয়াই এটা বিশেষ সংশোধন আনিছিল। সেই দিন ধৰি মহাবিদ্যালয়ৰ প্ৰতীক আৰু পতাকাখন আজিলৈকে অক্ষুন্নভাবে চলি আহিছে। ঠিক তেনেকৈ স্বহীদ বেদীৰ সম্পূৰ্ণ নক্সা আৰু লিখনি আদি শিল্পী বেনুধৰ ৰাভাৰ চিন্তা আৰু কৰ্ম্ম প্ৰকাশ পাই গঢ় লৈছিল।

আৰম্ভণীতে মহাবিদ্যালয়খনত নৱাগত আদৰনি সভা, পুৰণি ছাত্ৰ ছাত্ৰীয়ে নতুন ছাত্ৰ-ছাত্ৰী সকলক একোটা ফুলৰ ঠোপাৰে আদৰণি জনাইছিল। ঠিক সেইদৰে বিদায়ী সভাত নতুন ছাত্ৰ-ছাত্ৰী সকলে বিদায়প্ৰাৰ্থী ছাত্ৰ-ছাত্ৰী সকলক চন্দনৰ ফোট দি পৰীক্ষাৰ প্ৰাস্ততিৰ বাবে কামনা কৰি শুভেচ্ছা দিছিল। দিন যোৱাৰ লগে লগে মহাবিদ্যালয়খনত ছাত্ৰ-ছাত্ৰী সকলৰ সংখ্যা ক্ৰমবৰ্দ্ধিত হোৱাত এই প্ৰথা ৰখা সম্ভৱ নহ'ল।

নৱাগত আদৰণি সভাৰ পতাকা উত্তোলনত তলৰ সংকল্প পাঠ গ্ৰহণ কৰা হৈছিল। সংকল্পটি দুধনৈ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষ নৰেন্দ্ৰ নাথ হাজৰিকাই লিখা।

সংকল্প গ্ৰহণ

"আমি আজি দুধনৈ কলেজৰ পতাকাৰ তলত ঠিয় হৈ জাতি, বৰ্ণ, ধৰ্ম্ম, নিৰ্বিশেষে সকলোৱে মাজত ঐক্য আৰু সংহতি অটুট ৰখাৰ মানসে, জাতিয় কৃষ্টি সভ্যতা আৰু সাংস্কৃতিক বিকাশৰ কাৰণে, কলেজৰ নিয়ম শৃঙ্খলা আৰু নিয়মানুবৰ্ত্তিতা সততে ৰক্ষা কৰিম বুলি পৰমেশ্বৰৰ ওচৰত বিশ্বাস ৰাখি সংকল্প গ্ৰহণ কৰিলোঁ।"

৬ অক্টোবৰ, চন ১৯৭২ ইং
দুধনৈ মহাবিদ্যালয়।

দুধনৈ মহাবিদ্যালয়ৰ আৰম্ভণীতে শ্ৰেণীসমূহ নিয়াৰিকৈ চলোৱাই নিয়াত প্ৰথমতে ইংৰাজী বিভাগ শ্ৰীগোপাল চন্দ্ৰ ৰয়, অসমীয়া বিভাগত শ্ৰী ক্ষীৰোদ খাখলাৰী, ইতিহাস বিভাগত শ্ৰীমতী ৰী

পানী নাথ, ৰাজনীতি বিভাগত কনিকা নাথ, দৰ্শন বিভাগত দেবেন কছাৰী, অৰ্থনীতি বিভাগত স্থানীয় দুধনৈ হাইস্কুলৰ সহকাৰী শিক্ষক প্ৰয়াত সুচান্ত বেনাৰ্জী আৰু শিক্ষা বিভাগত দুধনৈ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষ প্ৰয়াত নৰেন হাজৰিকা দেৱে শিক্ষক হিচাবে কাম কৰিছিল। মই নিজে ১৯৭২ চনৰ ৮ আগষ্টৰ দিনাখন মহাবিদ্যালয়খনৰ অধ্যক্ষ হিচাবে কামত যোগদান কৰিছিলো। মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ নৈশ শাখাত আৰম্ভ হোৱা বাবে প্ৰথমতে মই গোৱালপাৰা কলেজৰ নৈশ শাখাৰ শিক্ষকতা কৰা বাদ দি ইয়াৰ নৈশ শাখাৰ শ্ৰেণী তথা কাৰ্য্যালয়ৰ যাবতীয় কামবোৰ কৰিছিলো। তাৰ বাবে মহাবিদ্যালয়ৰ আনুসঙ্গিক দিনৰ কামবোৰ চলোৱাই নিয়াত অতিৰিক্ত হিচাবে কাৰ্যকৰী অধ্যক্ষৰ দায়িত্বত শ্ৰীদেবেন কছাৰীক নিজৰ বিষয়ৰ বাদেও অতিৰিক্ত দায়িত্ব আৰোপ কৰা হৈছিল।

মহাবিদ্যালয়খনৰ আৰম্ভণীতে বিভিন্ন বিষয়ৰ উপৰিও ওপৰত উনুকিয়াই অহা প্ৰবক্তা সকলৰ বাদেও পিছলৈ অসমীয়া বিভাগত সৰ্ব্বশ্ৰী দশৰথ কাকতি আৰু বসন্ত কুমাৰ শৰ্মা, ইংৰাজী বিষয়ত শ্ৰী সিদ্ধিনাথ জি মোমিন, ৰাজনীতি বিভাগত শ্ৰী অঘোৰ বাঠো আৰু তেজেন্দ্ৰ চন্দ্ৰ নাথ, অৰ্থনীতি বিভাগত প্ৰয়াত হিমাংশু সিংহ, ভূগোল বিভাগত শ্ৰী হৰমোহন দাস আৰু ত্ৰৈলোক্য চন্দ্ৰ তালুকাদাৰ, দৰ্শন বিভাগত শ্ৰীমিনতি শৰ্মা, শিক্ষা বিভাগত শ্ৰী ৰীতা ৰায় চৌধুৰী আৰু নীলিমা শৰ্মা, ইংৰাজী বিষয়ত তাজুল ইচলাম, অৰ্থনীতি বিভাগত শ্ৰী হেৰম্ব কুমাৰ ৰাভা আৰু মহেশ তালুকদাৰ আদি প্ৰবক্তা সকলে নিষ্ঠাৰে নিজৰ বিষয়বোৰ চলোৱাই নিয়াত যথেষ্ট অৰিহনা যোগাইছিল। আনপিনে ভূগোল বিভাগত শ্ৰী উত্তম শৰ্মা কামত যোগদান নকৰা বাবে এন বি শ্বেখক প্ৰবক্তা হিচাবে নিয়োগ কৰা হৈছিল। ঠিক তেনেকৈ ইতিহাস বিভাগত শ্ৰী চন্দ্ৰলেখা দাস আৰু মজিদ মণ্ডলক নিয়োগ কৰা হৈছিল।

দুধনৈ মহাবিদ্যালয়ৰ পুৰণি ভৱনটো প্ৰথমতে নিৰ্মাণৰ কাম হাতত লোৱা হৈছিল। এই ক্ষেত্ৰত দৰংগিৰীৰ মিস্ত্ৰী প্ৰয়াত ভাত ৰাম ৰাভাৰ নিষ্ঠাবান কৰ্মক নিচ্ছয় মনত ৰাখিবই লাগিব। তেওঁৰ লগতে সহকাৰী হিচাবে অহা শ্ৰীখগেন সুত্ৰধৰ এজন সৎ ব্যক্তি আছিল। গৃহনিৰ্মাণৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি থকা হিচাবে শিয়ালমাৰীৰ সমাজসেৱক প্ৰয়াত কেৰো দৈমাৰী লগতে বন বিভাগৰ বিষয়া প্ৰয়াত শৰৎ দাসৰ সহায় সহযোগ মহাবিদ্যালয়ৰ আন্তগাঠনিত নাম চিৰদিনৰ বাবে ৰৈ যাব। প্ৰয়াত কিৰণ দৈমাৰী, প্ৰয়াত শৰৎ দাস আৰু খাৰা চকল পাৰাৰ প্ৰয়াত প্ৰভাত পাটগিৰীক তেওঁলোকৰ দৃঢ় সহযোগিতা আৰু কৰ্ত্তব্যনিষ্ঠাক অধ্যক্ষ হিচাবে সানুনয়ে সলাগ লৈছো।

দুধনৈ মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত অধ্যক্ষ হিচাবে গোৱালপাৰা জিলাৰ সকলোবোৰ শিক্ষাপ্ৰেমী লোকৰ পৰা যথেষ্ট অনুপ্ৰেৰণা আৰু সহযোগিতা লাভ কৰিলেও কিছুমান ব্যক্তি ইমান নিবিড় ভাবে জড়িত আছিল যে তেওঁলোকক কেতিয়াও পাহৰিব নোৱাৰোঁ। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ আৰম্ভনীৰে পৰা সভাপতি হিচাবে থকা ফৃফলৰ প্ৰয়াত বাখাৰু ৰাম ৰায়, সম্পাদক হিচাবে দুধনৈৰ প্ৰাক্তন বিধায়ক তথা উৎসাহী ব্যক্তি প্ৰয়াত হাকিম চন্দ্ৰ ৰাভা, পৰিচালনা সমিতিৰ অন্যতম সভাপতি হিচাবে প্ৰয়াত সুচান্ত বেনাৰ্জী, সকলোবোৰ ক্ষেত্ৰতে মহাবিদ্যালয়ৰ আৰ্থিক দিশত অহৰহ চিন্তাত থকা সমাজ সেৱক শ্ৰী পবিত্ৰ সৰকাৰ আৰু যাৰ বিশেষ উদ্দীপনা আৰু অক্লান্ত প্ৰচেষ্টাত মহাবিদ্যালয়খনে ঘাটিমঞ্জুৰী পোৱাত মৰ্যাদা লাভ কৰিছিল সেইজনা ব্যক্তি প্ৰাক্তন বিধায়িকা শ্ৰীমতী আনন্দীবালা ৰাভাক কেতিয়াও পাহৰিব নোৱাৰোঁ। এই বিলাকৰ বাদেও পৰিচালনা সমিতিৰ অন্যতম সদস্য তথা সকলো ক্ষেত্ৰত সহায় আগবঢ়াই অহা উদ্যোগপতি শ্ৰীচান্দমল জৈন, প্ৰয়াত ডঃ মনিৰায়, প্ৰয়াত তেজসিং দৈমাৰী, প্ৰয়াত যুধিষ্ঠিৰ হাজোৱাৰী, মুক্তিযোদ্ধা শ্ৰী অশ্বিনী পাট গিৰী, জনজাতীয় উদ্যোগপতি অম্বিকা চৰণ বড়ো, ব্যৱসায়ী শ্ৰীগোপাল দে, স্থানীয় ব্যৱসায়ী শ্ৰী সুবোধ সাহা, আদিৰ কৰ্মনিষ্ঠা আৰু সহযোগিতা নিশ্চয় প্ৰশংসনীয়। ইয়াৰ বাহিৰেও বহুতো ব্যক্তিৰ সান্নিধ্যত মহাবিদ্যালয়খন গঢ়ি উঠাত সহায় কৰিছিল আৰু সকলোজনৰে কথা স্মৰণ কৰাটো সম্ভৱ নহলেও যি সকল ব্যৱসায়ী মহাবিদ্যালয়খনৰ চালুকীয়া অৱস্থাত বাকী দি সহায় কৰিছিল সেই বিলাকৰ ভিতৰত প্ৰয়াত ৰঞ্জিৎ সাহা, প্ৰয়োজনীৰ দোকানৰ স্বত্বাধিকাৰী, ৰেবতী ট্ৰেডাৰ্চৰ স্বত্বাধিকাৰ, মহামায়া কাপোৰৰ দোকানৰ স্বত্বাধিকাৰ আৰু দুধনৈৰ এসময়ৰ গড়কপ্তানী বিভাগৰ মুখ্যবিষয়া শ্ৰী হৰেন ব্ৰহ্ম, সমাজ সেৱক শ্ৰী ৰবেন দাস আৰু অমূল্য ৰায় আদিৰ নাম চিৰস্মৰণীয় হৈ ৰ'ব।

দুধনৈ মহাবিদ্যালয়ৰ বৰ্তমান স্থানৰ মাটি অধিগ্ৰহণ কৰাৰ ক্ষেত্ৰত অতি পৰিতাপৰ বিষয় হিচাবে এটা পোক্কৰ জনীয়া দলে গোৱালপাৰা কছাৰীৰ কাঠগড়াত ঠিয় হ'বলগীয়াত পৰিছিল। কিন্তু এই ক্ষেত্ৰত মহাবিদ্যালয় সমিতিৰ হৈ এই গোন্ধৰজনীয়া আচামীয়ে কেচটো জয়লাভ কৰাৰ লগে লগে বৰ্তমানৰ মহাবিদ্যালয়ৰ মাটিখিনি পোৱাৰ ৰায়দান সুযোগ লাভ কৰে। ১৯৭০ চনৰ ভাৰতৰ জৰুৰীকালীন সময়ত মহাবিদ্যালয়ৰ মাটিৰ পৰা শাৰানাৰ্থী সকলক উচ্ছেদ কৰাত মহাবিদ্যালয়ৰ অন্যান্য গৃহ তথা খেলপথাৰখন পোৱাত সুচল হৈ পৰে। কিন্তু এইখন মহাবিদ্যালয়ৰ মূল গৃহৰ মাটিখিনি দুধনৈ ছোৱালী হাইস্কুলৰ নামত থকা বাবে পৰৱৰ্ত্তী সময়ত মহাবিদ্যালয়ৰ নিৰ্মাণৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক ছোৱালী বিদ্যালয়ৰ পৰিচালনা সমিতিয়ে প্ৰস্তাৱ যোগে দান দিয়ে। আৰম্ভনীতে মহাবিদ্যালয় স্থাপনৰ বাবে ইয়াৰ স্থানীয় নবৰূপ সংঘই সেইসময়ৰ পাঁচ হেজাৰ টকাৰ দান আজিৰ দিনত যথেষ্ট মূল্য সূচক হৈ ৰ'ব।

মহাবিদ্যালয়ৰ কলা শাখাটো পূৰ্ণাঙ্গ পৰ্যায় পোৱাৰ পিছতে এটা নিৰ্দ্দিষ্ট দিনৰ সভাত একেদিনাখনে বিজ্ঞান শাখাৰ ববে প্ৰায় সত্তৰ হেজাৰ টকা প্ৰতিশ্ৰুতিৰ চাৰিটা কোঠা বিজ্ঞানাগাৰৰ বাবে পোৱাটোও এটা সৌভাগ্য। এই ক্ষেত্ৰত প্ৰয়াত হাকিম চন্দ্ৰ ৰাভা আৰু ভতিজা

শ্ৰীনৰ হাজৰিকাই এটা কোঠা, শ্ৰী ৰবি সিংহ আৰু শ্ৰী কাৰ্ত্তিক সিংহ ডাঙৰীয়াই যুটীয়াভাবে এটা কোঠা, উদ্যোগপতি চান্দমল জৈনে নিজাববীয়াকৈ এটা কোঠা আৰু প্ৰয়াত ৰঞ্জিৎ দত্তই এটা নিজাববীয়াকৈ কোঠা নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়াত সেইদিনাৰ সভাতে মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ সোণালী সোপান বাস্তৱত পৰিণত হয়। শেষত স্থানীয় ঠিকাদাৰ শ্ৰী কেৰোৰি মল আগৰৱালাই এটা কোঠা নিৰ্মাণ কৰি দিয়াৰ দায়িত্ব লোৱাত বিজ্ঞানাগাৰৰ অভাৱ কিছু দূৰ হয়।

দুধনৈ মহাবিদ্যালয়ৰ বিভাগীয় ফালৰ পৰা যিসকল লোকৰ পৰোক্ষ বা প্ৰত্যক্ষ ভাবে নীৰবে সহাৰি দি গ'ল সেই সকলৰ ভিতৰত আগতে উনুকিয়াই অহা প্ৰয়াত ভগবান লহকৰ আৰু প্ৰয়াত জেলিল ছাৰৰ বাহিৰেও বিশ্ববিদ্যালয়ৰ পৰিদৰ্শক হিচাবে অহা গুৱাহাটী আইন মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰয়াত ক্ষিতীশ দাস, অসমৰ উচ্চশিক্ষাৰ শিক্ষাধিকাৰ মহোদয় সকলৰ অৱদান স্মৰণ কৰি থাকিবই লাগিব। বিশেষকৈ গুৱাহাটী বিশ্বাবিদ্যালয়ৰ পঞ্জিয়ক যথাক্ৰমে প্ৰয়াত চিদানন্দ দাস আৰু কৈলাশ ভট্টৰ অৱদান মহাবিদ্যালয়খনলৈ আশীৰ্বাদ হিচাবে থাকিব। দুধনৈ মহাবিদ্যালয়ৰ গঠনত আৰ্থিক দিশত টনকিয়াল কৰাৰ ক্ষেত্ৰত ধনসংগ্ৰহ অভিযানত বহুতো শিক্ষক, ছাত্ৰ-ছাত্ৰী, স্থানীয় যুৱক-যুৱতীয়ে প্ৰত্যক্ষভাবে জড়িত থাকি সাতদিন ব্যাপি যি ধন সংগ্ৰহ কৰিছিল ই এটা অতি প্ৰয়োজনীয় আদৰ্শ। ৰাইজে ইচ্ছা কৰিলে যে যি কোনো কাম অনায়াসে কৰিব পাৰে এয়া এটা জলন্ত নিদৰ্শন।

দুধনৈ মহাবিদ্যালয়ৰ আন এটা দিশত যি সকল বৰেণ্য ব্যক্তিয়ে যথেষ্ট উৎসাহ আৰ প্ৰচেষ্টা আগবঢ়াইছিল তাৰে ভিতৰত তাহানিৰ অসমৰ সাংসদ তেজস্বী ডেকা পুৰুষ প্ৰয়াত দীনেশ গোস্বামী অন্যতম। তেখেতৰ অবিহনে বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ পৰা ইমান সোণকালে আৰ্থিক অনুদান পোৱাতো সুচল নহ'লহেঁতেন। এই ক্ষেত্ৰত অসমৰ মুখ্য মন্ত্ৰী প্ৰয়াত হীতেশ্বৰ শইকীয়া, তাহানিৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী শ্ৰীমতী ৰেণুকা দেবী বৰকটকী, শিক্ষা বিভাগৰ ৰাজ্যিক কেন্দ্ৰীয় মন্ত্ৰী প্ৰেমচন্দ্ৰ থংগুন, সেই সময়ৰ মানৱ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী আৰু পিছলৈ প্ৰধান মন্ত্ৰী শ্ৰীনৰ সিংহ ৰাওৰ অৱদানো যথেষ্ট মূল্যবান। লগতে উত্তৰ পূব পৰিষদৰ বিশ্ববিদ্যালয়ৰ মঞ্জুৰী আয়োগৰ গুৱাহাটীৰ শাখা সচিব শ্ৰী ব্ৰজেন ৰায়চৌধুৰীৰ অৱদানো যথেষ্ট আছে। ইয়াৰ বাহিৰেও অসমৰ বহুতো জ্ঞানীগুণী ব্যক্তি এইখন মহাবিদ্যালয়ৰ গঠনত প্ৰেৰণা যোগাই অহা ব্যক্তি সকলক মনলৈ অনাত যথেষ্ট দূৰুহ হ পৰাৰ বাবে সিবিলাকৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটো পৰিপূৰক ঘাটি মঞ্জুৰীৰ ক্ষেত্ৰত ৰাভা হাছং পৰিষদৰ ফালৰ পৰা সহায় সহযোগিতা আৰ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত কাম কৰি অহা প্ৰবক্তা সকলৰ ঐকান্তিক প্ৰচেষ্টা শালাগিবলগীয়া। যাৰ বাবে অৰহ প্ৰচেষ্টাত পৰিপূৰক ঘাটি মঞ্জুৰী পোৱাত অৰিহণা যোগাইছিল। এই সকলৰ প্ৰাক্তন মন্ত্ৰী শ্ৰীশৰৎ বৰকটকীৰ ভিতৰত অৱদান অতুলনীয়।

মহাবিদ্যালয়খনত পোনতে বড়ো ভাষাত এম, আই, এল হিচাবে প্ৰবৰ্ত্তন কৰাত গোৱালপাৰা জিলা বড়ো ছাত্ৰ সংগঠনৰ লগতে বড়ো সাহিত্যসভাৰ প্ৰচেষ্টা অতুলনীয়। বিশেষকৈ শ্ৰেণী পৰিচালনা কৰাত অৰ্থনীতি বিভাগৰ প্ৰবক্তা শ্ৰী পবিত্ৰ ব্ৰহ্মৰ অৱদানক অস্বীকাৰ কৰিব নোৱাৰি।

ইংৰাজী বিষয়টো এটা উল্লেখযোগ্য বিষয় হিচাবে মহাবিদ্যালয়ত অন্যান্য প্ৰবক্তাসকলৰ লগতে প্ৰবক্তা শ্ৰী অশোক ৰঞ্জন ভট্টাচাৰ্য্যৰ ঐকান্তিক প্ৰচেষ্টাক স্বীকৃতি দিবই লাগিব।

বঙ্গাই গাঁওত থকা B PL ৰ পৰা পোৱা এক লাখ টকাৰ অৱদান উদ্ভিদ বিভাগৰ গৃহ নিৰ্মাণত যথেষ্ট বৰঙণি যোগাইছিল। লগতে গোৱালপাৰা জিলাৰ বন বিভাগৰ সামাজিক বনানিকৰণৰ ফালৰ পৰা গোটেই কলেজৰ চৌহদ তাঁৰ কাটাৰে বেৰি দি গছ গছনি লগোৱাত যি উদ্‌গনি আৰু সাহায্য প্ৰদান কৰিছিল তাৰ বাবে সেই সময়ৰ বিভাগীয় কৰ্তৃপক্ষক স্বীকৃতি দিবই লাগিব।

মহাবিদ্যালয়ৰ বিশাল খেল পথাৰখন কাটি বৰ্তমানৰ অৱাস্থালৈ অনাৰ ক্ষেত্ৰত গোৱালপাৰা জিলাৰ কৃষিবিভাগৰ অভিযান্ত্ৰীক শাখাটোৰ কৰ্তৃপক্ষক ধন্যবাদ দিবই লাগিব। যাৰ ঐকান্তিক প্ৰচেষ্টাত পৰ্ব্বত সম মাটিকাটি সমান কৰি খেলপথাৰখন তৈয়াৰ কৰি দুধনৈ বড়ো সাহিত্য সভা পতাৰ সুযোগকন দিছিল।

মহাবিদ্যালয়ৰ সন্মুখত থকা পুখুৰীৰ মাটিত থকা কাঠৰ প্ৰথম পদপথ দলংখন মহাবিদ্যালয়ৰ মিস্ত্ৰী প্ৰয়াত ভাতুৰাম ৰাভাৰ সাহস আৰু কৰ্মদক্ষতাক বলিষ্ঠ পদক্ষেপৰ স্বীকৃতি দিবই লাগিব।

সামৰণিত যি সকল ব্যক্তিয়ে হেজাৰ টকাৰ পৰা আধাকেজি চাউললৈকে মহাবিদ্যালয় খনলৈ আৰ্থিক সাহায্য দি গল তেওঁলোকৰ নাম চিৰস্মৰণীয় কৰি ৰখাটো মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ সন্মুখত এটা গধুৰ দায়িত্ব আহিছে। সেই বাবে তেনে এটা সংৰক্ষণ স্মৃতিস্তম্ভ সোনকালে বিলীন নহবলৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ দায়িত্ব আহি পৰিছে।

আৰম্ভণীৰে পৰা প্ৰায় ২০০৬ চনলৈকে মহাবিদ্যালয় গৃহ নিৰ্মাণ কাৰ্যত মিস্ত্ৰী হিচাবে জড়িত থকা ৰাজমিস্ত্ৰী মজিবৰ ৰহমান আৰু কাঠমিশ্ৰী শ্ৰীবীৰেন সূত্ৰধৰৰ নাম দুধনৈ মহাবিদ্যালয়ৰ গৃহ নিৰ্মাণ গঠনত চিৰস্মৰণীয় হৈ ৰ'ব।

দুধনৈ মহাবিদ্যালয়ৰ জন্ম লগ্নৰে পৰা বৰ্তমান সময়লৈকে লিখাৰ যথেষ্ট যুক্তি আৰু স্থল থাকিলেও সীমিতৰ মাজেৰে লিখনিৰ মোখনি মাৰিবলগীয়া হোৱাত উল্লেখ কৰাৰ পৰা বিৰত থাকিব লগীয়া হ'ল। ভুল দোষ মানুহৰ মাজতে থাকে। জন্ম লগ্নৰে পৰা প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাবে নিজৰ চাকৰি জীৱনতে মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তী পতাৰ দায়ীত্ব আহিল যদিও বহুতো ক্ষেত্ৰত আৰু নানান অসুবিধাৰ মাজত থকা বাবে সদ্‌ভাৱ সদ্‌ইচ্ছা থকা সত্বেও যি

সম্ভৱপৰ নহ'ল। তাৰ বাবে মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ হিচাবে চিৰ ক্ষমা প্ৰাৰ্থী-ৰাইজ তথা মহাবিদ্যালয় কৰ্ত্তৃপক্ষৰ ওচৰত।

মহাবিদ্যালয়খনত বাণিজ্য শাখা পূৰ্ণ পৰ্য্যায় পোৱাৰ ভিতৰত এখন প্ৰতিষ্ঠিত মহাবিদ্যালয় স্তৰলৈ উঠাৰ সময়তে বহুতো আধৰুৱা কাম পৰৱৰ্ত্তী অধ্যক্ষজনলৈ কামৰ দায়ীত্ব দি ১৯৯৯ চনত অৱসৰ গ্ৰহণ কৰো। গোটেই জীৱনত কি দিলো, কি পালো তাৰ হিচাব আজি লোৱাৰ সময় নাই। মহাবিদ্যালয়খন গঠনৰ ক্ষেত্ৰত জন্ম লগ্নৰে পৰা ১৯৯৯ চনলৈকে যিসকল ব্যক্তিৰ সান্নিধ্যতা লাভ কৰি মহাবিদ্যালয়খন গঢ় দিয়া হ'ল সেই সকললৈ চিৰ নমস্য আৰু চিৰস্মৰণীৰয় হৈ ৰ'ব। অৱসৰৰ সময়ত আধৰুৱা গৃহৰ কামৰ বাহিৰেও এনে এটা শক্তি মহাবিদ্যালয়ৰ পৰৱৰ্ত্তী অধ্যক্ষলৈ দি অহা হয় সেই দিশটো হ'ল উঠি অহা নৱ প্ৰজন্মৰ উচ্চ আকাংক্ষিত ছাত্ৰ-ছাত্ৰী আৰু দুধনৈ মহাবিদ্যালয়ৰ সুপ্ৰতিষ্ঠিত বিষয়া কৰ্মচাৰী আৰু দুধনৈ মহাবিদ্যালয়ৰ সকলো দিশতে সমানে পাৰ্গত শিক্ষক গোট, যি গোটৰ সহায়ত লিখকে মহাবিদ্যালয়ৰ বহুতো কঠিন কাম অতি সূচাৰুৰূপে সম্পন্ন কৰাত সহায় পাইছিলো আৰু সকলো কাম নিয়াৰিকৈ কৰাত তেওঁলোকৰ পৰা অকৃত্ৰিম সহানুভূতি আৰু সহযোগ পাইছিলো।

আহিব ধৰা দিনবোৰ দুধনৈ মহাবিদ্যালয়ৰ বাবে সুখৰ হওঁক। মহাবিদ্যালয়খনৰ শৈক্ষিক দিশ সৰ্ব্বতো প্ৰকাৰে উন্নত হওঁক তাৰে কামনাৰে প্ৰাক্তন অধ্যক্ষৰ লিখনি সামৰিছো ইমানতে।

'জয়তু দুধনৈ মহাবিদ্যালয়।

জয়তু দুধনৈ মহাবিদ্যালয় ৰূপালী জয়ন্তী উৎসৱ।

(শ্ৰীযুত ৰাভা দুধনৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ)

# বড়ো সাহিত্য সভাৰ ২২ তম দুধনৈ অধিবেশনৰ ৰেঙণি

দেবেন কছাৰী

বড়ো সাহিত্য সভাৰ ৯ম অধিবেশনখন দুধনৈ খাৰাত ১৯৬৮ চনৰ ১,২ আৰু ৩ মাৰ্চত গৌৰীকান্ত ব্ৰহ্মাৰ সম্পাদনাত আৰু সতীশ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত হৈ যোৱাৰ পিচত ২২ তম অধিবেশনখন ১৯৮১ চনত পুনঃ ৯, ১০, ১১ মাৰ্চত দুধনৈত অনুষ্ঠিত হৈ যায়। ১৯৬৮ চনৰ পৰা ১৯৮১ চনৰ মাজত দুধনৈ কিছু পৰিবৰ্ত্তন হ'ল। ১৯৬৮ চনৰ ১২ বছৰৰ পিচত অনুষ্ঠিত হোৱা বড়ো সাহিত্য সভাৰ ২২ তম অধিবেশনৰ আয়োজন দেখি বড়ো সাহিত্য সভাৰ নেতৃ বৰ্গই কব লগীয়া হ'ল — 'দুধনৈআ বড়ো থুনলাই আফাদখো ফেদেৰ বায়' দুধনৈয়ে বড়ো সাহিত্য সভা ডাঙৰ কৰিলে বুলি।

বড়ো সাহিত্য সভাৰ অধিবেশন সমূহ তেতিয়ালৈকে জাক-জমক নকৰি অসুষ্ঠুপীয়াকৈ পাতি আহি আছিল। দুধনৈ মহাবিদ্যালয় প্ৰাঙ্গণত পাতিবলৈ লোৱা বড়ো সাহিত্য সভাৰ ২২ তম অধিবেশনখন সুসজ্জিত ভাৱে আয়োজন কৰা হৈছিল। বৰ্তমানৰ আৰ্হিত পোন প্ৰথম বাৰৰ বাবে আয়োজন কৰা সাহিত্য সভাৰ এইখন অধিবেশন ৰঙে ৰূপে শোভিত হৈ জন সমাগম ঘটাইছিল।

দুধনৈ অসমৰ পশ্চিম প্ৰান্তত থকা গোৱালপাৰা জিলাৰ জন-জাতীয় অধ্যুষিত পিচ পৰি থকা অঞ্চল। ইয়াৰ প্ৰমাণ পোৱা যায় যেতিয়া ৩৭ নং উচ্চ ৰাষ্ট্ৰীয় পথেৰে বিভিন্ন যান-বাহনেৰে যোৱা ৰাজ্যৰ তথা দেশৰ যাত্ৰীৰ মুখৰ পৰা ওলায় — 'পিচ পৰা অঞ্চল' বুলি। চাকৰি বাকৰি সূত্ৰে এই অঞ্চললৈ অহা শিক্ষিত লোকে মন্তব্য দিয়ে — 'একেবাৰে পিচ পৰা।' হয়, জনজাতীয় লোক সকল শিক্ষা-দীক্ষা অৰ্থনীতি, ৰাজনীতি আদি সকলো দিশে পিচ পৰা। দুধনৈ অঞ্চল পিচ পৰা। অঞ্চলৰ গৰীব ৰাইজৰ ল'ৰা- ছোৱালীবোৰে অৰ্হতা থকা সত্বেও দূৰলৈ গৈ শিক্ষা গ্ৰহণ সম্ভৱ নাছিল। শিক্ষাৰ সন্দৰ্ভত এই অভাৱ দূৰ কৰাৰ উদ্দেশ্য আগত ৰাখি অঞ্চলৰ নেতৃবৃন্দই ষাঠিৰ দশকত দুধনৈত মহাবিদ্যালয় স্থাপনৰ সোপান ৰচিছিল। গুৰি ধৰোতাসকলৰ মাজত আছিল — হাকিম ৰাভা, মণিশংকৰ বসুমতাৰী, অশ্বিনী পাটগিৰি, পূজাৰু ৰাভা, পবিত্ৰ চৰকাৰ, থানেশ্বৰ ৰায়, আদি মহৎ ব্যক্তি সকল। মহাবিদ্যালয় স্থাপনৰ পুঁজি সংগ্ৰহৰ বাবে চিনেমা, যাত্ৰা পাৰ্টি আৰু থিয়েটাৰ আদি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ল। ১৯৬৭ চনত নতুন কমিটি হোৱাৰ পাচত বাখাৰু ৰায়ৰ সভাপতিত্বত গাৱেঁ-ভূঞে ধন সংগ্ৰহৰ পৰিকল্পনা কৰি ৰাইজৰ ওচৰ চপা হ'ল। ১৯৭১ চনৰ নবেম্বৰ মাহৰ পৰা গাঁৱে গাঁৱে খেতিয়ক ৰাইজৰ পৰা ধান সংগ্ৰহ কৰা হ'ল। সৰ্ব্ব উচ্চ ডেৰ মোন আৰু নিম্নতম ২ (দুই)পাল্লা ধান লোৱাৰ পৰিকল্পনাৰে ক্ৰমান্বয়ে ঠেকাশু, শিয়ালমাৰী, খাঁৰা গাৱত আৰম্ভ কৰি পূবে ধূপধাৰাৰ পৰা পশ্চিমে কৃষ্ণাই লৈ ধান আৰু টকা-পইচা সংগ্ৰহৰ দিহা কৰা হ'ল। সৰ্ব সাধাৰণ ৰাইজৰ পৰা টকাৰ বৰঙণি সৰ্ব উচ্চ ডেৰশ টকা লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰি ধন সংগ্ৰহ কৰা হ'ল। মহাবিদ্যালয় স্থাপনৰ স্থান হিচাবে ১৯৬৪ চনত অহা বাংলাদেশী শৰণাৰ্থীক শিবিৰ পাতি ৰখা মাটিয়া শৰণাৰ্থী শিবিৰৰ ৮নং আৰু ৯নং শিবিৰৰ মাটি দুধনৈ ৰাজহ চক্ৰৰ খাৰা ৰাজহ গাওঁৰ ২য় খণ্ডৰ মাটি নিৰ্বাচন কৰি ৰাখিছিল। উল্লেখযোগ্য যে উক্ত শিবিৰ দুটাত ১৪৬ বিঘা মাটিত ৩৬১ টা বঙালী পৰিয়ালৰ মুঠ ১৪৭৩ জন শৰণাৰ্থীক ৰখা হৈছিল। এই শিবিৰৰ মাটিৰ পৰাই ১০০ বিঘা মাটি মহাবিদ্যালয় স্থাপনৰ বাবে বিচাৰি তেতিয়াৰ ৰাজহ চক্ৰ বিষয়া হীৰেণ নাথৰ জৰিয়তে চৰকাৰৰ ওচৰত মাটিৰ আবেদন কৰা হৈছিল আৰু এই উদ্যোগেৰে ১৯৭২ চনৰ এপ্ৰিলত দুধনৈ মহাবিদ্যালয় স্থাপন হ'ল। দূৰ দূৰণিৰ পৰা অহা শিক্ষিত চামক মহাবিদ্যালয়ত নিযুক্তি দিয়া হ'ল, উচ্চ শিক্ষিত লোকৰ আগমন ঘটিল।

দুধনৈ মহাবিদ্যালয় স্থাপন হোৱাৰ ৯ বছৰ পিচত মহাবিদ্যালয় খেল পথাৰত নৱ যুৱ চামৰ পৰিকল্পনা, স্থানীয় নেতৃবৰ্গৰ উদ্যোগ আৰু শিক্ষানুষ্ঠাকে ধৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সহায় সহযোগত বড়ো সাহিত্য সভাৰ এই ২২তম অধিবেশনখন সুকলমে অনুষ্ঠিত হৈ যায়। তেতিয়াৰ বিধায়ক জগত পাটগিৰিক সভাপতি, উপাধ্যক্ষ ক্ষীৰোদ খাখলাৰীক সম্পাদক আৰু চান্দমল জৈনক কোষাধ্যক্ষ ৰাখি অঞ্চলত শিক্ষিত আৰু নেতৃস্থানীয় লোকক লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰি অধিবেশনখন পৰিচালনা কৰা হৈছিল। জিলাখনৰ ১৮টা শাখা বড়ো সাহিত্য সভাক লৈ আৰু অঞ্চলৰ অনুষ্ঠান প্ৰতিষ্ঠান সমূহৰ অভিজ্ঞ ব্যক্তি সকলক জড়িত কৰাই গঠন কৰা সমিতিৰ সদস্য তথা বিশেষভাৱে বিষয়বাবদ পোৱা সদস্য সকলৰ মাজত আছিল —

অধ্যক্ষ — কৰুণাকান্ত ৰাভা, কৰ্ণধাৰ সমিতিৰ সদস্য,

সমাজ সেৱক — অশ্বিনী পাটগিৰি, উপসভাপতি

প্ৰবক্তা — হেৰম্ব ৰাভা — যুটীয়া সম্পাদক

প্ৰধান শিক্ষক — মহৎ হাজোৱাৰী — সভাপতি স্মৃতিগ্ৰন্থ উপঃ সঃ

শিক্ষাবিধ সমাজসেৱক — তৰুণ খাখলাৰী, সদস্য 'স্মৃতিগ্ৰন্থ'

প্ৰাক্তন বিধায়ক — হাকিম ৰাভা, সভাপতি, যোগান উঃ সমিতি

প্ৰাক্তন বিধায়িকা — আনন্দী বালা ৰাভা, সভানেত্ৰী প্ৰদৰ্শনী, উঃ সমিতি

শিক্ষক — অনিল দাস, সভাপতি, প্ৰচাৰ বিভাগ

শিক্ষক — প্ৰতুল চক্ৰৱৰ্ত্তী, সভাপতি, অতিথি আহ্বান

সমাজসেৱক — শ্ৰীশ ব্ৰহ্ম চৌধুৰী, সভাপতি, খাদ্য উপ সমিতি

সমাজসেৱক — অম্বিকাচৰণ বড়ো, সভাপতি, পেণ্ডেল উপঃ সমিতি

সমাজসেৱক — গোপেন বসুমতাৰী, সভাপতি উৰণ, উপঃ সমিতি

সমাজসেৱক — সুপ্ৰচাদ খাখলাৰী, সভাপতি সাংস্কৃতিক উপঃ সমিতি

সমাজসেৱক — দিব্যলোচন দাস, কাৰ্য্যংকৰী সদস্য

সমাজসেৱক — পবিত্ৰ কুমাৰ সৰকাৰ

প্ৰবক্তা — হৰমোহন দাস, সভাপতি স্বেচ্ছাসেৱক উপসমিতি

প্ৰবক্তা — ত্ৰৈলোক্য তালুকদাৰ, কাৰ্যকৰী সদস্য

প্ৰবক্তা — ৰীতা ৰায় চৌধুৰী, কাৰ্যকৰী সদস্য

প্ৰবক্তা — বীৰেণ ভূঞা, কাৰ্যকৰী সদস্য

প্ৰবক্তা — গোপাল ৰায়, কাৰ্যকৰী সদস্য

প্ৰবক্তা — তেজেন নাথ, যোগাযোগ শাখা

প্ৰবক্তা — মিনতি চৌধুৰী, সদস্য, সাংস্কৃতিক উঃ সমিতি

প্ৰবক্তা — দশৰথ কাকতি, সদস্য, সাংস্কৃতিক উঃ সমিতি

প্ৰবক্তা — বসন্ত শৰ্মা, সদস্য যোগাযোগ

প্ৰবক্তা — অমৃত কলিতা, সদস্য প্ৰদৰ্শনী, উপসমিতি

প্ৰবক্তা — মহেশ তালুকদাৰ, সদস্য, প্ৰদৰ্শনী, উপসমিতি

শিক্ষক — উদ্ধৱ নাথ, সদস্য, পেণ্ডেল, উপসমিতি

শিক্ষক — সুশান্ত বেনাৰ্জী, সম্পাদক যোগাযোগ উপসমিতি

শিক্ষক — কেশৱ ৰায়, কাৰ্যকৰী সদস্য

সমাজকৰ্মী — ৰবেন দাস, সদস্য স্বাস্থ্য উপসমিতি

সমাজকৰ্মী — চিত্তৰঞ্জন ৰায়, সদস্য, খাদ্য বিভাগ

সমাজকৰ্মী — মন্টু লাল টোডী, সদস্য, পেণ্ডেল, উপসমিতি

সমাজকৰ্মী — কেশৱ শৰ্মা, সদস্য পেণ্ডেল, উপসমিতি

সমাজকৰ্মী — যশোৱন্ত ৰাভা, টোৰণ

শিক্ষয়িত্ৰী — তৃপ্তি ৰায়, স্বেচ্ছাসেৱক, উপসমিতি

কেপ্টেইন ৰবীন্দ্ৰ নাৰায়ণ ব্ৰহ্ম, সভাপতি পোহৰ আৰু পানী যোগান বিভাগ

ডাক্তৰ — অলকানন্দ চৌধুৰী, স্বাস্থ্য উপসমিতি

ৰাজহ চক্ৰ বিষয়া, মহেশ নাথ, কাৰ্যকৰী সদস্য —

ৰাজহ চক্ৰ বিষয়া দেবানন চুতিয়া, পেণ্ডেল বিভাগ

শিল্পী সাহিত্যিক — ৰাজেন পাম, কাৰ্যকৰী সদস্য

সৰ্বমুঠ ১৩টা উপসমিতিৰে পৰিচালনা কৰিবলৈ লোৱা ২২তম বড়ো সাহিত্য সভাৰ অধিবেশন সুন্দৰভাৱে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে জাক-জমক আৰু শৃঙ্খলাবদ্ধভাৱে পৰিসমাপ্তি ঘটে। অঞ্চলৰ নেতৃ স্থানীয় অভিজ্ঞ সমাজসেৱক আৰু শিক্ষিত লোকৰ সহযোগিতা বিশেষভাৱে দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষকে ধৰি মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকাৰ সক্ৰিয় সহযোগ তথা মহাবিদ্যালয়ৰ গৃহকে ধৰি অন্যান্য কৰ্মচাৰীক জড়িত কৰাই কাম-কাজ সুচাৰু ৰূপে কৰি অধিবেশনৰ আয়োজন সফল হৈ উঠিছিল। আৰু সফলতা অৰ্জন কৰিব পৰা হ'ল যেতিয়া অভ্যৰ্থনা সমিতিৰ সম্পাদক গৰাকী কান্ধত এখন মোনা ওলমাই লৈ ধন সংগ্ৰহকে ধৰি অলৌ টোলৌকৈ ঘূৰি পাকি প্ৰতিটো বিভাগ প্ৰতিটো কাম কাজৰ খবৰ লৈ আৱশ্যকীয় যা-জোগাৰ দিছিল সেই জনা অভ্যৰ্থনা সমিতিৰ সম্পাদক গৰাকীয়ে অধিবেশন সফল সমাপ্তি ঘটাৰ নিৰ্দিষ্ট সময়ৰ ভিতৰতে অধিবেশনৰ হিচাব নিকাশ দাঙি ধৰিবলৈ সমৰ্থ হৈছিল। এই সফলতাৰ বাবেই সম্পাদক গৰাকী ৰাইজৰ ভূয়সী প্ৰশংসা পাইছিল।

অধিবেশন আৰম্ভ যোৱাৰ আগ মুহূৰ্তত চ'তৰ শেষত 'বাৰ দৈ চিখিলাই' মাকৰ ঘৰলৈ যাওঁতে বাটৰ বড়ো সাহিত্য সভাৰ প্ৰকাণ্ড ৰভা দেখি প্ৰতিহিংসাৰে ৰভা ভাঙি চিঙি চুৰমাৰ কৰি থৈ গৈছিল। পৰিচালক গৰাকী শৰাইঘাটৰ গড় নিৰ্মাণৰ দৰেই যুদ্ধকালীন তৎপৰতাৰে ক্ষীপ্ৰ গতিৰে পুনঃ নিৰ্মাণ কৰি তুলিছিল। কবিৰ ভাষাৰে চালক গৰাকীয়ে নিৰ্দেশনা দি কয় —

আহ ৰঙা মুৰা
ৰ'বৰ সময় নাই
দা কুঠাৰ লৈ আহ
বেগতে দুমুঠি খাই

ৰাইজৰ অকুণ্ঠ সহাৰি কায়িক শ্ৰমৰ দ্বাৰাই শালনিৰ গছ-গছনি, খৰি-খুটা, গাৰঁৰ বাঁহ বন খেৰ আৰু চাউল উদাৰ চিতে সংগ্ৰহ হৈ উঠিছিল। অধিবেশনৰ বাবে আৱশ্যক হোৱা ফালি — 'আৰনাই' 'বেজ' তাঁত শালত তৈয়াৰ কৰি এটা নজিৰ স্থাপন কৰিলে। মহাবিদ্যালয়ৰ খেল পথাৰৰ ওখ মাটিৰ ওপৰত সজাই তোলা আটোপ ধুনীয়া মঞ্চ, আহল বহল ৰভা, জাতীয় ঐতিহ্য বহনকাৰী টোৰণ নিৰ্মাণ, প্ৰদৰ্শনী মণ্ডপত চৰকাৰী বেচৰকাৰী প্ৰদৰ্শনী কোঠাৰ উপৰি নৃত্য ৰত জনগোষ্ঠীয় সাংস্কৃতিক নৃত্যপ্ৰদৰ্শনে প্ৰদৰ্শনীৰ অইন এটা মনোগ্ৰাহী দিশ আছিল। প্ৰদৰ্শনীৰ প্ৰৱেশদ্বাৰত তিনি ভনীয়ে প্ৰণাম জনাই দৰ্শনাৰ্থীক স্বাগতম জনালে — বড়ো গাভৰুৱে জনালে —

'খুলুমবায়' ৰাভা গাভৰুয়ে দিলে — 'ইনিচি' গাৰো গাভৰুৱে জনালে 'চালাম'। জন সোঁত বোৱালে প্ৰদৰ্শনীয়ে, লোকে লোকাৰণ্য হ'ল ২২ তম বড়ো সাহিত্য সভাৰ অধিবেশন।

প্ৰদৰ্শনীৰ দুৱাৰ দলিত থিয় হৈ শিক্ষাবিদ সাহিত্যিক চাৰি গৰাকী কমল কুমাৰ ব্ৰহ্ম, মনোৰঞ্জন লাহাৰী, বানেশ্বৰ বসুমতাৰী আৰু ডানেশ্বৰ বসুমতাৰী সাহিত্য প্ৰেমী ব্যক্তি সকলে কলে — 'দুধনৈ আ বড়ো থনলাই আফাদখৌ ফেদেৰবায়' — দুধনৈয়ে বড়ো সাহিত্যিক ডাঙৰ কৰিলে বুলি। প্ৰবক্তা হেৰম্ব ৰাভাই 'টোৰণ দিল্লী গেটৰ দৰে লাগিছে।' বৰ্ণাঢ্য কাৰ্যসূচীৰে সফল সমাপ্তি ঘটিল বড়ো সাহিত্য সভাৰ ২২ তম অধিবেশন।

অধিবেশনত পূৰ্ণ সহযোগ দি সফল সমাপ্তি হোৱাৰ অন্তত উৎসাহিত হৈ মনোবলেৰে শিক্ষাবিধ ডেকা শিক্ষক অনিল দাসে এক প্ৰকাৰ চিঞৰি কলে — 'অসম সাহিত্য সভাৰ অধিবেশন দুধনৈত আনিব পাৰিলো বুলি। উৎসাহিত আৰু আগ্ৰহী হৈ উঠিল দুধনৈ অঞ্চলৰ যুৱ শিল্পী সাহিত্যিক সকল অসম সাহিত্য সভাৰ অধিবেশন দুধনৈলৈ অনাৰ বাবে; ফলস্বৰূপে বড়ো সাহিত্য সভাৰ ২২ তম অধিবেশনৰ ১০ দহ বছৰ পিচত ১৯৯১ চনত অসম সাহিত্য সভাৰ পঞ্চ সপ্তদশ অধিবেশন ড° নিৰ্মলপ্ৰভা বৰদলৈৰ সভানেত্ৰীত্বত জাক-জমকতাৰে সুকলমে অনুষ্ঠিত হৈ গ'ল দুধনৈৰ সমন্বয় ক্ষেত্ৰত। যিখন সমন্বয় ক্ষেত্ৰত পতাকা উত্তোলন থলিত সাংস্কৃতিক বিভাগৰ সভাপতি শিল্পী সুশীল ৰায়ৰ ওচৰত প্ৰতিবাদৰ জোৱাৰ তুলি হলেও দুধনৈ মহাবিদ্যালয়ত বড়ো মাধ্যমত শিক্ষা গ্ৰহণ কৰা, কুকু, প্ৰণিতা আৰু ৰঞ্জিতাই দখনা, পাৰুল, ডালিমী ৰাভাই ৰুকান, মাৰাক চাংমা হতে ডাক মান্দা আৰু হাজং হঁতে পাতানি পৰিধান কৰি অসম সাহিত্য সভাৰ পতাকাৰ তলত থিয় হৈ পতাকা উত্তোলনৰ সমবেত সংগীত গালে। উচ্চাৰিত হ'ল — ''চিৰ চেনেহী মোৰ ভাষা জননীৰ, গালে — 'অ' মোৰ আপোনাৰ দেশ অ' মোৰ চিকুনী দেশ,' এনেখন শুৱলা এনেখন শুফলা এনেখন মৰমৰ দেশ,' বোৱাই দিলে সমন্বয় ক্ষেত্ৰৰ সমন্বয়ৰ এনাজৰী।

পৰৱৰ্তী কাল ছোৱাত দুধনৈ অধিবেশনৰ আৰ্হিৰে বৃহৎ আকাৰৰ ৰূপ ধাৰণ কৰা বড়ো সাহিত্য সভাৰ অধিবেশন পৰিপাটি আৰু শৃঙ্খলাবদ্ধ ভাৱে অনুষ্ঠিত হোৱা ৪৪তম বিজনী অধিবেশনৰ মুকলি সভাত উপস্থিত হৈ অসম সাহিত্য সভাৰ সভাপতি কনক সেন ডেকাই তেওঁৰ ভাষণত কৈছিল, অসম সাহিত্য সভাই বড়ো সাহিত্য সভাৰ আদৰ্শ লোৱা উচিত বুলি।

বড়ো সাহিত্য সভাৰ ২২ তম দুধনৈ অধিবেশন অঞ্চলবাসী ৰাইজৰ প্ৰচেষ্টা, ত্যাগ আৰু পৰিশ্ৰমৰ ফলত সুকলমে অনুষ্ঠিত হ'ল — ৰং-ৰূপেৰে সজ্জিত হৈ আৰম্ভ হ'ল ফলপ্ৰসুতাৰে ইতিহাস ৰচি দুধনৈ মহাবিদ্যালয়লৈ যোৱা পথ পকী কৰণ। অধিবেশনৰ সফল সমাপ্তি ঘটিল। সাক্ষী হৈ ৰল মাথো দৈমা দিউদিনী।

*(শ্ৰীযুত কছাৰী কাৰ্য্যবাহী সদস্য, ৰাভাহাছং)*

# স্মৃতিৰ টুকুৰা খবৰ

কণিকা নাথ

নববৰ্ষৰ ন প্ৰভাতত দিবাকৰৰ সতে কঢ়িয়াই আনিছোঁ এটি দলিয়াই পেলাব নোৱৰা স্মৃতিৰ টোপোলা মেলি দিলো আপোনাসবৰ ঘৰৰ মাজিয়াত দুধনৈত ঊষাস্নান কৰি উঠি। সূৰ্যদেৱতাক প্ৰথম প্ৰণাম জনাই দ্বিতীয়টি শ্ৰদ্ধা ও ভক্তিক প্ৰণাম জনাইছোঁ দুধনৈ ৰাইজৰ চৰণস্পৰ্শী। আজি মোৰ কি পৰম সৌভাগ্য মোৰ বুকুৰ উষ্মা সানি একলম স্মৃতিৰ অৰ্ঘ্য নিবেদিছোঁ আপোনাসবৰ হৃদয় মন্দিৰত। ভগবান আপোনাসবৰ মঙ্গল কৰক। দুধনৈৰ সকলো শিক্ষানুষ্ঠান এল. পি. এম. ভি. হাইস্কুল (উভয়ে ল'ৰা-ছোৱালী), মহাবিদ্যালয়ৰ অনাগত দিনৰ স্বাগত বিশ্ববিদ্যালয় — সকলোটি শিক্ষানুষ্ঠান দীৰ্ঘায়ু ও মজবুত হওক ইয়াকেই ভগৱানৰ ওচৰত কামনা কৰি মোৰ স্মৃতিৰ পাপৰিবোৰ দুধনৈ গণদেৱতাৰ চৰণত অৰ্পণ কৰিলো।

দুধনৈ মহাবিদ্যালয়ত মই ইংৰাজী ১৯৭২ চনত চাকৰি কৰিছিলো। সম সাময়িকভাবে মই দুধনৈ ছোৱালী হাইস্কুলতো চাকৰি কৰিছিলো। তেতিয়া ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী আছিল মোৰ অকান্ত শ্ৰদ্ধাৰ ৰেণুবালা দাস। তেখেতলৈ মোৰ ইয়াৰে আন্তৰিক শ্ৰদ্ধা জনাইছোঁ। লগতে মাননীয়া ৰঞ্জিতা নাথ বাইদেউকো মোৰ হিয়াভৰা মৰম ও ন বছৰৰ ন সূৰুযৰ প্ৰথম কিৰণ চটিয়াই দিছোঁ। মোৰ আজিও দুধনৈ কলেজৰ স্মৃতি হিয়াত দপ্‌দপকৈ জিলিকি আছে। স্মৃতি জানো মচিব পাৰি — যি স্মৃতিয়ে কঢ়িয়াই আনে, আত্মীয়তাৰ নেৰা-নেপেৰা টাইট বান্ধোন। সঁচাকৈয়ে আমাৰ অৰ্থাৎ মোৰ আৰু দুধনৈৰ শ্ৰদ্ধাৰ ৰাইজৰ মাজত যিটো সঁচা মানবীয় প্ৰেমৰ ঘৰ এটি সাজিছিলো যেন মজবুত কংক্ৰিটৰ এটি দুমহলীয়া মন মন্দিৰ। দুধনৈ মহাবিদ্যালয় বিশ্বৰ চোতালত এটি শক্তিশালী জ্ঞানৰ প্ৰদীপ হিচাবে বিকশিত হৈ প্ৰজ্জ্বলিত হওক ইয়াকেই আজি ইং ২০০৮ চনৰ নববৰ্ষৰ জানুৱাৰী মাহৰ দহ তাৰিখে ভগবানৰ শ্ৰীচৰণত এটি প্ৰদীপ জ্বলালো। আশা কৰো গণদেবতাই গ্ৰহণ কৰিব। দুধনৈৰ ৰাইজৰ মন, জাতি, বৰ্ণ, ধৰ্ম, লিঙ্গ নিৰ্বিশেষে সকলোৰে ইং ২০০৮ চনটো মঙ্গলময়ী হওক, কলেজখন ন সূৰুযৰ প্ৰথম চুমাৰ পৰশত বিকশিত হওক — ভগবানৰ চৰণত এ পাহ শুভ্ৰ পদুমৰ অঞ্জলি ও এটি চাকি জ্বলাই মই শ্ৰীমতী কণিকা নাথে দীনবন্ধুৰ ওচৰত প্ৰৰ্থনা জনালো।

মই, মোৰ শ্ৰদ্ধাৰ ৰাজনীতি বিজ্ঞানৰ শিক্ষাগুৰু শ্ৰীযুত কৰুণাকান্ত ৰাভা, প্ৰাক্তন বিধায়ক হাকিম ৰাভা, আনন্দি বালা ৰাভা (প্ৰাক্তন বিধায়িকা), ক্ষীৰোদ খাখলাৰী, গোপাল ৰয় আদি জ্ঞাত, অজ্ঞাত মহান ব্যক্তিসকলক সঙ্গী কৰি আমি দুধনৈৰ দিহিঙে দিপাঙে ঘূৰি ফুৰিছিলো হাতত এখন খোলা বস্তা, মুখখনৰে পইচা সোমাব পৰাকৈ কেইটিমান ধনৰ (লক্ষীৰ টেমা, কাগজৰ টিকা, ৰচিদ বহী লৈ আমি যাত্ৰা কৰিছিলো গণদেৱতাৰ দুৱাৰে দুধনৈত এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিম বুলি। সঁচাকৈয়ে আমি ৰাইজৰ অভূতপূৰ্ব সহাৰি পালো। লক্ষ্মী আইক দুখীয়াৰ দুৱাৰত আহিবলৈ আকুতি আহ্বান জনালো। ৰাস্তাই ঘাটে, হাটে বজাৰে, দোকানে গৃহে যাকে য'তে পাইছো তেওঁকেই আমনি কৰিছো — এটি টকাৰ বাবে। দুধনৈত এখন কলেজ হ'ব — ৰাইজৰ কি উৎফুল্লিত হাঁহিৰ বন্যাৰ সাগৰ আৰু তাতেই জন্ম হ'ল পানীৰ মাজৰ পৰা জিলিকা প্ৰস্ফুটিত পদুমৰ পাঁচটি পাহিৰ মাজত মা সৰস্বতীৰূপী দুধনৈ কলেজ। সঁচাকৈয়ে শুভ্ৰ বগা গাখীৰৰ পৰা জন্ম হোৱা এটি স্বাদভৰা মিষ্টি অমৃতসম।

নাজানো কিয় জানো কিছুমান স্মৃতিয়ে বৰকৈ আমনি কৰে। মই যেন দুধনৈৰ প্ৰেমত পৰিছিলো সেয়েহে নেকি মইও দুধনৈৰ ৰাইজক দুধনৈ কলেজ দুধনৈ ছোৱালী হাইস্কুল, ল'ৰা হাইস্কুল — মোৰ এতিয়া নিজৰ সন্তানৰ নিচিনা। মই দিবানিশাই ভগবানক স্মৰণ কৰাৰ দৰে দুধনৈখনকো সমানেই স্মৰণ কৰো — হয়তো অলপ বেচি। মই দুধনৈ ৰাইজ, মৰমৰ, হিয়াৰ আমঠু দুধনৈ শিক্ষানুষ্ঠান বিশেষকৈ দুধনৈ কলেজলৈ।

জয়ন্তীত মোৰ হিয়াৰ এটি ৰূপালী চাকি ও এটি নবছৰ নসুৰুযৰ কিৰণত মুকুতাৰ নিচিনা জিলিকি থকা এ পাহি পদুমেৰে হিয়াৰ নিভৃত কোণৰ পৰা নিগৰি অহা শ্ৰদ্ধাৰ্ঘ নিবেদিছোঁ আজি দুধনৈ কলেজৰ পবিত্ৰ ৰূপালী জয়ন্তীত। HAPPY BIRTHDAY TO DUDHNAI COLLEGE. Thank you all of you. THANK GOD. GOD BLESS YOU ALL. জয় জনগণ, জয় দুধনৈ কলেজ। ওঁম শান্তি, ওঁম শান্তি, ওঁম।

(শ্ৰীমতী নাথ প্ৰাক্তন ছাত্ৰী)

# “দুধনৈ কলেজ মই আৰু কেইটিমান স্মৃতিৰ টুকুৰা”

শ্ৰীসৰস্বতী ৰাভা

দুধনৈ কলেজ — আমাৰ বাবে নামটোতে যেন এটি মিঠা আবেগ লাগি আছে। সুবিশাল খেল পথাৰ, ল'ৰা আৰু ছোৱালীৰ ছাত্ৰবাস সহিতে প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ দুধনৈ কলেজৰ ছাত্ৰী হিচাবে আমিও এদিন পৰিচয় দিয়াৰ সৌভাগ্য লাভ কৰিছিলো। আজি দুধনৈ কলেজখনে ৰূপালী জয়ন্তী বৰ্ষ পালন কৰিবলৈ ওলোৱাত প্ৰাক্তন ছাত্ৰী হিচাবে আমি আনন্দ পাইছো আৰু কলেজখনৰ উন্নতি কামনা কৰাৰ লগতে কেইটামান টুকুৰা ঘটনা ৰোমন্থন কৰিছো।

আমি কিছু সৰু থাকোতে আমাৰ গাৱঁৰ ঘৰ ছোটমাটিয়াত আঘোন/পুহ মাহত দুধনৈৰ পৰা কেইজনমান বিশিষ্ট ব্যক্তি ধান সংগ্ৰহৰ বাবে গৈছিল। তেতিয়াই শুনিছিলো — দুধনৈত এখন কলেজ হ'ব।

দুধনৈ ছোৱালী হাইস্কুলৰ একেবাৰে তলৰ শ্ৰেণীত পঢ়ি থাকোতে মাননীয় শ্ৰীযুত পবিত্ৰ সৰকাৰ মহাশয়ৰ তত্ত্বাবধানত দুধনৈ কলেজৰ সাহায্যাৰ্থে আমূলৰ টেমা ফুটা কৰি কেইটামান শনিবাৰে বজাৰলৈ অহা মানুহৰ পৰা ধন সংগ্ৰহ কৰা, এবাৰ ট্ৰাকত উঠি দলগোমা বজাৰত টেমাত ধন সংগ্ৰহ কৰিবলৈ যাওঁতে ধূলিৰে লতুৰি-পুতুৰি হোৱা, চকলেট খোৱা আদি কথাবোৰ মনত পৰিলে দুধনৈ কলেজখন স্থাপনৰ ক্ষেত্ৰত মোৰো যে কিছু অৰিহণা আছে সেই কথা ভাবি মনত আনন্দ পাওঁ।

১৯৮৭ চন। মই তেতিয়া দুধনৈ কলেজৰ প্ৰথমবৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰী। আমি যেতিয়া কলেজখনত অধ্যয়ন কৰি আছিলো। তেতিয়া কলেজখনৰ শৈক্ষিক পৰিবেশ আৰু গুৰু শিষ্যৰ সম্বন্ধ বৰ মধুৰ আছিল। সেই সময়তে মাননীয় চাৰ-বাইদেউ সকলৰ লগত আমাৰ যি মধুৰ সম্বন্ধ গঢ়ি উঠিছিল সেইটো আজিও টুটা নাই। অৱশ্যে তেতিয়া কলেজখনৰ প্ৰয়োজনীয় শ্ৰেণী কোঠাৰ কিছু অভাৱ আছিল। মেজৰ বিষয়ৰ পাঠ সমূহ অস্থায়ীভাৱে সজা সৰু সৰু কোঠাতে কৰিছিলো। আনহাতে ছাত্ৰ/ ছাত্ৰীৰ জিৰণী কোঠা সমূহো আছিল অস্থায়ী ভাৱে সজা জুপুৰী ঘৰ। কলেজত ক্লাছ নথকা সময়ত (Off period) কলেজৰ পুখুৰীৰ দাতিত থকা ইউক্লিপটাছ, কৃষ্ণচূড়া, নাৰিকল, এজাৰ আদি বিভিন্ন গছৰ ছাঁত বহি ছাত্ৰ-ছাত্ৰী সকলে সময়বোৰ পাৰ কৰিছিল।

মোৰ অসমীয়া বিষয়ত মেজৰ আৰু এডুকেশন সহযোগী বিষয় আছিল বাবে মাননীয় সৰ্বশ্ৰী ক্ষীৰোদ খাখলাৰী, হৰ কুমাৰ নাথ, দশৰথ কাকতি, ৰীণা দাস বড়ো, ৰীতা ৰায়চৌধুৰী, মিনতি চৌধুৰী, পাৰুল নাথ আদি ছাৰ-বাইদেউ সকলৰ বিশেষকৈ ক্লাছ পাইছিলো।

অসমীয়া বিষয়ত পাঠদান কৰোতে মাননীয় শ্ৰী ক্ষীৰোদ খাখলাৰী ছাৰে কিমান যে হৃদয়স্পৰ্শী ভাৱে 'কাঞ্চন জঙঘা', 'পলস' 'কুকুৰ' মমতাৰ চিঠি আদি কবিতাৰ আবৃত্তি কৰিছিল, সাৰমৰ্ম বুজাইছিল সেই কথা আজিও পাহৰা নাই। মাননীয় শ্ৰী হৰকুমাৰ নাথ ছাৰৰ চৰ্যাপদ আৰু অসমীয়া ভাষাৰ ৰূপতাত্তিক আলোচনাবোৰ আজিও কাণত ৰিণি ৰিণি বাজি আছে। মাননীয় শ্ৰীদশৰথ কাকতি ছাৰে শংকৰদেৱৰ নাটক কেইখন মনত ৰাখিবলৈ আমাক এটি বাক্যমনত ৰাখিবলৈ উপদেশ দিছিল —

পকাকেৰু পাৰা পত্নীপ্ৰসাদ, কালিয় দমন, কেলিগোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, ৰাম বিজয় ১৯৮৭ চন। তাৰিখ মনত নাই যদিও শীতকালিৰ এটি ৰাতিপুৱা ৯ বজাত দুধনৈ কলেজৰ 'social work' ৰ কাম আৰম্ভ হৈছিল। আমি কেইজনমান ছাত্ৰ-ছাত্ৰী লগ লাগি কলেজখনৰ উত্তৰ ফালে থকা পুখুৰীৰ দক্ষিণ পাৰৰ কিছু অংশ সমানকৈ কাটি দিবলৈ ঠিৰাং কৰিলে। কথা মতেই কাম। ল'ৰাবোৰে কোৰেৰে মাটি কাটি টুকুৰীত দিছে আৰু ছোৱালী কেইজনীয়ে টুকুৰীৰ মাটি পেলাইছো, ঝাড়ু দিছো। কামৰ শেষত দেখা গ'ল পুখুৰীৰ পাৰত প্ৰায় ৩/৪ ফুট বহলৰ এটি ৰাস্তা। সেই সময়ত দুজনমান ছাৰ আৰু সহপাঠীয়ে আমাৰ উক্ত কামৰ শলাগ লোৱাত আমাৰ মন আনন্দৰে ভৰি পৰিছিল। বৰষুণৰ পানী বা অন্য কাৰণত এতিয়া হয়তো তাৰ চিন-চাবেই নোহোৱা হ'ল।

১৯৮৮ চন। আমাৰ কলেজখনৰ পৰা হাতীগাৱঁত N.S.S.-ৰ এটি বিশেষ শিবিৰ অনুষ্ঠিত কৰা হৈছিল নবেম্বৰ মাহৰ ৭ তাৰিখৰ পৰা ১০ তাৰিখলৈ। ৭/১১/৮৮ তাৰিখ ৰাতিপুৱা ৮ বজাত দুধনৈ পৰিদৰ্শন বাংলাৰ সন্মুখত আমি নিজৰ বিডিওৰ সৈতে এখন ট্ৰাকত উঠি আমাৰ যাত্ৰা আৰম্ভ কৰিছিলো। প্ৰথমতে ট্ৰাকত যাবলৈ আমাৰ লাজ লাগিছিল যদিও যাত্ৰাৰ লগে লগে সকলো পাহৰি আনন্দত পৰিণত হৈছিল। হাতীগাৱৰ হাইস্কুলত আমি থাকিছিলো। শিবিৰৰ

বিভিন্ন কাৰ্যসূচী হিচাবে হাতীগাওঁ হাইস্কুলৰ চৌহদ চাফা কৰা, খেল পথাৰ চাফাই, গাৰৰ ৰাইজৰ লগত সেই অঞ্চলৰ সামাজিক আৰু অৰ্থনৈতিক সমস্যাৰ আলোচনা, সেই অঞ্চলৰ ক্ষেত্ৰভিত্তিক পৰিৱেশ অধ্যয়ন আৰু সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰা হৈছিল। গাওঁখনৰ পূব প্ৰান্তৰ কিছু আতৰত থকা পৰিদৰ্শন বাংলালৈ যোৱা এটি ৰাস্তাৰ কিছু অংশ মেৰামতি আৰু এটি পৰিয়ালৰ এডৰা সৰিয়হ আমি ছাত্ৰ-ছাত্ৰীসকলে তুলি চপাই দি বৰ আনন্দ পাইছিলো। এই বিশেষ শিবিৰৰ তত্ত্বাবধায়ক হিচাবে মাননীয় শ্ৰী হৰকুমাৰ নাথ আৰু শ্ৰীমতী পাৰুল নাথ বাইদেউ আমাৰ লগত গৈছিল।

১৯৮৮ চন। কলেজৰ অসমীয়া বিভাগৰ পৰা বৰপেটা সত্ৰ আৰু মধুপুৰ সত্ৰ আদিলৈ শিক্ষামূলক ভ্ৰমণৰ বাবে গৈছিলো। এইবাৰো তত্ত্বাবধায়ক ছাৰ শ্ৰী হৰকুমাৰ নাথ আৰু পাৰুল নাথ বাইদেউ। সেই সময়ত নৰনাৰায়ণ সেতুখন হোৱা নাছিল বাবে আমি ৰাতি ১১ বজাত দুধনৈ কলেজৰ চৌহদৰ পৰা গুৱাহাটীৈহে বাছেৰে যাত্ৰা আৰম্ভ কৰিছিলো। আমাৰ দলটোত প্ৰায় ২৫/৩০ জন ছাত্ৰ-ছাত্ৰী আছিল। দুৰণীবতীয়া যাত্ৰা হেতু আমি লগত চিৰা, পিঠা, লাডু পানী আৰু অন্যান্য খোৱা বস্তু লৈছিলো। মই, দীপিকা আৰু ৰাজশ্ৰী একেখন আসনতে বহিছিলো। নানা ৰং-ধেমালিৰে পিচদিনা পুৱা বঙ্গ ইগাওঁ পৰিদৰ্শন বাংলাত প্ৰাতঃকাৰ্য সমাপন কৰি পুনৰ যাত্ৰা কৰিছিলো। আবেলি চাৰিমানে বজাত আমি মধুপুৰ সত্ৰ পাইছিলো। ৰাতিটো সত্ৰতে থকা আৰু খোৱাৰ ব্যৱস্থা কৰা হৈছিল। সন্ধ্যাৰ পৰা ৰাতি ভাত খোৱাৰ আগলৈকে সত্ৰৰ সত্ৰাধিকাৰ আৰু আমাৰ মাজত শংকৰদেৱ, শংকৰদেৱৰ ধৰ্ম, ৰচনাৱলী, গীত, ভুকুকাত হাতী ভৰোৱা কথা, মধুপুৰ সত্ৰৰ জন্ম কাহিনী, কোচ ৰজা নৰনাৰায়ণৰ বিষয়ে মনোগ্ৰাহী আলোচনা হোৱাত আমিও বহুতো নতুন কথা জানিব পাৰিলো। পিচদিনা পুৱা প্ৰসঙ্গত অংশ গ্ৰহণ কৰি আমি প্ৰসাদ খোৱাৰ কথা মনত আছে। সত্ৰৰ কিছু দূৰেৰে বৈ যোৱা তিৰশা নদী, নৰনাৰায়ণৰ ৰাজ ভৱন আৰু কিছু চাবলগীয়া ঠাই দৰ্শন কৰি আমি আবেলি ঘৰ অভিমুখে যাত্ৰা কৰিছিলো।

দুধনৈ কলেজত এবাৰ সদৌ অসম আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতা হৈছিল। প্ৰায় ১৫/২০ জন ছাত্ৰ-ছাত্ৰীৰ এটি গ্ৰুপ সৃষ্টি কৰি নিৰ্দিষ্ট ভাৱে ৰান্ধনি শালত (বৰ্তমানৰ বিজ্ঞানৰ পৰীক্ষাগাৰ) স্বেচ্ছা সেৱকৰ দায়িত্ব দিলে। সেই গ্ৰুপত মইও আছিলো। নিজ কৰ্তব্য পালনৰ বাবে পুৱা ছয় বজাতে আমি কৰ্মক্ষেত্ৰত উপস্থিত হৈছিলো। সেই সময়ত বিভিন্ন দায়িত্বত থাকিও মাননীয় সৰ্বশ্ৰী তৰুণ চংমোই, ক্ষীৰোদ খাখলাৰী, কল্যাণ বৰুৱা, কল্যাণ বৰপূজাৰী, ফুলেন শৰ্মা, প্ৰতাপ শৰ্মা, ৰীতা ৰায় চৌধাৰী আদি ছাৰ বাইদেউ সকলে মৰম চেনেহৰে আমাক যি কৰ্ম প্ৰেৰণা দিছিল সেয়া উপলব্ধিহে কৰিব পাৰি। প্ৰতিযোগিতাৰ শেষত বিভিন্ন কৰ্মকৰ্তা সকলৰ এখন প্ৰীতিভোজৰ আয়োজন কৰা হৈছিল। প্ৰীতিভোজৰ সময়ত আমাক একো কাম কৰিবলৈ নিদি ছাৰ-বাইদেউ সকলে ৰান্ধনীৰ লগত সহযোগ কৰিছিল। ৰাতি ১০ মান বজাত আমাক প্ৰথমতে ভাত খাবলৈ দিছিল আৰু মাননীয় খাখলাৰী ছাৰ, ৰীতা বাইদেউ, চাংমাই ছাৰে আমাৰ দলটোক ভাত-দালি, মাছ-মাংস আদি বৰ আদৰেৰে ভগাই দিছিল আৰু আন্তঃকলেজ ফুটবল প্ৰতিযোগিতাত নিজৰ কৰ্তব্য পালন কৰাৰ বাবে শলাগ লৈছিল। সেইদিনা উপলব্ধি হৈছিল শিষ্যৰ প্ৰতি থকা মৰম ! সেইবোৰ ঘটনা মনত পাৰিলে আজিও ছাৰ-বাইদেউ সকলক শ্ৰদ্ধাত মূৰ দ' খাই আহে।

দুধনৈ কলেজ দীৰ্ঘজীৱী হওঁক।

*(শ্ৰীমতী ৰাভা প্ৰাক্তন ছাত্ৰী, দুধনৈ কলেজ)*

# দুধনৈ মহাবিদ্যালয়ত এৰি অহা সেই দিনবোৰ ....

দীপালী বসুমতাৰী

স্মৃতিৰ কুঠৰীত জাকি মাৰি চালেই মনত পৰে তাহানিতে এৰি অহা কলেজীয়া জীৱনৰ মধুৰ দিনবোৰলৈ ....। ১৯৮৮ চনত মই এইখন মহাবিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিক পৰীক্ষা আৰু ১৯৯১ চনত অসমীয়া বিষয়ত অনাৰ্চ লৈ বি.এ. পাছ কৰোঁ। ১৯৭২ চনতে স্থাপিত হোৱা মহাবিদ্যালয় খনিত কলা শাখাটো থকাৰ উপৰি ১৯৮৫ চনত নতুনকৈ বিজ্ঞান শাখাটো (উচ্চতৰ মাধ্যমিকলৈকে) অন্তৰ্ভুক্ত কৰা হয়। আমি বিজ্ঞান শাখাৰ ২য় বেট্‌চ হিচাপে পৰীক্ষাত অৱতীৰ্ণ হৈছিলোঁ। বিজ্ঞান আৰু কলা — এই দুয়োটা শাখাতে পঢ়িবলৈ সুযোগ পোৱা বাবে কলেজীয়া দিনবোৰ বহুতো হাঁহি-ধেমালি আৰু তিতা-কেঁহাৰ অভিজ্ঞাৰে কেনেদৰে পৰে কৰিছিলোঁ তাকেই আজি বৰ্তমানৰ অধ্যক্ষ (ড° গোপাল ফুকন) মহোদয়ে স্মৰণিকাত লেখিবলৈ কোৱাত মোৰ এই ক্ষুদ্ৰ মগজুৰে ঢুকি পোৱা অতীতৰ মনোৰম দিনবোৰৰ স্মৃতিবোৰ লেখনি আকাৰে পাঠক সমাজলৈ আগবঢ়ালোঁ।

ইতিমধ্যে পঢ়ি থকা গোৱালপাৰা মহাবিদ্যালয়ৰ পৰা আহি যেতিয়া মই এইখন মহাবিদ্যালয়ত Final ইয়াৰ (উচ্চতৰ মাধ্যমিক)ৰ Candidate হিচাপে বিজ্ঞান শাখাত অৱতীৰ্ণ হও, তেতিয়া মই আমাৰ শিক্ষাগুৰু হিচাপে অমৃত কলিতা ছাৰ (Maths), সুৰেশ ডেকা ছাৰ (Botany) চাংমাই ছাৰ (Zoology), অজিত চাংকাকতি ছাৰ (Physics) আৰু নিবেদিতা মেডাম (Chemistry)ক লগ পাওঁ। বন্ধু হিচাপে কুশল, মুনিন, টিংকু, গোপী (আটাইবোৰৰ নাম পাহৰিলোঁ) আৰু একমাত্ৰ বান্ধৱী বন্দনাক মই এইখন মহাবিদ্যালয়তে ক্লাছ মেট হিচাপে লগ পাওঁ। সেই সময়ত অতি চালুকীয়া অৱস্থাত থকা বিজ্ঞান শাখাটোৰ ফলাফলৰ মানদণ্ড উন্নতৰ কৰিবলৈ এই সকল শিক্ষাগুৰুৱে আমাক সততে তাগিদা দিছিল আৰু শ্ৰেণীত নিয়মিতভাৱে উপস্থিত থাকি আমাক শিক্ষাদান কৰিছিল। ব্যক্তিগতভাৱে নজনা কথা সুধিব লগীয়া থাকিলে বিনাদ্বিধাই তেওঁলোকৰ ওচৰ চাপিবলৈ আমাক পৰামৰ্শ দিছিল। এই ক্ষেত্ৰত মই চাংমাই ছাৰৰ নাম শ্ৰদ্ধাৰে সুঁৱৰিলোঁ। তেখেতে এজন আদৰ্শ শিক্ষাগুৰুৰ উপৰি অভিভাৱকৰ ৰূপত আমাক ইমান সহায় কৰিছিল যে আমাৰ বেচৰ আটাইবোৰ ছাত্ৰ-ছাত্ৰীয়ে ছাৰৰ বিয়াত (দৰা পক্ষৰ হৈ) কইনা আনিবলৈ গৈছিলোঁ আৰু একমাত্ৰ এইজনা ছাৰৰ বিয়াতহে আটাইবোৰ বন্ধু-বান্ধৱী লগ হৈ ইমান স্ফূৰ্তি কৰিছিলোঁ।

পুনৰ, যেতিয়া মই এইখন মহাবিদ্যালয়তে অসমীয়া বিষয়ত অনাৰ্চ লৈ স্নাতক মহলাত পঢ়ি আছিলোঁ, সেই সময়ত মেজৰ বিষয়ৰ শিক্ষাগুৰু হিচাপে স্বনামধন্য শ্ৰীযুত ক্ষীৰোদ খাখলাৰী ছাৰ, দশৰথ কাকতি ছাৰ, হৰকুমাৰ ছাৰ, আৰু ৰীণা বাইদেউক লগ পাওঁ। তেওঁলোকে আটাইকেইজন শিক্ষা গুৰুৱে আমাক মৰমেৰে আৰু আন্তৰিকতাৰে শিক্ষাদান কৰিছিল। যিবোৰ দিনৰ কথা আজিও পাহৰিব নোৱাৰোঁ। মেজৰৰ বান্ধৱী হিচাপে বন্দনা, হীৰা,, জেউতি, কানন, কৰবী (ভাগিনী) আৰু বন্ধু হিচাপে ৰাজাক লগ পাইছিলোঁ এইখন মহাবিদ্যালয়ত পঢ়িবলৈ আহি। এইসকল বন্ধু-বান্ধৱীৰ সান্নিধ্যত কেনেদৰে তিনিটা বছৰ পাৰ কৰিছিলোঁ ভাৱিলেই সেইবোৰ দিনলৈ মনটো উৰা মাৰে .... ।

মোৰ Major mate আটাই কেইজনেই দুধনৈ চহৰখনৰ ওচৰ-পাজৰৰ আছিল বাবে ইজনে-সিজনক ভালদৰেই জানিছিলোঁ। আজিৰ দৰে সেইদিনত জেৰক্সৰ ব্যৱস্থা (দুধনৈত) নাছিল বাবে আমি কেতিয়াবা বন্ধৰ দিনত (নিজেই খুজি) এসাজ খাবৰ বাবে আগতিয়াকৈ ক্লাচতে দিনবাৰ ঠিক কৰি (আজিৰ দৰে মোবাইল ফোনৰ সুবিধা নাছিল) এঘৰ বন্ধু বা বান্ধৱীৰ ঘৰত উপস্থিত হৈছিলোঁ আৰু যাৰ লগত যিমান ভাল নোটচ পাতি আছে সেইবোৰ নি আটাইবোৰে আলোচনা কৰি সংগ্ৰহ কৰিছিলোঁ। ইয়াৰ ফলত আমাৰ পঢ়াৰ ক্ষেত্ৰত সহায় হোৱাৰ উপৰি পাৰিবাৰিক সম্বন্ধবোৰো গাঢ় হৈছিল আৰু দিনটো হাঁহি ধেমালিৰে অতিবাহিত হৈছিল।

এইখিনিতে মই মোৰ কলেজীয়া জীৱনত ঘটা দুই -এটা স্মৃতি বিজড়িত অভিজ্ঞতা লেখিবলৈ ওলাইছোঁ। মই গোৱালপাৰা মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক 2nd year (বিজ্ঞান শাখা)ত পঢ়ি থাকোতেই গুৱাহাটী গাৰ্লচ পলিটেকনিকত সিট পাই পঢ়িবলৈ যাওঁ আৰু তাত 3rd Term ত পঢ়ি থকা অৱস্থাত অসম্পূৰ্ণ হৈ থকা উচ্চতৰ মাধ্যমিক পৰীক্ষাটো দুধনৈ মহাবিদ্যালয়ত দিবলৈ ঘৰলৈ আহোঁ। মই দুধনৈ মহাবিদ্যালয়ত Practical বোৰ কৰিবলৈ কিছুদিনৰ বাবে মহাবিদ্যালয়লৈ গৈছিলোঁ বাবে সেই সময়ৰ শিক্ষাগুৰু তথা বন্ধু-বান্ধৱীবোৰক ভালদৰে চিনিপোৱা নাছিলোঁ। ফিজিক্স-ৰ প্ৰথম প্ৰেকটিকেল ক্লাছত মোৰ এনেকুৱা এটি স্মৰণীয় ঘটনা ঘটিছিল যিটো দিনৰ কথা মনত পৰিলে মই আজিও লজ্জিত হওঁ আৰু পুলকিতও হওঁ। মই Physicsৰ Practical class-ত 'পেন্দুলাম' ব্যৱহাৰ কৰি সেই বিষয়ৰ পৰীক্ষা এটাত ব্যস্ত হৈ থাকোতে চাংকাকতি ছাৰে কেতিয়া আহি মোৰ

ওচৰত মই কি কৰি আছোঁ চাই আছিল গমকে পোৱা নাছিলোঁ। ‘পেন্দুলাম’টো adjust কৰি মোৰ ‘stop watch’ টোৰ প্ৰয়োজন হোৱাত মই লগৰ ল’ৰা বুলি ভাৰি ( তেতিয়া মই ক্লাছ মেটবোৰকো ভালদৰে চিনি পোৱা নাছিলোঁ) কেতিয়াবাৰে পৰা মোৰ কাৰ্যকলাপ লক্ষ্য কৰি থকা ছাৰক এইদৰে কৈছিলোঁ — “অই যা চোন যা, ইমানকৈ চাই থাকিব নালাগে, সৌ stop watchটো লৈ আন, ৰিডিং ল’ব লাগে।” — এইখিনি কোৱাৰ লগে লগে ইমান সময়ে কেল্-কেলাই থকা class mate বোৰে হঠাতে নিশ্চুপ হৈ সবেঁই তলমূৰ হৈ থকাত মই সিহঁতক ওলোটাই — “আই তহঁতৰ কি হ’ল ৰে? — এই বুলি প্ৰশ্ন কৰাত বান্ধৱী বন্দনাই (তাইক মই আগৰ পৰাই জানিছিলোঁ) মোক একপ্ৰকাৰ কাষৰীয়াকৈ টানি নিয়াদি নি সেইজন যে আমাৰ ফিজিক্সৰ ছাৰ বুজাই দিছিল। মই সেইদিনা ছাৰৰ মুখলৈ চাব পৰা নাছিলোঁ আৰু ক্ষমা খোজাৰ সৎ সাহসখনো গোটাব পৰা নাছিলোঁ। এই ঘটনাটিৰ পিছত চাৰে কিন্তু মোক অকণো বেয়া পোৱা ভাব নেদেখুৱাই বৰঞ্চ বেছিহে সৌহাৰ্দ্যপূৰ্ণ ব্যৱহাৰেৰে পিছলৈ ফিজিক্সৰ যিকোনো প্ৰবলেম লৈ গ’লে ব্যস্ততাৰ মাজতো সময় দি সমাধান কৰি দিছিল। এই জনা নিৰহঙ্কাৰী তথা বহল মনৰ শিক্ষাগুৰু আজি দুধনৈ মহাবিদ্যালয়ত নাই যদিও তেখেতৰ পৰা যি শিক্ষালাভ কৰিছিলোঁ সেয়া মই কেতিয়াও পাহৰিব নোৱাৰোঁ। এজন আদৰ্শ শিক্ষাগুৰুৰ লগতে তেখেতৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা বন্ধুত্বপূৰ্ণ আন্তৰিকতাৰ কথা মই সুযোগতে সুঁৱৰিলোঁ।

অইন এটি কৌতুকপূৰ্ণ ঘটনা ঘটিছিল বি. এ. ফাৰ্ষ্ট ইয়াৰৰ education পৰীক্ষাৰ দিনাখন। অইন subject বোৰৰ তুলনাত education subjectটো মোৰ প্ৰিয় আছিল। এই বিষয়ৰ কিতাপবোৰ মই কেতিয়াবাই পঢ়ি পেলাইছিলোঁ। সেইদিনা education পৰীক্ষাৰ প্ৰশ্নকাকতত ‘থৰ্ন-ডাইক’ৰ ‘ভুল আৰু প্ৰচেষ্টা’ পদ্ধতিটো বিশ্লেষণ কৰিবলৈ আহিছিল। অইন বন্ধু-বান্ধৱীৰ লগতে মোৰ তৃপ্তি নাম এজনী স্কুলীয়া বান্ধৱী আছিল। স্কুলত পঢ়ি থাকোতেও পৰীক্ষাৰ বিষয়লৈ কিবা সন্দেহ থাকিলে তাই মোক সুধিহে confirm হৈছিল। পৰীক্ষাৰ দিনা তাই বৰ্তমানৰ দীঘল হলঘৰটোৰ সিটো মুৰৰ খিৰিকীৰ কাষত আৰু মই ইটো মূৰৰ খিৰিকীৰ একেবাৰে পিছৰ বেঞ্চত বহি পৰীক্ষা দি আছিলোঁ। তাই কেতিয়াবাৰ পৰাই কিবা এটা জানিবলৈ উচ্পিচাই আছিল হেনো। মই লেখাত ব্যস্ত হোৱা বাবে মূৰ তুলি চোৱা নাছিলোঁ। শেষত তাই উপাই নেপাই তাইৰ কাষৰ বেঞ্চৰ student জনক মোক মাতি দিবলৈ আৰু সেই student জনে কাষৰ জনক (এইদৰে চাৰিখন বেঞ্চ বাগৰি) কৈ শেষত মোৰ দৃষ্টি তাইলৈ যোৱাত তাই কোনো কথাৰ অৱতাৰণা নকৰি মোক এইদৰে কৈছিল — “অই দিপালী, অই দিপালী, মাছ না মাংস আছিল ৰে?” মই তাইৰ কথাত একো বুজি নেপাই কি মাছ, মাংস বুলি প্ৰশ্ন কৰাত তাই প্ৰশ্ন কাকতখনলৈ আঙুলিয়াই দিয়াত ‘থৰ্ন ডাইক’ৰ প্ৰশ্নটো দেখি তাইক এইদৰে কৈছিলোঁ — “অই মাংস নহয়, মাছ, মাছ হে।” (পিছত গম পাইছিলোঁ, তাই প্ৰথমে মাংসহে লিখিছিল) এই পৰীক্ষাৰ বিশ্লেষণটো education বিভাগৰ student বোৰে নিশ্চয় বুজি পাব, বেছি দীঘলীয়া হ’ব বাবে বহলাই নিলিখিলোঁ। ইতিমধ্যে কেতিয়াবাৰ পৰা আমাৰ গতিবিধি লক্ষ্য কৰি duty দি থকা ছাৰ জনে আমাক “পৰীক্ষা দিবলৈ আহি কি মাছ-মাংসৰ কথা পাতি আছা” — বুলি খঙেৰে কোৱাত হলটোৰ আটাইবোৰ student য়ে গিৰ্জনি মাৰি হাঁহিছিল ; লগতে মইও হাঁহিত কঁপি কঁপি বহু সময়লৈ পৰীক্ষাৰ বহীত লেখিব পৰা নাছিলোঁ। বহু দিনলৈ এই ঘটনাটিয়ে আমাক হাঁহিৰ খোৰাক যোগাইছিল আৰু পিছলৈ আমাৰ লগৰ বহুতে তাইক ‘মাংস খাইতী’, ‘মাংস খাইতী’ বুলি জোকাইছিল।

কলা শাখাত পঢ়া তিনিটা বছৰত আমি যি সকল স্বনামধন্য শিক্ষাগুৰুক লগ পাইছিলোঁ, তেওঁলোকৰ শিক্ষাদানৰ বিষয়ে এইখিনিতে দু-আষাৰ নিলিখি নোৱাৰিলোঁ। বৰ্তমানৰ উপাধ্যক্ষা ৰীতা বাইদেউ আৰু সুগায়িকা ড° মিনতি চৌধুৰী বাইদেউৰ শিক্ষাদানৰ পদ্ধতিটো আছিল প্ৰশংসনীয়। তেওঁলোকে পঢ়োৱা ক্লাচবোৰত উপস্থিত থাকি ইমান ভাল লাগিছিল যে education subject টো মোৰ প্ৰিয় subject হোৱাৰ ইয়ো এটা কাৰণ। এইখিনিতে মই বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী বোৰক এটা অনুৰোধ কৰিব খোজোঁ যে কেৱল কলা শাখাৰে নহয়, অইন শাখাত পঢ়া ল’ৰা-ছোৱালীবোৰেও যদি এবাৰ হলেও এই বিষয়টো ব্যক্তিগতভাৱে অধ্যয়ন কৰে, তেতিয়া হ’লে তেওঁলোকে নিজা নিজা শৈক্ষিক ক্ষেত্ৰখনত উপকৃত হোৱাৰ উপৰি ছাত্ৰ জীৱনটো এটি সুগঢ়িত পথেৰে আগুৱাই নিবলৈ সক্ষম হ’ব পাৰিব।

অসমীয়া মেজৰৰ ক্লাচত লগ পোৱা শিক্ষাগুৰুসকলক আৰু তেওঁলোকৰ সান্নিধ্যত কটোৱা তাহানিৰ শৈক্ষিক দিনবোৰৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ। জ্ঞানৰ ভঁৰাল স্বৰূপ শ্ৰীযুত ক্ষীৰোদ খাখলাৰী ছাৰে আমাক অতি সুন্দৰকৈ (কিতাপ নোচোৱাকৈয়ে) শিক্ষাদান কৰিছিল আৰু তেওঁৰ শিক্ষাদানৰ টেক্‌নিকটো আছিল অতি আকৰ্ষণীয়। তেখেতে আধুনিক অসমীয়া কবিতাবোৰ আবৃত্তি সহ ইমান সুন্দৰকৈ বুজাই দিছিল যে আমি দুনাই সেইখিনি নোচোৱাকৈয়ে পৰীক্ষাত লিখিব পাৰিছিলোঁ। ক্লাচ চলি থকাৰ মাজতে কোনোবা student য়ে অন্যমনস্ক হৈ পৰিলে তেখেতে তীক্ষ্ণ নজৰেৰে সেয়া ধৰা পেলাই, ব্যঙ্গাত্মক উক্তিৰে যি শৰ নিক্ষেপ কৰিছিল, সেয়া বুজোতাই বুজি পঢ়াত মনোনিৱেশ কৰিছিল। অসমীয়াত উপমা, অলঙ্কাৰ, ছন্দ, বক্তোক্তি ...... ইত্যাদিৰ প্ৰয়োগ আৰু ৰেফাৰেন্স দি সৰু বিষয় এটা মনত থকাকৈ বুজাই দিয়াত তেখেত আছিল সিদ্ধহস্ত। পিছলৈ বিশ্ববিদ্যালয়ত এম. এ. পঢ়িবলৈ যাওঁতে ছাৰে শিকোৱা কথাবোৰে মোক পঢ়াৰ ক্ষেত্ৰত বহুখিনি সহায় কৰিছিল।

অসমীয়া মেজৰৰ ক্লাচত লগ পোৱা অইন এজনা আদৰ্শ শিক্ষাগুৰু দশৰথ কাকতি ছাৰেও আমাক মনত ৰৈ যোৱাকৈ নাটকীয় ভঙ্গীত ৰেফাৰেন্স সহ শ্ৰেণীত শিক্ষাদান কৰিছিল। প্ৰাচীন সাহিত্যৰ একঘেয়ামিৰ প্ৰতি থকা ছাত্ৰ-ছাত্ৰীৰ আমনি দূৰ কৰি পাঠত মন বহুৱাবলৈ ছাৰে মহাভাৰত, ৰামায়ণৰ নৰ্তক-নৰ্তকীৰ ৰূপৰ বৰ্ণনা দিবলৈ গৈ, হিন্দী বোলছবিৰ ধৰ্মেন্দ্ৰ-হেমামালিনীৰ শাৰীৰিক ৰূপৰ ছবি আমাৰ আগত দাঙি ধৰিছিল আৰু প্ৰাচীন সাহিত্যৰ নায়ক-নায়িকাৰ স্থানত আধুনিক

যুগৰ বাস্তৱ চৰিত্ৰৰ নায়িক-নায়িকাৰ ৰূপ কল্পনা কৰোৱাই চৰিত্ৰবোৰ এক প্ৰকাৰ জীৱন্ত কৰি তুলিছিল। এইবোৰ তুলনাই সোণত সুৱগা চৰাইছিল আৰু আমিও বসৰ বন্যাত উঠি গৈ ছাৰৰ পিছদিনাৰ ক্লাচবোৰৰ প্ৰতি আগ্ৰহী হৈ পৰিছিলোঁ। কেতিয়াবা ছাৰে সৰু ল'ৰা-ছোৱালীক ককাক আইতাকে সাধু কৈ শুনোৱাৰ দৰে আমাৰ অনুৰোধত আমাক সাধুকৈ শুনাইছিল — যিবোৰ পাঠৰ অন্তৰ্গত বিষয়ো আছিল। আগদিনাৰ সাধুটো (বেল পৰিযোৱাত) অসম্পূৰ্ণ হৈ থাকিলে, পিছদিনা সাধু শুনাৰ আগ্ৰহত আমি ছাৰৰ ক্লাচত সবেই হাজিৰ হৈছিলোঁ। মই বিজ্ঞান শাখাৰ পৰা আহি পিছত Arts লৈ পঢ়া বাবে অসমীয়া মেজৰৰ ক্লাচত বৰ ৰস পাইছিলোঁ। এইজনা শিক্ষাগুৰুৰ সান্নিধ্যত মোৰ পঢ়া জীৱনৰ বিগত তিনিটা বছৰ কেনেদৰে পাৰ হৈছিল ভাবিলে এতিয়াও ৰোমাঞ্চিত হওঁ। তেখেতক এজন আদৰ্শ শিক্ষাগুৰুৰ লগতে এজন অভিভাৱকৰূপে আজীৱন সুঁৱৰিম।

এইখিনিতে মই ঘৰুৱাভাৱে লগ পোৱা অসমীয়া মেজৰৰ অইন দুজনা শিক্ষাগুৰু হৰকুমাৰ ছাৰ আৰু বীনা বাইদেউলৈ শ্ৰদ্ধা নিবেদন কৰিলোঁ আৰু তেওঁলোকৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোখনিত ইয়াকে কৈ সামৰিব খুজিছোঁ — যি হেতুকে দুধনৈ মহাবিদ্যালয়খনি এটি অতি সুন্দৰ লোকেচনত অৱস্থিত আৰু ইয়াৰ শৈক্ষিক বাতাবৰন বজাই ৰাখি বিভিন্ন ঠাইৰ পৰা ভিন্ন জাতি উপজাতিৰ ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতৰ ৰঙীন সপোন বুকুত বান্ধি স্থাপিত হোৱাৰ দিন ধৰি মহাবিদ্যালয়খনিৰ শৈক্ষিক মানদণ্ড উন্নতৰ কৰিবলৈ (বছৰে বছৰে) বৰঙণি যোগাই আহিছে — সেইবাবে মই দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষদেৱৰ লগতে মহাবিদ্যালয়খনিৰ কৰ্মৰত সমূহ অধ্যাপক অধ্যাপিকা তথা ইয়াৰ কৰ্মীবৃন্দলৈ অনুৰোধ জনাওঁ যাতে — তেওঁলোকে শিক্ষাৰ এই পবিত্ৰ আশ্ৰম খনিত কোনো কাৰণতে ৰাজনীতিৰ কলুষতা সোমাবলৈ নিদি, নিজা নিজা শ্ৰমদানেৰে নিয়মিত উপস্থিতি বজায় ৰাখি আমাৰ আটাইৰে পবিত্ৰ আশ্ৰমখনিৰ শিক্ষাৰ মান উন্নত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলৰ সন্তানৰ প্ৰতি পুহি ৰখা সপোনবোৰ বাস্তৱত ৰূপায়িত কৰিবলৈ উৎসাহিত কৰে। তেতিয়াহে আমাৰ এই সৰু চহৰ খনিৰ লগতে মহাবিদ্যালয়খনিৰ নাম উজ্জ্বল হ'ব আৰু আমিও গৌৰৱেৰে সকলোৰে আগত এদিন ক'ব পাৰিম — তাহানিতে এৰি অহা গৌৰবোজ্জ্বল কলেজীয়া দিনবোৰৰ কথা .....।

জয়তু দুধনৈ মহাবিদ্যালয়, জয়তু অসম

*(শ্ৰীমতী বসুবতাৰী প্ৰাক্তন ছাত্ৰী, দুধনৈ মহাবিদ্যালয়)*

*English Section*

# ETHNIC PANORAMA OF RABHA HASONG

Dr. Kalyan Baruah,

Rabha Hasong, the dream-land of the Rabhas was created in the year 1995 curving out area from two districts in the western Assam : Kamrup and Goalpapra. Starting from Rani in Kamrup Districts to Jairamkuchi in Goalpara District, Hasong area stretches over a land of approximately 3161 $KM^2$ on the alluvial valley in the southern bank of the river Brahmaputra and the foot-hills area of the northern Meghalaya with its Head-quarters at Dudhnoi. The area covered by Rabha Hasong Autonomous Council is fertile agricultural belt and has been settled for a long time by people of diverse ethnic, cultural, linguistic and religious affiliations. Broadly these communities can be divided into categories : Tribal and Non-tribal. The tribal dominated areas are easily identifiable and are located along the foothills and central part of the Autonomous council. The tract along the foothill is especially marked by the presence of tribal inhabited villages. Even in Lakhipur area of Goalpara District where the tribesmen constitute a marginal proportion, the foothill area is dominated by these people. On the other hand the plain tracts in the central part of the autonomous council and the bank of the river Brahmaputra is inhabited mostly by the non-tribal.

There are five distinct tribal groups of prominence, viz., the Rabha, the Bodo Kachari, the Garo, the Hajong, and the Khasi. The non-tribal belong to eight different communities, viz., the Assamese Hindu, the Assamese Muslem, the Bengali Hindu, the Bengali Muslem, the Hindi speaking people, the Marwari, the Nepali, the tea garden and ex-tea graden labourer. All these communities belong to different language groups. The speakers of Indo-Aryan groups of languages are the Assamese, Bengali, Hindi, Gorkhali and Rajasthani. The Tibeto-Burman speakers are the Bodo Kachari, the Garo, the Hajong and the Rabha. The Austro-Asiatic (Mon-Khmer) speakers are the Khasi. Lastly, there is a small group of Dravidian (Mundari) language speakers among the tea garden and the ex-tea garden labourers.

In respect of social organizations, the people vary from matrilineal (the Khasi and the Garo) to patrilineal (the Indo-Aryan language speakers and the Bodo Kachari). There is also a third type which can be termed as patri-matri social system for the elements of both in their societies; the Rabhas and the Hajongs exhibit such characteristics in their system of inheritance.

Diversity is found in the religious life of these people living in and around the Hasong area. The tribal mostly professed a type of religion which is admixture of Hinduism and animism. For example, the Rabhas identify several of their gods and goddesses with the Hindu pantheon, i.e., Langa with lord Siva, Rontak with goddess Lakshmi, etc. Similarly, the Bodo Kacharies and the Hajong have their own gods and goddesses, many of which they identify with the Hindu gods. A section among the Bodo Kachari embraced **Brahma Dharma**, a sect of the Hindu religion in the 1920's decade. Lately the Christianity has also paved its way to the Bodo Kacaris and the Rabha societies. The Garos and the Khasis are predominantly the followers of Christianity of various denominations, viz., Roman Catholic, Wales Presbeterian and American Baptist. The first church was established by the American Baptist Mission at Rajasimla, a Garo dominated place close to the Hasong area in 1867.

Among the non-tribal, the follower of the Hinduism is predominant. The Muslems can be divided into three, viz., the Assamese Muslem, the Bengali Muslem and the Hindi or Urdu speaking Muslem. The Assamese Muslems are usually referred to as **Goria** in Assam while those of East

Bengal (Now Bangladesh) origin are **Miyah**. In and around the Hasong are a Assamese muslems are also known as **Desis** or **Ujania**. The people also use the term **Bhatiya** to denote relatively backward muslems who speak in their traditional dialect of Mymensingh, Rongpur, Pabna or Sylhet District of Bangladesh, who migrated to the Hasong area long back. The Assamese Muslems mostly belong to the **Sunni** sect and occupy a distinctive position by their contributions towards the local culture and regional agriculture based economy. Beside the Hindu, the Muslem and the Christian, a minute section of the non-tribal population among the Marawari professed Jainism.

Some characterisitics of the social orgnizations of these tribal and non-tribal people are succinctly outlined below.

It is quite obvious that the Rabha is numerically the most dominant populations in the Rabha Hasong Autonomous Council and inhabit in the entire region. The tribe has several sub-groups, viz., Pati, Dahori, Maitory and Rongdani, etc. The first two sections (Pati and Dahori) or these people have adapted Assamese as their mother-tongue. But lately ethnic revival movement among the Rabhas is bringing about changes and they are not willing to do so as in the earlier time. Among each of the Rabha sub-groups, there are some matrilineal clans called **barai**. The inheritance of property occurs in both parental lines; the son inherits his father's property and the daughter inherits her mother's property. But the childrens are always affiliated to their mother's clan. The Rabhas have a tradition of cross-cousin marriage, but the practice is disappearing.

In numerical strength the Bodo Kachari is the second large tribal group in the Hasong area. It is belivied that the Bodos descended on the Brahmaputra valley from Tibet and China in pre-historic time and gradually branched out in all directions in the entire region. In course of time the proximity of each branch resulted in several cognate gropus, i.e., the Rabha, the Garo, the Dimasa, the Tiwa, the Mech, the Chutiya, the Koch, the Tippera, the Thengal and the Sonowal Kacharis. Each of these branches has their own languages belonging to the Bodo speech of Tibeto-Burman language.

The Bodo Kacharis are a patrilineal endogamous tribe and practice monogamy. However, Bodo non-Bodo alliances are also found and there are occasional instances of polygyny. The principal good in the Bodo Kachari Pantheon is **Bathau Brai** and his living symbol is **siju**, a cactus (*Euphorbia splendums*). **Bathau Brai** protects the family from all misfortune. The **siju** cactus is regarded with special reverence in a traditional Bodo Kachari household.

The Garos are concentrated in the neighbouring Meghalaya, but-the foothills area in the Rabha Hasong, there are many Garo Villages. These people belong to four sub-groups, viz., the Abeng, the Machi, the Arvi and the Atong. The Goros living in Assam mainly belong to the Arvi sub-group. As indicated earlier, the Garo society is matrilineal. The daughters inherit the mother's property. The foundation of the Garo society lies on matrilineal clans called **machong**. There is another smaller group than **machong** and it is known as **mahari**. The **mahari** is the most functional unit in the Garo society and regulate consanguinity. Each **machong** is affiliated to a larger group called *chatchi*. However the *chatchi* and **machong** are loosing their importance in the changing Garo society. The Garos are traditionally animists. The followers of the traditional religion is known as *songsarek*. But *songsarek* is a minority in comparison to the Christian Garo.

The Hajongs are mostly concentrated in the neighbouring Garo Hills Districts of Meghalya. The people are also found in Mymensingh and Sylhet districts of Bangladesh. The exodus of Hajong people started pouring into the region in 1947 after the Independence of India and continued till 1971, the year of the second Indo-Pak war, many of these **refugees** found a ready home among their kith and kin in Garo Hills. But a considerable number remained in the refugee campus established in Goalpara and Kamrup districts of Assam. Later on they settled down permanently in these two districts, parts of which constitutes Rabha Hasong.

The Hajong society is divided into a number of exogamous clan called **nikni**. Descent in the **nikni** is matrilineal. But gradually the **nikni** is loosing its importance and many Hajongs could not remember their **nikni** affiliation. Therefore the past role of nikni in regulating marriage has diminished considerably. Monogany is the general rule of marriage in the Hajong society.

The foot hill region in Boko-Bongaon area of Rabha Hasong is dotted by several Khasi villages. As mentioned earlier the Khasis with their matrilineal system is distinctive from the linguistics point of view and their language belong to the Mon-Khmer branch of the Austro-Asiatic langugage. The Khasis are divided into four sub-groups, viz., the Khasi-Khynrium the War Khasi, the Bhoi Khasi and the Lyngam Khasi. Boko-Bongaon area is inhabited mainly by the Lyngam Khasi; their neighbouring Garos called them Megam Khasi.

Each of the Khasi sub-groups are divided into several feudal groups and have their own chief called **Siem** (literally King) and the minister called **Lyngskor**. These feudal lords still command and exercise high power in the Khasi society. The Khasis have as many as 303 clans called **Kurs** or **Jaits**.

Among the non-tribal population, the Assamese Hindu is the dominant-one in the Hasong area. Trditionally the social structure of this group of people is based on hierarchical caste system. But the castes are neither as numerous nor is the system as rigid as in the elsewhere of India. Boradly, Assamese castes are divided into two categories, viz., **Bamun** (Brahmana) and **Sudir** (sudra), two extremities in the Hindu caste heirarchy. Social scientists observe that unlike in other parts of India, the Assamese **Brahmins** are not further sub-divided into endogamous groups. The **Sudir** category covers a number of castes, e.g., the Kayastha, Kalita, Keot, Koch, Nath and the Kaibarta.

The Kalitas are further divided into two broad groups: Bar Kalita and Saru Kalita or **Brittiyal** or artisan Kalitas.

The Keots are divided into two sections, viz., the Halowa Keot and Jalowa Keot. There is another caste group known as **Dom** or **Kaibarta** whose traditional occupation is fishing.

The Koches and the Naths are numerous in the Hasong area. The Nath is also known as Jogi for their inclination towards **Yoga**. The Koch caste is considered as "Open caste" by the social scientist for receiving converts into Hinduism mainly from the tribal groups such as the Bodo Kachari, Rabha, Mech, Hojai, Tiwa, Karbi, Garo and Deuri-Chutiya, etc.

The Bengali Hindu constitutes a major chunk of the non-tribal population in the Hasong area. The area received several waves of migration of these people during the last sixty years from erstwhile East Pakistan now Bangladesh. Even in their newly found niche the old tradition of their social structure which is firmly based on hierarchical caste system still persist.

The bulk of the Hindi-speaking people are Hindues from several states, viz., Bihar, Uttar Pradesh, Haryana and Madhya Pradesh. Although these people from different states have their own dialects Hindi is the *lingua-franca* for all sections. Another distinctive feature of this group of people in the Hasong area is the lenient attitude towards the rigid caste boundary they have in their home states. The Marwaris, originally hails from Rajasthan are also inhabiting in the smaller towns located in the Hasong area. These people are divided into two: the Hindu and the Jain.

The Nepalese inhabit in few villages located in the foot hills on the southern part of Rabha Hasong. They are divided into several endogamous castes and communities. The caste gropus include *Hamal* (priest), *Jaisee* (astrologer), *Thakuri* (Kshatriya), *Jogi* (Practitioner of yoga), *Charki* (cobbler), *Kurale* (potter), *Domai* (tailor), and *Kami* (goldsmith), etc. Other communities included in the wider Nepali nationality are the Limbu, the Tamang, the Lepcha, the Mogor, the Gurung and the Sherpa. Each of these communities has their own distinctive traditional culture and dialects. But in the Hasong area their distinctiveness is difficult to recognize and all sections share the common Nepali identity and speak Gorkhali langugae.

During the colonial regime the British established several hundred teagardens in different parts of Assam. There are two tea gardens located close to the northern boundary of Rabha Hasong Autonomous Council.

To work in the tea gardens the British imported large number of labourers from the central and the south India belonging to different tribal groups. After years of sharing the same ecological niche and leading a common economic life these people of distinctive ethnic identity. viz., Munda, Oraon, Santhal, Savara, Khariya, Kurwa, Chick-Baraik, Koya, Baiga, etc., came to be known as tea garden labourers., — **bagishar cooli**. After their retirement the labourers did not like to

return to their home provinces and settled down in the peripherial area of the tea gardens. Their progenies showed little interest to work as labourer in tea garden. These people are known as ex-tea garden labourer, **practon chah bagishar cooli.** This section of the people don't like the term cooli and now prefers to identify themselves as **Adivasi** meaning — autochthons.

If one looks critically at the cultural mosaic called Rabha Hasong, it becomes apparent that this narrow strip of land bounded by the mighty Brahmaputra in the north and the Meghalayan highland in the south and the lush green valley on the eastern and the western side has become not only a home for diverse ethno-cultural groups but it also offers these groups opportunities to interact with each other. It is quite obvious that in such interaction cultural elements percolates from one group to another facilitating cultural assimilation in the region; cultural assimilation is also important from the point of regional integration. And one should always keep it in mind that culture can not be kept pure by putting it into an air-tight can for culture dynamic.

*[Dr. Baruah is the Principal of Naharkatiya College, prior he was lecturer of Dudhnoi College].*

# NUMBER SYSTEM,CONVERTION OF ONE NUMBER SYSTEM TO ANOTHER

Amrit Kalita

In ancient time non-positional Number System might be used. The number one might be represented by a fingure or by a stick. The number ten could be represented by ten fingers of the two hands or by small a stone. Ten small stones would represent one hundred. In this system, the ten fingers marked the stopping place in counting,in other words,the system was based on ten. The base or radix of a number system is defined as the number of digit it uses to represent the number system.In decimal number system it uses ten digit 0,1,2,3,4,5,6,7,8,9, here base or radix is 10. The weight of each digit of a decimal, number depends on its relative position within the number. For example the decimal number 5623 consist of the digit 3 in the unit position, 2 is in the ten position, 6 is in the hundred position and 5 in the thousand's position and it's value can be written as

$5 \times 1000+6 \times 100+2 \times 10+3 \times 1=5623.$

Here the weight of each digit of a decimal number depends on it's relative position with the number as explained below.

the weight of 1st digit number from the right hand side to first digit $\times 10^0$, For the second digit $\times 10^1$, third digit $\times 10^2$,forth digit $\times 10^3$... and so on in the nth digit $\times 10^{n-1}$.

Thus the number $5623=5\times10^3+ 6\times10^2+2\times10^1+3\times10^0$.

The Principles that applied to the decimal system apply in any other Positional number system.There are two characteristics of all the number systems that are suggested by the value of the base. In all number system, the value of the base determines the total number of different symbol or digit available in the number system. The first of these choice is always zero. The second characteristic is that the maximum value of single digit is always equal to one less than the value of the base.

Some of the number system commonly used in computer design and by computer profession are discussed below.

**Binary number system:** The base of the binary number system is two. It uses only two digit 0 and 1.In short a binary digit is called a bit. Note that largest single digit is 1 again each position in a binary number represents a power of the base 2. As such in this system,the rightmost position is the unit $2^0$ Poisition, the second position from the right is the 2's (2') Position and Proceeding in this way we have 4's($2^2$) Position 8's($2^3$) Position 16's($2^4$) Position and so on.

Thus the decimal equivalent to binary number 11011 is –

$-1x2^4+1x2^3+0x2^2+1x2^1+1x2^0$

or 16+8+0+2+1=23

A binary number consisting n bits is called an n bit number. It is seen that the weight of each bit of a binary number is same as that for a decimal number. The above rule holds good for any other positional number system. The weight of a digit in any position number system depends on it's relative Position with in the number and the base of the number system. The follwoing table shows binary equivalent of decimal number.

| Decimal number | Binary equivalent |
|---|---|
| 0 | 0 |
| 1 | 1 |
| 2 | 10 |
| 3 | 11 |
| 4 | 100 |
| 5 | 101 |
| 6 | 110 |
| 7 | 111 |
| 8 | 1000 |
| 9 | 1001 |
| 10 | 1010 |
| 13 | 1101 |
| 16 | 10000 |
| 31 | 11111 |
| 32 | 100000 |
| 60 | 111100 |
| 64 | 1000000 |

**Octal number system:** In octal number system the base is 8,So in this system there are only eight digits symbol or digit -0,1,2,3,4,5,6,7, the largest is 7. Again each position in an octal number represents a power of the base 8.Thus the decimal equivalent of the octal number2435 is

$2x8^3+4x8^2+3x8^1+5x8^0$

or 1024+128+24+5

or 1181

So,we have $(2435)_8=(1181)_{10}$

**The Hexadecimal number system:** The Hexadecimal number system is one with a base of 16. Here there are 16 single charasteristics digit of symbols. The first ten digit of a decimal system 0,1,2,3,4,5,6,7,8,9 the remaining six digit are denoted by A,B,C,D,E,F representing the decimal values of 10,11,12, [illegible] 15 respectively.Thus the largest single digit is for 15. Again, each position in a hexadecimal system represents

a power of the base 16. Thus the decimal equivalent to the Hexadecimal number 1BE is

$1x16^2+Bx16^1+Ex16^0$

= 1x256+11x16+14X1

= 256+176+14

446

Thus $(1BE)_{16}=(446)_{10}$

**Converting from one number system to another**

There are many methods or technique that can be used to convert numbers from one base to another.we will see, one technique used in converting to base 10 from any other base and a second technique to be used in converting from base 10 to any other base.

Converting to decimal from another base there we follow the following three steps.

Step I - Determine the positional value of each digit and the base.

Step II - Multiply the obtained Position value by the digit in the corresponding position.

Step III - The total is the equivalent value in decimal.

eg for $(11011)_2=?_{10}$

| Step I - Position number | Position value |
|---|---|
| 1 | $2^0=1$ |
| 2 | $2^1=2$ |
| 3 | $2^2=4$ |
| 4 | $2^3=8$ |
| 5 | $2^4=16$ |

Step II - Multiply position value by corresponding Position digit

| 32 | 16 | 8 | 4 | 2 | 1 |
|---|---|---|---|---|---|
| 1 x | 1 x | 0 x | 0 x | 1 x | 1 |
| 32 | 16 | 8 | 4 | 2 | 1 |

Step III - Sum the Product

32+16+0+0+2+1=51

Hence $(110011)_2=(51)_{10}$

$(4607)_8=(?)_{10}$

| Step I Positional number | Posiyional value |
|---|---|
| 1 | $8^0=1$ |
| 2 | $8^1=8$ |
| 3 | $8^2=64$ |
| 4 | $8^3=512$ |

| StepII — | 512 | 64 | 8 | 1 |
|---|---|---|---|---|
| | x4 | x6 | x0 | x7 |
| | 2048 | 384 | 0 | 7 |

Step III 2048+384+0+7=2439

$\therefore$ $(2439)_{10}=(4607)_8$

Ex $(2AC)_{16}=?_{10}$

| Step I | Positional number | Posiyional value |
|---|---|---|
| | 1 | $16^0=1$ |
| | 2 | $16^1=16$ |
| | 3 | $16^2=256$ |

| Step II | 256 | 16 | 1 |
|---|---|---|---|
| | x2 | xA | xC |
| | 512 | 160 | 12 |

StepIII 512+160+12=684

$(2AC)_{16}=(684)_{10}$

Ex $(3025)_6=?_{10}$

Solution= $3 \times 6^3 + 0 \times 6^2 + 2 \times 6^1 + 5 \times 6^0$

$= 3 \times 216 + 0 + 2 \times 6 + 5 \times 1$

$= 648 + 12 + 5$

$= 665$

$\therefore$ $(3025)_6=(665)_{10}$

Converting from base, 10 to a new base the following four Steps are used to convert a number from the base 10 to a new base.

Step I —Divide the decimal number to be converted by the value of the new base.

Step II —Record the remainder in the right most.

Step III —Divide the quotient of the previous division by the new base, record the remainder.

Step IV —Repeat the division of quotient and recording the remainder until the quotient becomes zero. The last remainder of all thus obtained will be the most significant digit of the new base number.

Ex (I) $(56)_{10}=(?)_2$

| | |
|---|---|
| 2 | 56 |
| 2 | 28—0 |
| 2 | 14 —0 |
| 2 | 7 —0 |
| 2 | 3 —1 |
| 2 | 1 —1 |
| 2 | 0 —1 |

$(56)_{10}=(111000)_2$

(II) $(927)_{10} = ?_8$

$(927)_{10} = (1637)_8$

```
8 | 927
  8 | 115 — 7
    8 | 14 — 3
      8 | 1 — 6
          0 — 1
```

(III) $(1062)_{10} = ?_{16}$

$(1062)_{10} = (426)_{16}$

```
16 | 1062
   16 | 66 - 6
      16 | 4 - 2
           0 - 4
```

(IV) $(253)_{10} = ?_5$

$(253)_{10} = (2003)_5$

```
5 | 253
  5 | 50 — 3
    5 | 10 — 0
      5 | 2 — 0
          0 — 2
```

Now converting from a base other than 10 to a base other than 10, we convert the original number to a decimal number and then convert the decimal number to the new base number.

eg $(543)_5 = ?_6$

$543 = 5 \times 5^2 + 4 \times 5^1 + 3 \times 5^0$

$= 5 \times 25 + 20 + 3$

$= 125 + 20 + 3$

$= 148$

$\therefore (543)_5 = (148)_{10}$

Now, $(148)_{10} = (408)_6$

$(543)_5 = (408)_6$

```
6 | 148
  6 | 24 — 8
    6 | 4 — 0
        0 — 4
```

In converting a number from binary to octal or hexadecimal we use the following method.

Step I — Divide the binary digit into group of three or four starting from the right in case of octal and hexadecimal respectively.

Step II — Convert each group of three or four into octal or hexadecimal digit.

eg —

(I) $(110101)_2 = ?_8$

110101—

$\therefore 110101 = (65)_8$

$(110)_2 = 1 \times 2^2 + 1 \times 2^1 + 0 \times 2^0$

$= 4 + 2 + 0 = 6$

$(101)_2 = 1 \times 2^2 + 0 \times 2^1 + 1 \times 2^0$

$= 4 + 0 + 1 = 5$

(II) $(11011010101)_2 = 2_{16}$

11011010101 $\quad$ $0101 = 0 \times 2^3 + 1 \times 2^2 + 0 \times 2^1 + 1 \times 2^0$

$(1101101101)_2 = (6D5)_{16}$ $\quad$ $= 0 + 4 + 0 + 1 = 5$

$1101 = 1 \times 2^3 + 1 \times 2^2 + 0 \times 2^1 + 1 \times 2^0$

$= 8 + 4 + 0 + 1$

$= 13 = D$

$110 = 1 \times 2^2 + 1 \times 2^1 + 0 \times 2^0$

$= 4 + 2 + 0 = 6$

**Fractional number** — In binary number system fractional numbers are formed in the same general way as in the decimal system. Consider the decimal number ˙536

$˙536 = 5 \times 10^{-1} + 3 \times 10^{-2} + 6 \times 10^{-3}$

and $25.34 = 2 \times 10^1 + 5 \times 10^0 + 3 \times 10^{-1} + 4 \times 10^{-2}$

Similarly in the binary system

$.110 = 1 \times 2^{-1} + 1 \times 2^{-2} + 0 \times 2^{-3}$

$11.01 = 1 \times 10^1 + 1 \times 10^0 + 0 \times 10^{-1} + 1 \times 10^{-2}$

So, in case of converting a decimal equivalent of a binary, we proceeds as follows.

$(1101.110)_2 = 1 \times 2^3 + 1 \times 2^2 + 0 \times 2^1 + 1 \times 2^0 - 1 + 2^{-1} + 1 \times 2^{-2} + 0 \times 2^{-3}$

$= 8 + 4 + 0 + 1 + .5 + .25 + 0$

$= 13.75$

Similarly for converting decimal to hexadecimal or octal

$(134.54)_8 = 1 \times 8^2 + 3 \times 8^1 + 4 \times 8^0 + 5 \times 8^{-1} + 4 \times 8^{-2}$

$= 1 \times 64 + 3 \times 8 + 4 \times 1 + 5/8 + 4/64$

$= 64 + 24 + 4 + .625 + .0625$

$= 92.6875$

$(3B.C8)_{16} = 3 \times 16^1 + B \times 16^0 + C \times 10^{-1} + 8 \times 16^{-2}$

$= 3 \times 16 + 11 \times 1 + {}^{12}/_{16} + {}^{8}/_{256}$

$= 48 + 11 + .75 + .03125$

$= 59.78125$

**References :**

(I) A New Book of Popular Science - vol-1. 1989 Printing, Grolier incorporate

(II) Computer Fundamentals — P.K. Sinha, Second Edition 1992
B.P.B. Publications, New Delhi.

*(Mr. Kalita HOD, Mathematics, Dudhnoi Colledge*

# "CULTURAL DIVERSITY IN MUGA SILK INDUSTRY (ANTHSRAEA ASSAMA Ww ) IN NORTH EAST"

Jogesh Deuri

**Introduction:**

The rearing of mulberry, eri(indi) and muga worms for production of different kinds of silk yarn were known to be patronised by the Ahom kings (Phukan,1998) during their reign from 1228 to 1826 AD. With the advent of mill-made yarn, the spinning of yarn from cotton was replaced by mill-made ones for use in handloom weaving in Assam. But the traditional production of different kinds of silk yarn and fabric still plays an important role in the economy of the rural people of the state. Old glamorous brocades like 'Kinghap', 'Gomseng', 'Karsip', 'Sisupat' and 'Bankara' of silk still adorn the aristrocatic household. The golden colour muga silk produced by *Antheraea assama* Westwood is confined mostly to the Brahmaputra Valley of Assam and few states in India, in the whole world. North East Region contributes to nearly 7% of the total raw silk production in India, but the share of muga is 99.8% (Anonymous, 2000). Even in Assam, rearing of muga silkworm for the production of this precious is mainly practiced by the Tai Ahoms of upper Assam districts and other indigeneous peoples (Rabhas, Garos and Boros) in the districts of lower Assam.

Muga silkworm is polyphagous, semi-domesticated and multivoltime in nature having 5-6 generations in a year. In accordance to local calendar the different generations are known as : (i) Jarua - Winter, (ii) Chotua - early spring, (iii) Jethua - spring, (iv) Aherua - early summer (v) Kotia - Autumn and (vi) Aghenua- early winter. Of all these generations, autumn and spring generations produce silk best in quality and also in quantity.

The primary host plants of muga silkworm are *Persea bombycina* (Kingex Hook.f.) Kost. (Som, local name) and *Litsea monopetala* (Roxb.) pers. (Soalu) of the family Lauraceae. In addition to the primary host plants, *Litsea salicifolia* (Roxb. ex Nees) Hook. f. (Dighlati), L. cubeba (Lour) Pers. (Mejankari), *Persea odoratissima* (Ness) Kost. (Jati som), *Melastoma malabathricum* L. (Melastomaceae : Phutuka), Averrhoa carambola L. (Averrhoaceae : Kordoi), *Meyna laxiflora Robyns*. (Rubiaceae : Kotkora) and *Barringtonia acutanggula* (L.) Gaertn. (Barringtoniaceae : Hijal) are also used as secondary host plants.

The laying of eggs and formation of cocoons are the only two stages of rearing of muga silkworm, which are confined to indoors. Once the worms emerged from the eggs, they are shifted to the host plants grown in the exclusive gardens, locally known as Somoni. On maturation, the worms come down of the host plants, which are collected and allowed to form cocoons. For successful rearing of the insect, the rearers are still guided by traditional customs and beliefs. Moreover, the people still prefer to use tools and implements innovated indigenously, and other local materials for rearing the worms, spinning and dyeing the yarn, and weaving the cloth.

This paper document focuses on cultural diversity (indigenous knowledge, innovations, practices and beliefs) pertaining to muga silk industry — a traditional cottage industry in North east, which had its origin in the disrant past and continued till today.

**(i) Traditional implements and tools used for rearing the worm :**

All the traditional implements used for rearing of muga silkworms are made of bamboo belonging to the species *Bambusa tulda Roxb*. (Jatibah), *B. arundinacea* (Retz.) Wild. (Tomalbah) and *B. balcooa* Roxb. (Bholukabah). Chaloni a triangular sieve used for shifting worms from one host plant to another, Batalu-dhanu bow for shooting pellets and khurung - a small basket for keeping klay pellets. Split bamboo torches and bamboo baskets are traditionally used

during the matured worms collection. Likewise, the worms on maturity are provided with bundles of withered leafy twigs, locally known as Jali, of one or the other of the following selective plants viz., *Symplocos racemosa* Roxb. (Symplocaceae : Bhumlati), *Mesua ferrea* L. (Clusiaceae : Nahar), Makunda and *Lagestroemia speciosa* Pers. (Lythaceae : Ajar), for formation of cocoons.

**(ii) Materials used during the cocoon preservation and egg preparation :**

These are made of bamboo Muga-pera and chakari pera are used for preservation of seed cocoons and for storage of surplus or unused muga moth. The male and female moths are tied in pairs on a stick-like bundle of culms of *Imperata cylindrica* (L.) Beauv. (Poaceae : Ulukher), locally known as Kathi or Khorica.

**(iii) Traditional implements and system for plant protection :**

For protection of the newly planted host plants from grazing by cattle and goat used bamboo for fencing belonging to the species *Bambsa tulda* Roxb. (Jatibah) and as green fencing *Jetropha curcus* L. (Euphorbiaceae) locally known as Bhotera. Traditional trencing system is common in lower Assam for protection of host plants. The poor muga farmers who can not afford fencing they apply fresh cow dung on the base of the plant at an interval of 15 to 20 days or sprinkle its colloidal solution at an interval of 2 to 3 days for protecting their host plants from grazing by cattle and goat. The colloidal solution of fresh cow dung when sprinkled on the plant foliage makes it unpalatable. Thus, the practice protects the plants from grazing and in due course the decomposing of cow dung provides nutrition to the plants, thereby, making it an eco friendly, cost effective and sustainable practice.

**(iv) Biological control of predators and associated aspects :**

The rearing field normally left untouched till next rearing. Then 15 to 20 days prior to rearing the farmers clear the undergrowth without exposing the soil. Thereafter, they resort to controlled burning of the undergrowth. This practice maintains harmony between the abiotic and biotic components of the ecosystem, thereby, reducing the pest and predators infestations. The alkaline nature of the ash prevents further infestation from pest and predators (Bhattacharya, *et al*, 1993). Burning is also a sanitary measure for checking proliferation of disease microbes (Jolly. 1986). Keeping the field undisturbed till onset of next rearing increases the soil humic substances that affect plant physiology consiiderably and increases permeability of protoplasm for greater absorption of nutriients (Pagel, 1960). Before transferring the worms to the feeding yard, the trees are cleaned by removing dried leaves and twigs.

Disinfection process of all rearing and grainage appliances is cost effective and eco friendly. The rearing and grainage appliances made of bamboo and thatch grass usually hang above their kitchen fireplace where wood is used for burning.

The moths are provided with a room in a thatched hut, the walls of which are plastered with mud, for copulation and subsequent laying of eggs. The floor of the hut is sprinkled with woodash, which prevents the entry of other insects. Even in the room nobody is allowed to enter to ensure protection of eggs and worms from disease microbes. The moths are allowed to copulate only for one night and then they are decoupled the next morning and male moths are driven away by lighting a fire at some distance in the next morning. Likewise, the female moths are allowed to lay eggs for maximum of three days and these are removed from the oviposition device.

The rearers recognize the birds and other animals predators on muga silkworms and during day time these are driven away by shooting pellets with a bow or batalu. But nocturnal predators are driven away by a unique device. A duck is encaged in a bamboo basket and hang from a twig atop a tree in feeding yard. With slightest disturbance the duck screams, which drives away the nocturnal predatory birds and bats. There are many insects, which also attack the worms. For controlling the insects a few scaly fishes *Puntius sophore* Ham. (Cyprinidae : Puthi), *Channa punctatus* Bloch. (Channidae : Goroi) and *C. orientalis* Bloch. (Changeli) are tied at the base of trees, which keep the insects engaged at the base of the trees and they never climb above to reach the worms. The scaly fishes are used because of the insects require longer time to eat them (Barthakur, 2003).

Sometimes the worms climb down the trees before maturity and to prevent this, a girdle with leaves of *Microsorium punctatum* (L.) Copel. (Polypodiaceae : Miriani-mura) and leaf-sheaths of

*Catimbium malaccense* (Burm.f.) Holttum (Zingiberaceae: Tora) or *Musa balbisiana* Colla (Musaceas : Athiacol) is provided at base of each plant. The worms never cross even touch this girdle. Probably the chemical substances present in these plant materials are reponsible for the repel of the worms.

**(v) Beliefs and associted practices :**

One of the members of the rearer family stays in a hut in the feeding yard from the very day the worms are transferred to the host plants, till maturity. During this period, which varies from 30-45 days, it is customary not to cut hairs, shave heard and trim nails by the person staying in the feeding yard and he or she has to prepare his/her food himself or herself.

Before the worms are transferred to the feeding yard and after collection of the worms on maturity, the rearer performs sacrificial rites to appease sylvan deity, locally known as Phi-thun of the feedig yard, by offering eggs, fowls and rice-beer.

The rearers follow the moral ethic of honesty about the health of the brood and rearers of the plains opt for muga seeds from the hills while those from the hils prefer muga seeds from the plains.

**(vi) Traditional reeling-spinning and weaving implements and yarn dyeing :**

The reeling is done with a traditional implement which is known as Bhanguri, made of timber, and the weaving is done through shuttle looms (Maku-sal). The muga silk yarn usually does not require any dyeing. But to brighten the natural golden colour, the yarns are boiled in an alkali solution, which is prepared by leaching the ash of dried leaf-sheaths of *Musa balbisiana* Colla (Musaceae : Athiacol)

The rearing of muga silkworm (*Antheraea assama* Ww) is an age old practice confined only to a few communities in some parts of Assam. It not only yields a precious golden coloured natural silk but the worms after formation of cocoons are removed and used as a source of protein, which are eaten either fresh or dried. During the reign of Ahom kings, the practice of rearing of this worm was patronized by them and is evidenced by the title *Muga - chungia* conferred by the Ahom kings, still retained by many of the rearer families of Assam.

Since the practice of rearing of muga silkworms is traditional, the rearers follow the custom and beliefs associated with it, and designing of tools and implements used for rearing, reeling-spinning and weaving was based on empiric knowledge. Probably it is the traditional practices followed in rearing of muga silkworms make this indigenous knowledge unique and make North East India as the only proud producer of this golden silk in the world.

References :


1. Anonymous (2000) "Status paper on muga and eri sericulture in North East India", published by Central Muga Eri Research & Training Institute, Central Silk Board, Jorhat.

2. Borthakur S. K. Ethnobiological wisdom behind the traditional muga silk industry in Assam, India Journal of Traditional Knowledge, Vol. 2(3), July 2003, pp. 230-235.

3. Bhattacharya, A., Saikia, S. K., Goswami, D., and Das, P. K. 1992 : Traditional practices and scientific validity of muga culture practices. Indian Silk, May pg. 16-18.

4. Bhattacharya, A., Saikia, S. K., Goswami, D., 1993 : scientific inferences to the traditional muga rearing Indian Silk, December, pg. 35-41.

5. Phukan, R., 1998 : Golden yellow culture of Assam, Indian Silk, June, pg. 14.

6. Thangavelu, K., Chkraborty, A. K., Bhagowati, A. K., and Md. Isa 1988 : Hand book of Muga culture : Muga silkworm food plants. publ. Central Silk Board, Bangalore, pg. 9-14.

7. Bora, A. K., and Chakravorty, R., : 2005. Genetic resources of muga silkworm *Antheraea assamensis* Helfer and need of conservation, Lead & Subject paper : Workshop on strategies for non-mulberry germplasm maintenance. pg. 101-107.

8. Jolly, M. S. 1986 : Pebrine and its control, Bulletine No. 5 of CSR&TI, Mysore, India, pg. 1-34.


*(Mr. Deuri Asstt. Director of Sericulture, Chirang & Baska District, B.T.C.)*

# TEACHERS' ORGANISATION AND HIGHER EDUCATION

Biren Bhuyan

The distinctive and worthy contribution of the teacher to the progress of higher education in India has long been recognised. Teaching, rasearch and extension are the three integral functions of teachers in the higher educational institution. Teaching got its legitimate status as a profession in the landmark work of A. M. Carr-Saunders and P. A. Wilson,(1933) who identified sixteen professions including teaching. A profession is a calling and it implies acquisition of a fund of knowledge, range of skill and their application in the service of humanity.

Teachers' organisations in India have long history. The earliest known effort in the direction of organising teachers in the south was founding of the 'Women Teachers' Association ' in Madras (Tamil Nadu) in 1890. The first efforts at organising in the north were perhaps the formation of 'Non- Gazetted Educational Officers' Association' of Uttar Pradesh. Since independence, there has been a phenomenal growth of teachers organiations in the country. At present, every state has at least one teachers' organisation in higher education or institutional in nature.

The credit for bringing together at the national level teachers of all grades and categories goes to Sir D. P. Khattry, who founded the 'All India Federation of Teachers' Association.' The "All India Federation of University and College Teachers' Organisation (AIFUCTO)" is the only organisation of the university and college teachers at the national level. This federation has been existence for over a decade now and claims a membership of more than lakh of teachers through its affiliated organisations.

In the present time, teachers especially in higher education are expected not merely to transmit knowledge but also to inculcate the values of sciience and technology, democracy and secularism, dignity and Labour, and individualism and ntionalism.

One of the most important functions of teachers' organisations is to bring out professional growth of its members as well as the teaching community at large , so that education as a whole flourishes. Adverting to the broadening of the role and functions of teachers' organisations in different parts of the world, the Kothari Commission 1964-66, conceived of the role of the teachers' organisation as a very iimportant input in the professions of teaching.

Every profession in order to regulate its term and conditions, norms and quality service rendered has its own professional ethics as different from general ethics. On the other hand every profession is accountable to society. It has to discharge these responsibilities through wise yet stern self-disciplining. The public image and standing of the teaching profession will improve if its responsibilities honestly discharge. The teachers of higher education should be conscious of his accountability to his profession of teaching by being accountable for his effective teaching and learning, and to the society where he lives.

The development of higher education in any nation is largely depending on the teacher's functions and activities. At present the condition of work for college teachers in number of places of our country are quite unfavourable; the infrastructure facilities are not conductive for teaching and learning in many higher institutions, they often do not have even a desk to do their work in the institution, they lack adequate library books and journals, their social status is not very high, and they have to spend lot of time fighting with authorities to get their monthly pay regularly, due arrears and promotional scales. Hence, it is no denying fact that most of the state level or institutional level teachers' organisations are naturally have to engaged themselves in securing better conditions of work and services, and their salaries.

Considering the quality and importance of teacher in higher education, the American Commission on Teacher Education expressed itself in the following words, 'The quality of a nation depends upon the quality of its institutions. The quality of its citizens depends —upon the quality of their education. depends, more than upon any single factor, upon the quality of their teachers.'

The teacher has a special position in the society, beacuse of his/her duty or mission or professional responsibility. The elements of commitment of the teaching community cannot be over looked in the teaching profession of higher education. The relevance of this can be trace in the opening sentence of the Kothari Commission report, 'the destiny of India being shaped in her classrooms. This we believe, is no more rhetoric.' Prof R.H. Dave has mentioned five commitment areas for teacher as-i) commitment to the learner, ii) commitment to the society, iii) commitment to the profeesion, iv) commitment to achieve excellence, and v) commitment to basic human value.

Though no body can challenge and denied the role of teachers, in construction and development of educational system in India; yet the teachers of hihger education of India must realise their professional ethics, their duties and their commitments to the society. The real satisfaction of the teachers during his professional life time can be cited with the following words- 'the real reward of the true teacher are not in the material things he can purchase or the physical pleasures he can enjoy of his salary, but in the deep satisfaction he feels in watching the students grow, in seeing them develop self reliance, initative, and sense of responsibility, and in observing their learning of the facts, skills, habits and attributes that involved in becoming constructive citizens in a modern world.'

In conclusion, it can be said that it is a duty incumbent on Teachers' Associations to enable the teaching community to play its meaningful role in the healthy development of higher education in the country in the changing time and demands.

*(Mr. Bhuyan is HOD, Statistics of Dudhnoi College)*

# 'ETHNIC ASSERTION OF ASSAM : RABHA HASONG MOVEMENT'

Dr. Mrinal Kumar Borah

Ethnicity is an excellent tool for pinning down the aspirations of perple and safeguarding their identity. The wide spread politics of ethnic identity in North East India has assumed a grèat political importance. The different ethnic groups of the North East region have been increasing besieged by the movements for protection of their distinct ethnic identity. The demographic pattern of this region is diverse with various ethnic groups having different cultures, language and custom. The ethnic assertion in this region is mostly linguistic and cultural in nature. Most of the ethnic groups of North East region have been demanding either autonomous or separate states to maintain their socio culture identity. Thus the ethnicism continues to be a major factor in moulding the nature of politics of North East. This paper however intend to deal with the movement of ethnic identity in Assam with special reference to Rabha Hasong movement.

During the Shom rule Swargadeo Pratap Singha, there were altogether eighteen tribal chieftain in entire southern region of river Brahmaputra. The Ahom king Pratap Singha established them in their resoective territory by giving the tittle of 'Powali raja'. These pretty states maintained a cordial relation with the Ahom rulers. These pretty states became a buffer state between the Ahom kingdom and the other neighbouring states. The success of Ahoms fusion of different aboriginal groups including the Rabhas. culminating the creation of not only an enlarged kingdom but also a composite race and culture as well. Thus the policy of the Ahoms was to form an integrated society of the different tribes by the process of Ahomization and thus had opened the way for unity among different groups.

The British East India company who succeeded the Ahoms in Assam easily completed the process of political integration of the region. They followed a policy of non noninterference in the internal administration of the different ethnic groups of North Eastern states. However natural process of evolution of tribes including the Rabhas were affected by the changed political, economical and social condition under the British rule. They failed to take advantage of economic opportunities Provided by the colonial reign. The Government did not consider it profitable to develop the transport and communications network in the tribal areas except alien, this was urgently necessary for the movement of their troops. They took this policy mainly to reduce the administration expenditure on these areas. Because of their non industrial background, the Rabhas along with other tribals hardly found any room in the new economic reforms to accomodate themselves. So they looked for lucrative administrative jobs under the British E.I.C. and it brought direct competition with the advance section of the high Caste Assamese society and also the migrant communities like the Bengalis, who had ènjoyed the privilages during the British rule.

Even after decades of independence, the Rabhas along with other ethnic groups remained backward economically, educationally and even politically. Hence the emerging educated Rabhas, middle class elite wanted to organise the community for all round development. The Rabhas feel that they have been exploited and suppressed by the Assamese society, particularly high caste Hindus who have been dominant community in Assam. The Rabhas, therefore became conscious of their distinct identity and this led to the social movement to assert group identity among the Rabha community. Having developed ethnic consciousness, the Rabhas have gradually built up their movement in order to get their due and to improve their cultural, economic and political status. Though this movement was a seperatist movement in Assam, it was also a unifying movement with in the community based largely on middle class. Hence, in 1926 **Assam Rabha**

**sanmillan**, in 1965 **Sadau Asom Rabha Sanmillan**, in 1971 **Rabha Jatiya Parishad** were established. Apart from above organizations there was an another strong literary organization of the Rabha called **Nikhil Rabha Sahitya Sabha**. It was established in 1973. Another very strong organization was established in 1980. This organization was originally known as **Nokhil Bharat Rabha Chatra Santha** and presently it is known as **Nikihil Rabha Chatra Santha**. After decades of independence, the Rabhas increasingly felt that they remained much more backward than other section of the Assamese society. Indeed they had not been experiencing the problems of land alination, unemployment, economic and political suppression under the existing system but also discrimination in achieving their rightful place in the society. In an underdeveloped region like Assam, economic development is accompanied by increased inequalities, because the rewards are allocated on the basis of the strength and persistence of the organized sector of the society. Therefore it appears to them that unless they organized themselves, nobody would care for their development. As a result, the Rabhas began to develop the ethnic consciousness on the bases of their distinct socio cultural treats which culminated in the formation of a number of socio–cultural organizations. Among them, **Nikhil Rabha Mahila Parishad**, **Sadou Rabha Kristi Sanmillan** are worth mentioning. For the political - **Rabha Hasong Surakha Parishad**, **Rabha gaon Sanmillan** and **Rabha Hasong Co-ordination committee** was formed.

The Rabha Hasong Autonomous demand movement was started with formation of Rabha Hasong demand committee in 1988. The demand was jointly made by **Nikhil Rabha Jatiya Parishad**, **Nikhil Rabha student union** etc. The demand for **Rabha Hasong Autonomous Council** occupying an area of South Kamrup and Goalpara district of Assam. The total Rabha populations of this region is 3, 78, 152. From 1988 to 1995, the **Rabha Hasong Autonomous** demand committee way. At last on 10th March 1995 the Memorandum Settlement was signed during the Congress Government led by Hiteswar Saikia. In presence of Chief Minister Hiteswar Saikia, the Rabha Hasong Accord was signed by the chief secretary of Assam A. Bhattacharya from Govt side and Sarat Rabha, president and Suloswan Rabha, secretary Rabha Hasong demand committee along with Ganga Raj Rabha and Ratan rabha president and secretary A.R.S.U respectively.

Accordingly to this the interim Executive Council of Autonomous Council under the leadership of Shabya Sachi Rabha and 19th other members were sworn-in on 20th July, 1995. But the boundary of the area is yet to be demarcated in an agreed manner. From 1995 to 2007 onwards three interim Rabha Hasong Autonomous Council were formed by the Assam Govt.

Refering to the Accord, Chief Minister *Hiteswar Saikia asserted that the main objective of constituting the R.H.A.C. was to Provide maximum* autonomy within the framework of the Indian constitution to the Rabhas for their social, economical, educational and cultural advancement. With the implementation of the Act, the long chesished dreams and aspirations of the Rabhas were fulfilled

Though autonomy has been granted to the Rabhas but in real sense the aspiration of the Rabha people were not fulfilled. The political Autonomy has been given to the Rabhas with transfer of power to R.H.A.C. But it reveals that the Accord has not been institutionalized due to gaps in implementation. No doubt the Rabha Middle class, the new political elites are seems to be happy but it is difficult to assert that the poor Rabhas would be benefited by the settlement and the functioning of the R.H.A.C. in the larger interest. On the otherhand, the ethnic consciousness increases, the Rabha and non Rabhas are divided into hostile camps. In this context, political, social and economic autonomy to the smaller nationalities within a longer Indian society is very much essential in the form of self determination. It is important to note that all nationalities and social groups to unite and organize themselves for the cause of a united national liberation movement to fight for their legitimate right of self determination on equal basis. On the other side the chauvinism does much harm to the conserns of nationality itself. In the specific context of Assam, the most important is that a drastic change in the socio-economic and culture scenario and political arena of Assam should be changed so that prople from different ethnic and social groups could live in harmony enjoying equal rights. But the main hardle for this is the middleclass leadership and the absence of a progressive ideology and strong mass organization capable leading the masses of various nationalities towards a democratic solution.

*(Mr. Borah Sr. Lecturer of Chaygaon College)*

স্মৃতিৰ পাতৰ পৰা

সংকলক : ক্ষীৰোদ খাখলাৰী

# মনপাসকলৰ মাজত

গৌতম নাথ

ৰাজু ৰাভা

অৰুণাচল প্ৰদেশৰ পশ্চিম কামেং জিলা নানা জাতি-জনজাতিৰ আবাসভুমি। পশ্চিম কামেং জিলাৰ এটা প্ৰধান জনজাতি গোষ্ঠী মন্‌পাসকলৰ বিষয়ে আমি বহুদিন আগৰে পৰাই বহুতো কথা শুনি আছিলোঁ। এই সকলোবোৰ কথা নিজ চকুৰেই প্ৰত্যক্ষ কৰাৰ সুযোগ পাইছিলোঁ, নৃতত্ত্ব বিভাগৰ ক্ষেত্ৰকাৰ্যৰ জৰিয়তে। আমি ২৮, ১০, ৯০ ইং তাৰিখে পশ্চিম কামেং জিলাৰ সদৰ ঠাই ব'মডিলাৰ পৰা ২ কিঃ মিঃ আঁতৰত থকা মন্‌পা বসতি প্ৰধান ' চেৰা' গাওঁখনকে ঠিক কৰিছিলোঁ।

১৯৬২ চনৰ ভাৰত চীন যুদ্ধৰ সময়ত টাৱাঙত থকা মনপাসকলৰ কিছুসংখ্যকে আহি চেৰা গাঁওখন স্থাপন কৰে আৰু নিগাজীকৈ থাকিবলৈ লয়। পাহাৰৰ এটলীয়া ঠাইত আৱস্থিত এই গাঁওখনত মনপাসকলৰ বাহিৰেও কিছু নেপালী আদি অন্যান্য সম্প্ৰদায়ৰ লোকো আছে। গাওঁখনৰ সহকাৰী গাওঁবুঢ়া ছনাম চিৰিঙৰ মতে বৰ্তমান চেৰাগাঁৱৰ মুঠ বাসিন্দা ১২৭ ঘৰ। বৰ্তমান গাওঁখনৰ জনসংখ্যা প্ৰকাশ হোৱা নাই যদিও ১৯৮১ চনৰ লোকপিয়ল অনুসৰি চেৰাগাঁৱৰ মুঠ জনসংখ্যা ৩৬৫।

গাওঁখনত উপস্থিত হৈ প্ৰথমতে আমি লক্ষ্য কৰিছিলো গাঁৱৰ মানুহখিনিক। এওঁলোকৰ গাৰ ছালৰ বৰণ ৰঙচুৱা পীত বৰণৰ, চুলি ক'লা, চকুত নেত্ৰচ্ছদ ভাঁজ, শৰীৰত নোম কম, মুখত দাঁড়ি-গোফ নায়েই বুলিব পাৰি। গতিকে দেখিলেই অনুমান কৰিব পাৰি যে এওলোক মঙ্গোলীয় প্ৰজাতিৰ লোক। কষ্টসহিষ্ণু এই জনজাতি গোষ্ঠীটো ঘাইকৈ কৃষিজীৱী। কবি, আলু, মূলা, লাও আদি ৰবিশস্যৰ বাহিৰেও স্থায়ীভাবে কৰা আপেল খেতিও আমাৰ চকুত পৰিছিল। গাওঁখনত পানীযোগানৰ সুন্দৰ ব্যৱস্থা আছে।

সহজ-সৰল আৰু শান্তিপ্ৰিয় মন্‌পাসকলে মন্‌পা ভাষাৰ বাহিৰেও হিন্দী ভাষাও ক'ব পাৰে। কথা কোৱাৰ গুৰুগম্ভীৰ ভাৱভঙ্গী আৰু ভদ্ৰোচিত আচৰণৰ পৰাই এওঁলোকৰ চৰিত্ৰৰ বিষয়ে ধাৰণা কৰিব পাৰি। ভাৰতত আবিৰ্ভাব হোৱা বৌদ্ধ ধৰ্মটোক যেন এওঁলোকেই জীয়াই ৰাখিছে। ধৰ্মত মহাযানপন্থী বৌদ্ধ এই মন্‌পাসকলে তিব্বতৰ ধৰ্মগুৰু দলাই লামাক বুদ্ধৰ ১৪ নং অৱতাৰ বুলি বিশ্বাস কৰে। সকলোবিলাক ধৰ্মীয় কাৰ্য 'গোমপা'ত (বৌদ্ধ মন্দিৰ) থকা 'লামা'ই (বৌদ্ধ পুৰোহিত) সম্পন্ন কৰে। সকলো মানুহে লামা হ'ব নোৱাৰে, লামা হ'বৰ বাবে গোম্‌পাত থাকি ধৰ্মীয় শিক্ষা গ্ৰহণ কৰিব লাগে। তেওঁলোকৰ মাজত এনেকুৱা প্ৰবাদ আছে যে ধৰ্মীয় গুৰু, দালাই লামাই কোনখন গাৱঁৰ কোনজন ল'ৰা লামা হ'ব আগতীয়াকৈ কৈ দিব পাৰে। কিছুমানে পূৰ্বজন্মৰ কথা ক'ব পাৰে আৰু আন কিছুমানৰ ঘৰত শঙ্খ-ঘণ্টা ধ্বনি হ'লে সেই ঘৰৰ ল'ৰাজনক লামা হ'বলৈ দিব লাগে বুলি প্ৰচলিত বিশ্বাস আছে। মন্‌পাসকলে শিল আৰু মাটিৰ লেপনি দি তৈয়াৰ কৰা 'ছাংপুং' বেদীৰ তলত সন্ধিয়া পূজা কৰে।

মন্‌পাসকলৰ এবিধ জনপ্ৰিয় লোকনৃত্য হ'ল, ''আজিলামু''। 'লছাৰ' আৰু 'ছছকাৰ' তেওঁলোকৰ দুবিধ প্ৰধান ধৰ্মীয় উৎসৱ। 'লছাৰ' উৎসৱ নতুন বছৰ অহাৰ আগতে অতি উলহ-মালহেৰে পালন কৰে। সৰ্বসাধাৰণ ৰাইজৰ মঙ্গলাৰ্থে, খেতিত ভাল ফচল পাবৰ বাবে আৰু খেতি যাতে কীট-পতঙ্গ আৰু আন জীৱ-জন্তুৱে নষ্ট নকৰে তাৰ বাবে তেওঁলোকে 'ছছকাৰ' উৎসৱ পালন কৰে।

মানুহৰ দৈনন্দিন জীৱন যাত্ৰাত জলবায়ুৱে বহুখিনি প্ৰভাৱ পেলায়। জহকালি জিলাখনৰ উষ্ণতা ২১° ছেঃ পৰ্য্যন্ত হয় আৰু জাৰকালি (-২°) ছেঃ পৰ্য্যন্ত নামে। জলবায়ুৱে মন্‌পাসকলৰ ঘৰ সজা প্ৰণালী আৰু সাজপাৰৰ ওপৰত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলাইছে। জলবায়ু সেমেকা বাবে গাৱঁৰ ঘৰৰ ভেটিবোৰ কাঠৰ। মন্‌পাসকলে নিজৰ পদ্ধতিৰে সজা ঘৰবিলাকৰ বেৰবোৰ শিলেৰে ডাঠকৈ গাঠি বোকা মাটিৰে লেপনি দি লৈছিল আৰু ঘৰৰ চালবোৰ বাঁহেৰে দিছিল। কিন্তু আজিকালি আধুনিকতাৰ প্ৰভাৱ কিম্বা আৰ্থিক নিৰাপত্তাৰ বাবে তেওঁলোকে শিল, বালি, চিমেণ্ট, টিন আদিৰে তৈয়াৰী ঘৰ সাজে। ঘৰৰ ভেটিৰ দৰে সাজপাৰৰ ওপৰতো জলবায়ুৰ প্ৰভাৱ মন কৰিবলগীয়া। জাৰৰপৰা হাত সাৰিবলৈ মন্‌পা পুৰুষ মহিলা উভয়েই গাৰ ওপৰৰ পৰা আঠুৰ তললৈকে হলৌচোলা পিন্ধে। মন্‌পা পুৰুষে 'ছিঙ্কা' (হলৌচোলা) এবিধ, ছিঙ্কাৰ ওপৰত 'টডুং' (জেকেট), ককালত 'খেকিন' (কাপোৰৰ ফিটা) আৰু মূৰৰ ওপৰত 'ছিম' (টুপী) পিন্ধে। মন্‌পা মহিলাই 'ছিঙ্কা'

(হলৌচোলা), ছিঙ্কাৰ ওপৰত মেৰিয়াই লবলৈ 'টেঙা কিৱা' (সৰু কাপোৰ) এডোখৰ, মূৰত 'ছিম' (টুপী) হাতত 'য়ানটুপ' (ছুৰী), কাণত 'ইউয়ী' (কাণফুল), আঙুলিত 'ছেৰাপ' (আঙুঠি) আৰু ডিঙিত 'কেকৰ' (মালা) পিন্ধে। অৱশ্যে আজিকালি উঠি অহা ডেকা-গাভৰুহঁতে আধুনিক সাজপাৰো পৰিধান কৰা দেখা যায়।

মন্‌পাসমাজত লামাৰ প্ৰাধান্য মনকৰিবলগীয়া। মানুহৰ জীৱনৰ তিনিটা পৰ্য্যায় হ'ল — জন্ম, বিবাহ আৰু মৃত্যু। মন্‌পাসমাজত সন্তান জন্মৰ সময়ত গাওঁতে থকা অভিজ্ঞ তিৰোতাক মতা হয়। অভিজ্ঞ তিৰোতাগৰাকীয়ে প্ৰসৱ কৰাবৰ বাবে অসমৰ্থ হ'লে গাঁৱৰ লামাক খবৰ দিয়া হয়। তেওঁ পূজা পাতল আদি কৰি প্ৰসৱ কৰাবৰ বাবে চেষ্টা কৰে। কেচুঁৱা জন্মাৰ পিছতেই লামাই জন্মনক্ষত্ৰ চাই নৱজাত শিশুটিৰ নামকৰণ কৰে আৰু সোঁৰৰণী আদি তৈয়াৰ কৰে। প্ৰথম সন্তান জন্মৰ পিছত মাকক মদ, মাংস আদি খুওৱা হয়।

মন্‌পাসমাজত প্ৰাজাপত্য বিবাহ স্বীকৃত বিবাহ। এই প্ৰথাতে প্ৰথমে ল'ৰাই-ছোৱালী পছন্দ কৰিব, ছোৱালী পছন্দ হ'লে গাঁৱৰ এজন মধ্যস্থতাকাৰীৰ (ফ্ৰেইনপা) হতুৱাই ল'ৰাৰ বাপেকে ২ বটল মদ (আৰা) আৰু এখন সৰু গামোছা (খাদা) ছোৱালী বাপেকক দিয়ে। ছোৱালীৰ বাপেকৰ ল'ৰা পছন্দ হ'লে ছোৱালীক ল'ৰালৈ বিয়া দিয়ে। মন্‌পাসমাজত দৰাক 'মাক্‌পা' আৰু কইনাক 'বাকাকা' বুলি কোৱা হয়। লামাই ঘৰলৈ আহি পুজা-পাতল কৰি বিবাহ কাৰ্য্য সম্পন্ন কৰে।

মৃতকৰ সৎকাৰ কাৰ্য্যৰ অধিকাংশ কাম লামাই কৰে। গাঁৱৰ কোনো ব্যক্তিৰ মৃত্যুৰ লগে লগে প্ৰথমতে লামাক খবৰ দিয়া হয় আৰু লামাৰ নিৰ্দেশমতে মৃতকৰ সৎকাৰ কৰা হয়। লামাই মন্ত্ৰৰ দ্বাৰা মৃতদেহটো দাহন কৰা হ'ব নে কাটি টুকুৰাটুকুৰ কৰি নৈৰ পানীত উটুৱাই দিয়া হ'ব সেইটো নিৰ্ণয় কৰে। এওঁলোকৰ নিয়ম মতে মৰাশটো কাটি টুকুৰাটুকৰ কৰিব লাগিলে ১০০ টুকুৰাতকৈ কম নাইবা ১০৮ টুকৰাতকৈ বেছি কৰিব নোৱাৰি। বৌদ্ধ ধৰ্মৰ নীতি অনুসৰি এওঁলোকৰ বিশ্বাস যে, মৰাশটো কাটি নৈৰ পানীত উটুৱাই দিলে নদীৰ মাছ নাইবা আন প্ৰাণীয়ে সেইবোৰ আহাৰ হিচাপে গ্ৰহণ কৰিব আৰু আন প্ৰাণীক উপকাৰ কৰা বাবে মৃতকৰ নিজৰো পুণ্যপ্ৰাপ্তি হয় বুলি বিশ্বাস। অৱশ্যে মৰাশটো দাহন কৰা হ'ব নে কাটি টুকুৰাটুকুৰ কৰি নৈৰ পানীত উটুৱাই দিয়া হ'ব সেইটো মৃতকৰ ইচ্ছাৰ ওপৰতো নিৰ্ভৰ কৰে। মৃতকে মৃত্যুৰ আগমুহূৰ্তত ঘৰৰ মানুহক তেওঁৰ মৃত্যুৰ পিছত মৃতদেহটো দাহন নাইবা কাটি পানীত উটুৱাই দিবলৈ কৈ যাব পাৰে। সেইমতে ঘৰৰ মানুহে লামাক মৃতকৰ ইচ্ছাৰ কথা কলে মৃতকে কোৱা মতে সৎকাৰৰ ব্যৱস্থা কৰে।

মৃতকৰ সৎকাৰ পদ্ধতিৰ বিষয়ে শুনি আমি যিদৰে আচৰিত হৈছিলোঁ — ঠিক তেনেদৰে আমি আচৰিত হৈছিলোঁ মন্‌পাসকলৰ অতিথি পৰায়ণতাত। আমি পিয়লৰ বাবে ঘৰৰ সন্মুখত উপস্থিত হোৱাৰ লগে লগে আথেবেথে ঘৰৰ ভিতৰলৈ লৈ গৈছিল আৰু আপেল, চাহ আদিৰে আপ্যায়িত কৰিছিল। গাঁওখনৰ অঞ্চল সমিতিৰ সদস্যা শ্ৰীযুতা চেতন দ্ৰামাৰ মাতৃসুলভ স্নেহে আমাক আপ্লুত কৰিছিল। তেখেতৰ ঘৰত আমাক আলহী হিচাপে ৰাখিব নোৱৰাৰ বাবে (ঘৰ মেৰামতিৰ কাম চলি আছিল) আক্ষেপেৰে আমাক কৈছিল 'অহাবাৰ আহিলে যেন পোনে পোনে মোৰ ঘৰলৈ আহে।'

সঁচাই বিচিত্ৰ এই মন্‌পাসকল। আমি চেৰা গাওঁবাসীৰপৰা বিদায় লৈ এটা ভাৰাক্ৰান্ত মন লৈ উভতিছিলোঁ ঘৰ অভিমুখে।

দুধনৈ মহাবিদ্যালয় আলোচনী, সপ্তম সংখ্যা ১৯৮৯-৯০ চন

১। প্ৰয়াত ৰাজুৰাভা দুধনৈ মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদক আছিল। (১৯৮৯-৯০ চন)

২। প্ৰাক্তন ছাত্ৰ গৌতম নাথ, এজন সফল ব্যৱসায়ী

(দুধনৈ মহাবিদ্যালয় আলোচনী, সপ্তম সংখ্যা ১৯৮৯-৯০ চন)

# গোৱালপৰীয়া লোকগীত আৰু লোকসংস্কৃতি

শ্ৰীদীপাঙ্ক কুমাৰ নাথ

অসমৰ একেবাৰে পশ্চিম প্ৰান্তত থকা জিলাখনৰ মানুহবোৰে অসমীয়া কৃষ্টি সভ্যতা ৰক্ষা কৰি সমস্বৰে আজিও 'আমৰা গোৱালপৰীয়া' বুলি গৌৰৱবোধ কৰিছে। আজি গোৱালপাৰা জিলাখন গোৱালপাৰা, ধুবুৰী, কোকৰাঝাৰ, বঙ্গাইগাঁও নামেৰে চাৰিখন জিলাত পৰিণত হৈছে যদিও তেওঁলোকৰ মাজত সামাজিক বান্ধোন একেদৰে আছে। ভৌগোলিক সীমাৰেখাই বিভিন্ন প্ৰশাসনিক ক্ষেত্ৰত আয়ত্তাধীন কৰিলেও এই লোকসকলক অজিও বিচ্ছিন্ন কৰিব পৰা নাই। এই লোকসকল অভিন্ন আৰু পৰস্পৰৰ মাজত এক গাঢ় সম্পৰ্কজড়িত "আমৰা গোৱালপৰীয়া"।

গোৱালপাৰা জিলা লোকগীতত চহকী। সংগীত দুই প্ৰকাৰৰ মাৰ্গ আৰু দেশী; এই লোকগীত হৈছে — Narrative folk song বা Ballad এইবোৰ পুৰণি কালৰ পৰাই মানুহৰ মুখে মুখে চলি আহিছে। বাৰে বৰণীয়া বৈচিত্ৰ্যময় কলা-কৃষ্টিৰে পৰিপূৰ্ণ অসমীয়া সংস্কৃতিৰ বৰলুইতখনিত গোৱালপৰীয়া লোকসংস্কৃতিৰ অৱদান যথেষ্ট গুৰুত্বপূৰ্ণ। বিশেষকৈ সংগীতৰ ক্ষেত্ৰত গোৱালপৰীয়া লোকগীতৰ যি ব্যৱহাৰিক প্ৰাচুৰ্য্য, যি গুণগত প্ৰমূল্য ই অসমৰ সংগীতৰ জগতত সগৌৰৱে বিশিষ্ট স্থান পোৱাৰ যোগ্য।

ধৰ্মীয় সংস্কাৰ, পূজা-পাতল, সকাম-নিকাম, বিভিন্ন উৎসৱ, ৰং-ৰহইচ, তিথি আদি সকলো ক্ষেত্ৰতে গোৱালপৰীয়া জনজীৱনত এই লোকগীতবোৰৰ প্ৰভাৱ অপৰিসীম। অনুষ্ঠান অনুসৰি এইবোৰৰ প্ৰচলন বিভাগ আৰু প্ৰয়োগ ৰীতি মন কৰিবলগীয়া। সংগীতবোৰৰ উপস্থাপনবিধি আৰু নাট্যাভিনয় সংযোজন কৌশল সম্পূৰ্ণ সুকীয়া। লোক সংগীতবোৰ যেনে তেনে দেহতত্ত্ব মূলক। লোকগীতবোৰ, পৰিবেশন কালত ভালদৰে শুনিলে শ্ৰোতাই গোৱালপৰীয়া লোকৰ আৰ্থ সামাজিক অৱস্থা, ধৰ্মভাৱ, জনবিশ্বাস আদিৰ এটা প্ৰাঞ্জল ৰূপ পাব পাৰে।

গীত — অ, জীৱন ৰে, জীৱন চাৰিয়া নাযান মোৰে
তুই জীৱন চাৰিয়া গেলে আদৰ কৰিবে কায় জীৱনৰে।।
ধান কাটে নেুৰা ভাইৰে (যেমন) কাটিয়া ছাৰে নাৰা।।
তুই জীৱন চাৰিয়া গেলে লোকে ক'ব মৰা জীৱনৰে।।
কচুপাতেৰ পানী যেমন ৰে জীৱন টলমল, টলমল কৰে।
ঐমত মানুষেৰ দেহ কখন ঢলিয়া পৰে জীৱনৰে।।

ইয়াত সমাজৰ এটি চিত্ৰময় বৰ্ণনা নিভাঁজ ৰূপত প্ৰকাশ পাইছে। যত পূৰ্বঠ অভিজ্ঞতাৰ স্বাক্ষৰ পোৱা যায়।

আন এক সুৰধ্বনিত শুনিবলৈ পোৱা যায় — গীত — "দিনে দিনে খসিয়া পৰিবে ৰঙিলা দালানেৰ মাটি, "দিন তোৰ চাৰি ভবেৰ মায়া" আদি — দেহতত্বৰ প্ৰাঞ্জল ৰূপ। তদুপৰি এইবোৰ লোকসংগীতত গোৱালপৰীয়া জনজীৱনৰ নৈতিক চেতনা, ধৰ্মীয় বিশ্বাস, আৰু ঈশ্বৰ বিশ্বাস আদিৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয়। সংস্কৃতিৰ গাঁঠনিয়েই যিহেতু লোকসমাজৰ জীৱনযাত্ৰাৰ চিত্ৰক নিভাঁজ আৰু জীৱন্ত ৰূপত প্ৰতিভাত কৰে, সেয়েহে ভাষা সাহিত্যত লোকগীতৰ মূল্য ইমান বেছি। তদ্ৰুপ গোৱালপৰীয়া লোকসমাজৰ বিচিত্ৰ সাংস্কৃতিক পৰম্পৰাই জীৱন্ত ৰূপত প্ৰতিবিম্বিত হৈছে ইয়াৰ লোকগীতবোৰৰ মাজেৰে।

গোৱালপাৰা বোলা শব্দৰ অৰ্থই এক বিশেষ বৃত্তিধাৰী সম্প্ৰদায়ৰ লোকৰ কথাকে বুজায়। নৃতাত্বিক অনুসন্ধানেও একালত এইখন গোৱালপাৰাত দুগ্ধ ব্যৱসায়ী, গো-মহিষপালক, গোৱাল বা মৈশাল সকলৰ থকা বিশেষ আবাসিক এলেকাৰ সিদ্ধান্তৰ কথাৰ ইঙ্গিত দিয়ে।

মৈশালক উদ্দেশ্য কৰি গোৱাগীত :—

উজান খাইল মেঘ মেঘালীৰে — মৈশাল দক্ষিণ খাইল বানে। কুন বাথানে চাকৰি কৰুন বিদায় কেনে মৈশালৰে মৈশালৰে মৈশাল বাথান কৰলেন বাৰী যুৱা নাৰী ঘৰে থৈয়া কায় কৰে চাকৰি মৈশালৰে।

ঠিক তেনেদৰে হাতী ব্যৱসায়ৰ লগত জড়িত মাহুত বা মাউত, ফাণ্ডী, ঘাচী অৰ্থাৎ যোগালী আদি কেন্দ্ৰ কৰি সৃষ্টি হোৱা কাহিনী কিংবদন্তী আৰু গীতবোৰ হৈছে গোৱালপৰীয়া লোকগীতবোৰৰ এটি গুৰুত্বপূৰ্ণ সমল। হাতীধৰা ব্যৱসায়ৰ সৈত জড়িত ফাণ্ডী, মাউত আৰু যোগালীসকল আজিও ভালেখিনি সক্ৰিয় হৈ আছে। অসম, মেঘালয় আৰু উত্তৰ বংগৰ ভালেমান ঠাইত

আজিও হাতী ধৰা হয়। ফাণ্ডী, মাউত আৰু যোগালীবোৰে বিভিন্ন নিজস্ব কৌশল খটুৱাই শিৰিৰ পাতি হাতী ধৰা কাম সম্পন্ন কৰে। অইন ঠাইৰ শিবিৰবোৰত যি প্ৰক্ৰিয়াকেই অৱলম্বন নকৰক কিয় গোৱালপাৰাৰ মাউত, ফাণ্ডীৰ ক্ষেত্ৰত কিন্তু এই যাদুৰ বহুখিনিয়েই সংগীত মিশ্ৰিত। নতুন হাতী বশ কৰাৰ পৰা আৰম্ভ কৰি নিজৰ মনোৰঞ্জনৰ বাবেও অনেক গীত গোৱা হয় এই শিবিৰবোৰত। গুৱাহাটী বিশ্বাবিদ্যালয়ৰ লোকসংস্কৃতি বিভাগৰ ৰীডাৰ ডঃ বীৰেণ দত্তৰ মতে — "এই গীতবোৰত ব্যক্ত হৈছে হাতীৰ প্ৰতি থকা মাউত ফাণ্ডীৰ অন্তৰৰ প্ৰত্যক্ষ আবেদন, বন্যপ্ৰাণী আৰু অৰণ্যৰ কুহকে নিজ ঘৰৰ পৰা টানি অনা মাউত ফাণ্ডীৰ পাৰিবাৰিক জীৱনৰ কৰুণ পৰিবেশ, প্ৰবাসী মাউতৰ পৰকীয়া প্ৰেমৰ ৰসঘন কাহিনী"।

হাতী ধৰিবলৈ যাওঁতে সাধাৰণতে ঘৰৰ গৃহিনী অৰ্থাৎ প্ৰণয়িণী শংকিত হৈ পৰে। গীতৰ মাজেৰে মাউতক সোধে — "তোমৰা গেইলে কি আসিবেন অ মোৰ মাহুত বন্ধুৰে?" হাতীৰ লগত মানুহৰ আত্মীয়তা বিচাৰি গোৱা এটি বিখ্যাত গোৱালপৰীয়া লোকগীত :—

হস্তীৰ কন্যা হস্তীৰ কন্যা বামুনেৰ নাৰী —
খাথায় নিয়া তাম কলসী অ সখী হাতে সোনাৰ
ঝাৰী।
সখী অ, মোৰ হায় হস্তীৰ কন্যাৰে —
খাণিকো দয়া নাই তোৰ মাহুতক লাগিয়াৰে।
... ... ...

প্ৰেম পীৰিতি হৈছে মানুহৰ সহজাত গুণ। গোৱালপৰীয়া লোকগীতবোৰত এনে নিভাঁজ প্ৰেমৰ মনোজ্ঞ স্বাক্ষৰ পোৱা যায়।

গীত :— প্ৰেম জানিনা ৰসিক কাল চান্দ সদায়
ঝাৰিয়া থাকে মন
কত দিনে বন্ধুৰ সংগে হবে দৰিশন বন্ধুৰে।।
অ বন্ধুৰে তোমাৰ বাৰী আমাৰ বাৰী
যাওঁৱা আসা অনেক দেৰী —
... ... ...

এই গীতটোত মানবীয় প্ৰেমৰ আকুলতা মনোমহা ৰূপত প্ৰকাশ পাইছে। এনেকুৱা বহুত ধৰণৰ গোৱালপৰীয়া লোকগীত গোৱালপাৰা অঞ্চলৰ লোকসংস্কৃতিক কেন্দ্ৰ কৰিয়ে ৰচনা হৈছে। ইয়াৰ উপৰিও বহুতো ফকৰা-যোজনা (নামে গগণ ফাটে, হাড়িৰ ভাত কুত্তায় চাটে; চোৰেৰ বেটিৰ যিয়ে পাথাৰেৰ গৰু দান) নিচুকণি গীত আৰু খুহুতীয়া কথা কিছুমানো গোৱালপাৰা জিলাত সিঁচৰতি হৈ আছে। কিছুমান শব্দ আছে যিবিলাকে অসমীয়া সাহিত্যৰ শব্দ সম্ভাৰ বহুখিনি বৃদ্ধি কৰিব পাৰে, যেনে —

টনটনা - পোন
উৰাংপাৰাং - চঞ্চলতা। ইত্যাদি —

এনেবোৰ শব্দই আমাৰ মাজত ঐক্য-সম্প্ৰীতিৰ এনাজৰী অটুট ৰখাত প্ৰভূত সহায় কৰে।

(দুধনৈ মহাবিদ্যালয় আলোচনী, সপ্তম সংখ্যা, ১৯৮৯-৯০ ত প্ৰকাশিত)

(লেখক বৰ্তমান সদৌ অসম ছাত্ৰসন্থাৰ শিক্ষা আৰু সাংস্কৃতিক সম্পাদক)

# দুধনৈৰ অঞ্চলৰ ভৌগোলিক ৰূপ-ৰেখা

ত্ৰৈলোক্য চন্দ্ৰ তালুকদাৰ

**পাতনি ঃ**

বৰ্তমান গোৱালপাৰা জিলাৰ ধূপধৰাৰ পৰা পশ্চিমে কৃষ্ণাই নৈলৈকে আৰু উত্তৰ ব্ৰহ্মপুত্ৰ নৈৰ দক্ষিণ পাৰৰ পৰা পূৱ গাৰো পাহাৰ সীমালৈকে বিশাল অঞ্চলটো দুধনৈ অঞ্চল নামে পৰিচিত। বৃটিছ শাসনকালত এই গোটেই অঞ্চল দুধনৈ থানাৰ অন্তৰ্ভূক্ত আছিল।

"অতীজৰ প্ৰভাৱশীল কোচ ৰাজন্যবৰ্গৰ বংশধৰ বিজনী ৰজাসকলৰ অধীনত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত গোৱালপাৰা জিলাৰ এই বিৰাট অঞ্চল হাবৰাঘাট পৰগণা নামে পৰিচিত হৈছিল।"[১] এই পৰগণাৰ হাব্ৰাঘাটে (বৰ্তমানৰ কৃষ্ণাই) এসময়ত উচ্ছমানৰ সভ্যতাৰ পৰিচয় দিছিল। কিছুমান গাঁওক লৈ একোখন মৌজা আৰু কেইটামান মৌজাকলৈ একোখন দিহি গঠন কৰা হৈছিল। বৃটিছ আমোলত কৃষাই দামৰা, দলগোমা, বিকালী আদি কেইখনমান দ্ৰিহিৰে হাবৰাঘাট পৰগনা পুনৰ গঠিত হৈছিল। জাখিলি, সিধাবাৰী, দুধনৈ, দৰংগিৰি, ৰংজুলি, ধনুভাঙা আৰু বিকালী, অই ৭ খন গাওঁপঞ্চায়তৰ লগত দলগোমা, সূৰ্যগিৰি আৰু কৃষ্ণই গাওঁপঞ্চায়তৰ লগলাগি আগৰ হাবৰাঘাট পৰগনা।[২]

গোৱালপাৰা জিলা ১৭০০ শতিকাৰ প্ৰথম ভাগৰপৰাই ১৯৫৬ চনলৈকে জমিদাৰী আছিল। সেইসময়ত যোগাযোগৰ অসুবিধাৰ বাবে বিজনীৰ ৰজাসকলে কৰা শাসন, উপনিবেশিক শাসনৰ লেখীয়া বুলি গন্য কৰিব পাৰি। কাৰণ, বিজনীৰ ৰজাসকলে ৰাজহ আদায়তহে গুৰুত্ব দিছিল। ৰজাৰ আশীৰ্বাদ ধন্য কোনো অনুষ্ঠানেই এই অঞ্চলত পোৱা নাযায়। সেয়েহে এই অঞ্চলটিৰ মুঠেই উন্নতি নঘটিলে। মাথো দেৱোত্তৰ আৰু পীৰপাল মাটিদানেৰে সৰল হাব্ৰাঘটীয়া প্ৰজাক প্ৰবঞ্চনা কৰিছিল।

**দুধনৈ নামৰ উৎপত্তি ঃ**

দুধনৈ নামৰ উৎপত্তি সম্বন্ধে নানাজনে নানা মত পোষণ কৰে। যেয়েই নহওক, গোৱালপাৰা নামৰ উৎপত্তিৰ কিম্বদন্তিৰ পম খেদি দুধনৈ শব্দই গাখীৰৰ (দুধ) লগত সম্বন্ধৰ কথাকে সূচায়। ১৮২৬ চনৰ আগলৈকে এই অঞ্চল হাব্ৰাঘাট নামেৰেই পৰিচিত আছিল। কিম্বদন্তী অনুসৰি এই অঞ্চলৰ প্ৰথম ৰজা (গাৰো) এব্ৰাচেন (Abrasen) বা হাব্ৰাচেনে (Habrasen) বৰ্তমানৰ টুক্ৰেশ্বৰীক ৰাজধানী হিচাবে লৈ ৰাজ্য চলাইছিল। পিচলৈ তেওঁৰ অনুচৰবৰ্গই ৰাজধানী দাকাইদললৈ তুলি নিয়ে। তেওঁৰেই নাম অনুসৰি এই ঠাইৰ নাম হাব্ৰাঘাট হয়। সেইসময়ত এই অঞ্চলৰ প্ৰসিদ্ধ নৈ হাব্ৰি আছিল একমাত্ৰ যোগাযোগৰ সমল; কিন্তু কালৰ গতিত ই নিশ্চিহ্ন হোৱাৰ পথত; বৰ্তমান ই এটা সৰু সুঁতি হৈ বৈ আছে। 'হাৱাৰ' শব্দৰ পৰা হাব্ৰাঘাট হ'ল বুলি কিছুমানে কব খোজে। দুধনৈ নামৰ উৎপত্তি কিম্বদন্তী মতে এনে ধৰণ-পুৰণি কালত কোটা-নাংগ্ৰিপা, (Kota Nargrepa) ৰিংগা ডাজিপা (Ringga-Dajepa) নামৰ গাৰো মূখীয়াল লোক এজনে বৰ্তমানৰ ডাইনাডুবি আৰু ডামৰাৰ দাঁতিকাষৰীয়া অঞ্চলত শাসন চলাইছিল। তেওঁৰ ৰাজধানী আছিল মিয়াকগ্ৰী (Meakgre) এইজন গাৰো মূখীয়ালৰ বিশেষ বৈশিষ্ট্য হ'ল তেওঁ খাজনা হিচাবে তলতীয়া শ্ৰেণীৰ পৰা টকাৰ পৰিবৰ্তে গাখীৰ লৈছিল। ডিৰাবৰগুৱা আৰু বাছন্‌গালুৱা নামৰ দুজৰ জোৱায়েক ৰাজহ আদায়ৰ দায়িত্বত আছিল। আদায় হোৱা ৰাজহ খোৱাৰ পৰিবৰ্তে তেওঁলোকে খেতিপথাৰত পেলাই দিছিল আৰু পেলাই দিয়া গাখীৰবোৰ ক্ৰমে খেতিপথাৰৰ পৰা বৈ গৈছিল। এই বৈপৰা গাখীৰৰ সুঁতিৰ পৰাই বৰ্তমানৰ দুধনৈৰ উৎপত্তি বুলি গাৰোসকলে ক'ব খোজে। নদীৰ নামৰ পৰা এই অঞ্চলৰ নাম দুধনৈ হ'ল।[৩]

আন এটা কিম্বদন্তী মতে দৈমাগেদনী, দৈমাডেওধনী, শব্দৰ পৰা দুধনৈ নামৰ উৎপত্তি হোৱা বুলিও বহুতে কয়।

ওপৰৰ কথাখিনিৰ পৰা এইটো স্পষ্ট যে গাৰোসকল এই অঞ্চলৰ প্ৰথম অধিবাসী আছিল। কিছুমান মূখ্যব্যক্তি আঞ্চলিক প্ৰাধিকাৰী আছিল। সেইসকলৰ বিশেষ ৰাজকীয় চিনচাব পোৱা নাযায়।

**চমু বুৰঞ্জী ঃ**

মহাৰাজ নৰনাৰায়ণৰ সময়ৰ পৰাই এই অঞ্চল কোচৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। শ্ৰীঅম্বিকাচৰণ সৰকাৰৰ মতে, হাব্ৰাঘাট নামৰ নায়ক ৰজাহাব্ৰা চিলাৰায়ৰ এজন সেনাধ্যক্ষ। "বীৰ চিলাৰায়ে বঙাইগাওঁৰ বীৰঝোৰাত অৱস্থান কৰি থকাৰ সময়তে হাব্ৰানামৰ এজন বীৰপুৰুষক সেনাধ্যক্ষ পাতি ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ গাৰো বিলাকৰ দৌৰাত্ম্যৰ পৰা নিজৰাজ্যক নিৰাপদে ৰাখিছিল। সেই অঞ্চলেই আজিৰ হাব্ৰাঘাট অঞ্চল।[৪]

মিৰ্জানাথনে লিখা 'বাহাৰিস্তান-ই-গাইৰী'ত ১৮ জন মূখ্য সামন্ত স্বেচ্চাচৰী

শাসক বুলি ক'ব পাৰি। কিয়নো তেখেতৰ শাসনত অতিষ্ঠ হৈ তেওঁৰ প্ৰজাবৰ্গই তেখেতক পৰাস্ত কৰি, পিচত কাটি ডোখৰ ডোখৰ কৰি নৈত উটাই দিয়া ঘাইটোক হাব্ৰাঘাট (কৃষ্ণাই) বুলি কোৱাৰ থল আছে। ১৬১৯খৃঃত মোগল সেনাধ্যক্ষ মিৰ্জানাথানৰ দ্বাৰা দক্ষিণকুল বিজয়ৰ বুৰঞ্জী এই অঞ্চলৰ ইতিহাসৰ একমাত্ৰ সমল। সেইসময়ত ৰংদান, আমজোঙা, ৰংজুলি দুৰ্গলৈকে পৰশুৰামে যুদ্ধ চলাইছিল বুলি উল্লেখ আছে। এই যুদ্ধত মামুগোবিন্দই সহযোগ কৰি যুঁজিছিল।[৫] পৰশুৰামক, তেতিয়াৰ ৰাভাজাতিৰ মুখ্য প্ৰশাসক বুলি অনুমান কৰা হয়। সুমৰেড় কাইথ আছিল সেই সময়ৰ ৰংজুলিৰ মুখ্য সামন্ত।

১৬৩৯ খৃঃত আহোম মোগল সন্ধিমতে এই অঞ্চল বিজনী ৰজাৰ অধীনত আছিল। বিজিত নাৰায়ণ বিজনী ৰাজ্যৰ প্ৰতিষ্ঠাতা।

১৬৫৭ খৃঃৰ শেষৰ ফালে কোচবিহাৰৰ ৰজা প্ৰাণনাৰায়ণে মোগলৰ হাতৰ পৰা এই অঞ্চল তেওঁৰ ৰাজ্যৰ তলতীয়া কৰি লয়। ১৭৬৫ খৃঃৰ পৰা বিজনী ৰাজ্য কোম্পানীৰ হাতলৈ যায়। হাব্ৰাঘাট পৰগনা বৃটিছ ৰাজত্বৰ সময়ত চিৰস্থায়ী বন্দোবস্থৰ দ্বাৰা স্বীকৃত কৰা হৈছিল। ১৮৪৯ চনৰ পৰা ১৮৫৩ চনলৈ জন্ কেলছই (John Kelso) জৰিপ সম্পন্ন কৰি সম্পূৰ্ণৰাজ্য ক্ষেত্ৰৰ মানচিত্ৰ প্ৰস্তুত কৰি ১৪টা পৰগনাত ভাগ কৰে। ১৮৭৩-৭৫ খৃঃ ভিতৰত, মেজৰ মেকডোনাল্ড (Major Mc Donald) এ এই পৰগনাবিলাক পুনৰীক্ষণ কৰে আৰু ১৪ খন মানচিত্ৰ প্ৰস্তুত কৰে। এই জৰিপকেই এতিয়ালৈকে শুদ্ধ বুলি গ্ৰহৰ কৰি অহা হৈছে।[৬]

বুৰঞ্জীৰ পাতত এই অঞ্চলৰ প্ৰজাসকলক 'দুখবাসীপ্ৰজা' বুলি উল্লেখ আছে। প্ৰকৃত অৰ্থত যিসকল লোক জমিদাৰৰ তলত মাটি খাই টকাৰ পৰিবৰ্তে খাজনা হিচাবে কিছুমান সেৱা আগবঢ়াইছিল; সেইসকলোকে 'সুখবাস' প্ৰজা বোলা হৈছিল।[৭] এইটো ঠাৱৰ কৰা হৈছে যে এই অঞ্চলৰ প্ৰজাই সেনাবাহিনীৰ দায়িত্ব লৈ ৰজাৰ প্ৰতি সেৱা আগবঢ়াইছিল। স্বাধীনতাৰ পিচতো ১৯৫৬ খৃঃত বিজনী ৰাজ্য অধিগ্ৰহনৰ আগলৈকে হাব্ৰাঘটীয়া প্ৰজাই এই সন্মান লাভ কৰিছিল। বিজনী ৰাজ ইষ্টেট ১৯৫৬ চনৰ ১৪ এপ্ৰিল তাৰিখে চৰকাৰে অধিগ্ৰহণ কৰে। তেতিয়াৰপৰা এই অঞ্চল চৰকাৰৰ প্ৰত্যক্ষ সংস্পৰ্শলৈ আহে। বৰ্তমান ৰাজহ বিভাগৰ নিয়মৰ পৰিবৰ্তন ঘটাত এই অঞ্চল ৰংজুলি, দুধনৈ, মাটিয়া আদি চক্ৰৰ ভিতৰুৱাহৈ পৰে।

**বৰ্তমানৰ দুধনৈ ঃ**

১৯৬৩ চনত দুধনৈ ট্ৰাইবেল ডেভেলাপমেণ্ট ব্লকৰ জন্ম হয়। তেতিয়াৰ দুধনৈ থানৰ অন্তৰ্গত গাওঁবোৰক লৈ দুধনৈ অঞ্চল গঠিত হয়। পূবে ধুপধৰাৰ পৰা পশ্চিমে কৃষ্ণাই নৈলৈকে, আৰু দক্ষিণে পূৰ গাৰো পাহাৰৰ নামনিৰ পৰা ব্ৰহ্মপুত্ৰ নৈ লৈকে এই বৃহৎ অঞ্চলক সামৰি দুধনৈ অঞ্চল গঠিত হৈছে। অঞ্চলটোৰ মাটি কালি প্ৰায় ৬৪৭।৫ বৰ্গ কিলোমিটাৰ। ১৯৯১ চনৰ লোকপিয়ল অনুসৰি জনসংখ্যা ২,০৮,৮৫৩ জন। লোকবসতিৰ ঘনত্ব প্ৰতি বৰ্গকিলোমিটাৰত ৩২৩ জন। ইয়াৰ উত্তৰত ব্ৰহ্মপুত্ৰনৈৰ সৈতে মাটিয়া ৰাজহচক্ৰ পূবে কামৰূপ জিলা। পশ্চিমে ব্লক আৰু দক্ষিণে মেঘালয়ৰ পূৰ গাৰোপাহাৰ জিলা।

**প্ৰাকৃতিক গঠন ঃ**

ই অসম উপত্যকাৰ এটা ক্ষুদ্ৰ অংশ। ৰাজ্যৰ বাকী অংশৰ দৰে এই অংশও অতি উৰ্বৰ ভূমিৰে গঠিত। মাটিৰ দক্ষিণৰ পৰা উত্তৰলৈ পুৰণি পলসুৱা মাটিৰ পৰা আৰম্ভ কৰি ব্ৰহ্মপুত্ৰ নৈ লৈ ক্ৰমে নতুন পলসুৱা মাটি পোৱা যায়। অঞ্চলটো ক্ৰমে গাৰোপাহাৰৰ পৰা উত্তৰলৈ এঢলীয়া বাবে নৈবোৰ এই অঞ্চলৰ মাজেৰে প্ৰবাহিত হৈ ব্ৰহ্মপুত্ৰত পৰিছেগৈ।

গোটেই অঞ্চলটোক তিনিটা সূক্ষ্ম ভূ-প্ৰাকৃতিক ভাগত ভাগ কৰিব পাৰি ঃ

১। দক্ষিণৰ শৈলপাদদেশ অঞ্চল — পূৰ গাৰোপাহাৰ জিলাৰ উত্তৰৰ পাদদেশত এই অঞ্চল অৱস্থিত। অৱক্ষেপনৰ দ্বাৰা সৃষ্টি হোৱা এই অঞ্চল অটব্য শাল গছেৰে ভৰপুৰ।

২। মধ্যভাগৰ সমভূমি অঞ্চল — এই অঞ্চল শৈলপাদদেশৰ উত্তৰত অৱস্থিত অসমান, পুৰণি পলসুৱা মাটিৰে গঠিত এই অঞ্চল ঠেক। মাজে মাজে পুণিশিলাৰে গঠিত চাপৰ পাহাৰৰ শাৰী দেখা যায়। শালগছৰ অৰণ্যৰ মাজে মাজে সৰু ধাননি পথাৰ দেখা যায়।

৩। চিৰপ্লাৱন ভূমি অঞ্চল — মধ্য সমভূমিৰ একেবাৰে উত্তৰ প্ৰান্তৰ অতি ঠেক ভূ-ভাগ এই অঞ্চলৰ ভিতৰুৱা ! তুলনামূলকভাৱে চাপৰ এই অঞ্চল নতুন পলসুৱা মাটিৰে গঠিত।

**পাহাৰ আৰু নদী ঃ**

পুৰণি পাতালীক শিলাৰে গঠিত, মেঘালয় মালভূমিৰ লগত মিল থকা চাপৰ পাহাৰ এই অঞ্চলত দেখা যায়। বুদলুং (২০০ মিঃ) দাব্লি (১৪৩ মিঃ) গণেশ পাহাৰ (২২৫ মিঃ) চুটিয়া (১৭৫ মিঃ) আৰু ৰাক্ষশিনি (২০২ মিঃ)

এই অঞ্চলত নদীৰ সংখ্যা তাকৰ। আটাইবোৰ নৈ গাৰোপাহাৰৰ পৰা ওলোৱা। পূবৰ পৰা পশ্চিমলৈ ক্ৰমে দেওঁশিলা, ভালুকজুলি, কৰনৈ, ৰংৰংঙা, হাব্ৰী, দুধনৈ আৰু ডনডলনা। কালপানী আৰু ফুলনৈ চুটি আৰু মধ্যভাগৰ সমভূমি অঞ্চলতেই ইহঁতৰ উৎপত্তি।

ইয়াৰ উপৰিও এই অঞ্চলত বহুতো সৰুবৰ বিল আৰু জলাশয় আছে। এই জলাশয় সমূহ কিছুমান পাদদেশ আৰু মধ্যসমতলভূমিৰ সন্ধিস্থলত, আৰু কিছুমান মধ্যসমতল আৰু চিৰপ্লাৱিত অঞ্চলৰ সন্ধিস্থলত হৈ আছে।

সৰুবৰ বিল আৰু জলাশয়ৰ ভিতৰত শিলডুবি, টপলাখোৱা, নাইটাৰা, টেটাৰা, শুকৰাচক, ধলা, হাছিলা, ৰংৰং, দৰখ, ৰংডোবা, পুৰণিভিটা, ডাকুৱামাৰি, কুমৰী, দীঘলডুবি, বৰকলী প্ৰধান। ইয়াৰ ভিতৰত কুমৰীয়ে ২.৫৯ বৰ্গ কিলোমিটাৰ ঠাই আগুৰি আছে।

**জলবায়ু আৰু মাটি ঃ**

এই অঞ্চলৰ জলবায়ু গৰম আৰু সেমেকা। ১৯৭১ চনৰ হিচাবমতে এই অঞ্চলৰ সৰ্বনিম্ন আৰু সৰ্বোচ্চ বাৰ্ষিক গড় উষ্ণতা ক্ৰমে ৫.৯° চেঃ গ্ৰেঃ আৰু ৪০° চেঃ গ্ৰেড। গ্ৰীষ্মকালত বৰষুণ মাত্ৰধিক। শীতকাল প্ৰায় বৃষ্টিহীন। বাৰ্ষিক বৃষ্টিপাতৰ গড় হাৰ ১৯৩০ চনৰ পৰা ১৯৮০ চনৰ ভিতৰত (৫০ বছৰৰ গড়) প্ৰায় ২৩৫৭.৫ চেঃ মিঃ। তথ্যমতে এই অঞ্চলৰ ডামৰাত ১৯৮৬ চনৰ জুলাই মাহৰ বৃষ্টিপাত আছিল ৩৫৪.৩ চেঃ মিঃ। ডিচেম্বৰ মাহত গড় বৃষ্টিপাতৰ পৰিমাণ আছিল ০.৩ চেঃ মিঃ।

দুধনৈ অঞ্চলৰ মাটিৰ লৱণতাৰ গুণ বেছি ($P^H = 6$) 1 তিনিশ্ৰেণীৰ মাটি প্ৰধানকৈ এই অঞ্চলত পোৱা যায় ঃ ১। বালিমাটি, ২। নতুন পলসুৱামাটি আৰু ৩। পুৰণি পলসুৱামাটি। সাধাৰণতে ইয়াৰ মাটিৰ ৰং ৰঙচুৱা। পিতনী আৰু জলাশয়বোৰত কলামাটি দেখা যায়। ইয়াৰ ১/৬ অংশ মাটিত খেতি কৰিব পৰা যায়। বাকীখিনি মূখ্যতঃ পাহাৰ আৰু গছগছনীৰে ভৰা।

গোৱালপাৰা জিলাৰ ভিতৰত তুলনামূলকভাবে এই অঞ্চলতেই সংৰক্ষিত বনাঞ্চল বেছি। ১৯৭১ তথ্য অনুসৰি মাথোন ৰংজুলি ৰেঞ্জতেই ৬১৭৩.৩৯ হেক্টৰ আৰু ২৮৮৮.৭১ হেক্টৰ মাটি ক্ৰমে সংৰক্ষিত আৰু অসংক্ষিত বনাঞ্চল। মুঠ বনাঞ্চলৰ সংখ্যা অসংৰক্ষিত ২২ খন আৰু সংৰক্ষিত ১৫ খন। এই হাবিবোৰত। পৰ্ণপাতী আৰু চিৰসেউজীয়া মূল্যবান গছ পোৱা যায়। শাল, চেগুন, শিশু, গামেৰী, তিতাচপা, খোকন, চিধা কৰৈ, পমা, আদি এই অঞ্চলৰ মূল্যবান গছ। বিভিন্ন জাতৰ কপৌফুল এই অঞ্চলৰ বিশেষ আকৰ্ষণ। জন্তুৰ ভিতৰত উল্লেখযোগ্য নাই বুলিবই পাৰি।

ভূমিগত জলৰাশিৰ প্ৰাচুৰ্য অধিক। উল্লেখযোগ্য খনিজ পদাৰ্থ নাই। অৱশ্যে ৰাক্ষশিনি পাহাৰৰ শিলাখণ্ডত লোৰ আকৰৰ সন্ধান পোৱা গৈছে।

**জনগোষ্ঠী ঃ**

গাৰো, ৰাভা, বড়ো আৰু কোচ আদি এই অঞ্চলৰ আদিম জনগোষ্ঠী। এই চাৰিটা জাতিৰ লোকেই এই অঞ্চলত মিশ্ৰিত ভাবে বসবাস কৰি আহিছিল। বিজনী ৰাজ্যৰ মহাফেজ ঁএম, মফিজুদ্দিন আহমেদ ডাঙৰীয়াই লিখা চিঠি এখনত এই অঞ্চলত মুছলমানৰ উৎপত্তিৰ ইতিহাসৰ ইংগিত পোৱা যায়। ইয়াত লিখা মতে "গাৰোবিলাকে মাজে মাজে বিজনী ইষ্টেটত (দক্ষিণপাৰৰ) উৎপাত কৰিছিল। সেইবিলাকৰ দমাই ৰাখিবৰ কাৰণে বিজনী ইষ্টেটৰ পৰাই কিছুমান লাঠিয়ালমানুহ ইয়ালৈ লৈ আহিছিল। সেইবিলাকৰ সতি-সন্ততি বাঢ়ি এই অঞ্চলৰ বৰ্তমানচাম মানুহৰ উৎপত্তি হৈছে।[৮] সেইসকল লোকৰ পৰাক্ৰমৰ প্ৰতি আনুগত্য দেখুৱাই সেইসময়ত ভালেমান ৰাভা, সুত্ৰধৰ, নাথপন্থৰ লোক ইছলামলৈ ধৰ্মান্তৰিত হৈছিল।

১৮৬৬ চনত ইংৰাজসকলে পূব-দুৱাৰ আৰু গোৱালপাৰা জিলাক একেলগ কৰি কোচবিহাৰৰ অধিনলৈ আনে। সম্ভবতঃ তেতিয়াৰ পৰাই কিছুসংখ্যক নেপালীলোকৰ এই অঞ্চললৈ প্ৰব্ৰজন ঘটে।

১৯৩১ চনৰ পৰাই বেহাবেপাৰৰ চলেৰে কিছুসংখ্যক বঙলাভাষীলোক পুণৰ এই অঞ্চললৈ আহে, এইদৰে নানা জাতি উপজাতিত বসতিস্থল মৰ্তমানৰ দুধনৈ অঞ্চল এটা যেন সুন্দৰ নৃতাত্বিক সংগ্ৰহালয়।

১৯৯১ চনৰ লোকপিয়ল অনুসৰি এই অঞ্চলৰ জনসংখ্যা গাঁঠনি এনে ধৰণৰ — দুধনৈ চাৰ্কল (মুঠ জনসংখ্যা, ৬০,৫৭০ জন ; পুৰুষ - ৩০,৬৯৪ আৰু তিৰোতা-২৯৬৯৬ ; শিক্ষিত পুৰুষ - ১৭৬৮৩, মহিলা - ১৩,২৫৭; অনুসূচিত জাতি - পুৰুষ - ১০৯০ মহিলা-৯৯৩, অনুসূচিত জনজাতি-পুৰুষ - ১৩১৯৫, মহিলা - ১৩,২৭৬ জনী।

ৰংজুলি চাৰ্কল — মুঠ জনসংখ্যা-৭৯৪১৫; পুৰষ-৩৯৯৬৬, মহিলা ৩৮৪৪৯; শিক্ষিত পুৰুষ - ১৯৯৮০, মহিলা ১৩৮৫৫, অনুসূচিত জাতি পুৰুষ - ৫১৯৭, মহিলা-৫০৫৬, অনুসূচিত জনজাতি পুৰুষ — ১৩১৫৩, মহিলা-১২,৭৭৫।

কৃষি এই অঞ্চলৰ ৰাইজৰ মূল জীৱিকাৰ উপায়। অটাইবোৰলোকে গাওঁত বাস কৰে। হস্তশিল্পৰ বাহিৰে ইয়াত আন শিল্প গঢ়ি উঠা নাই। যাতায়াতৰ ব্যৱস্থা সুচল নহয় বাবে গোটেই অঞ্চলটো ৰাজ্যৰ বাকী অংশৰ তুলনাত পিছপৰা। স্কুল কলেজৰ সংখ্যাও যথেষ্ট নহয়। শিক্ষিতৰ হাৰ ৩১%(১৯৯১)।

১৯৯৩ চনত আঞ্চলিক পৰিকল্পনাৰ ভিত্তিত ১৭টা গাওঁপঞ্চায়তত ভাগ কৰা হয়। অদূৰ ভবিয্যতে এই পঞ্চায়ত সমূহৰ জৰিয়তে সংস্কৃতিৰ ৰংগমঞ্চ দুধনৈৰ আৰ্থ-সামাজিক উন্নয়নৰ হ'ব বুলি আশা কৰিব পাৰি।

প্ৰসঙ্গ পুথি —

১। খগেন্দ্ৰ নাথ, অভ্যৰ্থনা সমিতিৰ সভাপতিৰ ভাষণ, অসম, সাহিত্যসভাৰ উনত্ৰিংশ গোৱালপাৰা অধিবেশন ১৯৬১ চন।

২। নজৰুল ইছলাম : হাব্ৰাঘাট পৰগনা অতীত আৰু ঐতিহ্য, আগলতি : দুধনৈ অধিবেশন : অসম সাহিত্য সভা।

৩। M.S. Sangma : The Garo legendry Rular and wariors ; Journal of N.E. India Council for Social Science Research. 1994. vol. 18-1

৪। অম্বিকাচৰণ চৰকাৰ, ৰত্নপীঠত এভুমুকী।

৫। Dr. M.I. Borah, Bararistan-1-G, haybi

৬। The Assam Gazett, October 4, 1978, part 11.A.

৭। W.W. Hunter. A. Statistical Account of Assam.

৮। নজৰুল ইছলাম : হাব্ৰাঘাট পৰগনা অতীত আৰু ভবিয্যত, আগলতি, স্মৃতিগ্ৰন্থ, ৫৭তম দুধনৈ অধিবেশন, অসম সাহিত্য সভা, পৃষ্ঠা ২৪

*(শ্ৰী তালুকদাৰ দুধনৈ মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ প্ৰবক্তা)*

*(Souvenir, 19th Annual Conference, North-East India Geographical Society, 16th & 17th February, 1996)*

# "বিজ্ঞান, বৈজ্ঞানিক মানসিকতা আৰু ইয়াৰ প্ৰাসংগিকতা"

ড° তপন চন্দ্ৰ কলিতা

বিজ্ঞান বুলিলে সাধাৰণতে ৰসায়ন, পদাৰ্থ বিজ্ঞান, কাৰিকৰী তথা আভিযান্ত্ৰিক বিজ্ঞান, ভূবিজ্ঞান, জীৱ বিজ্ঞান, চিকিৎসা বিজ্ঞান আদিৰ কথাই মনলৈ আহে। এচাম ব্যক্তিয়ে আকৌ বিজ্ঞান বুলিলে সততে কোনো সন্ত্ৰাসবাদী কিম্বা যুদ্ধোন্মোদ ব্যক্তিয়ে ব্যৱহাৰ কৰা মাৰণাস্ত্ৰ, কাৰিকৰী বিজুতিৰ বাবে দুৰ্ঘটনাত পতিত হোৱা কোনো বৈজ্ঞানিক আবিষ্কাৰৰ আলমলৈ সমগ্ৰ বিজ্ঞানকেই হেয় প্ৰতিপন্ন কৰা দেখা যায়। তেনে লোকে পাহৰি যাব খোজে যে দৈনন্দিন জীৱন ধাৰণৰ সমস্ত কৌশল, আহিলা পাতি, ৰান্ধনী ঘৰৰ কেৰাহীখনৰ পৰা অত্যাধুনিক কম্পিউটাৰলৈ, খাদ্য, বস্ত্ৰ, ঔষধ, প্ৰসাধন সামগ্ৰী, মনোৰঞ্জন কিম্বা জ্ঞান আহৰণৰ বাবে ব্যৱহৃত সকলো ধৰণৰ সামগ্ৰীয়েই বিজ্ঞানৰ অৱদান। তাৰোপৰি অনেক (সকলো নহয়) সামাজিক পৰম্পৰা, ৰীতিনীতিৰ মাজতো যথেষ্ট বৈজ্ঞানিক ভিত্তি লুকাই আছে। অৰ্থাৎ বিজ্ঞান কেৱল যন্ত্ৰপাতি, কাৰিকৰী কৌশল কিম্বা শ্ৰেণীকোঠাত শিকোৱা বিষয় নহয়। তেনেহলে বিজ্ঞান নো কি? এই প্ৰশ্নৰ চমু আৰু সহজ উত্তৰ হ'ল — 'ই সকলো প্ৰকাৰৰ প্ৰণালীবদ্ধ অধ্যয়ন কৌশল তথা সত্য অন্বেষণৰ আহিলা। যুক্তি, পৰীক্ষা আৰু পুনৰ পৰীক্ষাৰ দ্বাৰা প্ৰাকৃতিক ঘটনাৰ লগত যি কোনো সমস্যা নাইবা পৰিঘটনাৰ তথ্যৰ প্ৰণালীবদ্ধ বিশ্লেষণকেই বিজ্ঞান বোলা হয়। বিজ্ঞান আৰম্ভ হৈছে তেতিয়াৰ পৰাই, যেতিয়াৰ পৰা আদিম মানৱৰ মগজুত চিন্তাৰ উদ্ৰেক হৈছিল আৰু ই অধিক ত্বৰান্বিত হয় বিগত তিনিটা শতিকাৰ ভিতৰত। বিজ্ঞান আৰু বৈজ্ঞানিক আৱিষ্কাৰ আজি মানৱ জীৱনৰ অংগাংগী। বোধ হয় এই কথাত কাৰো দ্বিমত নাথাকিব যে যি জাতি (দেশ) বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাত আগবঢ়া সেই জাতিয়েই আজি বিশ্বৰ দৰবাৰত উন্নত জাতি হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰিছে। মন কৰিবলগীয়া যে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা যি হাৰত আগবাঢ়ি গৈছে তাৰ তুলনাত আমাৰ দেশ তথা সমাজত বিজ্ঞানৰ পৰিবেশ নাই বা বিজ্ঞান সন্মত মানসিকতা গঢ়ি উঠা নাই। সমাজৰ অধিক সংখ্যক লোকেই অন্ধবিশ্বাস, কুসংস্কাৰৰ প্ৰভাৱৰ পৰা মুক্ত নহয়। এফালে বিজ্ঞানৰ ন ন আৱিষ্কাৰ আৰু উদ্ভাৱনে মানুহৰ জীৱন ধাৰণৰ মানদণ্ড উন্নতৰ পৰা উন্নততৰ পৰ্যায়লৈ লৈ গৈ আছে, আনফালে এচাম বৈজ্ঞানিক মানসিকতাহীন, স্বাৰ্থান্বেষী ব্যক্তিয়ে কিছু বৈজ্ঞানিক আৱিষ্কাৰৰ অপব্যৱহাৰ কৰি সমগ্ৰ মানৱ সভ্যতাৰ লগতে প্ৰকৃতিৰ ধ্বংস যজ্ঞত লিপ্ত হৈছে। সেয়ে বৰ্তমান সময়ত সকলোধৰণৰ সমাজ সচেতন ব্যক্তিৰে প্ৰাথমিক কৰ্তব্য হ'ল সমাজত বিজ্ঞান সন্মত মানসিকতা বৃদ্ধিত অৰিহণা যোগোৱা। কাৰণ বৈজ্ঞানিক মানসিকতা কেৱল বিজ্ঞান বা বিজ্ঞানীৰ সম্পদ নহয়। ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, শৈক্ষিক আদি সকলো ক্ষেত্ৰতেই ইয়াৰ প্ৰয়োগ আৰু প্ৰয়োজন অপৰিহাৰ্য্য। বিজ্ঞান সন্মত মানসিকতাই সকলো ধৰণৰ সমস্যা, পৰিঘটনাৰ পৰ্যবেক্ষণ, তথ্য সংগ্ৰহ, পৰীক্ষা, পুনৰ পৰীক্ষা আদিৰ জৰিয়তে পুংখানুপুংখ বিশ্লেষণ কৰি কি, ক'ত, কেনেকৈ আদি প্ৰশ্নৰ যথাযথ উত্তৰ নোপোৱালৈকে গ্ৰহণ নকৰিবলৈ শিক্ষা দিয়ে। এই মানসিকতা পুঞ্জীভূত জ্ঞান নহ'বও পাৰে। কিন্তু ই ডাঙি ধৰে এক জ্ঞান পিপাসু মনৰ পৰিচয়। ই মানুহক কৌতূহলী, বস্তুনিষ্ঠ আৰু যুক্তিবাদী হ'বলৈ শিক্ষা দিয়ে। সেয়ে ইয়াক এক বিশেষ মানসিক অন্তৰ্দৃষ্টি আখ্যা দিব পৰা যায়। কোৱা বাহুল্য যে বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী হ'বলৈ কোনো ব্যক্তি বিজ্ঞান বিষয়ৰ উচ্চ ডিগ্ৰিধাৰী হোৱাৰ প্ৰয়োজন নাই। আনহাতে বিজ্ঞানৰ উচ্চতম ডিগ্ৰধাৰীজনো বৈজ্ঞানিক মানসিকতা ৰহিত হোৱা দেখা যায়। তেনে ব্যক্তি অন্ধবিশ্বাসী আৰু সততে অযৌক্তিক ধ্যান ধাৰণাবোৰ বিচাৰ বিশ্লেষণ নকৰাকৈয়ে নিৰ্বিবাদে মানি চলে। ই সমাজৰ বাবে অতি ক্ষতিকাৰক। আমাৰ সমাজৰ নিৰক্ষৰ শ্ৰেণীটোৰ মাজতো এনে লোক আছে যিয়ে বস্তুনিষ্ঠ যুক্তিৰে সকলো কথাকেই বিশ্লেষণ কৰিহে কাৰ্যক্ষেত্ৰত আগবাঢ়ি এক বলিষ্ঠ বিজ্ঞান সন্মত মানসিকতাৰ পৰিচয় দিয়ে।

শেষত ইয়াকে ক'ব পাৰি যে বৈজ্ঞানিক মানসিকতাই যি কোনো অন্ধ, অসংগত, অপ্ৰয়োজনীয় বিশ্বাসতন্ত্ৰৰ ঠাইত এক পৰীক্ষণীয়, যুক্তিভিত্তিক ধাৰণাৰ সৃষ্টি কৰে — যি সমাজ, সভ্যতাৰ সৰ্বাঙ্গীণ উন্নতিৰ বাবে অপৰিহাৰ্য্য। সেয়েহে এখন সুস্থ সবল সমৃদ্ধিশালী সমাজ বিশেষকৈ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিজ্ঞান সন্মত মানসিকতা গঢ়ি তোলাত যথেষ্ট গুৰুত্ব দিয়া আৱশ্যক। নিঃসন্দেহে এই গুৰুদায়িত্ব মুৰপাতি ল'ব লাগিব সমাজ তথা জাতিৰ মেৰুদণ্ড স্বৰূপ শিক্ষক সমাজে। অন্যথা অনাগত দিনত উন্নত দেশ সমূহৰ দাসত্ব মানি লোৱাৰ বাদে গত্যন্তৰ নাথাকিব।

*(শ্ৰী কলিতা দুধনৈ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰবক্তা)*

*(প্ৰয়াস : তিনিমহীয়া দ্বিভাষিক বিজ্ঞান আলোচনী, দুধনৈ মহাবিদ্যালয় বিজ্ঞান শাখা, প্ৰথম সংখ্যা, জুলাই-চেপ্টেম্বৰ/২০০৩)*

# দুধনৈৰ শিক্ষানুষ্ঠান আৰু আমাৰ ব্যক্তিগত প্ৰচেষ্টা

হাকিম চন্দ্ৰ ৰাভা

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সুসাহিত্যিক স্বৰ্গীয় বেণুধৰ শৰ্মাদেৱে দুধনৈলৈ আহোতে কথা প্ৰসঙ্গত এদিন কৈছিল, "দুধনাই লৈ আহি মোৰ ভালেই লাগিল । দুধনাইৰ মানুহবোৰ বৰ সৰল।" এই বুলি কোৱাত মই প্ৰতিবাদ কৰি কৈছিলোঁ "দুধনাই নহয়, দুধনৈহে।" তেখেতে হাঁহি হাঁহি তেতিয়া কৈছিল ...... "মই ঠিকেই কৈছোঁ। 'নাই' মানে 'নাভি' অৰ্থাৎ ঘাই, দুধৰ ঘাই — দুধনাই, অৰ্থ একেটাই।" ..... এই বুলি পুনৰ দোহৰাত মই নিশ্চুপ হৈ থাকিলোঁ। .....

এই দুধনৈৰে বহু বছৰ আগৰ কথা। শিক্ষা দীক্ষাৰ প্ৰতি মানুহৰ মন কাণ একেবাৰে নাছিলেই। তেতিয়া আমাৰ বয়স ছয় কি সাত বছৰ। এল. পি. স্কুলৰ ছাত্ৰ। তাহানিৰ দুধনৈৰ প্ৰতিচ্ছবি মনত পেলালে ডাকঘৰৰ বেৰত ওলোমাই থোৱা ছবি দুখনলৈ মনত পৰে .... কুইনাইন খোৱাৰ আগৰ দণ্ডিৰাম আৰু তাৰ পিচৰ দণ্ডিৰাম। তেতিয়াৰ দুধনৈ আৰু এতিয়াৰ দুধনৈৰ মাজত নষ্ট-স্বাস্থ্যৰ আৰু স্বাস্থ্যবান দণ্ডিৰামৰ ছবি দুখনৰ মাজত বিজাব পাৰি।

দুধনৈৰ চাৰিওফালে তেতিয়া অটব্য হাবি। খাল বিলেৰে ভৰপুৰ। মাছ-কাছ উভৈনদী। ডাঙৰ ডাঙৰ গছ-গছনি, গুল্ম বিয়াগোম লতাবোৰে বিলৰ পাৰ ঢাকি ৰাখে। সেইবোৰত 'পাহন', 'জখিনী' আদি অপদেৱতাই বাস কৰে বুলি মানুহে বিশ্বাস কৰিছিল। ভৰ দুপৰীয়া বা কাল সন্ধিয়াত মানুহক অকলশৰে পালে পাহনে বিপথে পৰিচালনা কৰে, জখিনীয়ে হাঁহি মানুহক ত্ৰাসিত কৰি তোলে-এয়াই তেতিয়াৰ মানুহৰ বদ্ধমূল-প্ৰচ্ছন্ন অন্ধ বিশ্বাস। একাধিক গাঁওৰ মানুহ একেলগ হৈ হাতত জাল, জাকৈ, পলো আদি লৈ দূৰ দূৰণিৰ বিল-খালত মাছ মাৰিবলৈ যোৱা, ধাননি পথাৰ ৰক্ষা কৰিবলৈ গাঁওৰ মানুহ জাক পাতি জুইৰ জুমুঠি লৈ হাতী খেদিবলৈ যোৱা, পহু গাহৰিৰ চিকাৰ, বাঘ চিকাৰ আদি কামবোৰ সততে দেখিবলৈ পোৱা গৈছিল। গাঁওৰ ৰাস্তা পদুলিৰ অৱস্থা বৰ দুখ লগা আছিল। ৩৭ নং ৰাষ্ট্ৰীয় পথৰ ওপৰত ওখৰা মখৰা দলিবোৰ মোহাৰিবলৈ মহৰ হাল নুমাই মৈয়াই সমান কৰা দৃশ্যবোৰ আজিও দৃশ্যপটত ভাহি উঠে। বেলি পৰাৰ আগতেই মানুহবোৰ ঘৰ সোমায়। সামাজিক ক্ৰিয়া কৰ্মত দিনৰ পাচত দিন মদ খাই নিচাত মতলীয়া হৈ কটায়।

দিন বাগৰি যোৱাৰ লগে লগে মানুহৰ মানসিক চিন্তাধাৰাৰ পৰিবৰ্তন হ'বলৈ ধৰে। শিক্ষাৰ প্ৰতি লাহে লাহে ধাউতি আহিবলৈ ধৰে। ওচৰত মাইনৰ স্কুল নাছিল বাবে অতি কম সংখ্যক ছাত্ৰইহে ন মাইল আঁতৰৰ দলগোমা মাইনৰ স্কুলত পঢ়িবলৈ গৈছিল। আমাৰো সেই দশাই হ'ল। এল. পি. পাচ কৰি, পঢ়িবলৈ যাব নোৱাৰি জনৈক নেপালী সোণাৰীৰ তত্ত্বাবধানত অলঙ্কাৰ গঢ়াৰ প্ৰশিক্ষণ ল'ব লগা হ'ল। এবছৰৰ পিচত অৰ্থাৎ ১৯৩৩ চনত এই অঞ্চলৰ ৰাইজ গয়ৰহে লগ লাগি এম. ই. স্কুল এখন স্থাপন কৰিলে। নানা আলৈ আহুকালৰ মাজেদি উক্ত স্কুলৰ পৰা প্ৰথমে আমি দুটা ল'ৰাই ১৯৩৮ চনত এম. ই. পাচ কৰিলোঁ। মজাৰ কথা যে, নতুন স্কুলৰ এজন নতুন হেড মাষ্টাৰে প্ৰথম বছৰ ফাইনেল পৰীক্ষাত নাম পঠাবলৈ পাহৰিলে আৰু আমি শেহৰ শ্ৰেণীত দুটা বছৰ অধীৰ অপেক্ষাৰে বাট চাব লগা হ'ল। সেই সময়ত গোৱালপাৰা চহৰৰ বাহিৰে ওচৰত ক'তো হাইস্কুল নাছিল। আৰ্থিক অনাটনৰ বাবে হাইস্কুলত পঢ়িব পৰা নাছিলোঁ। বহুত চেষ্টা কৰিও কাৰো পৰা সহায় নেপালোঁ। নকৈ কি! অৱশেষত প্ৰয়োজন হ'লে ঘৰ জোৱাই থাকিবলৈ ইচ্ছা প্ৰকাশ কৰাতো কোনেও পঢ়াবলৈ আগ নাবাঢ়িলে। অৱশেষত নিজৰ ঐকান্তিকতা আৰু একাগ্ৰতাই সেই বছৰতে আমাক শিৱসাগৰ পোৱালেগৈ। শিৱসাগৰৰ স্বনামধন্য ব্যক্তি ভুবন গগৈৰ শৰণাপন্ন হ'লো। তেওঁৰ নিজা পৰিচালনাত The Sibsagar Polytechnic Residential Institution এখন আছিল। Earning while learning — আছিল এই বিদ্যালয়খনৰ উদ্দেশ্য। কাশী হিন্দু বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমেৰে হাইস্কুল পৰ্যায়লৈ। চাৰি বছৰ কাল সেই বিদ্যালয়তে পঢ়ি ১৯৪২ চনত কাশীৰ Central Hindu School-ত পৰীক্ষা দি Admission Examination-ত ২য় বিভাগত উত্তীৰ্ণ হওঁ।

১৯৪৫ চনৰ ৫ জুন তাৰিখে এসময়ত আমাৰ পৰিয়ালতে আবিৰ্ভাব হোৱা শ্ৰী শ্ৰীখেলাৰাম ঠাকুৰ বাবাক সেৱা এটি জনাই অগ্ৰজ ৰাজনীতিক লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ আশীৰ্বাদ আৰু সন্দেশ বাণী হাতত লৈ বেনাৰস অভিমুখে যাত্ৰা কৰিলোঁ। উদ্দেশ্য কলেজত পঢ়া। বেনাৰস পালোঁ। মালব্যজীৰ হাতত শ্ৰীবৰদলৈয়ে লিখি

পঠিওৱা এখন চিঠি প্ৰদান কৰিলোঁ। হাঁহি মুখে তেওঁ মোক সকলো আশ্বাস দিলে। হোষ্টেল আৰু কলেজ ভৰ্তিৰ সকলো মাচুল মাফ দিলে। সেই সময়ত তাত পঢ়ি থকা অসমীয়া ছাত্ৰসকলে মোৰ খোৱাৰ সকলো খৰচ বহন কৰিবলৈ গাত ল'লে। চাৰি বছৰৰ মূৰত ১৯৪৯ চনত বি. এ. পাচ কৰি ঘৰমুৱা হ'লোঁ।

শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত নিজৰ জীৱনত পোৱা হেজাৰটা সংঘাতৰ কথা সুঁৱৰি দুধনৈত বিভিন্ন শিক্ষানুষ্ঠান গঢ়ি তোলাৰ পণ ল'লো পৰবৰ্তী জীৱনত। ১৯৪২ চনৰ আন্দোলনৰ আগতে অৰ্থাৎ ১৯৪০ চন মানত দুধনৈত এখন হাইস্কুল আৰম্ভ কৰা হৈছিল। নেতৃত্ব লৈছিল স্বৰ্গীয় নৰপতি চন্দ্ৰ বসুমতাৰীদেৱে। তেওঁ প্ৰতিজ্ঞা কৰিছিল যে, তেওঁ হাইস্কুল এখন নহ'লে মানে দাড়ি-চুলি নেকাটিব। দুৰ্ভাগ্য যে, তেওঁৰ জীৱনকালত দুধনৈত হাইস্কুল নহ'ল আৰু তেওঁৰ দাড়ি-চুলি কটাও নহ'ল। তেওঁৰে অনুপ্ৰেৰণাত দ্বিতীয়বাৰৰ বাবে আমি ডেকা সকলে ১৯৪৩ চনত পুনৰ হাইস্কুল এখন প্ৰতিষ্ঠা কৰিলোঁ। জেল-বন্ধ স্বৰ্গীয় গোপাল দাস হেড মাষ্টাৰ হিচাবে আছিল। তেওঁ কামৰূপ জিলাৰ বেলশৰৰ মানুহ আছিল। চৰকাৰী মঞ্জুৰী পোৱাৰ আগতেই ১৯৪৫ চনত তেওঁ ঘৰলৈ যোৱাৰ পথত গুৱাহাটীত শেষ নিঃশ্বাস পেলায়। ওচৰত কোনো বি. এ. পাচ কৰা মানুহ নোলাল। হেড মাষ্টাৰ চাকৰিৰ বাবে ৰঙিয়া, নলবাৰী, তেজপুৰ আদি ঠাইলৈ ঢাপলি মেলিও এজনো ব্যক্তি বিচাৰি পোৱা নগ'ল। এই মৰ্মে মনত প্ৰতিজ্ঞা কৰিলোঁ জীৱনত বি. এ. পাচ কৰিবই লাগিব আৰু সেই বছৰতেই বেনাৰসলৈ যাত্ৰাও কৰিছিলোঁ। কিন্তু মোৰ কোনোদিনেই মাষ্টৰী কৰা নহ'ল। জীৱনে অইনফালে গতি কৰিলে।

১৯৪৭ চনত দেশ স্বাধীন হ'ল। স্বাধীন ভাৰতৰ প্ৰথম সাধাৰণ নিৰ্বাচন ১৯৫২ চনত অনুষ্ঠিত হ'ল। উদ্দেশ্য পূৰণৰ পথো সুগম হোৱা যেন লাগিল। কংগ্ৰেস প্ৰাৰ্থীৰূপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হলোঁ। দুধনৈৰ বাহিৰে ধুপধৰা, ৰংজুলি, কৃষ্ণাই আদি ঠাইত ইতিমধ্যে হাইস্কুল একোখনকৈ তাৰ ৰাইজে আৰম্ভ কৰিছেই। ১৯৫৫ চনত দুধনৈৰ ৰাইজেও ককালত টঙালি বান্ধি মৰসাহ কৰি হাইস্কুল প্ৰতিষ্ঠাৰ কামত লাগি গ'ল। উক্ত হাইস্কুলখন ঘাটি মঞ্জুৰী পোৱাত দুধনৈত আৰু এখন শিক্ষানুষ্ঠানৰ প্ৰয়োজনীয়তা বোধ কৰিলোঁ। সেয়া হ'ল ছোৱালীৰ বাবে এখন সুকীয়া হাইস্কুল। দুধনৈ মণ্ডল কংগ্ৰেছ ভৱনতে পোনপ্ৰথমে ছোৱালী হাইস্কুলৰ কাম আৰম্ভ হ'ল। ছাত্ৰীৰ সংখ্যা ক্ৰমাৎ বাঢ়ি অহালৈ চাই অৱশেষত মোৰ নিজা বাস ভৱনটোকে ছাত্ৰী নিবাসত পৰিণত কৰি দিব লগা হ'ল। প্ৰায় ৩০/৪৫ জনী ছাত্ৰী থাকিবলৈ ল'লে। সাত বছৰ কাল কটোৱাৰ পাছতহে যেনিবা স্কুলৰ নিজা ছাত্ৰী নিবাসলৈ স্থানান্তৰ কৰা হ'ল। শিক্ষকক বেতন দিয়াৰ বাবে প্ৰথমতে বহুতো ব্যৱস্থা ল'ব লগা হৈছিল। বজাৰত অৱস্থিত আমাৰ ভাৰা ঘৰৰ পৰা পোৱা মাহিলী ভাৰা শিক্ষকৰ বেতনৰ বাবে দিয়া হৈছিল। ৰঙালী বিহুৰ বেলিকা এবাৰ যোৰহাটৰ জিয়ৰী, দুধনৈৰ বোৱাৰী (লিখকৰ ভাৰ্যা) শ্ৰীমতী আনন্দীবালা ৰাভাই (প্ৰাক্তন এম. এল. এ.) হুচৰি দল তৈয়াৰ কৰি টকা সিকা তোলাৰ ব্যৱস্থা লৈছিল। তেওঁৰ লগত ওলাই আমি বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ তদানীন্তন অধ্যক্ষ শ্ৰীনৰেন হাজৰিকা, জলসিঞ্চন বিভাগৰ চাব ইঞ্জিনিয়াৰ শ্ৰীকুশধৰ দত্ত আৰু দুধনৈৰ বিশুবলীয়া জাক। আজি দুধনৈ ছোৱালী হাইস্কুলখনি গোৱালপাৰাৰ দক্ষিণপাৰ এলাকাৰ ছোৱালী হাইস্কুলবিলাকৰ ভিতৰতে জাকত জিলিকা।

মহাবিদ্যালয় এখন স্থাপনৰ কাৰ্যসূচী হাতত লবলৈ ১৯৬৩ চনতেই আমি কেইজনমানে আগবাঢ়ি আহিলোঁ। যোগাযোগৰ উত্তৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেজিষ্টাৰৰ পৰা জবাব আহিল কলা শাখাৰ বাবে নহয় বিজ্ঞান শাখা খোলাৰ বাবেহে তেওঁলোকে অনুমতি দিব পাৰে। কিন্তু বিজ্ঞান শাখা আৰম্ভ কৰিবলৈ দুধনৈ ৰাইজৰ ক্ষেত্ৰত অভাৱ। আৰম্ভণীতেই লেবৰেটৰীৰ ঘৰ আৰু সৰঞ্জাম আদিৰ বাবদ কেবা লক্ষ টকাৰ প্ৰয়োজন। আৰ্থিক ক্ষেত্ৰত জুৰুলা সৰল প্ৰাণা দুধনৈৰ ৰাইজৰ মনৰ আশা মনতে ৰাখি থাকিবলগীয়া হ'ল।

এইদৰে প্ৰয় দহ বছৰ অতিবাহিত হৈ গ'ল। ১৯৭২ চন। চাওঁতে চাওঁতে অসমত কলা শাখাৰ নতুন নতুন কলেজ স্থাপন হৈয়েই থাকিল। তাকে দেখি মনতে ক্ষোভ হ'ল "কাৰোবাক কোলাত, কাৰোবাক বোকাত (বোকোচাত)। অৰ্থাৎ কাৰোবাক অনুমতি দিয়ে আৰু কাৰোবাক বাৰণ কৰে। বিশ্ববিদ্যালয়ে তেতিয়াহ'লে কলাশাখাৰ কলেজ খুলিবলৈ নিদি দুধনৈ ৰাইজক আভুৱা ভাৱিলে। পুনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ কৰিলোঁ। বিশ্ববিদ্যালয়ৰ অনুমতি প্ৰদানকাৰী (Executive council) কমিটিৰ সদস্য শ্ৰীমান প্ৰফুল্ল গোস্বামী, শ্ৰীবৈদ্যনাথ মুখাৰ্জী আদি সদস্যবৰ্গক ব্যক্তিগতভাৱে লগ ধৰি দুধনৈত মহাবিদ্যালয় এখন খোলাৰ অনুমতি দিবলৈ সজোৰে খাটিলোঁ। অৱশেষত অনুমতি দিলেও। খ'ৰা গাওঁৰ মুক্তি যুজাৰু শ্ৰীমণিশঙ্কৰ বসুমতাৰী (প্ৰাক্তন এম. এল. এ.) স্বৰ্গীয় প্ৰভাত চন্দ্ৰ পাটগিৰী, শিয়ালমাৰিৰ স্বৰ্গীয় কিৰণ চন্দ্ৰ দৈমাৰী, ফ'ফ'ল গাওঁৰ স্বৰ্গীয় বাখাৰুৰাম ৰায়, থেকাছু গাওঁৰ শ্ৰীঅশ্বিনী পাটগিৰী, বয়োবৃদ্ধ শ্ৰীপূজাৰু ৰাম ৰাভা আদিয়ে সক্ৰিয় সহযোগ আগবঢ়াইছিল।

দুধনৈ ৰাইজৰ মাজত প্ৰায় ৬/৭ বছৰৰ পাচতআৰু এটা চিন্তাৰ জোৱাৰ আনি দিয়া হ'ল। ইতিমধ্যে ঘাঁটি মঞ্জুৰী পোৱা কলেজখনত বিজ্ঞান শাখা খোলাৰ বাবে ৰাইজ ব্যতিব্যস্ত হৈ উঠিল। ১৯৮৫ চন। জ্ঞান পিপাসু দুধনৈ ৰাইজৰ মাজত বিজ্ঞান শাখা খোলাৰ আন্দোলন শিৰাই শিৰাই প্ৰবেশ কৰিলে। পৰিদৰ্শন বঙলাৰ প্ৰাঙ্গণত প্ৰাক্তন বিধায়ক শ্ৰীমণিশঙ্কৰ বসুমতাৰীদেৱৰ সভাপতিত্বত সকলো শ্ৰেণীৰ লোকৰ প্ৰতিনিধিত্বমূলক ৰাজহুৱা সভা বহিল। সেইখন সভাতে দুধনৈৰ কেই গৰাকীমান বিশিষ্ট ব্যক্তিয়ে বিজ্ঞান শাখাৰ বাবে চাৰিটা

বিভাগৰ কাৰণে চাৰিটা বিজ্ঞানাগাৰৰ কোঠা দান হিচাবে দিবলৈ প্ৰতিশ্ৰুতি আগবঢ়ায়। প্ৰথম কোঠাটো আগবঢ়াইছে বৰ্তমানৰ প্ৰবন্ধ লিখক আৰু তেওঁৰে ভাতিজাক উদীয়মান ডেকা ল'ৰা শ্ৰীনৰকুমাৰ হাজৰিকাই, দ্বিতীয় কোঠাটো বিশিষ্ট ব্যৱসায়ী শ্ৰী চান্দমল জৈনে, তৃতীয়টো কোঠা দুধনৈৰ হোটেল ব্যৱসায়ী দুই ভাই ককাই শ্ৰীৰবি সিংহ আৰু কাৰ্তিক সিংহ আৰু চতুৰ্থটো, দুধনৈৰ আন এজন ব্যৱসায়ী শ্ৰীৰঞ্জিত কুমাৰ দত্তই। সেইখন সভাতেই নগদ আৰু প্ৰতিশ্ৰুত প্ৰায় এক লাখৰ ওপৰ ধন পোৱা গ'ল। অৱশেষত বিজ্ঞান শ্ৰেণীও অন্তৰ্ভুক্ত হ'ল। দুধনৈ ৰাইজৰ বহু আকাঙ্খিত বিজ্ঞান মহাবিদ্যালয়ে সম্প্ৰতি হায়াৰ চেকেণ্ডাৰী স্তৰলৈকে স্বীকৃতি লাভ কৰিলে।

বিজ্ঞান শ্ৰেণী আৰম্ভ কৰাতেই সীমাবদ্ধ নাৰাখি উৎসাহী শিক্ষক অধ্যাপক সকলে অসম বিজ্ঞান সমিতিৰ শাখা গঠনৰ জৰিয়তে বিজ্ঞান শিক্ষাৰ পৰিবেশ গঢ়ি তুলিবলৈ যত্ন কৰিছে। ছাত্ৰ শিক্ষাৰ্থী সকলকো আগবাঢ়ি অহা দেখা গৈছে। সাধাৰণভাৱে ৰাইজেও সচেতন হ'বলৈ আৰু বিজ্ঞানৰ ৰস পাবলৈ ব্যগ্ৰ হৈ দেখা গৈছে। মুঠতে শিক্ষাৰ ক্ষেত্ৰত দুধনৈ ৰাইজৰ অৱস্থা এতিয়া দণ্ডিৰামৰ আগৰ জৰাজীৰ্ণ দেহটোৰ দৰে হৈ থকা নাই, কুইনাইন খাই আৰোগ্য লাভ কৰা দণ্ডিৰামৰ দেহৰ শ্ৰীবৃদ্ধিৰ দৰে ইয়াৰ শিক্ষাৰ অৱস্থাও দ্ৰুত পৰিবৰ্তন সাধিত হৈছে।


ৰাজহুৱা সভা—
স্থান:- দুধনৈ হাই স্কুল।
তাং:- ১৪-২-৬৫ - সময়- আবেলি ২ বজাত।

আজি / আবেলি ২ বজাত দুধনৈ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষ শ্ৰীমহীনাথ গোস্বামী দেৱৰ সভাপতিত্বত দুধনৈত এখন কলেজ স্থাপনৰ বিষয়ে আলোচনা কৰিবলৈ এখন ৰাজহুৱা সভা সম্পন্ন হয়। সভাত তলৰ প্ৰস্তাৱ সমূহ সৰ্ব্বসন্মতিক্ৰমে গৃহীত হয়।

প্ৰথম প্ৰস্তাৱ:- যিহেতু পূবে ধূপধাৰা আৰু পশ্চিমে কৃষ্ণাইক সীমা কৰি, এই বিৰাট জনবহুল অঞ্চলৰ ৰাইজে এই অঞ্চলত উচ্চ শিক্ষাৰ অনুষ্ঠান এটিৰ অভাৱ বহুদিনৰে পৰাই অনুভৱ কৰি আহিছে সেই হেতুকে আজিৰ সভাত উপস্থিত ৰাইজে তেনে এটি অনুষ্ঠানৰ প্ৰয়োজনীয়তা বোধ কৰি দুধনৈত এখন কলেজ পতাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু কলেজ খনৰ নামাকৰণ সৰ্ব্বসন্মতিক্ৰমে "দুধনৈ কলেজ" কৰা হয়।

দুধনৈ অঞ্চলত এখন কলেজ স্থাপনৰ উদ্দেশ্যে দুধনৈ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত অনুষ্ঠিত হোৱা প্ৰথম খন ৰাজহুৱা সভাৰ প্ৰথমটি প্ৰস্তাৱ)

*(প্ৰবীন ৰাজনীতিক আৰু সমাজ সেৱক, প্ৰাক্তন বিধায়ক তথা দুধনৈ মহাবিদ্যালয় প্ৰতিষ্ঠাকালৰ সম্পাদক,*
*সংগ্ৰহ : স্মৃতিগ্ৰন্থ, ৰাজ্যিক বিজ্ঞান প্ৰদৰ্শনী, অসম বিজ্ঞান সমিতি, দুধনৈ শাখা, ২৬-২৮ ডিচেম্বৰ ১৯৮৭*

# 'বৰগীত'ৰ আদি কথাৰ চমু অনুভৱ

শ্ৰী অনুপম পাটগিৰি

প্ৰাকশংকৰী যুগৰ পিছত শংকৰী যুগৰ উদ্ভৱ হয় আৰু এই কালতেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৰ্বিভাৰ হৈছিল। তেওঁৰ সম সাময়িক কবি তথা শংকৰদেৱৰ শিষ্যসকলৰ ভিতৰত অন্যতম প্ৰিয় শিষ্য আছিল মাধবদেৱ। ৰসৰাজ বেজবৰুৱাৰ মতে শংকৰ মাধৱৰ মণি কাঞ্চন সংযোগেৰে তেওঁলোকে প্ৰাচীন স্বদেশ অসমত ইতিহাসৰ পাতত সোণালী আখৰবোৰচিক্‌মিকণিৰে জিলিকি থকা দৃষ্টিনিক্ষেপ হয়। তাৰে ভিতৰত তেওঁলোকৰ ৰচনা বোৰ হল এক শৰণ নাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য নাট, পদ-পুথি আদি ৰচনা কৰাৰ উপৰিও ওখ আধ্যাত্মিক ভাৱৰ বিবিধ ৰাগ ৰাগিনী সংযুক্ত আৰু চৈধ্য প্ৰসংগৰ উপযোগী কিছুমান গীত ৰচনা কৰে। এই গীতবোৰক বৰগীত বোলে।

শংকৰমাধৱে বৰগীতবোৰ ৰচনা কৰিছিল চিৰসত্য কথা কিন্তু তেওঁলোকে সেই সময়ত বৰগীত বোৰক বৰগীত বুলি আখ্যা দিয়া নাছিল। সময়ৰ গতিত পিছৰ পৰ্য্যায়ৰ বৈষ্ণৱ ভক্তই এই গীত বোৰক 'বৰগীত' বুলি আখ্যা দিছিল। এই গীতবোৰৰ দৰে ৰাগযুক্ত গীত শংকৰদেৱৰ বহু আগৰ পৰা অসমত প্ৰচলিত আছিল। এই গীতবোৰ নিৰ্দিষ্ট ভাষা, সুৰ ব্যৱহাৰ আৰু সীমাৱদ্ধ পবিত্ৰাৰ ওপৰত ৰচনা হৈছিল। সেই কাৰণে শংকৰদেৱৰ সম সাময়িক কবি দুৰ্গাবৰ, পীতাম্বৰ আদিৰ গীতক 'বৰগীত' বুলি আখ্যা দিয়া নাছিল।

আধুনিক অসমীয়া সাহিত্য সমালোচক সকলে বৰগীতক কিছুমান বিশেষ ধৰণে নামাকৰণ কৰিছে। সেইবোৰ হ'ল —

১. ডঃ বাণীকান্ত কাকতিয়ে বৰগীতক Noble Number বুলি কৈছে।

২. কালিৰাম মেধিয়ে বৰগীতক Great Song or Song Celestial বুলি কৈছে।

৩. দেৱেন্দ্ৰ নাথ বেজবৰুৱাই এই গীতক Holly Song বুলি কৈছে।

মহাপুৰুষ শংকৰদেৱে মূলতেই হ'ল বৰগীতৰ সৃষ্টিকাৰী। মহাপুৰুষ জনাৰ এই মাত্ৰ ৩৪ টা বৰগীতেৰে সীমাবদ্ধ। ইয়াৰ মূল কাৰণ হল তেওঁৰ শিষ্য কমলা গায়ন নামে এজন ভকতে বৰগীতৰ পুথিৰ সংকলনখিনি আওঁৰাবলৈ নিওঁতে বন পোৰা জুইত অদৃশ্য হৈ পৰে। তাৰ পিছত সেই ভকতজনৰ মুখত ৰ'ল প্ৰায় তেৰকুৰিমানহে। শংকৰদেৱৰ অন্তৰ বৰগীত বোৰ জুয়ে পোৰাৰ দৰে তেওঁকো পুৰিছিল। তাৰ পিছত তেওঁ হৃদয়ত আৰু গীতৰ সুৰ জাগ্ৰত অনুভৱ নকৰিলে। মনৰ বেজাৰত তেওঁ আৰু গীত ৰচনা নকৰি প্ৰিয় শিষ্য মাধৱদেৱক নতুনকৈ গীত ৰচনা কৰিবলৈ কয় আৰু সেই কাৰণেই মাধৱদেৱতকৈ শংকৰদেৱৰ গীতৰ সংখ্যা কম। মাধৱদেৱে ১৫৭ টা বৰগীতৰ ৰচনা কৰি শংকৰদেৱৰ ৩৪ টা বৰগীতৰ সৈতে মিলাই মুঠ ১৯১ টা বৰগীত এখন পুথিত সন্নিৱিষ্ট কৰিছিল।

বৰগীতৰ বিষয় বস্তুক কেন্দ্ৰ কৰি ইয়াক ছয়টা ভাগত ভাগ কৰিব পাৰি। সেই বোৰ হ'ল —

১. লীলা
২. বিৰহ
৩. বিৰক্তি
৪. পৰমাৰ্থ
৫. চোৰ আৰু
৬. চাতুৰি

১. লীলা বিষয়ত গীতবোৰক আকৌ চাৰি ভাগত ভগাব পাৰি —

ক. জাগণৰ গীতত যশোদাই কৃষ্ণক নিদ্ৰাৰ পৰা জগাই দিয়া,

খ. চলন ৰ গীতত মাখন ভাতলৈ গৰখীয়াৰ লগত কৃষ্ণ গৰু চাৰিবলৈ যোৱা,

গ. খেলনৰ গীতত গোপ শিশু আদিৰ লগত খেলা কৰা আৰু

ঘ. নৃত্য প্ৰধান গীতত কৃষ্ণই নাচি নাচি গোপীসকলৰ পৰা দৈ, মাখন আদি বস্তু আদায় কৰাৰ কথা আছে।

২. বিৰহ গীতত কৃষ্ণৰ অনুপস্থিতিত যশোদা আৰু আন আন গোপীৰ বিৰহ দুখৰ বৰ্ণনা আছে।

৩. বিৰক্তি বিষয়ক গীতত সংসাৰৰ প্ৰতি কবিৰ আস্থাহীনতা প্ৰকাশ পাইছে।

৪. পৰমাৰ্থ গীতত পৰম পুৰুষ ভগবানত আত্মসমৰ্পনৰ কথা প্ৰকাশ পাইছে।

৫.৬. চোৰ আৰু চাতুৰি বিষয়ক গীতত কৃষ্ণই দৈ, মাখন আদি চুৰ কৰি খোৱা, যশোদা আদিৰ লগত দুষ্টামি কৰা প্ৰভৃতি চিত্ৰ অংকণ কৰিছে।

মহাপুৰুষ শংকৰদেৱৰ বৰগীত সমূহত পৰমাৰ্থ আৰু বিৰক্তি ভাৱৰ প্ৰাধান্য দেখা যায়। ইয়াৰ উপৰিও বিৰহৰ গীত এটা দুটামান দৃষ্টিত পৰে। আনহাতে, মাধৱদেৱৰ

গীত সমূহত দাস্য আৰু বাৎসল্য এই দুয়োটা ভাৱৰে গীত পোৱা যায় আৰু লগতে বালকৃষ্ণৰ চুৰি-চাতুৰি, খেলা, নৃত্য, জাগৰণ আৰু চলনৰ গীতৰ সংখ্যা বৈছি। গীত, পদ, নাট সকলোতেই তেওঁ শ্ৰীকৃষ্ণৰ শিশুচৰিত্ৰ সজীৱ কৰি তুলিছে। মাধৱদেৱৰ এই বৰগীতবোৰ মহাৰাষ্ট্ৰৰ তুকাৰাম আৰু উত্তৰ ভাৰতৰ সুৰদাসৰ গীতসমূহৰ লগত ৰিজাব পাৰি।

মহাপুৰুষ দুজনাৰ বৰগীত বোৰত কিছুমান ভাব-ভংগীৰ এক বিশেষ ধৰণৰ প্ৰতিবিম্ব দৃষ্টিত পৰে। সেইবোৰ হ'ল:

এইগীতবোৰৰ ভাষা, সুৰ আৰু ব্যৱহাৰ আদিৰ ওপৰত ক'ব পাৰি — এই গীতবোৰ সৃষ্টিৰ গাঠনিতে ভাষাই অন্যতম স্থান অধিকাৰ কৰিছে। এই ভাষাটোৱেই হ'ল ব্ৰজাৱলী। প্ৰাচীন অসমীয়া ভাষা আৰু ব্ৰজভাষাৰ মিশ্ৰণত ব্ৰজাৱলী ভাষাৰ উদ্ভৱ হৈছিল। মৈথিলীভাষাই ব্ৰজভাষাৰ প্ৰাণ স্বৰূপ। যিহেতু সুৰৰ অবিহনে গীতৰ বৰগীততো সুৰৰ উদ্ভৱ হৈছিল। এই গীতত সুৰ সংযোগ কৰি শ্ৰুতিঅধুৰ কৰিবলৈ সক্ষম হৈছিল। এই গীতবোৰ পবিত্ৰ হৃদয়েৰে অদৃশ্য ভগৱানক ওচৰত স্মৰণ কৰি গাইছিল আৰু এই গীতবোৰক 'বৰ' আখ্যাৰে আখ্যায়িত কৰি আন গীততকৈ পৰা উচ্চ খাপত ৰাখিছিল। এই গীতবোৰৰ উল্লেখনীয় নিয়ম হ'ল নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট ৰাগৰ গীতহে গোৱা।

প্ৰসঙ্গপুথি :

১. অসমীয়া সাহিত্যৰ ৰূপৰেখা

২. অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত

৩. অসমীয়া সাহিত্যৰ দৃষ্টিপাত।

(অসমীয়া বিভাগৰ 'পাঞ্চজন্য' প্ৰাচীৰ পত্ৰিকা প্ৰথম বছৰ প্ৰথম সংখ্যা ২০০৫ চন।)


প্ৰাচীৰ আলোচনীৰ প্ৰদৰ্শনী চালোঁ। ছাত্ৰ-ছাত্ৰীৰ সুকুমাৰ মনৰ বাঙ্ময় প্ৰকাশ দেখি অভিভূত হৈছোঁ। [illegible] spontaneous overflow of powerful feelings [illegible] মনৰ চৈতন্যময় প্ৰকাশৰ ৰীতি অবিৰত হৈ ৰওক এই কামনাৰে ......

[illegible] 20/2/78

পৰিদৰ্শকৰ টোকাৰ পৰা —

মহাবিদ্যালয় সপ্তাহ উপলক্ষে ১৯৭৮ চনত অনুষ্ঠিত হোৱা 'প্ৰাচীৰ পত্ৰিকা প্ৰদৰ্শনী' অনুষ্ঠানৰ বিশিষ্ট দৰ্শকমণ্ডলীৰ মন্তব্যসমূহৰ অংশবিশেষ। (সম্পাদক — অশোক কুমাৰ দাস, তত্ত্বাৱধায়ক — বসন্ত কুমাৰ শৰ্মা।)

(অসমীয়া বিভাগৰ 'পাঞ্চজন্য' প্ৰাচীৰ পত্ৰিকা, প্ৰথম সংখ্যা, ২০০৫ চন)

# NATIONAL SERVICE SCHEME AT DUDHNOI COLLEGE

Aghor Chandra Bantho.

To trace out the chronology and development of National Service Scheme at Dudhnoi College, one will have to go back as far as 1975. When Dudhnoi College was brought under this scheme it was in fantile stage. Resource and manpower was also extremely limited. During that period we didn't have our own college building even. Scince then Mr. Karuna Kanta Rabha, then Principal of this college, a man of vision began a action to bring this college under the umbrella of NSS and NCC. We did not get the facilities of NCC as Dudhnoi Police station did not have adequate provision for keeping arms required nor NCC traning. However, in 1976 the college shifted to its own building and on the same year Late B.C. Das, Youth Welfare officer and NSS Programme co-ordinator of Guwahati Unversity and Mr. Aich, Youth Officer N.E. Region, Govt. of India, visited our college and immediately brought our college under NSS. Mr. K. K. Rabha asked me to shoulder the burden of programme officer of this newly formed NSS Unit. Later on University authority has formally appointed me in that capacity. It is a centrally sponsored and state-matching scheme. Annual financial assistance for NSS Units are to submit its expenditure accounts to the University NSS programme co-ordinator duly audited by a chartered accountant. Audit of NSS unit is subjected neither to local nor state govt. audit directly.

As programme officer I was most inexperienced and to add fuel to the fire during the puja vacation of 1976, a University lavel joint camp was organised at Nagarbera College with the NSS unit of J. N.College, Boko and Dudhnoi College, where I had to rush as per direction with 10 boys and 5 girls volunteers were permitted but priority must be given to accommodate girls volunteers and their representation should not be less than 30 percent. Reaching Nagarbera College with a huge contingent of volunteers I found myself in an uncomfortable position because of the strtngent fund provided for this camp as they told me later on. However, I met there for the first time one most versatile, experienced and extrovert programme Officer of J.N. College Boko. He is no other than Madan Kakati who managed my uncomfortable position smoothly and made everything easy. The main objective of NSS is to involve and motivate maximum number of volunteers specially girls towards NSS activities and not to discourage intending volunteers and for stringentcy of funds. In that camp even ace P.O. Madan Kakati did not take the risk of bringing girls volunteers. Though the host college authority lended me cold should intially for bringing excess valunteers, the University authority and one observer from Social Works Dept.of Shanti Niketan, made me extraordinary P.O. overninght by praising my capabilities of motivation girls volunteersin such male dominated camps. I can not help exerssing here an old ineident taking place in this camp which will aways keep in my memory and cherish as NSS P. O. It was a very big joint camp comprising almost 300 strong volunteers, teachers and local social workers etc. with most limited facilities. Within a couple of days, the condition of the camp became like that of a transit camp of a general election. Within the camp period one day, the volunteers of the host college, getting support from the volunteers of representing colleges, refused to take their meal at the camp as the food supplied emanated foul smell. The principal-cum chief commander unilaterally tried his best to persuade the erring volunteers to have their meals, prooved fruithless. Fail of the Principal aggravated the situation. Only than we the P.Os were invited to have a discussion and to take stock of the situation. Then Mr. Madan Kakati and jointly handled the most vulnerable and sensitive situation very effective and successfully brought all the non-cooperative volunteers to the dining table. Since then I began to realise and understand my inner capabilities.

In 1977 I attended the orientation meant for P.Os at Shanti Niketan. Dr. Rao and Dr. Pillai of Social work Deptt. of Vishwa Bharati University was our guide and resource person all along. One day I was dumb founded when

Dr. Pillai asked me if I ever come across with late Jogendra Bantho of Naguapara (Maghalaya) who was quite a famous personally amongest rabha community.

Immediately after my orientation our NSS unit organised a leadereship camp at Kuchdhua. In that camp Mr. Basu from Vishwa Bharati University visited as central observer. This camp was a turning point in the growth and development of NSS activities of Dudhnoi College. The Kuchdhua camp was so successful as per Mr. Basu that it led to the second position amongst NSS units under Guwahati University and occupied spectacular position in all India NSS. It was at that camp that a local high school girl got a big break and could now establish herself as a Radio and T.V. singer in tribal song divison.

The next one day camp at Bengdoba proved our ability in motivating villagers towards the NSS activities. NSS activities originated from the ideology of Mahatma Gandhi and Rabindranath Tagore. The most down trodden and illitirate Mass of your surrounding for their uplitment. 'Each one teach one', is the main objective of NSS.

The second most successful camp was held at Baida. The villages right from Gojapara to Rangsai and Salpara-Chattabari to Mogho Balasara still remember and cherish the memories of that camp. In each leadership camp emphasis was given in exposing the participating volunteers the crude realities and bring awareness to their surroundings. Dignity of labour with a sense of strict discipline was incalculated in such camps.

I took the lead in exposing our boys and girls in University level leadership camp twice at north Guwahati College and thrice in the University campus by which a lot of our students got the opportunity in developing their leadership personalities which helped them in their later life.

Two more ten-dayer camps were organised by us one at Hatigaon and the other at Dolgoma which brought credit to shri Har Kumar Nath as new Programme officer. From our College NSS unit Shri K. Khakhlary and Shri Har Kumar Nath were also oriented at Shanti Niketan and Narendrapur respectively.

One more incident that took place in a University level leadership camp held at the University campus which I cannot help men tioning. In that camp P.O. of Goalpara college sent only two boys in that camp and he himself remained absent. one fateful night an unwanted situation took place in the dining hall just for a petty issue. Heated altercation (the issue was against the NSS code of conduct ) between the muscule flexing large number participants from North Guwahati College and lone two volunteers of Goalpara college. This instantly marred the joyful, gay and the brotherly feelings of the entire camp. I being the P.O. of the nearest college, before the valiant muscle flexing group could jump and crush the lone volunteers who till then did not lose their memory that they were camping to learn the ideologies of Gandhi and Tagore, appeared in the scene with monumental Madam Kakati and saved the volunteers from Goalpara college before being sandwiched by them. But these unruly boys took me, sparing Madan Kakati as exception. A very un easy and uncomfortable situation prevailed till midnight. However, it was Ms. Senehi Begum, P.O. of Handique Girls College, who spent half of her nights comfortable sleep and energy, brought before me the entire group of unruly campers and make them seek unconditional apology. The P.O. of North Guwahati College remained in the entire episode as a mere helpless and fail to strick or adhere strictly to the NSS ideologies. As a result the ideologies remain only in paper and reduce the leadership camps to the mere talking-shop and common picnic.

Before closing the chronology of the NSS unit of Dudhnoi College I must say that the root of sucess of our unit lies with the versatile, indomitable and dynamic personality of the then Principal Shri Karuna Kanta Rabha with combined efforts of personalities like Shri K. Khakhlary, Mrs R. Raichoudhury, Shri D. Kakati and the great deal of cooperation and understanding of our entire college community. These factors are responsible into the top echelon of NSS community.

Last but not the least it would be an incomplete saga if I do not mention the fact that inspite of rendering selfless service to the growth and development of our NSS unit by dynamic K.K. Rabha, I had to face some sort of criticism. Keeping the ideologies of Gandhi and Tagore in mind as devout NSS programme Officer I admired the misventure of my crities and retaliated with ahingsa parama dharma.

Long live Dudhnoi College NSS unit and hope the next generation NSS volunteers will sincerely work hard in crecting the sliding image of the unit.

*(Mr. Bantho, Retd. H.O.D., P. SC. Dept., Dudhnoi College,*
*Collection : Memento, XXV Annual Conference, 30-31 August, 2001*

# A RETROSPECTION OF DUDHNOI COLLEGE TEACHERS' ASSOCIATION

Gopal Chandra Roy.

SEPTEMBER 7 of 1973. That very day about 28 years back was held a small general meeting of only 8 (eight) teachers of the newly established Dudhnoi College on its temporary premises at BTC, Dudhnoi,including the them founder principal, Shri Karuna Kanta Rabha being in the chair, in which our DUDHNOI COLLEGE TEACHERS' ASSOCIATION came into being with the following founder teacher-members -

1.Shri Deben Chandra Kachari (President).

2.Shri Prabir Das (Secretary).

3.Ms. Binapani Nath (Treasurer).

4.Shri Kshirode Khakhlary (Member).

5.Shri Gopal Chandra Roy (Member).

6.Shri Himangshu Singha (Member).

7.Ms Kanika Nath (Member).

Dudhnoi College Teachers' Association was formed at a time when the premier teachers' organisation of the state The Assam College Taschers' Assotiation (ACTA) happened to be truncated and parallel college teachers' organisation namely The All Assam College Teachera' Assotiation (AACTA) was formed. Our Dudhnoi College Teachers' Assotiation, having failed to have an easy access to the premier organiosation,ACTA for its being the offspring of an entirely new privete college, had ultimately to be affiliated with the new parallel organisation,AACTA.Later on however Dudhnoi College Teachers' Assotiation could join the ACTA in the early part of 1978.

Since its inception started its chequered history which is closely linked up with the very story of the college was established in 1972 purely on the public contributions generously extended by the people of Dudhnoi and its vast surrounding areas. It was tyheredore the bounden duty for the teachers of the college to engage themselves whole - heartedly along with the other enthausiastic social workers of Dudhnoi in garnering moral as well as financial support from the people. Al the members of the DCTA had to participate actively in various Fund collection drives like College Fund Collection Week, organising theatre shows, Magic shows, Box Collection in the markets by the college students (both boys and girls) etc. Special mention must be made of Dudhnoi College Fund Collection Week in which the teachers of the college hed to lead and guide several groups of boys and girls of our college in collecting paddy in sacks moving house to house and from village to village in the locality stretching far and wide surounding Dudhnoi.In respect of all ventures, we convey our sence of respect muet and gratitude to Shri Pabitra Kumar Sarkar, a known social worker of Dudhnoi for his dynamic personality and skill of planning and organising these Fund Collection Schemes in a very big and successful way.

In the initial stage, the members of the Dudhnoi College Teachers' Assotiation had to render their services in the midst of very acute financial hardships. They were therefore constrained to hold frequent unit meetings to register their grievances against frequent occurences of non-payment of their meagre monthly salary causing great mental disquite among them. In fact the recollection of those bitter experiences then to remind usas the how, under the existing educational system of our country, even university-educated youths are required to suffer immeasurably in their efforts to take up the noble profession of teaching in the so-called non-deficit college of the State. During the pre-deficit period of the college, the DCTA kept close contact with the parent organistion, the government authorities and the university in respect of certain problems concerning the development of the college like upgradation of the college upto degree level sanction of non-recurring grants, opening of Honours in certain departments etc. As proposed of such metters requiring persuasive measures, DCTA had to send taechers' delegats to several conventions and conferences

organised by the then and later by the AACTA to highlight the teachers' problems as also of the College for their initiative to obtain govt.consideration and needful action. Moreover, our taechers' unit also sent teachers'delegation to personally approach the then Education Minister for urging upon him to take Dudhnoi College under Deficit System of Grants-in-Aid.

Dudhnoi College was brought under Deficit System of Grants-in-Aid in 1978 and in this ultimate achivement the sincere endeavour of Late Hakim Chandra Rabha Ex-MLA,Ms.Anandi Bala Rabaha, the then MLA must needs to remembered with a sence of respect and gratitude. Nevertless, even after this achivement, certain very pressing problems cropped up regarding sanctioning of posts against the teachers and the regularisation of their services of their services by the government due to official redtapism. But the DCTA promptly brought these matters to the notice of the government through ACTA where upon such problems could be satisfactorily solved. The members of the DCTA could not yet rest in peace, as in course of time, certain problems like the chronic non-payment of monthly salary and the non-deposit of the teachers' CPF money continued to create an undesirable fuss compelling the DCTA's members to restore to some agitational programmes like cease-work, token hunger strike and also holding of talks with the college authority for amicable settlement etc. The DCTA, in fact, means to feel for such administrative weakness of the concerned authority of the College. Besides dealing with such problems of individual nature, the DCTA extended its support to and active participation in all different phases of movements needed to be spearheaded from time to time by the ACTA for the common cause of the College teachers in matters relating to the implementation of UGC scales, pension benefits to the Colleges Teachers (its implementation still awaited), payment of UGC Arrears (not yet realised) the provincialization of college (which was however opposed due to govt.'s ill-motivated move to provintialize only the service of the teachers, but not the complete college set-up) and many other allied matters.

Such was the reality of situation in which the teachers of Dudhnoi college had to strive for bettering and catering an educational atmosphere among the vast masses, predonantly belonging to scheduled tribe, scheduled castes, other backward and more other backward classes. And obviously on account of constraint in their professional life, they could get very less or no opportunity to think of a well-concerted academic feedback to carry on academic activities. Neverthless under limited resource and scope, the members of DCTA speculated along with some enthausiastic members of the College Governing Body on opening Science Stream and when this speculation came true, the DCTA donated Rs.30,000 (Thirty Thousand) towards this end. The DCTA, over the years, organised or actively helped to host or orgenise UCG sponsored Seminars, Annual Lectures etc. on different occasions in the college, a brief reference to which below, will surely revel the humble but inspiring spirit of the DCTA as a whole.

(i) Seminar on the topic ----"Dimensions of Poverty among the Scheduled Tribes and Scheduled Castes of Assam --- An Anti-poverty Programme" sponsored by the Directorate of Tribal Research Institute of Assam and organised by the DCTA on Augast 10-12,1986.(ii) 19th conference of North-East India Geographical Society with UGC sponsored Seminar held on February 16 & 17, 1996 in collaboration with the Dept. of Geography of the college.

(iii) UGC -- sponsored Seminer on the topic ---'Impact of Education on socio - Economic development of Tribal People of Assam (with special reference to Goalpara District hosted by the Dept of Education on Jan 10 &11, 1998.

(iv) State level science Exibition organised by the Dudhnoi branch of Assam Science Society, which was Inagurated by Shri Bhisma Narayan Singha, the then Governor of Assam on December 26-28,1987.

(v) 1st Annual Lecture of the DCTA delivered on December 10, 1998 by the famous poet and art critic, Padmashree Nilmoni Phukan.

(vi) UGC - Sponsored Seminar on the topic --"Changing Ecology and life in North-East India "organised by the DCTA on November 17 & 18, 1999.

(v i) State - Level Bodo Sahitya Sabha held in Dudhnoi College Premises on April 9-11, 1981.

(viii) Inter College Football Tournament of Gauhati University organised by the DCTA in the College premises from 19-9-88 to 1-10-88.

(ix) The DCTA inaugurated its Recreation Centre in the College premises on November 29,

1998.

(x) The DCTA formed Dudhnoi Branch, ASSAM SCIENCE SOCIETY AND built its own office building which was inaugurated by the then Vice-Chancellor of Gauhati University, Dr.Nirmal Kumar Choudhury.

(xi) Two free Camps of Lions' Club of Guwahati were organised by the DCTA- one in the temporary premises of the College at BTC, Dudhnoi in 1975 and the other in its present premises in 1995, in which the valuntary services rendered by the teachers, students, the Principal and other social workers of Dudhnoi were of exemplary nature.

Besides such activities, almost a dozen of DCTA's members have been engaged in UGC-Sponsored research activities in their respective fields. Two of them are engaged in research project in Ph. D with awards of UGC Teacher Fellowship. It is heartening to note that beside these two, one ifs our Colleagues, Shri Kalyan Baruah of the Dept. of Anthropology, has already been awarded Ph.D. by Gauhati University and he was felicitated by the DCTA on the inaugural ceremony of its Recreation Centre on November 29, 1998.

An association of Teachers - the very term carries in itself a sense of respectability in their station of life. However,this sense of complacence may sometimes be replete with a danger of denigration, provided the teachers do not posses a strong will to actively respond to their moral obligation to the community of young learners. And getting rid of such a situation is possible only when they themselves will have the sagacity to become their own severe critics. With this aspect of the teaching profession in mind, the teachers of Dudhnoi college have earnestly endeavoured to accomplish their responsibility of spreading higher education among the provert - striken multitudes of masses of this vast under - developed region of Assam. It is now the people, who will see to it and mark the teachers feel either well or ill as their reason and judgement wise may reveal.



পৰিদৰ্শকৰ টোকাৰ পৰা

মহাবিদ্যালয় সপ্তাহ উপলক্ষে ১৯৭৮ চনত অনুষ্ঠিত হোৱা 'প্ৰাচীৰ পত্ৰিকা প্ৰদৰ্শনী' অনুষ্ঠানৰ বিশিষ্ট দৰ্শকমণ্ডলীৰ মন্তব্যসমূহৰ অংশবিশেষ। (সম্পাদক — অশোক কুমাৰ দাস, তত্ত্বাবধায়ক — বসন্ত কুমাৰ শৰ্মা।)

*(Mr. Roy, Founder Lecturer in English. Rtd.as H.O.D. English Dept. from Dudhnoi College.)*

*Collection : Memento, XXV Annual Conference, 30-31 August, 2001*

# MICRO - SATELLITE AND GENOMIC DIVERSITY PROJECT

Manoj Gogoi

All human beings inhabiting in different parts of the globes belong to the same species 'Homosapiens'. But, no two individuals, except monozygotic twins, are genotypically one hundred percent akin to each other. Human individuals/populations very in a number of biological traits. Some of this variation may be attributed to the process of adaptation, both physical & cultural change. But majority of the changes are due to genetical differences which needs more explanations. The vast Indian population is known for its heterogeneity. Racial and sub-racial elements of all four major racial groups- Mongoloid, Negroid, Caucasoid and Australoid are found among the Indian population in varying degrees. The mongoloid and the caucasoid elements are predominantly found among the populations of northern and north eastern part of India. The Australoid element is found to be primarily concentrated among the population of Western and Southern India, while the Negroid element is found among the population of Andaman. Since time immemorial, race admixing among Indian population is continuing from different migratory corridors, resulting increase in homogeneity. Anthropologists and geneticists are trying hard to reply a number of unanswered querries related to genomic diversity of Indian population. Recently the 'Genomic Diversity Research Project' conducted the Anthropological Survey of India (AnSI), Calcutta and Centre For Forensic Science Laboratory (CFSL), Hyderabad has reaveled an interesting fact about the genetic diversity of Indian population. Researchers have found that the genetic differences within a given ethnic groups is more than what exists between peoples living in different regions. This findings has almost shattered the common belief that members of some ethnic groups are genetically more similar than the other groups. It has been found that 97% of human genetic variation exist among the individuals within the same groups, whereas only 3% of genetic variation is found between the major groups. This findings has proved that a minute difference in the genetic level may brings drastic changes in physical traits, which froms the distinctive features of a particular group.

The Genetic Diversity Research Project carried out by AnSI and CFSL is one of the largest studies in this area , carried out in India so far. It covers 54 endogamous groups, covering 3,647 individuals of major ethnic and linguestic groups of India, from all socio-cultural hierachy. Previously, such population research works were generally based on anthropometric measurements and some were on genetic markers. But in this project, 'microsatellite' of DNA(Deoxyribonucleic Acid) has been selected as the new genetic tool for the study of genomic diversity of population. Microsatellite is a region (locus) within the segments of Dna where short sequences are repeated several times. The fact for which microsatellite is used in genomic diversity research is that the number of short sequences repeats at a particulars locus varies from individual to individual of the same population. The scientists of AnSI & CFSL has selected 15 microsatellite located in the different chromosome present within the nucleus. The researchers has found the minimum heterozygosity among the Manipuri muslims and the maximum among the Thakurs of UttarPradesh. This due to the fact that the most of the Manipuri muslims practice inbreeding (consanguinity). Whereas, the Thakurs strictly adheres to the outbreeding. The maximum region wise genetic variation between the individuals within a population is found in Northern Indian, followed by Western, Central Southern and Eastern region. Racially, the highest genomic variation is found among the Caucasoid, followed by Mongoloids with least variation among the Australoids.

The whole history of mankind is criss-crossed by the history of migration and race admixture. The anthropologist can now find out the actual route of the migration of the people by studying the micro-satellite of the individuals because it is used to change quickly over the time and this will help to find how and when differentiation within a group occurs. The whole human population is 99.9% similar in the genetic make up. It is only 0.1% variation in the genetic level that makes so difference among the human population. The result of this study can be fruitfully utilised in the development of bio-medical science. The Pharma Company can utilised the effects of the drugs. The association of micro-satelite with different kinds of diseases has also been reported. Now, it is upto the knowledge of genomic diversity for the betterment of human race. Surely, in the days to come, use of micro-satellite in the study of genomic diversity will bring a revolutionary change in population science.



মহাবিদ্যালয়ৰ খেতি পথাৰৰ ছাত্ৰসকলে ধান কটিছে



মহাবিদ্যালয়ৰ খেতি পথাৰৰ ছাত্ৰীসকলেও ধান কটিছে

**দুধনৈ মহাবিদ্যালয় আলোচনী**

**বছৰেকীয়া প্ৰকাশ।। প্ৰথম সংখ্যা ।। ১৯৭৬-৭৭ চন।। ১৮৯৮-৯৯ শক ৰ**

**পৰা উদ্ধৃত**

*(SRI GOGOI IS A LECTURER IN ANTHROPOLOGY, DUDHNOI COLLEGE)*
*('NREE BARTA' A BI-LINGUAL QUARTERLY NEWS MAG., ANTHROPOLOGICAL SOCIETY OF DUDHNOI COLLEGE, VOL.-1, NO.-1, OCT. 2003)*

# দগ্ধ হিয়াৰ কবিতা

চন্দ্ৰ বাহাদুৰ ছেত্ৰী
১ম বাৰ্ষিক প্ৰাক্‌বিশ্ববিদ্যালয়

মোৰ দগ্ধ হিয়াৰ
কবিতা বোৰত
শীত কালৰ
সেমেকা ৰাতিৰ
একুৰা জুইয়ে
আৰু কিছু উম সানি দিলে,
ফাগুণৰ পচোৱাই
উজাৰি দিলে
সমগ্ৰ সত্বা মোৰ,
হিয়াৰ কবিতা বোৰ
ফুলি উঠিল ৰক্তবৰ্ণ হৈ।

*(দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাঃ সম্পাদক চন্দ্ৰ বাহাদুৰ ছেত্ৰী; দুধনৈ হাইস্কুলৰ শিক্ষক। কবিতাটি দুধনৈ মহাবিদ্যালয় আলোচনী, ১৯৭৯-৮১ চন, তৃতীয় সংখ্যাৰ পৰা উদ্ধৃত)*

# চেতনা

শেৱালী কলিতা
দ্বিতীয় বাৰ্ষিক - বি. এ

স্বপ্ন মোৰ
অলেখ অগনন
ফুলিবনে তাত সুন্দৰৰ পাৰিজাত;
হব জানো ফলৱতী
স্বপ্ন মোৰ ক্ষুদ্ৰ হৃদয়ৰ।
মই বিচাৰো, —
দানবীয় ধৰাৰ
দানবীয় মূৰ্ত্তি বিনাশি;
জলাবলৈ শান্তিৰ প্ৰদীপ
আৰু পবিত্ৰ কৰিবলৈ এই বিশ্বৰ
কলুষ কালিমা সনা মানব অন্তৰ।
মই বিচাৰো —
অধৰ্মক আঁতৰাই
ধৰ্মক আদৰি
জ্বলাবলৈ ভক্তিৰ প্ৰদীপ
উজলাই শলিতা জ্ঞানৰ
আৰু আঁতৰাবলৈ অনাচাৰ, অত্যাচাৰী
ৰক্ত পিপাসু সেই ৰাক্ষসৰ দল।
মই বিচাৰো, —
সজাই তুলিবলৈ এক নতুন জগতঃ
য'ত ফুলিব মাথো সৃষ্টিৰ নতুন ফুল
মানৱক জনাৰ মাথো নতুন সংবাদ,
প্ৰতিধ্বনিত হব এই নতুন পৃথিবী
শান্তি, মৈত্ৰী আৰু প্ৰগতিৰ
জয়গানেৰে।

*(দুধনৈ মহাবিদ্যালয় আলোচনী ২য় সংখ্যা/১৯৭৭-৭৮) প্ৰাক্তন ছাত্ৰী শেৱালী কলিতা, দুধনৈ হাইস্কুলৰ শিক্ষয়িত্ৰী।*

# দুটা স্কেচ

অনিলেশ্বৰ মজুমদাৰ
প্ৰাক বিশ্ববিদ্যালয় ২য় বাৰ্ষিক (কলা)

(১)
এটি চেতনাহীন দেহ—
সাদিনৰ অনাহাৰ
ভিতৰত ক্ষুধাৰ্ত শিশুৰ গেঙনি
বাহিৰত প্ৰকৃতিৰ তাণ্ডৱ নৃত্য
আসুৰিক প্ৰলয় ধ্বনি
মেঘৰ ভীষণ গৰ্জন ...
উৰলি যোৱা ঘৰৰ ছাল
বৰ্ষাৰ উত্তাল ধল
ঘৰ-বাহিৰ বৰ্ষাময় ...
পেটৰ অসহ্য তাড়না
বৰষুণত লুতুৰি পুতুৰি
হাড় কপোৱা শীতল বতাহ
এক নৰক যন্ত্ৰণা।

(২)
এটুকুৰা ৰুটি —
এটি অস্থিচৰ্মসাৰ শিশুৰ
লোলুপ দৃষ্টি
দুটা চেৰেলা খঙাল কুকুৰ
লক্ষ্য ৰুটি ৰ টুকুৰা
বিকট চিঞৰ আৰু
ক্ৰুদ্ধ গৰ্জন মাৰি
কামুৰিছে ইটিয়ে সিটিক...
শিশুটি নিৰব-স্তব্ধ-বাকহীন
সন্মুখত ৰুটিৰ টুকুৰা
পেটত ক্ষুধাৰ পোৰণি
কুকুৰৰ গৰ্জন।

*দুধনৈৰ মহাবিদ্যালয়ৰ আলোচনী, বছৰেকীয়া প্ৰকাশ ।।
প্ৰথম সংখ্যা ।। ১৯৭৬-৭৭ চনৰ পৰা উদ্ধৃত।*

# কোনোবা এটা গ্ৰীষ্মৰ গধূলি

শ্ৰীঅমিয় ৰাভা
প্ৰাক বিশ্ববিদ্যালয় প্ৰথম বাৰ্ষিক (কলা)

কোনোবা এটা গ্ৰীষ্মৰ গধূলি
পদুলিত ৰৈ থাকোঁতে
উজনিমূৱা ৰেলখনে
দীঘল উকি মাৰি
বীৰ দৰ্পে গুছি গ'ল
নতুন আশাবোৰ বুকুত সামৰি।
দুকাষৰ ওখ ওখ গছৰ পৰা
এজাক এন্ধাৰ নামি আহি
অতৰ্কিত আক্ৰমণৰ মাজেৰে
মোৰ পুদুলিলৈ সোমাই আহিল ;
ছেগ চাই থমকি ৰল।
ক্লান্ত দৃষ্টিৰে নিজকে মই
খেপিয়াই চালোঁ
এৰি থৈ যোৱা ৰেলৰ ধোঁৱাই
মোৰ বগা পোছাকবোৰ
কলা কৰি থৈ গ'ল,
মই যে গমকে নেপালো।
এতিয়া যে মোৰ গভীৰ দুচকুৰ পোহৰখিনি
পাতল কাগজত
পনীয়া চিয়াহিৰ দৰে বিয়পি পৰিল,
নিশাৰ নগৰত এজোপা গছৰ তলত
ৰৈ থকা চিটি বাছখনৰ গধুৰ নিশ্বাসে
মোক আৱৰি ধৰিলে।
খিৰিকিৰ পৰ্দাৰ ফাঁকেৰে
বিৰিঙি পৰা কিছুমান ক্ষীণ পোহৰে
যেন ডিঙি মেলি বাহিৰলৈ চালে
হেজাৰ দিনৰ ক্ষুধাৰে জীয়াই থকা
এন্ধাৰবোৰে জিভা মেলি খেদি গ'ল
দীঘল নখেৰে আজুৰি নিলে
গ্ৰীষ্মৰ গধূলি
গাৰ ঘামবোৰে বতাহক খামুচি ধৰিছে,
সদায়ে যে আমাৰ বুকুৰ ভিতৰত
এন্ধাৰৰ ওপৰেদি বৈ অহা বতাহ জাকে
আমনি কৰি আহিছে।
চকু মেলি চাবৰ বাবে
এন্ধাৰ বোৰে হাঁহি দিলে
কলা কলা দাঁতবোৰে যেন মগজুটো
কামুৰি কামুৰি শেষ কৰি পেলালে।
মোৰ কানৰ কাষত বাজি আছিল
ৰেলৰ দীঘল উকি
চকুৰ পানীত উপঙি থকা
বতাহে কোবাই যোৱা
দিনৰ নগৰৰ ব্যস্ততাৰ খলকনি,
আৰু এজাক মানুহৰ গুণুণনি।
উত্তৰ ফালে
সদায়েই গধূলিৰ ৰেলখন গুছি যায়
দীঘল দুডাল চিৰি বগায়
ৰেলৰ উকিটোৰ লগে লগে
মোৰ মনটো কপি উঠে বাৰে বাৰে।
দিনৰ শ্ৰমবোৰ নিগনি পোৱালিৰ দৰে
দৌৰি দৌৰি এন্ধাৰত লুকায়।
মোৰ সন্মুখত আছে নদীখন
আৰু তাৰ সিপাৰে সুবিশাল পাহাৰ।
পাহাৰত ঠেকা খায়
বতাহ জাকৰ হাহাকাৰ
অনেক আশাৰ গুণ গুণনি লৈ
নদীখন বৈ যায় পুৱাক ধিয়াই।
কাৰোবাৰ পুতেকে —
ৰজা মহাৰজাৰ বুৰঞ্জী - পঢ়িছিল চিঞৰি চিঞৰি
মই হাঁহি দিলোঁ
জিৰ জিৰকৈ সৰি পৰিল
যেন নদীৰ পাৰৰ এমুঠি শুকান বালি
কোনোবা এটা গ্ৰীষ্মৰ গধূলি।

*(১৯৭৬-৭৭ চনৰ প্ৰথম সংখ্যা আলোচনীৰ পৰা উদ্ধৃত)*

## ক্ৰুমা (ৰাংকাৰাঙি ৰাংচাঙ্‌ণা কাণি)

ৰাজীৱ ৰাভা
স্নাতক ২য় বৰ্ষ (কলা)

নাঙ্ ৰিবাজো যখন, ইচিয়ান নু।
দিম্‌দাক ফুঙিয়ান্ নাঙি ৰিবাকায়ো
নেমেখাৰে ৰোনা আঙি মন নিমিনান নামা।
নাচম ফামানান্
নাঙ্ ৰিবাদং আঙি খাপাক্ নায় ৰিঙকায়
নাঙ্ ৰিবায় নাঙি কচনে ৰাখুকায়
আঙি কানতনি প্ৰেৰেঙে মাঙচিং কিঙজুঙান চাৰে ৰিঙকায়।
নাঙ্ পেকে আঙি পাঙা কাথান বোবায়না লাগিয়াম্যুন,
বোবায়কায় আৰো চাঙে ৰিবিছা।
নামে আঙি খাপাক্‌নি হাদুং-হাদাবুৰ, খেছেৰা বিজানোছান
তুনুকে ৰাখনা জাঙা।
অন্‌দংবে নামে আঙি খেচেৰাবিজানো গুনে ৰাঙা জাংচা।
নামে আঙি পাৰা নেম্‌কায় ক্ৰুমা মাচাছা,
ফামানা, নাঙ ৰাওঁ চায় ৰিঙা।
নামে নুক্‌জোৰান তেৰে
আঙি নক্‌নি চাৰ আনান দৌমে ৰিবাকায় নেমচাকায় মননি পুলি।
উনুবা আঙা নাঙ্ নেম্‌চা তামান্
আনাকে আঙ্ তেৰা থেখেঙে তোৰা
নাঙি আৰো আঙি যুগ-যুগনি ক্ৰুমা।

## নাঙ্ ফামাণ্‌ছাৰেঙেয়াণ

শিৱ কান্ত ৰাভা
স্নাতক ২য় বৰ্ষ

নাঙ্ পেকে আঙি্ কাথা থুকাছান ববায়খুছা,
অনাবা নাঙি জ্যিমাও আঙি খাপাকী ৰিজ্যামা,
নাঙি নাছিকায় আঙি থ্ৰাছকাতি ক্ৰাঙা,
নাঙ্ ফামান্‌ছাৰেঙেয়ান —
